## গ্ৰীষ্মকালীন শাক-পাচলিৰ বাবে ঃ

শীতকাল উকলি গৈছে ।

এতিয়া গ্ৰীষ্মকালীন খেতি কৰাৰ সময় ।

এই সময়তে জিকা, ভেণ্ডী, জাতিলাও, জলকীয়া, লেচেৰা মাহ, টিয়হঁ, চিৰাল, তৰমুজ আদি গ্ৰীষ্মকালীন শাক-পাচলি আৰু শস্যৰ খেতি কৰিবৰ বাবে মাটি প্ৰস্তুত কৰি লওক। মাটি চাহ কৰাৰ সময়তেই গোবৰ বা পচন সাৰ মাটিত প্ৰয়োগ কৰিব। ইয়াৰ পিছত অনুমোদিত পৰিমাণৰ ৰাসায়নিক সাৰ সময় অনুযায়ী প্ৰয়োগ কৰিব। খৰাং বতৰত জলসিঞ্চনৰ বিশেষ ব্যৱস্থা হাতত লব ।

এই বিষয়ে সবিশেষ জানিবলৈ ওচৰৰ কৃষি সম্প্ৰসাৰণ বিষয়াৰ কাষ চাপক ।

অসম কৃষি বিভাগৰ কৃষি প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত ।

OKDISCD

# নতুন পৃথিৱী

( প্ৰগতিশীল তিনিমহীয়া আলোচনী )

সম্পাদনা সমিতি ( অবৈতনিক )

ডঃ হীৰেন গোহাঁই

অনিল ৰায়চৌধুৰী

তাৰক চন্দ্ৰ গোস্বামী

উপদেষ্টা

ডঃ দেৱ প্ৰসাদ বৰুৱা

আনন্দেশ্বৰ শৰ্মা

প্ৰথম বছৰ ১৯৭২,
৪ৰ্থ সংখ্যা আগষ্ট

কাৰ্য্যালয় সঞ্চালক (অবৈতনিক)
মুকুট ভট্টাচাৰ্য্য
১৬ বিশ্ববিদ্যালয় চৌহদ
গুৱাহাটী-১৪

মূল্য ঃ ৩·৫০

পোঃ কলাবাৰী, ( দৰং )

নতুন পৃথিৱীৰ অহা সংখ্যাত ( ২য় বছৰ ১ম সংখ্যা ) ওলাব

প্ৰবন্ধ ঃ—মাও চে তুঙ (অনুবাদ) ; তাৰক গোস্বামী ; উমা শৰ্মা ; ডঃ হীৰেণ গোহাঁই ; ৰঞ্জিত নাৰায়ণ ডেকা ; যামিনী ফুকন ; সুৰেণ হাজৰিকা ; ডঃ এম-এস প্ৰভাকৰ আদি

গল্প ঃ—ডঃ নীলিমা শৰ্ম্মা ; কুমুদ গোস্বামী আৰু আন আন

একাকিংকা নাটক ঃ—অনিমেষ চৰকাৰ

কবিতা ঃ—পুণ্ডৰীকাক্ষ ভৰালী ; উপেন নাথ আদি ।

দাম ঃ দুটকা পঞ্চাশ পইচা

গুৱাহাটীৰ প্ৰেষক ছপাশালত শ্ৰীমুকুট ভট্টাচাৰ্য্যৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত

## —সূচী পত্ৰ—

পোঃ কলাবাৰী, (দৰং)

### সম্পাদকীয়

### প্ৰবন্ধ ঃ


| | | পৃষ্ঠা |
|---|---|---|
| মাও চে টুঙ | দ্বন্দৰ বিষয়ে বিচাৰ (অনুবাদ) | ১-৪৬ |
| ডঃ হীৰেন গোহাঁই | মণিৰাম দেৱান আৰু অসমীয়া মধ্যবিত্ত সমাজৰ ইতিহাস | ৯৮-১২২ |
| ডঃ অমলেন্দু গুহ | সামন্তযুগীয় অসমৰ ভূমি ব্যৱস্থা আৰু সামাজিক শ্ৰেণী (অনুবাদ) | ১২৩-১৪৭ |
| খগেন শৰ্ম্মা ৰাজখোৱা | ভিয়েটনামৰ মুক্তি যুদ্ধ | ২১৬-২২৯ |
| অনিল ৰায় চৌধুৰী | ফেচিবাদ | ২৩০-২৫৭ |
| শিৱনাথ বৰ্মন | মাৰ্ক্সবাদ আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গী সম্পৰ্কে এটা মত | ২৬৭-২৮৪ |
| যামিনী ফুকন | শেক্সপীয়েৰ আৰু তেওঁৰ সমাজ | ২৮৫-২৯৪ |
| ৰঞ্জিত নাৰায়ণ ডেকা | আমাৰ শিক্ষা ব্যৱস্থা | ২৯৫-৩১০ |
| ডঃ দেৱ প্ৰসাদ বৰুৱা | পঞ্চম নিৰ্বাচন আৰু সংসদী গণতন্ত্ৰৰ ভৱিষ্যত | ৩১১-৩২১ |


### সম্পূৰ্ণ উপন্যাস ঃ


| | | |
|---|---|---|
| শীলভদ্ৰ | সৈনিক | ৫৮-৯৭ |
| মুকুট ভট্টাচাৰ্য্য | বোৱাঁতী সুঁতি | ১৪৮-২১৫ |

## কবিতা ঃ


| | | |
|---|---|---|
| হীৰেন ভট্টাচাৰ্য্য | শোভাযাত্ৰাত নিহত জনৰ কবিতা | ৪৭ |
| বিজনলাল চৌধুৰী | পৃথিৱীত ফাগুন | ৪৮ |
| জ্ঞান পূজাৰী | দুছবি | ৪৯ |
| খগেন্দ্ৰ ভৰালী | এটা কবিতা | ৫০ |
| ফনীন্দ্ৰ নাথ গায়ন | দেৱালৰ লেখা | ৫১ |
| মধুসূদন দাস | স্বাগতমঃ এটি নতুন সূৰ্য্যক | ৫২-৫৩ |
| অৰনী চক্ৰবৰ্ত্তী | প্ৰহৰী | ৫৪-৫৫ |
| হিতেন শৰ্ম্মা | অন্ধকাৰত আনত আমাৰ মুখ | ৫৬ |
| পুতুল হাজৰিকা | সূৰ্য্যোদয়ত উপলব্ধি | ৫৭ |


## গল্প ঃ


| | | |
|---|---|---|
| হৰেকৃষ্ণ দাস | সংকল্প | ২৫৮-২৬৬ |
| **সাংস্কৃতিক সংবাদ আৰু সমসাময়িক প্ৰসঙ্গ** | | ৩২২-৩২৯ |


*Please Enquire !*

**M/S SERVICE**

PUBLISHERS, BOOK SELLERS & STATIONERS'

University Market : Gauhati-14

For old G. U. question Papers ; All sorts of pariodicals : Text books and other reading materials.



# সাহিত্যৰ পথ

আমি যি সাহিত্যৰ পৃষ্ঠপোষকতা কৰিব খোজোঁ সি সমাজৰ জীৱনত চলি থকা দ্বন্দ্ব, ক্ষয়, আৰু সৃষ্টিৰ আচল স্বৰূপ ফুটাই তুলিব পাৰিব লাগিব। অৰ্থাৎ পুৰণা সমাজৰ ব্যৰ্থতা আৰু অধঃপতনৰ জংঘল চাফ কৰি আৰু তাৰ বুকুত শ্ৰেণীদ্বন্দ্বই মুকলি কৰা নতুন জীৱনৰ স্ৰোত বোৱাই আনি যি সাহিত্য ৰচনা হব পাৰে, আমি তেনে সাহিত্যকেই বিচাৰোঁ। সমকালীন বুৰ্জোৱা ফে'শ্যনে বিচৰা নিছক চাঞ্চল্য, উত্তেজনা বা অতি বুদ্ধিৰ নকল আভিজাত্য আমি নিবিচাৰোঁ। ৰাগীয়াল বস্তুৰ দৰে বা নিজৰ বুদ্ধিমত্তাৰ দাপোন হিচাবে সাহিত্যৰ ব্যৱহাৰ আমি নিবিচাৰোঁ। উচ্চ মধ্যবিত্ত শ্ৰেণীত উঠিব নোৱাৰি সেই শ্ৰেণীৰ ওপৰত হোৰ তুলিবলৈ বিচৰা মানুহৰ খং বা ক্ষোভ আমাৰ সাহিত্যৰ সামগ্ৰী হব নোৱাৰে। নিতান্ত ব্যক্তিগত স্বপ্নভংগৰ দুখ মদৰ গিলাচত শেষ কৰাই ভাল। সাহিত্যৰ সত্যৰ যি বিশ্বজনীনতা আছে সি বস্তুনিষ্ঠ আৰু পৰিণতবয়স্ক মনৰহে সৃষ্টি। কিন্তু "প্ৰগতিশীল" সাহিত্যৰ নামত চলি থকা কিছুমান ভকতীয়া ভণ্ডামি আমি সমৰ্থন কৰিব নোৱাৰোঁ। বুৰ্জোৱা সমাজক বুজা— ভালদৰে বুজা। এই প্ৰসংগত এই সংখ্যাত ওলোৱা মাও-ছে-তুঙৰ 'দ্বন্দ্বৰ বিষয়ে বক্তব্য' গভীৰভাৱে প্ৰণিধানযোগ্য।

এই দ্বন্দ্বৰ প্ৰকৃত উপলব্ধি নথকা বাবেই দেখা যায় যে সৰ্বহাৰাৰ সাহিত্য ৰচনা কৰিবলৈ ওলোৱাসকলে সাহিত্য সৃষ্টিৰ বাবে প্ৰয়োজনীয় পৰিশ্ৰমখিনি কৰিব নোখোজে। কিন্তু মনত ৰখা ভাল যে সৰ্বহাৰাৰ



OKDISCD

মনৰ ভাবৰ স্বতস্ফূৰ্ত্ত প্ৰকাশেই বিপ্লৱ নহয়। তেনেকৈ সৰ্বহাৰাৰ ভবিষ্যৎ সম্পৰ্কে আস্থা থকা মানুহে যিহকে লিখে সেয়েই সাহিত্য বুলি আমি নাভাবো। সাহিত্যৰ প্ৰাণ অভিজ্ঞতা—ভাষাৰ সম্যক ব্যৱহাৰেহে এই অভিজ্ঞতাক লেখকৰ নিজৰ বাবে, আৰু তেওঁৰ পাঠকৰ বাবে, পৰিষ্কাৰ কৰিব পাৰে। কিন্তু অনেকেই অভিজ্ঞতাৰ ঠাইত আগবঢ়ায় ৰূপৰস গন্ধ হীন শ্লোগান। মানব চৰিত্ৰৰ মাজত থকা দ্বন্দ্বক আওকাণ কৰি আগবঢ়ায় কাঠৰ পুতলাৰ দৰে চৰিত্ৰ—যি লেখকৰ খেয়াল খুছিমতে দেৱতা হয় বা দানৱ হয়! এনে সাহিত্যই একো শিক্ষা দিব নোৱাৰে। কাৰণ বাস্তৱ অভিজ্ঞতাৰপৰা শিকিবপৰা মনৰ সৃষ্টি সি নহয়। এনে সাহিত্য অহংকাৰী, আত্মকেন্দ্ৰিক আৰু আত্ম-ৰতিপ্ৰিয় মনৰহে সৃষ্টি। অথচ নিষ্ঠাবান লেখকৰ বাবে জানো অভিজ্ঞতাৰ আকাল পৰিছে? শোষণ আৰু নিষ্পেষণৰ বিৰুদ্ধে, মাটিৰ আন্দোলন, ধৰ্ম্মঘট আৰু কিমান ধৰণে দেশৰ সৰ্বত্ৰ মেহনতী মানুহে থিয় দিছে। কিন্তু তেনে অভিজ্ঞতাৰ স্বৰূপ আৰু শিক্ষা আমাক কেইজন লেখকে দিছে? কাৰণ মেহনতী মানুহৰ প্ৰতি সহানুভূতি এওঁলোকৰ ক্ষেত্ৰত নিতান্তই মৌখিক। আমাৰ পৰিচিত সৰ্বহাৰা শ্ৰেণীৰ মানুহৰ টুকুৰা টুকুৰি সংগ্ৰামৰ মাজত যেনেকৈ তাৰ বৰ্ত্তমান দুৰ্বলতা, ত্ৰুটি আৰু অপৰিপক্কতা আছে, তেনেকৈ আছে সেই সংগ্ৰামৰ সম্ভাৱনা আৰু সাফল্যৰ বীজ। বিবিধ চৰিত্ৰ আৰু ঘটনাৰ মাজেদি সেইবোৰ ফুটাই তোলাৰ চেষ্টা কেইজনে কৰিছে? দৃশ্য, শব্দ, স্পৰ্শ, গন্ধৰ মাজেদি কেইজনে জীৱন্ত কৰিছে তেনে ঘটনাৰ শিক্ষা?

এই ব্যৰ্থতাৰ কাৰণ আমাৰ Seriousness ৰ অভাৱ। লেনিন আৰু মাও ছে' তুঙৰ জীৱনত দেখা যায় যে প্ৰতিটো তাৎপৰ্য্যপূৰ্ণ ঘটনা বা অভিজ্ঞতা তন্ন তন্নকৈ ফঁহিয়াই তাৰ তাৎপৰ্য্য বুজিবলৈ আৰু তাক কামত লগাবলৈ চেষ্টা কৰিছে তেওঁলোকে। আমাৰ বহু



তথাকথিত বামপন্থীৰ বাবে অভিজ্ঞতা কচুপাতৰ পানী। তেওঁলোকৰ মনত সি দাগ নেকাটে, কাৰ্য্যধাৰাত প্ৰভাৱ নেপেলায়। সাহিত্যতো ঠিক এই মনোবৃত্তিকে দেখা যায়। নম্ৰভাবে, ধৈৰ্য্যৰে আৰু নিৰ্মোহভাবে অভিজ্ঞতা নিৰীক্ষণ কৰাৰ উদাহৰণ আমাৰ চকুত নপৰে। সস্তীয়া ধৰণে কাৰোবাক "উঠাই" বা কাৰোবাক "নমাই" দিয়াই আমাৰ প্ৰগতিশীল সাহিত্যৰ বেমাৰত পৰিণত হৈছে। ("নতুন পৃথিৱী"ত প্ৰকাশৰ বাবে পঠোৱা বহু গল্প বা কবিতাৰ চেহেৰা এনেবিধৰ।) ফলত এই সাহিত্যও বুৰ্জোৱা আত্মকেন্দ্ৰিকতা আৰু বিলাসৰে কলুষিত হব ধৰিছে।

সেয়েহে আমাৰ প্ৰগতিশীল লেখকসকলৰ মাজত প্ৰয়োজন নম্ৰতাৰ ধৈৰ্য্যৰ, আত্মসমালোচনাৰ। চালাকিৰ (Cleverness) দ্বাৰা তেওঁ-লোকে সৰ্বহাৰাক সহায় কৰিব নোৱাৰে; নিজৰো চৰিত্ৰ সংশোধন কৰিব নোৱাৰে। আন বিষয়ৰ দৰে এই ক্ষেত্ৰতো আত্মোৎসৰ্গী সাধনাৰ বিকল্প নাই।

## সংগ্ৰামী মানুহৰ ঐক্য

অসংখ্য মানুহক পদদলিত কৰি গৌৰৱৰ পতাকা উৰোৱা; অগণন মেহনতী মানুহৰ ওপৰত নিয়মিত লুণ্ঠন কৰি ঐশ্বৰ্য্যৰ প্ৰদৰ্শনি পতা তাহানিৰ ৰোমান সাম্ৰাজ্যৰ দিনতেই শাসক শ্ৰেণীয়ে শিকিছিল সিহঁ-তৰ শক্তিৰ এটা প্ৰধান আৰু জঘন্য কৌশল :—Divide et im-pera—Divide and rule—বিভেদ লগোৱা আৰু শাসন কৰি যোৱা! ব্ৰিটিছেও ভাৰতত হিন্দু-মুছলমান, বৰ্ণহিন্দু—শূদ্ৰহিন্দু আৰু এশ এটা বিভেদৰ পুলিত সযতনে সাৰগোবৰ দিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ হাতৰ পৰা শাসন-শোষণৰ বাঘজৰী পিছলি গৈ পৰিলগৈ ভাৰতীয় বৃহৎ পুঁজিপতি আৰু জমিদাৰ গোষ্ঠিৰ হাতত, সাম্ৰাজ্যবাদৰ



OKDISCD

লগত যাৰ মিত্ৰতা দিনকদিনে গাঢ় হৈছে। চিৰাচৰিত ধৰণে সিহঁতে আৰম্ভ কৰিছে এই বিভেদ আৰু ভ্ৰাতৃঘাতী চক্ৰান্তৰ কূটকৌশল। য'তেই জনতাৰ ৰাজনৈতিক শিক্ষা আৰু চেতনা পৈণত, ত'তেই সিহঁতৰ এই অপচেষ্টা জনতাই প্ৰতিহত কৰিছে। য'তেই নানা কাৰণত জনতাৰ সংগ্ৰামী চেতনা পৰিপক্ক নাই হোৱা, ত'তেই সিহঁতে এই কূটকৌশলেৰে বিভ্ৰান্তি আৰু মোহ সৃষ্টি কৰিছে, জনতাৰ জাগৰণৰ দিন কৰিছে বিলম্বিত।

এই কূট চক্ৰান্তৰ ফলত জনতাই ঘাই শত্ৰুক চিনিব নোৱাৰি নিজৰ ভিতৰকে সৰ্বনশীয়া কন্দলত মত্ত হৈছে। বিভক্ত, বিচ্ছিন্ন জনতাৰ প্ৰকৃত চেতনা থাকিব নোৱাৰে। তেনে অৱস্থাত জনতাই নুবুজে যে মানৱ সমাজত দুটাই মূল জাতি ঃ শোষক আৰু শোষিত, ধনবান আৰু যোত্ৰহীন। শোষিত মানুহ ঐক্যবদ্ধ হব নোৱাৰা পৰ্য্যন্ত অটল শোষক শ্ৰেণীৰ ৰাজপাট। শোষক দলেও নিজৰ পৰিচয় ঢাকি ৰাখিবলৈ আৰু নিপীড়িত জনতাৰ ক্ষোভ লক্ষ্যভ্ৰষ্ট কৰিবলৈ সদায় শোষিতক ভুৱা বিপদৰ, ভুৱা শতুৰুৰ সন্ধান দি থাকে। অথচ শ্ৰেণীহীন, শোষণহীন সমাজ সেইদিনালৈ আহিব নোৱাৰে; যিদিনালৈকে শোষিতই নুবুজে যে শোষকৰ ঐশ্বৰ্য্য, ক্ষমতা আৰু প্ৰভাৱৰ মূলতে আছে কেৱল শোষণ কেৱল শোষিত শ্ৰেণীৰ ওপৰত অবাধ কৰ্তৃত্ব। সেই সত্য মনত আৰু হৃদয়ত একুৱা জুই হৈ জ্বলি নুঠা পৰ্য্যন্ত শোষণৰ বিৰুদ্ধে শক্তি গঢ়ি নুঠে—সংগ্ৰামী ঐক্য গঢ়ি নুঠে।

আনহাতে নানা উপায়ে শোষক শ্ৰেণীয়ে এনে বিভেদ প্ৰচাৰ কৰে। ধনৰ বলত প্ৰচাৰৰ সকলো মাধ্যম সিহঁতে কৰায়ত্ত কৰে আৰু অহৰ্নিশে তাত মিথ্যা প্ৰচাৰ চলাই সংগ্ৰামী ঐক্য গঢ়ি উঠাত বাধা দিয়ে। এই প্ৰচাৰৰ মুখা খোলাৰ সুবিধাও সিহঁতে নিদিয়ে। তাৰোপৰি জীৱিকা তথা অন্নসংস্থানৰ যিবোৰ সুবিধা শোষক তথা





অন্নসংস্থানৰ যিবোৰ সুবিধা শোষক তথা শাসক শ্ৰেণীৰ হাতত থাকে, সেইবোৰৰ লোভ দেখুৱাই বিভিন্ন সম্প্ৰদায়ৰ জাতি আৰু গোষ্ঠিৰ মাজত ভুল বুজাবুজি আৰু কন্দলৰ সূত্ৰপাত কৰে। আনকি বিভিন্ন সম্প্ৰদায়ৰ মুৰব্বী মানুহখিনিক হাত কৰিও এনে প্ৰভাৱ বিস্তাৰ কৰে। বিভেদমূলক ৰাজনৈতিক অনুষ্ঠান সৃষ্টি কৰিও শাসক গোষ্ঠিয়ে এনে বাতাৱৰণৰ জন্ম দিয়ে। এনে প্ৰচাৰত ভোল গলে, এনে কাৰচাজীত মোহ গলে শোষক শ্ৰেণীৰ বদমাছি গজ্‌গজিয়াহে হব। বস্তুৰ দাম বাঢ়ি গৈ থাকিব, কলকাৰখানা বন্ধ হৈ বা ছাটাই হৈ মেহনতী মানুহৰ পেটৰ ভাতমুঠিও কাঢ়ি নিব,—আৰু ধনিক শ্ৰেণীৰ উপাৰ্জন আৰু খৰচৰ মাত্ৰা বিপুলভাবে বাঢ়ি থাকিব।

অসমত শোষক-শোষিতৰ এই অন্তহীন, আপোচহীন দ্বন্দ্ব জনতাৰ চেতনাত স্পষ্ট হৈ উঠা নাই এতিয়াও। অতীতৰ অলৰ সমাজৰ নানা ভেদাভেদ সংগ্ৰামী ঐক্যই এতিয়াও দূৰ কৰিব পৰা নাই, বৰং তাৰ পূৰ্ণ সুযোগ লৈছে শোষক তথা শাসক শ্ৰেণীয়ে। ক্ৰমাৎ শোষণৰ মাত্ৰা তীব্ৰ হৈ অহাৰ লগে লগে, বিভিন্ন সম্প্ৰদায়ৰ মাজত যোগাযোগ দৃঢ় হৈ অহাৰ লগে লগে, বিভেদৰ কণকঠিয়া মাৰাৰ সুযোগো বহল হব ধৰিছে। সেইবাবেই উদ্বিগ্ন হৈ শাসক শ্ৰেণীয়ে ঘনাই তিক্ত সাম্প্ৰাদায়িক পৰিস্থিতি সৃষ্টি কৰিব ধৰিছে। কিন্তু বাৰেপতি মাৰি অহা ফাঁকিৰ জোৰো কমি আহিছে।

অসমৰ বঞ্চিত মানুহক শাসক শ্ৰেণীয়ে এনে শিক্ষা দি আহিছে যেন ভাষা আদিৰ ক্ষেত্ৰত "বহিৰাগত" মানুহৰ চক্ৰান্তই অসমীয়া মানুহৰ উন্নতিৰ প্ৰধান অন্তৰায়। প্ৰকৃততে অসমীয়া মানুহৰ দুৰ্দ্দশাৰ প্ৰধান কাৰণ হ'ল সৰহ সংখ্যক মানুহৰ অসহায় দাৰিদ্ৰ্য। এই দাৰিদ্ৰ্যৰ গুৰিতে ধনী সৰ্বভাৰতীয় পুঁজিপতি আৰু জমিদাৰৰ তীব্ৰ শোষণ যাৰ বিৰুদ্ধে বৰ্তমান সমাজব্যৱস্থাত কোনো প্ৰতিকাৰ নাই। অসমৰ



OKDISCD

আৰ্থিক দুৰ্বলতা এনে ব্যৱস্থাই বাহাল ৰাখিবলৈ বিচাৰিছে। আন-হাতে এই দুৰ্বলতাৰ বাবে ঘাই জগৰীয়াক নিচিনি সমনীয়া আন সম্প্ৰদায়ৰ দৰিদ্ৰ মানুহৰ বিৰুদ্ধে অসমীয়া দৰিদ্ৰই মাজে মাজে জাঙ্গুল খাই উঠিছে। ফলত হোৱা অশান্তি, সংঘাত আৰু উত্তেজনাত আমাৰ বল টুটিছে, শোষকদলৰ বল বাঢ়িছে।

এনে পৰিস্থিতি স্থায়ী হবলৈ দিব নোৱাৰি। ভাৰতৰ সকলো অঞ্চলৰ দৰিদ্ৰ শ্ৰেণীৰ মাজত ঐক্য স্থাপিত নহলে সৰ্বভাৰতীয় শোষকৰ কবলৰ পৰা পলাই অহাটো অসম্ভৱ। অসমৰ দৰে বিচিত্ৰ আৰু বিবিধ সম্প্ৰদায়ৰ বসতি স্থানতে সেই ঐক্যৰ সাধনা কৰিব লাগিব। মনত ৰাখিব লাগিব, মেহনতী মানুহৰ মন খোলা—কোনো ভাষা, কোনো সংস্কৃতিকে সি দমন নকৰে।

## 'নতুন পৃথিবী'ৰ এবছৰ

এই সংখ্যাৰ লগে লগে 'নতুন পৃথিবী'ৰ এবছৰ পূৰ্ণ হ'ল। অসমৰ আঠৈ কুৰিৰো ওপৰ সাহিত্যানুৰাগী প্ৰগতিশীল লোক গুৱাহাটীত মিলিত হৈ 'নতুন পৃথিবী পৰিষদ' গঠন কৰি সম্পাদনা সমিতিক আলোচনীখন প্ৰকাশ কৰাৰ দায়িত্বভাৰ দিছিল।

'নতুন পৃথিবী'ক ৰাইজে গ্ৰহণ কৰিছে। ৰাইজৰ মাজলৈ আলোচনীখন আগবঢ়াই নিয়া কামত বহুতো নিঃস্বাৰ্থ প্ৰগতিশীল ব্যক্তি আৰু বাতৰি বিক্ৰেতাই আন্তৰিকতাৰে সহায়-সহযোগিতা আগবঢ়াইছে। তেখেত সকললৈ আমাৰ কৃতজ্ঞতা থাকিল।

'নতুন পৃথিবী'ৰ লেখকসকলে বিনা পাৰিশ্ৰমিকে অশেষ কষ্ট স্বীকাৰ কৰি প্ৰবন্ধ-পাতি লিখিছে। উপদেষ্টা সকল, সম্পাদনা সমিতি বা কাৰ্য্যালয় সঞ্চালকৰ বাহিৰেও অধ্যাপক ৰঞ্জিত নাৰায়ণ ডেকা,





অধ্যাপক শিৱনাথ বৰ্মণৰ লেখীয়া বহুতো বুদ্ধিজীৱীয়ে নতুন পৃথিবীৰ বিভিন্ন কামত বিশেষভাৱে খাটিছে। তেখেত সকললৈ 'নতুন পৃথিবী'ৰ সম্পাদনা সমিতিৰ তৰফৰপৰা অভিনন্দন জনালোঁ।

নতুন পৃথিবী গুৱাহাটীৰ প্ৰেষক ছপাশালত ছপা হয়। এই ছপাশালৰ কৰ্মীসকলে আলোচনীখনক নিজৰ বুলি নোলোৱা হ'লে, ছপাশালৰ কৰ্তৃপক্ষই নতুন পৃথিবীক মৰম নকৰা হ'লে ইয়াক সময়মতে উলিয়াবপৰা নগ'লহেঁতেন। তেখেতসকললৈও আমাৰ কৃতজ্ঞতা ৰ'ল।

'নতুন পৃথিবী'য়ে ৰাইজ আৰু প্ৰগতিশীল ব্যক্তি তথা বুদ্ধিজীৱী-সকলৰপৰা সকলো প্ৰকাৰে সহায় আৰু সমৰ্থন পাই আৰু সৰবৰহী হৈ উঠিব আৰু সমাজৰ প্ৰতি থকা ইয়াৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ সমৰ্থ হ'ব বুলি আমাৰ গভীৰ আশা আৰু বিশ্বাস আছে।

### বিশ্ববিদ্যালয়ৰ অসমীয়া মাধ্যমৰ পাঠ্যপুথি ঃ

গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া মাধ্যমৰ সদ্য প্ৰকাশিত কিতাপ সমূহৰ মূল্যাধিক্য আৰু ভাষাৰ কঠিনতা সম্পৰ্কীয় কেইখনমান তথ্যপূৰ্ণ চিঠি পত্ৰ আমালৈ আহিছে। স্থান আৰু সময়ৰ অভাবত এই সংখ্যাত সেই বিষয়ে আলচ কৰিব পৰা নগ'ল।



OKDISCD

Manufacturer of :

PRESSED STEEL TANKS
STEEL TUBULAR ELECTRIC POLES
STRUCTURES FOR INDUSTRIAL BUILDINGS, BRIDGES ETC.
TUBULAR STRUCTURES
OIL TANKER
FLUID STORAGE TANKS
STEEL DOORS & WINDOWS
TRAILERS OF ALL TYPES
WATER TREATMENT PLANT, PRESSURE FILTERS, ETC.

STEELSWORTH PVT. LIMITED
G. S. Road, Gauhati-5
ASSAM.

Phone : 5321, 5322 & 4896
Cable : STEELWORTH
Telex : STEEL GH 240.

# দ্বন্দ্বৰ বিষয়ে বিচাৰ

## মাও চে টুঙ

[ চীনদেশৰ সমাজতান্ত্রিক বিপ্লৱৰ সফল সংগঠক, পৰিচালক আৰু সমাজবাদী চীন-দেশৰ মহান নেতা হিচাপে মাও চে টুঙক নতুন কৈ পৰিচয় কৰি দিয়াৰ আৰশ্যক নকৰে। মার্কসীয়-দর্শন চর্চাৰ বিভিন্ন দিশত তেওঁৰ ৰচনা অতিশয় মূল্যবান।

দ্বন্দ্বমূলক বস্তুবাদৰ (DIALECTICAL MATERIALISM) ক্ষেত্রত তেওঁৰ ৰচনা "দ্বন্দ্বৰ বিষয়ে বিচাৰ" (ON CONTRADICTION) আৰু "জনগণৰ মাজৰ দ্বন্দ্বৰ নির্ভুল ব্যৱহাৰ" (ON THE CORRECT HANDLING OF CONTRADICTIONS AMONG THE PEOPLE), এই দুই প্রবন্ধৰ গুৰুত্ব সর্বজন স্বীকৃত।

"নতুন পৃথিবীৰ" পাঠকসকলৰ কাৰণে এই দুই ৰচনাৰ অসমীয়া ভাঙনি পৰিবেশন কৰাৰ প্রচেষ্টা হিচাপে এই সংখ্যাত 'দ্বন্দ্বৰ বিষয়ে বিচাৰ' (ON CONTRADICTION) প্রবন্ধটি আগবঢ়োৱা হৈছে।

১৯৩৭ চনৰ আগষ্ট মাহত য়ুনানৰ জাপান-বিৰোধী সামৰিক আৰু ৰাজনৈতিক কলেজত (Anti-Japanese Military and Political College) দিয়া বক্তৃতাকে পিচত প্রবন্ধ-পুথি আকাৰে ৰূপ দি এই প্রবন্ধটি প্রকাশ কৰা হৈছিল। পুথি আকাৰে প্রকাশ হোৱাৰ সময়ত মাও চে টুঙে নিজে আকৌ এবাৰ চাই দিছিল। সেই সময়ত চীনা বিপ্লৱ সফল হোৱাই নাছিল।

মাও চে টুঙৰ প্রকাশ ভঙ্গীৰ এটা নিজস্বতা আছে। তাতে আকৌ আলোচ্য বিষয়টো অকল জটিলেই নহয়—বহু পৰিমাণে technical ; তথাপিও যত্ন সহকাৰে আৰু সাৱধানে ভাঙনি কৰাৰ চেষ্টা লোৱা হৈছে।

কলিকতাৰ নেচনেল বুক এজেন্সিয়ে ১৯৬৭ চনত প্রকাশ কৰা সংস্কৰণ এটাৰ পৰা এই প্রবন্ধটি ভাঙনি কৰিছে শ্রীমুকুট ভট্টাচার্য্য আৰু শ্রীঅনিল ৰায় চৌধুৰীয়ে।

: সম্পাদক ]



OKDISCD

সকলো বস্তু আৰু বিষয়ত নিহিত দ্বন্দ্বৰ নিয়ম (law)—অৰ্থাৎ বিপৰীতৰ ঐক্যৰ নিয়ম—বস্তুবাদী দ্বন্দ্ববিদ্যাৰ (materialist dialectics) একেবাৰে মূল সূত্ৰ। লে'নিনে কৈছিলঃ "দ্বন্দ্ববিদ্যা হ'ল প্ৰকৃতাৰ্থত বস্তুচৰাচৰৰ মৰ্মত থকা দ্বন্দ্বৰ অধ্যয়ন।"[১] তেওঁ প্ৰায়ে এই সূত্ৰটোক দ্বন্দ্ববিদ্যাৰ সাৰবস্তু বা শাঁহ বুলি উল্লেখ কৰিছিল। সেয়ে এই সূত্ৰৰ বিচাৰ কৰোঁতে আমি বিবিধ বিষয় আৰু বিভিন্ন দাৰ্শনিক প্ৰশ্নৰ আলোচনা কৰিব লাগিব। এই সকলো সমস্যাৰ নিৰসন কৰিব পাৰিলে আমি বস্তুবাদী দ্বন্দ্ববিদ্যাৰ এটা গভীৰ জ্ঞান লাভ কৰিব পাৰিম। এই সমস্যাবোৰ হ'লঃ দুটা প্ৰধান বিশ্ববীক্ষা; দ্বন্দ্বৰ সৰ্বময়তা (universality); দ্বন্দ্বৰ বিশিষ্টতা (particularity), প্ৰধান দ্বন্দ্ব আৰু কোনো এক দ্বন্দ্বৰ প্ৰধান দিশ; কোনো দ্বন্দ্বৰ বিভিন্ন দিশৰ ঐক্য (identity) আৰু সংগ্ৰাম; দ্বন্দ্বত বিৰোধৰ ভূমিকা।

যোৱা কেইবছৰমান ধৰি চোভিয়েট দাৰ্শনিক মহলত ডে'বোৰিন[২] গোষ্ঠিৰ ভাববাদৰ বিৰুদ্ধে যিবোৰ সমালোচনা চলি আছে তাক আমি গভীৰ আগ্ৰহেৰে লক্ষ্য কৰি আহিছোঁ। ডে'বোৰিনৰ ভাববাদে চীনৰ কমিউনিষ্ট পাৰ্টিৰ ওপৰত এটা বেয়া প্ৰভাব বিস্তাৰ কৰিছে আৰু আমাৰ মাজত দেখা দিয়া মতান্ধতাৰ লগত তাৰ সম্বন্ধ নাই বুলিব নোৱাৰি। সেয়ে প্ৰধানতঃ মতান্ধ চিন্তাধাৰাৰ মূলোচ্ছেদ কৰিবলৈকে আমি ঘাইকৈ এই দাৰ্শনিক আলোচনাত অবতীৰ্ণ হৈছোঁ।

## ১। দুই বিশ্ববীক্ষা

মানুহৰ জ্ঞানৰ বুৰঞ্জীত সদায় বিশ্বৰ বিকাশৰ নিয়মসমূহ (laws) সম্পৰ্কে দুটা পৰস্পৰবিৰোধী ধাৰণা পোৱা যায়ঃ অধিবিদ্যাশ্ৰয়ী (metaphysical) আৰু দ্বন্দ্ববাদী (dialetical)। তাৰে পৰাই দুই পৰস্পৰবিৰোধী বিশ্ববীক্ষাৰ উদ্ভৱ হৈছে। লে'নিনে কৈছিলঃ "বিকাশৰ (অথবা বিবৰ্তনৰ) বিষয়ে দুটা সাম্ভব্য (?)

(১) লে'নিন, **দৰ্শন সম্বন্ধীয় টোকাবহী** (ৰুচ সংস্কৰণ)

(২) ডে'বোৰিন আছিল চোভিয়েট ৰাশ্যাৰ এজন দাৰ্শনিক। তেওঁ মাৰ্ক্স-বাদৰ ভাববাদী ব্যাখ্যা দিছিল, দ্বন্দ্বৰ বিষয়ে ভুল মত প্ৰচাৰ কৰিছিল।





(দুটা ঐতিহাসিক ভাবে লক্ষণীয়) ধাৰণা হ'লঃ বৃদ্ধি আৰু ক্ষয় ৰূপে আৰু পুনৰাবৃত্তি ৰূপে বিবৰ্তনৰ ব্যাখ্যা আৰু আনহাতে বিপৰীতৰ ঐক্যৰূপে (পৰস্পৰ ব্যতিৰেকী বিপৰীতত কোনো এক ঐক্যৰ বিভাজন, আৰু উভয় বিপৰীতৰ পৰস্পৰৰ লগত সম্পৰ্ক।)[৩]

চীন আৰু য়ুৰোপৰ ইতিহাসত বহুকাল ধৰি ভাববাদী বিশ্ববীক্ষাৰ অংশ হিচাপে অধিবিদ্যাই (metaphysics) চিন্তাজগতত প্ৰতিপত্তি কৰিছিল। য়ুৰোপত বুৰ্জোৱা শ্ৰেণীৰ বিকাশৰ প্ৰথম যুগত বস্তুবাদো অধিবিদ্যাশ্ৰয়ী আছিল। য়ুৰোপৰ বহুদেশৰ সামাজিক অৰ্থব্যৱস্থাই (social economy) উন্নত পুঁজিবাদত ভৰি দিয়াত; উৎপাদিকা শক্তিসমূহৰ, শ্ৰেণীসংগ্ৰামৰ আৰু বিজ্ঞান সমূহৰ ইতিহাসতে অভূতপূৰ্বভাবে বিকাশ হোৱাত; আৰু ঐতিহাসিক বিবৰ্তনৰ বাবে শিল্পশ্ৰমিক (industrial proletariat) সৰ্ববৃহৎ চালিকাশক্তি হৈ উঠাত মাৰ্ক্সীয় বস্তুবাদী-দ্বন্দ্ববাদী বিশ্ববীক্ষাৰ উদ্ভৱ হয়। তেতিয়া এক উন্মুক্ত, নিৰ্লজ্জ খোলাখুলি প্ৰচাৰ কৰা প্ৰতিক্ৰিয়াশীল ভাববাদৰ লগে লগে বস্তুবাদী দ্বন্দ্ববিদ্যাৰ প্ৰতিযোগী হিচাপে ওলাই আহে এক স্থূল বিবৰ্তনবাদ।

অধিবিদ্যক বিশ্ববীক্ষা (Metaphysical world outlook) বা স্থূল-বিবৰ্তনবাদী বিশ্ববীক্ষাই বিশ্ব সম্পৰ্কে এটা বিচ্ছিন্ন, স্থাণু আৰু একদিশদৰ্শী ধাৰণা পোষণ কৰে। এই বিশ্ববীক্ষা মতে বিশ্বৰ সকলো বস্তু, তাৰ বেলেগ বেলেগ ৰূপ (forms) আৰু প্ৰজাতি (Species) বোৰ, চিৰ কালেই পৰস্পৰ সম্পৰ্কহীন আৰু অপৰিবৰ্তনীয়। যিখিনি পৰিবৰ্তন হয়, সি মাথো হ্ৰাস, বৃদ্ধি বা স্থানৰ পৰিবৰ্তনহে। তাৰ বাহিৰে এই হ্ৰাসবৃদ্ধি বা স্থান পৰিবৰ্তনৰ কাৰণবোৰ বিষয়বস্তুৰ অন্তৰ্নিহিত কাৰণ নহয়; বিষয়ৰ বাহিৰতহে কাৰণবোৰ থাকে। আৰু বাহিৰত থকা কাৰণহে এই পৰিবৰ্তনৰ চালিকা শক্তি।

অধিবিদ্যকসকলৰ মতে, এই বিশ্বত যিমান ৰকমৰ যি কিবা আছে আৰু তাৰ যিমান বৈশিষ্ট্য আছে এই সকলোবোৰ আদিৰে পৰা অপৰিৱৰ্তিত হৈ আছে। পৰবৰ্তীকালত যিখিনি পৰিবৰ্তন, সি পৰিমাণগত হ্ৰাস

(৩) (The division of a unity into mutually exclusive opposites and their reciprocal relation.) লে'নিন, **দ্বন্দ্ব বিদ্যা সম্পৰ্কে** (নিৰ্বাচিত ৰচনাৱলী, ইংৰাজী সংস্কৰণ, একাদশ খণ্ড)।

আৰু বৃদ্ধিহে। তেওঁলোকে কয় যে সকলো বস্তুৰ একেই ধৰণে পুনৰাবৃত্তি ঘটে কিন্তু সি আন বস্তুলৈ কেতিয়াও ৰূপান্তৰিত নহয়। ধনতান্ত্ৰিক শোষণ, ধনতান্ত্ৰিক প্ৰতিযোগিতা, ধনতান্ত্ৰিক সমাজত ব্যক্তিকেন্দ্ৰিক মতাদৰ্শ আদি সকলোবোৰেই, তেওঁলোকৰ মতে, প্ৰাচীন দাস সমাজতো দেখা যায়, আনকি আদিম সমাজতো দেখা যায়, আৰু এইবোৰ চিৰকাল অপৰিৱৰ্ত্তিত হৈয়ে থাকিব। তেওঁলোকে কয় যে ভৌগোলিক বা জলবায়ুগত কাৰণৰ দৰে সমাজৰ বাহিৰত অৱস্থিত কাৰণ বোৰেই সমাজৰ বিকাশ-বিবৰ্ত্তন ঘটায়। যি কোনোৰ, বিকাশ বা বিবৰ্ত্তনৰ (development) কাৰণবোৰ বস্তু বা বিষয়ৰ বাহিৰতহে তেওঁলোকে বিচাৰি ফুৰে। আৰু এই বিকাশ আৰু বিবৰ্ত্তন যে বস্তু বা বিষয়টোৰ ভিতৰতে থকা দ্বন্দ্বৰ ফল, এই বস্তুবাদী দ্বন্দ্ববাদী তত্ত্ব তেওঁলোকে স্বীকাৰ নকৰে। সেই বাবেই, কিয়ইবা সকলোবোৰ বস্তুৰ ইমান গুণগত বৈচিত্ৰ্য আৰু বিভিন্নতা থাকে, আৰু কিয়ইবা এটা বস্তু আনটোলৈ পৰিবৰ্ত্তিত হয় তাক তেওঁলোকে ব্যাখ্যা কৰিব নোৱাৰে। ইউৰোপত সপ্তদশ আৰু অষ্টাদশ শতিকাত এনে চিন্তাধাৰা আছিল আৰু উনৈশ শতিকাৰ আৰম্ভণিতে আছিল স্থূল বিবৰ্ত্তনবাদ। "স্বৰ্গৰ পৰিবৰ্ত্তন নহয়, পথৰো পৰিবৰ্ত্তন নহয়" [৪] এই প্ৰবচনটোৰ মাজত চীনত অধিবিদ্যক চিন্তাধাৰাই আত্ম প্ৰকাশ কৰিছে, আৰু দীৰ্ঘকাল ধৰি ক্ষয়িষ্ণু সামন্ততান্ত্ৰিক শাসক শ্ৰেণী তাৰ প্ৰচাৰক আৰু প্ৰবক্তা হৈ ৰয়। যোৱা এশ বছৰে আমাৰ বুৰ্জোৱাসকলে ইউৰোপৰ পৰা আমদানী কৰা যান্ত্ৰিক বস্তুবাদ আৰু স্থূল বিবৰ্ত্তনবাদ প্ৰচাৰ কৰি আহিছে।

অধিবিদ্যাশ্ৰয়ী বিশ্ববীক্ষাৰ বিপৰীতে দ্বন্দ্ববাদী বস্তুবাদী বিশ্ববীক্ষাই বস্তু চৰাচৰৰ বিকাশৰ আভ্যন্তৰীণ হেতুতহে গুৰুত্ব দিয়ে। অৰ্থাৎ সি বিশ্বাস কৰে যে বস্তুচৰাচৰৰ বিকাশ তাৰ আভ্যন্তৰীণ আৰু অৱশ্যম্ভাৱী আত্মচৰণ (internal and necessary self-movement), আৰু কোনো চলমান বস্তু আৰু তাৰ পাৰিপাৰ্শ্বিক আন আন বস্তু পৰস্পৰৰ লগত জড়িত আৰু পৰস্পৰৰ ওপৰত প্ৰভাৱশীল। বস্তুচৰাচৰৰ বিকাশৰ কাৰণ বস্তুচৰাচৰৰ বাহিৰত নাই, ভিতৰতহে আছে। সিহঁতৰ আভ্যন্তৰীণ দ্বন্দ্বই বিকাশৰ মূল। সকলো

(৪) কনফিউচিয়াছৰ এজন অনুগামীৰ উক্তি।





বস্তুৰ আভ্যন্তৰীণ দ্বন্দ্বৰ পৰাই বস্তুৰ বিকাশৰ উৎপত্তি। ইয়েই বস্তুৰ বিকাশৰ মুখ্য কাৰণ বা হেতু, আৰু আন বস্তুৰ লগত তাৰ সম্পৰ্ক তথা প্ৰতিক্ৰিয়া হ'ল গৌণ কাৰণ বা হেতু। এনেকৈয়ে দ্বন্দ্ববাদী বস্তুবাদে অধিবিদ্যাশ্ৰয়ী যান্ত্ৰিক বস্তুবাদ আৰু স্থূল বিবৰ্ত্তনবাদে প্ৰচাৰ কৰা বাহ্যিক কাৰ্য্যকাৰণতত্ত্ব (theory of external causes) ক প্ৰত্যাহ্বান কৰে। স্পষ্টকৈ দেখা যায় যে মাথোন বাহ্যিক কাৰণত—অকল মাথোন যান্ত্ৰিক গতিৰহে সৃষ্টি হব পাৰে অৰ্থাৎ আকৃতি গত আৰু পৰিমাণগত পৰিবৰ্ত্তন হব পাৰে, যদিও কিয়ই বা বস্তু বা বিষয় গুণগত ভাবে হেজাৰ ৰকমে বেলেগ বেলেগ আৰু কিয়ই বা এটা অন্যটোলৈ পৰিবৰ্ত্তিত হৈ যায় তাক সি ব্যাখ্যা কৰিব নোৱাৰে।

আনকি বাহিৰৰ তাড়নাৰ ফলত যি কোনো বিশেষ যান্ত্ৰিক গতিও তাৰ আভ্যন্তৰীণ দ্বন্দ্বৰ পৰাইহে উৎপন্ন হয়। গছ-গছনি আৰু জীৱ জন্তুৰ আভ্যন্তৰীণ দ্বন্দ্বই হ'ল এইবোৰৰ বৃদ্ধি আৰু গুণগত বিকাশৰ প্ৰধান কাৰণ।

বাহ্যিক কাৰণৰ পৰা নহয়, আভ্যন্তৰীণ কাৰণতহে অনুৰূপ ভাবে সামাজিক বিকাশ আৰু বিবৰ্ত্তন হয়।

বহুতো দেশত একে ধৰণৰ ভৌগলিক আৰু জলবায়ুগত অৱস্থা বিদ্যমান। তথাপি বিকাশ আৰু বিবৰ্ত্তনৰ পিনৰ পৰা এই বোৰৰ মাজত বিৰাট পাৰ্থক্য আৰু অসমতা ৰৈ গৈছে। কোনো দেশত প্ৰচণ্ড সামাজিক পৰিবৰ্ত্তন ঘটি যায়, কিন্তু তাৰ ভূগোল আৰু জলবায়ু অপৰিৱৰ্ত্তিত থাকে। সাম্ৰাজ্যবাদী ৰাচিয়া সমাজতান্ত্ৰিক চোভিয়েট ইউনিয়নলৈ পৰিবৰ্ত্তিত হৈ গ'ল। সামন্তবাদী বিচ্ছিন্ন জাপান পৰিবৰ্ত্তিত হ'ল সাম্ৰাজ্যবাদী জাপানলৈ, কিন্তু সেই দেশ কিখনৰ ভূগোল আৰু জলবায়ু অপৰিৱৰ্ত্তিত হৈয়ে ৰৈ গ'ল। দীৰ্ঘকাল ধৰি সামন্তবাদৰ অধীনত থকা চীনদেশত যোৱা এশ বছৰৰ ভিতৰত প্ৰভূত পৰিবৰ্ত্তন হৈছে আৰু এতিয়া এখন মুক্ত আৰু স্বাধীন নতুন চীনদেশলৈ আগবাঢ়িব ধৰিছে; কিন্তু ইয়াৰ ভূগোল আৰু জলবায়ু সেই প্ৰাচীন কালৰ দৰেই ৰৈ গৈছে। পৃথিবীৰ ভূগোল আৰু জলবায়ুৰ পৰিবৰ্ত্তন ঘটে সামগ্ৰিক ভাবে আৰু ইয়াৰ প্ৰতিটো অঞ্চলত। কিন্তু সামাজিক পৰিবৰ্ত্তনৰ তুলনাত ই অতি নগণ্য। ভৌগোলিক পৰিবৰ্ত্তনৰ পৰিমাপ হয় কেইবা লাখ বছৰত কিন্তু সামাজিক পৰিবৰ্ত্তন ঘটিবলৈ লাগে কেবা হাজাৰ, কেইবা শ, কেইটামান



OKDISCD

দশক আনকি বিপ্লৱৰ ক্ষেত্ৰত কেইটামান বছৰ বা মাহ। বস্তুমূলক দ্বন্দ্ববাদ মতে প্ৰকৃতিৰ আভ্যন্তৰীণ দ্বন্দ্বৰ বিকাশৰ ফলত প্ৰকৃতিৰ পৰিবৰ্ত্তন হয়। সামাজিক পৰিবৰ্ত্তন ঘটে প্ৰধানতঃ সমাজৰ আভ্যন্তৰীণ দ্বন্দ্বৰ বিকাশৰ ফলত, এই আভ্যন্তৰীণ দ্বন্দ্ব বোলোতে বুজায় উৎপাদনী শক্তি আৰু উৎপাদনৰ কাঠামোৰ বিৰোধ, আৰু পুৰণি আৰু নতুনৰ বিৰোধ, এই বিৰোধবোৰৰ বিকাশেই সমাজখনক ঠেলি আগুৱাই লৈ যায়, পুৰণি সমাজক আতৰাই নতুন সমাজ গঠন কৰে।

বস্তুবাদী দ্বন্দ্ববাদে বাহ্যিক কাৰণক হিচাপত নধৰেই নেকি? মুঠেই নহয়। বস্তুবাদী দ্বন্দ্ববাদীমতে বাহ্যিক কাৰণ হ'ল পৰিবৰ্ত্তনৰ চৰ্ত্ত (condition of change) আৰু আভ্যন্তৰীণ কাৰণ হল পৰিবৰ্ত্তনৰ ভিত্তি (basis of change) আৰু বাহ্যিক কাৰণবোৰে ক্ৰিয়া কৰে আভ্যন্তৰীণ কাৰণৰ মাজেদি। উপযুক্ত উষ্ণতাত এটা কণী কুকুৰা পোৱালিলৈ পৰিবৰ্ত্তন হব পাৰে, কিন্তু কোনো ৰকমৰ উষ্ণতাই এডোখৰ শিলগুটিক কুকুৰা পোৱালিলৈ পৰিবৰ্ত্তিত কৰিব নোৱাৰে; কাৰণ দুয়োটা বস্তু মূলতঃ বেলেগ। ভিন ভিন দেশৰ জনগণৰ মাজত অবিৰাম আন্তঃক্ৰিয়া প্ৰতিক্ৰিয়া চলি আছে। ধনতন্ত্ৰৰ যুগত, বিশেষতঃ সাম্ৰাজ্যবাদৰ আৰু সৰ্বহাৰা বিপ্লৱৰ যুগত, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক আন্তঃক্ৰিয়া প্ৰতিক্ৰিয়াই আৰু পাৰস্পৰিক ঘাত প্ৰতিঘাতে বিভিন্ন দেশক গভীৰ ভাবে প্ৰভাৱিত কৰিছে। ৰাচিয়াৰ অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱে বিশ্বৰ সকলো দেশৰ আভ্যন্তৰীণ পৰিবৰ্ত্তনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি মাথোন ৰাচিয়াৰ ইতিহাসতেই নহয় বিশ্বৰ ইতিহাসতো এটা নতুন যুগৰ আবিৰ্ভাৱ ঘটাইছে। অনুৰূপ ধৰণে, অথচ বিশেষ আৰু গভীৰ ভাবে চীনৰ আভ্যন্তৰীণ পৰিবৰ্ত্তনকো সিয়ে প্ৰভাৱিত কৰিছে। এই পৰিবৰ্ত্তনবোৰ অৱশ্যে ঘটিছে চীনদেশ আৰু আন আন দেশৰ বিকাশ নিয়ন্ত্ৰণকাৰী নিয়মবোৰ অনুসৰিয়েই।

দুটা সেনাবাহিনীৰ মাজত ৰণ হ'ল। এটাই জিকিলে আনটো হাৰিলে। এটাৰ জয় আৰু আনটোৰ পৰাজয়, দুয়োয়েই নিৰ্দ্ধাৰিত হ'ল আভ্যন্তৰীণ কাৰণৰ দ্বাৰা। এটা পক্ষই যে জিকিলে তাৰ কাৰণ হয় তাৰ শক্তি বেছি আছিল নাইবা তাৰ কমাণ্ড বা পৰিচালনা নিৰ্ভুল আছিল। আনটো পক্ষ





যে হাৰিল তাৰ কাৰণ হ'ল হয় শক্তি বেচি নাছিল নাইবা তাৰ পৰিচালনা আছিল অক্ষম। এনেদৰেই আভ্যন্তৰীণ কাৰণৰ জৰীয়তে বাহ্যিক কাৰণ কাৰ্য্যকৰী হ'ল।

১৯২৭ চনত চীনদেশৰ বৃহৎ বুৰ্জোৱা শ্ৰেণীয়ে চীনদেশৰ শ্ৰমিক শ্ৰেণীৰেই ভিতৰত (চীনা কমিউনিষ্ট পাৰ্টিৰ ভিতৰৰ) তেতিয়া যি সুবিধাবাদ আছিল তাৰেই সুযোগ লৈ শ্ৰমিক শ্ৰেণীক পিচলৈ ঠেলি দিছিল। যেতিয়া আমি সুবিধাবাদ উচ্ছেদ কৰিলো তেতিয়াই আকৌ চীনদেশৰ বিপ্লৱৰ অগ্ৰগতি আৰম্ভ হ'ল। পিচতো চীনা বিপ্লৱে শত্ৰুৰ হাতত কেবাবাৰো গুৰুতৰ পৰাজয় বৰণ কৰিছিল, কাৰণ আমাৰ পাৰ্টিৰ মাজত তেতিয়া হঠকাৰিতাই দেখা দিছিল। যেতিয়া আমি হঠকাৰিতাক নিৰ্মূল কৰিলোঁহক তেতিয়া আকৌ আমাৰ যুঁজ আগবাঢ়ি যাব ধৰিলে। এনেদৰে, বিপ্লৱক জয়ী কৰিবলৈ হলে ৰাজনৈতিক পাৰ্টিয়ে তাৰ ৰাজনৈতিক কৰ্মধাৰাৰ নিৰ্ভুলতা আৰু তাৰ সংগঠনৰ দৃঢ়তাৰ ওপৰত নিৰ্ভৰ কৰিবই লাগিব।

চীন আৰু ইউৰোপৰ উভয় ঠাইতেই প্ৰাচীন কালতেই দ্বন্দ্বমূলক বিশ্ববীক্ষাই দেখা দিছিল। কিন্তু প্ৰাচীন যুগৰ এই দ্বন্দ্ববাদ কিছুপৰিমাণে আছিল স্বতঃস্ফূৰ্ত আৰু সহজ আৰু সৰল। তাৰ ভেটি আছিল তেতিয়াৰ দিনৰ সামাজিক ঐতিহাসিক অৱস্থা; সেয়ে তাৰ পক্ষে, বিশ্বৰ সৰ্বাঙ্গীন বাখ্যা দিব পৰা এটা তত্ত্বত পৰিণত হৈ উঠাটো সম্ভৱ হোৱা নাছিল; আৰু সেই কাৰণে অধিবিদ্যাই আহি তাৰ ঠাই দখল কৰি ললে। বিখ্যাত জাৰ্মান দাৰ্শনিক হেগেল অষ্টাদশ শতিকাৰ শেষৰ পৰা উনবিংশ শতিকাৰ আগ ভাগলৈ জীৱিত আছিল। দ্বন্দ্ববাদত তেওঁ গুৰুত্বপূৰ্ণ অৱদান থৈ গৈছে। কিন্তু তেওঁৰ দ্বন্দ্ববাদ আছিল ভাববাদী। কিন্তু সৰ্বহাৰা শ্ৰমিক আন্দোলনৰ দুজনা মহান নায়ক মাৰ্কস আৰু এংগেলচে যেতিয়া মানৱিক জ্ঞান-বিকাশৰ ইতিহাসৰ সকলো ইতিবাচক কীৰ্ত্তিৰ পৰা সাৰসত্য থিনিক সংযোজিত কৰিলে, হেগেলীয় দ্বন্দ্ববাদক চালি জাৰি চাই তাৰ পৰা যুক্তি সন্মত উপাদানবোৰ গ্ৰহণ কৰিলে আৰু দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদৰ মহান তত্ত্ব সৃষ্টি কৰিলে, তেতিয়াহে মাথোন মানৱ জ্ঞানৰ ইতিহাসত এটা অভূতপূৰ্ব বিপ্লৱ ঘটিল। এই মহান তত্ত্বই আৰু বিকাশ লাভ কৰিলে লেনিন আৰু ষ্টেলিনৰ



OKDISCD

হাতত। চীন দেশত এবাৰ প্ৰৱৰ্ত্তন হোৱাৰ লগে লগেই এই তত্ত্বই চীন দেশৰ চিন্তাৰ প্ৰচণ্ড পৰিবৰ্ত্তন সাধিলে।

কি দৰে বিভিন্ন বস্তুত আৰু বিষয়ত বিপৰীতৰ গতি লক্ষ্য আৰু বিশ্লেষণ কৰিব লাগে আৰু সেই বিশ্লেষণৰ ভিত্তিত কি দৰে বিৰোধসমূহৰ সমাধানৰ পথ উলিয়াব লাগে সেই শিক্ষাকেই দ্বন্দ্বমূলক বস্তুবাদে আমাক দিছে। সেই কাৰণেই যিকোনোৰ মাজৰ বিৰোধৰ নিয়ম স্পষ্ট ভাৱে বুজিবলৈ হলে আমাৰ কাৰণে এই তত্ত্বৰ গুৰুত্ব অসামান্য।

## ২। দ্বন্দ্বৰ বিশ্বজনীনতা

### ( The Universality of Contradiction )

বুজাবলৈ সুবিধা হব বুলি—মই দ্বন্দ্বৰ বিশ্বজনীনতাৰ দ্বাৰা আৰম্ভ কৰি তাৰ পিচত দ্বন্দ্বৰ বিশেষত্বলৈ ( Particularity ) যাম। দ্বন্দ্বৰ বিশ্বজনীনতা সম্পৰ্কে সংক্ষেপে আলোচনা কৰা যাব পাৰে, কাৰণ এই তত্ত্বৰ মহান স্ৰষ্টা সকল আৰু তেওঁলোকৰ উত্তৰসাধকসকলে—মাৰ্কস, এংগেলচ, লেনিন আৰু ষ্টেলিনে বস্তুবাদী দ্বন্দ্ববাদী বিশ্ববীক্ষা প্ৰতিষ্ঠিত কৰিলে আৰু মানব ইতিহাস তথা প্ৰাকৃতিক ইতিহাসৰ বহু পিনৰ বিশ্লেষণৰ ক্ষেত্ৰত, সমাজ তথা প্ৰকৃতিৰ বহুদিশৰ পৰিবৰ্ত্তন সাধনৰ ( যেনে—চোভিয়েট ইউনিয়নত ) ক্ষেত্ৰত, বস্তুবাদী দ্বন্দ্ববাদ প্ৰয়োগ কৰি বিপুল সাফল্য অৰ্জন কৰিছে। তাৰ পিচৰ পৰা এই তত্ত্ব ব্যাপক ভাবে স্বীকৃত হৈছে। কিন্তু বহুতো কমৰেডৰ, ( বিশেষকৈ মতান্ধ কমৰেডসকলৰ ) দ্বন্দ্বৰ বিশেষত্বৰ প্ৰশ্নটো সম্পৰ্কে স্পষ্ট ধাৰণা নাই। দ্বন্দ্বৰ সাৰ্বিকতা বা বিশ্বজনীনতা দ্বন্দ্বৰ বিশেষত্বৰ মাজতেই যে থাকে এই কথা তেওঁলোকে নুবুজে। বৈপ্লৱিক কৰ্মৰ বিকাশৰ পৰিচালনাত আমাৰ কাৰণে দ্বন্দ্বৰ বিশেষত্ব অনুধাবন কৰাৰ যে কি তীব্ৰ প্ৰয়োজন তাকো তেওঁলোকে বুজিব নোৱাৰে। অতএব, এই প্ৰশ্নটোৰ প্ৰতি বিশেষ মনোযোগ দিয়া আৰু ইয়াক বিশেষ ভাবে বাখ্যা কৰাৰ প্ৰয়োজন আছে। সেই কাৰণেই, বস্তু আৰু বিষয়ৰ ভিতৰৰ দ্বন্দ্ব বিশ্লেষণ কৰিবলৈ গৈ আমি আৰম্ভ কৰিছো দ্বন্দ্বৰ সাৰ্বিকতা বা বিশ্বজনীনতাৰে। তাৰ পৰা অতি যতন সহকাৰে





আমি যাম দ্বন্দ্বৰ বিশেষত্বৰ প্ৰশ্নটোলৈ। সকলোৰে শেষত আমি আকৌ উভতি আহিম দ্বন্দ্বৰ সাৰ্বিকতা বা বিশ্বজনীনতালৈ।

দ্বন্দ্বৰ সাৰ্বিকতা বা ধ্ৰুৱতাৰ (absoluteness) অৰ্থ দুই বিধ। এটা হৈছে সকলোৰে বিকাশৰ প্ৰক্ৰিয়াৰ মাজত দ্বন্দ্ব বিদ্যমান থাকে ; আৰু আনটো হ'ল, প্ৰত্যেকটো বস্তু বা বিষয়ৰ মাজত আগৰ পৰা গুৰিলৈ বিপৰীতৰ ক্ৰিয়া চলে।

এংগেলচে কৈছে "গতি নিজেই এটা দ্বন্দ্ব"। লেনিনে বিপৰীতৰ ঐক্যৰ সংজ্ঞা দিছে সমস্ত ঘটনাৰ ( মন আৰু সমাজ সহ ) আৰু সমস্ত প্ৰাকৃতিক প্ৰক্ৰিয়াৰ পৰস্পৰ বিৰোধী পৰস্পৰ ব্যতিৰেকী, বিপৰীত ধাৰা বোৰৰ স্বীকৃতি ( আবিষ্কাৰ )। [ The recognisation (discovery) of the contradictory, mutually exclusive, opposite tendencies in all phenomena and processes of nature (including mind and society ) ], এনে মত জানো সঠিক ? হয়, সঠিক। যি কোনো বস্তু বা বিষয়ত থকা পৰস্পৰ বিৰোধী দিশবোৰৰ পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু সেইবোৰৰ মাজত সংগ্ৰামে তাৰ জীৱনক নিৰ্ধাৰণ কৰে আৰু তাৰ বিকাশ ঘটাই থাকে। নিজৰ মাজৰ দ্বন্দ্ব নোহোৱাকৈ একোৱেই নাই ; দ্বন্দ্ব নোহোৱাকৈ একোৱেই থাকিব নোৱাৰে।

সাধাৰণ গতিৰ ( যেনে যান্ত্ৰিক গতি ) ভিত্তি হল দ্বন্দ্ব ; আৰু সবিশেষভাবে কব পৰা যায় যে জটিল গতিৰো দ্বন্দ্বই হ'ল বুনিয়াদ।

এংগেলচে দ্বন্দ্বৰ বিশ্বজনীনতা বা সাৰ্বিকতা ব্যাখ্যা কৰিবলৈ গৈ কৈছে, "…যদি এই কথা সঁচা হয় যে, সহজ যান্ত্ৰিক স্থান পৰিবৰ্ত্তনৰ মাজত দ্বন্দ্ব থাকে, তেনেহলেতো পদাৰ্থৰ, বিশেষত: জৈৱ জীৱন আৰু তাৰ বিকাশৰ, গতিৰ উচ্চতৰ ৰূপবোৰৰ সম্পৰ্কে সি আৰু বেচি সত্য………জীৱন হৈছে ঠিক এই যে কোনো জীৱন্ত বস্তু প্ৰতি মুহূৰ্ত্তে সি নিজে যি সেয়ে, অথচ আকৌ আন কিবাও।"

অতএব জীৱনো হল এটি দ্বন্দ্ব, যি সকলো বস্তু আৰু প্ৰক্ৰিয়াৰ মাজত ৰৈ আছে, আৰু যাৰ প্ৰতি-মুহূৰ্ত্তত উদ্ভৱ আৰু বিলয় হৈ আছে ; যি মুহূৰ্ত্তত দ্বন্দ্ব শুদ্ধ হয় সেই মুহূৰ্ত্ততেই জীৱন শেষ হৈ যায় আৰু মৃত্যু আহে। ঠিক এনেদৰে আমি দেখিবলৈ পাওঁ যে চিন্তাৰ ক্ষেত্ৰতো আমি দ্বন্দ্ব এৰাব নোৱাৰো।

উদাহৰণ স্বৰূপে যেনেকৈ এপিনে মানুহৰ সীমাহীন জ্ঞান অৰ্জনৰ সহজাত ক্ষমতা আৰু আনপিনে বাহ্যিক অৱস্থা আৰু বুদ্ধি বৃত্তিত সীমাবদ্ধ মানুহৰ মাজত এই শক্তিৰ বাস্তৱ ৰূপায়ণ, এই দুয়োটাৰ মাজৰ দ্বন্দ্বৰ সমাধান, অন্ততঃ আমাৰ পক্ষে, এটাৰ পিচত আন, অসংখ্য প্ৰজন্মৰ মাজত, অনন্ত প্ৰগতিৰ মাজত, বিচাৰি পায়।

………উচ্চতৰ গণিতৰ এটা মূলনীতি হ'ল, এইটো দ্বন্দ যে বিশেষ অৱস্থাত সৰলৰেখা আৰু বক্ৰৰেখা একে হব হব পাৰে। ……আনকি নিম্নতৰ গণিতো দ্বন্দেৰে পৰিপূৰ্ণ।

লেনিনেও দ্বন্দৰ সাৰ্বিকতাৰ ব্যাখ্যা এনেভাবে কৰিছে, যথাঃ যোগ আৰু বিয়োগ।

গণিতত : যোগ (+) আৰু বিয়োগ (−) অন্তৰ কৰণ আৰু সমাকৰণ।
( + + − Differential and integral )
বলবিদ্যাত : ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া।
পদাৰ্থ বিজ্ঞানত : ধনাত্মক আৰু ঋণাত্মক বিদ্যুৎ।
ৰসায়নত : পৰামাণুবোৰৰ সংযোজন আৰু বিযোজন।
সমাজবিজ্ঞানত : শ্ৰেণী সংগ্ৰাম।

যুদ্ধত আক্ৰমণ আৰু প্ৰতিৰক্ষা, আগুৱাই যোৱা আৰু পিচুৱাই অহা, জয় আৰু পৰাজয় সকলোবোৰেই পাৰস্পৰিক ভাবে দ্বন্দ্বমূলক ঘটনা। এটাই আনটিক বাদ দি থাকিব নোৱাৰে। দুয়ো পক্ষই ইটোৰ লগত সিটোৰ একে সময়তে সংঘৰ্ষ আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাত অৱস্থিত আৰু তাৰ পৰাই যুদ্ধৰ সমগ্ৰতাৰ সৃষ্টি হয়, তাৰ বিকাশ ঘটিবলৈ ধৰে আৰু তাৰ সমস্যাবোৰৰ সমাধান হয়।

মানুহৰ ধাৰণাৰ ক্ষেত্ৰত প্ৰতিটো মতপাৰ্থক্যক চাব লাগিব কোনো বাস্তৱ (objective) দ্বন্দ্বৰ প্ৰতিফলন ৰূপে। বাস্তৱ অৱস্থাৰ দ্বন্দ মানুহৰ চিন্তাত প্ৰতিফলিত হয় আৰু এই প্ৰতিক্ৰিয়াই পৰস্পৰ বিৰোধী ধাৰণা সৃষ্টি কৰি, চিন্তাৰ বিকাশ ঘটায় আৰু অবিৰাম ভাবে মানুহৰ চিন্তাত সমস্যাবোৰৰ সমাধান কৰি যায়।

আমাৰ পাৰ্টিৰ অভ্যান্তৰত ভিন ভিন ধ্যান ধাৰণাৰ মাজত অবিৰাম বিৰোধিতা আৰু যুঁজ চলি আছে আৰু তাৰ মাজতেই ভিন ভিন শ্ৰেণীৰ আৰু





পুৰণি আৰু নতুনৰ দ্বন্দ্ব প্ৰতিফলিত হৈছে। পাৰ্টিৰ মাজত যদি কোনো দ্বন্দ নাথাকে আৰু তাৰ সমাধানৰ বাবে কোনো মত আদৰ্শৰ যুঁজ নাথাকে তেনেহলে পাৰ্টিৰ জীৱন শেষ হৈ গলহেঁতেন।

ইমানলৈ যি কৈ অহা হ'ল—তাৰ পৰা স্পষ্টকৈ ওলাই পৰে যে, কি সৰল কি জটিল, গতিৰ সকলো ৰূপৰ মাজতেই, কি বহিৰ্জগতৰ কি ভাৱজগতৰ সকলো ঘটনাৰ মাজতেই সৰ্বসাধাৰণ ভাবে আৰু সকলো প্ৰক্ৰিয়াতেই দ্বন্দ্ব থাকে। কিন্তু প্ৰত্যেক প্ৰক্ৰিয়াৰ সূচনাৰ স্তৰতো জানো দ্বন্দ থাকে?

সকলোবোৰ বিকাশৰ প্ৰক্ৰিয়াৰ আৰম্ভৰ পৰা শেষলৈকে জানো বিপৰীত ধৰ্মী গতি বিদ্যমান?

ডে'বোৰিন গোষ্ঠীৰ বিৰুদ্ধে চোভিয়েটৰ দাৰ্শনিক মহলৰ যি সমালোচনা হৈছে যিমানদূৰ বুজা যায় তাৰ পৰা মনত হয় এই ডে'বোৰিন গোষ্ঠীৰ মতে, দ্বন্দ্ব দেখা দিয়ে প্ৰক্ৰিয়াৰ আৰম্ভণিতে নহয়, প্ৰক্ৰিয়া যেতিয়া বিশেষ স্তৰত উপনীত হয় তেতিয়াহে। অতএব সেই স্তৰলৈ প্ৰক্ৰিয়াৰ (Process) বিকাশ হয় বাহ্যিক কাৰণত, আভ্যন্তৰীণ কাৰণত নহয়। সেয়ে ডে'বোৰিনে বাহ্যিক কাৰণ আৰু যান্ত্ৰিকতাৰ আধিবিদ্যক তত্বলৈ (Metaphysical theories of external causality and of mechanism) উভতি গৈছে। এই দৃষ্টিকোণৰ পৰা বিশেষ সমস্যাবোৰ বিশ্লেষণ কৰি, ডে'বোৰিন গোষ্ঠীয়ে বুখাৰিনৰ মতৰ সতে সম্পূৰ্ণ একমত হৈ চোভিয়েট ইউনিয়নত সাধৰণভাবে ধনী খেতিয়ক (কুলাক) আৰু খেতিয়কসকলৰ মাজত মাথোন বিভিন্নতাই দেখা পাইছে দ্বন্দ্ব দেখিবলৈ পোৱা নাই। ফৰাচী বিপ্লৱ বিশ্লেষণ প্ৰসঙ্গত তেওঁলোকে কয় যে বিপ্লৱৰ আগতে শ্ৰমিক, কৃষক আৰু বুৰ্জোৱাবোৰ লৈ গঠিত হোৱা 'থাৰ্ড এষ্টেট'ত মাথোন পাৰ্থক্যই আছিল কোনো বিৰোধ নাছিল। এনেবোৰ মত মাৰ্কসবাদ বিৰোধী। ডে'বোৰিনে নুবুজে যে প্ৰতিটো পাৰ্থক্যৰ মাজত দ্বন্দ্ব থাকে, পাৰ্থক্যই দ্বন্দ্ব ৰচনা কৰিছে। একেবাৰে সূচনাকালৰ পৰাই শ্ৰম আৰু মূলধনৰ মাজত দ্বন্দ্ব আছে যদিও পোনতে এই দ্বন্দ্ব বৰ তীব্ৰ নাছিল। আনকি চোভিয়েট ইউনিয়নৰ সামাজিক অৱস্থাতো শ্ৰমিক আৰু কৃষকসকলৰ মাজত পাৰ্থক্য আছে আৰু এই অনৈক্যও এটা দ্বন্দ্ব, যদিও এই দ্বন্দ্ব শ্ৰম আৰু পুঁজিৰ দ্বন্দ্বৰ দৰে তীব্ৰ হৈ বৈৰীতাত উপনীত নহব বা শ্ৰেণী সংগ্ৰামৰ



OKDISCD

ৰূপ নলব। সমাজতান্ত্রিক গঠনকার্য্যৰ মাজেৰে শ্ৰমিক আৰু কৃষকসকলৰ মাজত দৃঢ় মৈত্রী স্থাপিত হৈছে আৰু সমাজতন্ত্রৰ পৰা সাম্যবাদলৈ আগবঢ়াৰ পথত ক্রমে ক্রমে এই দ্বন্দ্বৰ সমাধান হব। ই দ্বন্দ্বৰ চৰিত্রৰ পার্থক্যৰ প্রশ্ন, দ্বন্দ্বৰ উপস্থিতি বা অনুপস্থিতিৰ প্রশ্ন নহয়। দ্বন্দ্ব বিশ্বজনীন আৰু চূড়ান্ত (contradiction is universal and absolute), সকলো বস্তু বা বিষয়ৰ বিকাশৰ সমস্ত প্রক্রিয়াতেই ই বিদ্যমান, আৰু সমস্ত প্রক্রিয়াতেই ই আদিৰ পৰা অন্তলৈ থাকে।

নতুন প্রক্রিয়াৰ কি দৰে আৰম্ভ হয়? হয় এনে দৰেঃ যেতিয়া পুৰণি ঐক্য আৰু তাৰ উপাদান ৰূপ বিপৰীতবোৰৰ ঠাইত আহে এটা নতুন ঐক্য আৰু তাৰ উপাদান ৰূপ বিপৰীতবোৰ, তেতিয়া পুৰণি প্রক্রিয়াৰ ঠাইত নতুন প্রক্রিয়া আৰম্ভ হয়। (The old unity with its constituent opposites yields to a new unity with its constituent opposites, whereupon a new process emerges to replace the old). আকৌ সেই নতুন প্রক্রিয়াৰ মাজতেই থাকে নতুন নতুন দ্বন্দ্ব আৰু তেতিয়া সেইবোৰ দ্বন্দ্বৰ বিকাশ আৰম্ভ হয়।

যি কোনো বস্তু বা বিষয়ৰ আদিৰ পৰা অন্তলৈকে বিকাশৰ প্রক্রিয়াৰ মাজেৰে বিপৰীত ধৰ্ম্মী উপাদানবোৰৰ গতিবিধিৰ এটা আদর্শ বিশ্লেষণ 'কেপিটেল' গ্রন্থত মার্কসে দি গৈছে, আৰু লেনিনে সেইটোৰ পিনে আমাৰ দৃষ্টি আকর্ষণ কৰি গৈছে। যি কোনো বস্তু বা বিষয়ৰ বিকাশৰ অনুশীলনত এই পদ্ধতি প্রয়োগ কৰিবই লাগিব। লেনিনেও নির্ভুলভাবে এই পদ্ধতি প্রয়োগ কৰি গৈছে আৰু নিজৰ সকলোবোৰ ৰচনাত এই পদ্ধতি দৃঢ় ভাবে অনুসৰণ কৰি গৈছে।

বুর্জোৱা (পণ্য) সমাজৰ আটাইতকৈ সহজ, আটাইতকৈ স্বাভাবিক আটাইতকৈ মৌলিক আটাইতকৈ সাধাৰণ, আটাইতকৈ দৈনন্দিন সম্পর্কটোৰ, এই কোটি কোটিবাৰ দেখা দিয়া এই সম্পর্কটোৰ (অর্থাৎ পণ্য বিনিময়ৰ) বিষয়ে মার্কসে তেওঁৰ 'কেপিটেল' গ্রন্থত পোনতে বিশ্লেষণ কৰিছে। বিশ্লেষণত দেখা গৈছে যে এই অতি সহজ ঘটনাটোৰ মাজতেই (বুর্জোৱা সমাজৰ জীৱকোষটোৰ মাজতেই) বুর্জোৱা সমাজৰ সকলো দ্বন্দ্বই (অর্থাৎ সমস্ত দ্বন্দ্বৰ বীজাঙ্কু) বিদ্যমান। পৰবর্তী





বিশ্লেষণত আমি দেখিবলৈ পাওঁ এই দ্বন্দ্ববোৰৰ আৰু এই সমাজৰ বিকাশত (বৃদ্ধি আৰু গতি দুয়োটাতেই) আগৰ পৰা গুৰিলৈকে তাৰ বেলেগ অংশৰ মুঠ যোগফল।

লেনিনে আৰু কৈছে "সাধাৰণভাবে দ্বন্দ্ববাদৰ বিশ্লেষণৰ (বা অনুশীলনৰ) পদ্ধতি এয়ে হোৱা উচিত।"

চীনা বিপ্লৱৰ অতীত আৰু বর্তমানক বিশ্লেষণ আৰু ভবিষ্যতক অনুমান কৰিবলৈ হলে চীনা কমিউনিষ্টসকলে আগতে এইপদ্ধতি আয়ত্ত কৰিব লাগিব।

## ৩। দ্বন্দ্বৰ বিশেষতা

**(Particularity of Contradiction)**

সকলো বস্তু বা বিষয়ৰ বিকাশৰ প্রক্রিয়াত দ্বন্দ্ব বিদ্যমান। প্রত্যেক বস্তু বা বিষয়ৰ বিকাশৰ প্রক্রিয়াৰ আগৰ পৰা গুৰিলৈ ই অন্তর্নিহিত হৈ থাকে। আমি আগতে আলোচনা কৰি অহাৰ দৰে দ্বন্দ্বৰ বিশ্বজনীনতা (সার্বিকতা) আৰু ধ্রুবতাও হ'ল এয়ে। এতিয়া আমি দ্বন্দ্বৰ বিশেষত্ব আৰু আপেক্ষিকতাৰ বিষয়ে আলোচনা কৰিম।

এই সমস্যাটোৰ বিভিন্ন স্তৰত অধ্যয়ন কৰিব লাগিব।

প্রথমতঃ বস্তুৰ গতিৰ প্রত্যেক ৰূপতে থকা দ্বন্দ্বৰ বিশেষত্ব আছে। বস্তু সম্পর্কে যি জ্ঞান মানুহৰ আছে সি হ'ল তাৰ গতি ৰূপ সম্পর্কে জ্ঞান, কাৰণ পৃথিৱীত গতিশীল বস্তুৰ বাহিৰে আন একো নাই, আৰু সেই গতিয়ে অবধাৰিতভাবে বিশেষ ৰূপ লয়। গতিৰ প্রতিটো ৰূপ বিবেচনা কৰাৰ সময়ত আমি এটাৰ সতে আন সকলো ৰূপৰ মাজত থকা সাধাৰণ বৈশিষ্ট্যবোৰৰ প্রতি লক্ষ্য ৰাখিব লাগিব। কিন্তু বিশেষভাবে গুৰুত্বপূর্ণ আৰু প্রয়োজনীয় কথাটো হ'ল, বিশেষ বিশেষ বৈশিষ্ট্যবোৰ, বিশেষতঃ গতিৰ এটা ৰূপ আৰু আন আন ৰূপৰ মাজত থকা গুণগত পার্থক্যখিনি লক্ষ্য কৰিব লাগিব, ইয়ে হ'ল আমাৰ জ্ঞানৰ বুনিয়াদ। মাথোন এনেদৰে লক্ষ্য কৰিয়েই আমি ভিন ভিন বস্তুৰ বা বিষয়ৰ মাজত পার্থক্য বুজিব পাৰো। গতিৰ যিকোনো ৰূপৰ মাজতেই তাৰ নিজস্ব বিশেষ দ্বন্দ্ব থাকে। এই বিশেষ দ্বন্দ্বই হ'ল বিশেষ গুণ, যাৰ দ্বাৰা যি কোনো বস্তু বা বিষয়কে আন সকলো বস্তু বা



OKDISCD

বিষয়তকৈ বেলেগকৈ চিনি পোৱা যায়। বস্তু বা বিষয় যে হেজাৰ ভাবে এটাৰ লগত আনটোৰ পৰা পৰম্পৰ বেলেগ হৈ আছে, ইয়ে হৈছে তাৰ আভ্যন্তৰীণ কাৰণ অথবা বুনিয়াদ। প্ৰকৃতিৰ মাজত গতি, যান্ত্ৰিক গতি, শব্দ, পোহৰ, তাপ, বিজুলী, বিযোজন, সংযোজন ইত্যাদি বহুৰূপে থাকে। এই সমস্ত ৰূপ পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল আৰু গুণগতভাবে পৰস্পৰৰ পৰা বেলেগ। গতিৰ কেনো এটা ৰূপৰ বিশেষ গুণ নিৰূপিত হয় সেই ৰূপৰ অন্তনিৰ্হিত বিশেষ দ্বন্দ্বৰ দ্বাৰা। ই মাথোন প্ৰকৃতিৰ মাজতে নহয়, সমাজত আৰু আদৰ্শগত ক্ষেত্ৰত খাটে। সমাজৰ প্ৰতিটো ৰূপৰ, আদৰ্শৰ প্ৰতিটি ধাৰাৰ নিজস্ব বিশেষ দ্বন্দ্ব আৰু গুণ থাকে।

বিভিন্ন বিষয় বস্তুৰ অন্তনিহিত বিশেষ দ্বন্দ্ববোৰৰ ভিত্তিতেই বৈজ্ঞানিক অনুশীলন শ্ৰেণীবদ্ধ কৰা হয়। ঘটনাৱলীৰ কোনো এটি বিশেষ ক্ষেত্ৰত কোনো নিজস্ব বিশেষধৰণৰ দ্বন্দ্ব বিজ্ঞানৰ এটা বিশেষ শাখাৰ বিষয় বস্তু হয়। উদাহৰণ স্বৰূপে গণিতত ধনাত্মক আৰু ঋণাত্মক সংখ্যা; বলবিদ্যাত (mechanics) ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া; পদাৰ্থ বিজ্ঞানত ধনাত্মক আৰু ঋণাত্মক বিদ্যুৎ; ৰসায়নত বিযোজন আৰু সংযোজন; সমাজ বিজ্ঞানত উৎপাদনী শক্তি আৰু উৎপাদন সম্পৰ্ক, বিভিন্ন শ্ৰেণী আৰু শ্ৰেণী সংগ্ৰাম; ৰণ বিজ্ঞানত অগ্ৰসৰণ আৰু প্ৰতিৰক্ষা; দৰ্শনত ভাববাদ আৰু বস্তুবাদ; অধিবিদ্যক দৃষ্টিভঙ্গী আৰু দ্বন্দ্ববাদী দৃষ্টিভঙ্গী ইত্যাদি; যিহেতু এইবোৰৰ প্ৰতিটো ক্ষেত্ৰৰেই নিজস্ব বিশেষ দ্বন্দ্ব আছে আৰু প্ৰতিটি ক্ষেত্ৰই আন আন ক্ষেত্ৰৰ পৰা নিজস্ব গুণাৱলীৰে বিশিষ্ট আৰু পৃথক সেইহেতুকে এইবোৰেই বিজ্ঞান চৰ্চাৰ বিভিন্ন শাখাৰ বিষয় বস্তু হৈছে। অৱশ্যে দ্বন্দ্বৰ বিশ্বজনীনতাক উপলব্ধি নকৰাকৈ বস্তু বা বিষয়ৰ গতি বা বিকাশৰ বিশ্বজনীন কাৰণ বা ভিত্তিক উপলব্ধি কৰিবলৈ আন পথ আমাৰ নাই। আৰু তেনেকৈয়ে দ্বন্দ্বৰ বিশেষত্ব সম্পৰ্কে অনুশীলন কৰিহে বস্তু বা বিষয়ৰ, এটাক আনবোৰৰ পৰা কিহে পৃথক কৈ ৰাখে সেই সাৰবস্তু কি তাক নিৰ্দ্ধাৰণ কৰাৰ একো উপায় নাপাম, বস্তু বা বিষয়ৰ গতিৰ বা বিকাশৰ বিশেষ কাৰণ বা বিশেষ ভিত্তিটো বাহিৰ কৰি উলিয়াব নোৱাৰিম, এটা বস্তু বা বিষয়ক আনটোৰ পৰা পৃথক কৰিবলৈ বা বিজ্ঞানৰ ক্ষেত্ৰৰ সীমা নিৰূপণ কৰিবলৈ কোনো পথেই নোলাব।





মানুহৰ জ্ঞানৰ গতিপথত, কোনো এটা বিশেষ বস্তু বা বিষয়ৰ জ্ঞান ক্ৰমে ক্ৰমে বাঢ়ি গৈ বস্তু বা বিষয় সম্পৰ্কে নিৰ্বিশেষ জ্ঞান হয়গৈ। বহুতো ভিন ভিন বস্তু বা বিষয়ৰ বিশেষ বিশেষ সাৰবস্তু খিনি জনাৰ পিচতহে সি বহুতো দৃষ্টান্তৰ পৰা সাধাৰণ শ্ৰেণীভুক্তকৰণৰ কামত আগবাঢ়িব পাৰে আৰু বস্তু বা বিষয়বোৰৰ উমৈহতীয়া সাৰবস্তু সম্পৰ্কে জানিব পাৰে। এনেকৈ উমৈহতীয়া সাৰবস্তু সম্পৰ্কে জ্ঞান লাভ কৰি মানুহে সেই জ্ঞানক পথনিৰ্দ্দেশক হিচাপে লৈ আগবাঢ়ে, আগতে একেবাৰে বা ভালদৰে নকৰা বাস্তৱ বস্তু বা বিষয়বোৰৰ অনুশীলন কৰে, প্ৰত্যেকৰে বিশেষ সাৰবস্তুবোৰ আৱিষ্কাৰ কৰে, আৰু এনেদৰেই এই বস্তু বা বিষয়বোৰৰ উমৈহতীয়া সাৰবস্তু সম্পৰ্কে জ্ঞান বৃদ্ধি, সমৃদ্ধ আৰু বিকশিত কৰায় যাতে এই জ্ঞান নষ্ট হৈ নাযায়।

এই দুটাই হ'ল জনাৰ প্ৰক্ৰিয়া : এটা হ'ল বিশেষৰ পৰা নিৰ্বিশেষ; আনটো হ'ল নিৰ্বিশেষৰ পৰা বিশেষলৈ। সদায় আমি জ্ঞান অৰ্জন কৰো এই প্ৰক্ৰিয়া দুটাৰ চক্ৰাকাৰে ক্ৰমবৰ্দ্ধমান গতিৰ সৃষ্টি কৰি। আমি যদি বৈজ্ঞানিক পদ্ধতিৰ পৰা বিচ্যুত নহও তেনেহলে আমাৰ জ্ঞান এই প্ৰক্ৰিয়া চক্ৰৰ আবৰ্ত্তনৰ ফলত আৰু গভীৰ, আৰু অগ্ৰসৰ হব।

আমাৰ মাজৰ আকোৰ গোঁজালি মতান্ধসকলে যি ভুল কৰে তাৰ কাৰণ তেওঁলোকে নুবুজে। এপিনে যেনেকৈ দ্বন্দ্বৰ সাৰ্বিকতা বা বিশ্বজনীনতা বা বস্তু বা বিষয়ৰ সাধাৰণ গুণবোৰ জনাৰ বাবে দ্বন্দ্বৰ বিশেষত্বটো অথবা স্বতন্ত্ৰ বস্তু বা বিষয়বোৰৰ বিশেষ গুণবোৰ অনুশীলন কৰা প্ৰয়োজন, আনপিনে তেনেদৰে বস্তু বা বিষয়ৰ উমৈহতীয়া সাধাৰণ সাৰবস্তু জানি লোৱাৰ পিচত যিবিলাক স্বতন্ত্ৰ বস্তু বা বিষয় এতিয়াও ভালদৰে অনুশীলন কৰা হোৱা নাই বা যিবোৰ বস্তু বা বিষয় এতিয়া মাত্ৰ উদ্ভৱ হৈছে সেইবোৰৰ অনুশীলন কৰা প্ৰয়োজন।

আমাৰ মতান্ধ সকল অলস; তেওঁলোকে বিশেষ বস্তু বা বিষয়ৰ অনুশীলন যত্ন আৰু শ্ৰম সহকাৰে কৰিব নোখোজে, তেওঁলোকৰ মনত সত্য যেনিবা শূন্যৰ পৰাই উদ্ভৱ হোৱা কিবা এটাহে। তাকে তেওঁলোকে অবোধ্য দুৰ্বোধ্য কিছুমান সূত্ৰত পৰিণত কৰি এনেদৰে মানুহৰ সত্য অনুসন্ধানৰ স্বাভাৱিক প্ৰক্ৰিয়াক সম্পূৰ্ণভাবে অস্বীকাৰ কৰে আৰু সেই প্ৰক্ৰিয়াক ওভোটামুখী কৰে।



OKDISCD

বিশেষৰ পৰা নিৰ্বিশেষলৈ আহি তাৰ পিচত আকৌ আৰু নিৰ্বিশেষৰ পৰা বিশেষলৈ, ( from the particular to the general and then from the general to the particular), এইদৰে জ্ঞান আহৰণৰ দুই প্ৰক্ৰিয়াৰ মাজত সম্পৰ্ক কি থাকিব পাৰে তাক তেওঁলোকে নুবুজে। মাৰ্কসীয় জ্ঞানতত্ত্ব তেওঁলোকে সমূলঞ্চে বুজা নাই।

গতিৰ ৰূপৰ (বিষয়ৰ বা বস্তুৰ) অনুশীলন কৰিবলৈ তাৰ মাথোন বিশেষ দ্বন্দ্বটোকে পৰীক্ষা কৰি চালেই নহব, বা তাৰ সতে সেই ৰূপৰ কিছুমানৰে গঢ়লোৱা ভিন ভিন জটিল ৰূপৰ মাজেৰে সেই পৰীক্ষাৰ সহায়ত বাহিৰ কৰি উলিওৱা গুণটোকেই মাথোন পৰীক্ষা কৰি চালেও নহব; তাৰ বিকাশৰ (বিষয় বা বস্তুৰ গতিৰ ৰূপৰ) দীৰ্ঘপথৰ প্ৰতিটো স্তৰৰ প্ৰতিটো স্বকীয়া ৰূপৰ মাজত থকা দ্বন্দ্বটোকো পৰীক্ষা কৰি চাব লাগিব। গতিৰ সমস্ত ৰূপৰ মাজতেই বিকাশৰ প্ৰতিটো বাস্তৱ প্ৰক্ৰিয়া হল গুণগতভাবে স্বতন্ত্ৰ। এই বিষয়টোৰ ওপৰতেই জোৰ দি ইয়াৰ পৰাই আলোচনা আৰম্ভ কৰা ভাল হব।

যিবোৰ দ্বন্দ্ব গুণগত ভাবে ভিন ভিন, সেইবোৰ কেৱল মাথোন গুণগত বিভিন্ন পদ্ধতিবোৰৰ দ্বাৰাই সমাধান হয়। উদাহৰণ স্বৰূপে:—শ্ৰমিক শ্ৰেণী আৰু বুৰ্জোৱা শ্ৰেণীৰ দ্বন্দ্বৰ সমাধান হয় সমাজতান্ত্ৰিক বিপ্লৱত; ব্যাপক জনগণ আৰু সামন্তবাদী ব্যৱস্থাৰ দ্বন্দ্বৰ সমাধান হয় গণতান্ত্ৰিক বিপ্লৱত; উপনিবেশিক আৰু সাম্ৰাজ্যবাদৰ দ্বন্দ্বৰ সমাধান হয় জাতীয় বৈপ্লৱিক যুদ্ধত; সমাজতান্ত্ৰিক সমাজত শ্ৰমিক শ্ৰেণী আৰু কৃষক শ্ৰেণীৰ দ্বন্দ্বৰ সমাধান হয় কৃষিৰ যৌথীকৰণ আৰু যান্ত্ৰিকীকৰণৰ মাজেদি; কমিউনিষ্ট পাৰ্টিৰ ভিতৰৰ দ্বন্দ্বৰ সমাধান হয়---সমালোচনা আৰু আত্মসমালোচনাৰে; সমাজ আৰু প্ৰকৃতিৰ দ্বন্দ্বৰ সমাধান হয় উৎপাদিকা শক্তিৰ বিকাশৰে। প্ৰক্ৰিয়াবোৰৰ সলনি হয়; পুৰণি প্ৰক্ৰিয়া আৰু পুৰণি দ্বন্দ্ববোৰ নোহোৱা হৈ যায়, নতুন নতুন প্ৰক্ৰিয়া, নতুন নতুন দ্বন্দ্বৰ আবিৰ্ভাৱ হয়, আৰু তদনুসৰি দ্বন্দ্ব সমাধানৰ পদ্ধতিও ভিন ভিন হয়। ৰাচিয়াৰ ফেব্ৰুৱাৰী বিপ্লৱে যি দ্বন্দ্বৰ সমাধান কৰিলে আৰু অক্টোবৰ বিপ্লৱে যি দ্বন্দ্বৰ সমাধান কৰিলে—দুয়োটাৰ মাজত মৌলিক পাৰ্থক্য আছিল, তেনেদৰে সেইবোৰৰ সমাধানৰ পদ্ধতিৰ মাজতো পাৰ্থক্য আছিল।





ভিন ভিন দ্বন্দ্বক ভিন ভিন পদ্ধতিৰে সমাধান কৰিব লাগে, এই নীতি মাৰ্ক্সবাদী সকলে কঠোৰ ভাবে অনুসৰণ কৰিব লাগিব। মতান্ধ সকলে এই নীতি নামানে; বিভিন্ন বৈপ্লৱিক পৰিস্থিতিৰ পাৰ্থক্য তেওঁলোকে নাজানে; সেয়ে তেওঁলোকে বুজিব নোৱাৰে যে বিভিন্ন দ্বন্দ্বৰ সমাধান কৰিবলৈকে ভিন ভিন পদ্ধতি প্ৰয়োগ কৰিব লাগিব; যিহকে তেওঁলোকে অপৰিবৰ্ত্তনীয় সূত্ৰ বুলি ভাবে তাকেই তেওঁলোকে সমভাবে গ্ৰহণ কৰে আৰু তাকেই অলপো লৰচৰ নকৰাকৈ সকলোতে প্ৰয়োগ কৰে। এই প্ৰণালীৰ ফলত মাথোন বিপ্লৱৰেই পৰাজয় নহয়, যি বিপ্লৱ সুস্থভাবে সমাপ্ত হব পাৰিলেহেতেন তাতো গোলমাল লগাই দিয়ে। এই আলোচনাত আমি মনত ৰাখিব লাগিব যে যি কোনোৰে বিকাশৰ প্ৰক্ৰিয়াত তাৰ দ্বন্দ্বৰ বিশেষত্বটোক সমগ্ৰ ভাবে আৰু তাৰ বিভিন্ন দিশৰ মাজত থকা সম্পৰ্কটোক বাহিৰ কৰি উলিয়াবলৈ হলে— অৰ্থাৎ এই প্ৰক্ৰিয়াটোৰ প্ৰকৃতিক বাহিৰ কৰি উলিয়াবলৈ — প্ৰক্ৰিয়াটোৰ ভিতৰৰ দ্বন্দ্বৰ প্ৰতি দিশৰ বিশেষত্বটোক বাহিৰ কৰিব লাগিব; অন্যথায় প্ৰক্ৰিয়াটোৰ প্ৰকৃতি নিৰ্ধাৰণ কৰা অসম্ভৱ হব।

কোনো কোনো ডাঙৰ বিষয় বা ঘটনাৰ বিকাশৰ প্ৰক্ৰিয়াত ( Course of development) বহুত দ্বন্দ্ব থাকে। যথা: চীনদেশৰ বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ পৰিস্থিতি অত্যন্ত জটিল, কাৰণ দ্বন্দ্ব থাকি গৈছে, চীনা সমাজৰ বিভিন্ন নিপীড়িত শ্ৰেণী আৰু সাম্ৰাজ্যবাদী সকলৰ মাজত; ব্যাপক জনগণ আৰু সামন্তবাদৰ মাজত; চহৰৰ পেটিবুৰ্জোৱা সহ কৃষক শ্ৰেণী আৰু বুৰ্জোৱা শ্ৰেণীৰ মাজত, প্ৰতিক্ৰিয়াশীল বিভিন্ন শাসক শ্ৰেণীৰ ভিতৰত ইত্যাদি ইত্যাদি। এনেবোৰ দ্বন্দ্বৰ প্ৰতিটোৰেই যে নিজা নিজা বিশেষত্ব আছে আৰু যে একেদৰেই এইবোৰৰ মোকাবিলা কৰা নাযায়, মাথোন তেনেই নহয়, প্ৰতিটি দ্বন্দ্বৰ দুটা দিশৰ প্ৰতিটোৰে নিজস্ব বৈশিষ্ট্য আছে আৰু একেদৰে এইবোৰৰ সমাধান কৰিব পৰা নাযায়।

আমি যি সকলে চীনদেশৰ বিপ্লৱৰ বাবে কাম কৰিছোঁহক আমি মাথোন দ্বন্দ্বৰ বিশেষত্বটোক তাৰ সমগ্ৰতাৰ ভিত্তিত অৰ্থাৎ তাৰ বিভিন্ন দিশৰ মাজৰ সম্পৰ্কৰ পিনৰ পৰাই বুজিলে নচলিব; তাৰ প্ৰতিটো দিশৰেই অনুশীলনৰ মাজেৰে আমি আৰম্ভ কৰিব লাগিব; কাৰণ সমগ্ৰতাক বুজিবলৈ ইয়াৰ



OKDISCD

বাহিৰে আন পথ নাই। প্ৰতিটো দিশৰ বিশেষ অৱস্থানক বুজিব পৰা মানে কি অৱস্থাত প্ৰতিটো দিশ আছে, আৰু একে সময়তে তাৰ বিপৰীতৰ সৈতে পৰস্পৰ নিৰ্ভৰশীল আৰু সংঘৰ্ষৰত হৈ আছে—তাক বুজি পোৱাটো; যিটো বিশেষ উপায়েৰে, সি বিপৰীতৰ সতে পৰস্পৰ নিৰ্ভৰশীল হৈয়ো পৰস্পৰ বিৰোধী হয়, আৰু পৰস্পৰৰ নিৰ্ভৰশীলতা ভাঙি যায় — সেইটোক বুজি পোৱা। এই সমস্যাবোৰ অনুশীলন কৰাৰ অসাধাৰণ গুৰুত্ব আছে। মাৰ্ক্সবাদৰ আটাইতকৈ সাৰবস্তু, মাৰ্ক্সবাদৰ জীৱন্ত আত্মা হৈছে বিশেষ বিশেষ অৱস্থাৰ বিশেষ বিশ্লেষণ বুলি কৈ লেনিনে ইয়াকেই বুজাব বিচাৰিছিল। আমাৰ মতান্ধ সকলে লেনিনৰ শিক্ষাক লঙ্ঘন কৰিছে; তেওঁলোকে কাৰো কথাকে কেতিয়াও নিজৰ মগজু খটুৱাই বিশেষ ভাবে বিশ্লেষণ নকৰে; তেওঁলোকৰ লিখনি আৰু ভাষণত অৰ্থহীনভাবে চৰ্বিত চৰ্বন কৰে, আৰু তাৰ দ্বাৰা এনেভাবে আমাৰ পাৰ্টিত এটা বৰ বেয়া কৰ্ম্মপন্থা প্ৰবৰ্ত্তন কৰিছে। কোনো সমস্যাৰ অনুশীলন কৰাৰ সময়ত একদিশদৰ্শিতা, মনে গঢ়া ভাব আৰু ওপৰে ওপৰে ভবা আদি দোষৰ পৰা সতৰ্ক হৈ ৰব লাগিব। কোনো বস্তুক বহিঃবাস্তব ভাবে ( Objectively ) নেদেখা অৰ্থাৎ বস্তুবাদী দৃষ্টিকোণৰ পৰা নেদেখাই হল মনে গঢ়া ভাৱ। মোৰ কৰ্ম্ম প্ৰসঙ্গৰ বিষয়ে ( On Practice ) ৰচনাত এই বিষয়ে আলচ কৰিছো।

গতিকে দেখা যায় যে কোনো দ্বন্দ্বৰ বিশেষ প্ৰকৃতি অনুধাবন কৰিবলৈ হলে বস্তুৰ গতিৰ প্ৰতিটো ৰূপৰ ভিতৰৰ দ্বন্দ্বৰ, বিকাশৰ প্ৰতিটো ৰূপৰ প্ৰতিটো প্ৰক্ৰিয়াৰ দ্বন্দ্বৰ, কোনো প্ৰক্ৰিয়াৰ দ্বন্দ্বৰ প্ৰতিটো দিশৰ, যি কোনো প্ৰক্ৰিয়াৰ প্ৰতিটো স্তৰৰ দ্বন্দ্বৰ আৰু তাৰ বিভিন্ন দিশৰ—এনেবোৰ দ্বন্দ্বৰ বিশেষ প্ৰকৃতি অনুধাবন কৰিবলৈ—সকলো ক্ষেত্ৰতেই আমি বিশেষ ঘটনাৰ বিশ্লেষণ কৰিব লাগিব আৰু মনে সজা আৰু নিজৰ ইচ্ছামতে সিদ্ধান্ত কৰা অভ্যাস বৰ্জন কৰিব লাগিব। নহলে কোনো দ্বন্দ্বৰ বিশেষ প্ৰকৃতি সম্পৰ্কে জ্ঞান লাভ কৰা নহব। 'বিশেষ অৱস্থাৰ বিশেষ বিশ্লেষণ'—লেনিনৰ এইষাৰ কথা সদায় মনত ৰাখিব লাগিব।

মাৰ্কস আৰু এঙ্গেলসে—সৰ্ব্বপ্ৰথমে এনে ধৰণৰ বিশেষ বিশ্লেষণৰ চমকপ্ৰদ আদৰ্শ এটা আমাৰ আগত তুলি ধৰিছে।





সামাজিক ইতিহাসৰ প্ৰক্ৰিয়া অনুশীলনৰ ক্ষেত্ৰত দ্বন্দ্বৰ নিয়ম প্ৰয়োগ কৰি মাৰ্কস আৰু এংগেলসে উৎপাদনী শক্তি আৰু উৎপাদন সম্পৰ্কৰ দ্বন্দ্ব, শোষক শ্ৰেণীবোৰ আৰু শোষিত শ্ৰেণীবোৰৰ দ্বন্দ্ব আৰু তাৰ পৰা উদ্ভূত অৰ্থনৈতিক ভিত্তি দেখিলে আৰু সেই ভিত্তিৰ ওপৰত গঢ়া ৰাজনীতি আৰু মতাদৰ্শৰ মত উপৰিসৌধৰ লগতেই দেখিলে কিদৰে এনেবোৰ দ্বন্দ্বই অনিবাৰ্য্য ভাবে বিভিন্ন শ্ৰেণী সমাজত বিভিন্ন বিপ্লৱ ঘটায়।

ধনতান্ত্ৰিক সমাজৰ গাঠনিতো—এই নিয়ম প্ৰয়োগৰ দ্বাৰা অনুশীলন কৰি মাৰ্কসে পালে যে এই সমাজৰ মুখ্য দ্বন্দ্বটো হ'ল উৎপাদনৰ সামাজিক চৰিত্ৰ (social character of production) আৰু মালিকানাৰ ব্যক্তিগত চৰিত্ৰ, (private character of ownership) এই দুয়োটাৰ মাজৰ দ্বন্দ্ব। ই প্ৰকাশ পায় ব্যক্তিগত মালিকানাৰ উদ্যোগত উৎপাদনৰ সংগঠিত চৰিত্ৰ আৰু মুঠতে সমাজত থকা উৎপাদনৰ অৰাজক চৰিত্ৰৰ ( anarchic character of production ) মাজৰ দ্বন্দ ৰূপে। শ্ৰেণী সম্পৰ্কৰ ক্ষেত্ৰত ই প্ৰকাশ পায় বুৰ্জোৱা আৰু সৰ্বহাৰাৰ মাজৰ দ্বন্দ্ব ৰূপে।

বস্তু বা বিষয়ৰ পৰিসৰ বিশাল, আৰু ই কিমানলৈ বিকাশ লাভ কৰিব তাৰ কোনো সীমা নাই—সেই কাৰণে এটা পৰিস্থিতিত যিটো হয় সাৰ্বিক আন এটি পৰিস্থিতিত সিয়ে হয়গৈ বিশেষ। বিপৰীতৰ, যিটোৰে এটা পৰিস্থিতিত বিশেষ সিটোৱেই আন এটা পৰিস্থিতিত সাৰ্বিক হৈ পৰে।

পুঁজিবাদ য'ত আছে বা যত বিকাশ লাভ কৰিব ধৰিছে, তেনে সকলোবোৰ দেশত, পুঁজিবাদী ব্যৱস্থাত থকা সামাজিক চৰিত্ৰৰ উৎপাদনৰ আৰু উৎপাদনৰ আহিলাপাতিৰ ব্যক্তিগত মালিকানাৰ মাজত দ্বন্দ্ব সাধাৰণ ভাবে বিদ্যমান। পুঁজিবাদৰ ক্ষেত্ৰত এই দ্বন্দ্বটো সাৰ্বিক দ্বন্দ্ব। কিন্তু এই দ্বন্দ্ব সাধাৰণ ভাবে শ্ৰেণী সমাজৰ এটা বিশেষ ঐতিহাসিক স্তৰতেই থাকে—আৰু সেই সমাজত উৎপাদনৰ শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজৰ দ্বন্দ্বৰ ই মাথোন এটা বিশেষত্ব হৈ ৰয়। ধনতান্ত্ৰিক সমাজৰ প্ৰতিটো দ্বন্দ্বৰ বিশেষত্বক বিশ্লেষণ কৰি দেখুৱাই মাৰ্কসে আৰু গভীৰ, আৰু যথাযথভাবে, আৰু সম্পূৰ্ণভাবে শ্ৰেণী সমাজত সাধাৰণ ভাবে উৎপাদনী শক্তি আৰু উৎপাদন সম্পৰ্কৰ মাজত থকা দ্বন্দ্বৰ সাৰ্বিকতা ব্যাখ্যা কৰিছে।



OKDISCD

বিশেষ (the particular), সাৰ্বিকতাৰ সতে সংযুক্ত, আৰু দ্বন্দ্বৰ মাথোন বিশেষতাই নহয়, তাৰ সাৰ্বিকতাও সকলো বস্তুৰ মাজতেই অন্তৰ্নিহিত আছে। সেই কাৰণে কোনো বস্তুক অনুশীলন কৰিবলৈ যাওঁতে উভয়কেই ( বিশেষতা আৰু সাৰ্বিকতা ) আৰু উভয়ৰ আন্তঃসম্পৰ্কক আবিষ্কাৰ কৰিব লাগিব, অন্যান্য বহুতো বস্তুৰ লগত থকা এই বস্তুটোৰ আন্তঃসম্পৰ্কক আবিষ্কাৰ কৰিব লাগিব। ষ্টেলিনে তেওঁৰ "লেনিন বাদৰ ভিত্তি" (The foundation of Leninism) নামৰ বিখ্যাত পুথিত লেনিন বাদৰ ঐতিহাসিক ভিত্তি ব্যাখ্যা প্ৰসঙ্গত আন্তৰ্জাতিক পৰিস্থিতিৰ পৰা যে লেনিনবাদৰ উদ্ভৱ তাকে বিশ্লেষণ কৰিছে। তাৰ লগতে সাম্ৰাজ্যবাদৰ চৰম অৱস্থালৈ অহা ধনতন্ত্ৰৰ মাজৰ নানাবিধ দ্বন্দ্বৰ বিশ্লেষণ কৰিছে। তেওঁ দেখুৱাইছে কেনেদৰে এই দ্বন্দ্ববোৰে সৰ্বহাৰা শ্ৰমিক বিপ্লৱ অবিলম্বে সম্পন্ন কৰাৰ প্ৰশ্নত পৰিণত কৰে আৰু কেনেদৰে এই দ্বন্দ্ববোৰে ধনতন্ত্ৰৰ ওপৰত প্ৰত্যক্ষ আঘাত কৰাৰ বাবে উপযোগী অনুকূল অৱস্থাৰ সৃষ্টি কৰে। তাৰ বাহিৰেও ৰাচিয়া কিয় লেনিনবাদৰ সূতিকাগৃহ হল আৰু কেনেদৰে জাৰ শাসিত ৰাচিয়া সাম্ৰাজ্যবাদৰ সকলোবোৰ দ্বন্দ্বৰে কেন্দ্ৰ বিন্দু হল ; একে সময়তে জাৰ শাসিত ৰুচ সাম্ৰাজ্যবাদৰ এই সাধাৰণ দ্বন্দ্বৰ মাজৰ বিশেষতা বিশ্লেষণ কৰি ৰাচিয়াই কিয়য়েবা সৰ্বহাৰা বিপ্লৱৰ তত্ব আৰু কৌশলৰ জন্ম স্থান হ'ল, কি ভাবে দ্বন্দ্বৰ বিশেষতাৰ মাজত দ্বন্দ্বৰ সাৰ্বিকতা আছিল সেইবোৰক দেখুৱাইছে। দ্বন্দ্বৰ বিশেষতা আৰু সাৰ্বিকতা আৰু এই দুয়োটাৰে মাজৰ আন্তঃসম্পৰ্ক বুজিবৰ বাবে ষ্টেলিনৰ এই বিশ্লেষণ আদৰ্শ স্থানীয়।

বৰ্হিবাস্তৱ ঘটনাৱলী ( objective Phenomena ) অনুধাৱনৰ ক্ষেত্ৰত দ্বান্দ্বিকতাৰ (dialectics ) প্ৰয়োগৰ প্ৰশ্নত মাৰ্কস আৰু এঙ্গেলস, লেনিন আৰু ষ্টেলিনে সদায়ে আমাক শিকাইছে যে মনেসজা আৰু যথেচ্ছ ভাব (subjective and arbitary) বৰ্জন কৰিব লাগিব আৰু বৰ্হিবাস্তৱৰ বিষয় আৰু গতিৰ অন্তৰ্নিহিত নিৰ্দিষ্ট অৱস্থাৰ পৰা এনেবোৰ ঘটনাৱলীৰ ভিতৰৰ নিৰ্দিষ্ট দ্বন্দ্ববোৰক, কোনো এটা দ্বন্দ্বৰ প্ৰত্যেকটো দিশৰ নিৰ্দিষ্ট ভূমিকা আৰু দ্বন্দ্ববোৰৰ নিৰ্দিষ্ট আন্তঃসম্পৰ্কটোক আবিষ্কাৰ কৰিব লাগিব। ঘটনা বিচাৰ কৰাৰ ক্ষেত্ৰত এই মনোভঙ্গী গ্ৰহণ কৰিব পৰা নাই গুণে আমাৰ গোড়া মতান্ধসকলে সদায়েই





ভুল কৰি আহিছে। তেওঁলোকৰ ব্যৰ্থতা দেখি আমি সাৱধান আৰু সতৰ্ক হ'ব লাগিব আৰু বিচাৰ বিশ্লেষণৰ ক্ষেত্ৰত এই পদ্ধতি, যিটো একমাত্ৰ নিৰ্ভুল পদ্ধতি, তাক গ্ৰহণ কৰিব লাগিব।

দ্বন্দ্বৰ সাৰ্বিকতা আৰু বিশেষতাৰ সম্পৰ্ক হ'ল দ্বন্দ্ববোৰৰ সাধাৰণ চৰিত্ৰ আৰু স্বকীয়া চৰিত্ৰৰ সম্পৰ্ক। প্ৰথমটোৰ মানে বুজিব লাগিব যে—যি দ্বন্দ্ব আগৰপৰা গুৰিলৈকে সমস্ত প্ৰক্ৰিয়াৰ মাজত আছে আৰু লগে লগে যাব। দ্বন্দ্বক অস্বীকাৰ কৰাৰ অৰ্থ হ'ল সকলোকে অস্বীকাৰ কৰা। এই কথা সকলো কালতে আৰু সকলো দেশতেই সত্য, কেতিয়াও কতো ইয়াৰ ব্যতিক্ৰম নাই। তাৰ ( দ্বন্দ্বৰ ) চৰিত্ৰৰ সাৰ্বিকতা (general character), ধ্ৰুৱতা (absoluteness) এইখিনিতেই, কিন্তু এই সাধাৰণ চৰিত্ৰ সকলোবোৰ স্বকীয়া চৰিত্ৰৰ মাজত ৰৈ গৈছে ; স্বতন্ত্ৰ চৰিত্ৰ নোহোৱাকৈ কোনো চৰিত্ৰ থাকিব নোৱাৰে। সকলোবোৰ স্বতন্ত্ৰ চৰিত্ৰকে যদি আঁতৰাই দিয়া যায়—তেনেহলে কোনটো সাধাৰণ চৰিত্ৰ বাৰু ৰ'ব ? প্ৰত্যেকটো দ্বন্দ্ব একোটা বিশেষ দ্বন্দ্ব বুলিয়েই স্বতন্ত্ৰ চৰিত্ৰবোৰৰ উদ্ভৱ হয়। সকলোবোৰ স্বতন্ত্ৰ চৰিত্ৰ থাকে চৰ্তসাপেক্ষভাবে আৰু সাময়িকভাবে, সেইবাবে সেইবোৰ হ'ল আপেক্ষিক।

সাধাৰণ চৰিত্ৰ আৰু স্বতন্ত্ৰ চৰিত্ৰৰ (general character and individual character) ৰ ধ্ৰুৱতা (absoluteness) আৰু আপেক্ষিকত্বৰ (reletivity) এয়ে হ'ল সাৰসত্য বস্তু। ই হ'ল বস্তু আৰু বিষয়ৰ ভিতৰৰ দ্বন্দ্বৰ সাৰকথা ; এই বথা উপলব্ধি নকৰাটো দ্বান্দ্বিকতা (dialectics)ক বৰ্জন কৰাৰ লেখিয়া কথা।

কোনো সমস্যাক সমগ্ৰ ভাৱে নেদেখাটোৱে হল একদিশদৰ্শিতা। যেনে, মাথোন চীন দেশকে বুজিলো, জাপান দেশক বুজি নাপালো ; মাথোন কমিনিউষ্ট পাৰ্টিকেই বুজিলো কুওমিণ্টাং পাৰ্টিক বুজি নাপালো ; মাথোন কৃষক সকলকেই বুজি পালো, জমিদাৰ সকলক বুজি নাপালো ; মাথোন অনুকূল অৱস্থাকেই বুজিলো, প্ৰতিকূল অৱস্থাক বুজি নাপালো ; মাথো অতীতকেই বুজিলো ভবিষ্যতক বুজি নাপালো ; মাথোন গুছৰীয়াকেই বুজিলো, পদকীয়াক বুজি নাপালো ; মাথো আত্ম গোপন কৰি (আন্দাৰ গ্ৰাউণ্ড) বিপ্লৱী-কাম কৰাকে বুজিলো, প্ৰকাশ্য বিপ্লৱী কাম বুজি নাপালো ইত্যাদি ইত্যাদি, অৰ্থাৎ কোনো এটা দ্বন্দ্বৰ উভয় দিশৰ বৈশিষ্ট্যবোৰক বুজি নাপালো। ইয়াকেই একদিশদৰ্শিতাৰে সমস্যাক বিবেচনা কৰা



OKDISCD

বুলি কোৱা হয়। নাইবা কব পাৰি যে—মাথোন অংশটো দেখা, সমগ্ৰক নেদেখা; মাথোন গছ হে দেখা বননি নেদেখা। কাজে কাজে, এনেদৰে দ্বন্দ্বৰ সমাধান পদ্ধতি উলিওৱা, বিপ্লৱৰ কামবোৰক সমাধান কৰা, ন্যস্ত দায়িত্ব সুস্থভাবে পালন কৰা, অথবা পাৰ্টিৰ ভিতৰত মতাদৰ্শৰ সংগ্ৰাম সঠিকভাবে গঢ়িতোলা সম্ভব নহয়। "শত্ৰুকো জানি লোৱা নিজকো জানি লোৱা, তেনেহলেই তুমি পৰাজয়ৰ বিপদ নোহোৱাকৈ এশ যুজ চলাই যাব পাৰিবা," বুলি ৰণ বিজ্ঞান সম্পৰ্কে আলোচনা প্ৰসঙ্গত 'সুন উসে' লিখিছিল। তেওঁ তাৰ দ্বাৰা বুজাবলৈ বিচাৰিছিল যে যুজত লক্ষ্য দুটা আছে। একদিশদৰ্শিতা যে বেয়া তাক তাং বংশৰ উয়েই চেওঁ এ বুজি লিখিছে, "দুই পক্ষৰ কথা শুনিলে জ্ঞান বাঢ়ে, এক পক্ষৰ কথা শুনিলে দিকভ্ৰান্ত হব লাগে"। তথাপিও আমাৰ কমৰেডসকলে প্ৰায়েই একদিশদৰ্শীভাবে সমস্যাবোৰ বিচাৰ কৰে; ফলত প্ৰায়ে মস্কিলত পৰি যায়।

'সুই হু চুৱান' উপন্যাসত, সু চিয়াঁঙে তিনিবাৰ চু নামৰ গাওঁখন আক্ৰমণ কৰি দুবাৰ পৰাজিত হয়, কাৰণ স্থানীয় অৱস্থান সম্পৰ্কে তাৰ স্পষ্ট ধাৰণা নাছিল আৰু সি ভুল পদ্ধতি প্ৰয়োগ কৰিছিল। পিচত সি পদ্ধতি সলনি কৰে, পোনতে অৱস্থান সম্পৰ্কে তদন্ত কৰে আৰু ফলত ৰাষ্টা-পচুলিৰ জটিলতা জানিব পাৰিলে। সি তেতিয়া চি, হু আৰু চু গাৱঁৰ মাজৰ মৈত্ৰীবন্ধন চেদেলি-ভেদেলি কৰিবলৈ সমৰ্থ হল; আৰু ট্ৰয়যুজৰ কৌশলৰ দৰে শত্ৰুৰ শিবিৰত ভেশচনকাৰী নিজৰ সৈন্য অনুপ্ৰবেশ কৰাই শেষলৈকে জয় লাভ কৰিলে। 'সুই হু চুৱান' উপন্যাসখনত বস্তুবাদী দ্বন্দ্ববাদৰ বহুতো দৃষ্টান্ত আছে। তাৰ মাজত চু গাৱঁৰ ওপৰত তিনিবাৰ আক্ৰমণৰ ঘটনাটোৱে বোধহয় আটাইতকৈ প্ৰকৃষ্ট। লেনিনে কৈছে :—

"কোনো বস্তুক প্ৰকৃতভাবে জানিবলৈ হলে তাৰ সকলো দিশবোৰকেই, সকলো 'মধ্যাস্থ'ক (mediation) আমি ভালদৰে ধৰিব লাগিব, অনুশীলন কৰিব লাগিব। আমি কেতিয়াও এই কাম সম্পূৰ্ণভাবে কৰিব নোৱাৰিম; কিন্তু সকলো পিনৰ পৰা বিচাৰ কৰাৰ তাগিদা থাকিলে—ই সমস্ত ভুলভ্ৰান্তি আৰু অনমনীয়তাৰ বিৰুদ্ধে ৰক্ষা কবচৰ কাম কৰে"।

এই কথাবোৰ আমি মনত ৰাখিব লাগিব। দ্বন্দ্বৰ বৈশিষ্ট্যবোৰক আৰু





তাৰ প্ৰতিটো দিশৰ বৈশিষ্ট্যবোৰক গণনাৰ মাজলৈ নলা, দ্বন্দ্বৰ বৈশিষ্ট্যবোৰৰ গভীৰতালৈ নোযোৱা, পুংখানুপুংখৰূপে অনুশীলন কৰাৰ প্ৰয়োজনীয়তাক অস্বীকাৰ কৰা, দূৰৰ পৰাই মাথো এবাৰ চাযে কোনো দ্বন্দ্বৰ সমাধানৰ চেষ্টা কৰা, (কোনো প্ৰশ্নৰ উত্তৰ দিয়া, বিৰোধৰ মীমাংসা কৰা, কোনো কাম সমাধা কৰা অথবা কোনো সামৰিক যুদ্ধ পৰিচালনা কৰা)—ইয়াকেই কোৱা হয় ওপৰে ওপৰে ভাহি ফুৰা ভাব দেখুওৱা কাম।

পাৰ্টিৰ মাজত মতান্ধ সকলে আৰু অভিজ্ঞতাবাদী (empiricists) সকলে যে ভুল কৰিছে তাৰ কাৰণ হল যি কোনো এটা বিষয়কেই তেওঁলোকে চোৱাৰ ধৰণটো হল আত্মগত একদিশদৰ্শী আৰু অগভীৰ। এই একদিশদৰ্শীতা (one sidedness) আৰু অগভীৰতায়ো 'আত্মগত আৰু ই আত্মগত পদ্ধতিলৈ লৈ যায়; কাৰণ বৰ্হিবাস্তবৰ সকলোবোৰ যদিও পৰস্পৰৰ লগত সংযুক্ত আৰু অন্তৰ্নিহিত নিয়মৰ দ্বাৰা চালিত, তথাপিও যিয়ে অন্তৰ্নিহিত আৰু আন্তঃ-সম্পৰ্কৰ নিয়ম নাজানি সকলোবিলাককে একদিশদৰ্শী আৰু অগভীৰ ভাবে দেখে তেওঁলোকৰ মনৰ মাজত ইবোৰ যথাযথভাবে প্ৰতিফলিত নহয়।

যিকোনো বস্তুৰ বা বিষয়ৰ বিকাশৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ নোহোৱালৈ সেই প্ৰক্ৰিয়াৰ দ্বন্দ্ব আৰু মূল দ্বন্দ্বৰ দ্বাৰা নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ চৰিত্ৰটো নোহোৱা হৈ নাযায়; কিন্তু এই দীঘলীয়া প্ৰক্ৰিয়াৰ এটা স্তৰৰ অৱস্থা প্ৰায়েই আন স্তৰৰ অৱস্থাতকৈ পৃথক হয়। কাৰণ যদিও কোনো বস্তু বা বিষয়ৰ বিকাশৰ মূল দ্বন্দ্ব বা চৰিত্ৰ অথবা প্ৰক্ৰিয়াৰ চৰিত্ৰৰ সলনি নহয়, তথাপি দীৰ্ঘ প্ৰক্ৰিয়াটোৰ ভিন ভিন স্তৰত মূল দ্বন্দ্বই ক্ৰমশঃ তীব্ৰতৰ ৰূপ গ্ৰহণ কৰে। প্ৰক্ৰিয়াটোৰ যিবোৰ বিভিন্ন স্তৰ থাকে সেইবোৰৰ বাবে, মূল দ্বন্দ্বৰ দ্বাৰা নিৰ্ধাৰিত আৰু প্ৰভাৱিত সৰু বৰ বহুতো দ্বন্দ্বৰ মাজৰ কেতবোৰ তীব্ৰতৰ হৈ উঠে, আনবোৰৰ সাময়িক বা আংশিক ভাবে সমাধান বা প্ৰশমন হয় আৰু নতুন দ্বন্দ্বৰ আবিৰ্ভাৱ হয়। যি কোনো বস্তুৰ বিকাশৰ প্ৰক্ৰিয়াৰ স্তৰবোৰৰ পিনে যদি আমি চকু নিদিওঁ তেনেহলে এনে দ্বন্দ্ববোৰক আমি যথাযথ ভাবে মোকাবিলা কৰিব নোৱাৰিম।

উদাহৰণ হিচাপে কব পাৰি,—ধনতন্ত্ৰই যেতিয়া স্বাধীন প্ৰতিযোগিতাৰ স্তৰৰ পৰা সাম্ৰাজ্যবাদৰ স্তৰলৈ উঠি আহিল, তেতিয়া শ্ৰমিক শ্ৰেণীৰ আৰু বুৰ্জোৱা



OKDISCD

শ্ৰেণীৰ মূল দ্বন্দ্বৰ দুই শ্ৰেণীৰ—চৰিত্ৰ আৰু সমাজৰ ধনতান্ত্ৰিক প্ৰকৃতিৰ একো সলনি নহল। কিন্তু ধনতন্ত্ৰৰ বিশেষ স্তৰত সাম্ৰাজ্যবাদৰ আবিৰ্ভাব যে হল, সেই কাৰণে এই দুই শ্ৰেণীৰ দ্বন্দ্ব তীব্ৰতৰ হল, একচেটিয়া পুজি আৰু অবাধ প্ৰতিযোগিতাৰ দ্বন্দ্বই দেখা দিলে, প্ৰভু দেশবোৰৰ লগত সিহঁতৰ উপনিবেশবোৰৰ দ্বন্দ্ব তীব্ৰতৰ হল, অসম-বিকাশ-জাত ধনতান্ত্ৰিক দেশবোৰৰ দ্বন্দ্ব বিশেষ তীব্ৰতাৰে আত্মপ্ৰকাশ কৰিলে।

লেনিনবাদক কোৱা হয় সাম্ৰাজ্যবাদী আৰু সৰ্বহাৰা-শ্ৰমিক-বিপ্লৱ যুগৰ মাৰ্ক্সবাদ বুলি। তাৰ কাৰণ হ'ল লেনিন আৰু ষ্টেলিনে সঠিকভাবে এই দ্বন্দ্ববোৰৰ সংজ্ঞা দিছে আৰু তাৰে সমাধানৰ বাবে সঠিকভাবেই সৰ্বহাৰা শ্ৰমিকবিপ্লৱৰ তত্ত্ব আৰু কৌশল নিৰ্ধাৰণ কৰিছে।

চীনদেশত ১৯১১ চনৰ বিপ্লৱৰ লগতে আৰম্ভ হোৱা গণতান্ত্ৰিক বিপ্লৱৰ প্ৰক্ৰিয়াটো লক্ষ্য কৰিলে কেইটামান বিশেষ পৰ্য্যায় চকুত পৰিব। বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বৰ যুগ আৰু শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত বিপ্লৱৰ যুগ—এই দুটা ঐতিহাসিক স্তৰ। ইয়াৰ মাজত পাৰ্থক্য বহুতো। আৰু স্পষ্টভাবে কবলৈ হলে, শ্ৰমিক শ্ৰেণীৰ নেতৃত্বই বিপ্লৱৰ সমগ্ৰ ৰূপটোৰ এটা মৌলিক পৰিবৰ্ত্তন আনি দিছে। শ্ৰেণী সম্পৰ্কৰ নতুন বিন্যাস হৈছে, কৃষক বিপ্লৱৰ এটা বিৰাট অভ্যুত্থান সংঘটিত কৰিছে, গণতান্ত্ৰিকৰ পৰা সমাজতান্ত্ৰিক বিপ্লৱলৈ উত্তৰণৰ সম্ভাৱনাৰ সৃষ্টি কৰিছে ইত্যাদি। বুৰ্জোৱা শ্ৰেণীৰ দ্বাৰা বিপ্লৱ চালিত-হোৱাৰ সময়ত এইবোৰ ঘটিব নোৱাৰিলেহেতেন।

প্ৰক্ৰিয়াটোৰ মূল দ্বন্দ্বৰ প্ৰকৃতিৰ পিনৰ পৰা অৰ্থাৎ গণতান্ত্ৰিক বিপ্লৱ হিচাপে আধা উপনিবেশিক, আধাসামন্ততান্ত্ৰিক বিপৰীত ( opposite ) সহ তাৰ সাম্ৰাজ্যবাদ বিৰোধী সামন্তবাদ বিৰোধী চৰিত্ৰৰ পিনৰ পৰা সমগ্ৰ প্ৰক্ৰিয়াটোৰ কোনো পৰিবৰ্ত্তন হোৱা নাই, তথাপি এই সময়ৰ ভিতৰত বহুতো গুৰুত্বপূৰ্ণ ঘটনা ঘটিছে। উদাহৰণ স্বৰূপে ১৯১১ চনৰ বিপ্লৱৰ ব্যৰ্থতা আৰু উত্তৰ অঞ্চলৰ সমৰপতি সকলৰ শাসন প্ৰতিষ্ঠা, পোন প্ৰথম জাতীয় ঐক্যবদ্ধ ফ্ৰণ্ট গঠন আৰু ১৯২৪-২৭ ৰ বিপ্লৱত ঐক্যবদ্ধ ফ্ৰণ্ট ভাঙি যোৱা আৰু দলত্যাগ কৰি বুৰ্জোৱা সকলে প্ৰতিবিপ্লৱী শিবিৰত যোগদান কৰা, সমৰপতি সকলৰ মাজত নতুন নতুন দ্বন্দ্ব, দ্বিতীয় বাৰৰ বাবে জাতীয় ঐক্যবদ্ধ ফ্ৰণ্ট গঠন আৰু জাপানী





আক্ৰমণৰ বিৰুদ্ধে প্ৰতিৰোধ যুদ্ধ: এনে স্তৰ বা পৰ্য্যায় বিলাকৰ কিছুমান বিশেষ বৈশিষ্ট্য আছে যথা কেতবোৰ দ্বন্দ্বৰ তীব্ৰতাবৃদ্ধি, কৃষিবৈপ্লবিক যুদ্ধ, চাৰিথন উত্তৰ পূব প্ৰদেশত জাপানী আক্ৰমণ; আন আন দ্বন্দ্বৰ আংশিক সমাধান, উত্তৰ অঞ্চলৰ সমৰপতি সকলৰ চক্ৰটোৰ উচ্ছেদ, আমাৰ দ্বাৰা জমিদাৰৰ ভূমি বাজেয়াপ্ত, কেতবোৰ দ্বন্দ্বৰ পুনৰায় আৱিৰ্ভাৱ, নতুন সমৰপতি সকলৰ মাজত যুদ্ধ, আৰু দক্ষিণ অঞ্চলৰ বৈপ্লবিক ঘাটিবোৰ আমাৰ হাতৰ পৰা যোৱাৰ পিচত জমিদাৰ সকলৰ দ্বাৰা সেইবোৰ আকৌ দখল হোৱা।

যি কোনোৰে বিকাশৰ প্ৰক্ৰিয়াৰ প্ৰতিটো স্তৰৰ দ্বন্দ্বৰ বিশেষত্বটোক অনুধাৱন কৰিবলৈকে, মাথোন তাৰ ভিন ভিন দিশবোৰৰ সম্পৰ্কৰ পিনৰ পৰাই আৰু তাক সামগ্ৰিক ভাবে চালেই নহব, তাৰ লগতে বিকাশৰ প্ৰতিটো স্তৰৰ দ্বন্দ্বৰ প্ৰতিটো দিশকে অনুধাৱন কৰিব লাগিব।

দৃষ্টান্ত স্বৰূপে ধৰা যাওক কুওমিংটাং আৰু কমিউনিষ্ট পাৰ্টিৰ কথাঃ যেতিয়া পোন প্ৰথমে জাতীয় ফ্ৰণ্ট গঠন হয় তেতিয়া কুওমিংটাং আছিল বিপ্লবী আৰু প্ৰাণ শক্তি সম্পন্ন; ই তেতিয়া আছিল গণতান্ত্ৰিক বিপ্লবৰ বিভিন্ন শ্ৰেণীৰ মৈত্ৰীৰ প্ৰতিনিধি স্থানীয়; কাৰণ, ৰাচিয়াৰ সতে মৈত্ৰী, কমিউনিষ্ট সকলৰ সতে সহযোগিতা আৰু শ্ৰমিক আৰু কৃষক সকলৰ সহায়ত সান ইয়াৎ সেনৰ এই তিনি প্ৰধান নীতিক তেওঁলোকে কাৰ্য্যকৰী কৰিছিল। কিন্তু ১৯২৭ চনৰ পিচত ই বিপৰীত দিশে মুখ ঘূৰালে আৰু জমিদাৰ আৰু বৃহৎ বুৰ্জোৱা সকলৰ প্ৰতিক্ৰিয়াশীল জোটত পৰিণত হল।

১৯৩৬ চনৰ ডিচেম্বৰ মাহত ঘটা ঘটনাৰ পিচত ই আকৌ অন্যপিনে ঘূৰে। গৃহযুদ্ধ বন্ধ কৰে আৰু জাপান সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুদ্ধত কমিউনিষ্ট পাৰ্টিৰ সতে মৈত্ৰীবদ্ধ হয়। এয়ে হ'ল কুওমিংটাঙৰ এই তিনি পৰ্য্যায়ৰ বৈশিষ্ট্য। এই বৈশিষ্ট্য বিলাকৰ উদ্ভৱ হয় বিভিন্ন কাৰণে। প্ৰথম যুক্তফ্ৰণ্টৰ যুগত কমিউনিষ্ট পাৰ্টিৰ যেতিয়া শৈশব অৱস্থা, তেতিয়াই ই সাহসৰ সতে ১৯২৪-২৭ চনৰ বিপ্লৱ পৰিচালনা কৰিছে। কিন্তু বিপ্লৱৰ প্ৰকৃত কাম আৰু পদ্ধতি সম্পৰ্কে উপলব্ধিৰ পিনৰ পৰা তাৰ মাজত অপৰিপক্কতা প্ৰকাশ পায়। সেই কাৰণেই এই যুগৰ শেষৰ পিনে 'চেনতু শিউবাদে' মূৰ তোলে আৰু বিপ্লৱৰ পৰাজয় ঘটায়। ১৯২৭ চনৰ পিচত কমিউনিষ্ট পাৰ্টিয়ে বিপ্লবী



OKDISCD

ফৌজ আৰু বিপ্লৱী ঘাটি তৈয়াৰ কৰি আকৌ সাহসৰ সতে কৃষি বৈপ্লৱিক যুদ্ধ পৰিচালনা কৰে। কিন্তু হঠকাৰিতাৰ ভুলো কৰে, যাৰ ফলত ফৌজ আৰু ঘাটি দুয়োৰে গুৰুতৰ ক্ষতি হয়। ১৯৩৫ চনৰ পৰা সেই ভুলবোৰ পাৰ্টিয়ে সংশোধন কৰিছে আৰু নতুন জাপ বিৰোধী যুক্তফ্ৰণ্টৰ নেতৃত্ব গ্ৰহণ কৰিছে। এতিয়া এই বিৰাট সংগ্ৰাম চলি আছে। এতিয়াৰ কমিউনিষ্ট পাৰ্টি হ'ল এনে এটা পাৰ্টি যিয়ে দুটা বিপ্লৱৰ অগ্নি পৰীক্ষাত উত্তীৰ্ণ হৈছে আৰু প্ৰচুৰ অভিজ্ঞতা অৰ্জন কৰিছে। এয়ে হ'ল কমিউনিষ্ট পাৰ্টিৰ বিভিন্ন স্তৰৰ বৈশিষ্ট্য। এই বৈশিষ্ট্যবোৰো নানান কাৰণৰ পৰা উদ্ভুত।

এই বৈশিষ্ট্যবোৰ অনুধাবন নকৰিলে বিকাশৰ বিভিন্ন পৰ্য্যায়ত দুয়োটা পাৰ্টিৰ বিশেষ আন্তঃসম্পৰ্কবোৰ বুজিব নোৱাৰিম, অৰ্থাৎ বুজিব নোৱাৰিম কেনেদৰে যুক্তফ্ৰণ্ট ভাঙি গ'ল ; কেনেদৰে আৰু এটা যুক্তফ্ৰণ্ট গঠন হল। মৌলিক কথা হ'ল এয়ে যে দুটা পাৰ্টিৰ আৰু বিভিন্ন বৈশিষ্ট্য অনুধাবন কৰিবলৈকে উভয়ৰ শ্ৰেণী ভিত্তি আৰু ভিন ভিন আমোলত এই শ্ৰেণী ভিত্তিৰ পৰা উদ্ভুত, পাৰ্টি আৰু আন আন শক্তিৰ প্ৰতিটি দ্বন্দ্ব আমি অনুসৰণ কৰিব লাগিব। যথা—কমিউনিষ্ট পাৰ্টিৰ সতে প্ৰথম মৈত্ৰীৰ আমোলত কুওমিংটাঙৰ এপিনে আছিল বিদেশী সাম্ৰাজ্যবাদৰ সতে দ্বন্দ্ব আৰু সেইবাবে তাৰ বিৰোধিতা ; আন পিনে আছিল দেশৰ জনসাধাৰণৰ সতে দ্বন্দ্ব ; মেহনতী জনগণৰ স্বাৰ্থত বহুতো কিবাকিবি কৰাৰ মৌলিক প্ৰতিশ্ৰুতি সত্বেও প্ৰকৃতপক্ষে সিহঁতে বিশেষ একো কৰা নাছিল। যি আমোলত কমিউনিষ্ট বিৰোধী যুজ চলাইছিল সেই আমোলত সিহঁতে জনগণক বিৰোধীতা কৰাৰ বাবে, সাম্ৰাজ্যবাদী যুজ চলাইছিল—সেই আমোলত জনগণক বিৰোধীতা কৰাৰ বাবে সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ সতে সহযোগিতা কৰিছে, বিপ্লৱৰ দ্বাৰা আৰ্জ্জিত সকলোবোৰ সুবিধাৰ পৰা জনগণক বঞ্চিত কৰিছে, আৰু এইদৰে জনগণৰ সতে তাৰ দ্বন্দ্বক তীব্ৰতৰ কৰিছে। জাপ আক্ৰমণ প্ৰতিৰোধ যুদ্ধৰ বৰ্তমান আমোলত কুওমিংটাঙে জাপ সাম্ৰাজ্যবাদৰ সতে তাৰ দ্বন্দ্বৰ বাবে কমিউনিষ্ট পাৰ্টিৰ সতে মিত্ৰ হব বিচাৰে কিন্তু—কমিউনিষ্ট পাৰ্টি আৰু জনগণৰ বিৰুদ্ধে তাৰ যুজ আৰু দমননীতি শিথিল নকৰাকৈ। সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ বিৰুদ্ধে আগৰে পৰা গুৰিলৈ জনগণৰ সংগী কমিউনিষ্ট পাৰ্টিয়ে—জাপ আক্ৰমণ প্ৰতিৰোধ যুদ্ধৰ বৰ্তমান আমোলত





কুওমিংটাং আৰু দেশীয় সামন্তবাদী শক্তি সমূহৰ প্ৰতি অলপ নৰমনীতি গ্ৰহণ কৰিছে, কাৰণ কুওমিংটাঙে জাপানক পথৰোধ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে। এনেবোৰ অৱস্থাই যি দৰে এটা সময়ত দুয়োটা দলৰ ভিতৰত মিত্ৰতাৰ সৃষ্টি কৰিছে আৰু আন সময়ত দুয়োৰো মাজত সংগ্ৰাম ঘটাইছে। আনকি মিত্ৰতাৰ সময়ছোৱাৰ মাজতো একে সময়তে মিত্ৰতা আৰু শত্ৰুতা চলি থকা জটুৱা অৱস্থা আছিল। আমি দ্বন্দ্বৰ দুয়োটা পিনৰ বিশেষ কথাবোৰ অনুশীলন নকৰিলে অকল যে প্ৰত্যেকটো পাৰ্টিৰ লগত আনশক্তি সমূহৰ সম্বন্ধ বুজাত বিফলেই হম তেনে নহয়, দুয়োটা দলৰ মাজৰ সম্পৰ্ককো বুজিব নোৱাৰিম।

## ৪। প্ৰধান দ্বন্দ্ব আৰু কোনো দ্বন্দ্বৰ প্ৰধান দিশ

বস্তুৰ বিশেষতাৰ প্ৰশ্নত আৰু দুটা কথা আছে, সেয়া হ'ল প্ৰধান দ্বন্দ্ব আৰু কোনো দ্বন্দ্বৰ প্ৰধান দিক ; ইয়াক বিশেষভাবে বিশ্লেষণ কৰিব লাগে।

একোটা জটিল বিষয় বা বস্তুৰ বিকাশৰ প্ৰক্ৰিয়াত বহুতো দ্বন্দ্ব থাকে ; এইবোৰৰ মাজত স্বাভাবিকতে এটা প্ৰধান দ্বন্দ্ব থাকে, যাৰ অস্তিত্ব আৰু বৃদ্ধিৰ ফলত আন আন দ্বন্দ্বৰ অস্তিত্ব আৰু বৃদ্ধি নিৰ্দ্ধাৰিত বা প্ৰভাবিত হয়।

উদাহৰণ স্বৰূপে পুঁজিবাদী সমাজত দুটা পৰস্পৰ বিৰোধী শক্তিঃ— সৰ্বহাৰা শ্ৰমিকশ্ৰেণী আৰু বুৰ্জোৱাশ্ৰেণী ; হল প্ৰধান দ্বন্দ্ব। এই প্ৰধান দ্বন্দ্বই আন আন দ্বন্দ্ববোৰক নিৰ্দ্ধাৰিত আৰু প্ৰভাবিত কৰে, আন আন দ্বন্দ্ববোৰ হ'ল যথা—সামন্তশ্ৰেণীৰ অৱশেষাংশ আৰু বুৰ্জোৱাশ্ৰেণীৰ দ্বন্দ্ব, কৃষক পেটিবুৰ্জোৱা আৰু বুৰ্জোৱাৰ দ্বন্দ্ব, লিবাৰেল বুৰ্জোৱা আৰু একচেটিয়া বুৰ্জোৱাৰ দ্বন্দ্ব, বুৰ্জোৱা গণতন্ত্ৰ আৰু বুৰ্জোৱা ফেচীবাদৰ দ্বন্দ্ব, পুঁজিবাদী দেশবোৰৰ নিজৰ ভিতৰতে দ্বন্দ্ব, সাম্ৰাজ্যবাদ আৰু উপনিবেশবোৰৰ দ্বন্দ্ব।

চীনদেশৰ লেখীয়া এখন আধা-ঔপনিবেশিক দেশত প্ৰধান দ্বন্দ্ব আৰু অপ্ৰধান দ্বন্দ্বৰ মাজৰ সম্পৰ্কই এটা জটিল প্ৰশ্ন হৈ উঠে।

যেতিয়া সাম্ৰাজ্যবাদে এনে এখন দেশক গ্ৰাস কৰিবলৈ যুদ্ধ চলায়, তেতিয়া কিছুমান বিশ্বাসঘাতকৰ বাহিৰে, দেশৰ সকলো ভিন ভিন শ্ৰেণীয়ে, জাতীয়-যুদ্ধত, সাম্ৰাজ্যবাদৰ বিৰুদ্ধে অস্থায়ীভাবে লগ লাগিব পাৰে। এনে এটা সময়ত সাম্ৰাজ্যবাদ আৰু সেই দেশখনৰ মাজৰ দ্বন্দটোৱেই প্ৰধান হৈ উঠে,



OKDISCD

আনহাতে দেশৰ আভ্যন্তৰৰ বিভিন্ন শ্ৰেণীৰ মাজত থকা দ্বন্দবোৰ, যাৰ ভিতৰত সামন্তবাদ আৰু জনগণৰ মাজৰ প্ৰধান দ্বন্দও আছে, সেই সময়খিনিত ই গৌণ দ্বন্দ বা অধীনস্থ দ্বন্দ্ব হৈ পৰে। চীন দেশত ১৮৪০ চনৰ আফিংযুদ্ধৰ সময়ত বা ১৯০০ চনৰ বুয়োৰ যুদ্ধৰ সময়ত এনে ঘটনা ঘটিছিল। তেনেদৰে বৰ্ত্তমানৰ চীন-জাপান যুদ্ধৰ সময়ত ঘটিছে।

যুদ্ধৰ সলনি অপেক্ষাকৃতভাবে কম কঠোৰ পদ্ধতিৰে অৰ্থাৎ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক উপায়েৰে যেতিয়া আধা ঔপনিবেশিক দেশবোৰৰ ওপৰত সাম্ৰাজ্যবাদে পীড়ণ চলায় তেতিয়া এনে দেশবোৰৰ শাসক শ্ৰেণীবোৰে সাম্ৰাজ্যবাদৰ ওচৰত আত্মসমৰ্পন কৰে আৰু উভয়ে যুটীয়া ভাবে জনগণক পীড়ণ কৰাৰ উদ্দেশ্যত উভয়ৰে মাজত মিত্ৰতা হয়। তেতিয়া সাম্ৰাজ্যবাদ আৰু সামন্ত শ্ৰেণীৰ মৈত্ৰীৰ বিৰোধিতাৰ বাবে জনগণে প্ৰায়েই গৃহযুদ্ধৰ আশ্ৰয় গ্ৰহণ কৰে; আৰু সাম্ৰাজ্যবাদে প্ৰায়েই প্ৰত্যক্ষ আক্ৰমণৰ সলনি, জনগণক পীড়ণ কৰা কাৰ্য্যত এনে দেশবোৰৰ প্ৰতিক্ৰিয়াশীল সকলক পৰোক্ষ উপায়েৰে সহায় কৰে। এনেকৈয়ে আভ্যন্তৰীণ দ্বন্দ্ব আৰু বহু বেচিকৈ তীব্ৰ হৈ উঠে। এনে ঘটনা ঘটিছিল চীনদেশত ১৯১১ চনৰ বৈপ্লবিক যুদ্ধত, ১৯২৪-২৭ চনৰ বৈপ্লবিক যুদ্ধত, ১৯২৭ চনৰ পৰা দহবছৰ জোৰা কৃষি বৈপ্লবিক যুদ্ধত। আধা ঔপনিবেশিক দেশবোৰৰ প্ৰতিক্ৰিয়াশীল শাসক গোষ্ঠীবোৰৰ নিজৰ মাজৰ যিবোৰ আভ্যন্তৰীণ যুদ্ধ চলে, যিদৰে চীনদেশত যুদ্ধবাজ জমিদাৰবোৰৰ মাজত চলিছিল, তাতো এই কথাই খাটে।

বৈপ্লবিক গৃহযুদ্ধৰ বিকাশৰ সময়ত বিদেশী সাম্ৰাজ্যবাদীসকলে আৰু সিহঁতৰ দালাল দেশীয় প্ৰতিক্ৰিয়াশীল সকলে যেতিয়া নিজৰ অস্তিত্ব বিপন্ন হোৱা বুলি বুজিব পাৰে তেতিয়া সাম্ৰাজ্যবাদী সকলে নিজৰ শাসন বাহাল ৰখাৰ বাবে আন আন উপায় লয়। হয়, সিহঁতে বৈপ্লবিক ফ্ৰন্টৰ ভিতৰতে বিভেদ সৃষ্টি কৰোৱাৰ চেষ্টা কৰে নাইবা দেশীয় প্ৰতিক্ৰিয়াশীল সকলৰ সাহায্যৰ বাবে-পোনে পোনে সশস্ত্ৰ বাহিনী পঠিয়ায়। যেতিয়া এনে ঘটনা ঘটে তেতিয়া বিদেশী সাম্ৰাজ্যবাদী সকলে আৰু দেশীয় প্ৰতিক্ৰিয়াশীল সকলে কোনো লুকঢাক নকৰি দেখ্‌দেখকৈ আৰু মুখামুখিকৈ ব্যাপক জনগণৰ বিৰুদ্ধে থিয় দিয়ে। এনে ভাবে প্ৰধান দ্বন্দ্বৰ সৃষ্টি কৰে, যাৰ দ্বাৰা আন আন দ্বন্দ্বৰ বিকাশক নিৰ্ধাৰিত আৰু





প্ৰভাবিত কৰে। অক্টোবৰ বিপ্লবৰ পিচত বিভিন্ন পুঁজিবাদী দেশে ৰাচিয়াৰ প্ৰতিক্ৰিয়াশীল সকলক যে সাহায্য দিছিল সি হ'ল সশস্ত্ৰ হস্তক্ষেপৰ দৃষ্টান্ত। ১৯২৭ চনত চিয়াংকাইসেকৰ বিশ্বাসঘাটকতা হ'ল বৈপ্লবিক ফ্ৰণ্টত বিভেদ ঘটোৱাৰ এটা দৃষ্টান্ত।

কিন্তু যিয়েই নঘটক কিয়, বিকাশৰ প্ৰক্ৰিয়াৰ প্ৰতি স্তৰত এটা মাথোন প্ৰধান দ্বন্দ্ব থাকে, এই বিষয়ে সন্দেহ নাই আৰু ইয়াৰ ভূমিকা হয় প্ৰধান।

গতিকে দেখা গৈছে, যে কোনো এটা প্ৰক্ৰিয়াত অনেকবোৰ দ্বন্দ্ব থাকে আৰু তাৰ মাজৰ এটা দ্বন্দ্বই মাথোন প্ৰধান দ্বন্দ্ব, যিটোৱে প্ৰধান আৰু চূড়ান্ত ভূমিকা গ্ৰহণ কৰে আৰু অন্যবোৰৰ ভূমিকা হৈ পৰে গৌণ আৰু অধীনস্থ। সেয়ে দুটি বা ততোধিক দ্বন্দ্ব আছে এনে কোনো জটিল প্ৰক্ৰিয়া অনুধাবন কৰিবলৈ হলে, সকলো শক্তি প্ৰয়োগ কৰি প্ৰধান দ্বন্দ্বটোক আবিষ্কাৰ কৰিবলৈ চেষ্টা কৰিব লাগিব। এবাৰ ইয়াক আবিষ্কাৰ কৰিব পাৰিলে—লগে লগে আন সকলো প্ৰশ্নৰ মীমাংসা হৈ যাব। পুঁজিবাদী সমাজ বিচাৰত মাৰ্কসে এই পদ্ধতি গ্ৰহণ কৰিছিল। সাম্ৰাজ্যবাদ আৰু পুঁজিবাদৰ সাধাৰণ সংকটৰ, আৰু চোভিয়েট অৰ্থনীতিৰ অনুশীলনত লেনিন আৰু ষ্টালিনে এই পদ্ধতিৰ প্ৰয়োগৰ দৃষ্টান্ত আমাৰ সম্মুখত ৰাখিছে। আনপিনে হেজাৰ হেজাৰ পণ্ডিত ব্যক্তিয়ে আৰু বাস্তৱ ক্ষেত্ৰৰ কৰ্মীয়ে এই পদ্ধতিটো বুজিব নোৱাৰে; ফলত হেজাৰ খুটি-নাটিৰ অৰণ্যত পথ হেৰুৱাই তেওঁলোকে নোৱাৰে সমস্যাৰ মৰ্ম্মটোক আবিষ্কাৰ কৰিব, নোৱাৰে দ্বন্দ্ববোৰৰ সমাধান বাহিৰ কৰিবলৈকে।

আগতেই কৈছো যে কোনো এটা প্ৰক্ৰিয়াত সকলো দ্বন্দ্বকেই আমি সমভাবে লব নোৱাৰো; প্ৰধান দ্বন্দ্ব আৰু গৌণদ্বন্দ্বৰ মাজত পাৰ্থক্য কৰিবই লাগিব; আৰু প্ৰধানটোক ধৰিবলৈ বিশেষ মনোযোগ দিবই লাগিব। এতিয়া প্ৰধান বা গৌণ কোনো এটা নিৰ্দিষ্ট দ্বন্দ্বৰ ক্ষেত্ৰত তাৰ দুয়োটা দ্বন্দ্বময় দিশকেই জানো আমি সমান বুলি ধৰি লব পাৰোহঁক? নোৱাৰো। কোনো দ্বন্দ্বৰে দ্বন্দ্বময়-দিশবোৰৰ বিকাশ সমান ভাবে নহয়। কেতিয়াবা কেতিয়াবা এইবোৰৰ মাজত ভাৰসাম্য হয়টো দেখা যায়, কিন্তু সি হ'ল সাময়িক আৰু আপেক্ষিক মাত্ৰ, অসমতাই হ'ল মৌলিক।

দুটা দ্বন্দ্বময় দিশৰ এটা হ'ল প্ৰধান, আনটো গৌণ। ই হবই লাগিব।



OKDISCD

দ্বন্দ্বৰ মাজৰ যিটোৱে প্ৰধান ভূমিকা পালন কৰে সি হ'ল দ্বন্দ্বৰ প্ৰধান দিশ। প্ৰবল হৈ উঠা দ্বন্দ্বৰ প্ৰধান দিশ, তাৰ দ্বাৰাই কোনো বস্তু বা বিষয়ৰ প্ৰকৃতি নিৰ্ধাৰিত হৈ থাকে।

কিন্তু এই পৰিস্থিতি কোনো ক্ৰমেই স্থানু নহয়; কোনো দ্বন্দ্বৰ প্ৰধান আৰু অপ্ৰধান দিশৰ এটাই আনটোত পৰিণত হয় আৰু কোনো কোনো বস্তু বা বিষয়ৰো সেই অনুযায়ী পৰিবৰ্তন হয়। কোনো এটা প্ৰক্ৰিয়াত কোনো এটা দ্বন্দ্বৰ বিকাশৰ এটা বিশেষ স্তৰৰ প্ৰধান দিশ **ক** আৰু অপ্ৰধান দিশ **খ**; কিন্তু আন কোনোবা স্তৰৰ বা আন কোনো প্ৰক্ৰিয়াত ইহঁতৰ এটাৰ ভূমিকা আনটোৰ হয়; কোনো বস্তু বা বিষয়ৰ বিকাশত দ্বন্দ্বৰ দুটা দিশৰ এটা দিশে আনটোৰ বিৰুদ্ধে যি শক্তিৰে যুদ্ধ কৰে তাৰ বৃদ্ধি বা হ্ৰাসৰ পৰিমাণৰ দ্বাৰাই এই পৰিবৰ্তন নিৰ্ধাৰিত হয়।

আমি প্ৰায়েই কওঁ যে "পুৰণিক আঁতৰাই তাৰ ঠাই নতুনে লয়।" ই এটা সাৰ্বজনীন আৰু অলঙ্ঘণীয় নিয়ম। এই প্ৰক্ৰিয়াত কোনো বস্তুৱে বা বিষয়ে বিভিন্ন প্ৰকাৰ উল্লম্ফনৰে ( through leaps of different forms ) তাৰ প্ৰকৃতি আৰু পাৰিপাৰ্শ্বিক অবস্থা অনুযায়ী আন কিহবাত পৰিবৰ্তিত হৈ যায়। বস্তু বা বিষয়ত নতুন আৰু পুৰণি দিশৰ মাজত দ্বন্দ্ব আছে, যাৰ পৰা এটাৰ পিচত আনটো জটিল যুদ্ধৰ উদ্ভৱ হয়। ফলত নতুন আৰু সৰু দিকটো বাঢ়ি উঠে, আৰু প্ৰবল হৈ উঠে। লগে লগে পুৰণি আৰু ডাঙৰ দিকটো হ্ৰাস পাই ক্ৰমে বিলুপ্তিৰ পিনে গৈ থাকে। যি মুহূৰ্ত্ততে নতুন দিকটো প্ৰবল হৈ উঠে সেই মুহূৰ্ত্ততেই পুৰণি বস্তু বা বিষয়টো গুণগত ভাৱে নতুন বস্তু বা বিষয়লৈ সলনি হয়। এনেদৰে বস্তু বা বিষয়ৰ প্ৰকৃতি প্ৰধানত নিৰ্ধাৰিত হয় দ্বন্দ্বৰ প্ৰবল হৈ উঠা প্ৰধান দিশটোৰ দ্বাৰা। দ্বন্দ্বৰ প্ৰবল হৈ উঠা প্ৰধান দিশটোৰ যেতিয়া পৰিবৰ্তন ঘটে তেতিয়া সেই অনুযায়ী বস্তু বা বিষয়ৰ প্ৰকৃতিৰো পৰিবৰ্তন ঘটে।

পুৰণি সামন্ত যুগত পুঁজিবাদ গৌণশক্তি আছিল। পুঁজিবাদী সমাজত এতিয়া পুঁজিবাদ প্ৰধান শক্তিত পৰিণত হৈছে আৰু সমাজ সামন্তবাদী প্ৰকৃতিৰ পৰা পুঁজিবাদী প্ৰকৃতিত পৰিণত হৈছে। ব্ৰিটেইন আৰু ফৰাচী দেশত সামন্তবাদী শক্তিবোৰ আগতে প্ৰবল আৰু প্ৰধান আছিল, পুঁজিবাদী সমাজৰ নতুন যুগত ই গৌণ হৈ পৰিছে আৰু ক্ৰমশ বিলুপ্তিৰ পিনে আগবাঢ়িছে।





উৎপাদনী শক্তিৰ পৰিবৰ্তনৰ লগে লগে বুৰ্জোৱা শ্ৰেণীটোৱে প্ৰগতিশীল ভূমিকা-যুক্ত নতুন শ্ৰেণীৰপৰা প্ৰতিক্ৰিয়াশীল ভূমিকাযুক্ত পুৰণি শ্ৰেণীলৈ সলনি হৈ যায় আৰু শেহলৈ শ্ৰমিকশ্ৰেণীৰ দ্বাৰা ক্ষমতাচ্যুত হৈ সিহঁতে ( বুৰ্জোৱা শ্ৰেণী ) সিহঁতৰ ব্যক্তিগত উৎপাদনৰ উপকৰণ আৰু ৰাষ্ট্ৰক্ষমতাৰ পৰা বঞ্চিত হৈ ক্ৰমে বিলুপ্তিৰ পিনে আগুৱাই যায়। বনুৱা বা শ্ৰমিক শ্ৰেণী সংখ্যাত বুৰ্জোৱা শ্ৰেণীতকৈ বহুগুণে অধিক, ই বুৰ্জোৱা শ্ৰেণীৰ লগে লগে থাকে কিন্তু বুৰ্জোৱা শ্ৰেণীৰ শাসনাধীনত থকা ই এটা নতুন শক্তি। এই শক্তি প্ৰথমতে বুৰ্জোৱা শ্ৰেণীৰ অধীন হৈ থাকে, কিন্তু ক্ৰমে ক্ৰমে শক্তিশালী হৈ গৈ ইয়ে এটা স্বাধীন শ্ৰেণীত পৰিণত হয় আৰু ইতিহাসত এটা অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। শেষলৈ ই ৰাজনৈতিক ক্ষমতা দখল কৰে আৰু শাসক শ্ৰেণী হৈ পৰে। তেতিয়া পুৰণি পুঁজিবাদী সমাজখন নতুন পুঁজিবাদী সমাজলৈ সলনি হয়। এই পথ চোভিয়েট ইউনিয়নে ইতিমধ্যেই অতিক্ৰম কৰি আহিছে আৰু আন আন দেশেও যে কৰিব তাত সন্দেহ নাই।

চীন দেশৰ কথাই ধৰা যাওক। যি দ্বন্দ্বৰ ফলত চীন দেশখন আধা-উপনিবেশ, সেই দ্বন্দ্বত সাম্ৰাজ্যবাদে প্ৰধান ঠাই দখল কৰি আছে, চীনা-জনগণক পীড়ন কৰি চলিছে, আৰু চীন দেশ স্বাধীন দেশৰপৰা আধা উপনিবেশত পৰিণত হৈ গৈছে। কিন্তু অনিবাৰ্য্যভাৱেই এনে অৱস্থাৰ পৰিবৰ্তন হব; শ্ৰমিকশ্ৰেণীৰ নেতৃত্বত আগবাঢ়ি যোৱা চীনা জনগণে—দুপক্ষৰ যুদ্ধত অনিবাৰ্য্যভাৱেই চীন দেশক আধা উপনিৱেশৰপৰা স্বাধীনদেশত পৰিণত কৰিব; আৰু সাম্ৰাজ্যবাদৰ উচ্ছেদ হব। পুৰনি চীনদেশ অনিবাৰ্য্যভাৱেই নতুন চীনত পৰিণত হব।

পুৰণিৰ পৰা নতুনলৈ চীন দেশৰ হোৱা পৰিবৰ্তনে পুৰণি সামন্তবাদী শক্তি আৰু নতুন জনগণৰ শক্তিৰ মাজৰ অৱস্থাৰো পৰিবৰ্তন ঘটাব। পুৰণি সামন্তবাদী জমিদাৰ শ্ৰেণী উচ্ছেদ হব, শাসক হৈ থকাৰ সলনি সিহঁতে শাসিত শ্ৰেণীত পৰিণত হব—আৰু ক্ৰমে বিলুপ্তিৰ পিনে যাব। লগে লগে চীনা সমাজৰ প্ৰকৃতিৰো সলনি হব—ঃ পুৰণি, আধা ঔপনিবেশিক, আধা সামন্তবাদী সমাজখন এখন নতুন গণতান্ত্ৰিক সমাজলৈ পৰিবৰ্তিত হব।

অতীতত এনে ধৰণৰ ভূমিকা সলনি হোৱাৰ বহুতো দৃষ্টান্ত আছে। প্ৰায় তিনিশ বছৰ জোৱা কাল মাঞ্চুবংশই চীন দেশ শাসন কৰিছিল, **১৯১১ চনৰ**



OKDISCD

লয়। এই কথা কোৱাটো জানো বস্তুবাদৰ বিৰোধিতা কৰা? নহয়। তাৰ কাৰণ এয়ে যে, যদিও সামগ্ৰিক ভাবে ইতিহাসৰ বিকাশত বৈষয়িক বস্তুই চিন্তাৰ আৰু সামাজিক অস্তিত্ব নিৰ্ধাৰণ কৰে আৰু সামাজিক চেতনা নিৰ্ধাৰণ কৰে, তথাপিও আমি বস্তু সম্বন্ধে চিন্তাৰ প্ৰতিক্ৰিয়া অৰ্থাৎ সামাজিক অস্তিত্বৰ ওপৰত সামাজিক চেতনাৰ প্ৰতিক্ৰিয়াক স্বীকাৰ কৰো আৰু নিশ্চয়েই কৰিমহক।

( The reason is that while we recognise that in the general development of history the material determines the mental and social being determine social consciousness, we also—and indeed must recognise the reaction of mental on material things, of social consciousness on social being and of the superstructure on the economic base. )

ইয়াৰ দ্বাৰা বস্তুবাদৰ বিৰোধিতা কৰাটো দূৰৈত থাকক, বৰঞ্চ যান্ত্ৰিক বস্তুবাদৰ প্ৰভাব এৰাই দ্বন্দ্বমূলক বস্তুবাদকেই দৃঢ় ভাবে গ্ৰহণ কৰা হয়।

দ্বন্দ্বৰ বিশেষত্ব অধ্যয়নৰ সময়ত আমি যদি এপিনে প্ৰধান দ্বন্দ্ব আৰু অপ্ৰধান দ্বন্দ্বৰ অৱস্থা আৰু আনপিনে দ্বন্দ্বৰ প্ৰধান আৰু অপ্ৰধান দিশবোৰৰ অধ্যয়নত আওহেলা কৰো অৰ্থাৎ এই দুই প্ৰকাৰৰ স্বতন্ত্ৰ চৰিত্ৰক অধ্যয়ন নকৰো, তেতিয়া হলে আমি বিমূৰ্ত্ততাৰ মাজত বুৰ যাম আৰু দ্বন্দ্ববোৰৰ তাৎপৰ্য্য নিৰ্দ্দিষ্ট ভাবে বুজিবকে নোৱাৰিম, ফলত এই দ্বন্দ্ববোৰৰ নিৰ্ভুল সমাধানো উলিয়াব নোৱাৰিম। এই দুই প্ৰকাৰৰ অৱস্থাৰ স্বতন্ত্ৰমূলক চৰিত্ৰ বা বিশেষত্ব হ'ল বিৰুদ্ধ শক্তিবোৰৰ অসমতাৰ পৰিচায়ক। জগতত একোৱেই সমানভাবে বিকাশ লাভ নকৰে; সমবিকাশৰ তত্ত্বৰ বা ভাৰসাম্যৰ তত্ত্বৰ বিৰুদ্ধে আমি থিয় দিবই লাগিব। লগে লগে, কোনো দ্বন্দ্বৰ নিৰ্দ্দিষ্ট তাৎপৰ্য্য আৰু বিকাশৰ প্ৰক্ৰিয়াত তাৰ প্ৰধান আৰু অপ্ৰধান দিশবোৰৰ পৰিবৰ্ত্তনৰ ফলতেই যে পুৰণিক আঁতৰাই নতুন আহে তাৰ শক্তিয়েই নিখুঁত প্ৰমাণ। প্ৰতিজন কমিউনিষ্টে মনত ৰাখিব লাগিব যে দ্বন্দ্বৰ অসমতাৰ ভিন ভিন ধৰণবোৰৰ অধ্যয়ন, প্ৰধান আৰু অপ্ৰধান দ্বন্দ্ববোৰৰ অধ্যয়ন, দ্বন্দ্বৰ প্ৰধান আৰু অপ্ৰধান দিশবোৰৰ অধ্যয়ন হ'ল এনে এটি গুৰুত্বপূৰ্ণ পদ্ধতি যাৰ সহায়ত বিপ্লবী ৰাজনৈতিক পাৰ্টিয়ে





ৰাজনৈতিক আৰু সামৰিক কথাত, তাৰ ৰণ-নীতিগত আৰু ৰণ-কৌশলগত নিৰ্দ্দেশবোৰ নিৰ্ভুলভাবে নিৰ্ধাৰণ কৰিব পাৰে।

### ৫। দ্বন্দ্বৰ ভিন ভিন দিশৰ অভেদত্ব আৰু সংঘৰ্ষ

দ্বন্দ্বৰ সাৰ্বিকতা আৰু বিশেষত্ব বুজাৰ পিচত এইবাৰ আমি দ্বন্দ্বৰ দিশবোৰৰ অভেদত্ব ( identity ) আৰু সংগ্ৰাম ( struggle ) সম্পৰ্কে আলোচনা কৰিমহক। অভেদত্ব, ঐক্য, সমাপতন ( coincidence ), পাৰস্পৰিক আন্তঃপ্ৰবেশ ( inter penetration ), পাৰস্পৰিক নিৰ্ভৰতা, পাৰস্পৰিক সংযোগ বা সহযোগিতা এই সকলোবোৰ কথাই একেটা বস্তুকে (thing) বুজায়, দুটি চৰ্তৰ কথাকে আঙুলিয়ায়। এই দুটি হ'ল ঃ প্ৰথমত—বিকাশৰ প্ৰক্ৰিয়াত কোনো দ্বন্দ্বৰ দুটা দিশৰ প্ৰত্যেকটোৰ নিজৰ অস্তিত্বৰ পূৰ্বচৰ্ত হিচাবে এটাক আনটোৰ প্ৰয়োজন, আৰু দুয়োটা দিশেই এটা বস্তুতেই সহঅৱস্থান কৰে। দ্বিতীয়ত, নিৰ্দ্দিষ্ট অৱস্থা অনুযায়ী দ্বন্দ্বমান দুটি দিশৰ এটিয়ে আনটোলৈ ৰূপান্তৰিত হব বিচাৰে। অভেদত্বৰ অৰ্থ হ'ল এয়েই।

লেনিনে কৈছিল—

“দ্বন্দ্ববাদ হ'ল সেই তত্ত্ব, যিয়ে দেখুৱাই দিয়ে—কিদৰে বিপৰীতবোৰ অভিন্ন হব পাৰে আৰু অভিন্ন হয় ( কিদৰে অভিন্ন হৈ উঠে ), কি কি অৱস্থা বিদ্যমান থাকিলে সিবোৰে পৰস্পৰ ৰূপান্তৰিত হয়, কিয় মানুহৰ মনে এই বিপৰীত-বোৰক মৃত আৰু জনড় বুলি নাভাবে, জীৱন্ত আৰু চলমান, বা পাৰিপাৰ্শ্বিক অৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰস্পৰে ৰূপান্তৰিত হয় বুলি ভাবে?” লেনিনৰ এই উদ্ধৃতিৰ অৰ্থ কি?

প্ৰতিটো প্ৰক্ৰিয়াত—দ্বন্দমান দিশবোৰৰ এটাৰ মাজত আনটোৰ ঠাই নাই, ইটোৱে সিটোৰ লগত সংগ্ৰাম কৰে আৰু ইটো সিটোৰ পৰস্পৰ বিৰোধী। জগতত আৰু মানুহৰ চিন্তাত সকলোৱে বিকাশৰ মাজত এই দ্বন্দ্বময় দিশবোৰ বিদ্যমান থাকে, ইয়াৰ ব্যতিক্ৰম নাই। এটা সৰল প্ৰক্ৰিয়াত কেবলমাত্ৰ এযোৰ বিপৰীত থাকে, জটিল প্ৰক্ৰিয়াত থাকে তাতো কৈ বেচি। বিপৰীতৰ ভিন্ ভিন্ যোৰে (pair of opposites) পৰ্য্যায়ক্ৰমে পৰস্পৰৰ বিৰোধিতা কৰে। এনেদৰে বহিৰ্বাস্তৱ জগতৰ সকলো বস্তু আৰু মানুহৰ চিন্তা গঠিত আৰু চালিত হয়।



OKDISCD

গতিকে দেখা যায় যে অভেদ বা ঐক্য একেবাৰেই নাই। তেনেহলে কিদৰে আমি অভেদ বা ঐক্যৰ কথা কমহ'ক ?

ঘটনা হ'ল এয়ে যে—কোনো দ্বন্দ্বমান দিশ অকলে থাকিব নোৱাৰে। কোনো এটা দিশৰ বিপৰীত নথকাৰ অৰ্থ হল তাৰ অস্তিত্বৰ উপযোগী অৱস্থা নথকা। এবাৰ ভাবি চাওকচোন বস্তু বা ধাৰণাৰ মাজত দ্বন্দ্বৰ এটা দিশে আনটোক বাদ দি থাকিব পাৰে নে ? প্ৰাণ নেথাকিলে মৃত্যুও নাথাকিলহেতেন বা মৃত্যু নাথাকিলে প্ৰাণো নাথাকিলহেতেন। উৰ্দ্ধ নাথাকিলে অধঃ নাথাকিলহেতেন আকৌ অধঃ নাথাকিলে উৰ্দ্ধ নাথাকিলহেতেন। দুৰ্ভাগ্য নোহোৱাকৈ সৌভাগ্য থাকিব নোৱাৰে আৰু সৌভাগ্য নাথাকিলে দুৰ্ভাগ্যও থাকিব নোৱাৰে। সুবিধা বাদ দি অসুবিধা নাথাকে, আকৌ অসুবিধা বাদ দি সুবিধা থাকিব নোৱাৰে। জমিদাৰ নেথাকিলে প্ৰজা-কৃষক নাথাকিলহেতেন আকৌ প্ৰজা-কৃষক নথকাকৈ জমিদাৰ থাকিব নোৱাৰে। বুৰ্জোৱা বাদ দি শ্ৰমিক শ্ৰেণী নাথাকে আকৌ সৰ্বহাৰা শ্ৰমিক শ্ৰেণী নোহোৱাকৈ বুৰ্জোৱা থাকিব নোৱাৰে। বিভিন্ন জাতি—উপজাতিৰ ওপৰত সাম্ৰাজ্যবাদী পীড়ন নাথাকিলে উপনিবেশ বা আধা উপনিবেশ নাথাকিলেহেতেন আকৌ উপনিবেশ বা আধা উপনিবেশ নাথাকিলে সাম্ৰাজ্যবাদী পীড়নো থাকিব নোৱাৰে।

সকলোবোৰ বিপৰীতেই এনেধৰণৰ :—কোনো কোনো অৱস্থাত সিহঁত এপিনে পৰস্পৰৰ বিৰোধী, আকৌ আনপিনে পৰস্পৰৰ লগত আন্তঃসংযুক্ত, পৰস্পৰ আন্তঃপ্ৰবিষ্ট আৰু পৰস্পৰ নিৰ্ভৰশীল ; অভেদ বুলিলে আমি ইয়াকে বুজাবলৈ বিচাৰো। বিশেষ অবস্থাত দ্বন্দ্বময় দিশবোৰত অভেদৰ অভাব, সেয়ে সেইবোৰক দ্বন্দ্বময় বুলি কোৱা হয়। কিন্তু সিবোৰৰ অভেদো থাকে, সেয়ে সিবোৰে পৰস্পৰৰ সতে আন্তৰ্যুক্ত। লেনিনে কৈছিল—'বিপৰীতবোৰ কেনেদৰে·········অভিন্ন হবলৈ পাৰে ; দ্বন্দ্ববাদ হ'ল তাৰেই অনুশীলন' ; এই কথাৰে তেও এই কথাকেই বুজাবলৈ বিচাৰিছিল। কিদৰে সেইবোৰ অভিন্ন হ'ব পাৰে ? প্ৰতিটোৱে আনটোৰ অস্তিত্বৰ চৰ্ত হয় কাৰণে। এয়ে হ'ল অভেদৰ প্ৰথম অৰ্থ।

কিন্তু—এইখিনি কলেই যথেষ্ট হব নে—যে বিৰোধমূলক দিশবোৰৰ (contradictory aspects) এটাৰ অস্তিত্ব আনটোৰ অস্তিত্বৰ ওপৰত নিৰ্ভৰশীল, অৰ্থাৎ





অভেদৰ বাবে সিবোৰে একেটা বস্তুতে সহঅৱস্থান নকৰে ? পাৰস্পৰিক নিৰ্ভৰশীলতাতে কথাটোৰ শেষ নহয়। তাতোকৈ গুৰুত্বপূৰ্ণ হ'ল সিবোৰৰ পৰস্পৰৰ ৰূপান্তৰ। অৰ্থাৎ কোনো বস্তুৰ ভিতৰৰ বিপৰীত দিশবোৰে বিশেষ অৱস্থাত—পৰস্পৰে পৰস্পৰলৈ ৰূপান্তৰিত হবলৈ বিচাৰে, প্ৰতিটো দিশে তাৰে বিপৰীত দিশটোৰ অৱস্থা গ্ৰহণ কৰিব বিচাৰে। এয়া হ'ল দ্বন্দ্বৰ অভেদৰ দ্বিতীয় অৰ্থ।

অভেদ থাকে কিয় ? আপোনালোকে জানে যে শাসিত সৰ্বহাৰা শ্ৰমিক শ্ৰেণীয়ে বিপ্লবৰ সহায়ত শাসকশ্ৰেণীলৈ ৰূপান্তৰিত হয় আৰু এসময়ত যি সকল শাসক বুৰ্জোৱা শ্ৰেণী আছিল, তেওঁলোক শাসিতত পৰিণত হয়। এই ভাবে সিবোৰে পৰস্পৰৰ লগত স্থান পৰিবৰ্তন কৰে। চোভিয়েটে ইউনিয়নত ইতিমধ্যেই এই ঘটনা ঘটি গৈছে আৰু ভবিষ্যতেও গোটেই পৃথিৱীতে এয়ে ঘটিব। যদি বিশেষ অৱস্থাত বিপৰীতবোৰৰ পাৰস্পৰিক আন্তঃসংযোগ আৰু অভেদ নঘটেই, তেনেহলে কওকচোন, কিদৰে এই পৰিবৰ্তন ঘটিব পাৰিছিল ?

যি কুওমিংটাঙে বৰ্তমানে চীনদেশৰ ইতিহাসৰ এটা বিশেষ স্তৰত বিশেষ ইতিবাচক ভূমিকা পালন কৰিছিল, নিজৰ অন্তৰ্নিহিত শ্ৰেণী চৰিত্ৰ আৰু সাম্ৰাজ্যবাদৰ প্ৰলোভনৰ (এইবোৰ চৰ্ত হোৱাৰ) ফলত সিয়ে ১৯২৭ চনৰ পিচত এটা প্ৰতিবিপ্লবী পাৰ্টি হৈ পৰে। কিন্তু চীন আৰু জাপানৰ দ্বন্দ্ব তীব্ৰতৰ হোৱাত আৰু কমিউনিষ্ট পাৰ্টিয়ে যুক্তফ্ৰন্টৰ নীতি গ্ৰহণ কৰাত (এইবোৰ চৰ্ত) সি বাধ্য হৈ জাপানক বাধা দিবলৈ ৰাজী হয়। দ্বন্দ্ববাদী বস্তু বা বিষয় এটাই আনটোলৈ পৰিবৰ্তিত হয়। আৰু ইয়াতে এটা বিশেষ অভেদৰ দৃষ্টান্ত আছে।

আমি কাৰ্য্যকৰী কৰা কৃষি বিপ্লৱত ইতিমধ্যেই এনে এটা প্ৰক্ৰিয়া হৈছে বা হব, য'ত মাটিৰ মালিক জমিদাৰ শ্ৰেণীটো ভূমি বঞ্চিত শ্ৰেণীত পৰিণত হৈছে বা হ'ব। আনহাতে কৃষকে, যি সকলে ভূমিৰ পৰা বঞ্চিত আছিল তেওঁলোক অল্প পৰিমাণৰ মাটিৰ গৰাকী হব বা হৈছে। এই প্ৰক্ৰিয়া আকৌ এবাৰ চলিব। বিত্তবান আৰু বিত্তহীন, লাভ আৰু ক্ষতি আদিয়ে বিশেষ অৱস্থাৰ কাৰণে পৰস্পৰৰ সতে আন্তঃসংযুক্ত হয় ; ইয়াতেই দুয়োটা দিশৰ অভিন্নতা। সমাজতন্ত্ৰত কৃষকসকলৰ ব্যক্তিগত মালিকানাই সমাজতান্ত্ৰিক কৃষিৰ যৌথ মালিকানাত পৰিণত হব ; এই কথা চোভিয়েট ইউনিয়নত ইতিমধ্যেই



OKDISCD

ঘটি গৈছে আৰু সমগ্ৰ পৃথিৱীতেই ঘটিব। ব্যক্তিগত সম্পত্তি আৰু ৰাজহুৱা সম্পত্তিৰ মাজত এনে এটা সেতুপথ আছে যাৰ দ্বাৰা এটাৰ পৰা আনটোলৈ ৰূপান্তৰিত হয়। দৰ্শন শাস্ত্ৰত ইয়াকেই কয় অভেদ বা পাৰস্পৰিক ৰূপান্তৰণ বা পাৰস্পৰিক আন্তঃপ্ৰবেশ।

সৰ্বহাৰা শ্ৰমিকশ্ৰেণীৰ একনায়কত্ব বা জনগণৰ একনায়কত্বক সংহত কৰাৰ অৰ্থই হ'ল যে—এই একনায়কত্বক বিলুপ্ত কৰাৰ বাবে উপযুক্ত, আৰু য'ত কোনো ৰাষ্ট্ৰীয় সংস্থা নাথাকিব—এনে ধৰণৰ উন্নত স্তৰলৈ আগবাঢ়ি যোৱাৰ বাবে উপযোগী অৱস্থা প্ৰস্তুত কৰা। কমিউনিষ্ট পাৰ্টিৰ প্ৰতিষ্ঠা আৰু বিকাশ সাধনৰ উদ্দেশ্যই হ'ল কমিউনিষ্ট পাৰ্টি আৰু সমগ্ৰ পাৰ্টি ব্যৱস্থাই যাতে উঠি যাব পাৰে তেনেধৰণৰ অৱস্থা প্ৰস্তুত কৰাটো। কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বাধীন বিপ্লৱীফৌজ গঠন কৰা আৰু বিপ্লৱী যুদ্ধ চলোৱাৰ উদ্দেশ্যই হ'ল চিৰকাললৈ সকলো যুদ্ধ বিলুপ্ত কৰাৰ উপযুক্ত অৱস্থাৰ সৃষ্টি কৰা। এই দ্বন্দ্বমান বস্তুবোৰ কিন্তু একেসময়তে পৰস্পৰৰ পৰিপূৰক। সকলোৱেই জানে যে যুদ্ধ আৰু শান্তি এটাই আনটোত পৰিণত হয়। যুদ্ধ ৰূপান্তৰিত হয় শান্তিলৈ; যিদৰে প্ৰথম বিশ্বযুদ্ধ ৰূপান্তৰিত হৈছিল যুদ্ধোত্তৰ শান্তিলৈ, চীনদেশৰ গৃহযুদ্ধৰ ঠাইত এতিয়া আহিছে আভ্যন্তৰীণ শান্তি। শান্তিও যুদ্ধলৈ ৰূপান্তৰিত হয়; যিদৰে ১৯২৭ চনৰ কুওমিংটাং কমিউনিষ্ট সহযোগিতা যুদ্ধলৈ ৰূপান্তৰিত হৈছিল, আৰু আজিৰ বিশ্বশান্তিৰ অৱস্থাও ২য় বিশ্বযুদ্ধত পৰিণত হব পাৰে। কিয় এনেকুৱা হয়? কাৰণ শ্ৰেণীবিভক্ত সমাজত যুদ্ধ আৰু শান্তিৰ দৰে দ্বন্দ্বময় কথাবোৰত, কোনো কোনো অৱস্থাত অভেদ থাকে। দ্বন্দ্বময় সকলো বস্তুই আন্তঃসংযুক্ত আৰু সিবোৰে একেটা বস্তুতে সহঅৱস্থান কৰিব পাৰে কেৱল মাথোন কেইটামান বিশেষ অৱস্থাত, কিন্তু বিশেষ বিশেষ অৱস্থাই নিজে এটাই আনটোক পৰস্পৰলৈ ৰূপান্তৰিত কৰিব পাৰে। এয়ে হ'ল দ্বন্দ্বৰ অভেদৰ পূৰ্ণ অৰ্থ।

"কিদৰে বিপৰীতবোৰ অভিন্ন হব পাৰে (কিদৰে হৈ উঠিছে)—কোন কোন অৱস্থাত সিহঁতে নিজকে পৰস্পৰে ৰূপান্তৰিত কৰি অভিন্ন হয়…"—এই আলোচনা কৰিবলৈ গৈ লেনিনে ঠিক এই কথাকে কব বিচাৰিছে।

"কিয় মানব মনে এই বিপৰীতবোৰক মৃত আৰু অনড় বস্তু বুলি নাভাবে, ভাবে যে ই জীৱন্ত আৰু চলমান বস্তু, যিয়ে পাৰিপাৰ্শ্বিক অৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত





আৰু যিয়ে পৰস্পৰলৈ ৰূপান্তৰিত হয়?" কাৰণ বহিৰ্বাস্তব বিষয় আৰু বস্তু হ'ল ঠিক এয়ে। বহিৰ্বাস্তব বিষয়ৰ বিপৰীতবোৰৰ ঐক্য বা অভেদ কেতিয়াও মৃত বা অনড় নহয়; ইবোৰ জীৱন্ত, চলমান, সাময়িক, আপেক্ষিক, পাৰিপাৰ্শ্বিক অৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত; মানব মনত প্ৰতিফলিত হৈ এয়েই মাৰ্কসবাদৰ বস্তুবাদী দ্বন্দ্ববাদী বিশ্বদৃষ্টি হৈ উঠে। মাথোন অতীতৰ আৰু বৰ্তমানৰ প্ৰতিক্ৰিয়াশীল শাসক শ্ৰেণীবোৰে আৰু সিহঁতৰ বহুতীয়া অধিবিদ্যক সকলে (metaphysicians) নাভাবে যে বিপৰীতবোৰ জীৱন্ত আৰু চলমান, পাৰিপাৰ্শ্বিক অৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰস্পৰলৈ ৰূপান্তৰিত হয়।

সিহঁতে ভাবে যে বিপৰীতবোৰ মৃত আৰু অনড় আৰু জনগণক ফাঁকি দিয়াৰ বাবে আৰু নিজক শাসনত বাহাল ৰখাৰ বাবে তেনে ভ্ৰান্ত মত প্ৰচাৰ কৰে। এই ভ্ৰান্ত, প্ৰতিক্ৰিয়াশীল অধিবিদ্যক ধাৰণাবোৰৰ স্বৰূপ উদ্ঘাটন কৰাটো, বস্তু বা বিষয়ৰ অন্তৰ্নিহিত দ্বান্দ্বিকতাক প্ৰচাৰ কৰাটো আৰু এনেদৰে বিপ্লৱৰ লক্ষ্য সাধন কৰা কমিউনিষ্ট সকলৰ কৰ্তব্য।

বিভিন্ন অৱস্থাত দ্বন্দবোৰ অভিন্ন হৈ পৰে এইযাৰ কথা কোৱাৰ লগতে আমি প্ৰকৃত আৰু নিৰ্দ্দিষ্ট দ্বন্দ্ববোৰৰ কথাকেই কৈছো। আৰু তাৰ লগতে দ্বন্দ্বময় দিশবোৰৰ পৰস্পৰে প্ৰকৃত আৰু নিৰ্দ্দিষ্ট ৰূপান্তৰৰ (real and concrete transformation) কথাকো কৈছো। ধৰ্মীয় শাস্ত্ৰৰ কাহিনীত এনে ধৰণৰ অলেখ ৰূপান্তৰৰ কাহিনী পোৱা যায়। যেনে 'পৰ্বত আৰু সমুদ্ৰৰ কাহিনী'ত 'ছুয়াই-নান-কে' গল্পত নটি সূৰ্য্যক ধেনুকাড় মাৰি নমোৱাৰ কথা আছে, "পশ্চিমলৈ তীৰ্থযাত্ৰাৰ' পুথিত সুন উ-কুঙৰ বাসত্তৰ ধৰণৰ ৰূপ সলোৱাৰ কথা আছে, 'লিয়াও চাইৰ অদ্ভুত গল্প' নামৰ পুথিত ভূত আৰু শিয়ালবোৰে মানুহৰ ৰূপ ধৰাৰ গল্প আছে। এনে ধৰণৰ পৌৰাণিক গল্পত বিপৰীতবোৰৰ পৰস্পৰৰ ৰূপান্তৰ প্ৰকৃত সঁচা দ্বন্দ্ববোৰৰ মাজত প্ৰকাশিত সঁচা ৰূপান্তৰণ নহয়, এইবোৰ একধৰণৰ শিশুসুলভ, কাল্পনিক, মনেগঢ়া ৰূপান্তৰ। অসংখ্য জটিল সঁচা প্ৰকৃত দ্বন্দ্বৰ পৰস্পৰৰ ৰূপান্তৰণ দেখি মানুহৰ মনত ই উদ্ভৱ হৈছিল।

মাৰ্কসে কৈছে "সকলোবোৰ পুৰাণৰ কাহিনীয়ে কল্পনাৰ মাধ্যমেৰে প্ৰকৃতিৰ শক্তিবোৰৰ ওপৰত প্ৰভুত্ব আৰু আধিপত্য কৰে আৰু সিবোৰক ৰূপায়িত কৰে; সেয়ে প্ৰকৃতিৰ শক্তিবোৰৰ ওপৰত মানুহৰ আধিপত্য প্ৰতিষ্ঠাৰ লগে লগে



OKDISCD

ই বিলুপ্ত হৈ যায়।" পুৰাণৰ কাহিনী বা লৰা ভোল নিউওৱা গল্পত অলেখ ৰূপান্তৰণৰ কাহিনী আছে, মানুহক সেইবোৰে আনন্দ দিয়ে এই কাৰণেই যে সিবোৰে প্ৰাকৃতিক শক্তিৰ ওপৰত মানুহৰ জয়লাভক কল্পনাৰে ৰূপ দিয়ে। তাৰ বাহিৰেও শ্ৰেষ্ঠ পৌৰাণিক কাহিনীবোৰৰ, মাৰ্কসৰ ভাষাৰে কবলৈ গলে, এটা "চিৰন্তন সৌন্দৰ্য্য আছে, যদিও পুৰাণকাহিনী প্ৰকৃত দ্বন্দ্ববোৰৰ নিৰ্দ্দিষ্ট অৱস্থাৰ ওপৰত প্ৰতিফলিত নহয়; অতএব বাস্তৱক সি বৈজ্ঞানিক ভাবে প্ৰতিফলিত নকৰে। যিয়ে সঁচা পৰিবৰ্ত্তনৰ মাজত অভেদক বৈজ্ঞানিক ভাবে প্ৰতিফলিত কৰে সিয়ে হ'ল মাৰ্কসবাদী দ্বন্দ্ববাদ।

এটা কণী যে এটা কুকুৰাপোৱালিত ৰূপান্তৰিত হব পাৰে, এটা শিলগুটি নোৱাৰে কিয়? যুদ্ধ আৰু শান্তিৰ মাজত যে অভেদ আছে যুদ্ধ আৰু শিলগুটিৰ মাজত কিয় নাই? মানুহে মাথোন মানুহকেই জন্ম দিয়ে আন কিহবাক জন্ম দিব নোৱাৰে কিয়? কাৰণ এই যে: মাথোন নিৰ্দিষ্ট প্ৰয়োজনীয় অৱস্থাতহে দ্বন্দ্বৰ অভেদত্ব থাকে। এনে অবস্থা বাদে কোনো অভেদত্ব থাকিব নোৱাৰে।

কিয় ৰাচিয়াৰ ১৯১৭ চনৰ ফেব্ৰুৱাৰীৰ বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱ—সেই বছৰৰেই অক্টোবৰ মাহৰ সৰ্বহাৰা শ্ৰমিক সমাজতান্ত্ৰিক বিপ্লৱৰ সতে পোনে পোনে সংযুক্ত আছিল? আৰু কিয়য়েইবা ফৰাচীদেশৰ বুৰ্জোৱা বিপ্লৱ কোনো সমাজতান্ত্ৰিক বিপ্লৱৰ লগত পোনে পোনে যুক্ত নহল আৰু ১৮৭১ চনৰ প্যাৰী কমিউন ব্যৰ্থ হল? আনহাতে কিয়য়েই বা এইপিনে মাঙ্গোলীয়া আৰু মধ্য এচিয়াৰ যাযাবৰ জীৱন পোনে পোনে সমাজতন্ত্ৰৰ সতে সংযুক্ত হ'ল? কিয়য়েইবা চীনা বিপ্লৱৰ কাৰণে পুঁজিবাদী ভৱিষ্যত এৰাই যোৱাটো সম্ভৱ আৰু পশ্চিমৰ পুৰণি পুঁজিবাদী দেশবোৰৰ বাটেৰে নগৈ আৰু বুৰ্জোৱা একনায়কত্বৰ যুগৰ মাজেৰে নগৈ একেবাৰে পোনচাটেই সমাজতন্ত্ৰৰ সতে সংযুক্ত হোৱা সম্ভৱ? ইয়াৰ উত্তৰ নিহিত হৈ আছে সম্পূৰ্ণৰূপে সমসাময়িক প্ৰকৃত অৱস্থাৰ মাজত। যেতিয়া কোনো প্ৰয়োজনীয় বিশেষ অৱস্থা বিদ্যমান থাকে তেতিয়া বস্তু বা বিষয়ৰ আৰু বিকাশৰ প্ৰক্ৰিয়াত কেতবোৰ বিশেষ দ্বন্দ্বই দেখা দিয়ে। তাৰ বাহিৰেও, এই সকলোবোৰ দ্বন্দ্ব আৰু এই ধৰণৰ আন আন দ্বন্দ্ব পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল হয় আৰু পৰস্পৰলৈ ৰূপান্তৰিত হয়; নতুবা একোৰেই সম্ভৱ নহয়।





এই হ'ল অভেদত্বৰ সমস্যা। তেতিয়া হলে সংগ্ৰাম কি? অভেদত্ব আৰু সংগ্ৰামৰ মাজৰ সম্পৰ্ক কি? লেনিনে কৈছে—

"বিপৰীতবোৰৰ ঐক্য (সমপাতন, অভেদ, ফলশ্ৰুতি) চৰ্ত সাপেক্ষ, সাময়িক, ক্ষণস্থায়ী, আপেক্ষিক। পৰস্পৰবৰ্জিত বিপৰীতবোৰৰ সংগ্ৰাম ধ্ৰুব, ঠিক যিদৰে বিকাশ আৰু গতি ধ্ৰুব। [The unity (coincidence, identity equal action) of the opposites is conditional, temporary transitory, relative. The struggle of mutually exclusive opposites is absolute, just as developement and motion are absolute) ]

লেনিনৰ এই উক্তিৰ অৰ্থ কি?

সকলোবোৰ প্ৰক্ৰিয়াৰেই আৰম্ভ আৰু শেষ আছে আৰু সিবোৰে নিজে নিজক বিপৰীতলৈ ৰূপান্তৰ কৰে। সকলোবোৰ প্ৰক্ৰিয়াৰ স্থায়িত্ব আপেক্ষিক, কিন্তু এটা প্ৰক্ৰিয়াৰ পৰা অন্য প্ৰক্ৰিয়ালৈ ৰূপান্তৰৰ মাজেদি আত্মপ্ৰকাশকাৰী পৰিবৰ্ত্তনশীলতা হ'ল ধ্ৰুব (absolute)।

সকলোৱে গতিয়ে দুটি ৰূপ গ্ৰহণ কৰে: আপেক্ষিক স্থিতি আৰু দৃশ্যমান পৰিবৰ্তন। উভয় ৰূপৰেই উৎপত্তি হয়, বস্তু বা বিষয়টোৰ ভিতৰত বিপৰীতবোৰৰ যুঁজৰ পৰা। গতিয়ে যেতিয়া প্ৰথম ৰূপটো গ্ৰহণ কৰে তেতিয়া তাৰ পৰিমাণগত পৰিবৰ্তন ঘটে, গুণগত নহয়; কাজে কাজে ভাৱ হয়—যে সি আপাত স্থিতিশীল অবস্থাত আছে। যেতিয়া দ্বিতীয় ৰূপটো গ্ৰহণ কৰে তেতিয়া সি প্ৰথমটো ৰূপৰ পৰিমাণগত পৰিবৰ্তনৰ এটা চূড়ান্ত পৰ্য্যায় পাইছে; বস্তুটোক ভাঙি দিছে, এটা গুণগত পৰিবৰ্তন ঘটাইছে; অতএব তাৰ দৃশ্যমান পৰিবৰ্তন ঘটা দেখা যায়। দৈনন্দিন জীৱনত ঐক্য, সংহতি, সন্মিলন, সামঞ্জস্য, ভাৰসাম্য, আটক অবস্থা, অচল অবস্থা, স্থিতি, স্থায়িত্ব, সাম্যাবস্থা গোটমৰা অবস্থা (solidity) আৰু আকৰ্ষণ—এই সকলোবোৰেই এটা প্ৰক্ৰিয়াৰ পৰা আন এটা প্ৰক্ৰিয়ালৈ ৰূপান্তৰৰ সময়ত বস্তু বা বিষয়ৰ যে গুণগত পৰিবৰ্তন ঘটে—তাৰে বাহিৰৰ চেহেৰা।

বস্তুৰেবা বিষয়ে অবিৰামভাবে প্ৰথমটোৰ পৰা দ্বিতীয়টো ৰূপলৈ ৰূপান্তৰ হৈছে—আৰু দ্বন্দ্ববোৰৰ আভ্যন্তৰস্থ যুঁজ দুটা ৰূপতেই বিদ্যমান থাকে, আৰু দ্বিতীয় ৰূপৰ মাধ্যমেৰেই সেই যুঁজৰ মীমাংসা হয়। সেইবাবেই আমি কওঁ



OKDISCD

যে বিপৰীতবোৰৰ ঐক্য চৰ্তাধীন, সাময়িক আৰু আপেক্ষিক, কিন্তু পৰস্পৰ বৰ্হিভূত বিপৰীতবোৰৰ সংগ্ৰাম হ'ল ধ্ৰুব (absolute)।

আমি যেতিয়া কৈছিলো যে দুটা বস্তু বা বিষয়ৰ মাজৰ অভেদত্ব আছে কাৰণেই সিহঁত এটা একক বস্তু বা বিষয়ৰ মাজত সহ-অবস্থান কৰিব পাৰে আৰু পৰস্পৰলৈ ৰূপান্তৰিত হব পাৰে—যেতিয়া আৰু চৰ্তাধীনতাৰ কথাই কৈছিলো—অৰ্থাৎ কোনো নিৰ্দ্দিষ্ট অবস্থাত দ্বন্দ্বমান বস্তু বা বিষয়বোৰ ঐক্য-বদ্ধ হব পাৰে আৰু পৰস্পৰলৈ ৰূপান্তৰ হব পাৰে; কিন্তু সেই অৱস্থা নোহোৱাকৈ সিহঁতৰ মাজত দ্বন্দ্ব থাকিব নোৱাৰে, পৰস্পৰলৈ ৰূপান্তৰিত হবও নোৱাৰে। যিহেতু দ্বন্দ্বৰ অভেদত্ব নিৰ্দ্দিষ্ট অৱস্থাতেহে সম্ভব—সেই কাৰণে তাক চৰ্তসাপেক্ষ বা আপেক্ষিক বুলি কোৱা হয়। এই কথাৰ লগতে আৰু কওঁ ঃ— কোনো প্ৰক্ৰিয়াৰ আৰম্ভণিৰে পৰা শেষলৈকে দ্বন্দ্বৰ আভ্যন্তৰত যুঁজ চলে আৰু এই যুঁজৰ ফলত এটা প্ৰক্ৰিয়াৰ পৰা আন প্ৰক্ৰিয়ালৈ ৰূপান্তৰণ (transformation) ঘটে; এই যুঁজ সকলোতে আছে, এই যুঁজ চৰ্তনিৰপেক্ষ আৰু ধ্ৰুব (unconditional and absolute)।

চৰ্ত নিৰপেক্ষ ধ্ৰুৱ (absolute) সংগ্ৰামৰ সৈতে চৰ্ত সাপেক্ষ, আপেক্ষিক অভেদত্বৰ সংযোগৰ ফলতেই সকলোবোৰ বস্তু আৰু বিষয়ৰ মাজত গতিৰ সৃষ্টি হৈছে।

আমি চীনাসকলে প্ৰায়েই কৈ থাকো, "যিবোৰ বস্তু পৰস্পৰ বিৰোধী—সিয়েই পৰস্পৰৰ পৰিপূৰক।"। অৰ্থাৎ বিপৰীতবোৰৰ অভেদত্ব বিদ্যমান—। এই মন্তব্য দ্বন্দ্বমূলক, আৰু অধিবিদ্যাৰ (metaphysics) বিৰোধী। পৰস্পৰ বিৰোধী হোৱাৰ অৰ্থ হল বিপৰীতবোৰৰ পাৰস্পৰিক বৰ্হিভুক্তিৰ যুঁজ। পৰস্পৰক পৰিপূৰণ কৰাৰ অৰ্থ হল কোনো নিৰ্দ্দিষ্ট অবস্থাত বিপৰীতবোৰ ঐক্যবদ্ধ হোৱা আৰু অভেদত্ব লাভ কৰা। সংগ্ৰাম ঠিক অভেদত্বৰ মাজতেই থাকে; সংগ্ৰাম বাদ দি অভেদত্ব হব নোৱাৰে।

অভেদত্বৰ মাজত আছে সংগ্ৰাম, বিশেষতাৰ মাজত আছে সাৰ্বিকতা, স্বকীয় চৰিত্ৰৰ মাজত আছে সাধাৰণ চৰিত্ৰ। লেনিনে কোৱা দৰে আপেক্ষিকৰ আভ্যন্তৰতো আছে ধ্ৰুৱক "(There is an absolute in the relative.)





## ৬। দ্বন্দ্বত বিৰোধৰ ভূমিকা
## (The Place of antagonism in contradiction)

বিৰোধ কাক কয়? এই প্ৰশ্নটোকো—বিপৰীতবোৰৰ মাজত সংগ্ৰামৰ প্ৰশ্নৰ ভিতৰত ধৰি লোৱা আছে। আমাৰ উত্তৰ: বিৰোধ হ'ল বিপৰীতবোৰৰ মাজৰ সংগ্ৰামৰ এটা ৰূপ, কিন্তু একমাত্ৰ ৰূপ নহয়।

মানৱ ইতিহাসৰ শ্ৰেণীবিৰোধ থাকে দ্বন্দ্বৰ মাজৰ যুদ্ধৰ এটা বিশেষ প্ৰকাশ ৰূপে। দাস, সামন্ত বা পুঁজিবাদী যি কোনো সমাজতেই শোষক শ্ৰেণীৰ আৰু শোষিত শ্ৰেণীৰ মাজত দ্বন্দ্ব থাকে আৰু পৰস্পাৰৰ সতে দ্বন্দ্বমান এই দুটি-শ্ৰেণী একেটা সমাজতে দীৰ্ঘকাল ধৰি সহ-অবস্থান কৰে; কিন্তু এই দ্বন্দ্বই এটা বিশেষ স্তৰ পালেহে প্ৰকাশ্য বিৰোধিতাৰ ৰূপ লয় আৰু দিয়ে বিকশিত হৈ বিপ্লৱৰ ৰূপ লয়। শ্ৰেণী সমাজত শান্তি যুদ্ধলৈ ৰূপান্তৰণ ইয়াৰে এটা দৃষ্টান্ত।

বিস্ফোৰণৰ আগমুহূৰ্ত্তলৈ বোমা এটা একক বস্তু। তাৰ ভিতৰত বিশেষ কোনো অৱস্থাত বিপৰীত ধৰ্মী বস্তুবোৰ সহঅৱস্থান কৰে। প্ৰজ্জলনৰ উপযোগী নতুন অবস্থা উপস্থিত হলে তেতিয়াহে বিস্ফোৰণ ঘটে। সকলো প্ৰাকৃতিক ঘটনাৰ মাজতেই এনেধৰণৰ পৰিস্থিতি থাকে আৰু শেষলৈকে সেইবোৰে পুৰণি দ্বন্দ্বৰোৰৰ সমাধানৰ বাবে আৰু নতুন নতুন বস্তু বা বিষয়ৰ সৃষ্টিৰ বাবে প্ৰত্যক্ষ সংঘৰ্ষৰ ৰূপ লয়।

এই কথাটো বুজিব পৰাটো অতিশয় জৰুৰী। তেতিয়াহে বুজা যাব যে শ্ৰেণী সমাজত বিপ্লৱ আৰু বৈপ্লবিক যুদ্ধ অনিবাৰ্য্য; তাৰ বাহিৰে সমাজ বিকাশত কোনো উল্লম্ফন ঘটোৱা সম্ভৱ নহয়, প্ৰতিক্ৰিয়াশীল শাসক শ্ৰেণীবোৰক উৎখাত কৰিবও পৰা নাযায়; জনসাধাৰণে ৰাজনৈতিক ক্ষমতা দখলো কৰিব নোৱাৰিব। সমাজ বিপ্লৱ অপ্ৰয়োজনীয় আৰু অসম্ভৱ বুলি প্ৰতিক্ৰিয়াশীলবোৰে কৰা শঠতাপূৰ্ণ প্ৰচাৰৰ স্বৰূপটো কমিউনিষ্টসকলে উদঙাই দিবই লাগিব আৰু সমাজ বিপ্লৱৰ মাৰ্ক্সবাদী লেনিনবাদী তত্বক দৃঢ়ভাবে তেওঁলোকে তুলি ধৰিব লাগিব; যাতে জনসাধাৰণে বুজিব পাৰে যে সমাজবিপ্লৱ মাথোন একান্ত প্ৰয়োজনীয়ই এনে নহয়, ই সম্পূৰ্ণ সম্ভৱো। আৰু ই এটা এনে বৈজ্ঞানিক



OKDISCD

সত্য—যিটো ইতিমধ্যেই মানব জাতিৰ সমগ্ৰ ইতিহাস আৰু চোভিয়েট ইউনিয়নৰ জয়যাত্ৰাৰ দ্বাৰা প্ৰমাণিত হৈ গৈছে।

কিন্তু এই সূত্ৰটোক সকলোতে যথেমধে প্ৰয়োগ কৰা নচলিব। তাৰ আগতে দ্বন্দ্বৰ আভ্যন্তৰত থকা বিভিন্ন প্ৰকাৰৰ সংগ্ৰামৰ বিশেষ বিশেষ অৱস্থা আমি অধ্যয়ন কৰিব লাগিব। দ্বন্দ্ব আৰু সংগ্ৰাম হ'ল—সাৰ্বিক আৰু ধ্ৰুব (universal and absolute); কিন্তু সিবোৰৰ সমাধানৰ পদ্ধতি—সংগ্ৰামৰ ভিন ভিন ৰূপবোৰ দ্বন্দ্বৰ প্ৰকৃতি অনুযায়ী ভিন ভিন হয়। খোলাখুলি বিৰোধেই হ'ল কিছুমান দ্বন্দ্বৰ চৰিত্ৰ, কিছুমান দ্বন্দ্বৰ আকৌ চৰিত্ৰ এনে নহয়। বস্তু বা বিষয়ৰ বিশেষ বিকাশৰ ভিত্তিত; কোনো কোনো দ্বন্দ্বত পোনতে বিৰোধ নাথাকিলেও পিচত ই বিকাশ লাভ কৰি বিৰোধমূলক হৈ উঠে; আৰু আন দ্বন্দ্ববোৰ প্ৰথমতে বিৰোধমূলক হৈ থাকিলেও পিচত বিকাশ লাভ কৰি অবিৰোধমূলক হৈ যায়।

আমি আগতেই কৈছোহঁক যে কমিউনিষ্ট পাৰ্টিৰ মাজত সঠিক আৰু ভুল ধাৰণাবোৰৰ মাজৰ দ্বন্দ্ববোৰ হ'ল—যেতিয়ালৈকে বিভিন্ন শ্ৰেণী থাকিব তিমানদিনলৈ পাৰ্টিত শ্ৰেণী দ্বন্দ্বৰেই প্ৰতিফলন। প্ৰথমৰ পিনে কিম্বা কেতবোৰ প্ৰশ্নত এনে ধৰণৰ দ্বন্দ্বই তেতিয়াই লগে লগে বিৰোধী ৰূপে আত্মপ্ৰকাশ নকৰিব পাৰে। কিন্তু শ্ৰেণীসংগ্ৰামৰ বিকাশ লাভৰ লগে লগে সিও বিকাশ লাভ কৰিব পাৰে আৰু বিৰোধী হৈ উঠিব পাৰে।

চোভিয়েট ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ইতিহাসত আমি দেখিবলৈ পাওঁ যে লেনিন আৰু ষ্টেলিনৰ নিৰ্ভুল ধাৰণাবোৰ আৰু ট্ৰটস্কি-বুখাৰিন প্ৰমুখে আনৰ ভুল ধাৰণাবোৰৰ মাজৰ দ্বন্দ্বই পোনতে আত্মপ্ৰকাশ কৰা নাছিল। কিন্তু পিচত বিৰোধী হৈ উঠিছিল। চীন দেশৰ কমিউনিষ্ট পাৰ্টিৰ ইতিহাসতো ঠিক অনুৰূপ এটা ঘটনা ঘটে। পাৰ্টিত, আমাৰ বহুতো কমৰেডৰ সঠিক ধাৰণা আৰু চেনতুশিউ, চ্যাং কুওতাও আদিৰ ভুল ধাৰণাৰ দ্বন্দ্বও বিৰোধী ৰূপে আত্মপ্ৰকাশ কৰা নাছিল। আৰু যিবোৰ কমৰেডে ভুল কৰিছে তেওঁলোকে যদি ভুল সংশোধন কৰি লয়—তেনেহলে এই দ্বন্দ্বই বিৰোধত পৰিণত নহব। অতএব পাৰ্টিয়ে ভুল ধাৰণাবোৰৰ বিৰুদ্ধে এপিনে তীব্ৰ যুজ চলাব লাগিব; আনপিনে আকৌ যিবোৰ কমৰেডে ভুল কৰিছে নিজৰ ভুল সম্পৰ্কে নিজকে





সচেতন হবৰ বাবে তেওঁলোকক যথেষ্ট সুযোগ দিব লাগিব। এনে অৱস্থাত এই যুঁজক বহুত দূৰলৈ লৈ যোৱা দেখদেখকৈ অন্যায় হব। কিন্তু যিসকলে ভুল কৰিছে—তেওঁলোকে যদি ভুলবোৰকে সাবটি ধৰি থাকে আৰু সেইবোৰক বঢ়াই তোলে তেন্তে দ্বন্দ্বই বিৰোধত পৰিণত হব পাৰে।

অৰ্থনীতিৰ পিনৰ পৰা পুঁজিবাদী সমাজত যেতিয়া বুৰ্জোৱাৰ নিয়ন্ত্ৰণাধীন চহৰে গ্ৰামাঞ্চলক নিৰ্মমভাবে শোষণ কৰে আৰু চীনদেশত কুওমিংটাং-নিয়ন্ত্ৰিত এলেকাত য'ত বিদেশী সাম্ৰাজ্যবাদ আৰু দেশীয় বৃহৎ কাৰবাৰী বুৰ্জোৱা (Big comprador bourgeoisie) নিয়ন্ত্ৰণাধীন চহৰে—চৰম বৰ্বৰতাৰে গ্ৰামাঞ্চলক শোষণ কৰে—সেইখিনিতেই চহৰ আৰু গ্ৰামাঞ্চলৰ মাজৰ দ্বন্দ্ব হ'ল এটা চৰম বিৰোধীতাৰ দ্বন্দ্ব। কিন্তু সমাজতান্ত্ৰিক দেশত আৰু আমাৰ বৈপ্লৱিক ঘাটিবোৰত এই ধৰণৰ বিৰোধী দ্বন্দ্বই অবিৰোধী দ্বন্দ্বত পৰিণত হৈ যায় আৰু কমিউনিষ্ট সমাজত সি একেবাৰেই বিলুপ্ত হৈ যাব। লেনিনে কৈছে "বিৰোধিতা আৰু দ্বন্দ্ব মুঠেই অভিন্ন নহয়। সমাজতন্ত্ৰত আগৰটো বিলুপ্ত হব, পিচৰটি ৰব।" অৰ্থাৎ বিৰোধ, দ্বন্দ্বৰ অভ্যন্তৰৰ যুঁজৰ এটা ৰূপ, কিন্তু একমাত্ৰ ৰূপ নহয় আৰু এটা সৰ্বসাধাৰণ সূত্ৰৰূপে প্ৰযুক্ত হব নোৱাৰে।

## উপসংহাৰ

কেষাৰমান কথাৰে আমি মোখনি মাৰিম।

বস্তু বা বিষয়ৰ দ্বন্দ্বৰ নিয়ম অৰ্থাত বিপৰীতৰ ঐক্যৰ নিয়ম হ'ল প্ৰকৃতি আৰু সমাজৰ মূল নিয়ম—অতএব চিন্তাৰো মৌলিক নিয়ম। এই নিয়ম অধিবিদ্যাক-বিশ্বদৃষ্টিৰ বিৰোধী। এই নিয়ম আবিষ্কাৰ হৈল মানবজ্ঞানৰ ইতিসাহত এটা বিৰাট বিপ্লব।

দ্বন্দ্বমূলক বস্তুবাদ অনুযায়ী বৰ্হিবাস্তৱ বস্তু বা বিষয়ৰ আৰু মনোগত চিন্তাৰ সকলো প্ৰক্ৰিয়াৰ মাজতেই দ্বন্দ্ব আছে আৰু সমগ্ৰ প্ৰক্ৰিয়াৰ আৰম্ভৰ পৰা অন্তলৈ এই দ্বন্দ্ব চলি থাকে। দ্বন্দ্বৰ এয়ে হল সাৰ্বিকত্ব বা সাধাৰণত্ব আৰু ধ্ৰুবত্ব। দ্বন্দ্ববান বস্তু বা বিষয়ত আৰু তাৰে প্ৰতিটো দিশৰ নিজা নিজা বিৰোধ বৈশিষ্ট্য আছে; এই খিনিতেই দ্বন্দৰ বিশেষত্ব আৰু আপেক্ষিকত্ব। বিশেষ অৱস্থা



OKDISCD

অনুযায়ী দ্বন্দ্বান বস্তু আৰু বিষয়ৰ অভেদ থাকে; কাজে কাজেই সিবোৰে এটি সত্বাত সহ অৱস্থান কৰিব পাৰে আৰু প্ৰত্যেকে নিজৰ বিপৰীতত পৰিণত হব পাৰে। ইয়াতেও আকৌ দ্বন্দ্বৰ বিশেষত্ব আৰু আপেক্ষিকত্ব। কিন্তু দ্বন্দ্বৰ ভিতৰৰ যুঁজ অবিৰাম চলি আছে; যেতিয়া বিপৰীত বোৰে সহ অৱস্থান কৰে তেতিয়াও এই যুদ্ধ চলে আৰু যেতিয়া সিবোৰে পৰস্পৰলৈ ৰূপান্তৰিত হয় তেতিয়াও এই যুদ্ধ চলে; বিশেষকৈ শেষোক্ত ক্ষেত্ৰত। ইয়াতো আকৌ সেই দ্বন্দ্বৰ সাৰ্বিকত্ব আৰু ধ্ৰুবত্ব।

দ্বন্দ্বৰ বিশেষত্ব আৰু আপেক্ষিকত্ব অধ্যয়নৰ সময়ত যাতে আমি ভুল কৰিব নোৱাৰো—সেই বাবে দ্বন্দ্বৰ মাজত আৰু দ্বন্দ্বান দিশবোৰৰ মাজত কোনটো প্ৰধান আৰু কোনটো অপ্ৰধান তাক চিনি লবলৈ চেষ্টা কৰিব লাগে; আৰু দ্বন্দ্বৰ সৰ্বসাধাৰণত্ব আৰু সংগ্ৰাম অনুধাবনৰ সময়ত বিভিন্ন প্ৰকাৰৰ সংগ্ৰামক পৃথক পৃথক ভাবে চিনি পোৱাৰ বাবে চেষ্টা কৰিব লাগিব। অনুশীলন আৰু অধ্যয়নৰ পিছত আমি যদি আগতে কোৱা মূল বিষয়বোৰ সঁচাকৈয়ে হৃদয়ঙ্গম কৰিব পাৰোহঁক তেতিয়া হলে আমি গোড়ামি আৰু মতান্ধতাৰ ধাৰণাবোৰক বিনাশ কৰিব পাৰিম, এনে গোড়ামি আৰু মতান্ধতাৰ ধাৰণাবোৰ হ'ল ঃ মাৰ্কসবাদ—লেনিনবাদৰ মূলনীতিৰ আৰু আমাৰ বৈপ্লৱিক যুঁজৰ পৰিপন্থী। আমাৰ অভিজ্ঞ কমৰেড সকলে নিজৰ অভিজ্ঞতাক আৰু প্ৰণালীবদ্ধ কৰিবলৈ সক্ষম হব; আৰু প্ৰত্যক্ষবাদৰ ভুলৰ (empiricist errors) পুনৰাবৃত্তি এৰাব পাৰিব।

দ্বন্দ্বৰ নিয়ম অধ্যয়ন আৰু অনুশীলনৰ পিচত আমি এই কেইটা সৰল সিদ্ধান্ত পাইছোঁহক।

—×—



# এমুঠি কবিতা ঃ

## শোভাযাত্ৰাত নিহতজনৰ কবিতা

এই জুইকুৰা ময়েই জ্বলালো।

জানো আই, এই জুইৰ পোহৰত
তোমাৰ ৰুগ্ন মুখত উদ্ভাসিত হৈ উঠিব
পৃথিবীৰ অপৰূপ ৰূপ।

সেয়ে জুইকুৰা ময়েই জ্বলালো॥

দিনৰ পিচত দিন, ৰাতিৰ শেহত
দোকমোকালিৰ কোমল বতাহেৰে
মোক নিচুকাই কি ৰং পোৱা
মই নেজানো আই! নিষ্ঠুৰ ক্ষমাৰে
মাথো মোক নেহানিবা। তোমাৰ বাবে
আই! বহুবাৰ প্ৰিয়জনৰ বুকুৰ তেজ দিলো,
এইবাৰ মোৰ মন্ত্ৰপুত শৰীৰ।

জন্মৰ ঋণ পৰিশোধ কৰাৰ
আনন্দত মই যে আজি অধীৰ।

সেয়ে, জুইকুৰা ময়েই জ্বলালো॥

হীৰেন ভট্টাচাৰ্য্য (১৯৬৫)

পোঃ কলাবাৰী, (দৰং)

# পৃথিৱীত ফাগুন

(১)

পৃথিৱীৰ গভীৰত তুমুল কোলাহল।
জুমে জুমে বিতৰ্কৰ উত্তাল উত্তেজনা
কল-কাকলিৰ ফোৱাৰা উতলিছে।

দলে দলে উদণ্ড বতাহবোৰে
শুকান খৰাং পাত গছকি গছকি
ওপৰৰপৰা পাহাৰৰ নামনিলৈ বাগৰিছে ।

মাজে মাজে শুনিছো গৰ্জন
—ক'ৰবাত স্তূপীকৃত বাৰুদত জুই লাগিছে।
অনল বসনা ৰাতিৰ অৰণ্যৰ লাল ফৌজ
মাটিৰপৰা আকাশ'লে উঠিছে ।

উদগ্ৰ উদ্যত বৰ্শামুখ যেন
সংখ্যাতীত নিষ্পেষিত কঙ্কালৰ শাৰী
ভয়াল কৰাল হৈ দিগন্তত চিৎকাৰ তুলিছে ।

দশোদিশে কেৱল জুইৰ কোৰ্হাল
আমি জুইৰ মাজেৰে উত্ৰাৱল হৈ দৌৰিছো।

**বিজনলাল চৌধুৰী**



# হুছৰি

এ......ই !
হায় ক'ৰ অমাতৰ মাত !!
কোনোবাই যেন নাম লগাই দিলে
'...কোনে জানো কাঢ়ি নিলে হিয়া
মুখৰ মাত হৰিল
আমি নিঠৰুৱা।'
বিনালে পৰে জানো হিয়া শাঁত ?

এ...ই !
লগে লগে দলদোপ ভৰিৰ গোৰোহা
ভেটি কঁপাই
কঁপে কলাফুল,
আঠু ল'লোঁ, ৰাইজ মই আঠু ল'লোঁ
লৰে দেখোন মোৰো বাহুমূল।
উলিয়াই ললো টান মাৰি সাচতীয়া কোল
মিতিৰ নাজানি অঠাইত বিধাঁ,
চোতাল কঁপে
ভেটি কঁপে
দলদোপ ৰণুৱাৰ গোৰোহা ।

পিৰালিতে আগলি কলাপাতখনত মাটিৰ চাকিটো জ্বলাই টিপতে তেওঁ কলে
'ককালত গাঁঠি লোৱা বিহুৰ গামোছা' ;
বাহিৰত দলদোপ ৰঙামুৰাৰ গোৰোহা।

**জ্ঞান পূজাৰী**



OKDISCD

# এটা কবিতা

নদী নাও বতাহ
গতিৰ ধীৰ প্ৰবাহ
দেহৰ আঁহে আঁহে
অনুভৱ কৰিছো
এতিয়া
হাহাকাৰ কৰি ফুৰা
এজাক বতাহ।
উকুৱাই পাখী শগুণৰ
সকুৱাই পাহি গোলাপৰ
হাবিয়ে হাবিয়ে পাৰহৈ
আহিলো।
আন্ধাৰে আন্ধাৰে
বহুদূৰ। বতাহে নুৰিয়াই থোৱা গান
য'ত সাগৰ সঙ্গমত
পলসৰ গানে গানে
নাও মেলি দিলো
চিঞৰি চিঞৰি গাইদিম যেন
সেই মিঠা গীত টি—।
এতিয়া গছত ফুল ফুলিছে
ৰঙা বগা বহুতো
আৰু ডালে ডালে
ওলমি ৰোৱা কপৌবোৰ
দেখি আহিছোঁ ॥

**খগেন্দ্ৰ ভৰালী**



# দেৱালৰ লেখা

এতিয়া প্ৰগলভ নেতাৰ বাণী শেষ হ'ল,
বিবৃতি আৰু বক্তৃতাৰ পাণ্ডুলিপি পৰি ৰ'ল
নচলা টকাৰ দৰে দ্ৰয়াৰৰ নিচেই তলত;
কাৰণ এতিয়া শেষ হ'ল কথাৰে বিপ্লৱ কৰি
বৈঠকখানাক বিপ্লৱৰ মজিয়া কৰাৰ
নীল বৰনীয়া শিয়ালৰ নিচক ধূৰ্ত্তালি।
এতিয়া বুজিছে সবে সৌভাগ্যত নীলা হোৱা
শিয়ালৰ দৰে—
বিবৃতি আৰু বক্তৃতাৰ পাণ্ডুলিপি মুখস্থ মাতি
বিপ্লব কৰা সেইচাম মানুহৰ
মুখাহীন প্ৰকৃত স্বৰূপ!
আত্মদীপৰ জ্যোতিত উদ্ভাসি উঠিছে
এদল নতুন পুৰুষ যাৰ ইস্পাত কঠিন
দৃঢ় মুখাবয়বত পৰিস্ফুট হৈছে
নতুন যুগক স্বাগত জনোৱাৰ
প্ৰচণ্ড প্ৰস্তুতি।
বক্তৃতা আৰু বিবৃতিৰে মানুহৰ মুক্তিৰ
সোণালী সপোন ৰচা
দেশ প্ৰেমৰ ঠিকাদাৰ সকল
হুচিয়াৰ হবৰ হ'ল,
অচিৰতে জাগ্ৰত জন সমুদ্ৰৰ কল্লোল ধ্বনিত
সিহঁতৰ দুৰ্বল আৰ্ত্তনাদ
শেষ হ'ব চিৰদিনৰ বাবে।

**ফনীন্দ্ৰ নাথ গায়ন**



OKDISCD

# প্ৰহৰী

ধৰ্মৰ আফিং খুৱাই
সিহঁতে ৰাখিলে শুৱাই
অনেক কাল...
নীলকণ্ঠ (?) হৈ আমি
বুজি পালো চব তলানলা

এতিয়া টোপনি নাই।
সিহঁতেও মিছা টোপনিত
বাঁহী বজাইছে

দূষিত বতাহজাক
ক'ৰ পৰা বৈছে
উৎস বিচাৰি
আহিছো উজাই
সমুখ দুৱাৰত
তলাবন্ধ বুলি
আগে আগে
ৰাতিৰ প্ৰহৰীহঁতে
পথ দেখুৱাব
উভতি যোৱাৰ

জোনাকি পৰুৱা বহুতো জ্বলিছে
সাজিদিছে শ্বহীদ মিনাৰ
(সেইবোৰ নালাগে কামত)
যাওঁ বুলি আহিছো যেতিয়া
আহা আমি জ্বলি একেলগে
জ্বলাওঁ ইবাৰ।





যাওঁবুলি যিদকলে
ওলাই আহি
লাম্ লাকটুকে সাৰটি থাকিল
সিহঁতত ভৰসা নাই
থকাথিনি এৰি যাব লাগে বুলি
পলৰীয়া সিহঁতৰ ভয়।
সিহঁতে নাজানে
ৰখিছেবা কাৰ সোণৰ পাহাৰ
খান্দি খান্দি নিজৰে কবৰ
সিহঁত প্ৰহৰী আজি উলঙ্গ ৰজাৰ।

অৰনী চক্ৰবৰ্ত্তী



OKDISCD

# প্ৰহৰী

ধৰ্মৰ আফিং খুৱাই
সিহঁতে ৰাখিলে শুৱাই
অনেক কাল...
নীলকণ্ঠ (?) হৈ আমি
বুজি পালো চব তলানলা

এতিয়া টোপনি নাই।
সিহঁতেও মিছা টোপনিত
বাঁহী বজাইছে

দূষিত বতাহজাক
ক'ৰ পৰা বৈছে
উৎস বিচাৰি
আহিছো উজাই
সমুখ দুৱাৰত
তলাবন্ধ বুলি
আগে আগে
ৰাতিৰ প্ৰহৰীহঁতে
পথ দেখুৱাব
উভতি যোৱাৰ

জোনাকি পৰুৱা বহুতো জ্বলিছে
সাজিদিছে শ্বহীদ মিনাৰ
(সেইবোৰ নালাগে কামত)
যাওঁ বুলি আহিছো যেতিয়া
আহা আমি জ্বলি একেলগে
জ্বলাওঁ ইবাৰ।





যাওঁবুলি যিদকলে
ওলাই আহি
লাম্ লাকটুকে সাৰটি থাকিল
সিহঁতত ভৰসা নাই
থকাথিনি এৰি যাব লাগে বুলি
পলৰীয়া সিহঁতৰ ভয়।
সিহঁতে নাজানে
ৰখিছেবা কাৰ সোণৰ পাহাৰ
খান্দি খান্দি নিজৰে কবৰ
সিহঁত প্ৰহৰী আজি উলঙ্গ ৰজাৰ।

ভাৰনী চক্ৰবৰ্ত্তী



OKDISCD

# অন্ধকাৰত আনত আমাৰ মুখ

অন্ধকাৰত আনত আমাৰ মুখ
মাটিৰ তলত খুন্দ খাই থকা
তেজী ঘোৰাৰ চেকুৰ

আমাৰ হৃদয়ত উজুটি খাই পৰি থকা
বতাহ জাকক মুকলি কৰি দিয়া

এটা শৰীৰী ঘ্ৰাণ
বোৱাই আনিছে নিৰ্জন পথাৰ
হৃদয়ৰ আকস্মিক বিস্তীৰ্ণতাত

হেঙুলিয়া পানীবোৰত
আঙুলিৰে স্পৰ্শ কৰিছোঁ
তোমালোকৰ উজ্জ্বল আগ্নেয় শৰীৰ

**হিতেন শৰ্মা**



# সূৰ্য্যোদয়ত উপলব্ধি

সূৰ্য্যোদয়ত
মোৰ প্ৰৱাহিত তেজৰ সোঁতেৰে
আৰু হাড়ৰ মাজেৰে
বৈ অহা
এজাক সোণালী ৰ'দৰ দৰে
ৰিম্‌ঝিম্‌ কিছুমান সুৰৰ
শাব্দিক ঝংকাৰত
মোৰ আত্মাত আৰু চেতনাত
এটা শিহৰণ
অনুভূত হোৱাৰ সময়ত
ফুলি উঠা সূৰ্য-মূখী ফুলৰ দৰে
মোৰ প্ৰাণত ফুলি উঠে
একো একোপাহ মুক্তিৰ ৰঙা ৰঙা ফুল
আৰু মই মোৰ হৃদয়ত
শুনো যেন
শুনো যেন
মোৰ আইৰ শৃঙ্খলিত
ভৰিৰ শিকলি ছিঙাৰ বাবে
দুয়ো বাহু ইস্পাত কঠিন কৰা
মোৰ দেশৰ অগণণ
মেহনতী জনতাৰ মুক্তিপ্ৰয়াসী
পুষ্পিত প্ৰাণত
লানি নিচিগা এলানি গীতৰ গুণ গুণনি……

**পুতুল হাজৰিকা**



OKDISCD

# সৈনিক

**শীলভদ্র**

জীৱনটোৱেই হৈছে এটা দুৰ্ব্বহ বোজা। অৱসাদ দেহত, অৱসাদ প্ৰাণত অৱসাদ মনৰ কোঁহে কোঁহে। দুখোজ কাঢ়িলে বুকুখন ধৰফৰ কৰে। কিন্তু চৌধুৰীয়ে হাত বাউলীক উপেক্ষা কৰিব নোৱাৰিলে।

আজিকালি তেওঁ ৰাজনীতিৰ পৰা আঁতৰি গৈছে। দেহত নাই শক্তি প্ৰাণতো নাই উৎসাহ। দিনৰ পিছত দিন, তাৰো পিছত দিন। কেৱল নিঃশেষ হৈ যোৱাৰ কাৰণে ক্লান্তিকৰ প্ৰতীক্ষা।

হয়তো বিদায় মুহূৰ্ত্ত ওচৰ চাপি আহিছে। সেই কাৰণেই দেহ আৰু মনৰ সকলো তন্ত্ৰীক সজোৰে আকৰ্ষণ কৰি আছে। ধানৰ পথাৰবোৰ, গছ-গছনিৰে ভৰা পাহাৰবোৰ, সৰু সৰু জুপুৰিৰে, তামোল পানৰ বাৰীৰে সেউজীয়া পটভূমিৰ গাওঁবোৰ। পেঞ্চনপাৰা, চান্দমাৰী, লালমাটি, বামুনীমৈদাম, নুনমাটি, তেতেলীগুৰি, বৰকুমা, আমচেং, নাৰেঙ্গী, বজৰাগাওঁ, বীৰকুচি। কত গাওঁ, কত মানুহ। অতি চেনেহৰ, অতি মৰমৰ। সহস্ৰ সূত্ৰেৰে হৃদয়তন্ত্ৰীৰ লগত বন্ধা। গাৱঁৰ সহজ সৰল মানুহবোৰক তেওঁ ভাল পাই পেলাইছিল।

পৰিবাৰে চৌধুৰীক দুৰ্ব্বল দেহ লৈ অকলে ক'তো ওলাব নিদিয়ে। কিন্তু আকৌ এবাৰ এই ঠাইবোৰ চোৱাৰ হেঁপাহ তেওঁৰ তীব্ৰতৰ হৈ উঠিল। ন'গলে মনত শান্তি নাই। পৰিবাৰ স্কুলত থাকোঁতে দুপৰীয়া ৰিক্চা এখনত উঠি চান্দমাৰীৰ ফালে আগবাঢ়ি গ'ল। সকলো অচিনাকি। নতুন নতুন আলিবাট। পিচ দিয়া মসৃণ। অফিচ, দালান, ইণ্ডাষ্ট্ৰিয়াল ইষ্টেট, ৰেলৱে মাৰ্শালিং ইয়াৰ্দ, ৰেলৱে কলোনী, নিউ গুৱাহাটী ৰেলষ্টেচন, তেল শোধনাগাৰ তেলনগৰী, ইণ্ডিয়া কাৰ্বন, অক্‌চিজেন কোম্পানী, ময়দাৰ কল, সৰু ডাঙৰ বহু দোকান বহু কাৰখানা।

চৌধুৰীয়ে নিজকে অজ্ঞাত চহৰ এখনত হেৰাই যোৱা সৰু ল'ৰা এজনৰ দৰে অনুভৱ কৰিলে। আপোন মানুহ কাকো ইফালে সিফালে নেদেখি আতঙ্কিত হৈ উঠিল।





"এই, ৰাখা, ৰাখা, ৰাখা।"

চিঞৰি তেওঁ ৰিক্চাৱালাক ৰখাব ক'লে।

ছিৰি অৰ্থাৎ শ্ৰী। অইন কোনো হবই নোৱাৰে। টলংভলং কৰি বাটৰ দাঁতিৰে খোজকাঢ়ি গৈ থাকোঁতে হামখুৰি খাই পৰি গ'ল। তৎক্ষনাৎ উঠি তীব্ৰ বেগেৰে কেইখোজমান গৈ হঠাতে ৰৈ ভীষণভাৱে কঁপিবলৈ ধৰিলে।

আৰে? এতিয়াও জীয়াই আছে? আচৰিত কথা! ছিৰি অৰ্থাৎ শ্ৰী। গোটেই গাটো অকাই পকাই হাঁহি থাকে। অনবৰত কঁপি থাকে। ঠিক কঁপাও নহয়, জিকাৰ মাৰি মাৰি উঠে। স্বাভাৱিক ভাৱে খোজ কাঢ়িব নোৱাৰে। ভৰবেগত কেই খোজমান তীব্ৰ বেগেৰে আগবাঢ়ি গৈ তৎক্ষণাৎ ৰৈ যায়। হাতদুখনৰ জিকাৰ উদ্দাম হৈ উঠে। আকৌ সমুখৰ ফালে হালি কেই খোজমান আগবাঢ়ি যায়। কেতিয়াবা ভাৰসাম্য ৰাখিব নোৱাৰি লুটি খাই পৰে। কাপোৰকানি বেচামাল হৈ যায়।

এদিন চৌধুৰীৰ পকেটত কেইটামান টফী আছিল। তাইক দিছিল। সেই দিনাৰপৰা চৌধুৰীক দেখিলেই কাষচাপি আহিছিল। প্ৰাপ্তিৰ সম্ভাৱনাত তাইৰ উত্তেজনা চৰম অৱস্থা পাইছিল গৈ। জিকাৰবোৰ উদ্দাম হৈ উঠিছিল। লগৰবোৰে চৌধুৰীক জোকাইছিল।

"ছোৱালীজনী দেখোন তোমাৰ প্ৰেমত পৰিলহে।"

চৌধুৰীয়ে সহাস্যে সমৰ্থন কৰিছিল।

"এৰা।"

গাৱঁৰ ল'ৰা-ছোৱালীয়ে বিশেষ একধৰণে ছিৰিক জোকাই মজা চাইছিল। কিবা বস্তু এটা তাইৰ চকুৰ আগত দাঙি ধৰি কৈছিল—"ল, ছিৰি, ধৰ।" তাই হাতপাতি বস্তুটো লব খুজিছিল কিন্তু হাতখন পাতি স্থিৰ ভাৱে ৰাখিব নোৱাৰে। এবাৰ ইফালে যায়, এবাৰ সিফালে যায়।

দেৱাশীষ বৰুৱাই অতি চালাকৰ দৰে কৈছিল।

"ছোৱালীজনী হ'ল এই মানুহবোৰৰ জীৱন্ত প্ৰতীক। ইমান হতভাগ্য যে হাতপাতি বস্তু এটাও লব নোৱাৰে। হাতৰ পৰা বাগৰি পৰি যায়।" জয়ৰাম কাষতে আছিল। তৎক্ষণাৎ প্ৰতিবাদ কৰি উঠিল।



OKDISCD

"হাতপাতি, ভিক্ষা মাগি কোনেও একো পাব নোৱাৰে। কিবা পাবলৈ হ'লে আদায় কৰি লব লাগে।"

ছিৰিক দেখি চৌধুৰীয়ে ৰিক্চাৱালাক ৰখাবে ক'লে।

"এই, ৰাখা, ৰাখা, ৰাখা।"

শেষবাৰৰ কাৰণে যেতিয়া তেওঁ ছিৰিক দেখিছিল তেতিয়া তাইৰ বয়স সোতৰ ওঠৰ। এতিয়া নিশ্চয় ত্ৰিশৰ ওপৰ হৈছে। সঁচাকৈ আচৰিত কথা। সংসাৰত ক'তো কোনো নোহোৰা এনেকুৱা ছোৱালী এজনী এতিয়াও জীয়াই আছে কেনেকৈ? এইটো কেনেকৈ সম্ভৱ?

চৌধুৰীক দেখি মহা স্ফূৰ্ত্তি। গোটেই গাটো অকাই পকাই হাঁহিব ধৰিলে। চৌধুৰীৰ পকেটটো খামোচ মাৰি ধৰাৰ চেষ্টা আৰম্ভ কৰিলে। একে কোবতে আওঁ আওঁ কৈ বহুতো কথা কবৰ প্ৰয়াস পালে। শেষত কাপোৰত ধৰি টানি সিফালৰ গছৰ তলৰ সৰু তামোলপানৰ দোকান এখনৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাৰ চেষ্টা চলালে।

"মাউচী নহয়?

"হা।"

বুঢ়া চকুৰেও পাৰ্ব্বতীয়ে চৌধুৰীক চিনি পালে।

"আৰে চৌধাৰীবাবু! তোৰ অসুখ ভাল হৈছে? গা কেনে পাইছ?"

"মোৰ আৰু গা। মৰাৰ আগতে ঠাইখিনি আকৌ এবাৰ চাবৰ মন গৈছে। সেইকাৰণে ইফালে এবাৰ আহিলো।"

বুঢ়ী খঙতে জকি উঠিল।

"ইচব কি কথা কৈছ? কি হৈছে তোৰ? কিয় ভাল নহবি? তইঁতে কিবা বৰ সহজতে হাৰ মানি লব। ভালকৈ খাবি, মনত জোৰ ৰাখিবি। কিটো নো হৈছে তোৰ? কিবা নোহোৰা কথা।"

বহুদিনৰ মূৰত চৌধুৰীয়ে সহজভাৱে হাঁহিলে। হেৰাই যোৱা লৰাজনে আপোন মানুহক দেখি স্বস্তি পাইছে।

"কি খবৰ ইফালৰ? যোগৰামৰ খবৰ কি? ভালে আছেনে বুঢ়া?"

"বুঢ়াই চকুৰে একো নেদেখে। ঘৰতে থাকে।"

"জয়ৰাম?"





"জেলত।"

"জেলত? কিয়?"

"মাটিবাৰী যোৱাত সি সূতাকলত কাম লৈছিল। ধৰ্ম্মঘটৰ সময়ত মাৰপিট কৰা বুলি মিছাকৈ তাক ধৰি নিলে। এক বছৰ ফাটক দিছে। চব ঝুট বাত। মানুহে মানে কাৰণে তাক আটক কৰি থৈছে।"

এই মুল বাটটোৰ কাষৰ পৰাই আৰম্ভ হৈছিল ধাননি পথাৰ। ইফালে ফালি ওলাই যোৱা পিচ দিয়া বাটটো আছিল গাওঁখনলৈ যোৱা লুংলুঙীয়া বাট। গাৱঁৰ পূবফালে মিকিৰ মানুহ, পশ্চিমফালে কছাৰী মানুহ। মাজত আছিল কেইঘৰমান চাহ বাগিচাৰ বনুৱা সম্প্ৰদায়ৰ মানুহ। ভূমিজ।

চৌধুৰীয়ে এই অঞ্চলটোৰ মানুহৰ মাজত কাম কৰিছিল। এওঁলোকৰ সুখ দুখ আবেগ অনুভূতিৰ লগত নিবিড় তাৱে জড়িত হৈ পৰিছিল। তেওঁলোকেও চৌধুৰীক আপোন বুলি স্বীকাৰ কৰি লৈছিল। কেতিয়া কি অবাইচ শব্দ মুখৰ পৰা ওলায় সেই বিষয়ে সচেতন থাকি নিজকে ঢাকি ৰখা নাছিল। বাহিৰৰ পৰা তেওঁলোকৰ পিনে চাই থকা মানুহ নাছিল চৌধুৰী। তেওঁলোকৰে এজন আছিল তেওঁ।

( ২ )

হাবি বন, গছ গছনি, খাল ডোং, ধাননি পথাৰ, একো নাই। মাজেমধ্যে গছগছনি সমন্বিত দুই এটা ঘৰ চকুত পৰে। খেতিৰ মাটি নোহোৱা হোৱাত প্ৰায়বোৰ মানুহে গাওঁ এৰি গুচি গৈছে। ভিতৰুৱা অঞ্চলত মাটি বিচাৰি লৈ আধি খেতি কৰিবলৈ লৈছে। কিছুমানে ইয়াৰে কলকাৰখানাত কাম কৰে। এওঁলোকৰো নিশ্চয় পৰিবৰ্ত্তন হৈছে। অচিনাকী মানুহত পৰিণত হৈছে। মিকিৰ গাৱঁৰ ৰবি, তাপু, সম্বৰু ৰহাং, কছাৰী গাৱঁৰ ৰবি ওৱাৰী আৰু বাহাদুৰ মোচাহাৰী। এওঁলোক আছিল পাৰ্টিৰ কৰ্ম্মী। আন্তৰিক নিষ্ঠাৰ সৈতে কাম কৰিছিল। আৰু আছিল জয়ৰাম ভূমিজ। যোগ্যতম কৰ্মী, অবিসম্বাদী নেতা। বিশ্বাসত নাই কোনো দুৰ্ব্বলতা, মনত নাই কোনো সংশয়।



OKDISCD

বুঢ়া যোগৰাম আবেগপ্ৰৱণ। যুক্তিতকৈ অনুভূতিৰ অধিকতৰ বাধ্য। বিশ্বাস পৰিৱৰ্ত্তনশীল। পিছে যিখিনি সময় ধৰি থাকে। কঠিন মুষ্টিৰে খামোচ মাৰি ধৰি থাকে।

"মালিকৰ মাটি খাইছো। দিবলগা ধানখিনি নিদিলে কেনেকৈ হব? ধৰম্ নাই?"

এই বুঢ়াই পিছত দৃঢ়স্বৰে ঘোষণা কৰিছিল।

'আমি বোকাই পানীয়ে দেহামাৰি খেতি কৰিম আৰু বাবুবোৰে আৰাম কৰি ঘৰত বহি থাকি গোটেইখিনি ধান কাঢ়ি লৈ যাব? এইবোৰ কি কথা?"

মদ খালে ৰজা। চিঞৰ বাখৰ। এনেয়ে বৰ ভাল মানুহ।

গঙ্গাৰাম বাংথাইৰ খবৰ কি? বেয়া হব নালাগে। অতি বুদ্ধিমান মানুহ। অৱস্থাও ভাল। টিনৰ ঘৰ আছে। ঘৰত কাঠৰ চকীও আছে। এইখিনিত থকা জীৱন উকিলৰ মাটিবোৰ চোৱাচিতা কৰিছিল। হিচাপপত্ৰ ৰখা ধানৰ ভাগ আদায় কৰা, এইবোৰ আছিল তেওঁৰ কাম। ধানৰ ভাগৰ পৰিমাণ লৈ আন্দোলনৰ সময়ত কছাৰী আৰু মিকিৰৰ মাজত ভয়ানক কাজিয়া এখন লগাই দিয়াৰ মতলব কৰিছিল। কছাৰী গাৱঁৰ ছোৱালী চম্পাই মিকিৰ ল'ৰা বোন্দাৰ লগত পলাই যায়। পৰ্দানশীন সমাজ নহয়। আগতেও হৈছিল এনেকুৱা ঘটনা। গাৱঁতে বিচাৰ হয়, শাস্তিও হয়। ঘৰ ভাঙি দিয়া পিছে নহয়। ইয়াৰ পাৰ এটা আৰু তাৰ পাৰ এজনীয়ে লগ হৈ অইন ক'ৰবাত বাঁহ এটা সাজিলে যোৰটো ভাঙি দিবা নেকি? সেইটো জানো ধৰ্ম্মৰ কাম হব?

এইবেলি জীৱন উকিলৰ লগত যুক্তি কৰি গঙ্গাৰামে দুয়ো পক্ষক উচটাই দি অৱস্থা গুৰুতৰ কৰি তুলিলে। ইজ্জত লৈ কথা। মিকিৰ ল'ৰাক পালে কছাৰী ল'ৰাই মাৰে। কছাৰী ল'ৰাক দেখিলে মিকিৰে খেদি যায়। ইফালে ধানৰ ভাগ লৈ আন্দোলন ক'ৰবাত তল পৰি যোৱাৰ উপক্ৰম। পাৰ্টিয়ে বহু চেষ্টা কৰি দুয়ো পক্ষৰ মাজত মিট্‌মাট কৰি দিয়ে। জয়ৰামে এই সময়ত খুব সহায় কৰিছিল।

চম্পাক পলুৱাই লওঁতে বুঢ়ীমাক আঘোনী বুঢ়ীয়ে হেনো সহায় কৰিছিল।





বুঢ়ীৰ কঁকাল হালি পৰিছিল। কঁকালৰ ওপৰৰ অংশ মাটিৰ সমান্তৰাল। সেই অৱস্থাতে বুঢ়ীয়ে টকটককৈ ঘূৰি ফুৰিছিল। জোক সম্বন্ধে বুঢ়ীৰ আছিল ভয়ানক আতঙ্ক। গছৰ পাত, ঘাঁহবন কিবা এবিধ গাৰ পিনে দলি মাৰি জোক বুলি ক'লেই হ'ল। আৰু কোনে পায়? বুঢ়ীৰ জাপ আৰম্ভ হয়। জঁপিয়াই জঁপিয়াই কানিকাপোৰ গাৰ পৰা খুলি জোকাৰিব আৰম্ভ কৰে। লগতে কি গালি! আচল মজা তো এই গালি শুনাত। কি ভাষা আৰু কি শব্দপ্ৰয়োগ নৈপুণ্য!

দেৱাশীষ বৰুৱা। পাৰ্টিৰ একো এটা নহ'লেও কামত অগ্ৰহশীল। চৌধুৰীৰ লগত ঘূৰি ফুৰিছিল। কথা তো নহয়, জুইৰ ফিৰিঙতি। যোগৰামৰ চোতালত বহি আলাপ আলোচনা হৈ আছিল। এনেতে শনিৰাম আহি দেৱাশীষৰ কাষতে বহিল। শনিৰামৰ গোটেই গাতে খটখটীয়া শুকান ঘা। দুয়োহাতেৰে খজুৱাই থাকে। অস্থিৰ হৈ কেতিয়াবা বাঁহৰ কামীৰ টুকুৰা বা দাৰ আগটোৰেই খজুৱাই দিয়ে। এনেকৈ খজুৱাই দিলে আঠাৰ দৰে ৰস ওলায়। ল'ৰালৰিকৈ ঘৰত আহিয়েই দেৱাশীষে ডেটলপানীৰে গা ধুই ল'লে। ভয়তে অস্থিৰ। চৌধুৰীক প্ৰশ্ন কৰি ব্যস্ত কৰি তুলিলে।

"কুষ্ঠ নেকি? হেই দাদা, মানুহজনৰ কুষ্ঠ নেকিহে?"

পাৰ্টিৰ মধ্যস্থতাত বোন্দা আৰু চম্পাৰ ব্যাপাৰৰ নিস্পত্তি হ'ল। দুয়ো পক্ষই মিলি ৰাইজক ভোজ দিলে। নিমখৰ সলনি খাৰেৰে সিজোৱা গাহৰিৰ মাংস এডোখৰ মুখত দি দেৱাশীষে ল'ৰালৰিকৈ এজোপা জোপোহাৰ সিফালে গৈ বমি কৰি দিলে। আগৰে পৰা মদ খাই টং হৈ থকা কাৰণে গাৱঁৰ মানুহে লক্ষ্য নকৰিলেও চৌধুৰীৰ চকুত নপৰাকৈ থকা নাছিল।

নাই। দেৱাশীষৰ দৰে মানুহে এওঁলোকৰ লগত এক হৈ মিলি যাব নোৱাৰে, এওঁলোকৰ কথা হৃদয়ঙ্গম কৰিব নোৱাৰে। সমাজৰ বেলেগ স্তৰত থাকোঁতে থাকোঁতে তেওঁলোকৰ মানসিক গঠন বেলেগ হৈ গৈছে। মূল্যবোধ বেলেগ, চিন্তাধাৰা বেলেগ, দৃষ্টিভঙ্গীও বেলেগ। তত্ত্বগত ভাৱে এক বুলি ধৰি ল'লেও সেই অনুপাতে মানসিক প্ৰস্তুতি নাই। চালচলন কথাবতৰা ভিন্ন। সুখ দুখ আশা আকাঙ্ক্ষাৰ চেহেৰাই ভিন্ন। ধনীৰ জোৱান ল'ৰাজন তামোল গছৰ পৰা পৰি মৰাৰ পিছদিনাই ধনীয়ে কৈছিল—



OKDISCD

“চৌধাৰী, আপুনিও আহিছে, ভালেই হৈছে। মালাৰ কি হব ঠিক কৰি দি। মাকৰ ঘৰত যাব নে অইন কাৰোবাৰ লগত ঘৰ কৰিব সুধিপুছি ফয়-চালা এটা কৰি দি যা।”

দেৱাশীষ বৰুৱা হতভম্ব হৈ গৈছিল। মালা ধনীৰ সেই মৃত ল'ৰাৰ পত্নী। সদ্য মৃত পুত্ৰৰ পিতাকৰ এই কাঠচিতীয়া কথা শুনি স্বয়ংক্ৰিয় ভাৱে উচপ খাই উঠিছিল। মানুহজনক অতিশয় নিষ্ঠুৰ আৰু হৃদয়হীন যেন বোধ হৈছিল।

একেটা কথাই বাৰে বাৰে পেঘেনিয়াই আছিল। শেষ পৰ্য্যন্ত চৌধুৰীৰ খং উঠি গ'ল।

“ধনীয়ে হাজিৰা কাম কৰে। অকল তাৰ নিজৰ উপাৰ্জ্জনেৰে দুটা ল'ৰাৰ সৈতে মালাক খুৱাবৰ সাধ্য নাই।” হঠাতে উত্তেজিত হৈ উঠিছিল তেওঁ।

“বহুদিন ধৰি সুবিধা ভোগ কৰি থাকিলেহে এইবোৰ সূক্ষ্ম অনুভূতিক প্ৰশ্ৰয় দিব পাৰি। যিমানে বেছি টকা হাতত থাকে সিমানেই কাব্যিক ভাৱে শোক প্ৰকাশ কৰা সম্ভৱ। এইবোৰো হ'ল সুবিধাভোগী সমাজৰ সুবিধাবোৰৰ অন্যতম।”

(৩)

জয়ৰাম পাৰ্ব্বতীৰ ল'ৰা হলেও যোগৰামৰ সন্তান নহয়। তেনেকৈ চাবলৈ গ'লে পাৰ্ব্বতীও যোগৰামৰ বিবাহিতা পত্নী নহয়। ইমান হিচাপপত্ৰ কাৰ মনত থাকে? যোগৰাম, পাৰ্ব্বতী, জয়ৰাম কাৰো এইবোৰ কথা মনত নাই।

উজনি অসমৰ চাহবাগিচাত কাম কৰিবলৈ যোগৰামৰ পূৰ্ব্বপুৰুষ সকল আহিছিল ছোটনাগপুৰৰ কোনোবা পিছপৰা অঞ্চলৰ পৰা।

একালত যোগৰামৰ দৰে মাদল বজাব পৰা ডেকা দুজন নাছিল। তেওঁৰ বাজনাৰ ছেৱত বাগানৰ বনুৱা গাভৰুৰ নৃত্য অধিকতৰ প্ৰাণবন্ত হৈ উঠিছিল। পৰুৱাৰ দৰে চিঞো কঁকালখনেৰে পাৰ্ব্বতীৰ নাচোন, সুৰলা সুৰীয়া গীতে ডেকাবোৰৰ মনতো নৃত্যৰ ছন্দ জগাই তুলিছিল। এই নাচ গানক কেন্দ্ৰ কৰিয়েই দুয়োৰে হৈছিল পীৰিতি। কিন্তু সম্প্ৰদায় ভিন্ন, সামাজিক মতে বিয়া হব নোৱাৰে। পাৰ্ব্বতীৰ বিয়া হ'ল আনৰ লগত। ভাই বংশ পৰিয়াল





এৰি ডিকম ষ্টেচনত ভটিয়নী ট্ৰেনত উঠি যোগৰাম গুৱাহাটী পালে। চুনচালী বাগিচাত সোমাল। দুবছৰ পিছত যেতিয়া উভতি যায় তেতিয়া পাৰ্ব্বতীৰ কোলাত কেঁচুৱা। এইবেলি যোগৰাম সঙ্কল্পত দৃঢ়। দুয়ো পলাই আহিল। সেই কেঁচুৱাই জয়ৰাম।

জয়ৰামৰ মাক পাৰ্ব্বতীক চৌধুৰীহঁতে মাউচী অৰ্থাৎ মাহীদেউ বুলি মাতিছিল। ৰাতি থাকিবলৈ হ'লে সিহঁতৰ ঘৰতে থাকিছিল। মাটিত খেৰৰ ওপৰত ঢাৰি পাৰি শুবলৈ দিছিল। বজাৰত বিকিবৰ কাৰণে সাঁচি থোৱা কুকুৰাটো মাৰি খুৱাইছিল। স্বাস্থ্যৰ লৰচৰ হ'লে তৎক্ষণাৎ তেওঁৰ চকুত ধৰা পৰিছিল।

“এই ছাৱা তোৰ কি অসুখ ৰে?”

জয়ৰামৰ মাক পাৰ্ব্বতীৰ বয়স তিনি কুৰি হ'লেও স্বাস্থ্য বেচ ভাল। এতিয়াও দুদিনতে এবিঘা ভূঁই মাটিত কঠীয়াৰ গোছা দিব পাৰে। জোৱান চুকৰীৰ লগত সমানে ফেৰমাৰি চুনচালী বাগিচাত পাত তোলে। সমদলত সকলোৰে কাণত স্পষ্ট ভাৱে পৰাকৈ ধ্বনি তুলিব পাৰে।

“মেহনতী মজদুৰ—এক হ।”
“কিষান মজদুৰ—ভাই ভাই।”

জয়ৰামৰ পৰিবাৰ ফুলমতিয়াৰ এটামাত্ৰ হাউচ, একমাত্ৰ হাবিয়াস হ'ল ল'ৰা কিষানে লিখাপঢ়া শিকি ডাঙৰ মানুহ হব। জয়ৰামৰ বৰ বেছি উৎসাহো নাই, আপত্তিও নাই। বুঢ়া যোগৰামে ফুলমতিয়াৰ এই আশা মষিমূৰ কৰাৰ কাৰণে উঠি পৰি লাগিছে। ইচ্ছা কৰি কিষাণৰ পঢ়াত বিঘ্ন ঘটায়। স্কুললৈ যোৱাৰ সময়ত চাৰি পইচাৰ বিড়ি আনিবলৈ দিয়ে। সৰু ল'ৰাৰ দৰে এদিনা কিতাপৰ ওপৰত চিয়াহীৰ দোৱাত বগৰাই দিছিল। ওলোটাই ফুলমতিয়াৰ ওপৰত খং কৰি উঠিল—“হাতটো লাগি পৰি গে'ল তো হামি কি কৰিব? পিট, তবে পিট হামাকে। মাই বেটা লগ লাগি পিট হামাকে” কিষাণে অখণ্ড অধ্যৱসায়েৰে চিঞৰি চিঞৰি পঢ়ে।

“এ, বি, চি, এটা ত্ৰিভুজ। এ, বি, চি, এটা ত্ৰিভুজ।”

শুনি শুনি বুঢ়াৰ মূৰ গৰম হৈ যায়। খঙতে ভেঙুচাই দিয়ে—“ইমান চিল্লাই আছ কাহে? এবেচি, এবেচি। দিনভৰ চিল্লানী।”



OKDISCD

গধুলি মদ খাই মতলব কৰি বেচিকৈ হাল্লা কৰে। ফুলমতিয়াই আপত্তি কৰিলে ইতিকিং কৰে।

"ওৰে বাপ্ৰে! কাৰ ঘৰে হামি হাল্লা কৰিছি ?
দেও, নিকাল দেও হামাকে। মাই বেটা লগ লাগি
নিকাল দেও হামাকে।"

জয়ৰাম এইবোৰ কথাত নাই। খেতিৰ কাম কৰে, পাৰ্টিৰ কামত ঘূৰি ফুৰে। কামো কিছু হৈছে। এই অঞ্চলত সংগঠন ভালেই হৈছে। বুঢ়াক বলে নোৱাৰি ফুলমতিয়াই জয়ৰামক পাকৰাও কৰে।

"চল, আমি বেলেগে থাকি। উটা তোৰ
নিজৰ বাপ নেকি ? এক সাথে থাকতে হোবে
কেনে ?"

জয়ৰামে সাধাৰণতে ফুলমতিয়াক নামাৰে। সিদিনাও নামাৰিলে। খৰি কটা দাখন হাতত লৈ ধাৰ পৰীক্ষা কৰি ফুলমতিয়াকো পৰীক্ষা কৰিবলৈ দিলে। তেওঁ অস্বস্তিবোধ কৰিলে। ধাৰ পৰীক্ষা কৰি ক'লে—"ঠিকেই তো আছে।" জয়ৰামে গম্ভীৰ ভাৱে ক'লে—"ভালকৈ চা। এক ঘাপে

তোৰ মূৰটো ছিটিকি মাটিত পৰিব নে
নাই, কচোন। চাচোন, ভালকৈ চা।"

জয়ৰাম বুজৰ মানুহ। বুঢ়াক অলপ চম্ভালি থাকিবলৈ কবৰ কাৰণে গৈ তুয়ো বহুদিনৰ মূৰত একে লগে মদ খাই বেহুচ হৈ পৰি থাকিল।

( ৪ )

বহুত দিন আগৰ ঘটনা। গধুলি শ্মশানৰ ফালৰ পৰা অহা কান্দোন শুনি চৌধুৰীৰ বুকুখন চিৰিং কৰি উঠিল।

"অ' মোৰ পাৰ্ব্বতী ৰে, জয়ৰামৰ মা ৰে......।
মোৰ সোনাৰ পাৰ্ব্বতী কুথা গেইল ৰে......।"

যোগৰামৰ মাত। পাৰ্ব্বতীয়ে তিনি দিন আগতেও খৰিৰ বোজা লৈ শিল-পুখুৰীত বেচিবলৈ গৈছিল। কি হ'ল ইতিমধ্যে ? চৌধুৰীৰ মনটো বেয়া হৈ গ'ল।





শ্মশানখন আলিদাঁতিৰ টিলাটোত, গাঁৱৰ মূৰত। চৌধুৰীয়ে বেগাবেগিকৈ সিফালে খোজ ল'লে।

যোগৰাম সিফালৰ পৰা আহি আছে। খোজ ঢলং-পলং।

"ৰে পাৰ্ব্বতী ৰে......।"

শুকৰামে লগ পাই কথাষাৰ বুজাই দিলে।

"কিয় মৰিব পাৰ্ব্বতী ? বুঢ়াক নাজানে ?
মদ খাই হাল্লা কৰিছে।"

যোগৰামক ডাবি দিলে—"এই যোগৰাম, চিল্লাইছ কিয় ?" শুকৰামৰ কথা বুঢ়াৰ কাণতে নগ'ল। ব্যাকুল ভাৱে চৌধুৰীৰ মুখৰ পিনে চাই বৈ বৈ ক'লে—

"বাবুৰে, মই কি কৰিম ৰে......। জয়ৰামৰ মাক
ভাগি গ'ল ৰে......। ৰে পাৰ্ব্বতী ৰে.........।"

আকৌ বিননি।

ভাগি গ'ল মানে পলাল। পলাল ? তুকুৰি বছৰীয়া পুতেক জয়ৰাম, বোৱাৰীয়েক, নাতি কিষাণ আৰু বুঢ়াক এৰি পলাল ?

বুঢ়াই অকলে মদ খায়। বুঢ়ীজনীয়ে ভাগ নাপায়। বুঢ়াৰ মনত ধিক্কাৰ লাগিল। বুঢ়াক খুৱাবৰ কাৰণে ঘৰলৈ লৈ আহিল। চোতালৰ আনটো মূৰত তেওঁলোকৰ ঘৰটোত বহি তুয়ো খাই আছিল। বুঢ়ীয়ে তুটা কণীও ভাজি দিছে। তুয়ো কথা পাতি আছিল। বুঢ়াৰ মনটো বৰ ফৰকাল ফৰকাল লাগিছিল। পুৰণি ঢোলটো নমাই লাহে লাহে বজাই চাইছিল।

"ধা, ধিন তাক, তাক ধিন ধা, তাতুম নাতুম, তাক ধিন ধিন।"

মুখেৰে গুণগুণাই গাইছিল পুৰণি গীতৰ এটা কলি।

"এই, আস্তে।"

পাৰ্ব্বতীয়ে ফুচফুচাই সকিয়াই দিছিল।

"কিষাণে পঢ়ি আছে।"

কোনে শুনে কাৰ কথা ? চকু বন্ধ কৰি বুঢ়াই বজাই থাকিল।

"ধা তিন তাক, তাক ধিন ধা,
তাতুম নাতুম তাক—ধিন ধিন ধা।"

বুঢ়ীক ক'লে—"গা না......গীত......।"

"কিষাণ পঢ়ি আছে।"

"চাপচুপে গা......।"



OKDISCD

গধুলি মদ খাই মতলব কৰি বেচিকৈ হাল্লা কৰে। ফুলমতিয়াই আপত্তি কৰিলে ইতিকিং কৰে।

"ওৰে বাপ্ ৰে! কাৰ ঘৰে হামি হাল্লা কৰিছি ?
দেও, নিকাল দেও হামাকে। মাই বেটা লগ লাগি
নিকাল দেও হামাকে।"

জয়ৰাম এইবোৰ কথাত নাই। খেতিৰ কাম কৰে, পাৰ্টিৰ কামত ঘূৰি ফুৰে। কামো কিছু হৈছে। এই অঞ্চলত সংগঠন ভালেই হৈছে। বুঢ়াক বলে নোৱাৰি ফুলমতিয়াই জয়ৰামক পাকৰাও কৰে।

"চল, আমি বেলেগে থাকি। উটা তোৰ
নিজৰ বাপ নেকি ? এক সাথে থাকতে হোবে
কেনে ?"

জয়ৰামে সাধাৰণতে ফুলমতিয়াক নামাৰে। সিদিনাও নামাৰিলে। খৰি কটা দাখন হাতত লৈ ধাৰ পৰীক্ষা কৰি ফুলমতিয়াকো পৰীক্ষা কৰিবলৈ দিলে। তেওঁ অস্বস্তিবোধ কৰিলে। ধাৰ পৰীক্ষা কৰি ক'লে—"ঠিকেই তো আছে।" জয়ৰামে গম্ভীৰ ভাৱে ক'লে—"ভালকৈ চা। এক ঘাপে

তোৰ মূৰটো ছিটিকি মাটিত পৰিব নে
নাই, কচোন। চাচোন, ভালকৈ চা।"

জয়ৰাম বুজৰ মানুহ। বুঢ়াক অলপ চম্ভালি থাকিবলৈ কবৰ কাৰণে গৈ দুয়ো বহুদিনৰ মূৰত একে লগে মদ খাই বেহুচ হৈ পৰি থাকিল।

( ৪ )

বহুত দিন আগৰ ঘটনা। গধুলি শ্মশানৰ ফালৰ পৰা অহা কান্দোন শুনি চৌধুৰীৰ বুকুখন চিৰিং কৰি উঠিল।

"অ' মোৰ পাৰ্ব্বতী ৰে, জয়ৰামৰ মা ৰে......।
মোৰ সোণাৰ পাৰ্ব্বতী কুথা গেইল ৰে......।"

যোগৰামৰ মাত। পাৰ্ব্বতীয়ে তিনি দিন আগতেও খৰিৰ বোজা লৈ শিল-পুখুৰীত বেচিবলৈ গৈছিল। কি হ'ল ইতিমধ্যে ? চৌধুৰীৰ মনটো বেয়া হৈ গ'ল।





শ্মশানখন আলিদাঁতিৰ টিলাটোত, গাঁৱৰ মূৰত। চৌধুৰীয়ে বেগাবেগিকৈ সিফালে খোজ ল'লে।

যোগৰাম সিফালৰ পৰা আহি আছে। খোজ ঢলং-পলং।

"ৰে পাৰ্ব্বতী ৰে...... ।"

শুকৰামে লগ পাই কথাষাৰ বুজাই দিলে।

"কিয় মৰিব পাৰ্ব্বতী ? বুঢ়াক নাজানে ?
মদ খাই হাল্লা কৰিছে।"

যোগৰামক ডাবি দিলে—"এই যোগৰাম, চিল্লাইছ কিয় ?" শুকৰামৰ কথা বুঢ়াৰ কাণতে নগ'ল। ব্যাকুল ভাৱে চৌধুৰীৰ মুখৰ পিনে চাই বৈ বৈ ক'লে—

"বাবুৰে, মই কি কৰিম ৰে......। জয়ৰামৰ মাক
ভাগি গ'ল ৰে......। ৰে পাৰ্ব্বতী ৰে.........।"

আৰো বিননি।

ভাগি গ'ল মানে পলাল। পলাল ? ডুকুৰি বছৰীয়া পুতেক জয়ৰাম, বোৱা-ৰীয়েক, নাতি কিষাণ আৰু বুঢ়াক এৰি পলাল ?

বুঢ়াই অকলে মদ খায়। বুঢ়ীজনীয়ে ভাগ নাপায়। বুঢ়াৰ মনত ধিক্কাৰ লাগিল। বুঢ়ীক খুৱাবৰ কাৰণে ঘৰলৈ লৈ আহিল। চোতালৰ আনটো মূৰত তেওঁলোকৰ ঘৰটোত বহি দুয়ো খাই আছিল। বুঢ়ীয়ে দুটা কণীও ভাজি দিছে। দুয়ো কথা পাতি আছিল। বুঢ়াৰ মনটো বৰ ফৰকাল ফৰ-কাল লাগিছিল। পুৰণি ঢোলটো নমাই লাহে লাহে বজাই চাইছিল।

"ধা, ধিন তাক, তাক ধিন ধা, তাতুম নাতুম, তাক ধিন ধিন।"

মুখেৰে গুণগুণাই গাইছিল পুৰণি গীতৰ এটা কলি।

"এই, আস্তে।"

পাৰ্ব্বতীয়ে ফুচফুচাই সকিয়াই দিছিল।

"কিষাণে পঢ়ি আছে।"

কোনে শুনে কাৰ কথা ? চকু বন্ধ কৰি বুঢ়াই বজাই থাকিল।

"ধা তিন তাক, তাক ধিন ধা,
তাতুম নাতুম তাক—ধিন ধিন ধা।"

বুঢ়ীক ক'লে—"গা না......গীত...... ।"

"কিষাণ পঢ়ি আছে।"
"চাপচুপে গা...... ।"



OKDISCD

বুঢ়ীৰ মনতো ৰঙৰ পৰশ লাগিছে। মন বান্ধিব নোৱাৰি গুণগুণাই ধৰিলে—

"অত' যতন কৰিয়া মাথাৰ বান্ধি চুল গো
মাথাৰ বান্ধি চুল।
অত' কৰিয়া কইলাম গো—নাদিস আনিয়া ফুল গো
ৰাঙা পলাশ ফুল গো,
খোপায় পিন্ধাৰ ফুল গো......।"

ঢোলৰ ছেৱত আৰু সুৰৰ লহৰত তল পৰিল বয়স। পাহৰি গ'ল সংসাৰৰ কথা, পো বোৱাৰী নাতিৰ কথা। বুঢ়ীৰ কণ্ঠত চল্লিশ বছৰ আগৰ পাৰ্ব্বতীৰ মাত ঝনঝনাই উঠিল। বুঢ়াই কঁকাল পোন কৰি থিয় হৈ সজোৰে ঢোলত কোব দিলে—

"তাতুম নাতুম তাক—
ধিন ধিন ধা—"

বুঢ়ীয়ে থিয় হৈ কঁকাল ঘূৰাই গাই উঠিল।

"অত' যতন কৰিয়া......।"

ফুলমতিয়াই জয়ৰামক ইতিকিং কৰি ক'লে—"শুণৰে কিষাণৰ বাবা,
তোৰ মাই সৎবাবাৰ লগত ঝুমুৰ ধৰিছে।"

জয়ৰামে লাজ পালে। কিষাণ খণ্ডতে জকি উঠিল।

"কোনে এইখন ঘৰত থাকি পঢ়িব পাৰে? নাথাকো
মই ইয়াত। মিলিটাৰিত ভৰ্ত্তি হম।"

বুঢ়া আৰু বুঢ়ী। দুয়ো মচগুল।

"তাতুম নাতুম তাক।"

জয়ৰামে দুৱাৰত ঢকিয়াই ক'লে—"এই কি হ'ল তহঁতৰ?
পাগল হলি নেকি?"

পুতেকৰ মাত পাৰ্ব্বতীৰ কাণত পৰিল। বুঢ়ীয়ে চৰম পালে। ছিঃ কথাটো বৰ বেয়া হ'ল। বুঢ়াক ক'লে—

"এই চুপ কৰ, চুপ কৰ।"
"কা—হে" বুঢ়াই গৰজি উঠিল।
"কিষাণে পঢ়ি আছে"
"কি হ'ল তাতে? সেইবুলি......।"





এনেতে—ক্লাচ টেনত পঢ়া কিষাণৰ মাত কাণত পৰিল।

"ৰোজ ৰোজ হাল্লা। ছোটলোকৰ দৰে।"

ছোটলোক? খণ্ডে বুঢ়াৰ মূৰৰ চুলি পালে গৈ।

"চুৰাৰকো বাচ্চা চব, চাৰা জিন্দগী ভৰ
তোমলোককো ৰাস্তে......"

খং উঠিলে বুঢ়াৰ মুখত ভগা হিন্দী ওলায়। বুঢ়ীয়ে বুঢ়াৰ মুখত হাতেৰে সোপা দিবৰ চেষ্টা কৰিলে। বুঢ়াৰ গোটেইখিনি খং বুঢ়ীৰ ওপৰত পৰিল।

"তইয়ো তাহাতৰ লগ, চালী, বেইমান বহুভাতাৰী।" লগেলগে কাষত থকা গৰু খেদা এছাৰিৰে বুঢ়ীৰ মূৰত সোধালে এটা কোব। দ্বিতীয় কোব সোধোৱাৰ আগতেই দুৱাৰ খুলি বুঢ়ী পলাল।

বুঢ়ী গ'ল। মাৰধৰ কৰিলে কিয় থাকিব তাৰ লগত? চল্লিশ বছৰ পিছত প্ৰথম বাৰৰ কাৰণে বুঢ়াৰ ভাব হ'ল পাৰ্ব্বতীয়ে তেওঁক এৰি গুচি গ'ল। বুঢ়ী গৈ আছে। গৈ আছে, গৈ আছে, গৈয়েই আছে। হাবি বননিৰ মাজে মাজে নৈ আৰু পৰ্ব্বত পাৰ হৈ গৈ আছে। খাটাংপানী বাগানৰ পিনে। হয়। সেইখন বাগানৰ পৰাই চল্লিশ বছৰ আগতে যোগৰামে পাৰ্ব্বতীক পলুৱাই আনিছে। আজি প্ৰথম বাৰৰ কাৰণে বুঢ়াই অকাৰণে অনুভৱ কৰিলে যে তেওঁ জয়ৰামৰ দেউতাক নহয়। তেওঁ এজন প্ৰবঞ্চক। গুচি গ'ল পাৰ্ব্বতী। বুকুৰ গোটেই কেইডাল সিৰ্ যেন একেলগে ছিঙি গ'ল বুঢ়াৰ। হাহাকাৰ কৰি আৰ্ত্তনাদ কৰি উঠিল—"পাৰ্ব্বতী ৰে......।"

ইফালে গাওঁৰ মূৰত পাৰ্ব্বতী আৰু জয়ৰামে জুইৰ জোৰ লৈ বুঢ়াক বিচাৰি ফুৰিছে।

"এ, জয়ৰামৰ বাপ ৰে......।"

বুঢ়াই কাণ থিয় কৰি শুনিলে। তাক মাতিছে পাৰ্ব্বতীয়ে এই ভাৱে?

"পাৰ্ব্বতী ৰে......কাক মাতিছ ৰে......।"
"কাক মাতিম ৰে, মৰা, শগুনে খোৱা? তোকেই
মাতিছো। চল, ঘৰ চল। ৰাতভৰ চিল্লাই
মৰিম নেকি?"



OKDISCD

( ৫ )

দেৱাশীষ বৰুৱাই গাহৰিৰ মাংস এডোখৰ মুখত দি বমি কৰি দিছিল। এই সাধাৰণ মানুহবোৰৰ লগত তেওঁ কোনোৰকমে সহজ হব নোৱাৰে।

দেৱাশীষ বৰুৱাই কলেজত পঢ়া দিনলৈকে দেউতাকক অতিশয় ভয় কৰিছিল। কাঢ়া শাসন জীৱন বৰুৱাৰ। দেৱাশীষৰ শোৱা, বহা, ফুৰাচকা সকলো নিয়ন্ত্ৰিত হয় জীৱন বৰুৱাৰ নিৰ্দ্দেশত। প্ৰত্যেকটো পদক্ষেপ কঠোৰ নিয়মেৰে বন্ধা। দেউতাকৰ চকুত চকু পৰিলে দেৱাশীষ থৰ লাগি যায়। মগজুয়ে কাম নকৰা হয়। মাৰধৰ নকৰে। কিন্তু দেউতাকক দেখিলে তেওঁৰ জীউ শুকাই যায়। এটা অযৌক্তিক ভয়। দেউতাক ঘৰত নাথাকিলেহে সহজ ভাৱে উশাহ লব পাৰে।

জীৱন বৰুৱা প্ৰতাপী মানুহ। নিজে যে নামকৰা উকীল সেয়েই নহয়। চহৰৰ উপকণ্ঠত তেওঁৰ বহুতো মাটি। এইবোৰ মাটিত খেতি কৰে কছাৰী মিকিৰ ইত্যাদি মানুহে। এই মাটি চলোৱাৰ কাৰণে বৰুৱাৰ বেলেগ ব্যৱস্থা আছে। কৰ্ম্মচাৰী আছে, মহৰী আছে।

দেৱাশীষে তেতিয়া বি, এ পঢ়ে। কলিকতাৰ মোহনবাগান দলে গুৱাহাটীত প্ৰদৰ্শনী খেল খেলিবলৈ আহিছিল। দেৱাশীষে বন্ধু কেইজনৰ লগত খেল চাবৰ কাৰণে টিকট কিনি থৈছিল।

দেউতাকে তেওঁক ওলোৱা দেখি ক'লে—
"শশীখুৰাৰ চিঠি পাইছো। তেখেত আজি—
যোৰহাটৰ পৰা একৃচ্প্ৰেচ্ বাচত আহিব।
চাৰে চাৰি বজাত বাচখন আহি পায় বোধহয়।
ড্ৰাইভাৰক লগত লৈ তইয়ো ষ্টেচনলৈ যাবি।"

দেৱাশীষে এবাৰ মুখ ফুটাই কব নোৱাৰিলে যে তেওঁৰ খেল চাবৰ মন। দেউতাকে জানিলে হয়তো আপত্তিও নকৰিলে হয়। কিন্তু কবই নোৱাৰিলে।

তেতিয়া চহৰত দোতালা ঘৰ কমেই আছিল। তাৰে এটা হ'ল জীৱন বৰুৱাৰ। ওপৰ তালাৰ এটা ফালে দেৱাশীষ থাকে। আনটো ফালে মাক





দেউতাক আৰু ভনীয়েকজনী। চাকৰ নোকৰৰ ঘৰ বেলেগ। বিনা প্ৰয়োজনে সিহঁত ওপৰলৈ নাহে।

মাকে ভনীয়েকজনীক লৈ তেওঁৰ মাকৰ ঘৰলৈ গৈছিল। পিছবেলা কলেজ ছুটি হৈ গ'ল। সৰ্ব্বভাৰতীয় ৰাজনৈতিক নেতা এজনৰ মিটিং আছিল। ৰাজনৈতিক সভাসমিতিৰ প্ৰতি দেৱাশীষৰ আগ্ৰহ নাই। তেওঁ ঘৰলৈ গুচি আহিল।

ষ্টেটচ্মেনখন বিচাৰিলে। বোধহয় দেউতাকৰ কোঠাতেই আছে। বন্ধ দুৱাৰখন ঠেলামাৰি খুলিয়েই দেৱাশীষৰ চকুদুটা সাময়িক ভাৱে অন্ধ হৈ গ'ল। দৃষ্টিশক্তি নষ্ট হোৱাৰ আগতে তেওঁ দেখিলে যে দেউতাক জীৱন বৰুৱাই বিছনাৰ দাঁতিত ভৰি নমাই বহি আছে। এটা অশালীন অৱস্থাত তেওঁৰ কোলাত সুৰমামাহী। সুৰমামাহীয়ে অবিবেচনাৰ কাম কৰিলে। দুৱাৰখন ঠেলামাৰি খোলাৰ লগে লগে চকুথাই তেওঁ মুখখন ঘূৰাই চালে। বিশেষ শাৰীৰিক অৱস্থানৰ কাৰণে দুয়োৰে তৎক্ষণাৎ বিচ্ছিন্ন হোৱা সম্ভৱ নাছিল। স্থিৰ-চিত্ৰ এখনৰ দৰে দৃশ্যটো দেৱাশীষৰ চকুৰ আগত ভাহি থাকিল। কেইটামান মাত্ৰ মুহূৰ্ত্ত। লগে লগে দেৱাশীষৰ স্মৃতিশক্তিও নষ্ট হৈ গ'ল।

ডাঙৰ অস্ত্ৰোপচাৰৰ পিছত অজ্ঞান অৱস্থাতো মানুহে কেতিয়াবা বিছনাৰ পৰা ছিটিকি পৰিব খোজে। সজ্ঞান প্ৰচেষ্টাত নহয়, বেলেগ কিবা এটা শক্তিয়ে যেন দেৱাশীষক খুন্দামাৰি ছিটিকাই দিলে।

লাজ নহয়, খং নহয়, ঘৃণাও নহয়। তেওঁৰ একমাত্ৰ অনুভূতি হ'ল তীব্ৰ আতঙ্ক। তেওঁৰ বদ্ধমূল ধাৰণা হ'ল দেউতাকে তেওঁক হত্যা কৰিব। আৰু তেওঁ ইমান ডাঙৰ আৰু ইমান শক্তিশালী যে পলাই নগ'লে দেৱাশীষৰ ৰক্ষা নাই।

নিজৰ পৰা সিদ্ধান্ত লৈ একো কৰিবৰ শক্তি নাই কাৰণে দেৱাশীষে সাংঘাতিক একো কৰিব নোৱাৰিলে। উদভ্ৰান্তৰ দৰে ঘূৰি ঘূৰি গধুলি তেওঁ গঙ্গাৰাম বাংথাইৰ ঘৰ পালে গৈ। আগেপিছে তেনেকৈ অহা যোৱা নাই। দেৱাশীষৰ চেহেৰা দেখি গঙ্গাৰাম শঙ্কিত হৈ উঠিল।

"কি হ'ল ?"

"নাই হোৱা একো।"



OKDISCD

গঙ্গাৰামে উচপিচাব ধৰিলে। বহুসময়ৰ মূৰতো দেৱাশীষৰ উঠিবৰ লক্ষণ নেদেখি তেওঁ উদ্বিগ্ন হৈ উঠিলে।

"ব'লক। ঘৰলৈ যাওঁ।"

দেৱাশীষৰ কাণত কথা নোসোমালেই। আচলতে তেওঁ চহৰৰ পিনে যাবলৈ প্ৰস্তুত নহয়। গঙ্গাৰামৰ উদ্বেগ বাঢ়ি গ'ল। ইমান ৰাতিলৈকে তেওঁৰ তাত থকা বুলি জানিলে জীৱন বৰুৱাই তেওঁকে জগৰীয়া কৰিব। ইফালে ঠেলি হেঁচি বাহিৰ কৰিও দিব নোৱাৰি। মহা জুলুম।

উপায় নাপাই ৰাতি দহমান বজাত তেওঁ নিজেই বৰুৱাৰ ঘৰত উপস্থিত হ'ল। ইফালেও হুলস্থুল লাগি গৈছে। গঙ্গাৰাম বাংখাইৰ তালৈ যাব পাৰে বুলি কোনেও ভাবিব পৰা নাই। ৰাও দেখি তেওঁৰ কঁপনি উঠিল। ইমান ৰাতিলৈকে খবৰ নিদিয়াৰ অপৰাধবোধে তেওঁক আতঙ্কিত কৰি তুলিলে। মাৰধৰ খাব বুলিয়েই তেওঁৰ ভয় হ'ল।

বৰুৱাই পিছে খবৰ পাই একো নক'লে।

"থাকক দিয়া তেনেহ'লে আজি ৰাতিটো তোমাৰ তাতে। ঠাই হ'বনে?"

"হব চাৰ। কিয় নহব? হব, হব।

"বিচনাপাতি আছে নে পঠিয়াই দিম?"

হেৰা, ড্ৰাইভাৰক মাতাচোন।"

"নালাগে চাৰ হব হব।"

ইটো কি হ'ল? গঙ্গাৰামৰ খেলিমেলি লাগি গ'ল। গাড়ীত বহি যাওঁতে তেওঁ ইমান ধুৰলী কুঁৱলী দেখিবলৈ ধৰিলে যে নিজৰ মূৰত সজোৰে কেইটামান থাপ্পৰ লগাই দিলে। ড্ৰাইভাৰৰ কাষত বহিথকা অৱস্থাতে।

গঙ্গাৰাম ব্যস্ত আৰু অস্থিৰ হৈ উঠিল। মহাজুলুম। মোৰ তাত কিয়? ঘৰৰ পৰা ওলাই গৈ ক'ত মৰি থাকা মোৰ কি? মোৰ ইয়াত কিয়? বাপেকটোও নো কি? কাণত ধৰি টানি লৈ গ'লেই হ'ল। কলে—"থাকক দিয়া তোমাৰ তাতে।" ডাঙৰ মানুহৰ কথাই বেলেগ। আমি হ'লে একো বুজি নাপাওঁ।

মাকে জীৱন বৰুৱাক ধৰিলে—

"কি কৰিছা তুমি ল'ৰাক? কোৱা।





সাংঘাতিক কিবা নকৰিলে সি কিয় এনেকৈ গুচি যাব? ইমান শান্ত আৰু বাধ্য ল'ৰা মোৰ। কি কৰিছা কোৱা।"

জীৱন বৰুৱাৰ উদ্ধত দৃষ্টিৰ অন্তৰালত শঙ্কাৰ ছাঁ এটা ভুমুকি মাৰি গ'ল। তেওঁ ওলোটাই সুধিলে—

"সি কি কাৰণে যোৱা বুলি কয়?"

"ইমানকৈ সুধি আছো, একো নকয়।"

"তাক বৰ বেচি জুলুম নকৰাই ভাল। বয়সটো বেয়া। কোনেও একো নক'লে কিছুদিন পিছত ঠিক হৈ যাব। কিছুদিন হোষ্টেলত থাকক। লগৰ লগত থাকিলে ঠিক হৈ যাব। সেই কাৰণে পাৰিলে ল'ৰাক হোষ্টেলত ৰাখিব লাগে।"

এনেকৈ দেৱাশীষে ঘৰৰ পৰা আঁতৰি গৈছিল। ঘটনাটো সম্বন্ধে তেওঁ কাকো একো কোৱা নাই। আচলতে তেওঁ সম্যক ৰূপে বুজি পোৱা নাই। ঘটনাটো ইমান ডাঙৰ যে তেওঁৰ মগজুয়ে তাক স্থান দিব পৰা নাই। বিনা অনুমতিত দেউতাকৰ কোঠাত সোমাই প্ৰথমেই তেওঁ ভয়ানক এটা অন্যায় কাম কৰিছে। এই বোধটো ঠিকেই আছে। এই অপৰাধৰ কাৰণে দেউতাকে শাস্তি দিবই। তেওঁৰ মনৰ পৰা দৃশ্যটো চিৰদিনৰ কাৰণে আঁতৰাই দিয়াৰ কাৰণে খুব সম্ভৱ হত্যাই কৰিব।

দেখাত দেৱাশীষ স্বাভাৱিক হৈয়েই থাকিল। আত্মীয় স্বজনে কোৱাকুই কৰিলে—"বৰ বেচি শাসনত থাকি এনেকুৱা হৈছে।"

দেৱাশীষ হোষ্টেলত থাকিল। বন্ধত ঘৰৰ কাকো নোকোৱাকৈ ক'ৰবাত গুচি যায়। বোম্বে, দিল্লী, বিশেষকৈ কলিকতা। বেলেগ বন্ধুবান্ধৱ জোটালে। পৰীক্ষা হৈ যোৱাৰ পিছতো বিশেষ বন্ধু কেইজনৰ লগত মেচ এটাত থাকিবলৈ ল'লে।

দেউতাক তেওঁৰ শত্ৰু। এই পৰাক্ৰমী শত্ৰুৰ বিৰুদ্ধে প্ৰকাশ্যে থিয় হবৰ শক্তি তেওঁৰ নাই। সাহসো নাই। দেউতাকৰ বহুতো মাটি। ইতিমধ্যে আধিত খেতি কৰা খেতিয়কৰ মাজত অসন্তোষৰ সৃষ্টি হৈছে। তেওঁলোকে শোষন আৰু বঞ্চনা সম্বন্ধে লাহে লাহে সচেতন হৈ উঠিব ধৰিছে। দেৱাশীষে তেওঁলোকৰ এই আন্দোলনৰ লগত নিজকে জড়িত কৰি পেলালে। এইটোই হ'ল তেওঁৰ দেউতাকক প্ৰত্যাহ্বান কৰাৰ ভঙ্গী।



OKDISCD

আচলতে তেওঁৰ কোনো প্ৰত্যয় নাই, বিশ্বাস নাই। আদৰ্শৰ কোনো প্ৰশ্ন নাই। কিছুমান প্ৰচলিত ধ্বনি লৈ তেওঁৰ কাৰবাৰ।

( ৬ )

চৌধুৰীৰ ভিতৰুৱা গাওঁ এখনত মিটিং শেষ কৰোঁতে বহুত ৰাতি হৈ গ'ল। ইফালে থাকিবলগীয়া হ'লে তেওঁ জয়ৰামৰ ঘৰতেই থাকে। জয়ৰামৰ মাক পাৰ্ব্বতীয়ে বৰ মৰম কৰে। ক'ৰবাত গাটো পেলাব পাৰিলে চৌধুৰীৰ তৎক্ষণাত টোপনি আহে।

অভণ্ডৰ ঘৰৰ কাষ পাই ভাৱিলে জয়ৰামৰ ঘৰলৈ ইমান দূৰ নো কিয় যাব লাগিছে? অভণ্ডৰ ঘৰৰ সোঁফালে ৰবাব টেঙাৰ গছজোপাৰ তলত কাঠৰ বাকলিৰে সঁজা দুখন বেঞ্চ আছে। কাকো নমতাকৈ ৰাতিটো তাতেই শুই থাকিব বুলি ঠিক কৰিলে। চৌধুৰীৰ লগত কাপোৰৰ মোনা এটা থাকেই। তাত তেওঁ এটা তিনি ৰেটাৰীৰ টৰ্চ্চো ৰাখে।

গছৰ পিনে টৰ্চ্চৰ পোহৰ মাৰি দি তেওঁ নিথৰ হৈ ৰৈ গ'ল। গছত হেলান দি অভণ্ডৰ পৰিবাৰ ফুলো থিয় হৈ আছে। সেই অৱস্থাতে দেৱাশীষে ...।

চৌধুৰীয়ে ভুত দেখা দি দেখিলে।

চৌধুৰীয়ে টৰ্চ্চটোৰে দেৱাশীষৰ মূৰত গাৰ বলেৰে মাৰিবলৈ গৈও কোনো-প্ৰকাৰে নিজকে চম্ভালি উৰ্দ্ধশ্বাসে তাৰ পৰা লৰ মাৰি পলাই গ'ল। দৃশ্যটোৱে তেওঁৰ মূৰত জুই জলাই দিলে।

জয়ৰামে ব্যস্ত হৈ সুধিলে—"হে চৌধাৰী বাবু, কি হৈছে? নকয় কিয়?"

"নাই হোৱা একো। নাদৰ পানীতোলা বাল্টিটো আছে নে? গা ধুই লওঁ।"

এই দৃশ্যটো দেৱাশীষৰ দেউতাক আৰু সুৰমামাহীৰ অৱস্থানৰ দৃশ্যটোৰ ওপৰত প্ৰক্ষিপ্ত হৈ দুয়োটা দৃশ্য যেন কটাকটি হৈ গ'ল। ইয়াতো নায়ক নায়িকা আৰু দৰ্শক। তাতো নায়ক নায়িকা আৰু দৰ্শক। দুয়োটা দৃশ্যৰে দৰ্শক থকা কাৰণে এইটো সম্ভৱ হ'ল। দেৱাশীষে দেউতাকৰ লগত একাত্মীয়তা বোধ কৰিলে। কম নহয় বৃদ্ধ।





বাহাদুৰ মানুহ।' দি ওল্ড ৰোগ।' দেৱাশীষে এটা বেমাৰৰ পৰা মুক্তি পোৱা যেন বোধ কৰিলে। তেওঁ আকৌ স্বাভাৱিক ভাৱে ঘৰলৈ যোৱা আৰম্ভ কৰিলে। দেউতাকক দেখিলে তেওঁৰ হাঁহি উঠিব খোজে। চকু টিপিয়াই দিবৰ মন যায়। বিশেষ ইঙ্গিত দি সুধিবৰ মন যায়—পাঠ্যক্ৰমৰ বাহিৰা কামকাজ কেনেকুৱা চলিছে আজিকালি?

দেউতাকে দেৱাশীষক এই স্বাভাৱিক অৱস্থালৈ অহা দেখি উল্লাসিত হৈ উঠিছে। বন্ধুৰ দৰে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছে। অভ্যাস নাই কাৰণে অস্বস্তিও বোধ কৰিছে। ইংৰাজীত কথাবতৰা পাতে।

"এনেকৈ নানাধৰণৰ মানুহৰ মাজত ঘূৰি ভালেই কৰিছা। কথাষাৰ মই বেয়া পোৱা নাই। মানুহক অভিজ্ঞতা লাগে। নিৰ্দ্দিষ্ট গণ্ডীত থাকিলে মানুহৰ দৃষ্টিভঙ্গীৰ প্ৰসাৰ নহয়। অলপ ইফাল সিফাল হ'লেই কোনো ঘটনাক সহজ ভাৱে গ্ৰহণ কৰিব নোৱাৰে। মানুহৰ সাময়িক দুৰ্ব্বলতা বা ত্ৰুটি বিচ্যুতি এটাকো অস্বাভাৱিক ৰকমে ডাঙৰকৈ দেখে। দেৱতাৰো দুৰ্ব্বলতা থাকে। নহয় জানো?"

দেৱাশীষে হাঁহি চেপি ৰাখিবলৈ টান পায়। গম্ভীৰ ভাৱে দেউতাকৰ কথাৰ শলাগ লয়—"অব কোৰ্চ।" মনেমনে টিপ্পনী কাটে—"দি ওল্ড ৰোগ।"

জীৱন বৰুৱা হাত দীঘল মানুহ। তেওঁ লাগিমিলি ব্যৱস্থা কৰি দেৱাশীষক ব্যৱসায়িক সংগঠন বিষয়ক প্ৰশিক্ষণ লবৰ কাৰণে আমেৰিকালৈ পঠিয়াই দিলে।

বৰুৱাই দেৱাশীষক বুজালে। বুজোৱাৰ অৱশ্যে দৰকাৰো নাছিল। এতিয়া পৰস্পৰক বুজাত তেওঁলোকৰ একো অসুবিধা নাই।

"অসমীয়া জাতিটোৰ উন্নতিৰ প্ৰধান অন্তৰায় হ'ল সংগঠনৰ দুৰ্ব্বলতা। আধুনিক শিল্প প্ৰতিষ্ঠান আদি গঢ়ি তোলাটো হ'ল বিশেষজ্ঞৰ কথা। গাৰ বলেৰে নহয়। চিঞৰ বাখৰ কৰি টেটু ফালিলেও নহয়। ইয়াৰ কাৰণে প্ৰশিক্ষণ দৰকাৰ। অসমত সকলো আছে। নাই কেৱল ব্যৱসায়িক নেতৃত্ব দিবপৰা মানুহ। তোমালোকৰ দৰে ডেকা ল'ৰাই প্ৰকৃত শিক্ষা লৈ আহি অসমৰ উন্নতিৰ কাৰণে লাগি যাব লাগিব। এইটো হব লাগিব তোমালোকৰ কৰ্ত্তব্য, তোমালোকৰ সাধনা।"



OKDISCD

দেবাশীযে দৃঢ় প্ৰত্যয়ৰ সৈতে দেউতাকক সমৰ্থন জনালে।

"অব কোৰ্চ।"

সৰ্ব্বশেষত দেউতাকে আচল কথাষাৰ ক'লে।

"মাটিবাৰী শান্তিৰে চলাই খোৱা দিন গ'ল। এইবোৰৰ এটা ৰফা কৰি সেই টকাৰে অইন কিবা কৰিব লাগিব। চিলিং আইন চালু হবই। ইতিমধ্যে তুমিও আহাগৈ।"

( ৭ )

জয়ৰামে মাজৰাতি চৌধুৰীক তেনেকৈ অহা দেখি সুধিছিল—"হে চৌধাৰী বাবু, কি হৈছে নকয় কিয়?" চৌধুৰীয়ে অনাৱশ্যক কৰ্কশ সুৰত কৈছিল "একো হোৱা নাই বুলি কৈছো নহয়। কি পেঘেনিয়াই আছা?"

মিছাকৈ হুলস্থূল কৰি গোটেই জঞ্জলটোতে এটা উত্তেজনাৰ সৃষ্টি কৰি কি লাভ? ব্যৱস্থা এটা কৰিবই লাগিব। দেবাশীষৰ দৰে ল'ৰাক লৈ যত মস্কিল। পাৰ্টিৰ একো এটা নহয় অথচ প্ৰগতিবাদী বুলি ৰাইজৰ মাজত ডাঙৰ ডাঙৰ কথা কৈ ফুৰে। ইহঁতৰ কোনো আদৰ্শ নাই। সংযম নাই, শৃঙ্খলাবোধ নাই। ইহঁতৰ কাৰ্য্য কলাপত পাৰ্টিৰ বদনাম হয়। ব্যৱস্থা এটা কৰিবই লাগিব।

ছিঃ ছিঃ ছিঃ। মূৰ্খ, মহা মূৰ্খ। অকল মূৰ্খ নহয়, অন্ধও।

চৌধুৰীৰ নিজৰ ওপৰতে খং উঠি গ'ল।

সেই হিচাবে জয়ৰামহঁতৰ দৃষ্টি অধিকতৰ স্বচ্ছ। তেওঁলোকে দেৱাশীষৰ গতিবিধি কেতিয়াও ভাল চকুৰে চোৱা নাছিল।

জয়ৰামে কেইবাবাৰো কৈছিল—"উকীলৰ ল'ৰাজন ইমান কিয় আহি থাকে। মতলবটো কি? নিশ্চয় দালাল। বাপেকে পঠিয়ায়। আৰু গঙ্গাৰামৰ লগতে বা তাৰ কিহৰ ইমান খাতিৰ? সিটো জানো এটা কম সাংঘাতিক মানুহ?"

চৌধুৰীয়ে দেবাশীষৰ পক্ষ সমৰ্থন কৰিছিল।

"নহয়হে। সি এজন বেলেগ ধৰণৰ ল'ৰা। বাপেকৰ কামকাজ সি মুঠেই পচন্দ নকৰে। সেইকাৰণে সি বাপেকৰ লগেই এৰিছে। লগতেই নাথাকে। একে





চুবুৰীৰ ল'ৰা। মোক দাদা বুলি মাতে। জানো নহয় তাক সৰুৰে পৰা। খুব নিৰীহ স্বভাৱৰ ল'ৰা। বাপেকৰ সম্পূৰ্ণ বিপৰীত।" কি তীক্ষ্ণ দৃষ্টি জয়ৰামৰ। অভঙৰ পৰিবাৰ ফুলোৰ কথা লৈও হুচিয়াৰ কৰি দিছিল।

"মন কৰিছে নে নাই, কব নোৱাৰো। অভঙৰ ঘৰৰ ফালে যোৱাও মোৰ নজৰত পৰিছে। কথাষাৰ মই ভাল দেখা নাই। কাণছোৱাই থলো।"

এই কথাতো চৌধুৰীয়ে গুৰুত্ব দিয়া নাছিল। দেৱাশীষে নিজৰ পৰাই কথাখিনি পৰিস্কাৰ কৰি দিছিল। দেৱাশীষৰ ভনীয়েকজনী কেঁচুৱা থাকোঁতে তাইক ওমোলাই ৰাখিবৰ কাৰণে গঙ্গাৰামক এজনী ছোৱালীৰ কথা কৈছিল দেৱাশীষৰ মাকে। গঙ্গাৰামে মাক বাপেক নোহোৱা গাৱঁৰে ছোৱালী ফুলোক উকীলৰ ঘৰত থৈছিল। উকীলহঁতে তাইৰ বিয়া পাতি দিছে। দেৱাশীষে ফুলোক আগৰে পৰা ভালকৈ জানে।

ক'লে কি হব? চৌধুৰীয়ে আগৰে পৰা সাৱধান হোৱা উচিত আছিল। ফুলোৰ চাল-চলন তো দেখিছে। নে ইচ্ছা কৰিয়েই নেদেখা হৈ আছিল? অপ্ৰীতিকৰ কৰ্ত্তব্য এৰাই গৈছিল? মিছা কথা ক'লে কি হ'ব? ফুলোই কিবা অঘটন ঘটায় বুলি তেওঁ আগতেই ভয় কৰিছিল।

যি নহওঁক এতিয়াও কিবা এটা ব্যৱস্থা কৰিব লাগিব। কিন্তু কাৰ কি ব্যৱস্থা কৰে? দেৱাশীষ সিদিনাৰ পৰা নাপাত্তা। টিকনিডালো দেখিবলৈ নাই। কিছুদিন পিছত খবৰ পালে দেৱাশীষ আমেৰিকাত। বেয়া হোৱা নাই। নিজৰ যোগ্য ঠাই বিচাৰি লৈছে।

অভঙকো অলপ সাৱধান কৰি দিব নেকি? কি লাভ? অভং হ'ল গাৱঁৰ কাঠমিস্ত্ৰী। কাঠমিস্ত্ৰী মানে সেই। চহৰৰ মানুহৰ ৰুচিৰ লগত মিলাকৈ এটা কামো কৰিব নোৱাৰিব। প্ৰধান অস্ত্ৰ হ'ল বাইচ আৰু কুঠাৰ। নাঙল চোকাঠ বনায়। এডোখৰ সৰু কাঠ লাগিলে প্ৰকাণ্ড কাঠ এডোখৰ তিনি দিন ধৰি কুঠাৰ আৰু বাইচেৰে কোবাই কোবাই কাঠডোখৰ উলিয়াই লয়। জোখমাপ লৈ সিমান পৰোৱা নাই। ধাই কৰি কাঠ এডোখৰ কাটি কয়—"ষাঃ সৰু হৈ গ'ল।"

তাৰ ঘৰৰ সোঁফালে ৰবাব টেঙাজোপাৰ তলত খুটি পুতি কাঠৰ বাকলাত গজাল মাৰি দুখন বেঞ্চ সজোৱা আছে। কাচিৎ তাত থৈ কাঠ ৰেন্দা কৰে।



OKDISCD

অভং চুটিচাপৰ মানুহ। পৰিবাৰ ফুলো তেওঁতকৈ চাৰি ইঞ্চিমান ওখ। বেচ স্বাস্থ্যৱতী তিৰোতা। ইচ্ছা কৰিলে এক হাতেৰে অভঙক বগৰাই দিয়াৰ শক্তি ৰাখে। উদ্ধত সোচ্চাৰ যৌৱন। চেহেৰাত বিশেষ এক যৌন আবেদন আছে। শৰীৰৰ প্ৰতি সহজতে দৃষ্টি পৰে। পৰিবলৈ বাধ্য।

চৌধুৰীক কয়—"ফুলমতিয়াৰ তাৈলৈ হ'লে ঘনাই ঘনাই আহে। আমাৰ ফালে এবাৰ আহিলে নো কি হয়?"

চৌধুৰীৰ ভুৰু কোঁচ খাই যায়। ফুলোই জয়ৰামৰ তালৈ যোৱা বুলি নকৈ ফুলমতিয়াৰ তালৈ যোৱা বুলিহে কয়। কেতিয়াবা ফুলোৰ আহ্বান আৰু স্পষ্ট হয়। বিশেষ কটাক্ষ হানি কয়—"সিটো তো গধূলিতে পানী খাই বেহুচ হৈ পৰি থাকে। আহিবচোন গধূলি। তামোল এখনকে খাই যাব।"

চৌধুৰীয়ে উত্তৰ নিদি হন হনকৈ আগবাঢ়ি যায়। অভঙক কৈ কি লাভ? এনেয়ে মানুহজন কিবাধৰণৰ। গধূলিতে মদ খাই বেহুচ হৈ থাকে। মদ খালে গাৱঁৰ একোজনৰ মেজাজ একোৰকম হয়। জয়ৰামে গুম হৈ বহি থাকে। যোগৰামে কাজিয়া লগাবৰ তালতে থাকে। হবিলদাৰ বুঢ়াই জ্ঞান বিতৰণ কৰিবলৈ আৰম্ভ কৰি দিয়ে।

"পানীৰ নহবি আগা,
পৰৰ নহবি লাগা;
দুষ্ট বইনীৰ নহবি ভাই,
এই তিনিত লাজমান যায়।"

আৰু অভঙে মদ খাই বেহুচ নোহোৱালৈকে ইনাই বিনাই কান্দিবলৈ আৰম্ভ কৰে। নিজৰ শৰীৰৰ ওপৰত তেওঁৰ মুঠেই শাসন নাই। কান্দি থাকোঁতে কাপোৰকানিয়ে পেচাব কৰি দিয়ে। ফুলোই জকি মৰে। কঁকালত গোৰ এটা মাৰি দিবৰ মন যায়।

ফুলোৰ কাষত আহিলে জুইৰ ভমক লগা যেন বোধ হয়। চৌধুৰীৰ ভয় হয় ফুলোই নিজেও জ্বলি মৰিব, অইন কাৰোবাক জলাই মাৰিব।

দেৱাশীষৰ লগত তেওঁৰ সম্বন্ধৰ কথা চৌধুৰীয়ে ইমান দিনে একো গম পোৱা নাছিল। কামত বৰ ব্যস্ত হৈ আছিল। কিবা এটা ব্যৱস্থা কৰিব





লাগিব। নহ'লে ঘটনাই কি পাক লয় কি ঠিক? পিছে ক'ত দেৱাশীষ? তেওঁ হোনো আমেৰিকা পালে গৈ। ভালেই হৈছে।

তিনি মাহমান পিছত চৌধুৰীক ঘৰৰ আগেদি যোৱা দেখি অভঙে তেওঁক আগুচি ধৰিলে।

"চৌধাৰী বাবু, ইফালে আহ। পানী এটোপা খাই যাবি আহ।"

"কি হ'ল? ইমান স্ফূৰ্তি কিয়?"

"স্ফূৰ্তি নহব? মানুহে মোক জোকায়, হাঁহে। কাৰ কি মতলব মই গম নাপাওঁ নেকি? মোৰ ঘৰৰ মানুহজনী বৰ ভাল কাৰণেহে। কাকো পাত্তা নিদিয়ে। মানুহে মোক জোকায়। মোৰ হোনো খেমতা নাই। ঘৰৰ জনীৰ গা ভাৰী। এতিয়া? কোনে এতিয়া কি কয় কওকচোন।"

চৌধুৰীয়ে ভাবিলে কথাটো এক হিচাপে বেয়া হোৱা নাই। ল'ৰাছোৱালী হ'লে ফুলো হয়তো শান্ত হব। সমস্যাৰ ইয়ো একধৰণৰ সমাধান!

( ৮ )

জীৱন বৰুৱাৰ মেজাজ খুব ভাল। অকলে থাকিলে এই বয়সতো গুণ গুণাই গান গায়।

ইফালে নিত্যানন্দ তালুকদাৰ বৰ অশান্তিত আছে। এই অশান্তিৰ কাৰণে মেজাজো অত্যন্ত উগ্ৰ। সামান্য কথাতে খং উঠি যায়। তেওঁৰ পৰিবাৰৰ ককাইদেউৰেকৰ ডাঙৰ ল'ৰা প্ৰবীনে আই, এ, এচ অৰ ইণ্টাৰভিউ দিবলৈ দিল্লীলৈ গ'ল। পৰিবাৰে সৰলভাৱে তালুকদাৰক ক'লে—

"শুনিছে? প্ৰবীন আজি দিল্লীলৈ গ'ল।"

"শুনিলো। ফেচ্‌ফেচ্ কৰি নাথাকি চাহ কাপ দিয়া যদি দিয়া। নোৱাৰা যদি কৈ দিয়া।"

"খং নো কৰে কিয়? ঘৰৰ ল'ৰাজনৰ ভাল খবৰ এটা কাৰণেহে ক'লো।"

"পিছে খবৰটো শুনি কি কৰিব লাগিব?

একপাক নাচি দেখুৱাব লাগিব নেকি?"

ব্যৰ্থতা আৰু হতাশাত নিত্যানন্দ তালুকদাৰৰ মুৰটো ক'ৰবাত খুন্দা মাৰি দিবৰ মন যায়। পঞ্চাশ বছৰ আগতে পঢ়া সংস্কৃত পাঠ্যপুথিৰ কথা তেওঁৰ



OKDISCD

মনত পৰে। সন্তান নোহোৱা, হৈও মৰি যোৱা আৰু মূৰ্খ এই তিনি বিধৰ ভিতৰত প্ৰথম দুয়োক্ষেত্ৰত সাময়িক দুখ পোৱা যায়। কিন্তু মূৰ্খ সন্তানে যাবজ্জীৱন জ্বলাই মাৰে।

তেওঁৰ পুত্ৰ অনন্ত মূৰ্খ নহয় তো কি? মহা মূৰ্খ। ইডিয়ট। ইলেক-ট্ৰনিকৃচত উচ্চতম ডিগ্ৰী লৈ মূৰ্খটোৱে কি কৰি আছে?

সন্তানৰ কীৰ্ত্তি হ'ল পিতৃৰ কৃতিত্বৰ প্ৰতিফলন। এই অনন্তক মানুহ কৰিবলৈ নিত্যানন্দ তালুকদাৰে কম কষ্ট কৰিছে? কিন্তু শেষ পৰ্য্যন্ত কি হ'ল? প্ৰতিষ্ঠা, নাম যশ অৰ্থ সম্পত্তি সকলো আছিল তাৰ হাতৰ মুঠিত। মূৰ্খ কিবা গছত লাগেনে?

ছোটলোক কিছুমানক লৈ মত্ত হৈ আছে। তেনেহ'লে কি প্ৰয়োজন আছিল তাৰ এই উচ্চ শিক্ষাৰ? এইবোৰ ডিগ্ৰীৰ? ছেঃ। নিষ্ফল খঙত নিত্যানন্দ তালুকদাৰৰ মূৰটো গৰম হৈ উঠে। অনন্তই যেন মতলব কৰি তেওঁক এনেদৰে অপমান কৰিছে। কুপুত্ৰ, কুলাঙ্গাৰ। তাতকৈ নিম্নথাপৰ বুদ্ধিৰ ল'ৰা প্ৰবীনে আই, এ, এচ, বিষয়া হৈ সোমাব। এবাৰ সোমালে আৰু দুনাই পিছফালে ঘূৰি চাবৰ প্ৰয়োজন নাই। ধাপক ধাপে উন্নতি কৰি যাব। নিজৰ উন্নতি, পৰিয়ালৰ মঙ্গল, বংশৰ গৌৰব।

অনন্তক নো কিহে পাইছে? সাধাৰণ বুদ্ধি অলপো তাৰ নাই নে? নিত্যা-নন্দ তালুকদাৰৰ ঠাচ কৰে মূৰটো ইটাৰ দেৱালত মাৰি দিবৰ মন যায়। যোৱাকালি যোৰহাটৰ ফালৰ পৰা আহিছে অনন্ত। ট্ৰাক এখনৰ পিছফালে মালৰ ওপৰত হেনো শুই আহিছে। বাহৰে বাহ। কি কেৰামতি। মূৰ্খ ক'ৰবাৰ। এনেকুৱা সন্তান জীয়াই থাকি কি লাভ? দুৰ্ভাগ্যত দুখ আছে কিন্তু লাজ নাই।

এই অনন্তৰ কাৰণে লিত্যানন্দ তালুকদাৰে মানুহৰ আগত মূৰ দাঙি থিয় হব নোৱাৰে। পলাই ফুৰিব লাগে। মানুহে লগ পালেই অনন্তৰ খবৰ সুধিব। মতলব কৰি, সকলো মতলব কৰি।

"কি কৰিছে অনন্তই?"

হে ভগৱান? ইমান শাস্তি তুমি মোক কিয় দিছা? খং আৰু হতাশাত তালুকদাৰৰ কান্দি দিবৰ মন যায়।





অনন্তৰ প্ৰতি চৌধুৰীৰ বেচ শ্ৰদ্ধা আছে। তেওঁৰ আন্তৰিকতাত সকলোৰে মুগ্ধ। অনন্তৰ হাঁহিখিনিতো এটা বৈশিষ্ট্য আছে। হাঁহাৰ লগেলগে তেওঁৰ মুখখন প্ৰদীপৰ দৰে উজ্বল হৈ উঠে। সেই পোহৰত উপস্থিত সকলোৰে মনবোৰো উজ্বল হৈ উঠে।

অনন্তৰ কৰ্ম্মক্ষেত্ৰ উজনি অসমৰ ফালে। এই অঞ্চলতো মাজেমধ্যে আহে। আহিলে সকলোৱে ভাল পায়। সকলোৱে তেওঁক আপোন মানুহ বুলি ভাৱে। জয়ৰামক তেওঁ "দাদা" বুলি মাতে। জয়ৰামেও খুব মৰম কৰে। ককাই-দেৱেকৰ দৰে শাসন কৰাৰ চেষ্টা কৰে।

"খোৱাবোৱাৰ কথা পাহৰি গ'লা নেকি? বেলা দুপৰলৈ টোটোকৈ ঘূৰি ফুৰিলে হব?"

পাৰ্টিৰ অইন সকলোৱে পাৰ্ব্বতীক মাউচী অৰ্থাৎ মাহীদেউ বুলি মাতে। অনন্তই পিছে মাই বুলিহে মাতে। পাৰ্ব্বতীয়েও অনন্তক জীউৰ অধিক ভাল পায়। একালত আত্মগোপন কৰি থকা অৱস্থাত এই অঞ্চলৰ পাহাৰৰ মাজত লুকাই আছিল। মাজৰাতি অটব্য হাবিৰ মাজত অকলে অকলে গৈ পাৰ্ব্বতীয়ে তেওঁক খোৱা বস্তু দি আহিছিল।

এই হ'ল অনন্ত। অৱসৰ প্ৰাপ্ত পুলিচ বিষয়া নিত্যানন্দ তালুকদাৰৰ ল'ৰা। নিজৰো ডাঙৰ বিষয়া, ডাঙৰ মানুহ হোৱাৰ নিশ্চয়তা আছিল। কিন্তু···। প্ৰবীনে আই, এ, এচ্ পৰীক্ষাৰ ইন্টাৰভিউ দিবলৈ গৈছে বুলি শুনি হঠাতে নিত্যানন্দ তালুকদাৰৰ ধৈৰ্য্যচ্যুতি ঘটিল।

"খবৰ শুনি কি কৰিব লাগিব? কঁকাল ঘূৰাই নাচিব লাগিব নেকি?"

( ৯ )

চৌধুৰীৰ প্ৰথম হাপানীৰ টান উঠে বদ্ৰীদাস আগৰৱালাৰ লগত গণ্ডগোলৰ সময়ত। বহু বছৰ ধৰি গাৱঁৰ মানুহে বদ্ৰীদাসৰ মাটি খাই আছিল। আইনক ফাঁকি দিয়াৰ কাৰণে বদ্ৰীদাসে নিজেই মানুহ লগাই খেতি কৰে বুলি প্ৰমাণ কৰিব খুজিলে। মাজপথাৰত একেদিনাই কাঠৰ খুটা পুতি টিনৰ ঘৰ সাজিলে। উত্তৰ ফালে কাঁটাতাৰৰ বেৰ দি মানুহ যোৱা বাট বন্ধ কৰিলে। দুজন ভোজপুৰী চকীদাৰ ৰাখি দিলে।

গধূলি গাৱঁৰ ডেকাবোৰে আহি চৌধুৰীহঁতক খবৰ দিলে। চৌধুৰীৰ খং উঠি গ'ল।

"ইমান দেৰী কি কৰি আছিলা?"

"আমি ডেকাবোৰ গাৱঁত নাছিলো। সকলোৰে পল' লৈ দূৰত মাছলৈ গৈছিলো। এতিয়া কি পৰামৰ্শ দিয়ে?"

"এক কাম কৰা। লগত পইচা আছে? ফাঁচীবজাৰলৈ যোৱা। মেখেলা-চাদৰ কিনি আনা গৈ। তাকে পিন্ধি ঘৰৰ ভিতৰত সোমাই থাকা। আৰু নো কি কৰিবা?"

ল'ৰা কেইজন গুচি গ'ল।

চৌধুৰীৰ মনত অশান্তি লাগি থাকিল। ল'ৰাকেইজনে বা কি কৰে? থাকিব নোৱাৰিলে। ৰাতি বাৰমান বজাত চাইকেলখন লৈ ওলাই পৰিল।

নিশা জোনাক। পথাৰত বদ্ৰীদাসৰ ঘৰৰ চিনছাপ নাই। কাঁটাতাৰৰ বেৰো নাই। কি হ'ল? জনমনুষ্যৰ চিন নাই।

চৌধুৰী পোনেপোনে জয়ৰামৰ ঘৰত উপস্থিত হ'ল। জয়ৰাম লগত নাথাকিলে বাকীবোৰৰ ইমান ডাঙৰ কাম কৰাৰ সাহস নাই। পাত এটা সৰিলেও সাৰ পোৱা মানুহ জয়ৰামৰ টোপনি কোনোমতে নাভাগে। ভুকুৱাই দুৱাৰ ভাঙিব লগা অৱস্থা।

চকু মোহাৰি মোহাৰি ওলাই আহি চৌধুৰীক দেখি আচৰিত হৈ গ'ল।

"চৌধাৰীবাবু? ইমান ৰাতিখন? কি কথা?"

"কি কথা তাকেই তোমাক সুধিবলৈ আহিছো। বদ্ৰীদাসৰ ঘৰৰ কি হ'ল?"

জয়ৰাম আকাশৰ পৰা পৰিল।

"কি ঘৰ? কোন বদ্ৰীদাস?"

চৌধুৰীৰ ধৈৰ্য্যচ্যুতি ঘটিল।

"তামাচা বাদ দিয়া। চকীদাৰ দুজনৰ কি হ'ল? খুনচুন কৰিল নে কি?"

জয়ৰামে হাঁহিলে।

"ভয় নকৰিব। সিহঁত দুটাক আমাৰ ল'ৰা কেইজনমানে পানবাৰী ষ্টেচনৰ ফালে লৈ গৈছে। দুয়ো পানী এটুপি ধৰি বেচ মৌজত আছে। ৰাতিপুৱাৰ





ট্ৰেনখনত উঠি দুয়ো গুৱাহাটীলৈ আহিব পাৰিব। সিমানপৰে আমাৰ মানুহে হাল বাই শেষ কৰিব।"

থানা পুলিচ মালি-মকৰ্দ্দমা। চৌধুৰীৰ সেই সময়ত বৰ খাটনি পৰিছিল। আৰু সেই সময়তে তেওঁৰ হাপানীৰ টান আৰম্ভ হয়।

তাৰ পিছত কিবা গণ্ডগোল হ'লে, খাটনি পৰিলেই তেওঁৰ হাপানীৰ কষ্ট বাঢ়ি যায়। অসীম বতাহ সমুদ্ৰৰ মাজত থাকি বুকু ভৰাই মাত্ৰ এবুকু বতাহ টানি লবৰ কাৰণে তেওঁ আকুলিবিকুলি কৰে। বতাহৰ অভাৱত ছট্-ফট্ কৰে। বতাহ, বতাহ, চাৰিওপিনে বতাহ। কিন্তু তেওঁৰ কাৰণে নাই, তেওঁৰ কাৰণে নহয়।

( ১০ )

এফালে তেল শোধনাগাৰ আনফালে কেণ্টনমেণ্ট। সিফালে ৰেলৰে মাৰ্শালিং ইয়াৰ্ড। চাৰিও পিনৰ পৰা খেতিৰ মাটিৰ ওপৰত হেঁচা পৰিছে। চহৰে গাওঁবোৰক খেদি আহিছে। পথাৰবোৰত কলকাৰখানা হব। দেশৰ উন্নয়নমূলক ঔদ্যোগিক বিকাশৰ কাম। মাটিবোৰ চাহ বাগানৰ আৰু চহৰৰ বিশিষ্ট ভদ্ৰলোকৰ। খেতি কৰে কছাৰী মিকিৰ আৰু বাগানৰ বনুৱা শ্ৰেণীৰ মানুহে। অৰ্থাৎ পিছপৰা জনজাতি বা উপজাতিৰ মানুহে।

মাটিবোৰ চৰকাৰে অধিগ্ৰহণ কৰিলে টকা পাব মাটিৰ মালিকে। এওঁ-লোকৰ কি হব?

জয়ৰামহঁতৰ কাৰণে এইটো একো নতুন কথা নহয়। যুগযুগ ধৰি এইয়েই চলি আছে। জন্মজন্মান্তৰ ধৰি। জীৱনত বাৰে বাৰে। নিজৰ জীৱনত, দেউতাকৰ জীৱনত। ককাকৰ জীৱনত, আজোককাকৰ জীৱনতো। তথাপিও নিঃশেষে বঞ্চিত হোৱাৰ আঘাত সদায় মৰ্ম্মান্তিক। সমুদ্ৰ মন্থন কৰি পোৱা হলাহলখিনি এওঁলোকে আকণ্ঠ পান কৰে। অমৃত ভাণ্ড উঠাৰ লগে লগে পাত্ৰটো হাতৰ পৰা কাঢ়ি লোৱা হয়। জন্তুজানোৱাৰৰ দৰে তেওঁলোকক এঠাইৰ পৰা আন ঠাইলৈ খেদি পঠোৱা হয়। খেৰকুটা গোটাই আকৌ নতুনকৈ বাহ সাজি লয়। অস্তিত্বৰ গভীৰতাত থকা বিশেষ এক শক্তিয়ে তেওঁলোকক আকৌ মৃৰ দাঙি থিয় হবৰ প্ৰেৰণা যোগায়। সকলো হেৰুৱাই আকৌ

নতুনকৈ আৰম্ভ কৰে। আকৌ নিৰলস সংগ্ৰামৰ কাৰণে সাজু হয়। একেবাৰেই তেওঁলোকক নিৰ্মূল কৰিব নোৱাৰে। হাৰ মানিবলৈ তেওঁলোক ৰাজী নহয়। তেওঁলোকৰ অন্তৰৰ অন্তস্থলত থকা অগ্নিকণাক একেবাৰেই নিৰ্ব্বাপিত কৰিব নোৱাৰে। সেই জুইৰ পৰশত তেওঁলোক ইস্পাতৰ দৰে আৰু কঠিন আৰু তীক্ষ্ণ হৈ উঠে। ভবিষ্যত সংগ্ৰামৰ কাৰণে অধিকতৰ শক্তি সংগ্ৰহ কৰে।

তীব্ৰ ঘৃণাত আচ্ছন্ন দৃষ্টিৰে জয়ৰামে পথাৰখন পহৰা দি থকা সশস্ত্ৰ পুলিচ কেইজনৰ ফালে চাই থাকিল। কাঁটাতাঁৰৰ বেৰেৰে পথাৰখন ইতিমধ্যে বেৰি লৈছে।

“মাৰিলেও মাৰক। মোৰ মাটি মই এৰি নিদিওঁ। মোক গুলি কৰি মাৰক। মোৰ মাটিত মৰিম মই।”

হাতত টাঙোন এডাল লৈ পগলাৰ দৰে গোবিন্দই তাৰ পথাৰৰ ফালে লৰৰি যাব ধৰিলে।

কাঁটাতাঁৰৰ বেৰৰ ইফালে সকলোৱে গোট খাইছে। জয়ৰামে গোবিন্দক ভেটা দি ধৰিলে।

“ক’ত যাৱ?”

গোবিন্দই আকৌ চিঞৰিব আৰম্ভ কৰিলে।

“মোক হাক নিদিবি। হাক নিদিবি মোক।” কঠিন দৃষ্টিৰে জয়ৰামে গোবিন্দৰ ফালে চালে। গোবিন্দৰ এই নিষ্ফল উচ্ছ্বাসে জয়ৰামক অধিকতৰ ক্ৰুদ্ধ কৰি তুলিলে। তেওঁৰ নিজৰ চিন্তাবোৰো থৰথৰকৈ কঁপিবলৈ আৰম্ভ কৰি দিলে। চিঞৰ মাৰি পথাৰৰ পিনে লৰৰি যোৱাৰ এক অদমনীয় প্ৰেৰণা নিজেও অনুভৱ কৰিলে। বুকুত গুলিবিদ্ধ হৈ তেওঁ নিজৰ মাটিডোখৰৰ ওপৰত পৰি নিজৰ বুকুৰ তেজেৰে মাটিডোখৰক ৰাঙলী কৰি দিলে। চকুৰ আগত নিজৰ মৃত্যু দেখি তেওঁ এক অসুস্থ উল্লাস অনুভৱ কৰিলে। চকুদুটা তেওঁ জোৰকৈ মুদি দিলে। আপ্ৰাণ চেষ্টা কৰি তেওঁ আকৌ জীয়াই উঠিল। গোবিন্দৰ হাত এখন খাপমাৰি ধৰিলে।

সকলোৱে সুতীক্ষ্ণ দৃষ্টিৰে গোবিন্দৰ ফালে চাই আছে। গোবিন্দই সেই দৃষ্টিৰ অৰ্থ বুজি নাপাই বিহ্বল হৈ পৰিল। দ্বিতীয় বাট তেওঁ দেখা নাপালে। উপায় নাপাই জয়ৰামে চৰ এটা মাৰি গোবিন্দক বগৰাই দিলে।





গোবিন্দই সৰু ল’ৰাৰ দৰে উচুপি উচুপি কান্দিবলৈ আৰম্ভ কৰিলে।

“জয়ৰাম, তই মোক মাৰিলি? মোৰ গাত হাত লগালি?”

জয়ৰামে নিৰ্ব্বাক ভাৱে মুখ ঘূৰাই ল’লে। তেওঁ জানে যুঁজ কৰিবলৈ হ’লে শক্তি লাগে, বুদ্ধিও লাগে। নিষ্ফল ভঙ্গীৰ কাব্যিক সৌন্দৰ্য্য থাকিব পাৰে কিন্তু মূল্য অলপো নাই।

ইফালে হঠাতে শনিৰাম আৰু কাচিয়াৰ মাজত মাৰপিট লাগি গ’ল। শনিৰামে তেলশোধনাগাৰ লাগে বুলি আন্দোলনৰ সময়ত সত্যাগ্ৰহী হৈছিল। জেলতো আছিল কেইদিনমান। কাচিয়াই হঠাতে শনিৰামক আক্ৰমণ কৰিলে।

“চালা, তেল শোধনাগাৰ আনি তহঁতেই আমাক মাৰিলি।”

আন এজনেও তেওঁক সমৰ্থন কৰিলে।

“আমাৰ মাটিত কাৰখানা পাতিলি। আমি
এতিয়া খেতি কৰো ক’ত? খাওঁ কি? এইবোৰ
চালা মাটি মালিকৰ বুদ্ধি। এই বুদ্ধি কৰি
আমাক মাটিৰ পৰা খেদিলে। ধানৰ ভাগ
কম কৰাত হাতে মাৰিব নোৱাৰি ভাতে মাৰিলে।”

( ১১ )

ইয়াৰ আগতে মাটিৰ কথা লৈ সমদল কৰি গাঁৱৰ মানুহ চহৰলৈ গৈছিল। উপায়ুক্তক লগ ধৰিছিল। সমদলৰ নেতৃত্ব কৰিছিল চৌধুৰীহঁতে। লগত আছিল স্থানীয় এম, এল, এ।

উপায়ুক্তৰ বয়স হৈছে। সৌম্য শান্ত চেহেৰা। বাৰান্দাত থিয় হৈ তেওঁ ৰাইজক ক’লে ঃ

“ৰাইজ আপোনালোকৰ প্ৰতিবেদন পাইছো। এই প্ৰতিবেদনখন বিবেচনাৰ কাৰণে চৰকাৰলৈ পঠাম। এইবোৰ হ’ল আইনৰ কথা।’ চৰকাৰক মাটি লাগিলে আপোনালোকে দখল এৰি দিবই লাগিব। আপোনালোকৰ কাৰণে বিকল্প ব্যৱস্থা চৰকাৰে নিশ্চয় কৰিব। মাটিৰ দখল লওঁতে চৰকাৰী কৰ্ম্মচাৰীয়ে যেন কোনো বেআইনী বাধা নাপায়। আশাকৰো আইন আৰু শৃঙ্খলা ৰক্ষাৰ কাৰণে ৰাইজে চৰকাৰৰ লগত সহযোগ কৰিব।”



OKDISCD

শেষৰ ফালে উপাযুক্তৰ মাতত কিছু পৰিমাণে আৱেগবো সঞ্চাৰ হ'ল।

"ৰাইজ, দেশত তেল শোধনাগাৰ আৰু অন্যান্য ঔদ্যোগিক বিকাশ হব। বৰ আনন্দৰ কথা। আজি ৰাইজৰ আশাক বাস্তৱ ৰূপ দিবলৈ ৰাইজৰ চৰকাৰ আগবাঢ়ি আহিছে। দেশৰ উন্নতিৰ হকে কিছুমান মানুহে সাময়িক ভাৱে কিছু ত্যাগ স্বীকাৰ কৰিব লাগিব পাৰে।"

ইমান ধুনীয়া বক্তৃতাৰ মৰ্ম্ম উপলব্ধি কৰাৰ ক্ষমতা অশিক্ষিত গাৱঁৰ মানুহৰ নাই। বক্তৃতাৰ মাজতে যোগৰামে হঠাতে থিয় হৈ প্ৰশ্ন কৰিলেঃ

"চাহাব, আমাক আপুনি বুজাই কচোন। মাটি নিলে আমি খাম কি? কৰিম কি? দেশৰ ভালৰ কথা ভাবিছ, আমাৰ কথা কি ভাবিছ?"
বক্তৃতা চলি থাকোঁতে এনেকুৱা ঠেকত পেলোৱা প্ৰশ্ন কৰি চাহাবক অপদস্থ কৰিবলৈ যোৱাত এম, এল, এ জনে ডাবি দি যোগৰামক বহুৱাই দিলে। কি অভং মানুহ।

"থু:।"

উভতি আহোঁতে বাটত জয়ৰামে থু পেলালে। তোমালোকৰ কি? তোমালোকৰ পেটত টান পৰিছে নেকি? হঠাতে মূৰত সৰগ ভাগি পৰিছে নেকি? ইমান কায়দা কানুন ঠিক ৰাখি কথা কব নোৱাৰাৰ তোমালোকৰ কি কাৰণ ঘটিছে?

এম, এল, এ জনেও এওঁলোকক বুজাইছিল। "হব, হব, সব ঠিক হব। আইন মাফিক সকলো কথা হব।"
হব যদি কি দৰকাৰ আছিল এইবোৰ 'কেৰদানিৰ'।
এই সমদল আৰু এই মিটিঙৰ?

সশস্ত্ৰ পুলিচে ধাননি পথাৰত পহৰা দি আছে। আইন আৰু শৃঙ্খলা ৰক্ষা কৰাৰ দায়িত্ব চৰকাৰৰ।

গোবিন্দই যান্ত্ৰিক ভাৱে একেটা কথাতে লাগি আছে।
"তই মোক মাৰিলি? মোৰ গাত হাত দিলি?"

এই কথাটোক প্ৰাধান্য দি তেওঁ তেওঁৰ সৰ্ব্বনাশৰ কথা পাহৰিবলৈ চেষ্টা কৰিছে।





ৰামচন্দ্ৰইও শোধনাগাৰ পাতিছে। তেলৰ নহয়, মদৰ। তেওঁৰ খেতিৰ মাটি আগতেই গ'ল। কামৰূপত মদ বন্ধ। ডুপইচা হৈছে।

যোগৰামে ৰামচন্দ্ৰৰ তাত আকণ্ঠ মদ খাই গাৱঁৰ বাটেৰে টলং পলঙকৈ আগবাঢ়ি আছে। মেজাজ অতিশয় উগ্ৰ।

"চালা, বাৰভাতাৰীৰ ছাৱা চব। মৰ চব। নাখাই শুকাই মৰ। মোৰ কি? দুবিঘা মাটি আছে মোৰ। দহ হাজাৰ টকা পাম। দশ হাজাৰ ৰুপইয়া। ঠেঙৰ ওপৰত ঠেং তুলি বহি বহি খাম। খবৰদাৰ। কোই হামাৰা পাছ মত আও। ভাল নহব। যা চালাৰা চব মিটিং কৰ, পচেচন কৰ। বৰাচাহাবৰ ভৰিত ধৰ। কি হ'ল? বৰাচাহাবে দিলে মুখত মুতি?"

এইবোৰ বহুদিন আগৰ কথা। মাটি অধিগ্ৰহণ কৰাৰ দিনা চৌধুৰী গাৱঁৰ অৱস্থা চাবলৈ গৈছিল।

আইন আৰু শৃঙ্খলা ৰক্ষা কৰাৰ অৰ্থ হ'ল স্থিতাৱস্থাৰ বিৰুদ্ধাচৰণ নকৰা। সুবিধাবাদী সম্প্ৰদায়ৰ কোনোৰকম সুবিধা খৰ্ব্ব যাতে নহয়। আইন তাৰ সহায়। প্ৰত্যেকটো সুবিধাই কটকটীয়া আইনৰ শাসনত পবিত্ৰ।

চৌধুৰীয়ে অতিশয় ক্লান্তি বোধ কৰিলে। হতাশাত তেওঁৰ অন্তৰ ভৰি গ'ল। চাৰিওপিনে গোটখোৱা এই সৰ্ব্বহাৰা মানুহবোৰক দেখি তেওঁ নিজকে অত্যন্ত দুৰ্ব্বল বোধ কৰিলে। নাই একো কৰিব নোৱাৰি। প্ৰতিপক্ষ অতি প্ৰবল।

জয়ৰামৰ মনত দুখ থাকিলেও হতাশা নাই। শিলৰ মূৰ্ত্তিৰ দৰে অপলক দৃষ্টিৰে চাই আছে। ক'তো ক্লান্তি বা দুৰ্ব্বলতাৰ চিন নাই। বৰং হাতৰ মুঠি আৰু কঠিন হৈ উঠিছে। সঙ্কল্পত অপলক দৃষ্টিৰে চাই থকা চকুদুটা জুইৰ দৰে জ্বলি উঠিছে।

( ১২ )

এই অঞ্চলৰ গোটেই মাটি যোগৰামহঁতে উলিয়াই লৈছে। তাৰো আগতে আইন মানুহে। যোগৰামহঁতৰ দৰে। যোগৰামে গোটেই ৰাতি এজোপা গছত উঠি দীঘল জৰী টানি অইন এজোপা গছত আঁৰি থোৱা টিন বজাই হাতীৰ



OKDISCD

পাল খেদিছিল। খং উঠিলে গুণ্ডা হাতীয়ে টিন আৰি খোৱা গছজোপাৰ পিনে খেদি গৈছিল। খেতি কৰি থাকোতে বনৰীয়া গাহৰিৰ লগত লুকাভাকু খেলিব লাগিছিল। বুদ্ধিহীন জীৱ। খেদামাৰি আহিলে ইফালে সিফালে চাবলৈ নাই। পাৰ্ব্বতীয়ে দপদপাই উঠিছিল—"নোৱাৰো মই তহঁতৰ খানা আনিব। কোন

ফালৰ পৰা গাহৰিয়ে খেদি আহে পাত্তা নাই। গাহৰিৰ হাতত জান যাবে তো মাটি উলিয়াই কি কৰিবি ?"

কথাৰ কথা। মাটি উলিয়াই কি কৰিব পাৰ্বতীয়ে ভালকৈ জানে। এইয়েই হ'ল জীৱন। পিছে খং দেখুৱাবৰ উপযুক্ত চেনেহৰ মানুহ থাকিলে খং নো নেদে-খুৱাব কিয় ? মনটো তো শিল নহয়।

এনেকৈ এওঁলোকে মাটি উলিয়াইছে। বনৰীয়া হাতী গাহৰি। জাকে জাকে বান্দৰ। তাৰ মাজত খেতি। বহুতো মৰিছে। হাতী বা গাহৰিয়েই যে মাৰিছে তেনে নহয়। বৃহস্পইভাই তো ভৰিত সামান্য খোচ এটা খায়েই মৰিল। ভৰিখন পকি ঢোল হ'ল। বিষত চিঞৰি চিঞৰি জঙ্ঘলতে মৰি থাকিল।

ভয় কি অকল বনৰীয়া জন্তুলৈ নেকি ? দেও নাই, ভূত নাই ? অটব্য হাবিত অনধিকাৰ প্ৰবেশ কৰি শান্তিৰ বিঘিনি কৰাৰ কাৰণে বনৰ অশৰীৰি অধি-বাসীবোৰৰ খং নাই ? সোনাৰু গছ এজোপাত কুঠাৰ মাৰি তাপুয়ে তেজ বতিয়াই মৰা নাই ?

তেওঁলোকে এনেকৈ মাটি উলিয়াই লোৱাৰ পিছত সেই মাটি বন্দোবস্ত কৰি ল'লে চহৰৰ গণ্যমাণ্য মানুহবোৰে। ৰাজীব উকীলে পালে ৫৫৭ বিঘা, ঘনশ্যাম মৌজাদাৰে পালে ৩৭২ বিঘা। জীৱন উকীলে পালে ছ শ বিঘাৰো বেচি আৰু পালে বহুতো ডাঙৰ ডাঙৰ মানুহে।

চৰকাৰ জনসাধাৰণৰ। সকলোৰে সমান অধিকাৰ, সমান স্থবিধা। যোগ-ৰামৰ নিচিনা মানুহ এজনেও পালে তেওঁৰ নামত দুই বিঘা। মহা আনন্দ। আনন্দৰ কথাও। লগৰ বাকীবোৰেতো একোৱেই নাপালে।

এই উকীল মৌজাদাৰৰ মাটিত মানুহখিনিয়ে আধিত খেতি কৰি আছিল। চৰকাৰে অধিগ্ৰহণ কৰাত উকীল মৌজাদাৰে টকা পালে। কথাটো ঠিক নহ'ল। যোগৰামেও পালে বিঘাত পাঁচ হাজাৰ হিচাবে দহ হাজাৰ টকা।





ঠিক দহ হাজাৰ নহয়। ইয়াক তাক কিছু দিব লগা হ'ল। চহৰৰ বাবু ভদ্ৰ মানুহে, যিবোৰে কথাটো জানিছিল বহলকৈ চকু মেলি দিলে।

"জানে ? এই লেতেৰা বুঢ়াজনক দেখিছে নহয় ? দহ হেজাৰ টকা পাইছে। কপাল চাওঁকচোন। কোন জঙ্ঘলৰ মাটি, কি তাৰ দাম ? তাৰেই বাবে পালে বিঘাত পাঁচ হেজাৰ কৈ টকা। ইইঁতৰে দিন আজিকালি।"

ৰাজীৱ উকীলে কিমান টকা পালে তৎক্ষণাৎ কোৱা টান। অঙ্ক জনা মানুহৰো হিচাব কৰোঁতে কাগজ কলম লাগিব। কোনে এইবোৰ অঙ্ক কৰি থাকে ? গতিকে ৰাজীব উকীলে কিমান পালে কোনেও নকয়।

গাওঁ এৰি বাকীবোৰ মানুহ কোনে ক'ত গৈছে ঠিক নাই। যোগৰাম এতিয়াও আছে। অইনবোৰে বস্তীমাটি বিক্ৰি কৰি খেতিৰ মাটি বিচাৰি আৰু ভিতৰুৱা অঞ্চলত সোমাইছে। এই বস্তীমাটিবোৰো চহৰৰ গণ্যমাণ্য মানুহে কিনিছে। ঘৰ সাজি ভাৰা দিছে, দোকান পাতিছে।

( ১৩ )

সৰু ষ্টেচন। মেইল ট্ৰেন নৰয়। পেচেঞ্জাৰ ট্ৰেনখন ৰয়। সিও মাত্ৰ দুই মিনিটৰ কাৰণে। অনন্ত তালুকদাৰে গোবিন্দ ভাডু আৰু ভোম্বলক লৈ প্লেট-ফৰমৰ বাহিৰত একুৰা জুই ধৰি মানুহবোৰৰ কাৰণে ৰৈ আছে।

কাতি মাহৰ শেষ। জাৰ পৰিছে। হঠাতে সকলোৰে চঞ্চল হৈ উঠিল। পাহাৰৰ মাজেদি ট্ৰেনখন আগবাঢ়ি আহিল। হুলস্থুল কৰি মানুহজাক নাৰিল। বস্তুবাহানি, দা কোৰ, ভাতৰন্ধা সজুলিৰ সৈতে হুৰমুৰকৈ নামি পৰিল। ল'ৰা লৰিৰ কোবত ঘিনাৰামৰ পিন্ধা কাপোৰখনৰ এফাল ছিঙি গাড়ীতে ৰৈ গ'ল।

জুইকুৰাৰ কাষত বহি পৰামৰ্শ চলিল। তেওঁলোকে এতিয়াই খোজ লব নে ৰাতি পুৱাবলৈ বাট চাব। আধা মাইলমান দূৰত ডিগাৰুৰ পাৰত হাবিৰ মাজত মুকলি ঠাই এডোখৰত ভাডুহঁতে শুকান কাঠখৰি গোটাই থৈছে। বহিবলৈ ঠাই চিকুণাইছে। তালৈ গ'লে বহামিলাৰ স্থবিধা। ৰাতি পুৱালেহে নেপালী বস্তীৰ বাহাদুৰে নাও লৈ আহিব।

কাতিমাহৰ কাতিশালি পকিছে। ৰেল ষ্টেচনৰ পৰা ডিগাৰুৰ পাৰলৈ



OKDISCD

ধানখেতিৰ মাজে মাজে লুঙলুঙীয়া বাটটোৰে যাব লাগে। ভাল খেতি হৈছে। মানুহ তল যোৱা ধান।

ভয়ো আছে। ধানত হাতীৰ পাল নামি আহে। বনৰীয়া গাহৰি আহে। হাতীবোৰ পাহাৰৰ পৰা নামি ৰেল লাইন পাৰ হৈ আহে। ধানৰ মাজেমাজে ফুৰা সুগৰী পহু আৰু শহা বিচাৰি বাঘো আহে। অৱশ্যে যি সকলে বুঢ়া-গোঁসাইক মানে তেওঁলোকক একো নকৰে।

ইমানবোৰ মানুহ। হাতত দা আছে, যাঠি আছে। পোন্ধৰ কুৰিটা জুইৰ জোৰ বনাই থোৱা আছে। ভয় কিহৰ? ক'লা জহাধানৰ গোন্ধ, শালি বৰধানৰ গোন্ধ। তেওঁলোকৰ বৰ ভাল লাগিল। বাঃ, কি ভাল ধান। বিঘাত পোন্ধৰ কুৰি মোন মান হয় নিশ্চয়। ডিগাৰু নৈৰ পলস। বছৰে বানপানীত এবেগেত এহাতকৈ পলস পৰে।

তেওঁলোকৰ পথাৰৰ ধানো ইয়াতকৈ কম নাছিল। মাটিবোৰ মানুহক ঘৰ বন্ধাৰ কাৰণে মালিকে বিকি নিদিয়া হ'লে তেওঁলোকক উচ্ছেদ নকৰা হ'লে…। তেওঁলোকৰ মনবোৰ সেমেকি গ'ল। এইবেলি ন-খোৱা নহব। ধান কিনি কোন খেতিয়কে ন অন্ন খায়? এই কেইমাহ বজাৰৰ গোন্ধোৱা চাউল আৰু আটা কিনি খাব লগা হৈছে।

মাটি চাই ভাল লাগিল। সাকুৰা মাটি। হাই উৰুমি নকৰাকৈ জোৰ হাতত লৈ তেওঁলোকে শাৰী পাতি আগবাঢ়িল। দূৰৰ পৰা ধনগুলৈৰ দৰে দেখি। এনেকৈ তেওঁলোকে হাবিৰ মাজত সোমাল। ডিগাৰুৰ পাৰৰ মুকলি ঠাইখিনিত জুই ধৰি বহিল।

বয়সীয়াল সকলে এফালে আৰু ডেকা সকলে আন এফালে বহিল। বয়সীয়াল সকলে অতীতৰ ঘটনা ৰোমন্থন কৰিবলৈ আৰম্ভ কৰিলে আৰু ডেকা সকলে নতুন সম্ভাৱনাৰ আৰু সপোনত জাল গুঠিব ধৰিলে।

বৰবিলা ৰিজাৰ্ভ। এফালে ডিগাৰু আনফালে কলং। দুখন নৈৰ মোহনাত পাঁচ হাজাৰ বিঘাৰ চৰণীয়া ৰিজাৰ্ভ। কলঙৰ পাৰে পাৰে মহখুঁটিক অৱলম্বন কৰি নেপালী বস্তী। ডিগাৰুৰ পাৰে পাৰে আজাৰ গছৰ শাৰী। মাজত এটা টিলা। এই টিলাৰ চাৰিওপিনে বিল। অপৰ্য্যাপ্ত মাছ। কলং নৈ পাৰ





হৈ পুব-উত্তৰ পিনে মায়ঙ, পুব-দক্ষিণ পিনে অমৰাবজাৰ, হহৰা। পানবাৰী ৰেল ষ্টেচনৰ ওচৰে পাজৰে সৰু সৰু গাওঁ।

বৰবিলাৰ ক'লা খিল মাটি। অটব্য ইকৰানি। নলখাগৰিৰে ভৰা। সেই মাটি ভাঙি খেতি কৰাৰ পৰিকল্পনা। ছিন্নমূল মানুহৰ প্ৰতিকুল অৱস্থাৰ প্ৰতি প্ৰত্যাহ্বান। জীয়াই থকাৰ দৃঢ় সঙ্কল্প।

প্ৰকাণ্ড প্ৰকাণ্ড একো একোটা বিৰিণা নল খাগৰিৰ জোপা। কোৰেৰে দিন-টোত এলেচা মাটি মোকলাব পাৰিলেই যথেষ্ট। কিন্তু এইবোৰে তেওঁলোকৰ উৎসাহ আৰু উদ্দীপনাক স্তিমিত কৰিব নোৱাৰে। ইয়াৰ কাৰণে তেওঁলোকে প্ৰস্তুত। হাত সাৰটি বহি থাকিলে নহব।

ৰাতি পুৱাল। বতৰ গোমা, ডাৱৰীয়া। নৈ পাৰ হওঁতে পলম হ'ল। টুলুঙা নাওঁ, মানুহ বহুতো।

নৈ পাৰ হোৱাৰ লগে লগে হঠাতে হিৰহিৰাই বৰষুণ আহিল। লৰা-লৰিকৈ তেওঁলোকে আজাৰ গছৰ তলত আশ্ৰয় ল'লে। জাৰকালিৰ বৰষুণ। অলপ পিছতে বতৰ ফৰকাল হ'ল। কিন্তু বতাহজাকে সকলোৰে কামীহাড় কঁপাই দিলে।

তেওঁলোকে আগবাঢ়ি গ'ল। অনন্ত তালুকদাৰে অইন মানুহৰ সৈতে আগতে আহি বিৰিনাৰে ঘৰ এটা সাজি থৈছে। বস্তুবাহানি ঘৰটোত থৈয়েই মানুহবোৰে মাটি চাবলৈ ওলাল। কেৱল ভাদু আৰু অৰ্জ্জুনে ভাত ৰান্ধিবৰ কাৰণে ৰৈ গ'ল।

ইয়াতেই খেতি কৰা হব যেতিয়া চাৰি চুক চাই লোৱা ভাল। ভাত হয় মানে অলপ ঘূৰি পকি অহাই ভাল। কাম বহুতো। খোৱা বোৱা কৰি উঠি ৰাতি থকাৰ কাৰণে পঁজা কেইটামান সাজিব লাগিব।

বৰষুণৰ পানী ঠায়ে ঠায়ে চিৰচিৰকৈ বৈ আছে। হঠাতে তেওঁলোকে দেখিলে কাৰৈ মাছৰ জাকে কাণ বগাই বগাই এডোখৰ মুকলি ঠাই পাৰ হৈ আছে। ক'ৰ জাৰ ক'ত গল! দেখা মাত্ৰেই অনন্ত তালুকদাৰে লৰৰি গ'ল। পিছে-পিছে বাকীবোৰো। উল্লাসত চিঞৰ বাখৰ কৰি খনীয়া বৰকাপোৰত, মূৰৰ গামোচাত মাছ বান্ধিলৈ বহালৈ আহিল।

বয়সীয়াল মানুহবোৰৰ চিন্তিত মুখত হাঁহি ওলাল। ভাল, বৰ ভাল।



OKDISCD

মাছ দেখা বৰ ভাল। প্ৰথম দিনাই যেতিয়া বাম মাটিত মাছ পালে এই মাটিত লখিমী আছে।

এৰা, এই মাটিত লখিমী আছে। কলং, ডিগাৰু আৰু ব্ৰহ্মপুত্ৰৰ পলসুৱা মাটি। মোহলগা ক'লা উৰ্ব্বৰা মাটি।

( ১৪ )

বহুদিনৰ মূৰত তামোলপানৰ দোকানত পাৰ্ব্বতীক লগ পাই চৌধুৰীয়ে খা-খবৰ সুধিলে।

"কিষাণ ক'ত? কি কৰে?"

বুঢ়ীৰ মুখখন গম্ভীৰ হৈ গ'ল।

"কিজানি কি কৰে। চিলঙমে থাকে। উটাতো বাবু বন্ গৈছে।" চৌধুৰীয়ে নাজানে। বুঢ়ীয়ে ঠিক কথাই কৈছে। কিষাণ এতিয়া বাবু হৈছে। কৃষ্ণচন্দ্ৰ ভূঞা। চিলং সচিবালয়ত লোৱাৰ ডিভিচন ক্লাৰ্ক। চৌবিশ ঘণ্টা কিবা চোবাই থকাৰ নিচিনা কৰি থকা মুদ্ৰাদোষ এটা হৈছে। চাৰিটা ল'ৰা-ছোৱালীৰ বাপেক হৈছে ইতিমধ্যে। নিজে গাহৰিৰ পাল বুলি কয়। কেতিয়াবা তীক্ষ্ণ দৃষ্টিৰে ঘৈণীয়েক কুসুমৰ ফালে একেথৰে চাই থাকে। ঠিক গাহৰি এজনীৰ দৰে অনুমান হয়। খোজে কাটলে আৰু চেহেৰাত। চল পালেই কিষাণে হয় গোৰ নহয় চৰ এটা লগাই দিয়ে। কুসুমে একো নামাতে। ঠিক গাহৰিৰ দৰে। বোধহয় গমেই নাপায়।

কিষাণৰ মনোবিকাৰ ক্ৰমাৎ বাঢ়ি গৈ আছে। ফুলৰ দৰে ধুনীয়া, মাখনৰ দৰে কোমল, পৃথিবীৰ ধূলিমাকতিয়ে চুই নোপোৱা, চটুল ভঙ্গীৰ অৰ্থাৎ তেওঁ-লোকৰ বিভাগৰ ডেপুটি চেক্ৰেটাৰীৰ পৰিবাৰৰ নিচিনা এজনী তিৰোতাৰ ছবি মনৰপৰা আঁতৰাব নোৱাৰে। এনেকুৱা মহিলা এজনীৰ ভৰিৰ তলত বহি দুয়োহাতেৰে দুয়োখন ভৰি এবাৰ নিজৰ উদং বুকুত লগাই হেঁচি ধৰিবৰ তীব্ৰ বাসনা। তাৰ বেচি কিষাণে একো নিবিচাৰে।

কি সুন্দৰ, প্ৰতিটি অঙ্গৰ কি সুষম অনুপাত! হাতৰ আঙুলিয়ে চাবা নে ভৰি দুখনে চাবা। বুকু আৰু নিতম্বৰ কথা বাদেই। কিষাণৰ মুখৰ চোবাই থকাৰ দৰে ভঙ্গীটো ক্ষিপ্ৰতৰ হয়।





ঘৰত ঘৈণীয়েকৰ কৰ্ম্মক্লান্ত নিৰ্জীৱ চেহেৰাটো দেখিলেই তেওঁৰ মূৰটো গৰম হৈ যায়। মৰম নহয়, চেনেহ নহয়। আক্ৰোশত কুসুমক তেওঁ নিজৰ ফালে টানি আনে। আদৰ নহয়, আক্ৰমণ। গাহৰি এজনীক খুচি মাৰি আক্ৰোশ মিটাবৰ চেষ্টা কৰে।

( ১৫ )

চৌধুৰীৰ প্ৰথমে হাপানীৰ টান উঠে বদ্ৰীদাস আগৰৱালাৰ লগত গণ্ডগোলৰ সময়ত। সশস্ত্ৰ পুলিচৰ সহায়ত মাটি অধিগ্ৰহণ কৰাৰ দিনা তেওঁ হঠাতে খুব দুৰ্ব্বল বোধ কৰে। জয়ৰামৰ ঘৰৰ পিনে বিশ্ৰাম কৰিব বুলি গৈ থাকোঁতে বাটতে ফিট হৈ পৰি যায়।

এইটো কি তেওঁৰ দুৰ্ব্বলতা? হয়তো, নহয়তো। দুৰ্ব্বলতা নিশ্চয় নহয়। ইণ্ডিয়া কেমিকেলৰ গোৰেঙ্কা চাহাবে তেওঁক কৈছিল।

"মিষ্টাৰ চৌধুৰী, আপোনাক মই শ্ৰদ্ধা কৰো। আপুনি দুখী মজদুৰ ৰাইজৰ কাৰণে নিস্বাৰ্থ ভাৱে জীৱন উছৰ্গা কৰিছে। আপোনাৰ যি শিক্ষাদীক্ষা, যি কৰ্ম্মক্ষমতা তাৰ সহায়েৰে ডাঙৰ ডাঙৰ কাম কৰি সুখে শান্তিৰে থাকিব পাৰিলে হয়। মোৰ এইখিনি কথা বুজি নোপোৱাৰ কাৰণ নাই। আপোনাৰ এই ত্যাগৰ কাৰণে আপোনাক সঁচাই মই শ্ৰদ্ধা কৰো। কিন্তু আপোনালোকৰ যিটো বাট সেই বাটেৰে আমাৰ দেশত কাম নহব। আমাৰ ইথন অত্যন্ত পিছপৰা গৰিব দেশ। উৎপাদন বঢ়োৱাটো হ'ল প্ৰথম আৰু প্ৰধান কথা। মিষ্টাৰ চৌধুৰী, দেশৰ উন্নতি আমিও বিচাৰো, মজদুৰৰ মঙ্গল কামনা কৰো।"

গোৰেঙ্কাৰ মুখখন বুদ্ধৰ নিচিনা হৈছিল। কৃত্ৰিম বুদ্ধ। সুৰত অন্তৰঙ্গতা আনি কৈছিল—"মজদুৰৰ মঙ্গল আমিও বিচাৰো। এই বিষয়ে আপুনিও আমাক সহায় কৰিব পাৰে। আপোনাৰ দৰে বুদ্ধিমান আৰু সৎ মানুহ এজনে মজদুৰৰ কাৰণে বহুতো কৰিব পাৰে। আপোনাৰ দৰে মানুহ এজনক লেবাৰ অফিচাৰ হিচাবে পালে আমি আমাৰ প্ৰতিষ্ঠানক ভাগ্যবান বুলি মানিম। নহয়, ৰব, ৰব। ইয়াত কাম কৰিবৰ ইচ্ছা নকৰিলে আমি সানন্দে আপোনাক আমাৰ বোম্বেৰ প্ৰতিষ্ঠানতো ৰাখিব পাৰো।"



OKDISCD

বোনাচৰ কথালৈ আন্দোলন চলি থাকোতে গোৱেঙ্কা চাহাবে খাতিৰ কৰি চৌধুৰীৰ লগত অকলে এদিন কথা পাতিছিল। কথা শুনি চৌধুৰীৰ কাণমূৰ ৰঙা পৰি গৈছিল। নাটকীয় ভঙ্গীত বিশ্বাস নাই কাৰণে তেওঁ মাত্ৰ সংক্ষেপে উত্তৰ দিছিল।

"থেঙ্কচ্, ধন্যবাদ।"

দুৰ্ব্বলতাও। নিজে নজনাকৈ পৰাজয়ক তেওঁ স্বীকাৰ কৰি লৈছে। নিৰলস যুদ্ধত তেওঁ ক্লান্ত হৈ পৰিছে। পথৰ নাই শেষ, চলাৰ নাই অন্ত। ভবিষ্যত অনিশ্চিত। সাময়িক বিপৰ্য্যয়ে তেওঁৰ দৃষ্টিক কৰিছে ৰুদ্ধ। দিগন্তত দেখা নাই তেওঁ কোনো নতুন সূৰ্য্যৰ অভ্যুদয়। গতিকে ক্লান্তিত তেওঁৰ বুকুখন ধৰফৰ কৰে। আচল কথা হ'ল চৌধুৰী উচ্চ বৰ্ণৰ তথাকথিত ভদ্ৰ সমাজৰ মানুহ। তেওঁৰ মানসিক গঠন এই বিশেষ সামাজিক অৱস্থাৰ বহিৰ্ভূত বা নিৰপেক্ষ নহয়। অবচেতন ভাৱে চিন্তাধাৰা এই সমাজৰ ৰীতি-নীতিৰে নিয়ন্ত্ৰিত। গতিকে যিকোনো ৰাজনৈতিক আৰু সামাজিক বিপ্লৱ এই ভদ্ৰলোক শ্ৰেণীৰ শিক্ষিত ল'ৰাবোৰেহে অভ্যৰ্থনা কৰি আনিব এই মোহ বা ভ্ৰান্তি বা আত্মপ্ৰবঞ্চনা বিসৰ্জন দিয়াটো তেওঁৰ পক্ষে সহজ নহয়।

লগে লগে এই ভদ্ৰলোক শ্ৰেণীৰ মানুহৰ আশা আকাঙ্ক্ষাৰ আচল চেহেৰাৰ লগতো তেওঁ নিবিড় ভাৱে পৰিচিত। এই ভদ্ৰলোক শ্ৰেণীয়ে কেতিয়াও স্থিতাৱস্থাৰ আমূল পৰিবৰ্ত্তন নিবিচাৰে। আৰাম, নিৰাপত্তা, চাকৰি, ব্যৱসায়, উন্নতি, সামাজিক জখলাৰে কিঞ্চিত উৰ্দ্ধগতি। এওঁলোকৰ আন্দোলন ইয়াৰ মাজতেই সীমাবদ্ধ। স্থিতাৱস্থাৰ কিছু সাল সলনি, কিছু কাটছাট। সৰ্ব্বসাধাৰণ ৰাইজৰ স্বতঃস্ফূৰ্ত্ত আন্দোলনক এওঁলোকে ভয় কৰে। বিপথে পৰিচালিত কৰাৰ চেষ্টা কৰে। নিজকে আছুতীয়া কৈ ৰখা বেৰ ভাঙি গ'লে সৰ্ব্বসাধাৰণ মানুহৰ চৌৰে জানোচা তেওঁলোকক ক'ৰবাত উটুৱাই লৈ যায়। আত্মৰক্ষাৰ সহজাত প্ৰেৰণাৰ পৰাই সমাজৰ কোনো বৈপ্লৱিক পৰিবৰ্ত্তন তেওঁলোকে নিবিচাৰে। তেওঁলোকৰ সকলো আন্দোলন আৰু উত্তেজনা হ'ল সুবিধাৰ ভাগ লৈ কাঢ়াকাঢ়ি। প্ৰতিযোগিতা, অৰিয়া-অৰি, ঈৰ্ষা, সাম্প্ৰদায়িক অশান্তি। আচলতে বিপ্লৱৰ নামত ভণ্ডামি। নিজৰ শ্ৰেণীটোক চৌধুৰীয়ে ভালদৰে চিনি পায়। গতিকে হতাশাই চৌধুৰীক আগুৰি ধৰে। নিজকে নিৰালম্ব বুলি বোধ হয়।





চৌধুৰী জয়ৰামহঁতৰ সমাজত বহিৰাগত। জয়ৰামহঁতক ভাল পালেও তেওঁলোকৰ ওপৰত তেওঁৰ সম্পূৰ্ণ আস্থা নাই।

আনফালে জয়ৰামহঁত লক্ষ্যপথত অবিচলিত। পদক্ষেপ দৃঢ়। কোনো দ্বিধা আৰু সংশয়ে তেওঁলোকক লক্ষ্যভ্ৰষ্ট কৰিব নোৱাৰে। পৰাজয় তেওঁলোকে মানি লব নোৱাৰে। সংগ্ৰাম তেওঁলোকৰ কাৰণে তত্ত্ব কথা নহয়। এইয়েই জীৱন। জয়লাভ নকৰা পৰ্য্যন্ত আপোচবিহীন সংগ্ৰাম চলাই যাব লাগিব। যেতিয়াই নহওঁক কিয়, জয় সুনিশ্চিত।

পাৰ্বতীয়ে চৌধুৰীক ক'লে—"এই দুপৰীয়াখন আহিছ। চল, হামাৰ ঘৰ চল। ডাব আছে ঘৰত। ডাবৰ পানী খাবি। হামাৰ বেটাভি আছে ঘৰমে।"

"বেটা? কোন? জয়ৰাম। খালাচ পালে?"

"হামাৰ ছোটা বেটা অনন্ত কালি আহিছে। ঘৰে আছে।"

ৰিকচাৱালাজন ল'ৰা মানুহ। পলম হব বুলি উচপিচাই উঠিল। পাৰ্ব্বতীয়ে বিৰাট এক ডাবি দি উঠিল।

"মনেমনে ইয়াত বহি দোকানখন দেখি-বি।

চৌধাৰীবাবুক চিনি পোৱা নাই?

চৌধুৰীৰ ফালে ঘূৰি ক'লে—"অভঙৰ বেটা তৰুণ। এই এটাই ছাৱা তাৰ। আজি কালিৰ ছাৱাই তোক ক'ত চিনি পাব?"

যোল্ল সোতৰ বছৰীয়া ধুনীয়া ল'ৰাজন। সিও চৌধুৰীৰ ফালে চাই সলজ্জ ভাৱে হাঁহিলে। চৌধুৰীৰ ভাল লাগিল। দেৱাশীষ বৰুৱাৰ নামটোও হঠাতে মনত পৰি গ'ল। তেওঁ এতিয়া অসমৰ বিখ্যাত শিল্পপতি, ইণ্ডাষ্ট্ৰিয়াল ফিনান্স কৰপোৰেশ্যনৰ পৰাও হেনো প্ৰায় এক কোটি টকা হাওলাত লৈছে। বাহাদুৰি আছে বুলি মানিব লাগিব। টকা ল'লে এনেকৈ সৰহ পৰিমানে লব লাগে। নষ্ট কৰিলে বা মাৰি দিলেও কোনেও একো কৰিব নোৱাৰে। অলপ অচৰপ টকা খালেহে হজম কৰা টান।

( ১৬ )

যোগৰামে চোতালত গছৰ মুঢ়া এটাৰ ওপৰত বহি আছে। বুঢ়াৰ দৃষ্টি দিগন্তৰ পিনে প্ৰসাৰিত। কি চাই আছে? চকুৰে দেখোন একো নেদেখা বুলি কৈছিল।



OKDISCD

চৌধুৰীয়ে সুধিলে—“কি খবৰ যোগৰাম ?

অলপো লৰচৰ নকৰাকৈ বুঢ়াই উত্তৰ দিলে—“কি আৰু খবৰ ?”

চৌধুৰীৰ উপস্থিতিত বুঢ়াৰ কোনো ভাৱান্তৰ নহ’ল। বোধহয় চিনি পোৱা নাই। নোপোৱাটোৱেই স্বাভাৱিক।

“কিয় নাপাম ? চৌধাৰীবাবু নোহোৱা ?” যোগৰামৰ নিৰুত্তাপ কথাই চৌধুৰীক অপ্ৰস্তুত কৰিলে। প্ৰশ্ন কৰাৰ কাৰণেই প্ৰশ্ন কৰিলে।

“কিষাণ নাহে ?”

“উ চালাতো কুত্তা বনি গৈছে। বাবুচবৰ ঘৰৰ ৰান্ধনৰ গোন্ধ শুঙি সিফালে গৈছে। সিহতে চালা কুত্তাক ঘৰত সোমাব দিব কিয় ? এতিয়া চুৰনীত চুৰাপাত চেলেকি আছে। টকা খুজিবলৈহে ইফালে আহে। চহৰত মাটি কিনিব।”

“দিলা ?”

“কাহে দিব ? পঢ়ালিখা শিকি বাবু হৈছে। কুলিৰ টকা কিয় লাগে ? কুলিৰ ভৰি চাটিব কিয় আহে ?”

“কি কৰিলা মাটিৰ টকাবোৰ ? আছে ?”

“কাহে থাকিবে ?”

“কি কৰিলা ?”

“চেৰাপ খালো।”

“বচ, চেৰাপ খাই শেষ কৰি দিলা ?

“তব্ কি ?”

“জয়ৰামে কেতিয়া খালাচ পাব ?

বুঢ়াই বুকুখন টান কৰি বহিল।

“কি জানি ? হামৰা লেড়কা, মৰদকা বাচ্চা। বাঘকো বাচ্চা বাঘ, কুত্তা নেহি।”

কথাত চৌধুৰীৰ নিজৰ মানসিক অৱস্থা প্ৰতিফলিত হৈ উঠিল।

“তাৰো যথেষ্ট বয়স হ’ল। এতিয়া অলপ চন্তালি চলিব কৰা।”





বুঢ়াৰ দৃষ্টিহীন চকুযুটা দপ্‌কৈ জ্বলি উঠিল।

“বাঘ বুঢ়া হ’লেও কুত্তাৰ দৰে ভৰি চেলেকিব নাযায়।”

তাৰ পিছতেই বুঢ়াই হাঁহি দিলে।

“বাঘক পালে গঁৱালত ভৰাই ৰাখিবই। ইচ্‌মে শোচনা ক্যা ?”

চৌধুৰীয়ে পাৰ্ব্বতীক সুধিলে—“অনন্ত ক’ত ?”

বুঢ়াই তৎক্ষণাৎ মাত দিলে—“শো ৰহা হ্যায়। শোনে দেও।”

এনেতে অনন্ত ওলাই আহিল। চৌধুৰীক দেখি তেওঁৰ গোটেই মুখখন উজ্জ্বল হৈ উঠিল। চৌধুৰীৰ মুখতো সেই উজ্জ্বলতা প্ৰতিফলিত হৈ উঠিল।

“আৰে, দাদা দেখোন। গা কেনে পাইছে ?”

চৌধুৰীয়ে হাঁহিলে মাত্ৰ।

“তোমাৰ খবৰ কি ? বৰবিলাৰ খবৰ কি ? মাটিৰ ছেটেলমেণ্ট হ’ল নে ?”

“ইমান সহজতে ছেটেলমেণ্ট হব নে ? এনেয়ে খবৰ ভালেই। শুকৰামে অলপ দিগদাৰী দিছে। বৰকৈ নেপালী বস্তিলৈ যোৱা আৰম্ভ কৰিছে। আৰু কেইজনমান তাৰ লগ হৈছে। দাদাক লৈ যাম বুলি আহিছো। পৰহি তেওঁ খালাচ পাব।”

“জয়ৰাম যাব ?”

“কিয় নাযাব ?”

চৌধুৰীয়ে তৎক্ষণাৎ মনস্থিৰ কৰি পেলালে।

‘ময়ো যাম।”

“আপুনি যাব ? সঁচায় ?”

“যাম। ডাক্তৰে মোক বায়ু পৰিবৰ্ত্তন কৰিবলৈ কৈছে। বৰবিলালৈ গ’লে মই আকৌ সুস্থ হৈ উঠিম।”

অনন্তই চৌধুৰীক সাৱটি ধৰিলে। চৌধুৰীয়ে কৃত্ৰিম খঙেৰে চকু পকাই ক’লে—“মোক পিছে ভি আই পিৰ দৰে ৰাখিব লাগিব। খেতিৰ কামত মোক লগাব নোৱাৰিবা। ওখকৈ এখন চাং বান্ধি দিবা। তাতে বহি মই সেউজীয়া পথাৰৰ ফালে চাই থাকিম।”



OKDISCD

# মণিৰাম দেৱান আৰু অসমৰ মধ্যবিত্ত সমাজৰ ইতিহাস

ডঃ হীৰেন গোহাঁই

( ১ম চোৰা )

১৯০৮ চনৰ চেপ্তেম্বৰ। আগৰদৰেই তেজপুৰৰপৰা প্ৰকাশিত "উষা" আলোচনীত সম্পাদক পদ্মনাথ গোহাঞিবৰুৱাই আথেবেথে সমসাময়িক সাহিত্যৰ শ্ৰেষ্ঠ সাধক লক্ষ্মীনাথ বেজবৰুৱাৰ এটা খুহুটিয়া নিবন্ধ চপাইছে। ৰস-ৰচনা খনৰ নাম "এংলো-ইণ্ডিয়ান।" ভাৰতত লগপোৱা ইংৰাজ শাসক গোষ্ঠিৰ মইবৰ ভাব আৰু ভাৰতীয়ৰ প্ৰতি অবহেলাৰ মুখৰোচক আৰু বিদ্ৰূপাত্মক বিৱৰণ। কিন্তু প্ৰকাশৰ পিছতে হুৱাদুৱা লাগিল। ইংৰাজ শাসনকৰ্ত্তাৰ কাণত পৰিল। পদ্মনাথলৈ তলব আহিল। আন আন "ৰাজভক্ত" অসমীয়াই "চিঃ চিঃ" লগালে। পিছৰ সংখ্যাত পদ্মনাথে বিস্তাৰিতভাবে এই "কুকাৰ্য্য"ৰ বাবে অনুতাপ প্ৰকাশ কৰিলে আৰু জগৰ লগোৱা প্ৰবন্ধটো "উঠাই ললে।" লক্ষ্মীনাথৰ লগত পদ্মনাথৰ তীব্ৰ মনোমালিন্য হ'ল। স্বাধীনতাৰ পিছত ঘটনাটো পদ্মনাথৰ জীৱনৰ এটা কলংক হিচাবে পৰিগণিত হবলৈ ধৰিলে।

কলংক নিশ্চয়। কিন্তু সেই কলংক ব্যক্তিৰ নহয়। কোনো কোনোৱে ভবা দৰে এটা জাতিৰো নহয়। কলংক এটা শ্ৰেণীৰ। সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰৰ অনুগ্ৰহত পুষ্ট আৰু তেনে অনুগ্ৰহৰ প্ৰতি লালায়িত এটা শ্ৰেণীৰ মনোভাব ঘটনাটোত প্ৰকাশ পাইছে। আজি জগৰ লগোৱা প্ৰবন্ধটো পঢ়ি মনলৈ ভাব আহে যে প্ৰবন্ধটোত স্বয়ং লক্ষ্মীনাথেও কম ৰাজভক্তি দেখুৱা নাই! ভাৰতৰ ৰাজনৈতিক মুক্তিৰ দাবী পোনপতীয়াকৈ অস্বীকাৰ কৰি তেওঁ ব্যক্তিত্বৰ স্বাধিকাৰ বিচাৰিছেঃ

"আমাৰ লগে লগে যে ভাৰতবাসী ইংৰাজৰ কিমান অধোগতি হৈছে তেওঁলোকে এতিয়া গৰ্ব্বৰ ৰাগীত মতলীয়া হৈ থাকি বুজিব পৰা নাই। কি পুতৌ! বৰবৰুৱাৰ কিন্তু সেইবাবে দুখ হয়। কাৰণ ইংৰাজে ভাৰতৰ অনেক





উপকাৰ কৰিছে আৰু ভাৰতবৰ্ষ ইংৰাজৰ ওচৰত অনেক প্ৰকাৰে ধৰুৱা। ইংৰাজ ভাৰতৰ গৰাকী হৈ থাকে এনে আশা ভাৰতে সদায় কৰে।" (**বেজবৰুৱা গ্ৰন্থাৱলী,** দ্বিতীয় খণ্ড, পৃঃ ১৬৫৭-১৬৫৮, সাহিত্য প্ৰকাশ গুৱাহাটী, ১৯৭০ চন) ইংৰাজৰ "অভদ্ৰতা"ৰ মূলতে যে ভাৰতৰ ৰাজনৈতিক পৰাধীনতা প্ৰবন্ধটোত সেইবিষয়ে কোনো উল্লেখ নাই। আনহাতে সামন্তযুগীয় জাতিদম্ভই কেনেকৈ চাহাবৰ হাতত অপমান পাই ফেট্‌তুলি উঠিছে লক্ষ্য কৰিবলগীয়া।

"বিলাতী ইংৰাজ ভাৰতবাসী বা ভাৰতবিলাসী হলে তেওঁৰ স্বভাৱৰ পৰিবৰ্ত্তন ঘটে আৰু তাৰ ফলস্বৰূপে তেওঁ এংলোইণ্ডিয়ান কুললৈ উঠে বা নামে। .........বামুন পতিত হৈ কেতিয়াবা চণ্ডালৰ স্বভাৱ লৈ চণ্ডাল হয় হেনো।" (ঐ, পৃঃ ১৬৫৫)

*　　　*　　　*

"আমাৰ দেশৰ সামান্য মানুহৰ লৰাই মুনচুপ, সদৰামিন, চবডেপুটি আদি পদ লভিয়েই অনেক সময়ত "তৃণবৎ মন্যতে জগৎ" আৰু তেওঁলোকৰ ভিতৰৰ কোনোৱে আগৰ দিনৰ ভাল মানুহৰ ঘৰৰ সতি-সন্ততিক আৰু গুৰুগোসাঁই মহন্তক চেলু পাই অপমান কৰি সন্তোষ লভাৰ কথাও বৰবৰুৱাৰ অগোচৰ নাই। তেন্তেনো বিলাতী চিভিলিয়ানসকলে আমাৰ ভাৰতবৰ্ষৰ সৰু-বৰ সকলো শ্ৰেণীৰ মানুহক কথাই কথাই অপমান উপলব্ধা কৰাত আশ্চৰ্য্য কি?" (ঐ, পৃঃ ১৬৫৬)

অৰ্থাৎ সদ্বংশৰ ব্ৰাহ্মণ বেজবৰুৱাক ইংৰাজে যথোচিত সন্মান নকৰা বাবেই তেওঁৰ মনস্তাপ বেছি হৈছে! এই সুযোগতে তেওঁ নিজৰ হৃত সন্মান উদ্ধাৰ কৰিবৰ বাবে "ভাল মানুহ", "বেয়া মানুহ", "ব্ৰাহ্মণ", "চণ্ডাল"ৰ পাৰ্থক্য পাঠকক পুনৰ সোঁৱৰাই দিছে। অনুমান কৰাটো অসংগত নহয় যে ইংৰাজৰ বিৰুদ্ধে পোনপতীয়া প্ৰত্যাহ্বান নিদিয়াৰ ইও এটা কাৰণ। ভাৰতৰ ৰাজনৈতিক স্বাধীনতাৰ দাবী তেতিয়ালৈকে উথাপন কৰিব নোৱাৰি, যেতিয়ালৈকে এনে ভুৱা মান-সম্ভ্ৰমৰ দেৱালে ভাৰতৰ মানুহক খণ্ডবিখণ্ড কৰি ৰাখিব।

তেন্তে বেজবৰুৱাৰ ফাঁই উঠিল ক'ত? প্ৰবন্ধতে আছে তাৰ উত্তৰঃ



OKDISCD

"চতুৰ্থতে, ভাৰতত বেহা-বেপাৰ কৰোঁতা মুদৈ-সাউদবিলাকৰ কথা কোৱা যাওক। ..........তেওঁলোকে বেপাৰ কৰিবলৈ আহি আমাৰ মানুহবপৰা ৰজাৰ সন্মান পায় দেখি লয় আৰু পাই অভ্যাসৰ বশত পৰি নেপালে আমাৰ ওপৰত খং কৰে। বগা মুখ দেখিলেই আমাৰ দেশৰ মানুহ ভয়ত কেকোজেকো হয়।" (ঐ, পৃঃ ১৬৫৭)

অলপতে প্ৰকাশিত হোৱা বেজবৰুৱাৰ "দিনলেখা"ত এই মন্তব্যৰ আচল উঁহ পোৱা যাব। কলিকতাত বি. বৰুৱাৰে সৈতে লক্ষ্মীনাথে যি "স্বাধীন" ব্যৱসায় কৰিছিল সি নামতহে স্বাধীন আছিল। একচেটিয়া ইংৰাজ ব্যৱসায়ী managing agency বোৰৰ বৃহৎ ব্যৱসায়ৰ সৰুসুৰা ঠিকা লোৱা আৰু সৰুসুৰা কাম কৰাই আছিল তেওঁলোকৰ ব্যৱসায়। নিঃসন্দেহে সাধাৰণ ভাৰতীয়তকৈ তেওঁলোকৰ উপাৰ্জন বেছি হৈছিল। কিন্তু একচেটিয়া ইংৰাজ ব্যৱসায় প্ৰতিষ্ঠানৰ তুলনাত—যি ব্যৱসায়-প্ৰতিষ্ঠানৰ যোগালী হিচাবে তেওঁলোকে জীৱিকা আৰ্জিছিল—সি আছিল নগণ্য, আৰু সেইবোৰ সা-সুবিধা আয়ত্ত কৰিবলৈ তেওঁলোকে চাহাবক বিশেষ খাটিৰ কৰি চলিবলগা হৈছিল। উদাহৰণ স্বৰূপে "মোৰ জীৱন সোঁৱৰণ"ত বেজবৰুৱাই উল্লেখ কৰিছে যে ক্ৰিষ্টমাছ উৎসৱৰ সময়ত চাহাব ব্যৱসায়ী বিলাকলৈ বেজবৰুৱাই নিজহাতে বান্ধিকুন্ধি ফলমূল আৰু ক্ৰিষ্টমাছ কে'ক "ভেট" পঠাইছিল! (গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃঃ ৮০ ইত্যাদি) অৰ্থাৎ চাহাব মুদৈ-সাউদক তেওঁ নিজে ৰজাৰ সন্মানেই দিছিল। তাৰ পুৰস্কাৰ স্বৰূপে ঠিকাৰ উপৰিও মাজেসময়ে পাইছিল চাহাব মালিকসকলৰ বিষাক্ত গঞ্জনা আৰু অপমান। (বেজবৰুৱাৰ "দিনলেখা")। বেজবৰুৱাৰ "এংলো ইণ্ডিয়ান" এই সময়চোৱাৰে ৰচনা।

চাহাবৰ হাতত লাঞ্ছিত হৈও ৰাজনৈতিক ভাবে চাহাবৰ লগত যুঁজিবৰ ইচ্ছা নাই, এনে মনোভাবৰ নিদৰ্শন বেজবৰুৱাৰ আগৰ ডোখৰৰ ৰচনাত বহুত আছে। দেউতাক দীননাথ বেজবৰুৱাৰ জীৱনীত তেওঁ মন্তব্য কৰিছে: "ৰাজনৈতিক আন্দোলনতো তেওঁ সদায় উৎসাহেৰে সৈতে যোগদান কৰিছিল; কিন্তু গবৰ্ণমেণ্টৰ বিৰুদ্ধে চলা কোনো কথা আৰু কামত কেতিয়াও তেওঁ মত নিদিছিল; বৰং প্ৰজাপালক ৰজাক ঈশ্বৰৰ প্ৰতিনিধি স্বৰূপে দেখিবলৈ সকলোকে উপদেশ দিছিল।" (গ্ৰন্থাৱলী প্ৰথম খণ্ড, পৃঃ ১৩৩)। দেউতাকৰ এই





মনোভাব বেজবৰুৱাই শ্ৰদ্ধাৰে উল্লেখ কৰিছে, আৰু তাৰ সমালোচনা কৰা নাই। ১৯১৬ চনত অসম ছাত্ৰ সন্মিলনৰ প্ৰথম সভাপতি হিচাবে তেওঁ মন্তব্য কৰিছে:

"সকলোৱে দেখিছে যে বংগদেশৰ স্কুল কলেজৰ কিছুমান ছাত্ৰৰ ভিতৰত ৰাজদ্ৰোহ, ডকাইতি, নৰহত্যা ইত্যাদি ভীষণ চিন্তা আৰু কাৰ্য্যই ঠাই লৈছে। ঈশ্বৰক ধন্যবাদ যে আমাৰ অসমত আমাৰ অসমীয়া ছাত্ৰসকলৰ মাজত সেই সৰ্বনশীয়া পাপ প্ৰৱেশ কৰা নাই। স্কুল কলেজৰ ঈশ্বৰবিবৰ্জিত শিক্ষাৰেই ই একৰকম ফল বুলি মোৰ মনে ধৰে।" (গ্ৰন্থাৱলী ২য় খণ্ড, পৃঃ ১৮৪২) সমসাময়িক সন্ত্ৰাসবাদী জাতীয়তাবাদী ৰাজনীতিক তেওঁ ঈশ্বৰদ্ৰোহিতাৰ শাৰীত ঠাই দিয়াটো এক বিশেষ মনোভাবৰ পৰিচায়ক।

কিন্তু ৰাজভক্ত নহৈ উপায়ো নাছিল! মৌজাদাৰ, প্ৰশাসনীয় বিষয়া (হাকিম-মুনচুপ), আৰু ইংৰাজ একচেটিয়া পুঁজিৰ স্থানীয় দালাল——এই জীৱিকাত আবদ্ধ অসমীয়া মধ্যবিত্ত শ্ৰেণীটো সাম্ৰাজ্যবাদী ইংৰাজ শক্তিৰ সৃষ্ট আৰু আশ্ৰিত আছিল। সাম্ৰাজ্যবাদী চাপৰ বাহিৰত সিহঁত টিকিব নোৱাৰিলেহেতেন। সেয়ে "ৰাজভক্তি" বহুদিনলৈ অসমীয়া মধ্যবিত্তৰ হাড়ে-হিমেজুৰে সোমাই আছিল। সেই সময়ৰ প্ৰভাৱশালী আৰু স্মৰণীয় ৰাজনৈতিক নেতা সকলৰ অনেকেই এই ৰাজভক্তি প্ৰদৰ্শনত আছিল আগৰণুৱা। উদাহৰণ স্বৰূপে ১৯১১ চনত মাণিকচন্দ্ৰ বৰুৱাই দিল্লীৰ দৰবাৰত ইংৰাজ "সম্ৰাট সম্ৰাজ্ঞীৰ ওচৰত আঠু লৈ অসমৰ হৈ ৰাজভক্তি জনাবলৈ অনুমতি" পাই সন্মানিত বোধ কৰিছিল। (জীৱনী সংগ্ৰহ, অসম প্ৰকাশন পৰিষদ, ১৯৬৯, পৃঃ ৬৪) আনহাতে নবীন বৰদলৈ—তৰুণ ফুকনৰ দিনৰ পৰা অম্বিকাগিৰী, জ্যোতিপ্ৰসাদ, ত্যাগবীৰ হেম বৰুৱাৰ যুগলৈ এই ৰাজভক্তিৰ পৰা অসমীয়া মধ্যবিত্ত এচাম আঁতৰি আহিছিল। সেই কাহিনী আৰু এক সংখ্যা "নতুন পৃথিৱী"ত শুনোৱা হব।

মণিৰাম দেৱানৰ জীৱনীক এই পটভূমিৰ পৰা আঁতৰাই অনাৰ প্ৰয়োজন নাই। এইজন মহৎ ব্যক্তিৰ জীৱনতো পিছৰ যুগৰ অসমীয়া মধ্যবিত্তৰ শ্ৰেণীগত দুৰ্বলতাৰ চিন সুস্পষ্ট। ইংৰাজ আমোলতে এওঁ সাফল্যৰ শীৰ্ষবিন্দু চুইছিল, আৰু ইংৰাজৰ হাততে তেওঁৰ স্বাধীনতা পিয়াসী ব্যক্তিত্বৰ পুৰস্কাৰ আছিল মৃত্যুদণ্ড। সাতাৱন



OKDISCD

ছালৰ সেই শিক্ষা মধ্যবিত্ত অসমীয়াই বহুদিনলৈ পাহৰা নাছিল। সামন্তযুগৰ বাধ্য-বাধকতাৰ ঠাইত কিছু পৰিমাণৰ ব্যক্তিস্বাতন্ত্র্যৰ সুবিধা দিবলৈ ইংৰাজ সাম্ৰাজ্যবাদ সাজু আছিল। কিন্তু সাম্ৰাজ্যবাদী পুঁজি আৰু সাম্ৰাজ্যবাদী প্ৰশাসনৰ প্ৰতি সামান্য প্ৰত্যাহ্বানকো কৌশলেৰে আৰু কঠোৰ হাতেৰে দমন কৰিছিল। লগে লগে সাম্ৰাজ্যবাদী আমোলৰ বিশ্বস্ত দেশীয় সেৱক সকলে বিত্তৰ সা-সম্পত্তি কৰাৰ সুযোগৰ উপৰিও "ৰায় চাহাব", "ৰায় বাহাদুৰ" "নাইট (Sir)" প্ৰভৃতি খিতাপ লাভ কৰি দেশীয় সমাজত দপ্দপাই ফুৰিছিল। ইংৰাজৰ এই মনোভাব বিচিত্ৰভাবে প্ৰকাশ পাইছিল। অসমৰ প্ৰথম আৰু প্ৰভাৱশালী ইংৰাজী কাকত **Times of Assam** খন ঘাইকৈ চাহবাগানৰ মালিক চাহাব-বোৰৰ সহায়ত প্ৰতিষ্ঠিত হয়। কিন্তু সেই মালিক গোষ্ঠিৰ স্বাৰ্থৰ বিৰোধিতা কৰাৰ অপৰাধতে শেষত তাৰ মৃত্যু ঘটে। (লক্ষ্মীনাথ ফুকন, **মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ** কলিকতা, ১৯৬৯, পৃঃ ৯৪-৯৬, পৃঃ ১০৩)

থুলমুলকৈ অসমীয়া মধ্যবিত্ত সমাজৰ উৎপত্তি আৰু বিকাশৰ বিবৰণ দিলে মণিৰাম দেৱানৰ উত্থান আৰু পতনৰ কাৰণ পৰিষ্কাৰ হব। পোনতে কব লাগিব যে সামন্তযুগৰ ডা-ডাঙৰীয়া শ্ৰেণী বিধ্বস্ত হোৱা বাবেহে এই শ্ৰেণীৰ বিকাশ সম্ভৱ হয়। কিন্তু সামন্তযুগীয় ভাবধাৰাৰ আমূল পৰিৱৰ্তন এই শ্ৰেণী-টোৱে সাধিব নোৱাৰিলে। কাৰণ সাম্ৰাজ্যবাদে দেশীয় সামন্তবাদক দুৰ্বল আৰু নিশকতীয়া কৰিলেও তাক সম্পূৰ্ণ নিধন কৰা নাছিল। তাৰ উপৰিও দেশীয় পুঁজিবাদৰ বিকাশত নানা বাধা বিঘিনিৰ সৃষ্টি কৰি প্ৰাচীন, মুমূৰ্ষু সামন্তবাদৰ মৃত্যু বিলম্বিত কৰিছিল। এই পটভূমি বিশেষ তাৎপৰ্য্যপূৰ্ণ।

ইংৰাজে একো কৰাৰ আগতেই তাৰ নিজৰ আভ্যন্তৰীণ দ্বন্দ্বতে অসমৰ সামন্তবাদ হৃতবল আৰু ক্ষয়প্ৰাপ্ত হৈছিল। শোষণৰ মাত্ৰাধিক্য হোৱাত আৰু বৈষ্ণৱ সত্ৰৰ যোগে সংগঠনৰ সুবিধা পোৱাত সাধাৰণ প্ৰজাই "মোৱামৰীয়া বিদ্ৰোহ"ৰে যি আঘাত হানিলে তাৰ ফলতে আহোম সামন্তবাদ থৰকবৰক হৈ পৰিল। এই বিদ্ৰোহে "খেল"প্ৰথাৰ বান্ধোন শিথিল কৰি নিয়মিত শোষণৰ প্ৰক্ৰিয়া লেহেম কৰি পেলালে। ডা-ডাঙৰীয়া আৰু ৰাজশক্তিয়ে প্ৰজাৰ আনুগত্যৰ ওপৰত আগৰ দৰে ভৰসা কৰিব নোৱাৰা হ'ল। দীৰ্ঘ-কালীন অশান্তি আৰু নৈৰাজ্যৰ সৃষ্টি কৰি এই বিদ্ৰোহে ৰজা আৰু ডা-





ডাঙৰীয়া শ্ৰেণীয়ে কৰ্তৃত্ব কৰা নানাবিধ কৃষি আৰু শিল্পৰ উৎপাদন দুৰ্বল কৰি পেলায়। আনকি বহু জনবহুল অঞ্চল জনশূন্য হৈ পৰে। আলি-মঠাউৰি প্ৰভৃতিৰ যত্ন কমি গ'ল, ফলত বানপানীয়ে খেতিবাতিৰ বেছিকৈ অনিষ্ট কৰিবলৈ ধৰে। আহোমৰ যুদ্ধ প্ৰস্তুতিতো আৰ্থিক আৰু সামাজিক কাৰণত দুৰ্বলতাই দেখা দিয়ে। সেয়ে মানৰ আক্ৰমণত আহোম ৰাজ্য ছাৰখাৰ হয়। (H. K. Barpujari, **Assam in the Days of the Company,** Gauhati, 1963, p. 5, p. 10; Francis Buchanan (Hamiltion) **Account of Assam,** D. H. A. S. Gauhati 1963, p 26, p 35, p 43; Capt. R. B. Pemberton, **Report on the Eastern Frontier of British India**, D. H. A. S. 1966. pp 83-84; R. M. Lahiri, **Annexation of Assam,** Culcutta, p 25, প্ৰভৃতি ]

মানৰ আক্ৰমণে মোৱামৰীয়া বিদ্ৰোহৰ কাম সম্পূৰ্ণ কৰিলে। সামন্ত অতীতৰ প্ৰতি দুৰ্বলতা থকা অসমীয়া মানুহে আজিও "মান মোৱামৰীয়াৰ উপদ্ৰৱ" বুলি একেলগে দুয়োটা ঘটনাক সাঙোৰে। অৱশ্যে মানৰ আক্ৰমণ কেৱল ডাঙৰীয়া শ্ৰেণীৰ বিৰুদ্ধে নাছিল, সমগ্ৰ অসমীয়া ৰাইজে শদিয়াৰ পৰা ধুবুৰিলৈকে ব্যাপক বৰ্বৰতা আৰু অত্যাচাৰৰ সন্মুখীন হৈছিল। অবাধ লুণ্ঠন আৰু অত্যাচাৰৰ প্ৰকোপত অসমৰ সমাজ প্ৰায় থানবান হয়। নিৰাপত্তাৰ অভাৱত দেশ এৰি মানুহ অ'লৈ ত'লৈ পলোৱাত কৃষি, শিল্প আৰু বাণিজ্য প্ৰায় স্তব্ধ হয়। নৈৰাজ্য আৰু অশান্তি এনে প্ৰবল হয় যে অসমৰ প্ৰথম সাৰ্থকনামা ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ প্ৰায়কেইখন উপন্যাসত "মানৰ দিন"ৰ দুঃস্বপ্নৰ স্মৃতি প্ৰবল—যেন নতুনকৈ থিতাপি লোৱাৰ পিছত অসমীয়া ৰাইজৰ চেতনাত সেই দুৰ্ভাগ্যৰ স্মৃতি প্ৰধান অভিজ্ঞতা আছিল। ("ৰহদৈ লিগিৰী", "মনোমতী", "নিৰ্ম্মল ভকত", "ৰঙিলী" প্ৰভৃতিত মানৰ দিনৰ বৰ্ণনা পঢ়িলে সেই ভয়ানক দুৰ্ভাগ্যৰ বাবে আজিও আমাৰ অন্তৰ মথি কৰুণাৰ দীৰ্ঘশ্বাস ওলাই আহে!)

১৮২৬ চনত য়াণ্ডাবু সন্ধি মতে অসম ইংৰাজৰ হাতলৈ যায়। কিন্তু ইংৰাজে অসমত সোমাওঁতে যি ঘোষণাপত্ৰ প্ৰচাৰ কৰিছিল তাত এনে



OKDISCD

ইংগিত আছিল যেন দেশত শান্তি স্থাপন হলেই ইংৰাজ উভতি যাব। (বেণুধৰ শৰ্মা, **মণিৰাম দেৱান**, অসম জ্যোতি, গুৱাহাটী, পৃঃ ৪৭)। কিন্তু উনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধত সাম্ৰাজ্যবিস্তাৰেই ইংৰাজৰ নীতি আছিল। যুদ্ধাভিযান নাইবা চাতুৰিৰ দ্বাৰা সিহঁতে ভাৰতৰ উত্তৰ প্ৰদেশ (Oudh), পঞ্জাৱ, ঝাঁচি ছাত্তাৰা, নাগপুৰ ইত্যদি ৰাজ্য গ্ৰাস কৰিছিল। অসমতো তাৰ ব্যতিক্ৰম নহ'ল। পুৰন্দৰ সিংহক উজনি অসমৰ ৰাজ্যভাৰ দিয়া ভেকোভাওনা মাৰ্ক্সৰ ভাষাতে ভালকৈ বৰ্ণোৱা যায়ঃ

"Under the present system the native States succumb under the double incubus of their native administration and the tributes and inordinate military establishments imposed upon them by the Company. The conditions under which they are allowed to retain their apparent independence are at the same time, the conditions of a permanent decay, and utter inability of improvement (Karl Marx, "The Native States", **New York Daily Tribune**, July 1, 1853)। পুৰন্দৰৰ কোনোমতে থানথিত লোৱা ৰাজ্যৰ পৰাও ইংৰাজে পোনছাটেই এনে গধুৰ কৰ (tribute) দাবী কৰিলে, যাৰ হেঁচাত সাধাৰণ প্ৰজাই ত্ৰাহি ত্ৰাহি সুঁৰিবলৈ ধৰিলে। তেতিয়া পুৰন্দৰৰ বিৰুদ্ধে প্ৰজাপীড়ন আৰু অত্যাচাৰৰ অভিযোগ আনি প্ৰখ্যাত ব্ৰিটিছ ভণ্ডামিৰ নতুন উদাহৰণ দিয়া হ'ল। (R.M Lahiri, **The Annexation of Assam**, Culcutta, py 165—168; H. K. Barpujari, **Assam in the Days of the Company**, Gauhati 1963, pp 100—124)

আচলতে ইংৰাজৰ অসমৰ প্ৰতি লোলুপ দৃষ্টি আছিল বহু দিনৰে পৰা। ধাৰণা হয় যে কৌশলেৰে ৰজা পুৰন্দৰৰ প্ৰতি প্ৰজাসাধাৰণৰ অনাস্থা সৃষ্টি কৰি ইংৰাজ চৰকাৰে মানুহৰ মনত এনে বিশ্বাস জন্মাব খুজিছিল যেন দেশীয় শাসনৰ তলত শান্তি আৰু সমৃদ্ধি অসম্ভৱ। ১৭৭৪ চনতে কোম্পানীৰ ওচৰত জৰ্জ বগলে (Geoge Bogle) এখন ৰিপৰ্ট'ত তেওঁ কয় যে অসমৰ লগত কোম্পানিৰ মুলুকৰ বেহা-বেপাৰ বৰ মুল্যবান, আৰু এই বেহাবেপাৰৰ লাভ





আৰু বঢ়াব পাৰি। তেওঁৰমতে এদল সেনাবাহিনী পঠাই অসমৰ ৰজাক এশিকনি দিলেই বেহা-বেপাৰৰ ওপৰত ৰজাৰ শাসন কমিব, কোম্পানীৰ ইচ্ছানুযায়ী অসম আৰু চুবুৰীয়া ঠাইবোৰলৈ কোম্পানীৰ পণ্য চালান দিব পৰা যাব। (S. K. Bhuyan, **Anglo-Assamese Relations**, D. H. A. S. A., Gauhati, 1949, pp 80-81)। তাৰ পিছতো বিভিন্ন ইংৰাজ ৰাজদূত, সৈন্যাধ্যক্ষ আৰু বিষয়াই লক্ষ্য কৰে যে অসম দখল কৰিলে অসমৰ ঐশ্বৰ্য্য হাত কৰাৰ উপৰিও ব্ৰহ্মদেশ আৰু তিব্বতৰ (তিব্বতে অসমৰ পণ্যৰ বিনিময়ত বছৰি ৭০,০০০ৰ পৰা ১০০,০০০ টকাৰ সোণ আৰু অন্যান্য বস্তু দিছিল) লগতো বেহাবেপাৰ চলাব পৰা যাব আৰু চীনদেশৰ লগত বাণিজ্যৰ এক ভূমধ্য পথ (Overland route) মুকলি হব। মানক খেদাৰ দিনৰে পৰা অসমৰ প্ৰাকৃতিক সম্পদ (বনজ, খনিজ প্ৰভৃতি) সম্পৰ্কে কোম্পানীৰ বৈজ্ঞানিক আৰু বিষয়া বিলাকে পুংখানুপুংখ অনুসন্ধান চলায়। ১৮৩৫ চনত প্ৰথম প্ৰকাশিত কেপ্তেইন আৰ, বি, পে'ম্বাৰটনৰ (Capt. R. B. Pemberton, **Report on the Eastern Frontier of British India** ত) (P. H. A. S., Gauhati, 1966) এটা মন্তব্যই কেইবাজনো ইংৰাজ বিষয়াৰ মনোভাব ব্যক্ত কৰেঃ

"Looking to the extraordinary fertility of the soil...and the proofs derived from history, of its former affluence, abundant population. and varied products, there can be no doubt that in the course of a very few years, under a more settled goverment than it has possessed for the last century, this provincc will prove a highly valuable acquisition to the British government. Its revenue already shows progressive improvement, and as our communications are renewed with the numerous tribes surrounding it...new channels of commerce will be obtained..." (p. 76) অলমতি বিস্তাৰেণ। পাঠকে বিচাৰিলে হোৱাইট, জে'নকিন্স প্ৰভৃতি অসমত থকা ব্ৰিটিছ শাসনকৰ্ত্তাৰ পৰা যোৱা একে ধৰণৰ বহু ৰিপৰ্ট আদি পাব। পুৰন্দৰৰ প্ৰতি অন্যায় কৰা হৈছিল বুলি সমসাময়িক হুতিৰাম হাজৰিকাই "কলিভাৰত



OKDISCD

বুৰঞ্জী”ত মন্তব্য কৰিছে। চাহৰ বাগিছা পাতিবলৈকে ব্ৰিটিছে পুৰন্দৰৰ ৰাজ্য কাঢ়িলে বুলি তেওঁ অনুমাণ কৰিছে। (পৃ: ২০৯)

পুৰন্দৰক কৌশলেৰে অপসাৰিত আৰু অপমানিত কৰি অসমত আহোম ৰাজশক্তিৰ পুনৰুত্থানৰ সম্ভাৱনা ইংৰাজে ৰুদ্ধ কৰিলে। তাৰ পিছত ইংৰাজে এনে কিছুমান নীতি ল'লে যাৰ ফলত আহোম ডা-ডাঙৰীয়া শ্ৰেণী প্ৰায় সমূলঞ্চে বিনষ্ট হ'ল। ইংৰাজ আমোলত আহোম ডা-ডাঙৰীয়াই পূৰ্ব্বৰ পদমৰ্যদাৰ সুবিধা হেৰুৱালে। ই কেৱল ইংৰাজৰ অবিশ্বাস বা সন্দেহৰ বাবে নহয়। কোম্পানীয়ে প্ৰচলন কৰা নতুন আইন-কানুন, খাজনা তোলাৰ পদ্ধতি অসমত আচহুৱা আছিল। লেখাপঢ়া, হিচাব নিকাচ জনা মানুহেহে শীঘ্ৰে তাৰ মোৰ পাইছিল। আনহাতে দেশ দস্তুৰ মতে আহোম শাসনকৰ্ত্তাই হিচাব নিকাচ আদিৰ কাম কাকতীৰ হতুৱাই কৰাইছিল। আৰু নিজে প্ৰশাসনৰ সাধাৰণ (general) দায়িত্ব পালন কৰিছিল। সেয়ে নতুন শাসনযন্ত্ৰত আহোম ডা-ডাঙৰীয়াৰ বিশেষ বিশেষ গুণ কোনো কামত নহা হ'ল, আৰু তেওঁলোকৰ ঠাই ক্ৰমশঃ ল'লে লেখাপঢ়াজনা কাকতী শ্ৰেণীৰ মানুহে। তাতোকৈ ডাঙৰ বিপদ হ'ল পাইকপ্ৰথাৰ আৰু দাস প্ৰথাৰ বিলোপ সাধন। সামন্তযুগীয়া অৰ্থনীতিত ডা-ডাঙৰীয়ৰ পৰিয়ালবোৰৰ ভৰণ পোষণ হৈছিল খাতপামৰ যোগেদি। খাতপামত প্ৰজাক খটুৱাবলৈ সামন্ত শাসনত সেই ডা-ডাঙৰীয়াবিলাকৰ যি অধিকাৰ আছিল ইংৰাজে তাক ৰহিত কৰিলে। আনহাতে সামন্তবাদী মৰ্য্যদাত অভ্যস্ত আহোম ডা-ডাঙৰীয়াৰ বেহাবেপাৰ, ধন আৰ্জন আদিত কোনো সামৰ্থ্য নাছিল। সেয়ে পাইক প্ৰথা আৰু বন্দীবেটী ৰখাৰ নিয়ম উঠি যোৱাৰ লগে লগে তেওঁলোক ভীষণ ভাৱে ক্ষতিগ্ৰস্ত হয় আৰু এক পুৰুষৰ ভিতৰতে দৰিদ্ৰ খেতিয়কৰ শাৰীলৈ নামি আহে (ধৰ্ম্মীয় প্ৰভাৱ থকা বাবে সত্ৰাধিকাৰ সকলৰ সেই দুৰৱস্থা নহল)। মেকেঞ্জি, ৰবিনচন্ প্ৰভৃতিৰ উক্তিত আহোম ডা-ডাঙৰীয়া শ্ৰেণীৰ দ্ৰুত অৱনতি আৰু চৰম দুৰ্দ্দশা সম্পৰ্কে ঘৰিয়ালৰ চকুলো উপচি পৰিছে। মনিৰাম দেৱানে মিল্‌চলৈ দিয়া আৰ্জীত ডা-ডাঙৰীয়া শ্ৰেণীৰ দুৰ্গতিক ইংৰাজ শাসনৰ অপকাৰৰ ভিতৰত ধৰা হৈছে। (বেনুধৰ **শৰ্মা উল্লিখিত গ্ৰন্থ** পৃ: ১৫২-১৫৩) ১৯০৯ চনত প্ৰকাশিত **Imperial Gazetteer of India** ৰ Eastern Bengal & Assam খণ্ডত এই সকলো মতৰ সাৰমৰ্ম্ম হিচাবে লেখা হ'লঃ





"The native gentry were, however, impoverished by the abolition of the offices they had formerly enjoyed and by the liberation of their slaves, and they had some grounds for feeling discontented with the British rule." (p. 571)

ডা-ডাঙৰীয়া শ্ৰেনীৰ এইবোৰ সা-সুবিধা প্ৰত্যক্ষ সামন্ততান্ত্ৰিক শোষণৰ পৰা আহিছিল। প্ৰজাসাধাৰণ বহু ক্ষেত্ৰত তেওঁলোকৰ দাসৰ দৰে আছিল। সেয়ে এইবোৰ মানমৰ্য্যদাৰ অৱসানত আমি দুখকৰিবলগীয়া একো নাই। কিন্তু ইংৰাজৰ "প্ৰগতি শীলতা"ও আছিল স্বাৰ্থপ্ৰণোদিত আৰু নিতান্ত সীমাবদ্ধ। আহোম ডা-ডাঙৰীয়া শ্ৰেণীৰ কঁকাল ভাঙিলেও পুৰণিকলীয়া মান-সম্ভ্ৰমৰ ধাৰণা সংৰক্ষণ কৰিবলৈ ইংৰাজ চৰকাৰে যৎপৰোনাস্তি চেষ্টা চলালে। নতুনকৈ সৃষ্টি কৰা মৌজাদাৰ শ্ৰেণীটোৱে যাতে আগৰ দিনৰ ডা-ডাঙৰীয়াৰ দৰে প্ৰজাৰ পৰা মান-মৰ্য্যদা পায় ইংৰাজ চৰকাৰ সেই বিষয়ে সজাগ আছিল। এইদৰে গ্ৰাম্যঅঞ্চলত ইংৰাজৰ শাসনৰ ভিত্তি হিচাবে এই শ্ৰেণী স্থাপিত হয়। তদুপৰি নতুন প্ৰশাসনৰ ওখ বিষয়-আশয় যাতে পুৰণি সম্ভ্ৰান্ত ঘৰৰ (পাৰ্থপক্ষত অনা-আহোম) মানুহেহে পায়, তালৈ নজৰ দিয়া হৈছিল। ডেবিড স্কটৰ উক্তি, বেনুধৰ শৰ্মাৰ **উল্লেখিত গ্ৰন্থ**, পৃ: ৮ ত উদ্ধৃত; Dr. H. K. BarPujari, **Op. cit.** p. 258)। ধৰ্ম্মীয় প্ৰভাৱৰ যোগেদি প্ৰজাৰ অনুগত্য আদায় কৰিবলৈ আউনিআটিয়া সত্ৰাধিকাৰক ২২০০০ একৰ আৰু দক্ষিণপটীয়া সত্ৰাধিকাৰক ১২০০০ একৰ নিস্কৰ মাটি ইংৰাজ চৰকাৰে দান কৰিছিল।

(**Revenue Administration Report of Assam**, 1849-50) অৰ্থাৎ "গণতন্ত্ৰ"ৰ আদৰ্শ অনুযায়ী "সকলোকে সমান সুযোগ" দিয়াৰ প্ৰেৰণাৰে ইংৰাজে অসমত কাম কৰা নাছিল। পুৰণি সামন্তবাদী শ্ৰেণীক উচ্ছেদ কৰাৰ লগে লগে তাৰ ঠাইত সৃষ্টি কৰিছিল মৌজাদাৰ-মহলদাৰ আৰু দাৰোগা-মনচুপৰ শ্ৰেণী—যি তেওঁলোকৰ মান-মৰ্য্যাদা আৰু সা-সম্পত্তিৰ বাবে ইংৰাজৰ ওচৰত ধৰুৱা হৈ ৰব আৰু যি ইংৰাজৰ হৈ প্ৰজাৰপৰা আনুগত্য আৰু বাধ্যতা আদায় কৰিব।

পুঁজিবাদী গণতন্ত্ৰৰ লগত পৰিচয় থকা ইংৰাজে সমগ্ৰ ভাৰতেতে শস্য ব সামগ্ৰাৰ ঠাইত, বা অসমত গা খাটি দিয়াৰ ঠাইত, খাজনা লোৱা নিয়ম কৰিলে।



OKDISCD

এই নিয়ম আমি ভবাৰ দৰে প্ৰজাৰ পক্ষে হিতকৰ নাছিল। বিশেষকৈ সময়ে সময়ে খাজনাৰ হাৰ বঢ়োৱা নীতিয়ে প্ৰজাৰ মূৰত ৰামটাঙোন মাৰিছিল। ১৮২৬ চনত ইংৰাজ অধিকৃত ভাৰত ভ্ৰমণ কৰি Bishop Heber এ কৈছিল: "No Native Prince demands the rent which we do." (R.C. Dutta **The Economic History of India under early British Rule** London, 1956, first published 1901, p. X) Sir John Shore এ ১৮৩৭ চনত কৈছিল: They (Indians) have been taxed to the utmost limits. Every successive Province, as it has fallen into our possession, has been made a field for higher exaction, and it has always been our boast how greatly we have raised the revenue above that which the native rulers were able to extort" (R. C. Dutta, **Op. cit.** p. 411) সকলোতকৈ আহুকালত পৰিল টকাৰ প্ৰচলন কম থকা অসমৰ দৰে অপেক্ষাকৃত অনুন্নত অঞ্চলৰ ৰাইজ। অসমত টকাৰ মূল্য আছিল অত্যধিক, তুলনাত কৃষক বা কাৰিকৰে উৎপাদন কৰা বস্তুৰ মূল্য আছিল নগন্য। ডঃ বৰপূজাৰীয়ে তথ্য দিছে যে ১৮৩০ চনত চাউলৰ দাম আছিল মোনে ২ অনা, ১৮৪০ চনত মোণে ৫ অনা, ১৮৫৯ চনত মোণে ৮ অনা! সেয়ে মাটিৰ গৰাকী হৈয়ো প্ৰকৃততে পাইক-বিলাকৰ অৱস্থা ভাল নহ'ল, সামন্ত শোষণৰ ঠাইত খাজনা শোষণে তেওঁলোকৰ তেজ চুহিবলৈ ধৰিলে। বৰপূজাৰীয়ে তেওঁৰ উল্লিখিত গ্ৰন্থত লিখিছে: "বেচিভাগ ৰায়তৰ সৰহকৈ মাটি কিনি অৱস্থা উন্নত কৰাৰ আৰ্থিক সামৰ্থ নাছিল। নিজৰ বছৰটোৰ খাদ্যৰ বাহিৰে সাধাৰণ ৰায়তৰ হাতত উদ্বৃত্ত নাছিল। বানপানী বা খৰাং বতৰত দুৰ্ভিক্ষৰ অৱস্থা সঘনে দেখা দিছিল।" আকৌ ৰজাদিনীয়া দাসত্বৰ পৰা মুকলি হোৱাৰ পিছতো খাজনাৰ হেঁচাত সাধাৰণ পাইক বা ৰায়তৰ অৱস্থা বেয়াহে হৈছিল।" (মুকলি অনুবাদ, Barpujari, **Op. cit.** p. 214, p. 256)

পাইকপ্ৰথা উঠাই ৰাইটৱাৰি নিয়মত প্ৰতিজন প্ৰজাক মাটিৰ মালিকানা দিয়াৰ ফল হ'ল এনে। তাৰ উপৰিও বহু মানুহে ভোগ কৰা দাসত্বদশা (Slavery) উঠাই দি ইংৰাজে দেশহিতৈষীতাৰ বাবে বাঃ বাঃ লৈছিল। কিন্তু





চৰ্কাৰী কাগজপত্ৰত ফটফটিয়া হৈ আছে যে গোলামবিলাকক খেতিয়ক ৰায়তত পৰিণত কৰিব পাৰিলে খাজনা বাঢ়িব—এই অৰ্থনৈতিক তথ্যটিও ইংৰাজ শাসনকৰ্ত্তাৰ অবিদিত নাছিল!! (**Revenue Administration Report of Assam**, 1849-50)

চাফ কথাত আইনৰ ফালৰপৰা সাধাৰণ প্ৰজাই কিছু সকাহ পালেও আৰু আহোম আমোলৰ গুৰুদণ্ডৰ হাত সাৰিলেও, আৰ্থিক পিনৰপৰা বিশেষ লাভবান নহ'ল। মিলচ্ চাহাবলৈ দিয়া স্মাৰকপত্ৰত মণিৰাম দেৱানে ইংৰাজ অধিকাৰৰ পৰা প্ৰজাই পোৱা নিম্নলিখিত উপকাৰবোৰ বিবৃত কৰে:

"এইকেইটা নিয়ম উঠাই দিয়া: (১) নাককাণ কটা (২) চকুকঢ়া (৩) বলাৎকাৰ কৰি লোকৰ ছোৱালী ধৰি নিয়া (৪) কাটল গুচোৱা (৫) নিয়মিত ডাকৰ বন্দোবস্ত কৰা (৬) অইন দেশলৈ হুণ্ডী পঠিওৱাৰ নিয়ম চলোৱা (৭) পঢ়াশালি পতা—যদিও তাৰপৰা একো উপকাৰ দেখা নাই। (৮) বন্দী-বেটীবোৰ মুকলি কৰি দিয়া......" (বেণুধৰ শৰ্মা, **উল্লিখিত গ্ৰন্থ**, পৃঃ ১৫২)। মন কৰিবলগীয়া যে ইয়াৰ (৫), (৬), (৭) নম্বৰ দফাৰপৰা সাধাৰণ প্ৰজাৰ বিশেষ লাভ হোৱা নাছিল। অন্ততঃ বহুদিন ধৰি। (মণিৰামে আকৌ নিজেই একেখন স্মাৰক পত্ৰতে ডা-ডাঙৰীয়াৰ লগুৱা-লিক্চৌ গুচাই দিয়াত দুখ কৰিছে! ঐ, পৃঃ ১৫৩)

তেন্তে ব্ৰিটিছ আগমনত কাৰ লাভ হৈছিল? কোন শ্ৰেণীৰ উপকাৰ হৈছিল? আমি আগতেই কৈ আহিছোঁ এই নতুন শ্ৰেণীটো বহুলাংশে ইংৰাজ শক্তিৰ সৃষ্টি। এওঁলোক আহোম ড'-ডাঙৰীয়াৰ দৰে মাটি আৰু পাইকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল নাছিল। আহোম ৰাজত্বৰ ক্ষয়িষ্ণু অৱস্থাত ৰাজশক্তি যেতিয়া দুৰ্বল হয় তেতিয়া কিছুমান আমোলা প্ৰভৃত সা-সম্পত্তি, ধনসোণৰ অধিকাৰী হৈছিল। যুদ্ধবিগ্ৰহ আৰু দেশ শাসনতকৈ বেহাবেপাৰ বা হিচাবনিকাচৰ লগতহে এওঁলোকৰ সম্পৰ্ক বেছি আছিল। (সামন্ত শোষণ উন্নত ধৰণৰ হৈ অহাত কাকতীৰ প্ৰয়োজনো বাঢ়িছিল।) নতুবা ৰজাঘৰীয়া বিষয় থাওঁতে অসমৰ প্ৰাচীন পৰিয়ালবোৰতকৈ এওঁলোকে সঞ্চয়ৰ (saving) ক্ষেত্ৰত বেছি ধাউতি আৰু কৃতিত্ব দেখুৱাইছিল। সেইসকলৰ মাজত ইংৰাজৰ আগমনৰ সময়ত প্ৰাধান্য পোৱা হলীৰাম ঢেঁকিয়াল ফুকন, দীননাথ বেজবৰুৱা, মণিৰাম বৰুৱা



OKDISCD

( দেৱান ), কাশীনাথ তামুলী ফুকন, যজ্ঞৰাম ফুকন, হৰকান্ত সদৰামীন, যাদুৰাম ডেকাবৰুৱা প্ৰভৃতি সম্ভ্ৰান্ত মানুহৰ লগত এইখিনিতে আহোম ডা-ডাঙৰীয়াৰ পাৰ্থক্য আছিল। সামন্ত যুগীয়া দস্তুৰ মতে আহোম ডা-ডাঙৰীয়াই বংশগত বিষয় আৰু মৰ্য্যদা ভোগ কৰিছিল। সঞ্চয়ৰ ক্ষেত্ৰত তেওঁলোক আছিল নিৰ্বিকাৰ। কিন্তু বিষয়ভোগ যিসকলৰ ক্ষেত্ৰত সিমান নিৰাপদ নাছিল তেওঁলোকে সম্পত্তি আৰ্জন আৰু সঞ্চয়ত বিশেষ মনোযোগ দিবলৈ বাধ্য হৈছিল। আনহাতে তেওঁলোকৰ বাঢ়িঅহা সম্পত্তি আৰু ক্ষমতাত হাত দিবলৈ ৰজাঘৰীয়া শক্তি আৰু নাছিল।

এওঁলোকৰ সা-সম্পত্তিৰ বা সঞ্চয়ৰ দুটামান উদাহৰণ দিয়া প্ৰয়োজন। বেণুধৰ শৰ্ম্মাই দেৱানৰ জীৱনীত লেখিছেঃ "এদিন তেওঁৰ পিতৃদেৱক ৰামদত্তই ঘৰত থকা ধন-সোণৰ লেখ লবলৈ মন কৰি, এফালে চকলা ৰূপৰ ( টকা ) আৰু ইফালে সোণৰ মোহৰৰ লদাবোৰ দ'ম বন্ধালে। ৰূপ সোণৰ দ'ম দুটা ইমান ওখ হৈছিল যে পিতা-পুত্ৰ দুয়ো দ'মকেইটাৰ ইফালে সিফালে থিয় হলত কোনেও কাকো নেদেখা হৈছিল।" ( **উল্লিখিত গ্ৰন্থ** পৃঃ ১৯৬ )। পুৰন্দৰ সিংহৰ অনুগত সেৱক ৰামদত্ত বৰুৱা ইংৰাজ আমোলতো তিনিটা মৌজাৰ মৌজাদাৰ হৈছিল। এওঁৰে আদ্যশ্ৰাদ্ধৰ দিনা মণিৰাম দেৱানৰ অৰ্জুনগুৰিৰ ঘৰত "দেৰগাঁৱৰপৰা আৰম্ভ কৰি উজনিৰ প্ৰায় চাৰিহেজাৰ সন্ত-বিপ্ৰ সমবেত হৈছিল।" (ঐ, পৃঃ ২০৬ )। আন এজন সম্পত্তিশালী লক্ষীৰ বৰপুত্ৰ আছিল গৌৰীনাথ সিংহৰ দিনত দ্ৰাবিড় দেশৰপৰা অহা লক্ষীনাৰায়ণ ব্ৰহ্মচাৰীৰ তোলনীয়া পো পৰশুৰাম বৰুৱা। পৰশুৰামৰ হাতত আছিল অসম আৰু বংগৰ নিয়মিত বেহা-বেপাৰৰ প্ৰায় একচেটিয়া স্বত্ব। ৰজাঘৰত বছৰি ৯০,০০০ টকাৰ দ্ৰব্য আৰু মুদ্ৰা কৰ হিচাবে সোধাই, হাদিৰাচকীত সমগ্ৰ অসম আৰু বংগৰ পণ্যৰ ওপৰত বহুৱা বাদবাকী কৰ তেওঁ উপাৰ্জন হিচাবে পাইছিল। ব্ৰহ্মচাৰীৰ দিনতে হাদিৰাচকীৰ বৰুৱা বিষয় এই পৰিয়ালৰ হাতলৈ আহে। পৰশুৰামৰ ভায়েকে পিছত সম্পত্তিৰ বিবাদ হোৱাত ফালি আহিবলৈ মন মেলিছিল আৰু সেইবাবে একান্নৱৰ্ত্তী পৰিবাৰৰ ( joint family ) পৰা ৯ লাখ ৭২ হেজাৰ টকা দাবী কৰি মোকৰ্দ্দমা কৰিছিল! ( গুণাভিৰাম বৰুৱা, **আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ**, অসম প্ৰকাশন পৰিষদ, ১৯৭১,





পৃঃ ৯-১২, পৃঃ ২২ ) মন কৰিবলগীয়া যে ১৮৫২-৫৩ চনত অসমৰ পাচখন জিলাৰ খাজনা মিলিও সিমানখিনি ধন হোৱা নাছিল!! ( A. J. Moffatt Mils, **Report on the Province of Assam**, 1845, Calcutta, para 20) আচৰিত নহয় যে সমসাময়িক এজন বিদেশী পৰ্য্যটকে কৈছিলঃ "উজনীত বুঢ়াগোহাঁই আৰু ভাটীত পৰশুৰাম, এই দুজন বিনে এই দেশত মানুহ নাই।" ( গুণাভিৰাম বৰুৱা, **উল্লিখিত গ্ৰন্থ**, পৃঃ ১৬ )

তেওঁলোকৰ হিচাবপত্ৰত দক্ষতা, খাজনা, পিয়ল, অইনাকানুনৰ জ্ঞানৰ বাবে নবাগত ইংৰাজ শাসনকৰ্ত্তা বিলাকৰ ওচৰত এই শ্ৰেণীৰ মানুহ প্ৰিয়পাত্ৰ হৈছিল। ৰামদত্ত বৰুৱাই ১৮২৫ চনৰ পৰা ১৮২৮ চনলৈ শাসনব্যৱস্থা সম্পৰ্কে ডেবিড স্কটক পৰামৰ্শ দিছিল। (বেণুধৰ শৰ্ম্মা, পৃঃ ৫৬, পৃঃ ৩৫)। ৰংপুৰ জিলাখন তেওঁৰেই পিয়ল কৰিছিল। দীননাথ বেজবৰুৱা পুৰন্দৰ সিংহৰ বিষয়া আছিল। কোম্পানীয়ে এওঁক পোনতে "দেৱানী চিৰস্তাদাৰ" নিযুক্ত কৰে। (**জীৱনীসংগ্ৰহ**, অসম প্ৰকাশন পৰিষদ, ১৯৬৯, পৃঃ ১৩৩) যজ্ঞৰাম ফুকনে আনকি ভাৰতবিখ্যাত সদাগৰ জগৎ শ্ৰেঠৰ ঘৰৰ হিচাব পৰিষ্কাৰ কৰিবলৈ নিমন্ত্ৰণ পাইছিল। (গুণাভিৰাম বৰুৱা **উল্লিখিত গ্ৰন্থ**, পৃঃ ২০)

কিন্তু কেৱল কামকাজৰ দক্ষতাৰেই নহয়, ছেগ বুজি ৰাজহুৱা ধন আত্মসাৎ কৰা বা আন দুৰ্নীতিৰ সহায়তো এই শ্ৰেণীৰ বহু মানুহে ধন সম্পত্তি বঢ়াইছিল। হৰকান্ত বৰুৱা সদৰামীনে মণিৰাম দেৱান, লঠৌ (ঘনশ্যাম) খাৰঘৰীয়া ফুকন,, কাশীনাথ তামুলী ফুকন—পুৰন্দৰ সিংহৰ এই তিনিজন আমোলাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আনিছে। ( **সদৰামীনৰ আত্মজীৱনী**, অসম প্ৰকাশন পৰিষদ, ১৯৬০) হেমচন্দ্ৰ গোস্বামীয়েও লেখিছে যে যজ্ঞোৰাম ফুকনে পুৰন্দৰ সিংহক নজৰ দিওঁ বুলি প্ৰজাৰ পৰা ২০০০৲ তুলি তাৰ ১০০০৲ নিজে 'গাইব' কৰে। অৰ্থাৎ পুঁজিপতি শ্ৰেণীৰ আদিম পৰ্য্যায়ত দেখা কিছুমান লক্ষণ এওঁলোকৰ গাত পুৰা দেখা গৈছিল। ( **হেমচন্দ্ৰ গোস্বামীৰ ৰচনাৱলী** অসম সাহিত্য সভা, ১৯৭২, পৃঃ ২২১)। বৰপূজাৰীয়ে লেখিছেঃ "almost all the officials, high and low, Assamese and non Assamese, never failed to exploit the situation as best as they could···whether under early British rule or during the



OKDISCD

short regime of Raja Purandar in upper Assam" (Op. Cit, p 267)

অৱশ্যে স্বীকাৰ নকৰি নোৱাৰি যে ধন উপাৰ্জনৰ বেছি ৰাস্তা এই নতুনকৈ উঠি অহা শ্ৰেণীটোৰ বাবে মুকলি নাছিল। আহোম আমোলত বেহাবেপাৰ আছিল নিতান্ত সীমিত। পণ্য উৎপাদন আছিল নাম মাত্ৰ। বেছিভাগ মানুহে প্ৰয়োজনীয় সকলো বস্তু ( লোণথিনিৰ বাহিৰে ) ঘৰতে উৎপাদন কৰি লৈছিল। সেয়ে এপিনে অসমত হাটবজাৰ আছিল সেৰেঙা আৰু আনপিনে ভাৰতৰ আন ঠাইৰ দৰে বংশগত বৃত্তি বা জীৱিকা থকা জাতিও বেছি নাছিল— কমাৰ-কুমাৰ এনে কেতবোৰ অত্যাৱশ্যকীয় বৃত্তি বাদ দিলে। যাতায়াতৰ সুবিধা আছিল অনুন্নত আৰু আদিম শ্ৰেণীৰ। ৰাস্তাঘাট বেহাবেপাৰতকৈ সৈন্যৰ বাবে আৰু প্ৰশাসনৰ বাবেহে ব্যৱহৃত হৈছিল। বেহাবেপাৰ যে অসমত তাকৰ আছিল আৰু গাওঁবোৰ যে প্ৰায় স্বয়ং সম্পূৰ্ণ আছিল, তাৰ এটা প্ৰমাণ এয়ে যে ব্ৰিটিছ আমোলৰ আগতে অসমত গৰুগাড়ীৰ প্ৰচলন প্ৰায় নাছিলেই!! একে কাৰণতে মুদ্ৰাৰ প্ৰচলনো আছিল বৰ কম। (Francis Buchanan, **An Account of Assam,** D. H. A. S. 1963 pp. 60 ff ; হলীৰাম ঢেকিয়াল ফুকন, আসাম বুৰঞ্জী ১৩৬৯, পৃঃ ১০৪ Robinson, **A Descriptive Account of Assam,** London 1841, p 264, p 226) ব্ৰিটিছ ৰাজত্ব স্থাপিত হোৱাৰ অলপ কালৰ ভিতৰতে অসমৰ ব্যৱসায়, বিশেষকৈ "গেলামাল"ৰ ব্যৱসায় মাৰোৱাৰী মহাজনে হাত কৰে। Robinson Op. cit p. 245) তাৰ ভালেখিনি সময় পিছত Hunter ৰ **Statistical Account of Assam** ৰ পৰা জনা যায় যে অসমত বেহাবেপাৰ কৰা কোনো সাউদ জাতি নাই, আৰু অসমৰ সৰহভাগ বেহাবেপাৰ মাৰোৱাৰীৰ হাতত। ইতিপূৰ্বে অসমৰ উঠি অহা মধ্যবিত্ত শ্ৰেণীৰ মনত যি সামন্তযুগীয়া আড়ম্বৰ আৰু মান সম্ভ্ৰমৰ প্ৰতি মোহ লক্ষ্য কৰা হৈছে, গেলামাল সৰবৰাহ কৰি সমাজৰ চকুত "হেয়" হবলৈ সেই শ্ৰেণীৰ মানুহৰ আপত্তি থকাটো প্ৰায় অৱধাৰিত আছিল।

অসমৰ বাণিজ্য আছিল ঘাইকৈ বহিৰ্বাণিজ্য। হাতীদাঁত লা ( বছৰি ৮।১০ হাজাৰ মোণ! ), মজাঠি প্ৰভৃতি আপুৰুগীয়া বনজ সম্পদ, মুগা-পাট





প্ৰভৃতি চৌখীন কাপোৰ, আৰু ৰজাঘৰীয়া কাৰখানাত তৈয়াৰী কেইপদমান শিল্পজাত বস্তু আৰু কপাহৰ বাবে বাহিৰত বেছ ভাল চাহিদা আছিল। তিব্বতলৈ এড়ীয়া চাদৰ গৈছিল। কোম্পানীৰ পৰা অসমে বিলাতী কাপোৰৰ উপৰিও হেজাৰ হেজাৰ মোণ লোণ (নিমখ) আমদানি কৰিছিল। কিন্তু এই বেপাৰৰ পৰা মুদৈ বা সাউদ বিলাকৰ বেছি লাভ নহৈছিল। বেছিভাগ লাভ ৰাজকোষৰ অতল গহ্বৰত সোমাইছিল নহলে চকীয়াল বৰুৱাৰ মোনাত সোমাইছিল। এনে পৰিস্থিতিত মুদৈবিলাকৰ নাছিল অৰ্থবল, নাছিল সামাজিক মৰ্য্যদা। (S. K. Bhuyan, **Op. Cit.** ; Barpujari, Op Cit. p 244 ;) অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ বিকাশত এওঁলোকৰ স্থান গুৰুত্বপূৰ্ণ নহয়।

ইংৰাজ আমোল প্ৰতিষ্ঠিত হোৱাৰ পিছত অসমীয়া মধ্যবিত্তই সেয়ে বেহা-বেপাৰত বেছি মনোযোগ নিদিলে। কিন্তু ইংৰাজ ব্যৱসায়ী পুঁজিয়ে সুবিধা বুজি আৰু ক্ষেত্ৰ বুজি কাম আৰম্ভ কৰাত অসমীয়া অৱস্থাপন্ন মানুহে তাৰ মুমলীয়া সহযোগী হিচাবে ব্যৱসায়ত নামে। বনজংঘলৰ মহল, হাতী ধৰা মহল, আবকাৰী মহল ইত্যাদি ঠিকা আৰু সুবিধা ইংৰাজ ব্যৱসায়ী পুঁজিৰ শোষণেহে অসমীয়া মানুহৰ বাবে মুকলি কৰি দিছিল। কিন্তু ইংৰাজৰ ব্যৱসায়ী পুঁজিৰ বৃহত্তম বিত্তনিয়োগ হৈছিল চাহবাগিচাত।

১৮৩৪ চনতে গঠিত Tea Committee এ ঘোষণা কৰে যে চাহগছ অসমত থলুৱা আৰু অসমত তাৰ খেতি ভাল হব লাগে। চীনৰ হাতৰ পৰা চাহৰ একচেটিয়া ব্যৱসায় কাঢ়ি লোৱাৰ সপোনে বিলাতৰ পুঁজিপতি মহলক মহগুল কৰি তোলে। ১৮৩৮ চনত পৰীক্ষামূলকভাবে প্ৰস্তুত কৰা অসমৰ চাহ ৪৫ বাকচ বিলাতলৈ পঠিওৱা হয়। বিশেষকৈ অসম চৰকাৰে চাহৰ পৰীক্ষামূলক খেতি আৰু প্ৰস্তুতিত বহু অৰ্থ আৰু সময় ব্যয় কৰে। ১৮৩৯ চনত বিখ্যাত "আসাম কোম্পানি" গঠিত হয় ৫০০,০০০ পাউণ্ড অৰ্থাৎ তেতিয়াৰ জোখত পাচ নিযুত টকাৰ পুঁজিৰে। নাজিৰাত তাৰ সদৰ কাৰ্য্যালয় পতা হয়। তাৰ পিছত "যোৰহাট টি কোম্পানী"কে আদি কৰি বহু ব্যক্তি-গত ব্যৱসায় প্ৰতিষ্ঠানে বিশেষকৈ ওপৰ অসম এখন বিৰাট চাহতলীত পৰি-ণত কৰিলে। ১৮৫২ চনত আসাম কোম্পানীৰ হাতলৈ প্ৰায় ১৫ খন বাগিচা আহে। তেতিয়া আন বাগান আছিল মাত্ৰ তিনিখন। তাৰে দুখন



OKDISCD

"এজন ধনী দেশীয় ভদ্ৰলোকৰ" তিনি নম্বৰ খন চাংবাৰ। ( Hunter, Statistical Report. Vol, I. p. 263)। উক্ত ধনী ভদ্ৰলোকজন নিশ্চয় মণিৰাম দেৱান। ১৮৫৬ ৰ পৰা ১৮৫৯ চনৰ ভিতৰত চাহব্যৱসায়ৰ শ্ৰীবৃদ্ধি হয়। "আসাম কোম্পানী"য়ে ৭৬০,০০০ পাউণ্ড চাহ উৎপাদন কৰে ১৮৫৯ চনত। কোৱা বাহুল্য চাহবাগানৰ কেৰাণী মহৰীৰ কাম অসমীয়া শিক্ষিত মানুহে পাবলৈ ধৰে। মণিৰামৰ মৃত্যুৰ পিছত দুজনমান অসমীয়া অৱস্থাপন্ন চাহখেতিয়ক ওলায়। প্ৰথম শ্ৰেণীৰ এছ, ডি, চিৰ চাকৰি এৰি জগন্নাথ বৰুৱাই (বি এ জগন্নাথ) ত্ৰিশ একৰ হাবিতলীয়া মাটি সুন্দৰ চাহনিবাৰীত পৰিণত কৰে। সেই উদাহৰণে আন কেইজনমান অসমীয়া মধ্যবিত্তক প্ৰেৰণা দিয়ে ( **জীৱনী সংগ্ৰহ**, পৃঃ ৪০ )

স্বাভাৱিকতে উঠি অহা অসমীয়া মধ্যবিত্ত শ্ৰেণী প্ৰথমতে ইংৰাজ সাম্ৰাজ্যবাদৰ প্ৰতি বিৰূপ নাছিল। অভিজ্ঞতাৰ যোগেদি তেওঁলোকে এই শিক্ষা পোৱা নাছিল যে সাম্ৰাজ্যবাদী পুঁজিয়ে তেওঁলোকক আৰ্থিক তথা শ্ৰেণীগত স্বাধীনতা কেতিয়াও নিদিয়ে। সাম্ৰাজ্যবাদী পুঁজিৰ দালাল আৰু সাম্ৰাজ্য-বাদী প্ৰশাসনৰ বহুতীয়া হিচাবেহে ইংৰাজে তেওঁলোকক সহ্য কৰিব পাৰে। কিন্তু এই শিক্ষা সক্ৰিয় হওঁতে কুৰি শতিকাৰ আগভাগ পাইছিলগৈ। তাৰ আগলৈকে আহোম সামন্তবাদৰ নানা স্বেচ্ছাচাৰিতা, ব্যক্তিগত পুঁজিৰ ওপৰত ৰজাঘৰীয়া হস্তক্ষেপ আৰু নানা বিধিনিষেধৰ পৰা মুক্তি দিয়া বাবে এই শ্ৰেণীটো ইংৰাজৰ ওচৰত কৃতজ্ঞ আৰু ইংৰাজৰ প্ৰতি অনুগত আছিল। তেওঁৰ উদ্যম, কৰ্ম্মদক্ষতা, অধ্যৱসায় আৰু অসাধাৰণ সাহস আৰু বুদ্ধিমত্তাৰ জৰীয়তে সাম্ৰাজ্যবাদে দেশীয় ব্যক্তিগত পুঁজিক দিব পৰা সকলো সা-সুবিধা মণিৰাম দেৱানে সকলোতকৈ আগতে আৰু সকলোতকৈ শীঘ্ৰে আয়ত্ত কৰি লয়। আৰু সকলোতকৈ আগতে তেৰেঁই বুজি পায় বিকাশৰ এটা নিৰ্দ্দিষ্ট বিন্দুলৈকেহে ইংৰাজে দেশীয় পুঁজিক সহায় আৰু সমৰ্থন কৰিব। আৰু সেই সীমা চেৰাই গলেই প্ৰতিযোগিতাৰ ভয়ত তাক নিৰ্বিবাদে বিনাশ কৰিব।

কেৱল স্বদেশানুৰাগী হিচাবে মণিৰাম দেৱানক চাবলৈ গলে বহুত কথাই নুবুজিম। তেওঁ ঠিক বুৰ্জোৱা জাতীয়তাবাদী ভাবধাৰাৰ দ্বাৰা পৰিচালিত





হোৱা নাছিল। ইতিপূৰ্বে কোৱা দৰে প্ৰাচীন সামন্তবাদী সমাজৰ সামাজিক মান-মৰ্য্যাদাৰ বিচাৰৰ প্ৰতি তেওঁৰ দুৰ্বলতা আছিল। তাৰ উপৰিও মিল্‌চ্‌ চাহাবলৈ দিয়া স্মাৰকপত্ৰত তেওঁ ইংৰাজ শাসনে "আটাইবোৰ জাতকে একাকাৰ কৰাত" দুখ প্ৰকাশ কৰিছে। (বেণুধৰ শৰ্ম্মা, **উল্লিখিত গ্ৰন্থ**, পৃঃ ১৫৩) তেতিয়াৰ অসম তথা ভাৰতৰ পটভূমিত পুঁজিবাদৰ লগত এই সামন্তবাদী সংমিশ্ৰন বুজা যায়। আনহাতে স্থানীয় ডা-ডাঙৰীয়াৰ উপৰিও স্থানীয় প্ৰজাৰ হকেও তেওঁ দুই-এষাৰ মাত মাতিছে। পৰ্বতীয়া জাতি বিলাকৰ ওপৰত ইংৰাজ অত্যাচাৰৰ বিৰুদ্ধে তেওঁ প্ৰতিবাদ কৰিছে। (ঐ, পৃঃ ১৫৬)। নগদ টকাৰ সলনি প্ৰজাৰ সুবিধাৰ বাবে উৎপন্ন দ্ৰব্যকে খাজনা লব লাগে বুলি যুক্তি দিছে। (ঐ, পৃঃ ১৫৪) কানি বৰবিহ বন্ধ কৰাৰ সপক্ষে বহু যুক্তি আগবঢ়াইছে। (ঐ, পৃঃ ১৫৪-১৫৫)। মঠাউৰি মেৰামতী নকৰা বাবে হোৱা ক্ষয়ংকৰ বানপানীৰ উল্লেখ কৰিছে। (পৃঃ ১৫৫ )

কিন্তু আধুনিক জাতীয়তাবাদী ঐক্যত তেওঁৰ বিশ্বাস নাথাকিলেও তেওঁ সামন্তবাদী অতীতৰ পুনৰুত্থানৰ প্ৰচাৰক নাছিল। তেওঁৰ জীৱনতে আধুনিক পুঁজিবাদী উদ্যম, সাহস, আৰু ক্ষিপ্ৰতাৰ বহু লক্ষণহে দেখা যায়। গমধৰ কোঁৱৰ আৰু পিয়লি ফুকনৰ বিদ্ৰোহত তেওঁ যোগ নিদিয়াৰ অন্যতম প্ৰধান কাৰণ আছিল নিশ্চয় উক্ত বিদ্ৰোহৰ অতীতবিলাসী সামন্তবাদী চৰিত্ৰ। সেই সময়ত মণিৰাম আছিল ব্ৰিটিছৰ বিশ্বস্ত অনুচৰ।

তেওঁৰ উচ্চাকাংক্ষাৰ লগত ইংৰাজ সাম্ৰাজ্যবাদৰ প্ৰত্যক্ষ সংঘৰ্ষ নোহোৱা লৈকে মণিৰাম দেৱান আছিল ইংৰাজৰ সমৰ্থক। ইংৰাজৰ সহায়কাৰী হিচাবেই তেওঁ তেওঁৰ ধন ঐশ্বৰ্য্য, মানসম্ভ্ৰমৰ চৰম শিখৰলৈ উঠিছিল। আনকি তেওঁৰ নামত থকা "দেৱান" উপাধি, হয় স্কট চাহাবৰ দোভাষী হিচাবে, নহলে আসাম কোম্পানীৰ দেৱান হিচাবে পোৱা খিতাপ। (বেণুধৰ শৰ্ম্মা, **উল্লিখিত গ্ৰন্থ**, পৃঃ ১৯৩) মিলচ্‌ চাহাবলৈ দিয়া এখন দৰ্খাস্তত তেওঁ ইংৰাজক কৰা পূৰ্বৰ উপকাৰ আৰু সহায় এইদৰে সুঁৱৰিছে ঃ (১) দেশৰ প্ৰাকৃতিক সম্পদ, উৎপন্ন, বাণিজ্য, আয়-ব্যয় সম্পৰ্কে ব্ৰিটিছ শাসন কৰ্ত্তা সকলে তেওঁৰ পৰা বহু তথ্য আৰু পৰামৰ্শ পাইছিল।

(২) জিলাৰ চিৰস্তাদাৰ-তহছিলদাৰ হৈ তেওঁ য'ত ভিনিহেজাৰ পাচশ



OKDISCD

(৩৫০০) টকাতকৈ বেছি টকা উঠা নাছিল তাত একলাখ (১০০,০০০) টকা খাজনা তুলি দিয়ে।

(৩) নিজা সম্বলেৰে আসাম লাইট ইনফেন্ট্ৰিৰ পাঁচোটাকৈ ফৌজক পাচ বছৰ ৰচদ যোগাইছিল।

(৪) নিজে বন্দুৰা-হজুৰা গোটাই সৈন্য বাহিনীৰ বাহৰ সাজি দিছিল।

(৫) খাছিয়া আৰু গাৰো পাহাৰত অভিযান চলাওঁতে তেওঁ ব্ৰিটিছ ফৌজক বিশেষভাবে সাহায্য কৰিছিল। (বেণুধৰ শৰ্ম্মা, পৃ: ১৩৯-১৪০) তাৰ উপৰিও স্কট চাহাবে চিংফৌ জাতিক বৰাওঁতে, খাছিয়া পাহাৰত ৰাস্তা বান্ধোতে, (পৃঃ ৫২-৪৫) মণিৰামৰ পৰা ইংৰাজে বিশেষ সহায় পাইছিল। স্কট, নিউৱিল, জেনকিঞ্চ্ প্ৰমুখ্যে ইংৰাজ শাসনকৰ্ত্তাৰ লগত তেওঁৰ যথেষ্ট সৌহাৰ্দ্য হৈছিল (পৃ: ৬৭-৬৮) আসাম কোম্পানীৰ দেৱান হিচাবেও দক্ষতাৰে কাম কৰি মণিৰাম দেৱানে বৃটিছ সাম্ৰাজ্যবাদৰ ভিত্তি গজ্‌গজীয়া হোৱাত সহায় কৰিছিল। (পৃঃ ৯৭, পৃ: ৯৯) অথচ এই মণিৰাম দেৱানেই ইংৰাজৰ বিচাৰত ৰাজদ্ৰোহী প্ৰমাণিত হৈ ফাঁচিকাঠত উঠিছিল। তাৰ কাৰণৰ পম খেদি গ'লেও সাম্ৰাজ্যবাদী শক্তিৰ লগত সংঘাত বা দ্বন্দ্বই ওলাব। ১৮৪৪ চনত দেৱানে চাহ কোম্পানীৰ কামৰপৰা ইস্তফা দিয়ে। প্ৰথমে স্বাধীনচিতীয়া দেৱানে কোম্পানীৰ দুজন চাহাব কৰ্ম্মচাৰীৰ লগত কাজিয়া কৰি সিহঁতৰ জাতিদম্ভৰ সমুচিত প্ৰত্যুত্তৰ দিয়ে। (পৃঃ ১০২-১০৩)। তাৰ পিছত চেনিমৰা আৰু চেংলুঙত তেওঁ দুখন নিজা চাহবাগিছা খোলে। থলুৱা অৱস্থাৰ লগত ভাল পৰিচয় থকা বাবে দেৱানৰ বাগিচা দুখনেও বেছ উন্নতি কৰে। কিন্তু তেতিয়াই তেওঁ সাম্ৰাজ্যবাদী নীতিৰ বৈষম্য হাড়ে হাড়ে উপলব্ধি কৰিলে। চাহাব চাহখেতিয়কৰ দৰে নামমাত্ৰ খাজনাত (fee simple) তেওঁ মাটি নাপালে, আন ৰায়তৰ হাৰত খাজনা দিব লগা হ'ল। খাজনা বাঢ়িলত তেওঁ ভালেখিনি মাটি এৰি দিবলৈ বাধ্য হয়। এনে অৱস্থাত কাৰবাৰৰ প্ৰসাৰণ বা উন্নয়ণ সম্ভৱ নাছিল। তেওঁৰ বিৰুদ্ধে ক্ৰচ আদি চাহাববিলাকেও ৰবকৈ লাগিবলৈ ধৰে। (পৃঃ ১০৫-১০৭)

সাম্ৰাজ্যবাদী খাজনা আদায়ত এসময়ত দক্ষতা দেখুৱাই তেওঁ সিহঁতৰ প্ৰিয়পাত্ৰ হৈছিল। এতিয়া এই খাজনাই তেওঁৰ ব্যৱসায়ত বাধা দিলে। তেওঁ তাৰ ধ্বংসাত্মক দিশ দেখা পালে। তেওঁৰ নিজা দৰ্খাস্তখনত আৰ্থিক দুৰৱস্থাৰ





কথা তেওঁ কাতৰকণ্ঠে স্বীকাৰ কৰিছে। "মাননীয় হুজুৰ! মোৰ ভূমিসম্পত্তিৰ নিমিত্তে বছৰেকত ৫০০৲ কৈ টকা গবৰ্ণমেণ্টক শোধাবলৈ বৰ টান পাইছোঁ। ইয়াৰ উপৰিও, মোৰ ঘৰত বন্দীয়ে-বেটীয়ে খাওঁতা মানুহ ১৮৫ টা।" (পৃঃ ১৪০—১৪১) তাৰ উপৰিও ৰজাদিনীয়া কেইবাখনো বিষয়ৰপৰা তেওঁক ক্ষতিপূৰণ নিদিয়াকৈ আঁতৰোৱা হ'ল। আনকি নবনিযুক্ত শাসনকৰ্ত্তাই তেওঁ ২১ বছৰ ভোগ কৰা মৌজা তিনিটাও কাঢ়ি নিলে। (পৃ: ১৪০) সাম্ৰাজ্যবাদী ব্যৱস্থাত তেওঁৰ ব্যৱসায়ৰ উন্নতিৰ বাট শেহত বন্ধ হ'ল। বৰং মানুহ বোলাই খাই লৈ থকাৰ অৱকাশো টুটি আহিল। দেৱানৰ চৰিত্ৰবল গম পাই ইংৰাজ প্ৰশাসনে তেওঁক নিশকতীয়া কৰিবলৈ তেওঁক আৰ্থিক দৈন্যৰ দশাত পেলাই দিলে। মিলচ চাহাবে তেওঁৰ বিষয়ে ৰিপৰ্টত লেখিলে যে মানুহজন "অসন্তোষীয়া" আৰু "চক্ৰান্তকাৰী।" (পৃ: ১৬১-১৬২)। তেনে নোহোৱাটোহে অস্বাভাৱিক হ'লহেঁতেন।

ব্ৰিটিছ সাম্ৰাজ্যবাদে দেশীয় পুঁজিৰ স্বাধীনতা ভাৰতৰ আন আন অঞ্চলত কাহানিবাই বিনাশ কৰিছিল। বলপ্ৰয়োগ, কূটকৌশল, অন্যায় আইন আদি বহুত উপায়ে ভাৰতীয় সদাগৰ সকলৰ স্বাধীনতা আৰু প্ৰভাৱ খৰ্ব কৰা হৈছিল।

"Monopolising Indian products for the English meant that the Indian merchants could no longer survive. Only those could maintain their profession who acquiesced in becoming the underlings of the company or of its servants engrossed in private inland trade in India or of the private English merchants residing in India for the same purpose." (R. K. Mukherjee, **Rise and Fall of the East India Company** Berlin, 1953, P. 174) সাম্ৰাজ্যবাদী চৰকাৰে মণিৰামৰ স্বাধীন ব্যৱসায়ৰ উন্নতিত বাধা দিলে, তেওঁৰ বিষয় কাঢ়িলে, আৰু তেওঁক "সামান্য মানুহৰ" শাৰীলৈ নমালে। অৰ্থাৎ কেৱল সামন্ত ব্যৱস্থাৰ বিৰুদ্ধেই নহয়, সকলো স্বাধীনতাপ্ৰিয় আৰু আত্মসন্মান থকা মানুহৰ বিৰুদ্ধে ইংৰাজ শক্তি সক্ৰিয় বুলি দেৱানে বুজি পালে। মিলচৰ ওচৰত আবেদন নিবেদন কৰি কি ফল পালে দেখিছোঁ। তেওঁৰ বাবে একমাত্ৰ পথ খোলা ৰ'ল বিদ্ৰোহ।



OKDISCD

মন করিবলগীয়া যে কোম্পানীক সহায় কৰা সময়ত দেৱান ঠিক চকীমেজত বহি থকা কেৰাণী বা কাকতী বা মুনচুপ নাছিল। তেওঁৰ কৃতিত্ব ফুটি উঠিছিল তেনেবোৰ কামত য'ত দুঃসাহস, শাৰীৰিক উদ্যম, উপস্থিত বুদ্ধি আৰু হিচাবী মনোভাবৰ একেলগে প্ৰয়োজন হৈছিল। সকলোতকৈ ডাঙৰ কথা তেওঁ খৰচ কমাই লাভ বঢ়োৱাৰ কৌশল জানিছিল। কয়লাৰ আৰু চাহৰ ব্যৱসায়, সেনাবাহিনীৰ ৰচদ আৰু বাহৰৰ যোগান ধৰা—এনেবোৰ ঘাইকৈ পুৰঠ ব্যৱসায়ীৰ কাম। অৰ্থাৎ সামন্তবাদী মনোভাবৰপৰা মুক্ত হব নোৱাৰিলেও তেওঁৰ চৰিত্ৰত আদিম পুঁজিবাদী মনোভাবৰ আভাস পোৱা গৈছিল। বঙলা ভাষাত ৰাপ, তৎকালীন "আধুনিক" কলিকতীয়া সমাজৰ লগত সংযোগ আৰু নতুন উদ্ভাবন (innovation) গ্ৰহণ কৰাৰ ধাউতিত মণিৰাম দেৱানৰ চৰিত্ৰৰ এই দিশ জিলিকি উঠিছিল।

দৰাচলতে বৃটিছৰ শোষণ ব্যৱস্থা গজগজীয়া হবলৈ নৌপাওঁতে অসমত যিটো শ্ৰেণী ৰজাঘৰীয়া কৰ্তৃত্বৰ পৰা মুক্ত হৈ মূৰ ডাঙি উঠিছিল, তাৰ মাজত আধুনিক জগতৰ বতাহ বেছকৈয়ে লাগিছিল। হলীৰাম ঢেঁকিয়াল ফুকনৰ ভায়েক যজ্ঞৰাম ফুকনে কলিকতালৈ গৈ ইংৰাজী শিকিবৰ বাবে এজন চাহাব শিক্ষক লগত লৈ অসমলৈ উভতিছিল। অসমৰ অৱস্থাপন্ন শ্ৰেণীৰ মানুহে বৰ উৎসাহেৰে বঙলা খবৰৰ কাগজ পঢ়িছিল। যজ্ঞৰাম ফুকনে তাত ইংৰাজী কবিতাৰ বঙলা অনুবাদ প্ৰকাশ কৰি প্ৰশংসা পাইছিল। যাতুৰাম ডেকাবৰুৱাই চিঠিপত্ৰ লেখিছিল। ১৮৩১ চনৰ ৩০ জুলাই তাৰিখে "সমাচাৰ দৰ্পণ" নামৰ কলিকতীয়া কাগজে ইংৰাজ অধিকাৰৰ সাতবছৰৰ ভিতৰতে অসমীয়া "অতিমান্য লোক"ৰ সংবাদপত্ৰৰ প্ৰতি জন্মা এই আগ্ৰহৰ আৰু "জ্ঞানান্বেষণত এনে কৃতকাৰ্য্যতা"ৰ শলাগ লৈছিল। অৱশ্যে আধুনিক জ্ঞানৰ প্ৰতি এই কৌতুহল আৰু শ্ৰদ্ধাৰ বেয়া দিশ আছিল থলুৱা আচাৰ আৰু ঐতিহ্যৰ প্ৰতি অৱহেলা আৰু নব্য বঙলা সভ্যতাক সভ্যতাৰ মানদণ্ড হিচাবে ধৰাৰ মনোবৃত্তি—হলীৰাম ঢেঁকিয়াল ফুকনৰ "আসাম বুৰঞ্জী" যি উন্নাসিক মনোবৃত্তিৰ সংকোচজনক নিদৰ্শন।

মণিৰাম দেৱানে কলিকতালৈ গৈ যেতিয়া সমগ্ৰ ভাৰত জোৰা বিদ্ৰোহৰ উমি উমি জ্বলা জুই ভমক্‌কৈ উঠা দেখিলে, তেতিয়া তেওঁ অসমলৈ লেখিলে :

"এইফালে কলগছ হাউলি গৈছে, কাচিও চোকা হৈছে। আমাৰ ফালেও





কাচি ধৰাই যুগুত কৰি ৰখা ভাল হব।" (বেণুধৰ শৰ্ম্মা, পৃঃ ১৭০) কিন্তু মণিৰামৰ লগৰীয়া আছিল কন্দৰ্পেশ্বৰ সিংহকে আদি কৰি অভিজাত শ্ৰেণীৰ বিক্ষুব্ধ মানুহ, তেওঁৰ প্ৰধান ভৰসা আছিল অসমত থকা হিন্দুস্থানী চিপাহীৰ ফৌজ। (বেণুধৰ শৰ্ম্মাৰ ১৭০ পৃঃ দ্ৰষ্টব্য।)

সৰ্বসাধাৰণ প্ৰজাক জাগ্ৰত কৰিবলৈ মণিৰাম দেৱানে কোনো ব্যৱস্থা লোৱা নাছিল। হয়তো মোৱামৰীয়া বিদ্ৰোহৰ স্মৃতিয়ে তেওঁৰ দৰে মানুহক সতৰ্ক কৰি দিছিল যে প্ৰজাৰ জাগৰণ কেৱল সাম্ৰাজ্যবাদী চৰকাৰৰ বিৰুদ্ধেই নহব। তদুপৰি খাজনা, কৰকাটল আদিৰ হেঁচাত বিক্ষুব্ধ হৈ উঠোঁতে, আৰু তাৰ আঘাত নিৰ্মম হৈ উঠোঁতে অসমত কিছু সময় লাগে। ১৮৫৭ চনৰ বিদ্ৰোহৰ অলপ পিছতহে আমাৰ অসমৰ বিভিন্ন "ৰাইজ-মেল" আৰু "ৰাইজ-উঠা"ৰ সংবাদ আমি পাওঁ, সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে সাধাৰণ প্ৰজাই য'ত জঁকি উঠি অস্ত্ৰধাৰণ পৰ্য্যন্ত কৰিছিল। (কেশৱ নাৰায়ণ দত্ত, **স্বাধীনতা সংগ্ৰামত অসম** গুৱাহাটী, ১৯৫৮, পৃঃ ৪৬—৬৩)।

সাতান্ন চালৰ বিদ্ৰোহক "চিপাহী বিদ্ৰোহ" বুলি সাম্ৰাজ্যবাদী ইংৰাজ ঐতিহাসিকে উলাই কৰিব খোজে। কিন্তু নানা চাহেব, তান্তীয়া টোপী, ঝাছিৰ ৰাণী লক্ষীবাই, কন্দৰ্পেশ্বৰ সিংহ মণিৰাম দেৱান আৰু অযোধ্যাৰ তালুকদাৰ বিলাক চিপাহী নহয়, অভিজাত শ্ৰেণীৰ লোক আছিল। আনহাতে জাতীয়তাবাদী ভাৰতীয় ঐতিহাসিকে বৃথাই চিপাহী বিলাকৰ ভূমিকা খৰ্ব কৰিব খোজে। সমসাময়িক হিচাপে গভীৰ আগ্ৰহেৰে এই ঘটনাবলী লক্ষ্য কৰা কাৰ্ল মাৰ্ক্সে লেখিছিল ; "...... it is evident that the allegiance of the Indian people rests on the fidelity of the native army, in creating which the British rule simultaneously organized the first general centre of resistance which the Indian people was ever possessed of."

(Marx & Engels, **The First Indian War of Independence**, Moscow, 2nd Impression, p. 42)

"resistance" বা প্ৰতিৰোধৰ কাৰণ হিচাপে মাৰ্ক্সে আঙুলিয়াই দিছিল কোম্পানীৰ নিৰ্মম শোষণ আৰু দমন নীতি। ইংৰাজ চৰকাৰী নথিপত্ৰ (Blue Books) ঘাঁটি তেওঁ দেখুৱাইছিল খাজনা আদায়ৰ বাবে কোম্পানীৰ টেকেলাই



OKDISCD

প্ৰজাৰ ওপৰত অত্যাচাৰ, যন্ত্ৰণা (torture) চলোৱা সাধাৰণ কথা হৈ পৰিছিল। (pp 78—80)। ভাৰতৰ দহ কৌটি ডলাৰ মূল্যৰ বৈদেশিক বানিজ্য একচেটীয়া ভাবে নিয়ন্ত্ৰণ কৰিছিল ৬০০০ মাত্ৰ ইংৰাজ সদাগৰে (pp 92—93)। তাৰ উপৰিও ন্যায়-অন্যায়ৰ বিচাৰক নেওচা দি ১৮৩৮ ৰ পৰা ১৮৪৯ চনৰ ভিতৰতে ১৬৭,০০০ বৰ্গ মাইলৰ ভাৰতীয় দেশীয় ৰাজ্য, আৰু ১৮৪৮ ৰ পৰা ১৮৫৪ চনলৈ ১২ খন দেশীয় ৰাজ্য কোম্পানীয়ে গ্ৰাস কৰিছিল। বৃটিছ শিল্পৰ আমদানিয়ে ভাৰতৰ জাতীয় হস্তশিল্প বিধ্বস্ত কৰি ভাৰতৰ বহুসংখ্যক মানুহ দৰিদ্ৰ বা নিবনুৱা কৰিছিল। (pp. 26—27, p. 52, pp. 29—30) আৰু এইবাবেই ইংৰাজে বিদ্ৰোহৰ কাল চোৱাত সাধাৰণ কৃষক ৰাইজৰ পৰা ৰচদপাতি বা আন সহায় পোৱা নাছিল। (p. 69)

কিন্তু এই বিদ্ৰোহৰ ব্যৰ্থতাৰ সম্ভাৱনাও মাৰ্ক্স-এংগেলচৰ সহানুভূতিশীল মনত অনতিবিলম্বে জাগৰূক হৈছিল। প্ৰধানকৈ ইংৰাজ সাম্ৰাজ্যবাদৰ নদনবদন অৱস্থাত তাৰ সংগঠনৰ ক্ষমতা আৰু তাৰ বৈজ্ঞানিক কৌশলৰ লগত ফেৰ মৰাটো আছিল দুঃসাধ্য। বিশেষকৈ এংগেল্‌ছে ভাৰতীয় ফৌজৰ নেতৃত্বত বৈজ্ঞানিক সংগঠন শক্তি আৰু ৰণনীতিৰ অভাৱ লক্ষ্য কৰিছিল। ব্যক্তিগত ভাৱে আমিও লক্ষ্য কৰোঁ যে জাতীয় মুক্তি আন্দোলনৰ বাবে যি ধৰণৰ ঐক্য আৰু ৰাজনৈতিক চেতনা লাগে সামন্তবাদী ভাৱধাৰাৰ প্ৰভাৱে তেনে ঐক্য আৰু চেতনা গঢ়ি উঠাত বাধা দিছিল। খণ্ডিত নেতৃত্ব আৰু পশ্চাদপদ ৰণ কৌশলৰ উপৰিও ইংৰাজ চৰকাৰৰ দ্বাৰা সৃষ্ট আৰু পুষ্ট জমিদাৰ আৰু আমোলাৰ দল ১৮৫৭ চনৰ বিদ্ৰোহ দমন কৰাত ইংৰাজৰ প্ৰধান সহায় আছিল। (R. K. Mukerjee, Op.cit. p. 168)। অৱশ্যে মনকৰিবলগীয়া যে সমসাময়িক চীনৰ Taiping বা Boxer যুদ্ধৰ সময়ত চীনৰ কৃষক সমাজে যেনেদৰে সঁহাৰি দিছিল, ১৮৫৭ চনত ভাৰতত তেনেদৰে সঁহাৰি দিয়াৰ প্ৰমাণ নাই। সি যি নহওক অসমতো সাম্ৰাজ্যবাদৰ দালালৰ দলে সিহঁতৰ কৰ্তব্য সাধন কৰিলে :

: হৰনাথ পৰ্বতীয়া বৰুৱাক বোলে।
সদৰ আমিন কুম্পানীয়ে পাতিছিলে॥
বৰলোক হৈবো বুলি কৰিলা অন্যায়।
লোক সকলৰ বহু হৈ গৈলা প্ৰলয়॥





বেদ্ৰুহি কৰিছে বুলি কুম্পানিত কৈই।
সৰ্ব্বাঙ্গ আগ্ৰাহী লৈয়া বিদেশে পঠায়।
(তুটিৰাম হাজৰিকা, কলিভাৰত বুৰঞ্জী, গুৱাহাটী ১৯৩২, পৃঃ ২০৯)

মণিৰামৰ মৃত্যুত শোকাতুৰ হোৱা অসমীয়া প্ৰজাই কিন্তু তেওঁৰ ৰাজনীতি বুজা নাছিল। প্ৰজাই ভাবিছিল এজন সম্ভ্ৰান্ত আৰু শ্ৰদ্ধাভাজন মানুহ অতি উচ্চাকাঙ্ক্ষী হৈ নিয়তিৰ বলি হ'ল :

ৰূপৰ ধোঁৱা-খোৱাত থালি ঐ মনিৰাম
সোণৰ ধোঁৱা-খোৱাত থালি
ৰজা হবলৈ ওলালি মনিৰাম
ডিঙিত ছিপে জৰী ললি।

ই এক করুণ আৰু মৰ্মান্তিক ঘটনা। কিন্তু ইংৰাজৰ বিৰুদ্ধে গীতত তীব্ৰ বিক্ষোভ বা প্ৰতিবাদ ফুটি উঠা নাই।

ঐতিহাসিক ডঃ হেৰম্ব বৰপূজাৰীয়ে লেখিছে : "While Maniram and his followers felt that the British rule was an evil which must be done away with, Anandaram (Dhekial Phukan) wanted to improve it by effecting liberal reforms." (**Op. cit.** p. 284) ডঃ বৰপূজাৰীয়ে তেখেতৰ তথ্যসমৃদ্ধ আৰু বহু ক্ষেত্ৰত নিৰ্ভৰযোগ্য ইতিহাসত এটা কথা উল্লেখ কৰা নাই। আনন্দৰাম ঢেঁকিয়াল ফুকনক ইংৰাজ শাসনকৰ্ত্তাই প্ৰায় নিজ হাতে গঢ়ি তুলিছিল, আৰু সেয়ে দেৱানতকৈ ঢেকিয়াল ফুকনৰ পৰা বহু বেছি পৰিমাণে আনুগত্য আৰু বিশ্বস্ততা আশা কৰিব পাৰিছিল। ১৮৫২ চনত তেওঁ মাহে ২৫০ টকা বেতনত চব এচিষ্টেণ্ট নিযুক্ত হোৱা খবৰ পাই তেওঁলৈ মেথী চাহাবে লিখিছিল : "দেখা! তুমি যদি কৰ্ণেল জেনকিনচ আৰু মোৰ পৰামৰ্শ শুনি কলিকতালৈ নগলাহেতেন, তাত ভালকৈ নপঢ়িলাহেতেন, তুমি সমুদায় জীৱন দৰিদ্ৰ আৰু সম্ভ্ৰমহীন হ'লাহেতেন।… তুমি যে জেনকিনচ্‌ চাহাবৰ অনুগ্ৰহ বুজিব পাৰিছা ইয়াক তোমাৰ নিজৰ চৰিত্ৰ আৰু বৈষয়িক কাৰ্য্যৰ দ্বাৰা দেখুৱাবা আৰু গৱৰ্ণমেণ্টৰ প্ৰতি কৃতজ্ঞ হবা" (গুণাভিৰাম বৰুৱা উল্লেখিত গ্ৰন্থ, পৃঃ ১১২)। ফুকনেও দেৱানৰ দৰে মিলচ্‌ চাহাবৰ



OKDISCD

ওচৰত স্মাৰকপত্ৰ দিছিল। কিন্তু দেৱানৰ দৰে আপত্তি আৰু সমালোচনাৰ ঠাইত তেওঁৰ স্মাৰকপত্ৰত আছিল বিনীত সংস্কাৰৰ প্ৰাৰ্থনা। স্বাভাৱিকতে তেওঁৰ স্মাৰকপত্ৰৰ প্ৰতি মিলচ আছিল সদয়। প্ৰশাসনীয় পূৰ্বঠ অভিজ্ঞতাৰে মিল্‌চে বুজিছিল যে স্বদেশৰ উন্নতি বিচাৰিলেও আনন্দৰামে স্বাধীনতা নিবিচাৰে, ব্ৰিটিছৰ প্ৰতিযোগী হবলৈ নিবিচাৰে।

১৮৫৭ চনৰ বিদ্ৰোহৰ আয়োজনৰ কথা যেতিয়া ঢক ফুটি গ'ল, গুণাভিৰাম বৰুৱাৰ মতে "ফুকন বৰ দুখিত আৰু চিন্তিত হ'ল।" (ঐ, পৃঃ ১৩৬) "তেওঁ চাহাব সকললৈ দেখিলে যে অসমীয়া মানুহৰ পৰা গবৰ্ণমেণ্টৰ প্ৰতি কোনো প্ৰকাৰৰ বিদ্ৰোহিতা হব নোৱাৰে।" (ঐ) তেওঁ চাহাব বৰমূৰীয়া সকললৈ সুধি পঠালে তেওঁক সিবিলাকক জগৰীয়া বুলি ভাবে নেকি। উত্তৰত সকলোৱে একেবাক্যে জনালে যে তেওঁবিলাকে ফুকনক কোনো সন্দেহ নকৰে। (ঐ, ১৪১)

স্বদেশবাসীক সম্বোধন কৰি তেওঁ লেখিছিল : "আমাৰ ইংৰাজ অধিপতি সকল কেনে বিদ্যোৎসাহী,—সিবিলাকে স্বকীয় বিদ্যা শিকাই বংগদেশক সভ্য কৰিছে; তোমালোককো সেইদৰে অনুগ্ৰহ কৰিব খোজে, কিন্তু পশুক মানিক দিয়াৰ দৰে তোমালোকে সেই অনুগ্ৰহ নোলোৱাঁ।" (জীৱনী সংগ্ৰহ), পৃঃ ১৯)

ঢেঁকিয়াল ফুকনৰ পৰা মানিকচন্দ্ৰ বৰুৱালৈকে এদল বুজনসংখ্যক অসমীয়া মধ্যবিত্তই মণিৰাম দেৱানৰ সংঘৰ্ষ আৰু বিদ্ৰোহৰ পথ বৰ্জন কৰি সাম্ৰাজ্যবাদী শাসনৰ ছত্ৰছাঁয়াত স্বদেশৰ উন্নতি সাধনৰ পথ লৈছিল। অসমীয়া সমাজত তেওঁলোকৰ ভালেখিনি মহৎ অৱদান আছে। কিন্তু আজি আৰু পাহৰিব নোৱাৰি যে বিনিময়ত স্বাধীনতাৰ দাবী তেওঁলোকে ত্যাগ কৰিছিল। এই ত্যাগৰ ফল সম্পূৰ্ণ মংগলময় নাছিল। সাম্ৰাজ্যবাদৰ লগত আপোচ আৰু পচি যোৱা সামন্তবাদৰ নানানটা সংস্কাৰৰ প্ৰতি মোহান্ধ আনুগত্য আছিল তাৰ পৰিণাম।



# সামন্ত যুগীয় অসমৰ ভূমি ব্যৱস্থা আৰু সামাজিক শ্ৰেণী

ডঃ অমলেন্দু গুহ

দুৰ্গম পাহাৰ পৰ্বত, অৰণ্য জলাশয় আদি নানা কাৰণত প্ৰাচীন কালৰ পৰাই অসমৰ জন বসতি অতি সেৰেঙা। ইয়াৰ প্ৰায় ২৪,০০০ বৰ্গ মাইল পলসুৱা সমতল ভূমিৰ ভিতৰত মাত্ৰ কেইটামান অঞ্চলহে বাসপোযোগ্য। কেতিয়াবা ব্ৰহ্মপুত্ৰৰ পলস পৰা আৰু কেতিয়াবা নপৰা, ঘাঁহবনেৰে আবৃত অসমৰ নদী কাষৰীয়া আটাইকেইটা অঞ্চল স্থায়ী কৃষি আৰু বসতিৰ বাবে উপযুক্ত নাছিল। আমাৰ পাহাৰীয়া অঞ্চলবিলাকো ঘাঁহ বনেৰে আবৃত আছিল আৰু আওগৰীয়া হোৱা বাবে এই অঞ্চলবিলাকো স্থায়ী কৃষিৰ বাবে অযোগ্য আছিল। কৃষিৰ উপযোগী কৰিবৰ নিমিত্তে বনজংঘল পুৰি চাফা কৰা হৈছিল; কিন্তু প্ৰবল বৰষুণৰ বাবে ততাতৈয়াকৈ গছগছনি পুনৰ গজি উঠিছিল; গতিকে তৃতীয়, আনকি দ্বিতীয়বাৰ খেতি কৰাৰ পিচত ইয়াত পুনৰ খেতি কৰা অতি কষ্টকৰ আৰু শ্ৰমবহুল কাম আছিল। নানা প্ৰকাৰৰ স্থানান্তৰ (shifting) খেতিহে এনে অঞ্চলৰ বাবে উপযোগী আছিল। প্ৰতি বছৰে খেতিয়কসকল এটাৰ পৰা আনটো অঞ্চললৈ উঠি গৈছিল। আৰু বননি আদি পুৰি নতুনকৈ খেতিৰ মাটি উলিয়াই লৈছিল। গতিকে এনে যুগত মাটিক নিশ্চয় মানুহৰ সমূহীয়া সম্পত্তি হিচাপেহে গণ্য কৰা হৈছিল। জন-জাতীয় লোকসকলৰ অবিৰাম স্থানান্তৰৰ বিষয়ে লিখিত বিৱৰণীয়ে এই তত্ত্বৰ প্ৰমাণ দিয়ে (১)। নৈৰ দাঁতি কাষৰীয়া ঠেক আৰু দীঘলীয়া সমতল অঞ্চল খিনিহে স্থায়ী কৃষিৰ আৰু বসতিৰ বাবে উপযুক্ত আছিল—যদিও তাৰ ভিতৰতো আকৌ ব্ৰহ্মপুত্ৰৰ পাৰৰ শিলাময় অঞ্চলবিলাক ইয়াৰ পৰা বাদ পৰিছিল। তদুপৰি বাৰ-তেৰ শতিকাত নদী কাষৰীয়া অঞ্চলবিলাক এতিয়াতকৈ বেছি ঠেক আৰু অৰণ্যময় পাহাৰীয়া অঞ্চলখিনি বেছি বহল আছিল যেন অনুমান হয়। গতিকে স্থায়ী আৰু উত্তৰাধিকাৰ যোগ্য ভূমি ব্যৱস্থাৰ প্ৰশ্ন তাৎপৰ্য্যপূৰ্ণ ভাবে উত্থাপিত হব পাৰে



OKDISCD

নৈৰ পাৰৰ এই ঠেক অঞ্চল কেইটাতহে। এই ভৌগলিক পটভূমিত সামন্ত যুগীয় অসমৰ ভূমি ব্যৱস্থাৰ কথা অলোচনা কৰাই এই প্ৰবন্ধৰ লক্ষ্য। তামৰ ফলি আৰু শিলত কটা ভূমিদান লিপি এতিয়ালৈকে যিমানবিলাক পোৱা গৈছে, সিবোৰে প্ৰাক আহোম যুগৰ (১৩ শতিকা) ভূমি ব্যৱস্থাৰ যৎ সামান্য আভাষহে আমাক দিছে। ব্ৰাহ্মণ পণ্ডিত, পুৰোহিত আৰু ধৰ্ম্মীয় অনুষ্ঠানসমূহলৈ আগবঢ়োৱা ভূমিৰ কথাহে এই লিপিবিলাকত পোৱা যায়। গতিকে এনে লিপিত থকা চৰ্তবিলাকক সেই যুগৰ সাধাৰণ ভূমি ব্যৱস্থাৰ নমুনা বুলি ধৰা টান। তথাপিও উজনী অসমত আহোম উপনিবেশ হোৱাৰ আগৰ কাল-ছোৱাৰ ভূমি ব্যৱস্থাৰ বিষয়ে এইলিপিবোৰে কিছু আলোকপাত নকৰা নহয়। ৰজা ৰত্নপালে লিখোৱা বৰগাওঁ আৰু শোৱালকুছি তাম্র ফলি (এঘাৰ শতিকা) ইন্দ্ৰপালৰ গুৱাহাটী তাম্ৰফলি (এঘাৰ শতিকা), গোবিন্দ কেশৱদেৱৰ ভটেৰা ফলি (এঘাৰ শতিকা), উত্তৰ লক্ষীমপুৰৰ ফলি দুখন (১৩৯২ আৰু ১৪০১ চন)—এই সকলোবিলাকৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে ষষ্ঠ শতিকাত কামৰূপৰাজ ভূতি বৰ্ম্মণে ব্ৰাহ্মন পণ্ডিত আৰু ধৰ্ম্মীয় অনুষ্ঠানসমূহলৈ যি ধৰণৰ ভূমিদান লিপিৰ সূচনা কৰিছিল, সি প্ৰায় অপৰিবৰ্ত্তিত ভাবে আহোম যুগলৈ (১২২৮—১৮২৬) চলি আছিল।

এই লিপিবিলাকৰ এটা উল্লেখকৰিব লগীয়া বৈশিষ্ট্য হ'ল, ৰাজকীয় দাতাই গ্ৰহীতাক ভূমিদান কৰাৰ সময়ত এখন বসতিপূৰ্ণ গাওঁ বা অন্ততঃ কেইটামান কৃষক পৰিয়ালো লগতে প্ৰদান কৰে। উদাহৰণ স্বৰূপে; বৰ গাওঁ লিপিত প্ৰদত্ত মাটিৰ লগতে তাত থকা ঘৰ দুৱাৰ, ধাননি পথাৰ আৰু পতিত মাটিবিলাকৰো উল্লেখ আছে। ভটেৰা লিপিত ৩৭৫ হাল (এহাল=৪·৮১৫ একৰ) মাটিৰ লগত চিলেটৰ বিভিন্ন গাৱঁৰ সিঁচৰতি হৈ থকা ২৯৬ ঘৰ মানুহো শিৱদেৱতালৈ উচৰ্গা কৰা হৈছে। বল্লভদেৱৰ এখন লিপিত মানুহে সৈতে সাতখন গাওঁ আৰু তাৰ উপৰিও আৰু পাচোটা পৰিয়ালক এখন ভক্তশালালৈ উচৰ্গা কৰা দেখা যায়। কোনোবা চুটিয়া ৰজাই ১৪০২ চনত এজন ব্ৰাহ্মণলৈ উচৰ্গা কৰা ২০০ পুতি (১ পুতি=১·৩০ একৰ: যদিহে পুতিৰ অৰ্থ পুতক বা পুৰা বুলি ধৰা হয়) মাটিৰ লগত এখন গাৱঁৰো উল্লেখ আছে। অসমৰ দৰে এখন সেৰেঙা জন বসতিপূৰ্ণ ঠাইত কৃষি কৰ্ম্ম কৰা মানুহ লগত





নিদিলে অকল কৃষিৰ উপযোগী মাটি দান কৰাটো প্ৰায় অৰ্থহীন আছিল। সেই বাবেই মাটিৰ লগতে এখন বসতিপূৰ্ণ গাওঁ বা কেইটামান পৰিয়াল (বা ডুয়োবিধ) দান কৰা হৈছিল। প্ৰদত্ত গাওঁবাসী আৰু পৰিয়ালবৰ্গৰ পৰা ৰজাৰ দান গ্ৰহীতাই শ্ৰম আদায় কৰিব পাৰিছিল। ইয়াৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে ৰজা আৰু ব্ৰাহ্মণৰ উপৰিও অসমত এটা খেতিয়ক শ্ৰেণী আছিল; সমাজত যাৰ স্থান আছিল দাসৰ দৰে। প্ৰাচীন কালৰ পৰা আহোম যুগৰ মাজেদি উনৈশ শতিকাৰ আগভাগলৈকে মাটিৰ লগত মানুহ দান কৰা প্ৰথা চলি আছিল। এই মানুহবিলাকক আহোম যুগত "বহতীয়া" (সংস্কৃতৰ বসৎ শব্দৰ অপভ্ৰংশ) বুলি কোৱা হৈছিল।

আহোম উপনিবেশৰ আগতে ব্ৰহ্মপুত্ৰ উপত্যকাত নিশ্চয় এনেধৰণৰ দান পত্ৰ আছিল। প্ৰব্ৰজনশীল জনজাতিৰ মাজত ব্ৰাহ্মণৰ এই স্থায়ী বসতিয়েই অসমৰ আৰ্যসভ্যতাৰ আৰম্ভণি। যিকোনো কৃষিকৰ্ম্মৰ বাবেই পঞ্জিকা, শস্য, ফচল, পশু প্ৰজনন আদিৰ যথোচিত জ্ঞানৰ প্ৰয়োজন। আন ঠাইৰ পৰা উঠি আহি স্থায়ীভাবে বসতি কৰা ব্ৰাহ্মণসকলৰ এই জ্ঞান আছিল। কোশম্বীৰ ভাষাত বনৰীয়া পৰ্বতীয়া অঞ্চলত ব্ৰাহ্মণ সকলেই আছিল—'Main Instruments of change to plough tillage econony' (নাঙলৰে খেতিকৰা অৰ্থনীতিলৈ পৰিবৰ্তন সধাৰ প্ৰধান শ্ৰেণী)

ভূমিদান লিপিবিলাকৰ আৰু এটা বিষয় লক্ষ্য কৰিবলগীয়া। মাটি দান কৰাৰ আগতে (যেনে বৰগাওঁ আৰু গুৱাহাটী লিপিত) জিলাখনৰ সকলো মানুহকে জাননী দিয়া প্ৰয়োজন বুলি অনুভৱ কৰা হৈছিল। দান কৰাৰ আগলৈকে সেই মাটিখিনিৰ ওপৰত সকলো মানুহৰে এটা সামূহিক স্বত্ব থকাৰ ই ইঙ্গিত দিয়ে। বিশেষকৈ গুৱাহাটী লিপিত বহুতো জনজাতীয় উৎস সম্ভূত অসংস্কৃত ঠাইৰ নাম পোৱা যায়। গতিকে সাধাৰণ জনজাতীয় ভূমিৰ (common tribal lands) পৰা বিচ্ছিন্ন কৰিহে যে ভূমিবিলাক দান কৰা হৈছিল, এইবিষয়ে সন্দেহ নাই। এইদৰে ব্ৰাহ্মণ গ্ৰহীতাসকলৰ অনুকূলে ব্যক্তিগত সম্পত্তিৰ অধিকাৰ সৃষ্টি কৰা হৈছিল। দেখাত পতিত যেন লগা কিন্তু বহু বছৰ ধৰি স্থানান্তৰ কৃষি কৰি অহা সাধাৰণ ভূমিৰ দখলীকৰণ এইদৰে ৰাজকীয় শাসন পত্ৰৰ যোগেদি পদ্ধতিমূলক ভাবে কৰা হৈছিল।



OKDISCD

হাবি পুৰি খেতিকৰা [ fire farming ], কোৰেৰে খেতিকৰা [ hoe cultivation] বা অস্থায়ী ভাৱে হালেৰে খেতি কৰা [shifting plough cultivation] ঠাই যত বেচি, সেইবিলাক ঠাইত স্থায়ী কৃষিক উৎসাহ দিবৰ বাবে এনে ধৰণৰ শাসনপত্ৰ সাধাৰণতে জাৰি কৰা হৈছিল। [৩]

চৈধ্য পোন্ধৰ শতিকা মানৰ পৰা ব্ৰাহ্মণৰ উপৰিও কায়স্থ দৈবজ্ঞ আদি অন্যান্য উচ্চকুলৰ অব্ৰাহ্মণ ভগনীয়াসকলকো ৰাজকীয় ভূমিদানৰ অনুগ্ৰহ দেখুওৱা হৈছিল বুলি পুৰণি অসমীয়া সাহিত্যই ইঙ্গিত দিয়ে। এই লোকসকল 'ভূঞা' নামেৰে জনাজাত আছিল আৰু প্ৰদত্ত ভূমিৰ ওপৰত এওঁলোকে ৰাজকীয় কৰ্তৃত্ব চলাইছিল। ভোট আৰু বড়ো কছাৰীৰ আক্ৰমণৰ পৰা প্ৰজাসকলক ৰক্ষা কৰিব পৰা ক্ষমতা সেইযুগৰ দুৰ্ব্বল ৰজাসকলৰ নাছিল; গতিকে ভূঞাসকলে তেওঁলোকক প্ৰয়োজনীয় সাহায্য দিবলগীয়া হৈছিল। ভূঞাসকল অকল ভূস্বামীয়েই নাছিল, যোদ্ধাও আছিল। ৰজা ক্ষমতাশালী হলে তেওঁলোকে ৰজাৰ ৰাজসভাত উপস্থিত থাকি ৰজাৰ প্ৰতি আনুগত্য দেখুৱাইছিল। অন্যসময়ত তেওঁলোকে প্ৰায় স্বাধীন ভাৱেই নিজ নিজ অঞ্চলত শাসন চলাইছিল। 'বাৰভূঞা' পৰিভাষাটোৰ পৰা এই কথা জনা যায়। চৈধ্য শতিকাৰ এজন ক্ষমতাশালী ভূঞা চণ্ডীবৰে 'আশীথন ঢাল'ৰ ওপৰত হুকুম জাৰি কৰিছিল। লোক পৰম্পৰা মতে তেওঁৰ গৰাকী আছিল ছোটৰাজা গন্ধৰ্ব্বৰায়; গন্ধৰ্ব্বৰায় আকৌ কমতাৰ ৰজা কামেশ্বৰৰ সামন্ত (vassal) আছিল। তেওঁৰ আজো-নাতি শঙ্কৰদেৱে পৈত্ৰিক উত্তৰাধিকাৰী সুত্ৰে তেওঁৰ সা-সম্পত্তি পাইছিল আৰু সেইবিলাক চলাইছিল। তেওঁৰ সম্পত্তিৰ ভিতৰত ডেৰকুৰি গৰু আৰু ছকুৰি গাই আছিল। [৪] পিছলৈ লাহে লাহে আহোম ৰজাসকলে ভূঞাসকলক দমন কৰিবলৈ ধৰাত তেওঁলোক স্বকীয়া অঞ্চললৈ উঠি যাব লগীয়া হৈছিলগৈ। চৈধ্য শতিকাত আহোম ৰাজ্য পূৰ্ণভাৱেৰে গঠন হোৱাৰ আগতে, দুৰ্ব্বল ৰজাসকলৰ দিনত অসমৰ কোনো কোনো অঞ্চলত সামন্তবাদে ঠন ধৰি উঠিছিল বুলি ভূঞাসকলৰ আচৰণৰ পৰা আমি অনুমান কৰিব পাৰোঁ।

\+ + +

অসমৰ পুৰণি বুৰঞ্জীবিলাকত যি বিবৰণ পোৱা গৈছে, তাৰ পৰা ধাৰণা





হয় যে আহোমসকল অসমত সোমোৱাৰ সময়ত উজনি অসমত বাম খেতিকৰা প্ৰাথমিক পদ্ধতিয়েই চলি আছিল। [৫] গতিকে আৰ্দ্ৰ ধান খেতিৰ ঐতিহ্য থকা আহোমবিলাকে কেৱল বাম খেতিৰ বাবে উপযোগী মৰাণ-বৰাহীসকলৰ মাটি হস্তগত কৰাত বৰ আগ্ৰহ দেখুৱা নাছিল—তেওঁলোকৰ চকু আছিল দ মাটিবিলাকতহে। সেইবাবেই আহোম আৰু মৰাণ-বৰাহী সকলৰ মাজত দীঘলীয়া আৰু গুৰুতৰ ধৰণৰ কোনো কাজিয়া হোৱা দেখা নাযায়। আহোমসকলে জনজাতীয় লোকসকলৰ পৰা লৌকিক অনুগ্ৰহ আদায় কৰিয়েই সন্তুষ্ট আছিল, কাৰণ তেওঁলোকক যোগাব পৰাকৈ উদ্বৃত্ত উৎপাদন কৰিব পৰা ক্ষমতা প্ৰাথমিক পদ্ধতিৰে খেতিকৰা জনজাতীয় লোকসকলৰ নাছিল। গতিকে অসমত সোমায়েই আহোমসকলে শালি অৰ্থাৎ আৰ্দ্ৰ ধান খেতিৰ প্ৰচলন আৰম্ভ কৰিলে। [৬] এই খেতিয়ে উজনি অসমত স্থায়ী বসতিৰ সূচনা কৰিলে। স্থায়ী বসতিৰ কাৰণে বহুতো গছ-গছনি কাটি নিৰ্ম্মূল কৰিব লগীয়া হ'ল, আৰু জলাহ আৰু পিতনিবিলাক পুতি মাটি সমান কৰা হল। তদুপৰি শালি খেতিৰ বাবে যিটো অতি প্ৰয়োজনীয়—পথাৰত নিয়মিত পৰিমাণৰ পানীৰ যোগান ধৰা—তাৰ কাৰণে অ'ত ত'ত মথাউৰি সজা আৰু ডোং খন্দা হল। আহোমসকল এইকামৰ বাবে উপযুক্ত আছিল, কাৰণ তেওঁলোক অকল নিপুণ সংগঠকেই নাছিল, তেওঁলোকৰ হাতত যথেষ্ট পৰিমাণৰ লোৰ সা-সজুলিও মজুত আছিল। [৭] সমূহীয়া প্ৰচেষ্টাৰ দ্বাৰা আবাদ যোগ্য কৰি লোৱা মাটি স্বভাৱতেই ৰাইজৰ আছিল। মাটিবিলাক দুটা শ্ৰেণীত ভগোৱা হৈছিল—বাগিছা শাকনি আদিৰ বাবে ওখ মাটি (বস্তি আৰু বাৰী), আৰু শালি-খেতিৰ বাবে দ মাটি (ৰূপিত, ৰোৱতী মাটি)। খুব সম্ভৱ পৰিয়ালৰ আকাৰ আৰু সামাজিক মৰ্য্যাদা অনুযায়ী দুয়ো শ্ৰেণীৰ আবাদ যোগ্য মাটিবিলাক মানুহৰ মাজত ভগাই দিয়া হৈছিল। [৮] ভাগত পোৱা মাটিৰ উপৰিও প্ৰয়োজন হলে কোনোৱা পৰিয়ালে নিজাকৈয়ো মাটি ভাঙি লব পাৰিছিল। অৱশ্যে এনে কাম হাতত লৈছিল ডাঙৰ পৰিয়ালবিলাকেহে, যিবিলাকৰ হাতত পৰিয়ালৰ মানুহৰ উপৰিও নিজে মাটি ভাঙি লব পৰাকৈ যথেষ্ট সংখ্যক লগুৱা—লিক্‌চৌ আছিল। সেইবুলি বস্তি আৰু বাৰীৰ বাহিৰে বাকী মাটিৰ ওপৰত কাৰো ব্যক্তিগত স্বত্ব নাছিল। সাধাৰণতে প্ৰতিজন মানুহে নিজ বস্তিৰ চাৰিওফালে বাঁহৰ জেওৰা দি লৈছিল।



OKDISCD

অৱশ্যে প্ৰতিজন আহোম ৰজাৰ ভূমি ব্যৱস্থা উপৰোক্ত ধৰণৰ আছিল বুলি ঠিৰাঙকৈ কব পৰা কোনো লিখিত বিৱৰণী নাই। তথাপিও অন্যান্য ঠাইত হোৱা পৰিস্থিতিবিলাক বিশ্লেষণ কৰি চালে পুৰণি আহোমযুগৰ ভূমি ব্যৱস্থা এনে হোৱাৰেই সম্ভাৱনা অধিক যেন লাগে। তদুপৰি দক্ষিণ পূব এচিয়াৰ জনজাতীয় সমাজৰ ওপৰত কৰা গবেষণাসমূহে প্ৰাচীন কালত মাটিৰ আবাদীকৰণ নহলেও অন্ততঃ ইয়াৰ স্বত্ব সামূহিক আছিল বুলি ইঙ্গিত দিছে।[৯] লাহে লাহে ক্ষুদ্ৰ পট্টাৰ উপযোগিতা বঢ়াৰ লগে লগে মাটিবিলাক পৰিয়াল হিচাপে ভাগ কৰাৰ প্ৰথা চলিবলৈ ধৰিলে। ভাষাগত আৰু প্ৰকৃতি গতভাৱে আহোমৰ অতি ওচৰ সম্পৰ্কীয় খামতিবিলাকৰ মাজত উনৈশ শতিকা পৰ্য্যন্ত চলি থকা ভূমি ব্যৱস্থালৈ লক্ষ্য কৰিলেও এই তত্বৰ কিছু প্ৰমাণ পোৱা যায়। ১৮৭৩ চনত খামতিৰ গাঁৱৰ বিষয়ে কুপাৰে লিখিছিল, "যদিও মুখ্য জনেই মাটিৰ গৰাকী আছিল, আটাইটো সম্প্ৰদায়ে (community) তাত সমবায় পদ্ধতিত খেতি কৰিছিল। মুখ্য জনক নিজৰ ভাগটো দিয়াৰ পিচত খেতিত কাম কৰা মানুহৰ সংখ্যা অনুপাতে প্ৰতিঘৰৰ মাজত ফচল ভগাই লোৱা হৈছিল…… ……সমূহীয়া মাটিৰ উপৰিও গাইগুটিয়াকৈ সৰু সৰু মাটিৰ দাগতো (পথাৰত) খেতি কৰা হৈছিল।"[১০]

সূক্ষ্মভাৱে বিচাৰ কৰিলে কুপাৰৰ বৰ্ণনাত কিছুমান খুঁত হয়তো ওলাব পাৰে, কিন্তু খামতিবিলাকৰ ভূমিস্বত্ব যে সামূহিক আছিল এই কথা সত্য। পুৰণি আহোম সমাজো নিশ্চয় ইয়াৰ পৰা খুব বেচি পৃথক নাছিল। ভাগ্য ক্ৰমে আহোম আৰু খামতিৰ লগত ভাষাৰ মিল থকা আৰু একে জাতোত্তৰ। ত্ৰয়োদশ শতিকাৰ থাইলেণ্ডৰ টাইসকলে এৰি থৈ যোৱা এখন গুৰুত্বপূৰ্ণ দান পত্ৰৰ পৰাও এইবিষয়ে যথেষ্ট কথা জানিব পৰা গৈছে। তেৰ শতিকাৰ শেষ ভাগৰ টাইৰজা ৰামখামহেঙে শিলত খোদিত কৰা এখন লিপিত আছে:

"এজন সাধাৰণ লোক, এজন সম্ভ্ৰান্ত আৰু মুখীয়াল মানুহ নৰীয়াত পৰিলে আৰু ঢুকালে তেওঁৰ পৈত্ৰিক ঘৰবাৰী, পোচাক-পাতি, কাপোৰ, হাতী, পৰিয়াল, ধানৰ ভঁৰাল, বন্দী-গোলাম বোৰ, বাপতি সাহোন তামোলৰ বাৰী— এই সকলোবোৰেই মৃতকৰ সন্তানবোৰে পাইছিল"

(If a common man, a noble or a chief fell sick and died,





the home of his ancestors, his clothings, his elephants, his family, his rice granaries, his slaves; the areca palm plantations of his ancestors were all transmitted to his children")

অতি সাৱধানে যুগুত কৰা উত্তৰাধিকাৰ যোগ্য সম্পত্তিৰ এই তালিকাখনত খেতিৰ মাটিৰ উল্লেখ নথকাটো এটা তাৎপৰ্য্যপূৰ্ণ কথা। তেৰ শতিকাত থাইলেণ্ডৰ চুখটাই প্ৰদেশত তামোলৰ বাৰী বস্তি আৰু ভঁৰালবিলাক উত্তৰাধিকাৰ যোগ্য ব্যক্তিগত সম্পত্তি বুলি গণ্য কৰা হৈছিল, কিন্তু খেতিৰ পথাৰ ইয়াৰ অন্তৰ্ভূক্ত নাছিল। সেইবিলাক পথাৰ ৰাইজৰ বা ৰাইজৰ প্ৰতিনিধি হিচাপে ৰজাৰ আছিল। অসমত আহোম যুগৰ ভূমি ব্যৱস্থা বুজাত সামন্তযুগীয় থাইলেণ্ডৰ ভূমি ব্যৱস্থা আমাৰ বিশেষ সহায়ক।

\+ \+ \+ \+

ইংৰাজবিলাকে অসম আক্ৰমণ কৰাৰ সময়ত লক্ষ্য কৰিছিল যে ইয়াত বস্তি আৰু বাৰীৰ বাহিৰে খেতিৰ মাটিৰ ওপৰত কাৰো পৈতৃক সূত্ৰে পোৱা ব্যক্তিগত অধিকাৰ নাই। অৱশ্যে কাৰোবাৰ হাতত বিশেষ ভূমিদান পত্ৰ বা ফলি থাকিলে কথাটো সুকীয়া আছিল।[১২] খৰি-খেৰৰ বাবে, ঘৰ সাজিবলৈ বাঁহ-কাঠ গোটাবৰ বাবে, গৰু-গাই চৰাবৰ বাবে, আৰু সাময়িকভাৱে খেতি বাতি কৰিবৰ বাবেও মানুহে কাৰো দখলীস্বত্ব নথকা বাম ঠাইলৈকে যাব পাৰিছিল। কিন্তু আৰ্দ্ৰ খেতিৰ মাটিবিলাক ৰাইজৰ মুৰব্বী হিচাপে ৰজাই মানুহৰ মাজত ভাগ কৰি দিছিল। ৰাজকীয়-পাম আৰু কাৰ্য্যানুষ্ঠান বা ৰাজবিষয়া, ব্ৰাহ্মণ বা কোনো ধৰ্মানুষ্ঠানলৈ আগবঢ়োৱা মাটিৰ বাহিৰে বাকী আৰ্দ্ৰ খেতিৰ মাটিবিলাক প্ৰাপ্তবয়স্ক মুনিহৰ মাজত ভাগ কৰি দিয়া হৈছিল; অৱশ্যে দাসবিলাক স্বভাৱতে ইয়াৰ পৰা বঞ্চিত আছিল। ৰজাই বিলাই দিয়া এই মাটিক 'গা মাটি' বুলি কোৱা হৈছিল। ইয়াৰ পৰিবৰ্তে প্ৰতিজন মানুহে ৰজাৰ ঘৰত তিনি-চাৰিমাহ খাটি দিব লাগিছিল। থলুৱা পাইকবিলাকক ভগাই দিয়াৰ পিচতো কিছু মাটি থাকিলে সেই ওপৰঞ্চি মাটিখিনি ৰজাৰ অনুমোদন ক্ৰমে কোনো কোনো লোকৰ মাজত ভগাই দিয়া হৈছিল। ভাগত পোৱা নিৰ্দ্দিষ্ট গা-মাটিৰ উপৰিও অধিককৈ পোৱা এই মাটিখিনিক "উবাৰ-মাটি" বুলি কোৱা হৈছিল। এই মাটিৰ ওপৰত কোনো কৰ নাছিল। আহোম যুগৰ শেষৰ



OKDISCD

অৱশ্যে প্ৰতিজন আহোম ৰজাৰ ভূমি ব্যৱস্থা উপৰোক্ত ধৰণৰ আছিল বুলি ঠিৰাঙকৈ কব পৰা কোনো লিখিত বিৱৰণী নাই। তথাপিও অন্যান্য ঠাইত হোৱা পৰিস্থিতিবিলাক বিশ্লেষণ কৰি চালে পুৰণি আহোমযুগৰ ভূমি ব্যৱস্থা এনে হোৱাৰেই সম্ভাৱনা অধিক যেন লাগে। তদুপৰি দক্ষিণ পুব এচিয়াৰ জনজাতীয় সমাজৰ ওপৰত কৰা গবেষণাসমূহে প্ৰাচীন কালত মাটিৰ আবাদীকৰণ নহলেও অন্ততঃ ইয়াৰ স্বত্ব সামূহিক আছিল বুলি ইঙ্গিত দিছে।[৯] লাহে লাহে ক্ষুদ্ৰ পট্টাৰ উপযোগিতা বঢ়াৰ লগে লগে মাটিবিলাক পৰিয়াল হিচাপে ভাগ কৰাৰ প্ৰথা চলিবলৈ ধৰিলে। ভাষাগত আৰু প্ৰকৃতি গতভাৱে আহোমৰ অতি ওচৰ সম্পৰ্কীয় খামতিবিলাকৰ মাজত উনৈশ শতিকা পৰ্য্যন্ত চলি থকা ভূমি ব্যৱস্থালৈ লক্ষ্য কৰিলেও এই তত্ত্বৰ কিছু প্ৰমাণ পোৱা যায়। ১৮৭৩ চনত খামতিৰ গাৱঁৰ বিষয়ে কুপাৰে লিখিছিল, “যদিও মুখ্য জনেই মাটিৰ গৰাকী আছিল, আটাইটো সম্প্ৰদায়ে (community) তাত সমবায় পদ্ধতিত খেতি কৰিছিল। মুখ্য জনক নিজৰ ভাগটো দিয়াৰ পিচত খেতিত কাম কৰা মানুহৰ সংখ্যা অনুপাতে প্ৰতিঘৰৰ মাজত ফচল ভগাই লোৱা হৈছিল… ……সমূহীয়া মাটিৰ উপৰিও গাইগুটিয়াকৈ সৰু সৰু মাটিৰ দাগতো (পথাৰত) খেতি কৰা হৈছিল।”[১০]

সুক্ষ্মভাৱে বিচাৰ কৰিলে কুপাৰৰ বৰ্ণনাত কিছুমান খুঁত হয়তো ওলাব পাৰে, কিন্তু খামতিবিলাকৰ ভূমিস্বত্ব যে সামূহিক আছিল এই কথা সত্য। পুৰণি আহোম সমাজো নিশ্চয় ইয়াৰ পৰা খুব বেচি পৃথক নাছিল। ভাগ্য ক্ৰমে আহোম আৰু খামতিৰ লগত ভাষাৰ মিল থকা আৰু একে জাতোদ্ভৱ। ত্ৰয়োদশ শতিকাৰ থাইলেণ্ডৰ টাইসকলে এৰি থৈ যোৱা এখন গুৰুত্বপূৰ্ণ দান পত্ৰৰ পৰাও এইবিষয়ে যথেষ্ট কথা জানিব পৰা গৈছে। তেৰ শতিকাৰ শেষ ভাগৰ টাইৰজা ৰামথামহেঙে শিলত খোদিত কৰা এখন লিপিত আছে ঃ

“এজন সাধাৰণ লোক, এজন সম্ভ্ৰান্ত আৰু মুখীয়াল মানুহ নৰীয়াত পৰিলে আৰু ঢুকালে তেওঁৰ পৈত্ৰিক ঘৰবাৰী, পোচাক-পাতি, কাপোৰ, হাতী, পৰিয়াল, ধানৰ ভঁৰাল, বন্দী-গোলাম বোৰ, বাপতি সাহোন তামোলৰ বাৰী— এই সকলোবোৰেই মৃতকৰ সন্তানবোৰে পাইছিল”

(If a common man, a noble or a chief fell sick and died,





the home of his ancestors, his clothings, his elephants, his family, his rice granaries, his slaves; the areca palm plantations of his ancestors were all transmitted to his children")

অতি সাৱধানে যুগুত কৰা উত্তৰাধিকাৰ যোগ্য সম্পত্তিৰ এই তালিকাখনত খেতিৰ মাটিৰ উল্লেখ নথকাটো এটা তাৎপৰ্য্যপূৰ্ণ কথা। তেৰ শতিকাত থাইলেণ্ডৰ চুখটাই প্ৰদেশত তামোলৰ বাৰী বস্তি আৰু ভঁৰালবিলাক উত্তৰাধিকাৰ যোগ্য ব্যক্তিগত সম্পত্তি বুলি গণ্য কৰা হৈছিল, কিন্তু খেতিৰ পথাৰ ইয়াৰ অন্তৰ্ভূক্ত নাছিল। সেইবিলাক পথাৰ ৰাইজৰ বা ৰাইজৰ প্ৰতিনিধি হিচাপে ৰজাৰ আছিল। অসমত আহোম যুগৰ ভূমি ব্যৱস্থা বুজাত সামন্তযুগীয় থাইলেণ্ডৰ ভূমি ব্যৱস্থা আমাৰ বিশেষ সহায়ক।

\+ + + +

ইংৰাজবিলাকে অসম আক্ৰমণ কৰাৰ সময়ত লক্ষ্য কৰিছিল যে ইয়াত বস্তি আৰু বাৰীৰ বাহিৰে খেতিৰ মাটিৰ ওপৰত কাৰো পৈতৃক সূত্ৰে পোৱা ব্যক্তিগত অধিকাৰ নাই। অৱশ্যে কাৰোবাৰ হাতত বিশেষ ভূমিদান পত্ৰ বা ফলি থাকিলে কথাটো সুকীয়া আছিল।[১২] খৰি-খেৰৰ বাবে, ঘৰ সাজিবলৈ বাঁহ-কাঠ গোটাবৰ বাবে, গৰু-গাই চৰাবৰ বাবে, আৰু সাময়িকভাৱে খেতি বাতি কৰিবৰ বাবেও মানুহে কাৰো দখলীস্বত্ব নথকা বাম ঠাইলৈকে যাব পাৰিছিল। কিন্তু আৰ্দ্ৰ খেতিৰ মাটিবিলাক ৰাইজৰ মূৰব্বী হিচাপে ৰজাই মানুহৰ মাজত ভাগ কৰি দিছিল। ৰাজকীয়-পাম আৰু কাৰ্য্যানুষ্ঠান বা ৰাজবিষয়া, ব্ৰাহ্মণ বা কোনো ধৰ্ম্মানুষ্ঠানলৈ আগবঢ়োৱা মাটিৰ বাহিৰে বাকী আৰ্দ্ৰ খেতিৰ মাটিবিলাক প্ৰাপ্তবয়স্ক মুনিহৰ মাজত ভাগ কৰি দিয়া হৈছিল; অৱশ্যে দাসবিলাক স্বভাৱতে ইয়াৰ পৰা বঞ্চিত আছিল। ৰজাই বিলাই দিয়া এই মাটিক ‘গা মাটি’ বুলি কোৱা হৈছিল। ইয়াৰ পৰিবৰ্ত্তে প্ৰতিজন মানুহে ৰজাৰ ঘৰত তিনি-চাৰিমাহ খাটি দিব লাগিছিল। থলুৱা পাইকবিলাকক ভগাই দিয়াৰ পিচতো কিছু মাটি থাকিলে সেই ওপৰঞ্চি মাটিখিনি ৰজাৰ অনুমোদন ক্ৰমে কোনো কোনো লোকৰ মাজত ভগাই দিয়া হৈছিল। ভাগত পোৱা নিৰ্দ্দিষ্ট গা-মাটিৰ উপৰিও অধিককৈ পোৱা এই মাটিখিনিক “উবাৰ-মাটি” বুলি কোৱা হৈছিল। এই মাটিৰ ওপৰত কোনো কৰ নাছিল। আহোম যুগৰ শেষৰ



OKDISCD

ফালেহে ইয়াৰ ওপৰত কৰ লগোৱা প্ৰথাৰ সূচনা হয়।[13] আনহাতে গা-মাটি আৰু 'উবাৰ' মাটি ৰজাই অৰ্থাৎ ৰাইজে দৰকাৰ হলে মানুহৰ পৰা ঘূৰাই লবও পাৰিছিল।[14] সামূহিক ভূমিস্বত্বৰ দীঘলীয়া ঐতিহ্য নথকা হলে আহোম যুগৰ শেষলৈকে এই প্ৰথাই সুচাৰুৰূপে কাম কৰা নিশ্চয় কঠিন হলহেতেন।

পুৰণি আহোমসকলৰ কাৰণে বস্তি আৰু বাৰীৰ ওপৰত ব্যক্তিগত স্বত্ব থকাটো স্বাভাৱিক আছিল, কাৰণ ইয়াত উৎপন্ন হোৱা বস্তুবিলাক আছিল মানুহৰ ব্যক্তিগত পৰিশ্ৰমৰ ফল আৰু এনে মাটিৰ ওপৰত স্থায়ী অধিকাৰ নাথাকিলে নিৰ্দ্দিষ্ট গৰাকীয়ে এইবোৰ উপভোগ কৰা অসম্ভৱ আছিল। আন হাতে স্থায়ী গাৱঁৰ চাৰিওকাষে থকা দ মাটিবিলাক স্বভাৱতে ৰাইজৰ আছিল, কাৰণ সেইবিলাকত ৰাইজে সমূহীয়াকৈ আলি-দোং-মথাউৰি আদি বান্ধিছিল আৰু খেতি কৰিছিল।[15] প্ৰতিবছৰে খেতি উঠাৰ পিছত সেইমাটিবিলাক চৰণীয়া পথাৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল আৰু গৰু উদং মেলা এই প্ৰথা অসমত আজিও প্ৰচলিত। এই আলোচনাৰ পৰা আহোম যুগত মাটিৰ ওপৰত খেতিয়কৰ ভোগস্বত্ব [usufruct right] আছিল বুলি আমি অনুমান কৰিব পাৰোঁ। খেতিয়ক জনৰ মৃত্যু হলে বা তেওঁ খেতি কৰিব নোৱাৰা হলে তেওঁৰ খেতিৰ মাটি পুনৰ ৰাইজৰ হাতলৈ গৈছিল। স্থানান্তৰ কৃষিৰ যুগত তেওঁৰ বস্তি মাটিৰো স্থায়ী অস্তিত্ব নাছিল।

কৰমুক্ত খেতিৰ মাটি গাইপতি দুপুৰাকৈ পৰিছিল বুলি পিছৰ যুগৰ পুথি-পত্ৰ বিলাকৰ পৰা জানিব পৰা গৈছে। আগৰ কালত মানুহে সম্ভৱতঃ যিমান ইচ্ছা সিমান মাটি ৰাখিব আৰু ভাঙি লব পাৰিছিল যদিও দৰাচলতে একোজন খেতিয়কৰ তিনি বা চাৰি পুৰাতকৈ বেচি মাটি ভাঙিব পৰা ক্ষমতা নাছিল। পিছলৈ জনসংখ্যা বৃদ্ধিৰ লগে লগে ভাল মাটিৰ পৰিমাণ কমি অহাত মাটিৰ স্বত্বৰ ওপৰত এটা সীমা বান্ধি দিয়াৰ নিয়ম ওলাল। কোনো কোনো ঘনবসতিপূৰ্ণ গাৱঁত যোল বছৰৰ ওপৰৰ লৰাক মাটি দিয়াৰ সুবিধা কৰিবৰ নিমিত্তে এই সীমা পিছলৈ কমাব লগীয়া হৈছিল।[16] মোগল আক্ৰমণৰ সময়ত ৰাজকীয় ধনভঁৰাল টনকিয়াল কৰিবলগীয়া হোৱাটোও কৰমুক্ত মাটিৰ সীমা নিৰ্দ্দিষ্ট কৰি দিয়াৰ আন এটা কাৰণ আছিল।

\+ + + +





যোল শতিকা পৰ্য্যন্ত আহোমৰ মাজত মাটি জৰিপ কৰাৰ কোনো প্ৰথা নাছিল। মাটি আছিল অপৰ্যাপ্ত আৰু সেই অনুসাৰে জনসংখ্যা আছিল তাকৰীয়া; গতিকে ৰাজকীয় কামত খটুৱাবৰ সুবিধাৰ্থে সময়ে সময়ে মাথোন মানুহ পিয়ল কৰাৰহে ব্যৱস্থা আছিল। পিছলৈ গদাধৰ সিংহৰ ৰাজত্বকালত (১৬৮১-৯৬) মোগলৰ অনুকৰণত মাটি জৰিপ কৰাৰ প্ৰথা সূচনা হয়।[17]

**খেল বা দাগী**—এই সাধাৰণ নামেৰে পাইকবিলাকক কিছুমান বহল ভাগত ভগোৱা হৈছিল। তাৰে এটা ভাগে কেইটামান ফৈদৰ পৰা নিৰ্ব্বাচিত হোৱা মন্ত্ৰী তিনিজনাৰ (বৰগোঁহাই, বুঢ়া গোঁহাই আৰু বৰপাত্ৰ গোঁহাই) অধীনত কাম কৰিছিল। এই পাইক বিলাকক 'হাতীমূৰ' বুলি কোৱা হৈছিল। কিছুমান পাইকে আকৌ ফুকন, বৰুৱা আৰু ৰাজখোৱা—এই তিনিজন ৰাজ-বিষয়াৰ অধীনত কাম কৰিছিল; তেওঁলোকৰ মাজত সৰ্ব্বমুঠ চৈধ্যটা ভাগ আছিল। আন কিছুমান ভাগে আকৌ ৰজাঘৰত বা ৰাজকীয় বিষয়াৰ তলত কাম কৰিছিল আৰু এওঁলোকৰ সংখ্যাই সৰ্ব্বাধিক আছিল। প্ৰতিটো খেল বা দাগীৰ ৬০০ ৰ পৰা ১০০০ লৈকে পাইক আছিল আৰু ইহঁতক 'খেল' ক্ৰমৰ কিছুমান সৰু সৰু ভাগত পুনৰ ভাগ কৰা হৈছিল। প্ৰতিটো 'খেল' আকৌ কিছুমান 'গোট'ত ভাগ কৰা হৈছিল। গোটবিলাকেই আছিল সমস্ত পাইক সংগঠনৰ নূন্যতম একক আৰু তিনি বা চাৰিজন পাইক লগ লাগি ই গঠিত হৈছিল। খেলৰ এক তৃতীয়াংশ [কেতিয়াবা এক চতুৰ্থাংশ] মানুহ সদায় ৰাষ্ট্ৰৰ কামত ব্যস্ত আছিল। অৰ্থাৎ প্ৰতিটো গোটৰ পৰা এজনকৈ পাইকে ৰজা বা ৰাজবিষয়াৰ নিৰ্দ্দেশ ক্ৰমে নিৰ্দ্দিষ্ট পাল পাতি উপস্থিত থাকিব লাগিছিল আৰু নিজৰ ভাগত পৰা কাম কৰিব লাগিছিল তেওঁ নথকা দিন কেইটাত পৰিয়ালৰ আন মানুহবিলাকে তেওঁৰ মাটিত খেতি কৰা আৰু তেওঁক ভাত কাপোৰ যোগাই থকাৰ নিয়ম আছিল। যুদ্ধ বা তেনে কোনো জৰুৰীকালীন অৱস্থাত গোটৰ দ্বিতীয়, আনকি তৃতীয় মানুহজনেও একেসময়তে ৰাজ্যৰ কাম কৰিবলগীয়া হৈছিল। উচ্চ থাপৰ বিষয়া সকল উচ্চকুলৰ পৰা নিৰ্ব্বাচিত হৈছিল; তেওঁলোকৰ তলত ২০,১০০ বা ১০০০ জন পাইকে কাম কৰিছিল আৰু তাৰে শতকৰা পাচৰ পৰা দহভাগ পাইকক তেওঁলোকে নিজৰ ব্যক্তিগত কামত খটুৱাব পাৰিছিল। ইয়াৰ উপৰিও

OKDISCD

ওখ থাপৰ বিষয়া আৰু মন্ত্ৰীসকলক ৰাজধানীৰ ওচৰত মাটি দিয়া হৈছিল আৰু মৃত্যু বা বৰ্খাস্ত নোহোৱা পৰ্য্যন্ত তেওঁলোকে সেই মাটি ভোগ কৰিব পাৰিছিল।[১৮]

পিচলৈ আহোমৰ ৰাজ্য শাসন প্ৰণালীৰ কিছু সাল-সলনি ঘটিছিল যদিও ১৮২৬ চনলৈকে ইয়াৰ মৌলিক পৰিবৰ্ত্তন খুব বেচি একো হোৱা নাছিল। আহোমৰ শাসন নীতিয়ে তেওঁলোকৰ জনজাতীয় উৎসৰ ইঙ্গিত দিয়ে। সামন্ত-যুগীয় থাইলেও আৰু মণিপুৰ, কাছাৰ আৰু জয়ন্তীয়া ৰাজ্যৰ লগত আহোমৰ শাসন নীতিৰ সাদৃশ্য আছে।[১৯] মেককুলকৰ (১৮৫৮) বিৱৰণীৰ পৰা জনা গৈছে যে মণিপুৰত প্ৰাপ্তবয়স্ক মুনিহবিলাক কিছুমান পণত বিভক্ত আছিল আৰু যোল বছৰৰ ওপৰৰ প্ৰতিজন মুনিহেই ৪০ দিনৰ ভিতৰত ২০ দিন ৰজা বা ৰাজ-বিষয়াৰ তলত খাটি দিব লাগিছিল। ৰজা ঘৰত খাটি দিয়া কামৰ পৰিবৰ্ত্তে তেওঁলোকে প্ৰায় তিনি পুৰাকৈ মাটি ভোগ কৰিব পাৰিছিল। অসমৰ আন দুখন ৰাজ্য কাছাৰ আৰু জয়ন্তীয়াতো ৰাজহুৱা কামৰ বাবে প্ৰজাৰ পৰা বাধ্যতা মুলকভাৱে সেৱা আদায় কৰা এটা সৰলতৰ পদ্ধতি আছিল। গতিকে আহোমৰ সংগঠন প্ৰণালী আহোমৰ সম্পূৰ্ণ নিজা সৃষ্টি নহয়। প্ৰাচীনকালৰ বহুতো জনজাতীয় সমাজত থকা সংগঠন প্ৰণালীৰ ই বিশেষ ৰূপহে মাথোন। সূৰ্য্য কুমাৰ ভূঞাৰ মতে ১০০ আৰু ১০০০ পাইকৰ ওপৰত বিষয়াৰ অধিকাৰ সূচনা হয় ১৬০৯ চনত।[২০] সেইদৰে আৰবী পাৰসী ভাষাৰ অপভ্ৰংশ 'খেল' শব্দটোও (যাৰ মৌলিক অৰ্থ হল 'অশ্বাৰোহী সৈন্যবাহিনী,) পিছৰ যুগৰ সৃষ্টি। কিন্তু বিদেশী প্ৰভাৱবিলাকে আহোমৰ জনজাতীয় শাসন পদ্ধতিৰ বিশেষ একো সাল-সলনি ঘটাব পৰা নাছিল।

প্ৰথম অৱস্থাত খেলবিলাক থলুৱা জ্ঞাতি-গোত্ৰৰ একোটা গোট হিচাপে গঠন কৰা হৈছিল। তেওঁলোকে সমূহীয়াকৈ ওচৰ পাজৰৰ খেতি পথাৰ আৰু হাবি-জঙ্গলবিলাক নিয়ন্ত্ৰণ কৰিছিল। আমি এইদৰে অনুমাণ কৰাৰ কাৰণ হল, পুৰণি খেলবিলাকক সদায় একোটা আঞ্চলিক অৰ্থত ব্যৱহাৰ কৰা দেখা যায়, যেনে—জকাইচুকীয়া খেল, অভয়পুৰীয়া খেল, গজপুৰীয়া খেল, চাৰিঙীয়া খেল ইত্যাদি। কিন্তু পিছৰ যুগত খেলবিলাক ৰাজ্যৰ চাৰিওফালে সিঁচৰতি হৈ পৰিল। কিন্তু ৰাজকীয় কামত যাতে ফাঁকি দিব নোৱাৰে,





এই উদ্দেশ্যে ৰাজবিষয়াসকলে তেওঁলোকৰ চিন ৰাখি থৈছিল। কেতিয়াবা আকৌ ৰাজকীয় উদ্যোগত খেলবিলাক ভাগ কৰা হৈছিল। আৰু এইদৰে সৃষ্টি হোৱা নতুন খেলবিলাকে নতুন ঠাইত বসতি কৰিছিলগৈ।

কোনো মানুহে ৰাজকীয় পদ পালে তেওঁক ব্যক্তিগত শ্ৰমদানৰ পৰা ৰেহাই দিয়া হৈছিল। উচ্চকুলৰ লোকসকলেও ব্যক্তিগত শ্ৰমদানৰ পৰা ৰেহাই পাইছিল। পিচৰ যুগত বিশেষকৈ কামৰূপত, উন্মুক্ত ধন কৰ [Money tax] দিলেও মানুহৰ ব্যক্তিগত শ্ৰমদানৰ পৰা মুক্তি দিয়া হৈছিল। তদুপৰি বিশেষ ভাৱে অৰ্হতাসম্পন্ন লোকসকলে শ্ৰমদানৰ সলনি তেওঁলোকৰ উৎপাদিত দ্ৰব্য বা কৰ্ম্মদান দিবলৈও অনুমতি পাইছিল। যেনে, ৰাষ্ট্ৰৰ প্ৰতি আনুগত্যৰ চিনস্বৰূপে সোণাৰীসকলে গহণা-পাতিৰ একাংশ ৰজাঘৰত দিছিল আৰু কাকতিসকলে ৰজাঘৰীয়া হিচাপ পত্ৰ কৰি দিছিল। সাধাৰণ শ্ৰমদানৰ পৰা মুক্ত এনেধৰণৰ প্ৰজাসকলক 'চমুৱা' বুলি কোৱা হৈছিল। এওঁলোকৰ কিছুমান আনকি খেলৰ বান্ধোনৰ পৰাও মুক্ত আছিল আৰু তেওঁলোকক তেতিয়া 'অপাইকান চমুৱা' বুলি কোৱা হৈছিল। মোগলৰ অধীনত কিছু বছৰ থকা কামৰূপ জিলাৰ মানুহবিলাকে ৰজাৰ কামত গা খাটি দিয়াতকৈ ধন-কৰ দিয়াতহে অভ্যস্ত আছিল, আৰু তেওঁলোকৰ 'গা মাটিক' 'জম্মা মাটি' বুলি কোৱা হৈছিল।[২১] আনহাতে বিশেষ বিশেষ খেলহিচাপে গোট খোৱা পাইকবিলাক 'পাইক চমুৱা' নামেৰে জনাজাত আছিল। কোনোধৰণৰ সুবিধা ভোগ নকৰা পাইকবিলাকক "কাড়ী পাইক' বুলি কোৱা হৈছিল। সমাজৰ নিম্নতম স্তৰত আছিল বহতীয়া আৰু বন্দী-বেটি সকল।

\+ \+ \+

প্ৰাচীন কামৰূপৰ ৰজাসকলে তামৰ ফলিৰ যোগেদি ৰাইজৰ মাটি বিচ্ছিন্ন কৰাৰ দৰে আহোম ৰজাসকলে পাইক বিলাককো বিচ্ছিন্ন সম্পত্তি [alienated property] বুলি গণ্য কৰিছিল। তদুপৰি তাম্ৰ ফলিৰ যোগেদি আহোম ৰজা সকলেও কিছুমান লোকক মাটিৰ স্থায়ী পট্টন দিছিল আৰু এওঁলোকে লগুৱা লিকচৌ বিলাকৰ সহায়েৰে সেই মাটিত খেতি কৰাইছিল। ১৬ শতিকাৰ আৰম্ভলৈকে চুটিয়া সকলক যুঁজত পৰাস্ত কৰি আহোম ৰজাই এজন চুটিয়া ৰাজকোঁৱৰক দৰঙৰ ওচৰত বাৰটা পৰিয়াল সহ বিৰাট ভূখণ্ড



OKDISCD

দান দিছিল।[২২] তামৰ ফলিৰ যোগেদি আহোম ৰজাই মাটি দান দিয়াৰ এইটোৱেই প্ৰথম নিদৰ্শন। দেৱোত্তৰ, ধৰ্ম্মোত্তৰ আৰু ব্ৰহ্মোত্তৰ মাটি দান কৰা প্ৰথা প্ৰতাপসিংহই ( ১৫০৩-৪১ ) সূচনা কৰে বুলি এজনা বুৰঞ্জীবিদে কয়।[২৩] অকল ধৰ্ম্মত আৰু ধৰ্ম্মানুষ্ঠানকে নহয়, ভাল কামৰ স্বীকৃতি হিচাপে ৰাজবিষয়া আদিকো মাটি দান কৰাৰ উল্লেখ আহোম বুৰঞ্জীত আছে। উদাহৰণ স্বৰূপে চুজিনফাই (১৬৭৫-৭৭) তেওঁৰ বুঢ়াগোহাঁই জনাক এজাক লগুৱা লিক্‌চৌ আৰু পৰ্ব্বতীয়া নগৰৰ সমস্ত অধিবাসীৰ সৈতে নৈ কাষৰীয়া এটা ডাঙৰ অঞ্চল দান কৰিছিল। এই দান পত্ৰত থকা চৰ্ত্তবিলাক বিশেষভাৱে উল্লেখযোগ্য, কাৰণ ইয়াৰ পৰা সোতৰ শতিকাৰ ভূমি ব্যৱস্থাৰ উমান পোৱা যায়।

“যি কোনো ফৈদৰে ভৱিষ্যতে যিয়েই ৰজা হব, তেওঁ যেন বুঢ়াগোহাঁইক দিয়া এই বোৰ স্বত্ব বাহাল ৰখাৰ যত্ন কৰে আৰু যদি নদীৰ পলস চাপৰি পৰি এই মাটিৰ আয়তন বাঢ়ে তেতিয়া হলে আন কাকো তাৰ দখল লবলৈ দিয়া নহয়” [২৪]

(whoever of any family becomes king in future, must try to keep this right granted to the Buragohain and if this area of the land increases by alluviation, no other person should be allowed to take possession of the land" )

চুজিনফাৰ দানপত্ৰ খনত কেইবাটাও বৈশিষ্ট্য চকুত পৰে। প্ৰথম, প্ৰদত্ত মাটিখিনি স্থায়ীভাৱে বিচ্ছিন্ন কৰা হৈছিল। দ্বিতীয়তে লগুৱা লিকচৌৰ উপৰিও পৰ্ব্বতীয়া নগৰৰ মানুহবিলাককো গ্ৰহীতাৰ লগত দিয়া হৈছিল। তৃতীয়তে, মাটিখিনি আছিল নৈপৰীয়া অনাবাদী মাটি। অনাবাদী মাটিত খেতি কৰিবৰ উৎসাহ যোগোৱাৰ বাবেই নিশ্চয় এই দান কৰা হৈছিল। মাটিৰ লগতে মানুহো দান কৰাৰ কাৰণো নিশ্চয় সেয়েই। লগুৱা-লিক্‌চৌবিলাক গ্ৰহীতাৰ ব্যক্তিগত সম্পত্তি আছিল আৰু সিহঁতে স্থায়ী বহতীয়া হিচাপে কাম কৰিছিল। আনহাতে পৰ্ব্বতীয়া মানুহবিলাক খুব সম্ভৱ সাময়িক ভাৱেহে বহতীয়া হৈ আছিল। সি যি কি নহওক, ইয়াৰ পৰা এই কথা স্পষ্ট হৈ পৰে যে মাটিৰ লগতে মানুহো দান কৰিব পৰা ক্ষমতা ৰজাৰ আছিল।





গেইটে তেওঁৰ বুৰঞ্জীত ৪৮ খন তামৰ ফলিৰ ভূমিদান পত্ৰৰ কথা উল্লেখ কৰিছে।[২৫] তাৰ ভিতৰত তিনিখন গদাধৰ সিংহই আৰু বাকী কেইখন পিচৰ ৰজাসকলে জাৰি কৰা। এই ফলি কেইখনত থকা চৰ্ত্ত আৰু ধাৰণাবিলাক প্ৰাচীন কামৰূপৰ ফলিবিলাকৰ লগত বহু পৰিমাণে মিলে। উদাহৰণ স্বৰূপে, ৰাজেশ্বৰ সিংহই জাৰি কৰা ফলিখনৰ কথাকে ধৰা যাওক।[২৬] এই ফলিখনৰ বিশিষ্ট লক্ষণবিলাক হ'ল ঃ

১। প্ৰদত্ত মাটিৰ চাৰিও সীমাৰ বিতং বিৱৰণী;
২। ভূমিদানৰ বিষয়ে সকলো মানুহলৈ দিয়া জাননী;
৩। ৰজাৰ প্ৰতি আনুগত্য আশ্বাসৰ পৰিবৰ্ত্তে গ্ৰহীতা আৰু তেওঁৰ উত্তৰাধিকাৰী সকললৈ মাটিৰ স্থায়ী স্বত্ব দান;
৪ কি কি কৰৰ পৰা গ্ৰহীতা মুক্ত হৈ থাকিব, তাৰ এখন দীঘলীয়া তালিকা আৰু
৫। মাটিৰ লগতে মানুহ দান।

গ্ৰহীতা মুক্ত হৈ থাকিব পৰা অসংখ্য কৰৰ নাম ফলিবিলাকত পোৱা যায়। যেনে,—পদ ( ? ), পঞ্চক (সমূহীয়া কামৰ বাবে ঘৰমূৰি কৰ), কৰ কাটল (সাধাৰণ কৰ), বেথবেগৰ (ব্যক্তিগত সেৱা আৰু বলপূৰ্ব্বক ভাৱে কৰোৱা শ্ৰম), চোৰ চেহিনতা (চোৰ-চাৰি ধৰিবৰ বাবে দিয়া এটা অনিয়মিত কৰ) ধুমুচি ( ? ) মৰেৱা (বিবাহ সম্বন্ধীয় কৰ), যৰক্ষাৰ (লোণৰ বাধ্যতামূলক পৰিবহন), জলকৰ (নাও গোৱা আৰু মাছ মৰাৰ বাবে দিয়া কৰ), ইত্যাদি। গ্ৰহীতাই মুক্ত হৈ থাকিব পৰা আৰু ৰজাই উচৰ্গা কৰা এই দীঘলীয়া তালিকাবিলাকে প্ৰাচীন কালৰ কামৰূপীয় ৰজাসকলৰ ভূমিদান পত্ৰবিলাকলৈ আমাক সোঁৱৰাই দিয়ে।

\+ \+ \+

এতিয়ালৈকে কৰি অহা আলোচনাৰ ঘাই কথা খিনি আমি এতিয়া পুনৰ দোহাৰিম। প্ৰাচীন যুগত সামাজিক অৰ্থনৈতিক জীৱন পৰিচালনা কৰিছিল গাৱেঁ নহয়, খেলেহে, কাৰণ, মাটিৰ ওপৰত মানুহৰ স্বত্ব আছিল খেল হিচাপেহে। চাংমাই পথাৰ, সোণাৰী পথাৰ, চাওদাং পথাৰ, হাতীমুৰীয়া পথাৰ, নাওবৈচা পথাৰ আদি আজিও প্ৰচলিত হৈ থকা পথাৰৰ নামবিলাকে

ইয়াৰ প্ৰমাণ দিয়ে। ৰাইজৰ অধিকাৰৰ ধাৰণা অসমত আজিও প্ৰবল আৰু হাবি-জঙ্ঘল, ঘাঁহনি বননি, বিল আদি ঠাইবিলাক অসমত ৰাজহুৱা সম্পত্তি হিচাপেই গণ্য কৰা হয়। কিন্তু দিন যোৱাৰ লগে লগে ৰাজকীয় ক্ষমতা বৃদ্ধি পালে; ৰজাৰ মাটিৰ ওপৰত যে কেৱল অধিকাৰেই থাকিল তেনে নহয়, ৰাইজৰ মাটি ৰজাই ইচ্ছা কৰিলে কোনো ব্যক্তিক দিব পৰা হ'ল, আনকি সাধাৰণ প্ৰজাকো গ্ৰহীতাৰ লগত দিব পৰা ক্ষমতা ৰজাই লাভ কৰিলে। স্কট, জেনকিন্স, মেথি, ব্ৰন্তি আদি উনৈশ শতিকাৰ ইংৰাজ বিষয়া কিছুমানে আহোম যুগৰ শেষ চোৰাত ভূমি-ব্যৱস্থাৰ এটা প্ৰত্যক্ষ অনুসন্ধান (on the spotenquiry) কৰিছিল আৰু ৰায়তৰ স্থায়ী স্বত্ব কেৱল বস্তি মাটিৰ ওপৰতহে আছিল বুলি তেওঁলোক প্ৰত্যয় গৈছিল। ব্ৰন্তি চাহাবে নগাৱৰ পৰা জেনকিন্স চাহাবলৈ লিখা টোকাটো পঢ়িলেই এই কথা বুজা যায়ঃ

'The land appears to have been considered as the property of different clans (i.e. খেল)……On the death of a pyke his two poorahs did not descend to his son, but reverted to that portion of the clan of which he was a member.

To such a degree was this clan system carried, that a case was one day brought before me, where a girl being left ar orphan was sold by her father's clan and there seems an be no doubt that each clan had the right to sell or to give in marriage any female child whose father was a member of it, left without parents or near male relative.

I consider lands to have been permanently vested in the clans, and nowhere else excepting the house and garden lands, which I have just said was hereditary in each man's family. But I think it can hardly be doubted that the head of the state had the right to make any grants he pleased'.[২৭]





বগ্‌ল আৰু ৰবিনচন চাহাবে আনকি পাইকবিলাকো ৰজাৰ সম্পত্তি আছিল বুলি সিদ্ধান্ত কৰিছিল।[২৮] ৰজাই দান কৰা পাইক বিলাক অনেকসময়ত দাস-সদৃশ আছিল যদিও সিহঁতক কিন্তু বেচিব পৰা নগৈছিল। সেইদৰে মাটিও, বিশেষকৈ আদ্ৰ খেতিৰ মাটি বেচিব পৰা নগৈছিল। কোনো পাইকে তেওঁৰ গা-মাটি (কামৰূপৰ জুম্মামাটি) কাৰোবাক বন্ধকত দিলেও অকল খেতি কৰা স্বত্বটোহে বন্ধকত গৈছিল, মাটিখিনি নহয়। গতিকে গা-মাটিৰ পৰিৱৰ্তে ৰজাৰ ঘৰত গা-খাটি দিয়া বা ধনকৰ দিয়াৰ ভাৰ আছিল মাটি বন্ধক দিয়া পাইকজনৰ ওপৰত, বন্ধকী লোৱা মানুহজন এই দায়িত্বৰ পৰা মুক্ত আছিল। ইয়াৰ কাৰণ, ৰাষ্ট্ৰই বন্ধকী প্ৰথাৰ কোনো স্বীকৃতি নলৈছিল। আনকি উত্তৰাধিকাৰ স্বত্বে পোৱা বস্তি আৰু বাৰীও বিক্ৰেয় নাছিল। সমগ্ৰ বুৰঞ্জী সাহিত্যত মাটি বেচা-কিনা সম্পৰ্কে দুটা পৰোক্ষ উল্লেখহে মাথোন পোৱা গৈছে।[২৯] দুয়োটা ক্ষেত্ৰতে এজন দুৰ্দ্দশাগ্ৰস্ত সেনাপতিয়ে মৰিলে পুতিবৰ বাবে চাৰি কড়ি মাটি কিনি লোৱাৰ কথা বিৰক্তিপূৰ্ণভাৱে ঘোষণা কৰিছে। এনে উক্তিয়ে মাটি সচাঁকৈয়ে কিনাৰ কথা সূচায়, ইয়াক মাথোন কথা কোৱাৰ এটা ঢেও বুলিহে আমি ধৰিব পাঁৰো। উপযুক্ত ধন অৰ্থ ব্যৱস্থাৰ (money economy) অভাৱত ১৮২৬ চন পৰ্য্যন্ত অসমত মাটি পণ্য দ্ৰব্য হৈ উঠা নাছিল।

+ + +

সামন্তযুগীয় অসমীয়া সমাজৰ ভেটি আছিল প্ৰাকৃতিক অৰ্থনীতি (natural economy); ইয়াত কোনোধৰণৰ বিশেষীকৰণ নাছিলেই বুলিব লাগে। সেই সময়ৰ ভাৰতৰ অন্যান্য অঞ্চলত প্ৰকাৰ নিচিনাকৈ অসমত কোনো চহৰীয়া কেন্দ্ৰ নাছিল। আনকি ইয়াৰ ৰাজধানীও আছিল কেঁচা বাঁহৰ বেৰাৰে ঘেৰা কিছুমান গাৱঁৰ সমষ্টি।[৩০] দেশৰ শতকৰা প্ৰায় এশভাগ মানুহেই খেতি আৰু মাটিৰ লগত কিবা নহয় কিবা প্ৰকাৰে জড়িত আছিল। আনহাতে অসম খন কিছুমান নিৰ্দ্দিষ্ট শ্ৰেণীত বিভক্ত আছিল। ধৰ্ম্ম নিৰপেক্ষ সম্ভ্ৰান্ত শ্ৰেণীটোৰ আটাইতকৈ ওপৰত আছিল বিখ্যাত আহোম গোষ্ঠি সাতোটা (সাতঘৰীয়া আহোম), ৰাজ্যৰ সকলোবিলাক গুৰুত্বপূৰ্ণ কামৰ ভাৰ এওঁলোকৰ ওপৰত আছিল। দেউলৰ পুৰোহিত, ৰাজ অনুমোদিত সত্ৰৰ গোস্বামী আৰু মহন্ত সকল, আৰু ৰজাই ভূমি দানেৰে অনুগ্ৰহ দেখুৱা ব্ৰাহ্মণসকলেৰে ধৰ্ম্মীয় সম্ভ্ৰান্ত



OKDISCD

শ্রেণীটো গঠিত হৈছিল। ইয়াৰ উপৰিও আছিল সামন্ত-ৰজাসকল, পৰ্ব্বতীয়া ফৈদৰ মূৰব্বীসকল আৰু ধন-বিত থকা অপাইকান চমুৱাসকল। এই কেওচাম লোকৰে বংশানুক্রমে লাভ কৰা নিজা খাত-পাম আছিল; বন্দী-বেটী আৰু বহতীয়া সকলে, আৰু কেতিয়াবা পাইকসকলে তেওঁলোকৰ খাত-পামবিলাকত কাম কৰিছিল। তদুপৰি পাইকবিলাকে ডা-ডাঙৰীয়া সকলক তেল পেৰা, নাও সজা, ঘৰ সজা আদি কাম কৰি দিয়াৰ উপৰিও তেওঁলোকক কেতিয়াবা ভাৰ ভেটীৰেও সন্তুষ্ট কৰিছিল।[৩১] খাত-পামবিলাকৰ সৃষ্টি হৈছিল ঘাইকৈ ৰজাই দিয়া আবাদী মাটিবিলাকৰ পৰাই; যেনে, সত্ৰৰ গোস্বামীসকলক ৫০০ বৰ্গমাইল এলেকাৰ মাজুলি অঞ্চলত দিয়া বিস্তৰ মাটিবিলাক অনাবাদী মাটি আছিল। কিছুমান ডাঙৰীয়াৰ সমগ্র ৰাজ্য জুৰি খাত আছিল। দেশৰ আটাইতকৈ বেচি সংখ্যক খাতৰ গৰাকী আছিল স্বয়ং ৰজা আৰু গোটেই দেশখনতে তেওঁৰ নিজা ভঁৰাল ঘৰ আছিল। ৰজাৰ নামত থকা নিজা খাতৰ উপৰিও ৰাজমাও, ৰাজৰাণী, ৰাজভাতৃ, ৰাজকোৱঁৰ, ৰাজদুৱৰী আদিৰ নামতো খাত আছিল। ধৰ্ম্ম নিৰপেক্ষ আৰু ধৰ্ম্মীয় দুয়ো শ্রেণীৰ ডা-ডাঙৰীয়াই খৰচ কৰা ধৰণ-কৰণৰ পৰা তেওঁলোকৰ হাতত অজস্র সম্পত্তি আছিল বুলি অনুমান হয়। ওঠৰ শতিকাৰ মাজভাগত এজন বৰফুকনে নিজৰ জীয়েকৰ বিয়াত যৌতুক হিচাপে দিছিল—দুটা হাতী, দহোটা ঘোঁৰা, পাচশ ম'হ, এহেজাৰ গাই, এশবন্দী, তিনিশ বাকচ কাপোৰ কানি, ওঠৰ বিধ সোণৰ বাচন, ওঠৰ বিধ ৰূপৰ বাচন, এখন সোণৰ গদী, আৰু কেবাসেৰো সোণৰ গহনা।[৩২] গোস্বামী, মহন্ত আদি প্রভুসকলো এইবিষয়ত তেনেই পিছ পৰা নাছিল।

মেৰামৰীয়া সত্ৰৰ এজন মহন্তৰ (১৭৫১—৬৯) সম্পত্তিৰ ফৰ্দ্দৰ ভিতৰত আছিল দহবাৰখন খাত, চাৰি-পাঁচ হেজাৰ মহ, আঠ দহ হাজাৰ পালি-পহৰীয়া আৰু ইয়াৰ উপৰিও তেওঁক গুৰুকৰ দিয়া অসংখ্য অনুচৰ।[৩৩] অসম অধিকাৰ কৰাৰ সময়ত ইংৰাজসকলে কামৰূপৰ এজন ব্রাহ্মণৰ হাতত ৪৫ হেজাৰ বিঘা ধৰ্ম্মোত্তৰ মাটি থকাৰ কথা গম পাইছিল। ১৮৪১ চনত বহা দাস-আয়োগৰ (Slavery Commission) সমুখত সাক্ষী দি বগল্ চাহাবে কৈছিল, 'A large Portion of the land and all the best land is held by Brahmins who are also principal holders of slaves'.[৩৪] ডা-



ডাঙৰীয়া এই শ্রেণীটোৰ আটাইতকৈ তলৰ খাপত আছিল খেলমুক্ত আৰু পাইকৰ কামৰ পৰা ৰেহাই পোৱা অপাইকাণ চমুৱা সকল।

আনহাতে দেশৰ বেচিভাগ মানুহেই আছিল পাইক শ্রেণীভুক্ত। এওঁলোক দুটা ভাগত বিভক্ত আছিল।—(১) কাঁড়ী পাইক আৰু (২) চমুৱা পাইক। এওঁলোক একো একোটা খেলৰ অন্তৰ্ভুক্ত আছিল। কাঁড়ী সকলে ৰজাঘৰত বাধ্যতামূলক দৈহিক শ্রমদান দিব লাগিছিল; আনহাতে চমুৱাসকলে তেওঁলোকৰ অৰ্হতা পূৰ্ণ সেৱা বা তেওঁলোকৰ উৎপাদিত দ্রব্যৰ একাংশ ৰজাঘৰত দিলেই হৈছিল। সোণাৰী, সোণোৱাল, মৰিয়া, নদীয়াল, তেলী আদি চমুৱা খেলবিলাক ইউৰোপীয় গিল্ডৰ (guild) অনুৰূপ আছিল। আনহাতে খেতিৰ কাম কৰা প্রায় সকলো লোকেই আছিল কাঁড়ী পাইক।

চমুৱা পাইক সকল নিঃসন্দেহে স্বাধীন মানুহ আছিল। কাঁড়ী পাইকবিলাকো কিছু পৰিমানে স্বাধীন আছিল কাৰণ নিজৰ বাসস্থান বিচাৰি লোৱাত তেওঁলোকৰ ওপৰত কোনো বাধ্য-বাধকতা নাছিল। ৰজাঘৰৰ কাম কৰি দিয়া সময়খিনিৰ বাহিৰে বাকী সময়ত তেওঁলোকে নিজ ইচ্ছামতে অলৈ তলৈ যাব পাৰিছিল। তদুপৰি তেওঁৰ নামত নিজা বস্তি আছিল আৰু তেওঁৰ ওপৰত কোনো ভূস্বামী নাছিল। আনকি খেলৰ সৈতে লগলাগি কোনো ক্ষুদ্র অপ্রিয় বিষয়াক কামৰ পৰা খেদিব পৰা ক্ষমতাও তেওঁৰ আছিল।[৩৫] তদুপৰি খেলৰ মাটিত খেতি কৰা তেওঁৰ পূৰ্ণ অধিকাৰ আছিল; সমাজৰ এজন সভ্য হিচাপে তেওঁৰো নিজা গা-মাটি আছিল।

কিন্তু ইমান সুবিধা থকা সত্বেও এজন সাধাৰণ পাইকৰ অৱস্থা এজন লগুৱাতকৈও বেয়া আছিল। নতুন মাটি ভঙাৰ বিৰুদ্ধে কোনো অইন নথকা দিনত পাইকসকলে নিয়মমতে বেছি মাটিত খেতি কৰি চহকী হব লাগিছিল; কিন্তু বছৰৰ এক তৃতীয়াংশ শ্রম-কাল (labour time) তেওঁ ৰজাক দিবলগীয়া হোৱাত বেচি মাটিত খেতি কৰা তেওঁৰ পক্ষে সম্ভৱপৰ নাছিল। যুদ্ধৰ সময়ত দ্বিতীয় আনকি তৃতীয়জন পাইককো কামত লগোৱা হৈছিল, গতিকে তেনে সময়ত খেতিয়কৰ অৰ্থনীতি শোচনীয় ভাৱে ক্ষতিগ্রস্ত হৈছিল। তদুপৰি মাটি বিতৰণ প্রথা ত্রুটিপূৰ্ণ হোৱা বাবে তেওঁৰ সম্পত্তিও খণ্ড-বিখণ্ড আছিল। তেওঁৰ আৰ্দ্র খেতিৰ মাটি বস্তি মাটিৰ ওচৰত নাছিল। তদুপৰি ততাতয়াকৈ



OKDISCD

গজি উঠা বননিবিলাকে আৰু নদীৰ সঘন গতি পৰিৱৰ্ত্তনে তেওঁৰ শুকান খেতিৰ মাটিও তেওঁৰ ঘৰৰ পৰা কেইবামাইলো নিলগাই পেলাইছিল। এনে-বিলাক অসুবিধাৰ বাবে দেখাত ধনী হোৱাৰ সুবিধা থকা সত্বেও তেওঁ কোনোমতেহে জীৱন-ধাৰণ কৰিব পাৰিছিল। তদুপৰি পাইকবিলাকৰ এক তৃতীয়াংশ লোকে লিক্চৌ হিচাপে ৰাজবিষয়াৰ ঘৰ আৰু মাটিত খাটি দিবলগীয়া প্ৰথা প্ৰচলন হোৱাৰ পিছত পাইকবিলাকৰ দুৰৱস্থা আৰু বাঢ়িছিল।[৩৬] তেওঁ-লোকতকৈ লগুৱা বিলাকেহে বৰং ভাল ব্যৱহাৰ পাইছিল, কাৰণ লগুৱা আছিল গৃহস্থৰ ব্যক্তিগত সম্পত্তি, গতিকে সি মৰিলে বা পলাই গ'লে গৃহস্থ ক্ষতিগ্ৰস্ত হৈছিল; কিন্তু লিক্চৌৰ ক্ষেত্ৰত এই কথা নাখাটিছিল, কাৰণ লিক্চৌবিলাকৰ ভাত কাপোৰৰ দায়িত্ব গৃহস্থৰ নাছিল। উপযুক্ত পৰিমাণৰ ভাৰ-ভেটী বা টকা-কড়ি দিলে পাইকবিলাকে লিক্চৌৰ এই অপ্ৰিয় কামৰ পৰা মুক্তি পাব পাৰিছিল।

সমাজৰ আটাইতকৈ তলৰ স্তৰটোত আছিল বহতীয়া আৰু বন্দী-বেটীবিলাক। খেলৰ পৰা ফালি আহি সত্ৰ মন্দিৰৰ আলধৰা হিচাপে কাম কৰা পাইক-বিলাক এওঁলোকতকৈ সামান্য ওপৰত আছিল; কিন্তু এওঁলোকো দাসৰ শ্ৰেণী-তেই পৰিছিল। সত্ৰৰ কামত থাকিলে এওঁলোকক ভকত আৰু মন্দিৰৰ কামত থাকিলে **দেৱলীয়া** (বা কেৱল পাইক) বুলি কোৱা হৈছিল। দেৱলীয়া সকলে ডেৰ পুৰাৰ পৰা দুপুৰা মাটি বস্তি হিচাপে পাইছিল।[৩৭] ৰজা বা ৰাজ্যৰ প্ৰতি দাস শ্ৰেণীটোৰ একো কৰ্ত্তব্য নাছিল। বন্দী-বেটীবিলাক বেচিব বা কিনিব পৰা গৈছিল, যদিও বন্দী বেচা কামটো এটা নিন্দনীয় কাম বুলি গণ্য কৰা হৈছিল।[৩৮] মাটিৰ লগত ঘনিষ্ঠ ভাবে লাগি থকা দাস শ্ৰেণীটো বিক্ৰেয় নাছিল। সঘনে হৈ থকা যুঁজ-বাগৰৰ দিনত বন্দী-বেটী, বহতীয়া দেৱলীয়া, ভকত আদি লোকসকলৰ জীৱনৰ নিশ্চয়তা আছিল। যিটো কাঁড়ী পাইকসকলৰ নাছিল। গতিকে দেশৰ আইন উলঙ্ঘা কৰি হলেও কাঁড়ী পাইকবিলাকে ধনীমানুহৰ ওচৰত নিজকে বেচি দিছিল। বগল চাহাবৰ মতে ক্ষমতাশালী ডা-ডাঙৰীয়া সকলেও তেওঁলোকৰ ভাগত পৰা পাইকবিলাকক দাস কৰাৰ এই ৰজাঘৰীয়া দুৰ্ব্বলতাৰ সুযোগ লৈছিল, কাৰণ এনে কামৰ ফলত পাইকবিলাকক দাস হিচাপে পোৱাৰ উপৰিও ইহঁতৰ মাটিও তেওঁলেকৰ হাতলৈ আহিছিল।[৩৯]





আহোম যুগৰ শেষৰ ফালে ঋণ-দাস প্ৰথাৰ (debt Slavery) বহুল প্ৰচলন আছিল। সাধাৰণ প্ৰজাই প্ৰায় নিজক অনিৰ্দ্দিষ্ট কাললৈ বন্ধক দিছিল। এই মানুহবিলাক পিচলৈ বন্দীত পৰিণত হৈছিল। ইংৰাজে অসম অধিকাৰ কৰাৰ সময়ত এনেধৰণৰ কেইবা হাজাৰো বন্দী-বেটী মুকলি কৰি দিয়া হৈছিল; কিন্তু যোৱা শতিকাৰ চতুৰ্থ দশকলৈকে এই প্ৰথা চলি আছিল। যোৱা শতিকাৰ তৃতীয় দশকত অকল কামৰূপ জিলাৰ জন সংখ্যাৰ (২৭১, ৭৪৪) শতকৰা ছভাগ মানুহ আছিল দাস আৰু তিনিভাগ আছিল বন্ধা বা নিজে ইচ্ছা কৰি দাস হোৱা মানুহ।[৪০] আন আন জিলাবিলাকৰো অৱস্থা নিশ্চয় অনুৰূপ আছিল। গতিকে আহোম যুগৰ শেষৰ ফালে ৰাজ্যৰ সৰ্ব্বমুঠ জন-সংখ্যাৰ শতকৰা ৯ জন মানুহ দাস আৰু বন্ধা আছিল বুলি আমি সিদ্ধান্ত কৰিব পাৰোঁ। অন্য শ্ৰেণীৰ দাস-জাতীয় মানুহবিলাক ইয়াৰ লগত যোগ দিলে দাসৰ সৰ্ব্বমুঠ পৰিমাণ ইয়াতকৈয়ো বেচি হয়।

এতিয়া ওঠৰ শতিকাৰ মাজভাগৰ সৰ্ব্বমুঠ জনসংখ্যা আৰু শ্ৰেণীবিলাকৰ এটা পৰিমাণবোধক হিচাপ উলিয়াবলৈ যত্ন কৰা যাওক। গুণাভিৰাম বৰুৱাৰ মতে ৰাজেশ্বৰ সিংহৰ দিনত (১৭৫১-৬৯) অসমৰ জনসংখ্যা আছিল ২৪ লাখ (সূৰ্য্য ভূঞাও এইকথা মানি লৈছে)।[৪১] আমি ইতিমধ্যে হিচাপ কৰি দেখুৱাইছো যে আহোমযুগৰ শেষৰফালে দাস আৰু বন্ধাৰ সংখ্যা আছিল শতকৰা ৯ ভাগ। গৃহকন্দল আৰু ৰাজনৈতিক বিশৃঙ্খলতাৰ যুগটোত (১৭৫৯ —১৮২৫) দাসৰ পৰিমাণ বৃদ্ধি পাইছিল বুলি দাস আয়োগৰ ৰিপৰ্টৰ পৰা জনা যায়।[৪২] গতিকে ইয়াৰ কেইবছৰমান আগৰ ১৭৫০ চন মানত দাস আৰু বন্ধাৰ সংখ্যা ইয়াতকৈ কিছু কম আছিল; কিন্তু বহতীয়া, দেৱলীয়া ভকত এই সকলোকে ধৰিলে আমি আলোচনা কৰা সময়চোৱাত দাসৰ পৰিমাণ শতকৰা ৯ ভাগতকৈ কম নাছিল, বৰং ইহঁতৰ পৰিমাণ দহভাগ আছিল বুলিহে আমি ধৰিব পাৰোঁ। আমি আলোচনা কৰা সময় চোৱাৰ প্ৰায় চাৰি দশকৰ আগতে ৰুদ্ৰসিংহৰ দিনত (১৬৯৬—১৭১৪) চমুৱা ( অপাইকান চমুৱাকে ধৰি ) কাঁড়ী পাইকৰ এটা মোটামুটি অনুপাতো হিচাপ কৰি উলিয়াব পৰা যায়। গেইট্ চাহাবৰ ইংৰাজী অনুবাদৰ যোগেদি পোৱা এখন বুৰঞ্জীৰ মতে ৰুদ্ৰসিংহ ৰজাৰ পোনপটীয়া শাসন কাৰ্য্যত যোগ দিয়া ৩৬০ হেজাৰ



OKDISCD

মানুহৰ ভিতৰত ১০০ হেজাৰ মানুহ চমুৱা হোৱা বাবে তেওঁলোকক হিলৈদাৰী কামৰ পৰা ৰেহাই দিয়া হৈছিল, গতিকে বাকী ২৬০ হেজাৰ মানুহহে (কাঁড়ী পাইক) যুজৰ বাবে কাৰ্য্যক্ষম মানুহ আছিল। ৪৩ চমুৱা আৰু পাইকৰ এই অনুপাতটো ১৭৫০ চনৰ গোটেই অসম ৰাজ্যৰ বাবেও প্ৰযোজ্য বুলি ধৰি ললে ওঠৰ শতিকাৰ মাজভাগত অসমৰ সৰ্ব্বমুঠ জনসংখ্যাৰ সামাজিক শ্ৰেণীবিভাগ প্ৰায় এনেধৰণৰ হয় :

| চমুৱা ( পাইকান, অপাইকান আৰু সকলো ওখখাপৰ বিষয়াকে ধৰি ) | কাঁড়ী | বন্দী-বেটী | মুঠ জনসংখ্যা |
|---|---|---|---|
| ৫ লাখ ( ২৫% ) | ১৫·৬ লাখ (৬৫%) | ২·৪ লাখ (১০%) | ২৪ লাখ (১০০%) |

খাত-পাম চলোৱা আহোম বিষয়াসকল আৰু বিশেষ সুবিধাপ্ৰাপ্ত ব্ৰাহ্মণসকলৰ সংখ্যা আছিল সৰ্ব্বমুঠ জনসংখ্যাৰ তুলনাত তেনেই তাকৰ—মাত্ৰ শতকৰা এভাগ। সমাজৰ আটাইতকৈ ওপৰ স্তৰত থকা এই মানুহবিলাকে দেশৰ সৰহভাগ দাস আৰু খাট ভোগ কৰিছিল।

সৰ্ব্বশেষত কোৱা হব যে আমাৰ নিজা পৰিভাষাৰ ওপৰত ভিত্তি কৰি সামন্তযুগীয় অসমীয়া সমাজৰ সামাজিক অৰ্থনৈতিক লক্ষণবিলাকৰ এটা আলোচনাহে এই প্ৰবন্ধত কৰা হৈছে। জনজাতীয় সমাজৰপৰা সামন্তবাদলৈ আগবঢ়া কিছুমান লক্ষণ অন্যান্য সমাজত থকাৰ নিচিনাকৈ অসমতো নথকা নহয়। কিন্তু প্ৰবন্ধৰ বাহিৰত হোৱা বাবে এই বিষয়ৰ কোনো আলোচনা ইয়াত কৰিব পৰা নগ'ল।

**পাদটীকা :**

১। কুৰি কতিকাৰ আৰম্ভণিলৈকে বৰপেটা মৌজাৰ সমুদায় কৃষিৰ শতকৰা ৫০ ভাগ আৰু লক্ষীমপুৰ মহকুমাৰ শতকৰা ৩০ ভাগ স্থানান্তৰ কৃষি আছিল। See B. C. Allen—Assam Provincial District Gazetters, IV [Allahabad 1905] P. 199 and VIII (Calcutta 1906) P. 251. See B. H. Baden—Powell, Land system of British India, III (London/New York, 1892) P. 417-18.





২। D. D Kosambi :—An introduction to the study of Indian History (Bombay 1956) P. 291.

৩। এই তিনিওবিধ খেতিৰ ভিতৰত উনৈশ শতিকা পৰ্য্যন্ত ব্ৰহ্মপুত্ৰ উপত্যকাত অস্থায়ীভাৱে হালেৰে খেতি কৰা প্ৰথাই অধিক প্ৰচলিত আছিল, ( ১নং টোকা চাওক )। বড়ো, কছাৰী আৰু মিৰি আদি সমতলৰ জনজাতি সকলৰ মাজত কোৰেৰে খেতিৰ প্ৰথা এতিয়াও আছে। See. E. T. Dalton, Descriptive Ethnology of Bengal, (Calcutta 1872), P. 33-81. Also. B. H. Hodgson, Essays the first on the Kotch, Bodo and Dhimal tribes (Calcutta, 1847) P. 146.

৪। এই পেৰেগ্ৰাফটোৰ কাৰণে চাওক শঙ্কৰদেৱ, ভাগৱত, ষষ্ঠ অধ্যায় (৫৫৩৪-৩৫) আৰু দশম অধ্যায় (১২৯০১-০২); মহেশ্বৰ নেওগ, শ্ৰীশ্ৰীশঙ্কৰদেৱ (তৃতীয় সংস্কৰণ, গুৱাহাটী, ১৯৫৮), পৃঃ ১০-১৬ আৰু ৮০-৮১ E. Gait : A History of Assam ( 2nd Ed. Calcutta/Simla 1926 ) P. 38-40.

৫। পাৰ্ব্বত্য আদিবাসীসকলৰ পৰা আনুগত্যৰ চিনস্বৰূপে ধান-চাউল পোৱা নগৈছিল, সিহঁতে উপহাৰ দিছিল মানকচু, ঢেকীয়া, কাঠ-আলু, খৰি-খেৰ আদি শুকান জাতীয় বস্তুহে। আনহাতে সৰগৰ দেৱতাই তেওঁলোকৰ পূৰ্ব্বপুৰুষ সকলক কৃষি-কৰ্ম্ম প্ৰচাৰ কৰিবলৈ ভাৰ দি পঠিয়াইছে বুলি আহোমসকলে বিশ্বাস কৰিছিল। 'Large fields lying fallow there may be well cultivated : Golap Chandra Baruah, ed : and trans. Ahom Buranji ( Calcutta, 1930 ) P. 10-17.

৬। সূৰ্য্যকুমাৰ ভূঞা, দেওধাই অসম বুৰঞ্জী ( গুৱাহাটী, ১৯৬৫ ) পৃঃ ৮।

৭। এই সন্দৰ্ভত আহোম ৰাজবংশই হেংদাং হাতত লৈ লোহাৰ জখলাৰে স্বৰ্গৰপৰা নামি অহা উপকথাটো বিশেষভাৱে তাৎপৰ্য্যপূৰ্ণ। ব্ৰহ্মদেশৰ উত্তৰে থকা চীন দেশৰপৰা লোহাৰ সজুলিবিলাক ( যেনে নৰাদা ) অসমলৈ নিয়মিতভাৱে যোগান ধৰা হৈছিল যেন অনুমান হয়। অৱশ্যে থলুৱা ভাৱেও এইবিলাক সাজি লোৱা হৈছিল। ৰবিনচন চাহাবৰ মতে চীন



OKDISCD

দেশৰপৰা অসমলৈ পঠিওৱা খেতিৰ সা-সজুলিবিলাক আছিল 'of a superior match to that commonly produced in Assam V. Robinson : A Descriptive account of Assam (Calcutta/ London 1841) P. 35.

৮। অসমত আহোমৰ বসতি সম্পৰ্কে এখন আহোম বুৰঞ্জীত আছেঃ 'They made villages in a valley near a hill ... ... ... Khunlung & Khunlai took a view of the Country by mounting on an elephant. They divided the land between their subjects and returned to their Capital'. Ahom Buranji. P. 40.

৯। See. E. P. Leach. Political system of High land Burma (London, 1954) P. 111, 114—16.

১০। T.T. Cooper. New Routes for Commerce. the Michimi Hills 1873 reproduced from V. Elwin, India's North East frontier in the Nineteenth Century (London 1959) P. 370.

১১। Quote from R. L. Pendalton. Thailand (American Geographical Society, New York ; 1962) p. 7.

১২। Mathie's Report from Tezpur to Jenkins, 15 Feb, 1835 Brodie's Report from Nowgong to Jenkin's Nov. 15 1835 ; Jenkin's Report to Secy to the Govt. of India Revenue Department, 3 Feb, 1836—all in the Department of Historical and Antiquarian standies, Gauhati.

১৩। ibid. Also see কাশীনাথ তামুলী ফুকন; অসম বুৰঞ্জী-সাৰ (শিবসাগৰ ১৮৪৪, পুনৰ্মুদ্ৰিত গুৱাহাটী, ১৯৬৪) পৃঃ ৬২ মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত (১৬৬২ চন) মাটিৰ ওপৰত কোনো কৰ নাছিল যেন লাগে। ছিহাবুদ্দিন টালিছে লিখিছিল, It is not the custom here to take any land-tax from the cultivators ; but in every





house one man out of three has to render service to the Raja' (Fathiyya-i-ibryya, Jadunath Sarkar trans. Journal of Bihar & Orissa Research Society 1, 179—94.

১৪। Jenkin's Report 3 Feb. 1836. also note 12. )

১৫। এই পথবিলাক সমূহীয়াকৈ আৰু খৰটকীয়াকৈ কৰাব পৰাটো আহোম ৰাজত্বৰ বৈশিষ্ট্য আছিল। আনকি ইংৰাজ শাসনৰ আৰম্ভনিতো এবাৰ ৩৪টা মথাউৰি সাজিবলৈ এখন জিলাত এক লাখতকৈয়ো অধিক মানুহ কামত লাগি থোৱাৰ প্ৰমাণ আছে। Despatch from Sub Assistant Commissioner, Nowgong, to Jenkins, 28 April, 1854 ; Bengal, Review Consultation, 20 July, 1854. No. 15.

১৬। Same as note 14.

১৭। Gait, note 4, p. 170. আহোমৰ শাসন আৰু ৰাজহ ব্যৱস্থাৰ বিষয়ে চাওক, ibid p 231—46 ; S. K. Bhuyan. Anglo-Assamese Relations 1771—1826 (Gauhati, 1949) p. 7—15, 250—52 and 529—30.

১৮। J. P. Wade an account of Assam 1800 B. Sarma ed. North Lakhimpur 1927), introduction XV—XVI.

১৯। তুলনামূলক অধ্যয়নৰ বাবে চাওক, V. Thomson. Thailand, the New Series (Newyork, 1941) p. 292—93, 313, 541 & 675. V. McCulloch Account of the valley of Munnipore, selection from the records of Foreign Department, No. XXVII (Calcutta, 1859) II ; T. C. Hodson, The Meitheis (London 1908) p 65 ; C. A. Soppit, A Historical and descriptive Account of the Kachari Tribes (Shillong 1885 & 1901) P. 27 ; I Allen, Report on the Administration of the Cossyah & Jayantia Hill Territory (Calcutta, 1858). 729 Political Consultations 7, Jan. 1833, No. 82.

২০। Bhuyan note. 17 p. 19, 11.

২১। Bhuyan note 17 p. 529 & 656.

২২। দেওধাই অসম বুৰঞ্জী, সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত (গুৱাহাটী ১৯৬২) পৃষ্ঠা ২০০, এই মাটি টুকুৰা ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে থকা এটা বিৰাট অঞ্চল আছিল আৰু এই মাটিৰ বাবে গ্ৰহীতাই ৰজাক বছৰে ৮০টা চিকা ৰূপ আৰু ৪০ খন নোমৰ দলিছা দিব লাগিছিল।

২৩। তামুলি ফুকন note 13, p. 27.

২৪। Ahom Buranji note 5, p. 251.

২৫। Gait note 4. p. 184.

২৬। ৰাজেশ্বৰ সিংহৰ তামৰ ফলিখন সূৰ্য্যকুমাৰ ভূঞাই 'বাঁহী'ত প্ৰকাশ কৰিছিল (1925—26) পৃ: ৬৫০—৫৫।

২৭। Quote from Brodie Nov. 1835. also note 12.

২৮। Bogle to Jenkins Sept. 1835. Robinson. note 7. p 200

২৯। সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত অসম বুৰঞ্জী (দ্বিতীয় সংস্কৰণ, গুৱাহাটী ১৯৩০) পৃ: ৪৩ আৰু ১০।

৩০। চিহাবুদ্দিন টালিশৰ বৰ্ণনামতে See note 13, also see Mahmmad Cazim, A Description of Assam. Translated fron Persian by Henri Vansittart in Asiatic reseahes. II. (London 1801) p. 178.

৩১। Wade, note 18. introduction XV—XVI.

৩২। Ahom Buranji note 5. p 276.

৩৩। Bhuyan note 17. p 196.

৩৪। Bogle in the Report note 14 P. 258.

৩৫। Bhuyan note 17. p. 359.

৩৬। See F. Hamilton. An account of Assam first Completed in 1807—1819. (S. K. Bhuyan ed. Gauhati, 1940) p. 23—24.

৩৭। Robinson note 7. p. 203.

৩৮। Scott to Swinta in one Report note 14. p. 403.





৩৯। Robinson note 7 p. 207 and Bogle's evidence in the Report note 14. p. 358.

৪০। Robinson note 7, p, 288.

৪১। Bhuyan note 17. p. 1.

৪২। Same as note 38.

৪৩। Wade, note 18. p. 132.

৪৪। ১৮৭২ চনত অসমত আহোমৰ জনসংখ্যা আছিল শতকৰা ৯ ভাগ আৰু ব্ৰাহ্মণ দৈৱজ্ঞৰ (গণক) আছিল শতকৰা ৪ ভাগ। ১৮৯১ চনত অকল ব্ৰাহ্মণৰ সংখ্যা আছিল শতকৰা ৩৩ ভাগ। ১৭৫০ চনতো মোটামুটি এনে এটা অনুপাতেই আছিল বুলি আমি অনুমান কৰিব পাৰোঁ।। অৱশ্যে আমি মনত ৰখা উচিত যে মুঠ জনসংখ্যাৰ মাথোন এভাগ মানুহে এই দেশ শাসন কৰিছিল। বেছিভাগ আহোমেই আছিল কাড়ী পাইক পৰ্য্যায়ৰ, আনহাতে বেছিভাগ ব্ৰাহ্মণ আছিল খেলযুক্ত অপাইকান চমুৱা পৰ্য্যায়ৰ।

নিবেদন

প্ৰথম সংখ্যাৰপৰা তালিকাভুক্ত গ্ৰাহক সকলৰ বৰঙণি বিশেষ বাৰ্ষিক সংখ্যাৰ লগে লগে শেষ হ'ল। তেখেতসকলক নতুন বছৰৰ বৰঙণি অতি সোনকালে পঠাবলৈ অনুৰোধ জনালো। দ্বিতীয় বছৰ প্ৰথম সংখ্যা প্ৰকাশৰ আগে আগে (নবেম্বৰ) বৰঙণি পালেহে কপি পঠাব পৰা হ'ব।

অবৈতনিক সঞ্চালক
নতুন পৃথিৱী কাৰ্য্যালয়
১৬, বিশ্ববিদ্যালয় চৌহদ
গুৱাহাটী—১৪



OKDISCD

# বোৰ্তী স্মৃতি

মুকুট ভট্টাচাৰ্য্য

## এক

মা জনীৰ লগত ৰাধা স্কুললৈ ওলাই গ'ল। তাহাঁত নেদেখা নোহোৱালৈকে ৰবীন মিষ্ট্ৰীয়ে তন্ময়হৈ চাই থাকিল। তাৰ পাছত লাহেকৈ দুৱাৰখন জপাই ভিতৰত সোমাল। আবেলি ৰাধাহঁত ঘূৰি নহালৈকে তাৰ অখণ্ড অৱসৰ। 'ৰাধা চাইকেল মাৰ্ট'ৰ কামো দুদিনহে চলে—পোন্ধৰ দিনৰ মূৰৰ শনিবাৰ আৰু আৰু প্ৰতিটো ৰবিবাৰ। পোন্ধৰ দিনৰ মূৰত শনিবাৰে ওচৰৰ বাগিচাত দৰ্মহ। বজাৰ বহা বাবে চাইকেল মেৰামতিৰ কাম হয়। ৰবিবাৰে হাটখোলাত সপ্তাহিক বজাৰ বহাৰ বাবে কিছু কাম আছে। কেতিয়াবা দুই এখন চাইকেল সম্পূৰ্ণ 'অয়লিং' কৰাৰ কামো সি পায়। তেতিয়া মাজৰ দিনতো অলপ অচৰপ খাটিবলগীয়া হয়। খুলশালীয়েক বীৰেন থকা দিনকেইটাৰ কথা অৱশ্যে সুকীয়া—তাৰ লগত আলচ কৰি থাঁকোতেই ৰাধাহঁত স্কুলৰ পৰা পায়হি।

আজি হাতত তেনে কোনো কাম নাই। কথা-বতৰা পাতি সময় কটাব-লৈও কোনো অহা নাই।...সি ভিতৰলৈ সোমাই আহিল। ভাবিলে—অকণ মান বিচনাতে বাগৰোঁ। জিৰণি নোলোৱাকৈ জীৱনত বহুত দিনেই কাম কৰিলে। হাতত কাম-কাজ নাথাকিলে অৱশ্যে ভাগৰেও জুমুৰি দি ধৰেহি।

বিচনাত পৰিলতো তাৰ টোপনি নধৰিল। কিন্তু এটা সময়ত এনেকৈ সময় কটাবলৈ বিচনাত বাগৰ দিয়াটো দূৰৈৰ কথা—গোটেই নিশা উজাগৰে কটালেও দিনত শোৱা-পাটীৰ লগত দেখা-দেখি নাথাকে। তেতিয়া তাৰ সময়ৰ অতিপাত অকুলন—এতিয়া কিন্তু সময় নাযায় নুপুৱায়। জীৱনৰ মূল্যৱান সময়বোৰৰ জানো সি সদ্ব্যৱহাৰ কৰা নাই?

কমটো বিকাৰতনো সি সৰুৰে পৰা ডাঙৰ হোৱা ঘৰখনৰ পৰা দোভাগ ৰাতি পলাই আহিব লগা হ'ল। যিখন ঘৰত সকলো ফালে কেৱল নাই,





নাই আৰু নাই, সেইখন ঘৰত মানুহ থাকিব কেনেকৈ? ইয়াত পঢ়া-শুনাও নহয়। সি আৰু ঘৰত থাকিব নোৱাৰিলে।

ঘৰৰ এনে পৰিবেশতো মাকৰ পৰা পোৱা সঁচা মৰমৰ কথা সি আজিও পাহৰিব পৰা নাই। আজি প্ৰায় দুকুৰি বছৰ পাৰ হৈ গলেও কথাবোৰ তাৰ কালি পৰহি ঘটা যেনহে লাগে। ঘৰ-ঘৰুৱাহৰ মুখ ছিৰি ঘৰৰ গাখীৰকণ দোকানত বেচিবলৈ তাৰ হাতত দি পঠোৱাৰ সময়ত হোৱা মাকৰ হৃদয় বেদনাৰ বতৰা সি তেতিয়াই পাইছিল। এইবোৰ ছবি তাৰ মনৰ পৰ্দাৰ পৰা কাহানিও মচা নাযায়।

অভাৱৰ তাড়নাত অতীষ্ঠ হৈ জীৱনৰ এটা গতি লগোৱাৰ ইচ্ছাৰে সি যোৰহাট পালেহি। দুদিনমান নাখাই-নবই অনাই বনাই ফুৰাৰ পাছত এটা মটৰ গেৰেজত যোগালিৰ চাকৰি ঠিক হ'ল।

মটৰ মেৰামতিৰ কামৰ ওপৰত নিৰ্ভৰ কৰি চলিব পৰাকৈ গেৰেজৰ মালিকে কাম নাপায়। সেয়ে তেওঁ নিজৰ পুৰণি ভেনেটখনেৰে অ'ত ত'ত ভাৰা মাৰি ফুৰে। তাৰ নাম ৰবীন যদিও গেৰেজৰ মালিকে তাক নিজাকৈ এটা নাম দি ললে—'পোৱালি'। তাৰ নিচিনা দাড়ি-গোফ নগজা চেঙেলীয়া যোগালি এটাৰ এয়া উপযুক্ত নাম। তাৰ সুদৰ্শন চেহেৰাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। খোৱা-বোৱাৰ অশান্তিৰ বাবে তাৰ মুখলৈ মলিনতা আহিলেও ইয়াত নিয়মীয়াকৈ খাবলৈ পাই জেউতি চৰিল। ৰেন্স, বল্টু, হাতুৰীৰ লগত মিতিৰালি পাতি তাৰ মাংস পেশীবোৰো সবল হ'ল।

মালিকে মাজে সময়ে তাক দুই এটকা বকচিচ্ দিয়ে। কাম শিকিবলৈ অহা নতুন মানুহক নিয়মীয়াকৈ দৰ্মহা দিয়াৰ প্ৰশ্ন নুঠে। কেৱল খোৱাটো দিয়া হয়। বক্চিচৰ টকাৰে সি প্ৰয়োজনীয় গেঞ্জি,, গামোছা আন্দাৰওৱেৰ আদি কিনিছিল। কামিজ কিনাৰ প্ৰয়োজনবোধ সি নকৰিছিল—কিয়নো গেৰেজত থকা সময়ত সি প্ৰায়েই সুদাগাৰে অথবা গেঞ্জি পিন্ধিয়েই থাকিছিল। কেনিবা ওলাই যাব লগীয়া হলেহে গাত কামিজ সুমুৱাইছিল আৰু তাৰ বাবে ঘৰৰপৰা অনা কামিজ দুটাই যথেষ্ট। এটা বছৰ তাৰ সুকলমেই কাটিলে। ইতিমধ্যে সি গাড়ী মেৰামতিৰ কামো কিছু আয়ত্ব কৰিলে। অলপ পঢ়া-শুনা থকা অথবা তাৰ বুদ্ধিৰ প্ৰখৰতাৰ বাবেই সি সহজে গাড়ীৰ কামত



OKDISCD

পাৰদৰ্শিতা দেখুৱাব পাৰিছিল। মালিকেও তাক বেচ মৰম কৰা হ'ল।

এদিনাখন ভয়ংকৰ গোঁফ থকা, দেখিলেই ভয় ভয় লগা কেজনমান মানুহ তাহাঁতৰ গেৰেজলৈ আহিল আৰু মালিকৰ লগত কথা বতৰা হৈ ৰাতি দুই মান বজাত গাড়ী ভাড়ালৈ বিচাৰিলে। মালিক মান্তি হৈ গ'ল—তেতিয়া তেওঁৰ টকাৰ সাংঘাতিক প্ৰয়োজন।

তেতিয়া দ্বিতীয় মহাযুদ্ধৰ অন্ত পৰিছে। মিলিটাৰিৰ দ্বাৰা পৰিত্যক্ত, চহৰৰ কাষৰ এয়াৰ ফিল্ডথনত সিহঁত কেয়োটা ৰাতি প্ৰায় আঢ়ৈমান বজাত উপস্থিত হ'লগৈ। পহৰাদাৰীৰ চকুত ধূলি দি তাহাঁতে এটা জীপগাড়ীৰ ইঞ্জিন খুলিলে। সামূহিক প্ৰচেষ্টাত এঘণ্টাৰ ভিতৰতে তাহাঁতে ইঞ্জিনটো বাহিৰ কৰি আনি ভেনেটথনত তুলিলেহি। তলত পৰি বণ্টু আদি খোলা কামথিনিৰ সৰহভাগ ৰবীনেই কৰিব লগীয়া হ'ল। গাড়ীখন ৰাজআলিত তুলি সকলো ঠিক আছে নে চাবৰ কাৰণে দুজনমান নামিল। মশাল জলাই এজাক মানুহ তাহাঁতৰ ফালে আগবাঢ়ি অহা দেখিবলৈ পালে। প্ৰত্যেকৰে হাতত দীঘল দীঘল দা। ৰবীনৰ বুকুখন চিৰিংকৈ উঠিল। আটাইকেইজন লৰালৰিকৈ গাড়ীত উঠাৰ লগে লগে মালিকে তুৰন্ত গতিত গাড়ী এৰি দিলে। মানুহজাকেও বিশ্বাশবদে কিছুদূৰ পাছে পাছে চোঁচা ললে। গাড়ীৰ গতিবেগ বাঢ়ি যোৱাত এটা সময়ত সিহঁত অদৃশ্য হৈ পৰিল। তাৰ পিঠিত চপৰিয়াই বিকৃত চেহেৰাৰ সংগী এজনে কলে: কি হ'ল পোৱালি, ভয় লাগিছে নেকি? এতিয়া আৰু ভয় নাই—সিহঁত বহুত দূৰৈত ৰৈ গৈছে।

সি সুধিলে: মালিক, সিহঁতনো কোন?

: আবে, সিহঁতক নিচিন? ওচৰৰ চাউদাং বস্তিৰ মানুহ। তাহাঁতে এই চৰকাৰী সম্পত্তিবোৰ নিজৰ বুলি ধৰি লৈছে। মানে, এটা সময়ত মালিক যেন সিহঁতেই হবগৈ। আমি লৈ যোৱাটো সহিব নোৱাৰে। আজি লগ পোৱা হলে আমাক চবকে কচুকটা দিলে হয়।

কথাটোৰ একো উৰাদিহ নাপাই সি মনে মনে থাকিল। চহৰৰ গুদাম এটাত গাড়ী ৰখাই তাহাঁতে ইঞ্জিনটো নমাই নিজ নিজ ঠাইলৈ গুচি গ'ল।

পাছদিনা চ'কবজাৰ হোটেল এটাৰ পাছফালৰ কোঠা এটাত গোটেইকেজন





আকৌ গোট খালেহি। মালিকৰ লগতে তাকো তালৈ মাতিছিল। সি সোমাই নগৈ গাড়ীতে ৰ'ল। মালিক ভিতৰ সোমাল। এনেতে সিফালৰপৰা তাৰ নতুন চিনাকি আহ্মেদ্ ওলালহি। : এই পোৱালি! এইচৰ কাৰ লগ লাগিছ? কেতিয়াবা জান খতম্ হৈ যাব দেই।

: কি কথা? মই মালিকৰ নোকৰিহে কৰিছো। কালি ৰাতি ভাৰা মাৰিবলৈ গৈছিলো—তাৰে পইচা দিওঁ বুলি আজি মাতি আহিছে।

: তই গাৱঁৰ ল'ৰা, কি বুজিবি? ইহঁত চব ডকাইত। চাৰা দুনিয়াত কাণি আৰু চোৰাং মালৰ ব্যৱসা কৰে। পুলিচে পাকড়ালে তইহে মৰিবি। ইহঁতৰ কাৰো একো নহয়। ডাঙৰ ডাঙৰ চাহাব চবৰ লগত দোস্তী বনাই লৈছে।

মালিক ঘূৰি আহিলত সি আঁতৰি গ'ল। মালিকে তাক কলে—

: তোক ভিতৰলৈ মাতিছে—অলপ বকচিচ্ দিব বোলে।

তেতিয়া পৃথিৱীখন আন্ধাৰে আৱৰি ধৰিছে। ভিতৰলৈ যাবলৈ তাৰ কিবা ভয় ভয় লাগিল। তথাপি সি সাহসত ভৰ দি ভিতৰলৈ সোমাল। ভিতৰত কেয়োটাই তামাম মদ খাইছে। সি গৈ পোৱাৰ লগে লগে এটাই তাক টানমাৰি কাষলৈ ছপাই গালত এটা চুমা খাই কলে: কামাল কৰি দিলি বেটা, কিমান বকচিচ্ লাগিব ক? অবাক বিস্ময়ত তাৰ মুখৰ মাত হৰিল। মনটো বৰ কিবাকিবি লাগিল। অলপ আগতে আহ্মেদ কোৱা কথাখিনি মনত পৰিল।

দহটকীয়া নোট তিনিখন উলিয়াই মানুহটোৱে কলে: হোঁ .....আমাৰ লগত ঠিকমতে কাম কৰিলে আৰু পাবি। আজি ৰাতিও যাব লাগিব। সি টকা লবলৈ হাত মেলোতেই আন এটাই গৰ্জি উঠিল: এই বুৰ্বক, ত্ৰিশটকা এটা কিবা বকচিচ্ হ'ল নেকি? একশ দে—নতুন আদ্মি মন খুচি নহলে তোৰ লগত মৰিব আহিব কিয়? বছ···ত্ৰিশটকা দিব খোজাটো একদম জ্বলি গ'ল: এই চুৰৰ, কি হাল্লা মিচাইছ—ত্ৰিশটকা কি বকচিচ্ নহয়? কাৰ ওপৰত কথা কৈছ? আজি তোৰ জান শেষ নকৰো যদি·········

সেইটোৱে কঁকালৰপৰা গুপ্তি এখন উলিয়াই তালৈ মাৰিলেই। আন এটাই ধৰাতহে ডেগাৰখন বুকুত নোসোমাই পিচলি গ'ল। ৰবীন নিৰুপায়। তাৰ পলাবলৈও বাট নাই। আঁতৰত বহি মদ খাই থকা দৈত্য যেন মানুহটোৱে

এইফালে চোৰাৰ লগে লগে সকলো নিমাত হ'ল। আৰু পঞ্চাশটা টকা সি তাৰ ফালে দলিয়াই দিলে। গোটেইখিনি দুভাগকৈ কোনোবা এটাই তাৰ জেপত গুজি দিলে। সি প্ৰায় দৌৰাৰ দৰেই কোঠাটোৰপৰা ওলাই আহিল। তাক অহা দেখিয়েই মালিকে গাড়ী ষ্টাৰ্ট দিলে। সচৰাচৰ সি পাছফালে বহিলেও সেইদিনা মালিকে আগফালৰ দুৱাৰখন খুলি তাক কাষতে বহুৱাই ললে। তেওঁৰ চকুৰে মুখে প্ৰসন্নতাৰ চিন। সি ভাবিলে—টকা চাগৈ বাৰুকৈয়ে পাব পায়। গাড়ীত গৈ থাকোতে মালিকে ক'লে: তাহাঁতক বোলে আজি ৰাতিও গাড়ী লাগে। মোৰ ঘৰত অলপ অসুবিধা। তয়ে যাবি। গাড়ী সিহঁতেই চলায় নিম বুলি কৈছে—তয়োতো পাৰেই।

সি একো কব নোৱাৰিলে। মালিকে হয়তো সি তেওঁৰ প্ৰস্তাব মানি লোৱা বুলিয়েই ভাবিলে। গাড়ীখন গেৰেজত ভৰাই সি ক'লে: মই অলপ বজাৰৰপৰা আহোঁগৈ বুলিছো!

মালিকে সুধিলে: কি হ'ল—চিনেমা চাবি নেকি?

: চাব পাৰো।

ৰবীন কোবাকুবিকৈ আহি আহ্‌মেদৰ ঘৰ সোমালহি।

: আহ্‌মেদ কাইটি, মই এতিয়া কি কৰিম? বৰ ভয় লাগিছে।

: জানলৈ দৰ আছে যদি ইয়াৰপৰা পলা। নহলে কেতিয়াবা মৰিবি। সাউৎকৈ তাৰ ডিগবৈত থকা সম্বন্ধীয়া ককায়েকটোৰ কথা মনত পৰিল। ফুটাই ক'লে: তিনচুকীয়াৰ ফালে যোৱা গাড়ী কেইটাত?

: মেইলখন এতিয়া ৮½ বজাত মৰিয়নি পাবহি। তই এতিয়াই গলে পাবিগৈ। পিছে তোৰ ঘৰ কৰবাত গাৱঁতহে বুলিছিল তিনচুকীয়ালৈ যাব কেলেই?

: ডিগবৈত মোৰ এজন সম্বন্ধীয়া দাদা থাকে। তেল কোম্পানীত কিবা চাকৰি-তাকৰিও পাই যাব পাৰো, তালৈকে যাওঁ।

: মালিকক কৈ আহিছ নেকি?

: তুমিয়েই খবৰটো দি দিবা। মই ওলালেগৈ মালিকে ক'ত আহিবলৈ দিব। এতিয়া তেওঁৰ ডাঙৰ চিকাৰ যুতিছে।

: তোৰ বস্তুবোৰ?

: বস্তুনো কিটো আছে? ফটা মোনা এখন আৰু গেঞ্জি, আন্দাৰপেণ্ট





দুটামান, মোৰ হাতত টকা আছে। ভাল কাপোৰ এজোৰ তিনচুকীয়াতে কিনি লমগৈ। ......তুমি মোক ষ্টেচনত থৈ আহিব পাৰিবা নেকি? অকলে ওলায় যাবলৈকে দেখোন কিবা ভয় ভয় লাগিছে।

: ঠিক আছে—থৈ আহিম বাৰু। ভাড়া কিন্তু তই দিব লাগিব। মোৰ হাতত পইচা নাই।

: ব'লা, ভাৰাতো মই দিমেই।

তাহাঁত আহি মৰিয়নি ষ্টেচন পাওঁতে মেইলখন ৰৈছিলহি। ৰবীনে ল'ৰালৰিকৈ টিকেট কাটিলে। তৃতীয় শ্ৰেণীৰ দবা এটাত উঠি সি আহ্‌মেদক টকা পাঁচটা দিলে। প্ৰথমতে সি পাঁচটকা লবলৈ মান্তি নহৈছিল—ঘূৰি যোৱা ভাড়াটোহে ৰাখিব খুজিছিল। ৰবীনে জোৰ কৰাত লৈ থলে।

শেষনিশা ৰবীন আহি তিনচুকীয়া পালেহি। ডিগবৈলৈ যোৱা গাড়ী ৭ বজাত। ঢলপুৱা মুখহাত ধুই ষ্টেচনতে চাহ একাপ খাই সি কাপোৰৰ বজাৰৰ ফালে গ'ল। তেতিয়া দোকান দুই এখনহে খুলিছে। এখন দোকানৰপৰা সি পেণ্ট-চোলা এজোৰ কিনি পিন্ধি ললে। তেতিয়াও তাৰ হাতত কিছু বেচি পইচা ৰোৱাত চেন্দেল এজোৰো কিনিলে। তাৰপাছত টিকেট কাটি ডিগবৈ অভিমুখী গাড়ীত উঠিল।

## দুই

ৰেলৰপৰা নামি বিচাৰি বিচাৰি ককায়েকৰ ঘৰ উলিয়াওঁতে প্ৰায় দুই বাজিছিল। ককায়েক তেতিয়াও ডিউটিৰপৰা আহি পোৱাহি নাই। বৌৱেকৰ লগত তাৰ বৰ ভাল পৰিচয় নাছিল। ন-কইনা হৈ থাকোঁতেই দেখিছিল যদিও তেওঁ পাহৰি পেলালে। চিনাকি দিলত মাতি নি ভিতৰত বহুৱালে। বৰ বেচি সময় বহিবলগীয়া নহ'ল—ককায়েক আহি পালেহি। আহি পায়ে ককায়েকে তাক দেখি গৰ্জ্জি উঠিল: এই, তই পঢ়াশুনা এৰি ক'ত অনাই বনাই ফুৰিছ? ইফালে মাৰৰ চিন্তাত চকুৰ টোপনি নাই।

মৃদু প্ৰতিবাদৰ সুৰত ঘৰত পঢ়াৰ খৰচ যোগাব নোৱাৰাৰ কথা কল'ত ককায়েকৰ খং দুগুণে চৰিল: খৰচ যোগাব নোৱাৰা হ'ল—ইস বৰ কথা



OKDISCD

কৰবলৈ আহিছ। ঘৰৰ ভাত খাই গাৱঁৰ স্কুলত পঢ়িবলৈ কেইলাখ টকা বা খৰচ লাগে? ডেকাহঁত পঢ়া শুনাত মন নবহা হ'ল—তাকে নকৈ কিহৰ এইখন ফাকতি-ফুকুতা জুৰিবলৈ আহিছ?

সি ককায়েকক কেনেকৈ কব যে আজিকালি তাহাঁতৰ ঘৰত নিয়মীয়াকৈ ভাত দুসাজ খাবলৈকে নাই। দূৰসম্পৰ্কীয় ককায়েকটোৰ আগত নিজৰ দৈন্যৰ কথা ইমান খোলোচাকৈ কবলৈ তাৰ আত্মসন্মানত লাগিল। একো নামাতি সি মৌন হৈ ৰ'ল। উপদেশৰ সুৰত ককায়েকে কৈ গ'ল: আমি কেনেকৈ পঢ়িছিলো! আমাকনো কোনে মাহে মাহে টকাৰ যোগান ধৰিছিল? আচলতে মন, বুইছ মন। মন থাকিলেই সকলো হয়। পণ্ডিতে 'যতে ইচ্ছা ততে বাট' বুলি এনেয়ে কৈ গৈছেনে? ফিজৰ টকা কেইটা বাৰীৰ তামোল-পাণ বেচিলেও ওলায়। মাৰে মৰম কৰি কৰি তহঁতক গুচালে। এতিয়া সেই মৰমৰ গুণ দিছ নহয়—মাৰলৈ খবৰ এটাও আজি অতদিনে দিবলৈ মনত পৰা নাই।

কিছু সময় নীতি বচন শুনাই ককায়েক ভিতৰ সোমাল। ভিতৰত বৌৱেকে কোৱা শুনিলে—ল'ৰাটো আহি স্থিতি দিছেহিহে, তাকনো এতিয়াই ইমানকৈ দপদপাব লাগেনে! আজি কালিতো আৰু আপোনালোকৰ দিনৰ দৰে সৰল সহজ দিন নাই। ককায়েকে ভেকাহি মাৰি ক'লে: মনে মনে থাকা, মোক জ্ঞান দিব নালাগে। তোমালোক তিৰোতা মানুহবোৰেই মৰম কৰি কৰি ল'ৰা ছোৱালীবোৰ নষ্ট কৰা।

কি কৰিব কি নকৰিব একো স্থিৰ কৰিব নোৱাৰি সি ভালে সময় ড্ৰইং ৰুমতে থিয়হৈ থাকিল। এনেতে বৌৱেকে ধুতি-গামোছা দি তাক মুখ-হাত ধুবলৈ কলেহি, সি কলে: বৌদেউ, মই গাকে ধোৱা নাই—পানী আছে যদি মই গাটোকে তিয়াই লওঁ। বৌৱেকে কলে: বাথৰুমতে পানী আছে—ধোৱাঁগৈ।

বৌৱেকে তাক ভাত খাব নেকি বুলিও সুধিছিল। সি কলে যে এতিয়া অসময়ত আৰু ভাত নাখায়, একেবাৰে ৰাতিৰ সাজহে খাব। চাহ-তাহ কিবা এটা হলেই হয়। বৌৱেকে ককাই, ভাই দুয়োকে পাকঘৰত চাহ দিলে। কোনেও মুখেৰে একো নামতি একান্ত মনে চাহ খালে। তাৰ বৰ ভাগৰ লাগিছিল—টোপনিত চকুহাল যেন মুদখাই যাব। লৰালৰিকৈ চাহজলপান





খাই সি বাহিৰৰ কোঠালৈ ওলাই আহিল। তামোল দিবলৈ আহি বৌৱেকে সুধিলে: তোমাৰ টোপনি ধৰিছে যেন পাইছো—অকণমান কাটি হেঁৱা যদি বিচনা কৰি দিওঁ। সি সন্মতি জনোৱাত বাহিৰৰ পালেংখনতে তাৰ বাবে বিচনা কৰি দিলে। বিশেষ কথা নহৈ সি লগে লগে শুই পৰিল আৰু টোপনি গ'ল।

কমদিনৰ ভিতৰতে সি বৌৱেকৰ ওচৰত সহজ হৈ পৰিল। এনেয়ে থাকিবলৈ ভাল নলগা দেখি বৌৱেকক সি প্ৰতিটো কামতে সহায় কৰি যাবলৈ ধৰিলে। প্ৰথমৰ পৰাই তাৰ ককায়েকতকৈও বৌৱেকককহে ভাল লাগিছিল। বৌৱেকে মৰম কৰা দেখি ককায়েকেও তাক আৰু নবকা হ'ল।

এটা সময়ত সি ঘৰখনৰ গোটেইখিনি কামেই কৰিবলৈ ললে। ককায়েক বৌৱেক কেনিবা ফুৰিবলৈ বা চিনেমা আদি চাবলৈ গ'লে সি ভাত পানী সকলো ৰান্ধি থয়। চাকৰিৰ কথা এদিন নে দুদিন সি ককায়েকক কৈছিল। কিন্তু বিশেষ ব্যস্ততা নেদেখুৱাই তেওঁ উত্তৰ দিলে: থাকচোন বাৰু দুদিনমান মই চিন্তা কৰি আছো। চাকৰি বুলিলেই চাকৰি পায় জানো?

ইতিমধ্যে বৌৱেক তাৰে কোনোবা এখন স্কুলত মাষ্টৰণী কামত সোমাল। তেতিয়াৰপৰা সি ঘৰৰ কামত ইমান ব্যস্তহৈ পৰিব লগা হ'ল যে নিজৰ কথা ভাবিবলৈকে সময় নাথাকে। অৱশ্যে তেতিয়াৰপৰা ককায়েক বৌৱেকৰ তাৰ প্ৰতি মৰমো বাঢ়িল। মাজে মাজে উপযাচিয়েই দুয়ো বেলেগে বেলেগে তাক চিনেমা চাবলৈ পইচা দিয়ে। নিজৰ ভবিষ্যতৰ কথা ভাবি মাজে মাজে সি সংকিত হ'লেও তাৰ কৰিব পৰা একো বিচাৰি পোৱা নাছিল। সেয়ে সি গতানুগতিক ভাবে দিন পাৰ কৰিছিল।

মাজে সময়ে সি কোম্পানীৰ ড্ৰাইভাৰ সিঙৰ লগত তিনচুকীয়ালৈ চিনেমা চাবলৈ যায়। এদিন হঠাতে তাহাঁতৰ, ওচৰৰ জবেদালি ঠিকাদাৰৰ ল'ৰা আবেদালিক লগ পালে। কুশল মংগল সোধাৰ পাছত ৰবীনে আজি কালি কি কৰে সি জানিব খুজিলে।

উত্তৰত সি কলে: কি কৰিবি? চাকৰি বাকৰি একোকে নাপাওঁচোন। দুদিনমান যোৰহাটত কিবা এটা কৰিছিলো—এতিয়া ভাত ৰান্ধনি বুলিয়েই ধৰিব পাৰ! তই পিছে কি কৰ?



OKDISCD

সি কলে : বাবাজানৰ কাজটোকে কোনো ৰকম চলাই আছো। মানে সেই বাগান বাগান চূণ-কামৰ ঠিকা। চাহাবৰ ভাষাত ‘হোৱাইট ওৱাচ’। বছৰ দিনত মাত্র ৩/৪ মাহ কাম চলে। বাকী দিন এনেয়ে থাকিব লগা হয়।

ঃ তেতিয়াতো বৰ মজাৰ কাম ভাই। ৩।৪ মাহ কাম কৰিয়েই যদি বছৰ দিনৰ কামাই কৰিব পাৰি সেইটো বৰ আৰামৰ কাম।

ঃ আৰাম নহয় ভাইজান, হাৰামহে। তৱে কেতিয়াবা আল্লাই ৰহম্ কৰিলে বছৰ দিনতকৈ বেচিও ইন্কম হৈ যাব পাৰে।

ঃ আচ্ছা ভাই,—তোৰ লগত মোৰ কামৰ সুবিধা কৰি দিবি ?

ঃ দিব পাৰো—কিন্তু মোৰ নিচিনা কষ্টৰ কাম তই কৰিবি জানো ?

ঃ তই কি কৈছ ? ভাত ৰান্ধনি কামতকৈ তেনে কষ্টৰ কাম কৰা বহুত ভাল। কপালত থাকিলে কিজানি উন্নতি হয়েই।

: ঠিক আছে—তই কেতিয়াৰ পৰা কামত ধৰিবি ?

ঃ তই যেতিয়াই কৱ।

: মই আজি ইয়াতে থাকিম ; কালি যাম। তই কালি আহিব পাৰিবি ?

ঃ পাৰিম।

সেইদিনা ঘূৰি গৈয়ে সি বৌৱেক ককায়েক দুয়োকে শুনাই কলে যে সি ঘৰলৈ যাব খোজে। কথাশুনি ককায়েকে দপদপাই উঠিল ঃ ঘৰৰ কথা কৈ আকৌ কোনোবা ফালে ফাইটং মাৰিব খুজিছ হবলা ? ইয়াকে বোলে ‘তপত ভাতৰ ধোঁৱাই ধৰা’। আৰামত ইয়াত খাই বৈ আছিলি আকৌ কলৈ যাবৰ হ’ল ? সি দৃঢ়স্বৰে মিছা মাতি গ’ল ঃ সচাকৈ ককাইদেউ, মই ঘৰলৈকে যাওঁ। আজি ইমান দিনে ইয়াত একো নহলেই পাৰিলে কৰবাত চাহ-বাগিছাতে চেষ্টা কৰি চাওঁ। ককায়েকে কিবা এটা কব খোজোতেই বৌৱেকে কলেহি ঃ এওঁ, যাব খুজিছে যেতিয়া জোৰ কৰিছে কিয় ?…তুমি কেতিয়া মানে যোৱাৰ কথা ভাবিছা ?

ঃ কালিলৈকে যাওঁ বুলিছো, বৌদেউ,

ঃ ঠিক আছে, যাবা। মোৰতো এতিয়া স্কুল বন্ধই, সিমান অসুবিধা নহয়। বন্ধ খোলে মানে আমি কিবা এটা ব্যৱস্থা কৰি লব পাৰিম।…আমালৈ একেবাৰে পাহৰি নাযাবা আকৌ……মন গলে গুচি আহিবা। সি একো নকলে। মনতে ভাবিলে—সিতো আকৌ ঘূৰি আহিবলৈ যাব খোজা নাই !





## তিনি

পাছ দিনা পুৱাই আহি সি তিনচুকীয়াত আবেদালিক লগ ধৰিলেহি। দুয়ো একেলগে চূণ, ৰং আদি কিনিলে। সেইদিনাই আবেলি দুয়ো কৰ্মস্থলিলৈ যাত্রা কৰিলে।

আবেদালিয়ে বাগানৰ ঘৰ, শিৰিষ গছ আদিত চূণ দিয়া কামৰ ঠিকা লৈছে। লগত কেইজনমান কাম কৰা মানুহ আছে যদিও সিও লগে লগে কাম কৰে। এনেকৈ কৰিলে লগৰ কাম্লা কেটাই ফাঁকিও দিব নোৱাৰে আৰু লাভো বাঢ়ে। প্ৰথমদিনা ৰবীনে এনেয়ে চাই-চিতি কটালে। পাছ দিনাৰ পৰা সিও কামত লাগিল। কেইদিনমানৰ ভিতৰতে সি চূণ দিয়া কামত পাৰ্গত হৈ উঠিল। আবেদালিয়ে তাক লাভৰ ⅓ দিবলৈ ৰাজী হ’ল। তাহাঁতৰ বাবে বাগানতে এটা অস্থায়ী ঘৰ সাজি দিয়া হৈছিল। বজাৰ সমাৰ দুয়োটাই একেলগে কৰিলেও বেলেগে ৰান্ধি খায়। তাহাঁতৰ উপাৰ্জন মোটামুটি ভালেই। দুই তিনি মাহ মান কাম চলাৰ পাছত অৱসৰৰ সময় আহিল। খৰচ-বৰচ বাদ দি সি নগদ পঁাচশ টকা পালে। টকা-পইচা লৈ সি ঘৰৰ পৰা অহাৰ সিদ্ধান্ত কৰিলে। বাৰিষা দিন কেইটা ঘৰত থাকি খৰালিৰ লগে লগে লগ লাগিবহি।

সি গৈ ঘৰ পাওঁতে মাকৰ শৰীৰৰ অৱস্থা অতি বেয়া। টকা পইচা খৰচ কৰি সি ডাক্তৰ কবিৰাজ লগাই পাৰ্য্যমানে চিকিৎসা কৰালতো একো ফল নধৰিলে। ককায়েকহঁতে তাৰ ওপৰতে তৰ্জন গৰ্জন কৰিলে। সি ঘৰৰ পৰা পলাই যোৱাৰ বাবেহে বোলে মাকৰ এনে অৱস্থা হ’ল। গতিকে সিয়েই জগৰীয়া। সকলো নীৰৱে সহি সি মাকৰ শুশ্ৰূষাতে ব্যস্ত থাকিল। কিন্তু একোৱেই কাম নিদিলে। মায়া-মমতাৰ বান্ধোন ছিডি মাকে এদিন চিৰবিদায় ললে। তাৰ বুকু ভাগি গ’ল। অবুজন ককায়েক কিজনে তেতিয়াও তাৰ ওপৰত দোষাৰোপ কৰিবলৈ নেৰিলে। সাতে সোতৰই সেইখন ঘৰত থাকিব পৰাৰ মানসিক অৱস্থা তাৰ সমূলি নোহোৱা হ’ল। মাকৰ শৰাধ শেষ কৰি সি সোনকালেই আবেদালিৰ তালৈ ঘূৰি আহিল। তেতিয়া আবেদালিয়ে বাগিচাৰ জংঘল কটা কাম আৰম্ভ কৰিছে। চূণ দিয়া কামলৈ তেতিয়াও



OKDISCD

কিছুদিন বাকী।...ৰবীনৰ মাক ঢুকুৱাৰ খবৰ জানি আবেদালিয়েও বৰ দুঃখ পালে। ককায়েকহঁতৰ কৰ্কথনাবোৰৰ কথা সুঁৱৰি ৰবীন একেবাৰে ভাগি পৰিল। কথাবোৰ ভাবোতে ভাবোতে নিজকে সি সঁচাসঁচিকৈ দোষী বুলি ঠিৰাং কৰিলে। মাকলৈ মনত পৰি ৰাতি প্ৰায়েই টোপনি নধৰে। মাকৰ ছবি মনলৈ অনা লৰালিৰ প্ৰতিটো খুটি-নাটি কথাই তাৰ মনত তোলপাৰ লগায়।

মনৰ অশান্তি আৰু খোৱা-বোৱাৰ অনিয়মৰ বাবে তাক সান্নিপাত জ্বৰে পালে। আবেদালিয়ে দেহে-কেহে লগা বাবেহে সি নমৰিল। জ্বৰৰ কেইদিন সি ফলমূল আৰু পাউৰুটি খায়েই আছিল। জ্বৰ এৰি গাটো সামান্য ভাল হলত তাৰ বৰকৈ ভাত খাবৰ মন গ'ল। কিন্তু সমস্যা হ'ল এতিয়া ভাত কোনে ৰান্ধি দিয়ে? তাৰ মনৰ কথা জানি আবেদালি অলপ বিমোৰত পৰিল। কিছু সময়ৰ মৌনতাৰ পাছত আবেদালিয়ে কলে: ইয়াততো হোটেল-টোটেল নাই—ভাত আনিবলৈ হ'লে তিনচুকীয়া পাবগৈ লাগিব। মই চৰু যা-যোগাৰ কৰি দিওঁ তুমিয়ে ভাত এমুঠি সিজাই লোঁৱা।

ৰবীনে কলে: মোৰ শক্তি নাই। তুমিয়েই ৰান্ধা। আমাৰ শাস্ত্ৰত 'অথন্তৰত অযুগুত কৰিলে দায় নাই' বুলি বচন একাকি আছেই। আচলতে কি জানা? ধৰ্ম্ম বা ভগৱানৰ ওপৰত আজি কালি মোৰ ভাৰসা নোহোৱা হৈ গৈছে। ধৰ্ম্ম, ভগৱান নথকা যেনেই মোৰ অনুমান—নতুবা, মোৰ, আমাৰ ঘৰখনৰ দুৰৱস্থা দেখিও তেওঁ একো নকৰিলে কিয়? আমিতো আজি অতদিনে শাস্ত্ৰ সন্মত ভাবেই তেওঁক পূজিছিলো—ধৰ্ম্ম শাস্ত্ৰ মানিয়েই চলিছিলো।

আবেদালিয়ে কলে: তেনেকৈ কব নাপায়—ভাইজান! ঈশ্বৰ-আল্লা-ধৰ্ম নাথাকিলে দুনিয়া থাকিব কেনেকৈ?......ঠিক আছে, মই যা-যোগাৰ কৰোঁ। পাৰা যদি তুমি নিজেই বনাবা। নোৱাৰিলে বাৰু দেখা যাব।

আবেদালি গৈ লাইনৰ কাৰোবাৰ ঘৰৰ পৰা পাৰ এটা আনিলে। মুৰ্গী সহজলভ্য যদিও ৰবীনৰ অভক্ষ্য বুলি নানিলে। সকলো আয়োজন কৰি সি ৰবীনক ৰান্ধিবলৈ মাতিলে। ৰবীন বিছনাখনতে উঠি বহিল। মূৰটো আচন্দ্ৰাই কৰিলে। উঠি আহি পাগঘৰ সোমাবৰ শক্তি তাৰ দেহত এতিয়া নাই।





সি ক্ষীণ মাতেৰে কলে: আবেদ ভাই, তুমিয়ে বনোৱাগৈ, একো নহয়। পাকঘৰলৈ উঠি গলে বাটতে পৰি যাম কিজানি। ৰবীন পুনৰ শুই পৰিল। আবেদালিয়ে কি কৰিব, কি নকৰিব একো থিৰাং কৰিব নোৱাৰি বহুসময় তাতেই থিয় হৈ থাকিল। ইতিমধ্যে ৰবীন টোপনি গ'ল। বেচ কেইবাৰমান ঈশ্বৰ আল্লা, ভগৱানৰ ওচৰত ক্ষমা বিচাৰি সি পাকঘৰ সোমাল। ৰন্ধা শেষ কৰি ৰবীনৰ ওচৰলৈ গৈ সি কলে: ভাইজান, ভাত ইয়াতে দিমনে ভিতৰলৈ যাবা? ৰবীনে কলে: হল যদি ইয়ালৈকে আনা। ইমান দূৰ উঠি যাবৰ শক্তি নহ'ব। আবেদালিয়ে ভাত, মাংসৰ জোল আৰু পটল ভাজি আনি ৰবীনক বিচনাতে দিলেহি। পৰম তৃপ্তিৰে সি সকলো খাই শেষ কৰি কাঁহি-বাতি চপাই লওঁতেই আবেদালি আহি তাৰ হাতৰপৰা কাঢ়ি লৈ ক'লে: ভাইজান, তুমি আৰাম কৰাঁ। এইবোৰ মই নিওঁ।

কম দিনৰ ভিতৰতে ৰবীন সুস্থ হৈ পৰিল। এই অসুখে তাৰ চকু মোকলালে। এয়া পোন প্ৰথম বাৰৰ বাবে সি জাতি ধৰ্ম ভাষাৰ হেঙাৰ নেওচি মানুহক মানুহ হিচাপে চাবলৈ শিকিলে। দিনটোৰ পৰিশ্ৰমৰ শেষত তাহাঁতে কেতিয়াবা দূৰণিৰ গাৱঁৰ ফালে ফুৰিবলৈ যায়। আকৌ কেতিয়াবা যায় বনুৱা বস্তিলৈ। বিহু বা ভাওনাৰ আখৰা চাবলৈ তাহাঁতে যিদৰে ভাল পায় ঠিক সেইদৰে বনুৱাসকলৰ ঝুমুৰো ভাল পায়। শনিবাৰে গধূলি প্ৰায়েই সিহঁত বনুৱা বস্তিৰ ফালে ওলাই যায়। মাদলৰ মন টানি নিয়া ছেৱে ছেৱে নচা ধুনীয়া বনুৱা গাভৰুৰ নাচোনত সিহঁত তন্ময় হয়। আন একো নিচাৰ প্ৰয়োজন তাহাঁতৰ নাই। চাহ, চুৰট আৰু তামোলেই তাহাঁত দুয়োৰে বাবে যথেষ্ট। এইদৰে কেইঘণ্টামান নাচ চাই তাহাঁতে বনুৱা সকলৰ দৰেই দিনটোৰ হাড়ভঙা পৰিশ্ৰমৰ কষ্ট পাহৰি এক নতুন জীৱন পায়। সেয়ে তাহাঁতে তালৈ নোযোৱাকৈ নোৱাৰে। একেটা পাগতে খাবলৈ লোৱাৰ পৰা দুয়ো বেচি ওচৰ চপাৰ লগতে কামো পাতলিল। ৰমণী, চুকুৰমণিহঁতৰ নাচ দুয়োটাৰে ক্ৰমে বেচি ভাল লগা হৈ আহিল।

এদিনাখন শিৰিষ গছত চূন লগাই থাঁকোতে জীপগাড়ী দৌৰাই অহা বাগিছাৰ মেনেজাৰজন তাৰ কাষত ৰৈ গ'ল। সি চুন লগোৱা আৰু তাক ভৰিৰ পৰা মূৰলৈকে কিছুসময় নিৰীক্ষণ কৰি কলে: হেই চোকৰা, নকৰি



OKDISCD

কৰেগা। সাহসত ভৰি দি সি কলে: কাহঁাপৰ চাহাব—নকৰি কাহঁা মিলেগা?

চাহাবে কলে: হামলোক্‌কা ফেক্টৰীমে এক হেল্পাৰ কা জৰুৰৎ হেই। ...

তোমাৰা কাম ঔৰ তুম আদমিকো হামাৰ বহুত পছন্দ হোৱা।

কাল ৭ বাজিমে হামাৰ অফিচমে আও।

কি কৰ কি নকৰ একো ঠিক কৰিবলৈ নাপাওঁতেই গোঁ গোঁৱাই জীপ চলাই চাহাব গুচি গ'ল। এনেতে পিঠিত চপৰিয়াই আবেদালিয়ে কলে:

তোমাৰ কপাল ফুলিল, ভাইজান! চাহাবৰ চকুত পৰিলা যেতিয়া তুমি মানুহ বনি যাবা। ডাঙৰ মানুহ হৈ আমালৈ নাপাহাৰিবা আকৌ!

: ভাইজান কি যে কোঁৱা। মই যাওঁ নে নাযাওঁ তাকে ঠিক কৰিব পৰা নাই।

: নাযাবা কিয়? খোদাই তোমাক চকু মেলি চাইছে। চাহাবৰ কথা নামানি ইয়াত ক'ত ঠিকা কৰিবলৈ পাবা।

কিছুসময় ভাবি চিন্তি সি পাছদিনা যোৱাটোকে সিদ্ধান্ত কৰিলে। পাছ-দিনা গৈ চাহাবক দেখা কৰাৰ লগে লগে তাক মিষ্ত্ৰী যোগালি হিচাপে কামত মকৰল কৰিলে। সেইবিলাক কাম সি কিছু কিছু জানিছিলেও, মাত্ৰ 'অনভ্যাসে হত বিদ্যা' হৈছিল। দুদিনমান কামকৰাৰ লগে লগে তাৰ সকলো সহজ হৈ পৰিল। হেড্‌ফিটাৰেও তাৰ কাম ভাল পালে। লগৰ যোগালি-বোৰেও তাৰ কোমল বয়স আৰু সুদৰ্শন চেহেৰাৰ বাবে মৰম কৰা হ'ল।

এবাৰ কলিকতাৰ ইঞ্জিনিয়াৰ এজন আহি কলঘৰত এটা মেচিন বহুৱাই-ছিল। বাঁহ এডালত ৰচি বান্ধি সি আৰু আন এজন যোগালিয়ে মেচিনটো ওপৰলৈ তোলাৰ চেষ্টা কৰিছিল। শৰীৰৰ সমস্ত শক্তি দিও সি তাৰ ফালটো দাঙি ৰাখিব নোৱাৰি থৰ থৰকৈ কঁপিছিল। গংগা নামৰ বনুৱা ডেকাজন তাৰ কাষলৈ আহি কলে: তুই চোৰ দে। হামি লেবো। তুই এখন থোৰা কমজোৰ আছ। পহলে থোৰা মোটাই ল। কথাথিনি ভাল ভাৱত কোৱা হলেও তাৰ শক্তিক উপলুঙা কৰাত সি বেয়া পাইছিল।

মানুহবোৰৰ লগত সি মিলি গ'ল। পোন্ধৰ দিনৰ শনিবাৰে দৰ্মহা লৈয়েই সি বনুৱা লাইনলৈ যায়। ঝুমুৰ নৃত্য আৰু জুৱা, মদ আদিৰে লাইনবোৰ দুটা দিনৰ





বাবে সজীৱ আৰু মুখৰিত হৈ পৰে। দ্বিধাহীন ভাবে সি সেইবোৰত অংশ গ্ৰহণ কৰিছিল। সি এনেদৰে বেপৰুৱা হৈ পৰাটো আবেদালিয়ে ভাল নেপাইছিল। সেয়ে সি তেতিয়াৰ পৰা আবেদালিক এৰাই ফুৰিবলৈ ললে।

প্ৰায়বোৰ বনুৱাই জুৱাত দৰ্মহাৰ গোটেইখিনি টকা নিঃশেষ কৰি অত্যাধিক সুদত কাবুলীৰপৰা টকা ধাৰ লৈ চলিবলগা হৈছিল। এইবিলাক আওপকীয়া শোষণৰ ব্যৱস্থাই তাহাঁতক ঋণগ্ৰস্ত কৰি তুলিছিল। ব'নাচৰ টকাৰে তাহাঁতে সেইবোৰ ধাৰ মাৰিব লগা হৈছিল। এইদৰেই হাড়ক মাটি তেজক পানী কৰি অৰ্জা ধন সিহঁতৰ হাতৰপৰা ওলাই গৈছিল। তথাকথিত বনুৱা সংগঠনবোৰ গঢ়ি উঠিলেও সেইবোৰে তাহাঁতক প্ৰকৃত অৰ্থত শিক্ষিত কৰি তুলি জীৱনৰ মূল্যবোধ দিব পৰা নাছিল। আচলতে দিয়াৰ চেষ্টাই কৰা নাছিল। কাৰণ তাহাঁতৰ জীৱনবোধ জাগিলে এইদৰে অস্বাস্থ্যকৰ পৰিবেশত নাথাকি সংগ্ৰামৰ পথ লবলৈ তৎপৰ হৈ উঠিব।

* * * *

কৰ্ম্মপটুতাৰ বাবে মিষ্ত্ৰী চাহাবেও তাক ভাল পালে। সপ্তাহত এদিন উশৃংখল জীৱন-যাপন কৰিলেও সি কামৰ সময়ত অন্যান্য বনুৱাতকৈ নিয়মানুবৰ্ত্তী আছিল।

হেড্‌ফিটাৰৰ অনুমোদনক্ৰমে সি কমদিনৰ ভিতৰতে ইঞ্জিন ড্ৰাইভাৰ হ'ল। তেতিয়াৰপৰা সি তলব লবলৈ বনুৱাসকলৰ মাজত বৈ থাকিব নালাগে। মনলৈ কিবা এটা ডাঙৰ ডাঙৰ ভাৱো আহিল। লাহে লাহে সি বনুৱাসকলৰ পৰা আঁতৰি আহিবলৈ ধৰিলে। এসময়ত একেলগে খোৱা-বোৱা, উঠা-বহা কৰা আবেদালিয়ে তাক আজিকালি 'ভাইজান' বুলি নামাতি ৰবীনবাবু বুলি মতা হ'ল। এতিয়াও তাৰ বনুৱাসকলৰ ঝুমুৰ গীতৰ কথা মনলৈ আহে। তথাপি আগৰদৰে তাহাঁতৰ মাজত সোমাই পৰিবলৈ ভাল নলগা হ'ল। ইতিমধ্যে সি নিজা কৈ এটা ঘৰো পালে। মাজে মাজে তালৈ বনুৱা গাভৰু ৰমণী আহে। তাক তাহাঁতৰ ঝুমুৰৰ আসৰলৈ আমন্ত্ৰণ জনায়। যাবলৈ তাৰ সাহস নহয়। কেতিয়াবা সি ৰমণীক গীত শুনাবলৈ অনুৰোধ কৰিলে তাই কয়

: ইহাঁ কিৰকম ঝুমুৰ গাব? মাদল নাই, হাৰিয়া নাই, সাথী নাই—কিছু নাই।

: কেলেই, সাথী মই আছোঁ নহয়?



OKDISCD

: তুই ত আজকাল বাবু হৈ গলি।

ৰমণী এজনী অন্যধৰণৰ বনুৱা গাভৰু। চাহাব-চুহাব কাৰোকে তাই পৰোৱা নকৰে; যেন এটা বাধাহীন আনন্দৰ নিজৰা। তাইক লগ পালে তাৰো মনটো সজীৱ হৈ উঠে। কিন্তু সেইটো প্ৰসংগকে লৈ যেতিয়া হাজিৰা বাবু গগৈয়ে খোলোচা ভাৱে তাক ইয়াৰ্কি মাৰে তেতিয়া তাৰ লাজ অপমানত কিবা মৰি যোৱা যেন লাগে। 'বাবু' হোৱাৰ লগে লগে সি কিবা ভীৰুহৈ পৰিল। সি বুজি নাপায় গগৈয়ে কিয় তাক এইদৰে সদায় অপমান কৰিব খোজে। ৰমণী আৰু তাৰ সম্পৰ্ক বন্ধুত্ব আৰু আন্তৰিকতাপূৰ্ণ।

এদিন ৰবিবাৰ। সি শুই নুঠোতেই ৰমণী আহি দুৱাৰত টুকিয়ালেহি।

: ৰবীনবাবু, ইমান দেৰীলৈকে ঘুমাই আছ কেলেই, উঠা।

শুই উঠিয়েই হাতত গাখীৰৰ বটল লৈ অহা ৰমণীক দেখি তাৰ মনটো ভাল লাগি গলেও হাজিৰা বাবুৱে কৰা অপমানসূচক ইংগিতৰ কথা সুঁৱৰি মনটো দমি গ'ল। এই হাজিৰা বাবুটোৰ মুখ যিহে লাউপাত, কচুপাত—কেতিয়া কি কথা কয় একো ঠিক নাই। তথাপি সি উঠি ৰমণীক স্বাগতম জনালে। তাইক বহিবলৈ মূঢ়া এটা দি সি জুইকুৰা ধৰিলে। চাহৰ কেট্‌লিটো তুলি দি সি মুখ ধোৱাত লাগিল। ৰমণী কিন্তু নবহিল, ঝাৰুটো লৈ ঘৰ সাৰি আগদিনাৰ বাচন-বৰ্তনখিনি ধোৱাত লাগিল। বাচন কেইটা পাকঘৰত থৈ বিছনাখন জাৰি জোকাৰি বেডক'ভাৰখন মেলি দিলে। ইতিমধ্যে চাহ হ'ল। চাহ দুকাপ বাকি তাৰে একাপ সি বিস্কুটৰ টিনটোৰে সৈতে তাইলৈ আগবঢ়াই দিলে। দুয়ো চাহত সোহা মাৰিছেহে। এনেতে বিহুনাম এফাৰ গুণগুণাই হাজিৰা বাবু একেবাৰে পাকঘৰলৈকে সোমাই আহিল। সি চোৰ কৰি হাতে হাতে ধৰাপৰা মানুহৰ দৰে আতংকিতহৈ পৰিল। সিহঁত দুয়োটালৈকে কিছুসময় নিৰীক্ষণ কৰি হাজিৰা বাবুৱে মন্তব্য কৰিলে।

: বেচ মৌজ কৰিছা দেই। আমাৰ আকৌ কামৰপৰা আহৰিকে নাই। ৰমণী, ৰাতি চাগৈ ৰবীন বাবুক ভালকৈ খুৱালি নহয়?

চাহ খাবলৈ এৰি ৰমণীয়ে হিঃ হিঃকৈ হাঁহিলে। ৰবীনৰ লাজতে মৰিযোৱা যেন লাগিল। হাজিৰা বাবু পুনৰ কোঁ-কোঁৱাই ওলাই গ'ল। চাহকাপ





খাই প্ৰকৃতিস্থ হৈ ৰবীনে কলে: ৰমণী, মই এটা কথা কওঁ—তই ভুল নুবুজিবি। মই চাদী বিয়া নকৰোৱা মানুহ। তই ইয়ালৈ এনেকে আহি থাকিলে মানুহে বেয়া বোলে।

: চাদী কৰালে মই আকৌ তোৰ ইয়ালৈ কিয় আহিম? এইচৰ কাম কৰিবলৈ তেতিয়া দেখোন তোৰ বাবুৱানী থাকিবই।

: নহয় মানে এই হাজিৰা বাবুটোৰ কথা কৈছো—ই বৰ খাৰাপ। খালি মানুহৰ বেয়াকথা চব কৈ ফুৰে।

: ই এটা বেইমান। তবে তালৈ মই পৰোৱা নকৰো। বাগানত কামকৰা বাবু, চাহাব, চব একেই। কুলী চুক্‌ৰীৰ মৰম নাপালে ইহঁত থাকিব নোৱাৰে। জোৱান চুক্‌ৰীৰ লগত অলপ জমাবলৈ নাপালে এই জংঘলত কি কৰি থাকিব? চাদী হৈ গলে চব ঠান্দা বনি যায়। তবে এই হাজিৰা বাবুটো দুচৰা ধৰণৰ—বাবুৱানীটোৰ লগত ৰোজ ঝগড়া কৰে। আৰু কি জান? বৰচাহাবৰ বঙলাত বৰবাবুৱে ৰোজ ৰাতি ৰাতি চুক্‌ৰীৰ যোগান ধৰে।

: এইচব কথা বাদ দে। মোৰ দিগদাৰ নাই। তোৰ কথা মিছামিছি বেয়াকৈ কলে মোৰ ভাল নালাগে।

: ঠিক আছে, মই নাহিলে তই ভাল পাব যদি নাহোঁ বাৰু।

* * * *

হাজিৰা বাবুৰ স্বভাৱৰ প্ৰমাণ সি এদিন হাতে হাতে পালে। এদিন সি কিবা এটা কোম্পানীৰ কামত জীপলৈ চহৰলৈ গৈছিল। লগত হাজিৰা বাবুও ওলাল। অলপ দূৰ গৈয়ে এখন দোকানৰ আগত হাজিৰা বাবুৱে গাড়ী ৰখাবলৈ কলে। তেওঁ নামি গৈ দুজনী দেখনিয়াৰ বনুৱা গাভৰু লগত লৈ আহি কলেহি: ইহঁতকো লৈ যাওঁ। মোৰ লগত বোলে চহৰ ফুৰেগৈ।

সেইদিনা জীপৰ পাছৰ চিটত বহি সিহঁত তিনিওৰে কি ৰগৰ! ৰবীনে লাজতে ওৰে বাটটো হাজিৰা বাবুৰ লগত কথাই নাপাতিলে।

চহৰ পায়েই সিহঁত নামিল। ওভতাৰ সময়ত তাৰপৰা তুলি নিবলৈ হাজিৰা বাবুৱে কলে। কাম-কাজ শেষ কৰি সি হাজিৰা বাবুক তুলি নবলৈ সেই খিনিলৈ আহি কাকো নেদেখি বিপাঙত পৰিল। গাড়ীৰপৰা নামি কাষৰ পানদোকান এখনত চিগাৰেট এটা জলাই ইফালে সিফালে চকু



OKDISCD

ফুৰালে। কুৰি মিনিটমান পাছত ঢলং পলংকৈ হাজিৰাবাবু আহিল। তাক কলেহি: এঃ আপুনি আহিলেই? আমি এতিয়াই নাযাওঁ। (তাৰ কাণৰ ওচৰত সৰু সৰুকৈ ক'লে) ইহঁতৰ খুব নিচা হৈছে। হোটেল এখনতে শুৱাই থৈছো। আপুনি অলপ ৰব পাৰিব জানো?

: ৰবলৈ অলপ অসুবিধা। চাহাব ক্লাবলৈ অহাৰ আগতে খবৰটো দিবগৈ লাগিব।

: তেতিয়া হলে আপুনি য'কগৈ। মই আন ব্যৱস্থাৰে যাম। নতুবা ৰাতিটো ইয়াতে কটাম। কালিলৈ মোৰ ছুটী আছে।

হাজিৰা বাবুৰ থৰকৃবৰক্ খোজ দেখি—'এৰি থৈ যাব পাৰিলেই যেন ভাল' এনে এটা ভাৱ তাৰ হৈছিল। সি ঘূৰাৰ লগে লগে ড্ৰাইভাৰে গাড়ী ষ্টাৰ্ট দিলেই। বাটত ড্ৰাইভাৰে তাক কলে: ইহঁত নহা বাবে আমি বাচি গলো বাবু। ক্লাবলৈ আঁহোতে বাটত চাহাবে ইহঁতক এই গাড়ীত দেখা পালে ৰাগ কৰিলে হেঁতেন। বিনাকামত বাগানৰ মানুহ হলেও চাহাবে গাড়ীত উঠিবলৈ নিদিয়ে।......... এই হাজিৰা বাবুটোক মোৰ অলপো ভাল নালাগে। বৰবাবুৰ সৈতে লগলাগি ই বাগানৰ চব জোৱান চুকুৰীকে নষ্ট কৰিছে। চাহাব বাৰু পৰদেশী মানুহ। আমাৰ দেশী ভাইবোৰ এইৰকম হলে কি কৰিব? ৰবীনে কোনো মন্তব্য নকৰি মনে মনে থাকিল।

## চাৰি

এদিনাখন বাগানৰ ছোট ছাহাবক এজাক বনুৱাই ঘেৰাও কৰিলে। কৌতুহলবসতঃ কলঘৰৰ ভালেমান মানুহ অফিচৰ কায পালেগৈ। এটা বনুৱা ডেকাই সজোৰে কৈছে: চাহাব, এইৰকম খেলা নচলিব। মই চাদী কৰিম বোলা চুকৃৰিটোক জোৰ জবৰদস্তি ইজ্জত নষ্ট কৰিছে। এতিয়া তাইক দস্তৰ মতে আপুনি চাদী কৰিব লাগিব। এইৰকম অবিচাৰ হামনি নাই মানিব। নাইতো চৰকাৰকে জনাব।

সকলো বনুৱাই তাৰ কথাত হয়ভৰ দিলে। অলপ দূৰত বনুৱা গাভৰু-জনীয়ে আউলি বাউলি হৈ তেতিয়াও কান্দি আছিল। সৰুৰ মুখত বৰ কথা শুনি চাহাব খঙত একো নাই হৈ আগৰশাৰীৰ কেইবাটাকো হাণ্টা-





ৰেৰে কোব সেধালে। বনুৱাবোৰ ফৰিং ছিটিকা দিলে। তেতিয়ালৈ সমস্যা-টোৰ সমাধান হৈ যোৱা যেনেই দেখা গ'ল। কিন্তু......সেইৰাতিয়েই ডেকা বনুৱা কেইজ-মানে সকলোকে লগ লগালে। আলোচনাত এই বিষয়ে বৰ চাহাবক জনোৱাৰ সিদ্ধান্ত হল।

পাছদিনা পুৱাই এদল বনুৱা গৈ লগ ধৰি বিচাৰৰ বাবে প্ৰাৰ্থনা জনালে। বৰচাহাবে বিচাৰৰ আশ্বাস দিয়ক চাৰি ৰাতিপুৱাই বঙলাত গৈ আমনি কৰাৰ বাবে খঙহে কৰিলে। আগলৈ এনে কৰিলে চাকৰিৰ পৰা বৰ্খাষ্ট কৰাৰো ভাবুকি দিলে। বৰচাহাবৰ এনে নিৰ্মম ব্যৱহাৰ বনুৱাসকলৰ অসন্তুষ্টি দুগুণে চৰিল। তেওঁলোকে কৰ্তৃপক্ষৰ পৰা কোনো সুবিচাৰ নাপাব বুলি নিশ্চিত হল। ডেকা বনুৱা সকলৰ পৌৰুষত্বত আঘাট লাগিল। তেওঁলোকে নিজেই ইয়াৰ বিচাৰ কৰাৰ সিদ্ধান্ত কৰিলে।

পাছদিনা ৯ মান বজাত ছোটচাহাব কামজাৰি চাবলৈ বাগিছালৈ যাওঁতে কোৰ মাৰি থকা গোটেইজাক বনুৱাই হাতত দা কোৰ লৈ তেওঁক আগুৰি ধৰিলে। চাহাবে শক্তি প্ৰয়োগেৰে সহজে তাহাঁতক বশ কৰিব পাৰিম বুলি ভাবি বনুৱা ডেকা এটাক সজোৰে গোৰ সোধালে। বনুৱাটো পৰি গ'ল—হলক হলককৈ নাকেদি তেজ ওলাল। ৰক্তপাতে বনুৱাসকলক ভীত নকৰি উত্তেজিতহে কৰি তুলিলে। মুহূৰ্ত্তে গোটেই জাক বাঘৰ দৰে চাহাবৰ ওপৰত জঁপিয়াই পৰিল। নিৰস্ত্ৰ চাহাব মাটিত ঢলি পৰিল। অৱস্থা দেখি ওচৰত থকা বাবু দুজনো পলাই ফাট মাৰিলে। দা-কোৰৰ কোবত চাহাবৰ দেহ টুকুৰা টুকুৰ হ'ল।

কোনোবাই বৰচাহাবক বঙলাতে খবৰটো জনালেগৈ। তেওঁ ওলাই আহি-বলৈ সাহস নকৰি পুলিচলৈ খবৰ পঠালে। সশস্ত্ৰ পুলিচ আহি ভালেমান বনুৱাক ধৰি নিলেহি। গ্ৰেপ্তাৰ কৰা সকলক ভালদৰে উত্তম-মধ্যম দিলে। গোটেই বাগানখনতে কিছুদিনলৈ কিবা এক জঁয়াৰ পৰিবেশৰ সৃষ্টি হ'ল। ট্ৰেডইউ-নিয়নৰ নেতাসকলৰ মধ্যস্থতাত লাহে লাহে অৱস্থাৰ পৰিবৰ্ত্তন ঘটিল। পুনৰ স্বাভাৱিক ৰূপে বাগানৰ কাম-কাজ চলিব ধৰিলে। তেতিয়াৰ পৰা বনুৱা গাভৰুসকলৰ ওপৰত মেনেজাৰে চলোৱা অত্যাচাৰ কিছু কমিল। কিন্তু হাজিৰা-বাবুইঁতৰ দৰে নোমটেঙৰ সকলে আগৰদৰেই জুতি লৈ থাকিল। সিহঁতৰ লগত



OKDISCD

শত্রুতা কৰি বনুৱাসকল চলাটো অসম্ভৱ। ইউনিয়ন বাবুবোৰো সিহঁতৰ বন্ধু। গতিকে উপায় ক'ত?

এশ গৰু মাৰিলে বাঘৰো মৰণ বোলা কথাষাৰ কিন্তু বৰবাবুৰ ক্ষেত্ৰত আখৰে আখৰে ফলিয়ালে। বৰবাবুৱে কোনো এজনী গাভৰু অন্তঃসত্ত্বা কৰি ধৰা পৰি অলপ, টকা-পইচা দি এৰি দিব খুজিছিল। তাই কিন্তু মান্তি নহল—স্ত্ৰীৰ মৰ্য্যাদা বিচাৰিলে। উলাচ নামৰ এই বনুৱা গাভৰু জনীয়ে ন্যায় বিচাৰৰ বাবে বৰচাহাবৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰিও মজদুৰ সংঘলৈও লিখিলে। গোটেইবোৰ বনুৱাই এই চেগতে বৰবাবুৰ বিৰুদ্ধে জাঙুল খাই উঠিল। বৰচাহাবে আগৰ দুৰ্ঘটনাৰ কথা সুঁৱৰি ইউনিয়ন চেক্ৰেটাৰীৰ ওপৰত বিচাৰৰ ভাৰ দিলে। ইউনিয়ন চেক্ৰেটাৰীয়ে, বৰবাবুৱে ছোৱালীজনীক পত্নীৰূপে গ্ৰহণ কৰিবলৈ মান্তি নহলে তেওঁক চাকৰিৰ পৰা অব্যাহতি দিবলৈ বুলি চাহাবলৈ লিখিলে। আকৌ এবাৰ বৰবাবুক ছোৱালীজনী বিয়া কৰাবলৈ সন্মত আছেনে নাই সোধা হলত তেওঁ অসমৰ্থতাৰ কথাকে দোহাৰিলে। মেনেজাৰে তেওঁক বৰ্খাষ্ট কৰাৰ সিদ্ধান্ত ললে।

বৰবাবুৱে যথেষ্ট সম্পত্তি আহৰণ কৰিলেও এনে এটা কলংকলৈ আঁতৰি যাবলৈ বেয়া পালে। ৰাতিয়ে গৈ তেওঁ চাহাবৰ বঙলা ওলালগৈ। তেওঁৰ কথা শুনি চাহাবে কলে: Well Barbabu, I am really helpeless.

: নহয় চাৰ আপুনি কিবা এটা ভাৰসা দিয়ক, নহলে বন্দী নিগমে মৰিলো। অলপ সময় চিন্তা কৰি চাহাবে কলে: একটা কাম কৰিব পাৰে। তুমি চাকৰি ৰিজাইন কৰা। হামি ভাল চাৰ্টিফিকেট দি দিব—অন্য বাগানত নোকৃৰি মিলি যাব। তোমাকে ইয়াতে ৰাখিলে মজদুৰ চব নাই মানিবে।

বৰবাবুৱে হাততে সৰগ ঢুকি পোৱা যেন পালে আৰু সেইমতেই কাম কৰিলে। বনুৱা সকলৰ মাজত তেওঁক খেদা বুলিয়েই প্ৰচাৰ কৰা হ'ল।

## পাঁচ

কলঘৰৰ চেকেণ্ড ফিটাৰজনে কামৰপৰা অৱসৰ লোৱাৰ লগে লগে ৰবীন চেকেণ্ড ফিটাৰ হ'ল। সি আজিকালি পূৰা গন্টিৰ মানুহ। প্ৰায়বোৰ কামতে তাক চাহাবে বিচাৰে। অলৈ তলৈ যাওঁতে তাক চাহাবে লগত নিয়ে আৰু





বিভিন্ন কামৰ বাবে বকৃচিচ দিয়ে। চাহাবৰ লগত তাৰ এনে হলি-গলি দেখি বাগানৰ প্ৰায়বোৰ মানুহেই তাক ঈৰ্ষা অথবা সমীহৰ চকুৰে চোৱা হ'ল।

সি চেকেণ্ড ফিটাৰলৈ প্ৰমোচন পোৱাৰ পাছতে ফেক্টৰী চাহাব এজন আহি গোটেইখন ওলট-পালট কৰি পেলালে। অকণমান সময়ৰ হেৰফেৰতে ভালেমান বনুৱাৰ হাজিৰা কাটিলে। সঁচাই মিছাই কলঘৰৰ সকলো ইঞ্জিন খোলাই মানুহবোৰক হাৰাশাস্তি কৰিলে। অৱশ্যে এই সুযোগতে সি বহুত কাম শিকাৰ সুবিধা পালে। খোৱা-বোৱাৰ অনিয়ম আৰু গৰমত অত্যাধিক পৰিশ্ৰমৰ বাবে তাৰ দাৰুণ পেটৰ অসুখ হ'ল। পৰিচৰ্য্যা কৰিবলৈও কোনো মানুহ নাই। এটা সময়ত তাৰ পাইখানালৈ উঠি যাবৰো শক্তি নোহোৱা হল— কাপোৰে কানিয়ে শৌচ কৰি পৰি থাকিল। কাৰোবাৰ মুখে কথাটো শুনি ৰমণী আহি ওলাল; তাইক খবৰ নিদিয়াৰ বাবে গালাগালি কৰিলে। উত্তৰত ৰবীনে কলে: খবৰ কাৰ আগত দিম ৰমণী। মোৰ অৱস্থাতো দেখিছই।

একো নামাতি তাই কামত লাগিল। সকলো চাফ-চিকুণ কৰি কাপোৰ-কানি সলাই নতুন বিচনা কৰি তাক শোৱাই দিলে। এসময়ত হস্পিতেললৈ গৈ ঔষধো আনিলে। ঘৰলৈ নগৈ ৰাতিটো তাৰ পৰিচৰ্য্যাতে কটালে। পুৱা চাহ একাপ কৰি ৰবীনক খাবলৈ কৈ তাই ৰসিকতা কৰি কলে—

: ছোট সময়ত তুই খুউব ছাঙা আছিলি নেকি?

: কিয় সুধিলি?

: টিকাত তোৰ দাগী বসিল কি ৰকম।

: অ' সেয়া সৰুতে বাঁহগছত উঠি বাঁহ কাটোতে ঘাইল হৈছিলো। আচ্ছা ৰমণী, তই বাৰু মোক ইমান মৰম কৰ কিয়? মা-বহীনৰ বাহিৰেতো এইৰকম মৰম আনে আনক নকৰে।

: এনেয়ে। .........এখন হামি যাওঁ। তুই ভাল হৈ গেলি।

ৰবীনৰ অসুখ ভাল হোৱাৰ পাছত আৰু তাইৰ দেখাদেখি নাই।

কিবা এটা উৎসৱত এবাৰ চাহাবে বাগিছালৈ এটা মণিপুৰী নাচৰ দল আনিছিল। দলটো থৈ আহিবলৈ মণিপুৰলৈ চাহাবে তাকেই পঠালে। তাৰ



OKDISCD

শত্ৰুবোৰে অৰশ্যে কথাটো বেলেগ ধৰণেৰে প্ৰচাৰ কৰিলে। সি বোলে সেই ধুনীয়া নাচনী ছোৱালীজনীৰ বাবেহে চাহাবৰপৰা ছুটী লৈ মণিপুৰ পালেগৈ। ধুনীয়া নাচনীজনীৰ প্ৰতি তাৰযে দুৰ্ব্বলতা নাছিল এনে নহয়। কিন্তু নাচিবৰ সময়ত পৰী পৰী যেন লগা এই ছোৱালীজনীৰ ঘৰৰ দুৰ্গতি দেখি সি বিস্মিত হৈছিল আৰু মনটোৱে হাঁহাকাৰ কৰিছিল। সেয়ে সি ভালেমান টকা তাহাঁতৰ ঘৰত দি আহিছিল। সেই কথা সি ঘূৰি আহি কাৰো কাৰোবাৰ আগত কৈছিলাহি। মানুহবোৰে কথাটোৰ অন্যৰূপ দি তাৰ চৰিত্ৰৰ বিষয়ে অপপ্ৰচাৰ কৰি ফুৰিছিল। তাক মৰমৰ চকুৰে চোৱা নতুনকৈ অহা বৰবাবুজনেও কথাটো বিশ্বাস কৰিছিল। এদিনাখন বৰবাবুৱে তাক ঘৰলৈ মাতি নি কলে—

ঃ তোমাৰ বিষয়ে কথাবোৰ শুনি বেয়া পাইছো। অৰশ্যে এইবোৰ কথা সুধিবলৈ তোমাক মই মাতি অনা নাই। এনেয়ে ঘৰত চা-চিনাকি কৰি দিবলৈহে মাতিছো।...তোমাক বৰচাহাবে বৰ ভাল পায়। চাহাবে কৈছে তোমাৰ আৰু উন্নতি হব। বয়সো হৈছে। বিয়াখন পাতি পেলোৱা। তেতিয়াই সকলো শৃংখলা লাগি যাব। কৰবাত চা-ছোৱালী ঠিক কৰি থৈছা নেকি?

ঃ নাই, সেইবোৰ কথা মই ভবাই নাই।

ঃ Correct. তুমি সেইবোৰ কথা নাভাবা বুলি জানিছোৱেই। এনেয়ে তোমাক কথাটো সুধিলোহে।

এনেতে বৰবাবুৰ পৰিবাৰে দুয়োলৈকে চাহ আৰু খোৱাবস্তু লৈ আহিল। সি সম্ভ্ৰম দেখুৱাই চকীখনতে সামান্য লৰচৰ কৰিলে।

ঃ হেৰা, এওঁৱেই ৰবীন। মইযে তোমাৰ আগত কৈছিলো। বৰ ভাল ল'ৰা। .........বৰবাবুৰ পৰিবাৰে চাহৰ যতনবোৰ টেবুলত থৈ থৈ কলে—

ঃ এযেতক এনেয়ে দেখিছো, পৰিচয়হে হোৱা নাই। ৰবীনে লৰালৰিকৈ কলে

ঃ মোক 'আপুনি' নুবুলি 'তুমি' বুলিলেই ভাল পাম।

পৰিবাৰে কলে ঃ আমি পুৰণিকলীয়া মানুহ নহয়—মতা মানুহক থপকৈ তুমি বুলিবলৈ টান পাওঁ।

বৰবাবুৱে হাঁহি হাঁহি কলে ঃ হব হব, সময়ে সকলো ঠিক কৰি পেলাব। অ' হেৰি নহয় ৰবীন! দেওবাৰে তোমাৰ ফেক্টৰীত কাম থাকেই। তাৰোপৰি চাহাবেও এনি-তেনি লগ ধৰে। সোমবাৰে তোমাৰ ছুটী থাকে যেতিয়া ওলাবা—যোৰহাটৰ





ফালৰপৰা ফুৰি আহিম। মঙ্গলবাৰটোও ছুটী লৈ লব পাৰিলে ভাল হয়। দূৰণিবটীয়া ঠাই সময়মতে ঘূৰাত অসুবিধাও হ'ব পাৰে। সি চাহ খাই খাই কলে—

ঃ প্ৰয়োজন হলে ছুটী লব পাৰিম।

বৰবাবুৰ কথাৰ প্ৰতিবাদ কৰাৰ সি কোনো কাৰণেই বিচাৰি নাপালে। কাৰণ আজিলৈকে তাক কোনো সম্ভ্ৰান্ত মানুহেই এইদৰে আদৰ-সাদৰ কৰা নাই। চাহ শেষ কৰাৰ লগে লগে বৰবাবুৱে চিঞৰিলে ঃ মীৰা, মাজনী অ' ...তামোল আনচোন।

ফ্ৰকপিন্ধি উঠন বয়স লুকাই থোৱা ছোৱালী এজনী তামোলৰ বটা লৈ ওলাই আহিল।

ঃ এইজনী মোৰ সৰু ছোৱালী মীৰা, এওঁ ৰবীন.............বৰ ভাল মেকানিক। ছোৱালীজনীয়ে নমস্কাৰৰ ভংগীত হাতযোৰ কৰিলে।

ঃ মোক ধপাত এচিলিম দিবলৈ খৰ্গেশ্বৰক কগৈচোন। ৰবীনলৈ চাই কলে—সোমবাৰে পুৱাই তুমি মোৰ তালৈকে আহিবা। আমি ইয়াৰ পৰাই যাত্ৰা কৰিম।

ঃ ভাল বাৰু। তামোল আৰু এখন মুখত ভৰাই ৰবীনে কলে — মই এতিয়া আহোঁ। গুৰগুৰিত দীঘলীয়া হোঁপা এটা মাৰি বৰবাবুৱে জোৰকৈ ৰিং মাৰিলে ঃ হেৰা, শুনিছানে......ৰবীন যাব খুজিছে। ঘৈণীয়েক ওলাই আহিল। মাজেসময়ে আহি থাকিব। লগত মীৰাও।

ঃ ভাল বাৰু, মীৰা যাওঁ দেই।

ৰবীন গেটখন পাৰ হোৱাৰ লগে লগে বৰবাবুৰ পৰিবাৰে মন্তব্য কৰিলে—

ঃ ল'ৰাটো বেছ দেখনিয়াৰ।

বৰবাবুৱে তপৰাই কলে ঃ কেৱল দেখনিয়াৰেই নহয়—কামতো পটু। আমাৰ বৰচাহাবে কৈছে—তাৰ উন্নতি হবই।

বৰবাবুৰ চাৰিজনী ভাগিনীয়েকৰ দুজনীৰ বিয়া ইতিমধ্যে হৈ গৈছে। চতুৰ্থজনীৰে। দৰা ঠিকহৈ আছে। তৃতীয়জনী পঢ়া-শুনাতো সিমান ভাল নহয়; বৰণটোও ক'লা, চেষ্টা কৰিও বিয়া দিব পৰা নাই। বৰবাবুৱে তাইক ৰবীনৰ



OKDISCD

হাতত গটোৰাৰ কথা ভাবিছে। তেওঁৰ মতে—লৰাটোৰ লেখা পঢ়া বৰ বেচি নহলেও চেহেৰাপাতি ভাল। হাতৰ বিদ্যা এটাত পাৰ্গত যেতিয়া এমুঠি খাব পাৰিব। তদুপৰি বৰচাহাবেও ভবিষ্যত ভাল হব বুলিছে। এইবিলাক ৰাজবংশৰ লোক—এওঁলোকৰ কথা ভুল হব নোৱাৰে। বাগিছাৰ ভিতৰত এওঁলোকৰ ক্ষমতা ৰজাৰ দৰেই। তেনে লোকে মোৰ বুলিলে উন্নতি হবলৈ কেতেকপৰ লাগিছে ?

বন্দবস্ত মতে ৰবীনক লগত লৈ বৰবাবু ভনীয়েকৰ ঘৰ ওলালগৈ। ভনীয়েকে ৰবীনক পছন্দ কৰিলে। ৰাধায়ো আপত্তি কৰাৰ কোনো থল নেদেখিলে। ৰবীন চেহেৰাপাতিত ভিনিহীয়েক হঁততকৈও ধুনীয়াহে। তাইক লৈ যে ঘৰখনত এটা সমস্যাৰ সৃষ্টি হৈছে সেই কথাও তাই গম পায়। তাৰোপৰি তাইৰ আপোন মোমায়েকটোৰে জানো তাইৰ অহিত চিন্তা কৰিব ?

লৰাটোৰ নিজৰ ঘৰখনৰ লগত ভাল সম্পৰ্ক নাই বুলি জানি মাকে প্ৰথমতে মৃদু আপত্তি কৰিলেও তাৰ চেহেৰা দেখি সকলো পাহৰি পেলালে।

ৰবীনেও অমত হোৱাৰ কোনো কাৰণ নেদেখিলে। ছোৱালীৰ বৰণটো ক'লা হলেও মুখৰ গঢ়-গতি সুন্দৰ। তাৰোপৰি সি জীৱনত কাহানিও এনেধৰণৰ পৰিয়াল এটাৰ সান্নিধ্যলৈ অহা নাই আৰু মানুহৰ ইমান আদৰ-সাদৰ পোৱা নাই।

ৰাধাৰ লগত কথা পাতিবলৈ তাৰ কিবা লাজ লাজ লাগিল। বাক চতুৰ খুলশালীয়েকেই বেচি কথা পাতিলে। ছোৱালীজনীৰ কথাত যে কি মৌ আছে! কথাৰেই তাক মুহি পেলালে। তেনে এজনী খুলশালী পোৱাটোও কম সৌভাগ্যৰ কথা নহয়।

সেইদিনা ৰাতি দুয়ো তাতে থাকিল। ছেগ চাই খুলশালীয়েকে তাক এবাৰ 'ভিনদেউ' বুলি জোকালেও। তাৰ কাণ মূৰ ৰঙা পৰিল। কিবা এক অবুজ আনন্দত মন উগুল-থুগুল। তজবজীয়া ভনীয়েক জনায়ে বায়েককো সুধাই এৰা নাই। সি শুনাকৈয়ে তাই বায়েকক কলে—

ঃ বাইদেউ, তোমাৰ ভিনিদেউ জন বৰ ধুনীয়াদেই।

বায়েকে কি উত্তৰ দিলে সি শুশুনিলে। পাছদিনা ভাবী খুলশালীয়েকক ছুটী পালেই পুনৰ অহাৰ প্ৰতিশ্ৰুতি দি সি ওলাই আহিল। ইতিমধ্যে বৰবাবু





ওলাই গৈ পদুলিৰ মূৰত তেওঁৰ ভনীয়েকৰ লগত কথা হৈ আছিল। সি খোজ চলাওঁতেই খুলশালীয়েকে তাৰ হাতত সৰু টোপোলা এটা তুলি দিলেহি। সি বৰবাবুহঁতৰ দৃষ্টিৰ পৰা টোপোলাটো আঁৰ কৰিবলৈ পাৰ্য্যমানে চেষ্টা কৰিলে। মাকে পদুলি মূৰত বিদায় দি কলে—

ঃ বোপা ছুটী পালে মাজে সময়ে আহিবা।

'ভাল বাৰু' বুলি শলাগ লৈ সি আগবাঢ়িল, জপনাখন বন্ধ কৰোঁতে ঘূৰি চাই দেখিলে—বায়েক ভনীয়েক দুয়ো পদুলিলৈকে চাই আছে।

বাটত বৰবাবুৱেই কথা আৰম্ভ কৰিলে—

ঃ বিয়াখন পাছে কেতিয়া মানলৈ পাতো বুলিছা।

ঃ আপুনিতো জানেই—মোৰ তেনেকৈ আপোন কোনো নাই। ককাইদেউ-হঁত আছে যদিও নামতহে।

ঃ বুজিছো। আমি আছো নহয়। তুমি চিন্তা কৰিব নালাগে। কেৱল তোমাৰ নিজাকৈ কিবা কব লগা আছে নেকি বুলিহে কথাটো সুধিছো।

ঃ নাই মামা, মোৰ একো কব লগা নাই। আপুনি যি কৰিবলৈ কয় মই তাকেই কৰিম। আপোনাৰ এই উপকাৰৰ বাবে মই……আবেগ বিহ্বল হৈ সি বৰবাবুক তাৰ অজানিতেই 'মামা' সম্বোধন কৰি পেলালে। পাছতহে সি কথাতো ভাবিলে—তেখেতে বেয়া পালে নেকি ? বৰবাবুৰ মুখলৈ নিৰীক্ষণ কৰি সি অৱিষ্কাৰ কৰিলে—তেওঁৰ চকু-মুখত প্ৰসন্নতাৰ ছবি বিৰিঙি উঠিছে।

যথাসময়ত ৰাধা আৰু ৰবীনৰ বিয়া হৈ গ'ল। প্ৰায় সকলো ক্ষেত্ৰতেই বৰবাবুৱে সহায় কৰিলে। ৰবীনৰ বিয়াৰ কথা শুনি চাহাবেও ভাল পালে। বিয়াৰ আগে আগে ৰবীনক পকী কোৱাৰ্টাৰ দিলে। বিয়া নতুন ঘৰৰ পৰাই পতা হ'ল। খবৰ পঠালত ককায়েক বৌৱেকহঁতো আলহিৰ দৰে আহি ওলালহি। ডাঙৰ ককায়েকে বিয়াখন ঘৰৰ পৰা নপতাৰ বাবে বেয়া পোৱা বুলি কলে। বন্ধুৱাসকলেও পাৰ্য্যমানে সহায় কৰিলে।

কইনাঘৰীয়া প্ৰত্যেকেই দৰাৰ ৰূপৰ প্ৰসংশা কৰিলে। কোনোবা এজনে মন্তব্য কৰিলে। 'আমাৰ ৰাধাৰ কম কপাল নহয় দেই—একেবাৰে মালভোগ কল যেন দৰা পালে।' আন এজনে কলে 'আমাৰ আগৰ দুজন জোঁৱাইক



OKDISCD

চেৰ পেলালে।' মন্তব্যবোৰ শুনি মোমায়েক বৰবাবুৰ গোঁফৰ তলত হাঁহি বিৰিঙিল। চাকৰিৰ কথা জানি, মানে বাগানত মিস্ত্ৰী কাম কৰে বুলি শুনি কোনোৱে অসন্তোষ কৰিলে বৰবাবু নিজে গৈ সেইখিনিত উপস্থিত হৈ চাহাবে যে ৰবীনৰ উন্নতি সম্পৰ্কে প্ৰমাণ পত্ৰ দি থৈছে সেই কথা বিবৰি কয়। মুঠৰ ওপৰত সৰহ ভাগেই বৰবাবুৰ পছন্দৰ তাৰিফ কৰিলে।

যথাসময়ত কইনা বাগিছালৈ অনা হ'ল। মামীয়েক তাতে থাকে বাবে খবৰ পৰা কোনো মাইকী মানুহ নাহিল; কেৱল খুলশালীয়েক ৰঞ্জু লগত আহিল। ৰঞ্জু অহা দেখি ৰবীনৰ মনটো বৰ ভাল লাগি গ'ল।

ৰাধাৰ লগত প্ৰচুৰ যৌতুক দিয়া হৈছিল। এইসকলোবোৰ আনি বাগানৰ কোৱাৰ্টাৰত থান-থিত লগাওঁতে বেচ কিছু সময় লাগিল। বাই-ভনী দুজনী আহি সোমোৱাৰ লগে লগে ঘৰটোৰ ৰূপ সলনি হ'ল। ৰবীনৰ অসাধাৰণ সৌভাগ্য দেখি যেন সকলোৰেই ঈৰ্ষাবোধ কৰিলে। ই জোৱাৰ পাছত সিজোৰা মানুহ কইনা চাবলৈ আহিল। প্ৰায়েবোৰেই নগদ টকাৰে উপঢৌকন আগবঢ়ালে। বহুদিন পাছত এতিয়া আকৌ ৰমণীও তাৰ ঘৰলৈ অহা হ'ল। তাই আহি কামত ইটো সিটো সহায়ো কৰি দিয়েহি। কইনা চাবলৈ আহি কেনে দেখিলে সোধাত তাই নিঃসংকোচেৰে মন্তব্য কৰিলে—

ঃ ৰবীন বাবু, তই ছোট টাকে ছাদী কৰাব লাগিছিল। মাইৰী, তোৰ লগত জবৰদষ্ট মানালে হয়। এখন ভি দুনো বহিনকে ৰাখি ল নহলে।

সকৰ মুখত এনে মন্তব্য শুনি ৰাধাৰ পেটে পেটে খং উঠিলেও নতুন মানুহজনৰ আগত মুখ খুলি একো কব নোৱাৰি মনে মনে থাকিল। তেতিয়ালৈকে ঘৰত আলহীত ভৰি আছিল। ৰাধাই ৰাতিহে ৰবীনৰ লগত দুই এষাৰ কথা হয়—দিনত তেনেকৈ সময়-সুবিধাও নাই, লাজো লাগে। এইকেইদিন সি বেচিকৈ ৰঞ্জুৰ লগতহে কথা পাতিছে ৰমণীৰ কথা কেইষাৰে তাৰ বুকু চুই গল। সঁচাকৈয়ে সি যদি ৰঞ্জুক বিয়া কৰাব পাৰিলেহেতেন! সি নিজৰ ভাৱত নিজেই বিস্মিত হ'ল।

এটা সময়ত বিয়া উপলক্ষে গোট খোৱা সকলো মানুহ ঘৰাঘৰি গ'ল। আঁঠমঙ্গলাৰ দিনা যাওঁতে ৰঞ্জুকো থৈ আহিল। এতিয়া ঘৰখনত তাহাঁত দুটা একেবাৰে অকলশৰীয়া। প্ৰায়েই ৰাধা মামীয়েকৰ তালৈ যায়। মাজে সময়ে





মামীয়েকো আহে। আজিকালি প্ৰায় সদায়েই ৰমণী আহি ইটো-সিটো কৰি দিয়েহি। এই বহুবক্তী ছোৱালীজনী প্ৰথমৰ পৰাই ৰাধাৰ ভাল লগা নাছিল। কিন্তু ভদ্ৰতাৰ খাতিৰত তাইক একো কবও নোৱাৰে।

এদিন ৰাধাই গা-বেয়া বুলি শুই থকা দেখি ৰমণীয়ে ক'লে—

আমাৰ ৰবীনবাবু কিন্তু তোৰ ৰকম কমজোৰ নহয়। তুই খুব আৰামত ডাঙৰ হৈছতো। ৰবীণবাবুৰে কিন্তু বাচ্চা সময়ৰ পৰাই বহুত কষ্ট উঠাইছে। তাৰ টিকাত দেখিবিচোন, ঐ টেমৰ চিন এতিয়াভি আছে।

ৰমণীৰ কথাই ৰাধাৰ বুকুত শেলে বিন্ধাদি বিন্ধিলে। ৰবীনৰ টিকাৰ কটা চিনটো বিয়াৰ ভালেদিনৰ পিছতহে ৰাধাই আবিষ্কাৰ কৰিছে, সেইটো চিন ৰমণীয়ে দেখিলে কেনেকৈ? ৰমণীৰ লগতযে ৰবীনৰ এসময়ত এটা অশ্লীল সম্পৰ্ক গঢ়ি উঠিছিল সেই কথাৰ ইয়াতকৈ আৰু ডাঙৰ প্ৰমাণ লাগিছেনে? হাতে হাতে প্ৰমাণ পোৱাৰ পাছত গিৰিয়েকক সুধিয়েইবা কি লাভ? কিবা এটা মনেসজা উত্তৰ দি দিব। কথাটো ভাবি ভাবি তাই মানসিক অশান্তিত জ্বলি-পুৰি মৰিল। এতিয়াতো গিৰিয়েকক পৰিত্যাগ কৰাৰো কোনো পথ নাই। গতিকে ভৱিষ্যতে যাতে কোনো অঘন্তৰ নঘটে তাৰবাবে ৰমণীক আঁতৰাই পঠোৱাটোৱেই মংগলজনক। ৰমণীৰ ইয়ালৈ অহাটো বন্ধ কৰিবই লাগিব। তাই সিদ্ধান্ত কৰিলে।

এদিন পুৱা। ভিতৰৰ কোঠা এটাত ৰবীন চকী এখনত বহি আছে। কাষতে ৰাধা থিয়হৈ আছে। ৰমণী অহা গম পাই খঙতে ৰাধা আঁতৰি গ'ল। তাই সুধিলে; কি হ'ল ৰবীনবাবু, শালীটোক ৰাখি আহি মন উদাস লাগিছে নেকি?

ঃ এৰা অ' ৰমণী, বিয়াৰ হুলস্থুলবোৰ নাইকিয়া হলত এতিয়া কিবা চোনচান লাগিছে।

ৰাধা পাকঘৰলৈ গ'ল। স্বাভাৱিক চপলতাৰে ৰমণী গৈ পাকঘৰৰ দুৱাৰমুখত ভুমুকি মাৰি ক'লেঃ কি বাবুৱানী, চাহ-তাহ নাই দিবি নাকি?

খঙত একো নামাতি ৰাধাই স্টভটো জ্বলাই চাহৰ কেট্‌লি তুলি দিলে।

এসময়ত চাহ খাই হাঁহি হাঁহি ৰমণী গুচি গ'ল। কিতাপত চকুফুৰাই থকা ৰবীনকো মাত লগালে। পাকঘৰৰপৰা আহি ৰাধাই কলে—



OKDISCD

প্ৰথম আহিয়েই তেখেতে তোমাৰ ওপৰত কি ধাৰণা লৈ যাব ? এইবিলাক কথাত মই বৰ লাজ পাওঁ।

ঃ ঠিক আছে বাৰু তুমি ভাল পোৱাটোকে কৰিম।

পাছদিনা চাহাবক লগ ধৰি কথাটো কলত মাত্ৰ পোন্ধৰ শ' টকাতে ৰবীনক গাড়ীখন দিবলৈ মান্তি হৈ গ'ল। দুপৰীয়া আহি মৌজাদাৰক খবৰটো জনালত তেওঁ টকা পোন্ধৰ শ' দি কলে ঃ ৰবীন বোপা গাড়ীখন আনি ইঞ্জিনটো ভালকৈ চাই-চিতি দিবা। মই আজিয়েই যাওঁগৈ। এদিন আহি গাড়ী লৈ যামহি।

মৌজাদাৰ গুচি গ'ল। ৰবীনে গাড়ীখন আনি নিজহাতে খুলি-মেলি সকলো ঠিক ঠাক কৰিলে। প্ৰয়োজনীয় পাৰ্টচবোৰ কোম্পানীৰ লগত লেন-দেন থকা দোকান এখনৰপৰা নিজৰ নামত ধাৰলৈ আনিলে। এহেজাৰ টকাৰ বস্তু লাগিল। সকলো কথা মৌজাদাৰক চিঠি লিখি জনাই দিলে।

এদিন ড্ৰাইভাৰ এজন লগত লৈ আহি মৌজাদাৰে গাড়ীখন লৈ গলহি। ৰবীনৰ প্ৰায় এমাহ দিন-ৰাতিৰ খাটনি বাদেই, দোকানৰপৰা বিভিন্ন বস্তু ধাৰলৈ অনা টকা হেজাৰো নামকে নুলিয়ালে। বয়সীয়া মানুহজনক নিজে কবলৈও সি ভাল নাপালে। তাৰ পিছত আৰু কোনো খবৰ নাই।

* * * *

প্ৰায় বছেৰেক মানৰ মূৰত এদিন মৌজাদাৰৰ পৰা এখন চিঠি আহিল। তেতিয়া অশৌচৰ বাবে ৰাধা মাকৰ ঘৰত আছিলগৈ। চিঠিত মৌজাদাৰে লিখিছে—গাড়ীখনে হেনো আমনি কৰিছে। ৰবীন নিজে গৈ দুৰাতিমান থাকি ভালদৰে চাই-চিতি ঠিক কৰি দি আহিব লাগে। চিঠিখনৰ সুৰটো এনেকুৱা যেন ৰবীনে তেওঁক গাড়ীখন লৈ দি ঠগহে কৰিলে। ··· চিঠি পঢ়ি ৰবীনৰ মূৰ গৰম হৈ গ'ল। কি কৰিব কি নকৰিব সুধিবলৈ ৰাধাও নাই।

পাছদিনা ৰাধাহঁতৰ ঘৰৰপৰা এখন টেলিগ্ৰাম পালে। সি এটি পুত্ৰ সন্তান লাভ কৰিছে। মাক-পুতেকৰ এতিয়া ভালেই। খবৰটো জানি লগৰ সকলোৱে তেওঁক 'খানা' খুৱাবলৈ জোৰ কৰিলে। বয়সীয়া দুজনমানে এবাৰ গৈ খবৰ লৈ আহিবলৈ উপদেশ দিলে। তাৰো যাবৰ মন গ'ল। পাছদিনা পুৱাই সি যোৰহাটৰ বাছ ধৰিবলৈ চাইকেল কোবালে। সিহঁতৰ বাগিচাৰ বাবে বস্তুবাহানি কিনা 'হাৰ্ডওৱেৰ' ষ্ট'ৰ খনত চাইকেল থবলৈ সোমাওঁতে মালিকে মাত লগালে।



ঃ আহক বাবুজী, আহক। আপোনাৰ ভাল খবৰটো কালি হাজিৰাবাবুৰ মুখে পাইছো। আমাক মিঠাই কেতিয়া খুৱাব ?···এই ৰাম নাগিনা, চাহাবকা চাইকেল অন্দৰ ৰাখো।

ঃ মিঠাই খাব বাৰু।

চকীখন এনেয়ে এবাৰ কোবাই দি তেওঁ ৰবীনক বহিবলৈ ইংগিত দিলে। বহোঁ নবহোঁ কৈ চকীখনত বহি ৰবীনে কলে ঃ বহিবৰ সময় নাই বাবুজী, টিকেট কাটিবগৈ লাগে।

ঃ আচ্ছা, বহুকচোন অলপ চাহ তামোল খক, টিকেট মই কটাই দিছো। এই শ্যামসুন্দৰ যোৰহাট এক্সপ্ৰেছৰ এটা টিকেট কাটি আন চোন। ৰামনাগিনা, বাবুজীকো চাহ পিলাও।

'জী চাহাব বুলি' ৰামনাগিনাই চাহ দোকানলৈ গৈ চাহ-মিঠাই আনি দিলেহি। ৰবীনে কলে ঃ আপোনালোকে চাহ নাখায় নেকি ?

ঃ আমি এইমাত্ৰ খাইছো, আপুনি খাওক।

বাক্যব্যয় নকৰি ৰবীন চাহ খোৱাত লাগিল। দোকানৰ মালিকে মিহি সুৰত কলে ঃ বাবুজী, আপনাৰ এটা পুৰণি হিচাপ আমাৰ লগত আছে। কিছু খাৰাপ নপাব—আপনি পাহৰিছে বুলি মনত কৰিহে দিছো। কোনো কথা নাই—যেতিয়া চুবিধা হয় দি দিব।

ঃ মনত আছে বাবুজী, এইবাৰ বোনাচ পালেই লেঠা মাৰি দিম। শ্যামসুন্দৰ আহি টিকেট দিলত ৰবীন উঠিল।

দুপৰীয়া বাৰমান বজাত সি যোৰহাট পালেগৈ। ঘৈণীয়েক আৰু ল'ৰাৰ স্বাস্থ্য দেখি তাৰ মনটো ভাল লাগিল। ভাত-পানী খাই দুপৰীয়া জিৰাওঁতে খুলশালীয়েকে কলেহি ঃ ভিনিদেউ, আজি আমাক চিনেমা দেখুৱাব লাগিব।

ঃ চিনেমা চাবা বাৰু।

* * * *

আবেলি সি বজাৰলৈ গৈ দুজন ধৰণৰ ৰৌ মাছ এটা আৰু কিবা কিবি শাক পাচলি আনিলে। খুলশালীয়েক বন্ধু চিনেমালৈ বুলি সাজি কাচি ওলাল। বান্ধৱী মিগ্ধাকো লগ ললে। পদূলি মুখলৈ ওলাই তাহাঁতে ৰিক্সাৰ বাবে ইফালে সিফালে চালে। ৰাষ্টাৰ দাঁতিত মাত্ৰ এখন ৰিক্সা দেখি সি কলে—



OKDISCD

: তোমালোক নহলে গৈ থাকা। মই আন এখন বিচাৰোঁ। হোঁৱা, এই টকা কুৰিটা নিয়া, পাৰিলে টিকেট কাটিবা। শুনিছোঁ, আজিকালি লেডিজৰ বাবে বিশেষ সুবিধা আছে।

: ইস, এতিয়া মইহে আপোনাক টিকেট কাটি চিনেমা দেখুৱাব লাগিল। দিয়ক বাৰু।

তাহাঁত দুজনী ৰিক্সাৰে গলগৈ। সি খোজ চলালে, মনতে ভাবিলে এই-কণ বাটৰ বাবে আকৌ ৰিক্সাখন কেলেই? সি আজিলৈকে এদিনো তাহাঁতৰ লগত চিনেমা চোৱা নাই। গতিকে কোন শ্ৰেণীৰ টিকট কাটিব, ধৰিব পৰা নাই—সেই বাবেই সি ৰঞ্জুকে কাটিবলৈ দিলে। অৱশ্যে সি মনে মনে বক্সতে কটাৰ সিদ্ধান্ত লৈছিল। হলৰ ওচৰ পাই সি দেখিলে—দুয়োজনীয়ে হাঁহি হাঁহি তালৈকে চাই আছে।

: কি হ'ল ভিনদেউ, ৰিক্সা নাপালে নেকি?

: এৰাহে।

: আমাৰ এইডোখৰত এইটোৱেই অসুবিধা। সেইবাবেই বৰভিনিদেউ আহিলে নিজৰ গাড়ী লৈ আহে। মাজুভিনদেৱে গাড়ী নানিলেও টেক্সি মাতি আহে।

: বাৰু বাৰু এতিয়াৰপৰা চিনেমা চাবলৈ হলে ময়ো টেক্সি মাতি আহিম। মই কথাটো নাজানোতো।

: চিনেমা আৰম্ভ হবলৈ ভালেপৰ আছে। বলক চাহকে একাপ একাপ খাই লওঁ।

তিনিও ৰেষ্টুৰাঁত সোমাল। চাহৰ অৰ্ডাৰ ৰঞ্জুৱেই দিলে। ৰবীনে খালী চাহ একাপহে খাম বুলি ভাবিছিল যদিও ৰঞ্জুৱে মিঠাইৰ অৰ্ডাৰ দিলেই। খোৱা শেষ কৰি সি পইচা দিবলৈ কাউণ্টাৰৰ ফালে যাব খুজিছিল; ৰঞ্জুৱে বাধা দি কলে: মোৰ হাতত আপুনি দিয়া টকা আছেই। বয়টোৱে বিল ইয়ালৈকে আনিব।

অলপ পাছতে বয়জনে প্লেট এখনত মছলা দুটামানে সৈতে বিলখন লৈ আহিল। মছলা দুটামান মুখত ভৰাই ৰঞ্জুৱে তাতে পাঁচটকীয়া নোট এখন থলে। নোটখন লৈ গৈ কাউণ্টাৰৰপৰা এটকীয়া নোট এখন আৰু কিছু খুচুৰা পইচা আনি বয়টোৱে পুনৰ প্লেটখনতে থলেহি। ৰঞ্জুৱে নোটখন তুলিলৈ





বাকীখিনি তাক 'টিপচ' হিচাপে দিলে। সি দুয়োখন হাত ওপৰলৈ তুলি প্ৰণাম জনাই কাপপ্লেটবোৰ সামৰাত লাগিল। সিহঁত উঠি হলৰ ফালে খোজ চলালে।

ৰাতি ৰবীন শুবৰ সময়ত ৰাধাই কলে: মোৰ লগত মাহঁতে প্ৰায় এহেজাৰমান টকা খৰচ কৰিলে। আনিছা যদি টকাখিনি দি যাবা।

: মোৰ হাতত এতিয়া টকা পাঁচ শ হে আছে। ইয়াকে ৰাখা—বাকীখিনি মই পঠাই দিমগৈ।

বাগিচাত ৰখা হলে বিনা খৰচে হোৱা কামটোৰ বাবে অযথা ইমান বেচি টকা খৰচ হোৱাৰ বাবে সি মনে মনে ক্ষুন্ন হলেও প্ৰকাশ্যে একো নকলে, মানে ভদ্ৰতাৰ খাতিৰত কৰ নোৱাৰিলে।

ঘূৰি আহি বেংকাৰৰপৰা টকা পাঁচ শ ধাৰলৈ লৈ ৰাধাৰ নামত পঠাই দিলে।

কেইমাহমানৰ মূৰত কোম্পানীৰ গাড়ী এখন লৈ সি ৰাধাহঁতক লৈ আহিল। তেতিয়াৰেপৰা তাৰ খৰচৰ মাত্ৰাও চৰিল। ল'ৰাটো চাবৰ বাবে 'চুকুৰি' এজনী ৰখাৰ উপৰিও ৰন্ধা-বঢ়াত সহায় কৰিবলৈ, মানুহ এটা ৰাখিবলগীয়া হ'ল। উপাৰ্জনৰ পৰিমাণ বঢ়াৰ লগে লগে খৰচো বাঢ়ি গ'ল। আজিকালি ৰমণী একেবাৰে নহা হ'ল। গঙ্গাও কেতিয়াবা কাচিতহে আহে। ৰাধাৰ ব্যৱহাৰত চাগৈ বেয়া পাইছে। কথাটো সি ৰাধাক সুধিম সুধিম বুলি ভাবিও নুসুধিলে। ৰাধা যিহে ছোৱালী—কথাটো অন্যভাবে লৈ লাগিলে হুলস্থুল লগাই দিব।

## সাত

কেইমাহ মানৰ পাছতে আকৌ অন্নপ্ৰাসন পতাৰ সমস্যা আহিল। প্ৰথম সন্তানৰ অন্নপ্ৰাসন যেতিয়া অলপ বাহুল্য কৈয়েই পাতিব লাগিব। সকলো মিতিৰ-কুটুমকে মাতিব লাগিব।

আয়োজন সি পূৰাদমেই কৰিলে। প্ৰায়বোৰ মিতিৰ-কুটুম আহিল। বাগিচাত থকা মোমায়েক, মামীয়েকে কামত বিশেষ সহায় কৰিলে। ঘৰৰপৰা ৰঞ্জু আৰু শাহুৰেক আহিল। এজন শালপতিয়েক, দুয়োগৰাকী জেশাহুৰেক আৰু



OKDISCD

তেওঁলোকৰ ল'ৰা-ছোৱালীৰে ঘৰ ভৰি পৰিল। বাগানৰ গোটেই 'ষ্টাফ'কে মাতিলে। মুঠৰ ওপৰত অন্নপ্ৰাসনটো প্ৰায় সৰু-সুৰা বিয়া এখনৰ নিচিনাই হ'লগৈ। ফল স্বৰূপে তাৰ সঞ্চিত ধনৰ ওপৰিও কিছু ধাৰ লাগিল।

অন্নপ্ৰাসনৰ পাছ দিনাই জেশাহুৰেক আৰু শালপতিয়েক গলগৈ। কামৰ মানুহ, বেচিদিন থাকিব নোৱাৰে। শাহুৰেক আৰু ৰঞ্জু কিছুদিন থাকিল।

এদিন দুপৰীয়া ভাত খাই উঠি জিৰাওঁতে শাহুৰেকে কলে—

ঃ কালিলৈ মানে আমি যাওঁগৈ বুলি ভাবিছোঁ। তোমাৰ থৈ আহিবলৈ সময় হ'ব জানো?

: কিবা এটা কৰিব লাগিব। কিন্তু ইমান খৰধৰ কৰিব লাগিছে কেলেই?

ঃ নহয়, অহা খৰালিতে পাৰিলে এইৰ বিয়াখন পাতিব লাগে। দৰাঘৰৰ পৰা খবৰটো পালেই তাৰিখ ঠিক হ'ব। বন্দবস্ত হোৱাৰ পাছত বেচিদিন ৰৈ থাকিব নোৱাৰি। আজিকালিৰ ল'ৰা-ছোৱালীৰ মতি-গতি, কেতিয়া কোনফালে ঢাল লয় ঠিক নাই। গতিকে শুভকাম সোনকালে সমাধা কৰিব লাগে।

ঃ হয়।

এনেতে ৰঞ্জু তামোলৰ বটালৈ সোমাই আহিলত আলোচনা ইমানতে ৰ'ল।

ৰাতি শুবৰ সময়ত সি ৰাধাক কলে ঃ হেৰা, শুনিছানে, মাএ চোন কালিলৈকে যোৱাৰ কথা কৈছে।

ঃ অঁ মোৰ আগতো কৈছে। পিছে কি কৰো বুলি ভাবিছা?

ঃ প্ৰয়োজন হ'লে ছুটী লব পাৰিম।

ঃ চাহাবক কৈ গাড়ীখনো এদিনৰ বাবে লব নোৱাৰিবা জানো?

ঃ নাই, নোৱাৰিম। প্ৰত্যেক কথাতে মই চাহাবক তেল লগাব নোৱাৰোঁ। লাগে যদি গাড়ী ভাড়াকৈ আনিম।

: তেন্তে তাকে কৰা। নহলে মা, এই বয়সত বাছত যাব কেনেকৈ?

সন্ধ্যাত কাৰ গাড়ী আনিব পাৰি তাকে চিন্তা কৰি কৰি সি টোপনি যোৱাৰ চেষ্টা কৰিলে। বজাৰীয়াৰ লগত বাগিচাৰ লেনদেন আছে। তাৰ গাড়ীখনকে এদিনৰ বাবে আনিব লাগিব।

পাছদিনা গাড়ীখন ভাড়া কৰি সি শাহুৰেক, খুলশালীয়েকক থবলৈ গ'ল। উভতিবৰ সময়ত শাহুৰেকে কলে ঃ দৰাঘৰৰপৰা খবৰটো পালেই তোমালৈ





লিখিম। ৰাধাকো কথাটো কবা। তাইক বৰকৈ কামবন কৰিবলৈ নিদিবা। ইয়াৰপৰা যোৱাতকৈও তাইক দুৰ্ব্বল যেনহে দেখি আহিলো।

'ভাল বাৰু' বুলি সি গাড়ীত উঠিলহি। ৰাধাৰ শৰীৰ দুৰ্ব্বল হোৱাৰ কাৰণটো সি জানিলেও শাহুৰেকৰ আগত কব নোৱাৰে। ৰাধাৰ গাত আকৌ লেঠা হৈছে বুলি সি শাহুৰেকক কেনেকৈ ক'ব?

কেইদিনমানৰ পাছতে সি শাহুৰেক আৰু খুলশালীয়েকৰ চিঠি পালে। আচলতে শাহুৰেকৰখনো ৰঞ্জুৱেই লিখিছে—কেৱল চহীটো শাহুৰেকে কৰিছে। বুঢ়ীৰ আখৰকিটা বেয়া নহয়। হয়তো বয়সৰ বাবে হাত নচলে কাৰণে জীয়েকৰ হতুৱাই লিখাইছে।

ৰাধাই চিঠি পঢ়ি তাৰ বৰণীয় সম্পৰ্কে এটা দীঘলীয়া বক্তৃতা দিলে। এইখনেই যে তাৰ শহুৰৰ ঘৰৰ প্ৰথম আৰু একমাত্ৰ ছোৱালী খুলশালীয়েকৰ বিয়া সেই কথাটোও ৰাধাই সোঁৱৰাই দিবলৈ পাহৰা নাই।

একমাত্ৰ খুলশালীয়েকজনীলৈ তাৰো চেনেহ কম নহয়। তদুপৰি তাইক প্ৰথম দেখাৰপৰাই তাৰ ভাল লাগিছে। হলেও সি যিমানৰ মানুহ সিমানখিনিহে কৰিব পাৰিব। ৰাধাক এনেয়ে সুধিলে ঃ এইখন বিয়াত আমি কি দিয়া ভাল হ'ব বাৰু?

ঃ তুমিহে জানা, তোমাৰ খুলশালীয়েৰৰ বিয়াত কি দিঁয়া?

ঃ কিয়—তোমাৰ জানো ভনী নহয়?

ঃ আমাৰ বিয়াত ডাঙৰ বাইদেৱে ফাৰ্ণিচাৰ চেটটো আৰু মাজু বাইদেৱে গহনাখিনি দিছিল। বাকী কাপোৰকানি খিনিহে মা-হঁতে কিনিছিল। সৰুমলীয়া ভনী বুলি বাইদেউহঁতেতো ভালকৈ দিবই।

ঃ হয়নেকি?

ঃ অঁতো, তাকে চাই তুমি কি দিয়া ঠিক কৰা।

ঃ মই কি দিম আৰু? একেবাৰে সৰু ভিনীহেঁক, আৰ্জ্জনো কম। ভাল কাপোৰ এজোৰ দি বিয়া খাই গুচি আহিম।

ঃ অকল কাপোৰ এজোৰ দিবলৈ হ'লে তুমিয়ে যাবা। বিয়ালৈ মই নাযাওঁ। সবেই 'কি দিছে'; 'কি দিছে' বুলি সুধি ফিচিঙা ফিচিঙ কৰিব। মোৰ লাজ নালাগিব নেকি?



OKDISCD

ঃ বাৰু, বাৰু তুমি বিয়া খাবলৈ যাবলৈ হলে কি দিব লাগিব তাকে কোঁৱা।

ঃ প্ৰথম আৰু একমাত্ৰ ভনীজনীৰ বিয়া যেতিয়া অন্ততঃ আমি ভাল গহনাৰ চেট্ এটা দিয়া উচিত। আগলৈ পাচলৈ দিব-থবলৈ তেনেকৈ নায়েই। আৰু, পাছত আমাৰ 'অভাৱ বাঢ়িহে যাব।

: টকা কিমান লাগিব ?

: এক/ডেৰ হাজাৰৰ কমত চেট এটা কেনেকৈ হ'ব ?

ঃ সিমান টকা ক'ত পাম। সাঁচতীয়া যি কেইটকা আছিল সেয়া দেখোন খৰচ হলেই।

: হাতত নাথাকিলে ধাৰ কৰিব লাগিব।

: ধাৰ কৰিলোৰেই যেনিবা—মাৰিম কৰ পৰা ?

: বোনাচ-তোনাচৰ সময়ত কিছু দি বাকী মাহে মাহে মাৰি থাকিব লাগিব।

ঃ অ···বোনাচ বুলিলত মনত পৰিছে, তোমাৰ সেই মৌজাদাৰ মোমায়েৰাৰ গাড়ীৰ পাৰ্টচ কিনা টকা এহেজাৰৰ ধাৰো মাৰিবলৈ আছে। মোক সিদিনা কৈছিল। বোনাচ পালে দিম বুলি কৈছো।

এইটো প্ৰসংগ ওলোৱাৰ লগে লগে একো নামাতি ৰাধা পাকঘৰ সোমাল ৰবীনে ভাবিলে—মটৰ পাৰ্টচৰ ধাৰ এইবছৰৰ বোনাচেৰে সি নামাৰে। আৰু এহেজাৰমান টকা কৰবাত ধাৰ কৰিব লাগিব বাগানৰ বেংকাৰক কলেও অৱশ্যে দিব। ইয়াতে হ'লে অলপ সুবিধাও, দৰ্মহা পোৱাৰ লগে লগে অলপ অলপকৈ মাৰি যাব পাৰিব।

আজি দুদিনমান ৰবীন বৰ ব্যস্ত। কলঘৰৰ মেচিন এটাই বৰ আমনি কৰিছে। কি হৈছে সঠিককৈ কোনেও ধৰিব পৰা নাই। ইঞ্জিন ড্ৰাইভাৰ তুলসীয়ে বিয়েৰিংৰ গণ্ডগোল বুলি কয়। সি কিন্তু কথাটো বিশ্বাস কৰা নাই। সকলোবোৰ ঠিকঠাক কৰা বেছি দিন হোৱা নাই। কোম্পানীৰ হেড অফিচৰ পৰা অহা ইঞ্জিনীয়াৰেও চব ঠিক আছে বুলি কৈ গৈছে।

অশেষ কষ্ট কৰি অভিধান চাই চাই কেইবাখনো ইংৰাজী কিতাপ পঢ়ি সি ইঞ্জিনটো খোলাকে ঠিক কৰিলে। ইঞ্জিন ড্ৰাইভাৰ তুলসীৰ কথাই কিজানি সঁচা। কথাটো মগজত খেলাওঁতে তাত কেৱল গংগাহে আছে।





ঃ এই গংগা, কালিলৈ আমি ইঞ্জিনটো খুলিম। তই মাংৰা, ৰেংটুইঁতক এতিয়াই কৈ যাবি। পাঁচ বজাতে চব আহিবি, হুইচেল মৰালৈ বাট চাব নালাগে। লাগিলে চাহাবক কৈ আমি তিনি বজাত ছুটী কৰিম। একেদিনাই ঠিক নহলে পাত মৰা মস্কিল হ'ব।

ঃ ঠিক আছে—মই চবজনকে জোৰ কৰি লৈ আহিম। তুলসী বাবুকো কথাটো কব লাগিব নহয় ?

ঃ মই যাওঁতে তুলসী বাবুৰ তাত সোমাই যাম।

* * * *

ৰাতি ৰাধাই তাক সুধিলে ঃ টকা পইচাৰ কি কৰিছা ?

ঃ হব দিয়া, কালিলৈকে মই বেংকাৰক কম। গোটেই খিনি নিদিলেও কিবা এটা দিব।

পুৱা পাঁচ বজাত উঠি ৰবীন কলঘৰলৈ ওলাওঁতেই ৰাধাই বিচনাৰপৰা বেংকাৰক কথাটো কবলৈ সকিয়াই দিলে।

পুৱাৰ পৰা গোটেই কেইজন লাগি ইঞ্জিনটো খুলি আকৌ ফিট কৰিলে। তুলসীৰ কথাই ঠিক, বিয়াৰিঙবেই গণ্ডগোল। ৰবীনে মন্তব্য দিলে : আজিকালিৰ ইণ্ডিয়ান বস্তুবোৰৰ ওপৰত অকনো ভাৰসা কৰিব নোৱাৰি।

এবাৰ মাজতে চাহাব আহি সিহঁত কামত লাগি থকা দেখি কিবা কিবি খোৱা বস্তু এসোপামান অনাই দিলে। প্ৰায় ৫ মান বজাত সিহঁতে কাম শেষ কৰিলে। কামটো ভবামতে শেষ কৰিব পাৰি ৰবীন আনন্দত উৎফুল্ল হৈ পৰিল। সৰু লৰাৰ দৰে সুহুৰিয়াই সুহুৰিয়াই চাইকেলেৰে সি ঘৰ সোমালহি। তাৰ আনন্দ দেখি ৰাধায়ো হাঁহিলে। চাহ জলপান দি ৰাধাই সুধিলে ঃ কিবা পালানে ?

: পালোতো

ঃ কিমান ?

: এনেয়ে আমি এই কেইদিন কষ্ট কৰিলো প্ৰথমদিনাই তুলসীৰ কথামতে বিয়েৰিং খোলা হলে ইমান অসুবিধা নহয়।

ঃ বিয়েৰিংৰ কথা মই শোধা নাই। টকাৰ কথা সুধিছো, টকা। লোহা লক্কৰৰ বাহিৰে মানুহজনে যদি আন কিবা চিনি পালেহেতেন!



OKDISCD

ঃ এ ··· টকাৰ কথা মই পাহৰিয়েই গৈছিলো। ঠিক আছে, এতিয়াই সুধি আহিম।

ঃ সেইটোকে আচিলা লৈ এতিয়া আকৌ ওলাই যাব নালাগে। মেচিনৰ লগত কাম কৰি তুমি মানুহটোও একেবাৰে মেচিন হৈ গৈছা। সেই ব্ৰহ্মপুৰাতে ওলাই গৈছা তোমাৰ দুখ ভাগৰ নাই নেকি?

ঃ কলঘৰলৈতো এপাক যাবই লাগিব। আজি ঠিক কৰা মেচিনটো কেনে চলিছে চাবগৈ লাগিব নহয়।

: খালি কলঘৰ, মেচিন, ইঞ্জিন ইমানেই। এইবোৰ মানুহে বিয়া বা কৰায় কেলেই? আমাৰতো মন বোলা বস্তু এটা আছে।

: তুমি বৰ অবুজহে।

নিজৰ সফলতাত বিভোৰ হৈ সি গান এটা গুণ গুণাই থাকিল।

* * * *

অন্য এদিন সি ৰাধাক কলে : তোমাক সোনকালে ঘৰলৈ মাতিছিল। যোৱা যদি গহনা খিনিৰ অৰ্ডাৰ তুমিয়ে দিব পাৰিবা।

ঃ গহনাৰ অৰ্ডাৰ দিব পৰাকৈ ইমান সোনকালে যাম নেকি আৰু?

: মায়ে কৈ পঠাইছিল বাবেহে সুধিছোঁ।

ঃ মই ইমান আগতে গলে তোমাৰ খোৱা-বোৱাত অসুবিধা নহব জানো।

ঃ মোৰ অসুবিধা-সুবিধাৰ কথা ভাবি তুমি মূৰ ঘমাব নালাগে।

ঃ তাৰ মানে, তুমি মই থাকিলে ভাল নোপোৱাঁ। ঠিক আছে, পঠাই দিবা, একেবাৰে গুচি যাম।

ঃ সেইটো কথা তোমাক মই কেতিয়া কলো? ···বাৰু সেইবিলাক যাবলৈ দিয়া—গহনাখিনি তুমি ক'ত বনালে ভাল হয় বুলি ভাবিছা?

ঃ নগদ টকা দি বনাম যেতিয়া যোৰহাটত বনোৱাই ভাল। তাৰ সোণাৰীয়ে অসমীয়া পেটাৰ্ণৰ অলংকাৰ গঢ়িব জানে আৰু মোৰ চিনাকিও।

ঃ তেতিয়াহলে আমি দুয়ো এদিন গৈ আঁহো। বাছতে যাব লাগিব। গাড়ী ভাৰাকৈ নিলে বহুত টকা ভৰণি হয়।

: কোম্পানীৰ গাড়ীখন এদিনৰ বাবে মেনেজাৰক কৈ লব নোৱাৰিবা জানো?





ঃ জীপখনহে পাম। জীপত ইমান দূৰ যাব পাৰিবা জানো?

ঃ জীপ হলেও নিজাকৈ গাড়ী এখন নিব পাৰিলে ঘূৰা মেলাত সুবিধা হয়।

: হ'ব বাৰু।

## আঠ

বাগিচাৰ জীপখন লৈ এদিন সিহঁত যাবলৈ ওলাল। মেনেজাৰে যোৰহাটত কোম্পানীৰ কিবা এটা খবৰ লবলৈ ভাৰ দি তাক কোম্পানীৰ কাম দেখুৱাই পঠালে। গতিকে ছুটীও লবলগা নহ'ল।

তাহাঁত গৈ ওলোৱাৰ লগে লগে ঘৰখনত হুলস্থূল লাগিল। তাহাঁতৰ প্ৰথম সন্তান লাটু এতিয়া বেচ মৰম লগাটো হৈছে। ৰঞ্জু আহি তাক মাকৰ কোলাৰপৰা চিলাই থপিওৱা দি থপিয়াই নিলে।

চাহ জলপান খাই তাহাঁত দুয়ো বজাৰলৈ ওলাল। ৰঞ্জুও লগতে ওলাইছিল—পাছত তাইৰ বাবে গহনাৰ অৰ্ডাৰ দিব বুলি জানি নোযোৱা হ'ল। তাই লাটুক ঘৰতে ৰাখিলে।

বজাৰৰ কাম সিহঁতে সোনকালেই শেষ কৰিলে। সোণাৰীৰ মতে চেট্‌টোত অনুমানিক ডেৰহেজাৰমান পৰিব। এহেজাৰ টকা অগ্ৰিম দি সি ৰছিদ ললে আৰু বিয়াৰ পোন্ধৰদিন আগতেই বস্তু নিয়াৰ তাৰিখ ললে।

ৰঞ্জুৰ দৰা ৰমেন পি, ডব্লিউ, ডি, ৰ এছ, ডি, অ,। ইঞ্জিনীয়াৰিং পঢ়ি থাকোঁতেই ৰঞ্জুৰ সতে পৰিচয় আৰু মন দিয়া নিয়া। ৰাধাৰ বিয়াৰ বাবে ৰৈ থাকোঁতে থাকোঁতে ৰঞ্জুৱে এম, এ, শ্ৰেণী পালেগৈ। এম, এ,ত নাম লগালেই যেতিয়া তাইৰ পৰীক্ষাটো দি লোৱাৰ ইচ্ছা। নহলে দৰাই বায়েকৰ বিয়াৰ পাছতে বিয়াৰ প্ৰস্তাৱ দিছিল। সেয়ে এই কেইদিন পাছলৈ গ'ল। দৰাৰ আচল ঘৰ ডিব্ৰুগড়ত যদিও যোৰহাটতো মাটিবাৰী কিনি ঘৰ সাজিছে। মুঠতে ৰমেন সকলো ফালৰপৰাই পাত্ৰ হিচাপে উপযুক্ত।

ৰবীনহঁতৰ আবেলি টাউনত অলপ ফুৰাৰ কথা আছিল। ৰাধাৰ গা বেয়া লগাৰ বাবে বাদ দিবলগা হ'ল। তাহঁতৰ বাগানৰ বৰবাবুৰ পৰিবাৰ, মামীয়েক আজিকালি ইয়াতে থাকে—তাত অন্ততঃ ভুমুকি মাৰি যাব লাগিব। গা বেয়া



OKDISCD

লগা বাবে মাকে ৰাধাক থৈ যাবলৈ কওঁতে ৰবীনে হঁা না একো নমতা দেখি ৰঞ্জুৱে কলে ঃ ইস্ এতিয়া বিয়া কৰাই ভিনদেৱে বাইদেউক এদিনো এৰিব নোৱাৰা হ'ল।

ঃ মই এৰিব নোৱাৰা নহয় ৰঞ্জু, বাইদেৱেৰ থাকো বুলিলে মোৰ কবলগা নাই। কিন্তু এৰিলে তোমালোকে জানো ভাল পাবা?

ঃ সেয়া আমাক শুনাইহে কৈছে, ভিতৰি ভিতৰি থাকি যায় বুলি চাগে মন মৰি গৈছে।

ঃ যা অ'—এইজনী কবলৈ কথা নাপালি আৰু।...ৰাধাই দবিয়ালে।

ঃ অ' তেনেহলে দেখিছো, তুমিহে ভিনদেউক এৰিব নোৱাৰা হ'লা। এই-কেইদিনতে স্বভাৱৰ লৰ হলেই। নহবনো কেলেই, ভিনদেউৰ যিহে কন্দৰ্প চেহেৰা—এৰি কেনেকৈ থাকিবা? আমাৰ হলে ভাল পালেও সিমান টান নাই দেই, অৱশ্যে তোমাৰজনৰ সমান ধুনীয়াও নহয়।

এনেতে লাটু ওলালহি। তাৰ মুখত দুই এটা কথা ফুটিছে ঃ দেতা, পিট...হাতেৰে ইংগিত দি সি গাড়ীত যোৱাৰ কথা বুজালে।

ৰাধাই কলে ঃ বুজিছা যা, এতিয়া নাথাকো আৰু। বিয়ালৈতো কেদিনমানৰ আগতে আহিবই লাগিব। দেউতাকক নাপালে লাটুৱেও আমনি কৰিব। ৰাতি এওঁৰ লগতহে শোৱে।

ঃ কথা ঢাকিবলৈ কিন্তু বাইদেৱে বঢ়িয়াকৈ শিকিলে দেই।...ৰঞ্জুৱে টিপ্পনি দিলে।

আবেলিৰ চাহ-জলপান খাই তাহঁাত উভতিল। মামীয়েকক এনেয়ে ঠিয়ৈ ঠিয়ৈ দেখা দিলে। বাগিচাৰ ওচৰ পাই মটৰ পাৰ্টচৰ দোকানখনত সোমাই এইবাৰৰ বোনাচত ধাৰ মাৰিব নোৱাৰাৰ কথা কলে, আৰু অলপ নগদ টকাৰ প্ৰয়োজন হ'ব পাৰে বুলিও কৈ আহিল। মহাজনে সন্মতি জনালে।

বিয়াৰ এসপ্তাহৰ আগতে সি ৰাধাক থবলৈ আহিল। বিয়াৰ বাবে চাহাবে তাক মাত্ৰ দুদিনহে ছুটী দিব। ফেক্টৰী মেৰামতিৰ কাম চলিছে। সি নাথাকিলে মানুহবোৰে কাম-কাজ ঠিকমতে নকৰে। তাৰ ওপৰত এজন পঞ্জাবী হেড্ ফিটাৰ আছে যদিও কাম-কাজত তাৰ সমান পটু নহয়। চাকৰি এৰিবলৈও বেচিদিন নাই। এওঁ 'ৰিটায়াৰ' কৰাৰ লগে লগে তাৰ পদোন্নতি হোৱাটো নিৰ্ঘাত।



এনে অৱস্থাত চাহাবৰ কথা সি কোনসতে অমান্য কৰে? ৰঞ্জুৱে কিন্তু দীঘলীয়া ছুটী লৈ আহিবলৈ তাক বাৰে বাৰে সোঁৱৰাই আছে।

তাক সেইদিনাই ঘূৰিবলৈ নিৰ্দেশ দি মেনেজাৰে নিজৰ এম্বেছেদৰ কাৰখনকে দি পঠাইছে।

সিহঁতক দেখি আন আন মিতিৰ কুটুম্বই সি একেবাৰে বিয়ালৈকে থাকিব বুলিয়েই ভাবিছিল। ডাঙৰ ভিনিহেক-বায়েক আৰু সৰু বায়েক ইতিমধ্যে আহি আছেহিয়েই।

ভিনিহেক কলে ঃ তোমালোক আমাতকৈও আগবাঢ়িবা বুলিহে ভাবিছিলো।

ঃ নাই, ভিনদেউ, ইমান দীঘলীয়া ছুটী ক'ত পাম?

ঃ শালপতিয়েৰাই ছুটী নাই বুলি ৰাণীক থৈ গ'লহি। তেওঁ বোলে বিয়াৰ আগদিনাহে আহিব পাৰিব।

ঃ আমাৰো সেই একে গতি।

চমু উত্তৰ দি সি কাষৰ কোঠাটোত সোমাল। তাৰ চিগাৰেট এটা হোপাৰ তীব্ৰ বাসনা জন্মিছিল। সেয়ে সি অলপ নিৰিবিলি ঠাই বিচাৰিলে। বিচনাখনতে বহি সি চিগাৰেট হোপাত লাগিল। কোনোবা এজন সোমাই আহিব খুজি চিগাৰেটৰ গোন্ধ পাই দুৱাৰমুখৰপৰা আঁতৰি গ'ল। তাৰ কাণত পৰিল—কোনোবা এগৰাকীয়ে কৈছে—

ঃ ৰাধা, গাড়ী তোমালোকৰ নিজৰ নেকি?

ঃ নিজৰ নহলেও নিজৰ বুলিব পাৰা। কোম্পানীৰ গাড়ী, প্ৰয়োজন হলে এওঁ আনে।

ঃ তোমালোকৰ দেখিছো বেচ সুবিধা, ভাৰা-চাৰা নভৰাকৈ গাড়ীত উঠি ফুৰিব পাৰা।

ঃ কামৰ যে কি খাটনি, দেখিলেহে বুজিবা। কেতিয়াবা ২৪ ঘণ্টাৰ ১৮ ঘণ্টাই কাম কৰিব লাগে।

ঃ ইমান খাটনি যদিও তোমাৰ 'তেওঁৰ' চেহেৰাপাতি কিন্তু বেচ সুন্দৰহে আছে। দেখাত বৰ আৰামী মানুহ যেন লাগে।

এনেতে পৰ্দ্দাখন দাঙি চাহ লৈ ডাঙৰ জেশাহুৰেক সোমাই আহিল। ভাগ্যে

ইতিমধ্যে সি চিগাৰেটটো শেষ কৰিলে। সি সন্মান দেখুৱাই বিচনাৰ পৰা উঠিল। কাষৰ টেবুলখনত চাহৰ ট্ৰে থৈ জেশাহুৰেকে ক'লে—

: তুমিবোলে আজিয়েই ঘূৰি যোঁৱাগৈ? ৰাতিটো থাকি পুৱাই গলেওচোন কাম পাবাগৈ।

: পুৱা গৈ কাম নাপাওঁ—আমাৰ কাম পুৱাৰপৰাই।

এনেতে ৰঞ্জু সোমাই আহিল। মুখখন অতিপাত গহীন। বিয়া হ'ব বাবে বেজাৰ কৰিছে কিজানি!

: একেবাৰে এইকেইদিন ছুটী নললে কিয় ভিনদেউ? আপোনালৈ মই দেখোন লেখিছিলোঁৱেই।

: কি কৰিবা ৰঞ্জু, উপায় নাই। আমি গোলামী কৰা মানুহ।

: ইমান কষ্ট কৰি আহিছে, ৰাতিটো জিৰণি লওক। পুৱাই যাবগৈ। ৰাধা বাইদেৱেও একো অসুবিধা নহয় বুলি কৈছে।

: হয়তো একো নহলহেঁতেন, কিন্তু এতিয়া হ'ব। মই মেনেজাৰক ঘূৰি যাম বুলি কৈ আহিছোঁ। কথা দি কথা নৰখাটো ভাল নহয়।

'বাৰু চাহ খাওক' বুলি ৰঞ্জু ওলায় গ'ল। ৰবীনে বিভিয়াই ক'লে—

: ৰাধাক মই মতা বুলি কবাচোন।

আনদিনা হোৱা হলে এইষাৰ কথাত ৰঞ্জুৱে বেচ আমোদ পালেহেঁতেন আৰু তাক জোকালেহেঁতেন। আজি কিন্তু একো নামাতি বাধ্য ছাত্ৰীৰ দৰে গুচি আহিল। ৰবীনে চাহ খাই খাই ভাবিলে—ছোৱালীবোৰৰ জীৱন সঁচাকৈয়ে বৰ বিচিত্ৰ। বিয়াৰ আগৰ আৰু পাছৰ চিন্তাধাৰাৰ মাজত কি বিৰাট পাৰ্থক্য। প্ৰত্যেকজনী ছোৱালীকে ত্যাগৰ একো একোটা জীৱন্ত প্ৰতীক যেন তাৰ অনুমান হ'ল। বিয়াৰ আগত যিখন নতুন ঘৰলৈ যাবলৈ হৃদয় কম্পিত। বিয়াৰ পাছত সেইখন ঘৰৰপৰা আঁতৰি থকাটোৱেই গভীৰ বেদনাদায়ক।

চাহ খাই শেষ হওঁতেই হাতত তামোলৰ বটালৈ ৰাধা সোমাই আহিল। ৰবীনে কলে: আন্ধাৰ হবৰ হলেই, আমি বজাৰৰপৰা বেগতে আহেঁাগৈ বলা। মই ঘূৰি যাবও লাগিব নহয়। শুনাচোন! স্নিগ্ধা আছে যদি তাইকো লগত লোৱাঁ।

: অঁ তাই কাপোৰ পিন্ধিছেই।





গহনাৰ চেট আৰু ৰাধাৰ কিবা কিবি লাগতীয়াল বস্তু কেইপদমান কিনি তাহাঁত সোনকালেই বজাৰৰপৰা ঘূৰিল। ৰ'ধাই চেটটো লৈ ভিতৰ সোমোৱাৰ লগে লগে মাইকী মানুহবোৰে চাবলৈ হেতা-উপৰা কৰিলে। গহনাখিনি সকলোৱে পছন্দ হ'ল।

ৰবীন ড্ৰইং ৰূমতে বহি আছিল। শাহুৱেক আহি কলে: তুমি হোনো এতিয়াই যাবাগৈ?

: হয় মা, মোৰ দেৰীয়েই হৈছে। ড্ৰাইভাৰো নাই—অকলে যাব লাগিব।

: এৰা, যাবাই যেতিয়া দেৰী কৰি লাভ নাই। মোৰ ভাত হৈছেই—এমুঠি খাই যোৱাঁ। ঘৰপাই মাজৰাতিখন কি চৰু যুৰিবাগৈ।

: এতিয়া ৭ বজাতে ভাত নালাগে। চাহ একাপকে দিয়ক বাৰু।

: ভালকৈ জলপান এটাকে খাই যোৱাঁ।

শাহুৱেক ভিতৰ সোমাল। জলপান খাবৰ তাৰ অকণো মন নাছিল—বুঢ়ীৰ আগ্ৰহ উপেক্ষা নকৰি দুটামান চুলে। যাবৰ সময়ত ৰাধাই তামোল দিলেহি। সি টকা এশ ৰাধাৰ হাতত দিলে—এইকেইদিনত কিবা প্ৰয়োজন হলে খৰচ কৰিবলৈ। ৰাধাক নিয়মীয়াকৈ ঔষধপাতি খাবলৈ সি সোঁৱৰাই দি ৰঞ্জুক মাত লগাবলৈ একেলগে সোমাই যাওঁতে ৰাধাই কলে—

: তোমাৰ বাট খৰচ আছে জানো?

: ত্ৰিশ টকা আছে—চলি যাব।

: বাটত যদি গাড়ীয়ে দিগদাৰ দিয়ে।

: নিদিয়ে, গাড়ী ঠিক আছে।

সকলোৰেপৰা বিদায়লৈ সি ওলাই আহিল। প্ৰত্যেকেই তাক সোনকালে আহিবলৈ অনুৰোধ কৰিলে।

আহোঁতে সি বৰবাবুৰ ঘৰতো সোমাই আহিল। মাহীয়েকে কিবা কিবি বস্তু কেইপদমান গিৰিয়েকলৈ বুলি গাড়ীত তুলি দিলে।

## ন

বিয়াৰ আগদিনাই ৰবীনৰ যোৱাৰ সিদ্ধান্ত হ'ল। বৰবাবু অৰ্থাৎ তাৰ মামা শহুৰেকো যাব—তেওঁ পোন্ধৰ দিনৰ বছেৰেকীয়া ছুটী লৈছে। আবেলি



OKDISCD

কলঘৰৰপৰা ঘূৰোতে অফিচত চাহাবক দেখি এনেয়ে খবৰটো দি যাওঁ বুলি সোমাল। তাক দেখি চাহাবে সুধিলে —

: ক্যা তুম আভি জানে চাহটা হ্যায়।

: হাঁ চাহাব! লেকিন……

: ইচ্ দুদিনকো আন্তে তুম হামাৰা কাৰ লে যা চেকটা। 'অভাৰহ'লিংকা বাদ অভিতক দূৰ জার্নিকা ট্ৰায়েল দেনেকা মোকা নাই মিলা। তুম ট্ৰায়েল দও।

: বাহাৰ জানেকো আপকো মুস্কিল হগা।

: ন' ন', হামি এই দুদিন কোম্পানীৰ জীপ চালাব।
লেকিন তুমি জঙ্কৰ ফিৰি আহিব লাগে। নাইতো ফেক্ট্ৰিকা কাম বন্ধ হৈ যাবে।

: মই আহিমেই ছাৰ, আপুনি নিচিন্ত থাকিব পাৰে।

মেনেজাৰে ড্ৰাইভাৰক চিঞৰি কলে: হামাৰা গাড়ীমে তেল-মোবিল দেখকৰ ৰবীন বাবুকো দ'।

'জী চাহাব' বুলি ড্ৰাইভাৰ আঁতৰিল। চাহাবে বঙলাৰফালে খোজ চলালে। চাহাৰ যোৱাৰ লগে লগে বৰবাবু কায় চাপি আহি কলে: ৰবীন বোপা, মোৰো ছুটী কালিলৈৰপৰা—তোমাৰ লগতে মঘো যাম।

: সোনকাল কৰিব লাগিব। নহলে পাওঁতে মহাৰাতি হবগৈ।

: গুটীয়া মানুহটো ওলাওঁতে কেতেকপৰ লাগিছে? মই ওলাওঁগৈয়ে তুমি সেইফালে পাক মাৰি যাবা।

ঘৰলৈ গৈ ৰবীনে মুখহাত ধুই চাহ একাপ কৰি খাই লৈ ছুটকেছত ধুতী-গামোছা-কাপোৰ আদি ঠিকমতে ভৰালে। বেংকাৰৰপৰা অনা টকা এহেজাৰো ললে। তামোল এখন ভৰাই চিগাৰেটটো জলাওঁতেই গাড়ী ঘৰৰ আগত ৰলহি। ড্ৰাইভাৰে সুধিলে: ৰবীন বাবু লগত মঘো যাব লাগিব নে আপুনি নিজেই চলাব?

: মঘে চলাম বাৰু।

: তেন্তে মই যাওঁ—এয়া চাবি লক।

চাহাবে তাক ইমান মৰম কৰাৰ কাৰণ ৰবীনে নুবুজা নহয়। গাড়ীখন





লৈ গলে সি পাছদিনা আহিবই লাগিব। নতুবা কামত ব্যাঘাত জন্মিব পাৰে। চাহাবৰ দূৰদৃষ্টিৰ সি তাৰিফ কৰিলে।

প্ৰয়োজনীয় বস্তুকেইপদ সি গাড়ীত তুলিলে। আগতে চাহাবক কৈ আনি থোৱা বি, ও, পি, চাহৰ সৰু বাকচটোও গাড়ীৰ পাছফালে ভৰাই ললে। গাড়ী লৈ বৰবাবুৰ ঘৰ পাই দেখিলে—তেওঁ লাম-লাকটু এসোপা ঘৰলৈ নিবলৈ যোগাৰ কৰি থৈছে। সময়ৰ অপচয় নকৰি সিও ধৰা-ধৰিকৈ বস্তুবোৰ গাড়ীত তুলিলে। বৰবাবুৱে মন্তব্য কৰিলে: ড্ৰাইভাৰটো লগত নলৈ ভালেই কৰিলা। সিহঁতক দেখুৱাই এইবোৰ নিয়াটো ঠিক নহয়। তুমি একো লোৱাই নাই নেকি?

: তেনেকৈ লব লগীয়া নাই। ছুটকেছতে কাপোৰ কানি আছে।

দুৱাৰ ঘৰ বন্ধ কৰি গাড়ীত উঠোতে বৰবাবুৰ প্ৰায় আধাঘণ্টা লাগিল। সি মনে মনে বিৰক্ত হ'ল যদিও ফুটাই একো কব নোৱাৰিলে।

বৰবাবুক ঘৰত নমাই ৰাতি ১২ মান বজাত সি বিয়াঘৰ পালেগৈ। ইমান ৰাতি কৰাৰ বাবে বাটত গাড়ীয়ে আমনি কৰিছিল নেকি বুলি কেইবাজনেও প্ৰশ্ন কৰিলে। ঘৰৰপৰা ওলাওঁতেই যে তাৰ পলম হৈছে সেই কথা সি কেইবা-জোৰাকো কব লগা হ'ল। সি গাড়ী লৈ অহাৰ বাবে ৰাধাই বৰ ভাল পালে। ইও যেন এটা গৌৰবৰ কথাহে।

বিয়াৰ প্ৰাৰম্ভিক কাম কাজ সকলো প্ৰায় শেষেই হৈছে। জোৰণ আদিও সুকলমেই হৈ গ'ল।

বিয়াৰ দিনা সি নিমন্ত্ৰিতক খুওৱা-বুওৱা কামত তদাৰক কৰি এনেয়ে ইফালে সিফালে ঘূৰিলে। আচলতে সি নুঘূৰিলেও একো অসুবিধা নাছিল। তথাপিও নাথকিলে নহয়—এয়া নিয়ম। কাম নাথাকিলেও এনেয়ে সি ব্যস্ত হৈ দেখুৱালে। মাজে সময়ে লাটুক কোলাত লৈ ৰাধাক আজৰি কৰি দিলে। কিবা বস্তু কম হোৱাত গাড়ীখন লৈ এবাৰ বজাৰ কৰিও আহিল গৈ। মুঠৰ ওপৰত এইখন বিয়াত সি যে অপৰিহাৰ্য্য তাক প্ৰমাণ কৰাৰ আপ্ৰাণ চেষ্টা চলালে।

বিয়া উপলক্ষে গোটা থোৱা সৰহ সংখ্যক আত্মীয় কুটুম্বৰ ধাৰণা সি সৌভাগ্যক্ৰমে এইখন ঘৰৰ জোঁৱাই হলেও বাগিচাৰ এটা সাধাৰণ মিস্ত্ৰীহে।



OKDISCD

মানুহবোৰে তাক কামৰ নির্দেশেহে দিয়ে, পৰামর্শ নিবিচাৰে। এই বিলাক কথাই তাৰ মনলৈ এনে ধাৰণা আনিলে যেন এইখন ঘৰত বাকী দুজন জোঁৱাইৰ স্থান তাতকৈ বহু ওপৰত। মনে মনে সি ক্ষুণ্ণ হলেও প্ৰকাশ্যে স্বাভাৱিক ৰূপেই চলাৰ যত্ন কৰিছিল।

চহৰৰ কেইজনমান সম্ভ্রান্ত ডেকাই তাৰ চাকৰিক লৈ উপলুঙা কৰাৰ কথা নিজ কাণে শুনাৰ পাছত আৰু সি নিজকে চম্ভালিব নোৱাৰিলে। তাৰ এনে হে লাগিল যেন এইখন ঘৰত, এইখন সমাজত সি অদৰ্কাৰী। শালপতিয়েকহঁতে আন আনৰ ঢংগত আলচ কৰা কথাবোৰত ভাগ লব নজনাৰ বাবে তাৰ নিজকে তেওঁলোকতকৈ প্ৰকৃততে হীন হীন যেন লাগিল। নিমিষতে তাৰ মনৰ সকলো উদ্যম নাইকিয়া হৈ গ'ল। আগৰাতি তাক শুবলৈ দিয়া কোঠাটোৰ চকী এখনতে বহি চিগাৰেট হুপি সি টোপনিয়াই থাকিল।

বিয়া শেষ হোৱাৰ পাচত আঙুঠি সলোৱাৰ সময়ত হোৱা মানুহৰ সমবেত কোলাহলতহে তাৰ টোপনি ভাগিল। ইমান সময়ে তাক কোনোবাই বিচাৰিছিল যদিও সি গম পোৱা নাই। তাৰ নিজকে কিবা অপৰাধী অপৰাধী লাগিল। কোঠাৰ পৰা ওলোৱাৰ লগে লগে কেইবাটাও ডেকাই সমবেত স্বৰত কলে: বাগানীয়া ভিনীহিক বিচাৰি আমি গোটেইখন চলাথ কৰিলো—ইমান সময় ক'ত আছিল? ইফালে দৰাঘৰীয়া মানুহে মান ধৰিবলৈ, চিনাকি হবলৈ ৰৈ আছে।

: মোক মান ধৰিব নালাগে।

: মান যেনিবা নধৰিলেই—চিনাকিতো হব লাগিব।

দৰা বহি থকা কোঠালৈ লৰাকেইজনে তাক প্ৰায় গতিয়াই নিয়াৰ দৰেই লৈ গ'ল। ভদ্ৰতাৰ খাতিৰত সি কোনো প্ৰতিবাদ কৰিবও নোৱাৰিলে। তাৰে কোনোবা এজনে নতুন মিতিৰৰ লগত পৰিচয় কৰি দিয়াৰ অভিপ্ৰায়েৰে কলে

: ন-ভিনদেউ, এয়া আমাৰ সৰু ভিনীহি। বাগিচাত কাম কৰে বাবে আমি বাগানীয়া ভিনীহি বোলো।

নমস্কাৰ বিনিময়ৰ মূৰ তাহঁাতৰ মাজত কথা বতৰা আৰম্ভ হওঁতেই কৰবাৰ-পৰা উফৰি অহা দি আহি মাজু শালপতিয়েকে কলে: জামাই বাবু, আপুনি ক'ত লুকাই আছিল—ছোৱালী থবলৈ যাব লাগে নহয়। ভিনদেউৰ শৰীৰ বেয়া, যাব নোৱাৰে। আমাৰ দুজনৰে কোনোৱা এজন যাব লাগিব।





একেলগে কোঠাৰপৰা ওলাই আহোঁতে সি কলে: আপুনিয়েই য'ক। মোৰ ছুটীও নাই, আৰু গাটোও দেখোন বেয়া লাগিছে।

: ছুটী মোৰো নাই, সেই বুলি ছোৱালীজনী নথলেগৈ হবনে? আপোনাৰ কথা দেখোন ৰাধাই বৰ Tough বুলি কয়, দিনে বোলে ১৮।২০ ঘণ্টালৈকে কাম কৰিব পাৰে—এতিয়া এৰাতি টোপনি খতিতে ভাগি পৰিলে কেনেকৈ হ'ব?

: নহয়, মানে; মোৰ শৰীৰতকৈ আন অসুবিধাহে ডাঙৰ।

: বাৰু ময়ে যাম। আপুনি মাল-পত্ৰ খিনি গাড়ীত তোলাৰ ব্যৱস্থা কৰক।

সন্মতি জনাই সি ওলাই আহিল।

আচলতে তাৰ গা ভালেই। মেজাজটোহে ঠিক নাই। ডিব্ৰুগড়লৈ তাহঁাতৰ বাগিচাৰ পৰা বেছি দূৰ নহয়। ইচ্ছা কৰা হলে ছোৱালী থৈ ঘূৰিও আহিবগৈ পাৰিলেহেতেন। এইবোৰ ডাঙৰ মানুহৰ আদব কায়দা সি নুবুজে। মিছা-মিছি ঝামেলাত সুমুৱাৰ কি দৰ্কাৰ?

যৌতুকৰ বস্তুখিনি গাড়ীত তুলিবলৈ সি মানুহ বিচাৰিলে। কিন্তু বিয়া ভগাৰ পাছত মানুহ পোৱাটো দুৰূহ কথা। চাকৰ-নাকৰ বোৰো তাৰ অচিনাকি। কাম কৰা মানুহ দুজনমানৰ লগত ধৰা ধৰিকৈ সি বস্তুবোৰ তোলাত লাগিল কাম শেষ কৰি পাক ঘৰৰ ফালে ভুমুকি মাৰি সি দেখিলে—আয়তি সকলে যোৱাৰ আগতে কইনাক কিবা এটা খুৱাই পঠোৱাৰ কথালৈ হুলস্থুল লগাইছে তাক দেখি ৰাধাই কাষলৈ আহি কলে: তুমি মাজতে কলৈ গৈছিলা?

: অকণমান জিৰাই ল'লো—গাটো ভাল লগা নাই।

: কি হ'ল মূৰ কামুৰিছে নেকি আকৌ?

: নাই এনেয়ে বেয়া লাগিছে। ছোৱালী ওলাই যোৱাৰ লগে লগে আমিও ওলাই যাম। তুমি বস্তু-বাহানি চাই-চিতি লবা।

কইনাবেশী ৰঞ্জুৱে তাক কাষলৈ মাতি কলে: আপুনি মোক থবলৈ নাযায়?

: মোৰ ছুটী একেবাৰে নাই। পাৰিলেনো মই নোযোৱাকৈ থাকোনে?

কইনা সোনকালে উলিয়াই দিবলৈ কৰঁা দৰাঘৰীয়াৰ আহ্বানে তাহঁাতৰ কথাত যতি পেলালে।



OKDISCD

মানুহবোৰে তাক কামৰ নিৰ্দ্দেশহে দিয়ে, পৰামৰ্শ নিবিচাৰে। এই বিলাক কথাই তাৰ মনলৈ এনে ধাৰণা আনিলে যেন এইখন ঘৰত বাকী দুজন জোঁৱাইৰ স্থান তাতকৈ বহু ওপৰত। মনে মনে সি ক্ষুণ্ণ হলেও প্ৰকাশ্যে স্বাভাৱিক ৰূপেই চলাৰ যত্ন কৰিছিল।

চহৰৰ কেইজনমান সম্ভ্ৰান্ত ডেকাই তাৰ চাকৰিক লৈ উপলুঙা কৰাৰ কথা নিজ কাণে শুনাৰ পাছত আৰু সি নিজকে চম্ভালিব নোৱাৰিলে। তাৰ এনে হে লাগিল যেন এইখন ঘৰত, এইখন সমাজত সি অদৰ্কাৰী। শালপতিয়েকহঁতে আন আনৰ লগত আলচ কৰা কথাবোৰত ভাগ লব নজনাৰ বাবে তাৰ নিজকে তেওঁলোকতকৈ প্ৰকৃততে হীন হীন যেন লাগিল। নিমিষতে তাৰ মনৰ সকলো উদ্যম নাইকিয়া হৈ গ'ল। আগৰাতি তাক শুবলৈ দিয়া কোঠাটোৰ চকী এখনতে বহি চিগাৰেট হুপি সি টোপনিয়াই থাকিল।

বিয়া শেষ হোৱাৰ পাচত আঙুঠি সলোৱাৰ সময়ত হোৱা মানুহৰ সমবেত কোলাহলতহে তাৰ টোপনি ভাগিল। ইমান সময়ে তাক কোনোবাই বিচাৰিছিল যদিও সি গম পোৱা নাই। তাৰ নিজকে কিবা অপৰাধী অপৰাধী লাগিল। কোঠাৰ পৰা ওলোৱাৰ লগে লগে কেইবাটাও ডেকাই সমবেত স্বৰত কলে: বাগানীয়া ভিনীহিক বিচাৰি আমি গোটেইখন চলাথ কৰিলো—ইমান সময় ক'ত আছিল? ইফালে দৰাঘৰীয়া মানুহে মান ধৰিবলৈ, চিনাকি হবলৈ ৰৈ আছে।

ঃ মোক মান ধৰিব নালাগে।

ঃ মান যেনিবা নধৰিলেই—চিনাকিতো হব লাগিব।

দৰা বহি থকা কোঠালৈ লৰাকেইজনে তাক প্ৰায় গতিয়াই নিয়াৰ দৰেই লৈ গ'ল। ভদ্ৰতাৰ খাতিৰত সি কোনো প্ৰতিবাদ কৰিবও নোৱাৰিলে। তাৰে কোনোবা এজনে নতুন মিতিৰৰ লগত পৰিচয় কৰি দিয়াৰ অভিপ্ৰায়েৰে কলে

ঃ ন-ভিনদেউ, এয়া আমাৰ সৰু ভিনীহি। বাগিচাত কাম কৰে বাবে আমি বাগানীয়া ভিনীহি বোলো।

নমস্কাৰ বিনিময়ৰ মূৰ তাহঁতৰ মাজত কথা বতৰা আৰম্ভ হওঁতেই কৰবাৰ-পৰা উফৰি অহা দি আহি মাজু শালপতিয়েকে কলে: জামাই বাবু, আপুনি ক'ত লুকাই আছিল—ছোৱালী থবলৈ যাব লাগে নহয়। ভিনদেউৰ শৰীৰ বেয়া, যাব নোৱাৰে। আমাৰ দুজনৰে কোনোৱা এজন যাব লাগিব।





একেলগে কোঠাৰপৰা ওলাই আহোঁতে সি কলে: আপুনিয়েই য'ক। মোৰ ছুটীও নাই, আৰু গাটোও দেখোন বেয়া লাগিছে।

ঃ ছুটী মোৰো নাই, সেই বুলি ছোৱালীজনী নথলেগৈ হবনে? আপোনাৰ কথা দেখোন ৰাধাই বৰ Tough বুলি কয়, দিনে বোলে ১৮।২০ ঘণ্টালৈকে কাম কৰিব পাৰে—এতিয়া এৰাতি টোপনি খতিতে ভাগি পৰিলে কেনেকৈ হ'ব?

ঃ নহয়, মানে; মোৰ শৰীৰতকৈ আন অসুবিধাহে ডাঙৰ।

ঃ বাৰু মযে যাম। আপুনি মাল-পত্ৰ খিনি গাড়ীত তোলাৰ ব্যৱস্থা কৰক।

সন্মতি জনাই সি ওলাই আহিল।

আচলতে তাৰ গা ভালেই। মেজাজটোহে ঠিক নাই। ডিব্ৰুগড়লৈ তাহঁতৰ বাগিচাৰ পৰা বেছি দূৰ নহয়। ইচ্ছা কৰা হলে ছোৱালী থৈ ঘূৰিও আহিবগৈ পাৰিলেহেতেন। এইবোৰ ডাঙৰ মানুহৰ আদব কায়দা সি নুবুজে। মিছা-মিছি ঝামেলাত সুমুৱাৰ কি দৰ্কাৰ?

যৌতুকৰ বস্তুখিনি গাড়ীত তুলিবলৈ সি মানুহ বিচাৰিলে। কিন্তু বিয়া ভগাৰ পাছত মানুহ পোৱাটো দুৰূহ কথা। চাকৰ-নাকৰ বোৰো তাৰ অচিনাকি। কাম কৰা মানুহ দুজনমানৰ লগত ধৰা ধৰিকৈ সি বস্তুবোৰ তোলাত লাগিল কাম শেষ কৰি পাক ঘৰৰ ফালে ভুমুকি মাৰি সি দেখিলে—আয়তি সকলে যোৱাৰ আগতে কইনাক কিবা এটা খুৱাই পঠোৱাৰ কথালৈ হুলস্থূল লগাইছে তাক দেখি ৰাধাই কাষলৈ আহি কলে: তুমি মাজতে কলৈ গৈছিলা?

ঃ অকণমান জিৰাই ল'লো—গাটো ভাল লগা নাই।

ঃ কি হ'ল মূৰ কামুৰিছে নেকি আকৌ?

ঃ নাই এনেয়ে বেয়া লাগিছে। ছোৱালী ওলাই যোৱাৰ লগে লগে আমিও ওলাই যাম। তুমি বস্তু-বাহানি চাই-চিতি লবা।

কইনাবেশী ৰঞ্জুৱে তাক কাযলৈ মাতি কলে: আপুনি মোক থবলৈ নাযায়?

ঃ মোৰ ছুটী একেবাৰে নাই। পাৰিলেনো মই নোযোৱাকৈ থাকোনে?

কইনা সোনকালে উলিয়াই দিবলৈ কৰাঁ। দৰাঘৰীয়াৰ আহ্বানে তাহঁতৰ কথাত যতি পেলালে।



OKDISCD

ছোৱালী উলিয়াই দিয়েই মাক বিচনাত পৰিল। ৰবীনে অ'ত ত'ত পৰি থকা বস্তু বাহানিবোৰ ঠান-ঠিত লগাই মুখ-হাত ধুই কাপোৰ পিন্ধিলে। মাইকী মানুহবোৰে গা ধুবলৈ হেতা-ওপৰা লগাইছে। পাকঘৰত ঠাকুৰে চাহ আৰু কিবা কিবি খোৱাৰ ব্যৱস্থা কৰিছে। গা ধুই উঠি ৰাধাই তাক চাহ জলপান দি কলে : আমি ভাতমুঠি খাই যোৱাই ভাল হব নেকি। ঘৰত গৈ ৰন্ধাবঢ়া কৰিবলৈ অসুবিধাহে হ'ব। ঠাকুৰে ভাত বহাইছেই।

: তুমি পাৰিলে এমুঠি খাই লোঁৱা। মোক নালাগে। মই এতিয়া আৰু গা-পা ধোৱাত নাই।

যথাসময়ত সিহঁত ওলাল। মাক আৰু বায়েকে ৰাধাক থৈ যোৱাৰ কথা কৈছিল ; কিন্তু ৰাধাই নিজেই থাকিবলৈ ইচ্ছা নকৰিলে। এনে অৱস্থাত তাত থাকিলেওযে ৰাধাৰ কোনো অসুবিধা নহয় সেইকথা সি পতিয়ন যোৱাকৈ কলে—

: বাগানৰ হস্পিতেলতো এম, বি, বি, এছ, ডাক্তৰ আছে। ডিব্ৰুগড়লৈ নিবলগীয়া হলেও এম্বুলেঞ্চ আছে। একো অসুবিধা নাই।

যোৱাবাৰত হোৱা অযথা খৰচৰ কথা সুৰঁৰি সি পেটে পেটে থৈ নোযোৱাৰ কথাই ভাবিছিল। অৱশ্যে ৰাধাই থাকো বোলা হলে তাৰ কবলগা নাথাকিল-হেতেন। কিন্তু ৰাধাই নিজেই যেতিয়া যাবলৈ ইচ্ছা কৰিছে ভাবিবলগীয়া কি আছে ? সি লৈ আহিল।

আহিয়েই সি কামত ব্যস্ত হৈ পৰিবলগা হ'ল। কলঘৰটোৰ সকলো যন্ত্ৰপাতি খুলি তেল মবিল দিলে। তাৰ কামত মেনেজাৰ সন্তুষ্ট হ'ল। পাৰিতোষিক হিচাপে কোম্পানীৰ তৰফৰপৰা তাক পাঁচশ টকা দিলে।

অশৌচৰ সময়ৰ খবৰ জনাই ৰাধাই মাকলৈ চিঠি লিখিলে। মাকে দিহা পৰামৰ্শ দি উত্তৰহে লিখিলে—ঘৰখন এৰি নিজে আহিব নোৱাৰাৰ বাবে খেদ কৰিলে। ডুয়োটাই আলচ কৰি ৰান্ধনি ল'ৰা এটা ৰাখিলে। ৰন্ধাবঢ়াৰপৰা নিষ্কৃতি পাব পাৰিলেও সি বাচি যায়। ল'ৰাটো বৰ বেয়া নহয়। এবাৰ দেখুৱাই দিলে কামটো কৰিব পাৰে।

একো অসুবিধা নোহোৱাকৈ বাগিচাৰ হস্পিতেলতে ৰাধাৰ দ্বিতীয় ল'ৰাটোৰ জন্ম হ'ল। সিহঁতে অৱশ্যে মনে মনে ছোৱালী হোৱাটো কামনা কৰিছিল।





তাক ভালপোৱা মেনেজাৰজন চাকৰি এৰি যাবলৈ ওলাল। ইতিমধ্যে পঞ্জাবী হেড্ ফিটাৰে অৱসৰ লোৱাত তাক হেড্ ফিটাৰলৈ প্ৰমোচন দিলে।

চাহাব যাবলৈ ওলোৱাত তাৰ মনটো বৰ বেয়া লাগিল। ইমানদিনে তেওঁৰপৰা পাই অহা সুবিধাবোৰৰ কথা সুঁৱৰি তাৰ আৰু বেজাৰ লাগিল।

জুমাহমানৰ মূৰত চাহাব গ'লগৈ। যাবৰ সময়ত উপহাৰ হিচাপে তাক কেইবাপদো বস্তু দি গ'ল।

নতুনকৈ অহা মেনেজাৰজন অতিপাত কঢ়া আৰু কিবা চেৰাবলিয়াৰ নিচিনা। 'ষ্টাফ'ৰ কোনেও তেওঁৰ লগত কাম কৰি শান্তি পোৱা নাই। অকাৰণতে চাকৰিয়াল সকলক হাইৰাণ কৰে।

হাজিৰা বাবু বৰবাবু হৈ বছেৰেকমান কাম কৰি অৱসৰ ললে। নতুনকৈ এজন 'বৰা' উপাধিৰ বৰবাবু আহিল। এওঁ আকৌ আৰু একাঠি চৰা ; কায়িক পৰিশ্ৰমকাৰীসকলক মানুহ বুলিয়েই গণ্য নকৰে। ৰবীনকো 'বাবু' অথবা উপাধিৰে নামাতি বৰমিস্ত্ৰী বুলি মাতে ; তাক ইমানদিনে কোনেও এইদৰে নমতাৰ বাবে কথাটোৱে তাক বিন্ধিলে। বয়সৰ ব্যৱধানলৈ লক্ষ্য নকৰি তেওঁতকৈ কম দৰ্মহাৰ চাকৰি কৰা সকলোকে তেওঁ 'তুমি' সম্বোধন কৰে।

এদিন তেওঁৰ ঘৰত কিবা নামগোৱা পাতিছিল। ৰবীনহঁতৰ ঘৰলৈ নিমন্ত্ৰণ কৰিবলৈ গৈ তামোল দিবলৈ আহোঁতে ৰাধাক কলে : মিস্ত্ৰীয়নী, তুমিও পাক এটা মাৰিবাহে। এনে অভাৱনীয় সম্বোধনে ৰাধাক বিছাই দকাদি দাকিলেও মুখেৰে একো নামাতিলে।

*　　*　　*　　*

তৃতীয় সন্তান ছোৱালীজনীৰ জন্মৰপৰা ৰাধাহঁতৰ টকা-পইচাৰ অভাব নিয়মীয়া হৈ পৰিল। মিতিৰ কুটুমৰ ঘৰত মান বছাই ইটো-সিটো সকাম-নিকামলৈ যাওঁতেও খৰচ যথেষ্ট হয়। সঞ্চয় বুলিবলৈ প্ৰভিডেণ্ট ফাণ্ডৰ টকা কেইটাৰ বাহিৰে আন নাই। আগৰ চাহাবটো থাকোতে ৰবীনে মাজে-সময়ে কিছু উপৰুৱাকৈ আৰ্জন কৰিব পাৰিছিল—এতিয়া নতুন চাহাবৰ দিনত সকলো নাইকিয়া হ'ল। সুযোগ পাই সহকৰ্মীসকলেও শক্ৰতা শালিবলৈ ধৰিলে। ইমানদিন সি পাইথকা বিশেষ সুবিধাৰ বাবে তেওঁলোক ঈৰ্ষান্বিত হৈ আছিল। এতিয়া প্ৰমোচন পায়ো তাৰ আগৰ প্ৰতিপত্তি নাই। সি প্ৰায়েই চাকৰি এৰাৰ কথা



OKDISCD

ভাবিলেও সংসাৰৰ দায়িত্বৰ কথা সুঁৱৰি একো কৰিব নোৱাৰে। তাৰোপৰি চাহবাগিচাৰ কিবা এক অচিন মায়াই তাক বান্ধি থৈছে; এই বন্ধনৰ মুক্তি ক'ত ?

এদিন খুউব পুৱাই ৰবীনে আগদিনা গংগাই দি যোৱা গ্ৰামফোনটো খুলি ললে; সি যোৱাবাৰ বোনাচৰ সময়ত এইটো কিনিছিল। সেইদিনা তাৰ ছুটী। অৱশ্যে ছুটী থাকিলেও কলঘৰৰ ফালে পাক এটা মৰাটো তাৰ নিয়ম। নতুন চাহাবটো অহাৰপৰা মাজে সময়ে ইয়াৰ ব্যতিক্ৰম হৈছে। ৰাধা তেতিয়াও শুই উঠা নাই। ৰবীনে ষ্টোভটো জ্বলাই পুৱাৰ চাহকাপ নিজেই বনালে। লাটু উঠি আহি গাখীৰ খাবলৈ আব্দাৰ জুৰিলে। তাক গাখীৰ আৰু বিস্কুত দি ৰবীন পুনৰ কামত লাগিল। লাটুও তাৰ ওচৰ পালেহি। সি তাক ইটো-সিটো হাতিয়াৰ তুলি দিয়াত সহায় কৰিলে।

পলমকৈ উঠি টুথব্ৰাছ দালেৰে দাঁত ঘহি ঘহি ৰাধা বাহিৰলৈ ওলাই আহিল। দৃশ্যটো দেখিয়েই ৰাধাৰ খঙে মূৰৰ চুলি পালেগৈ। কৰ্কশ সুৰত তাই কলে: এই লাটু, তই কিতাপ নলৈ ইয়াত কি কৰিছ? বাপেকীটো হৈ পুৱাই ল'ৰাটোক পঢ়াশুনা কৰিবলৈ কবচাৰি কামতহে লগাইছে।

ৰবীনে আসৈ মাতিলে: মই তাক কিতাপ লবলৈ কৈয়েই আছো।

: ইস, দেউতাই মোক এইদাল এনেকৈ ধৰি থাকিবলৈ কোৱা নাই।

ৰাধাই ৰবীনক কলে: তোমাৰ যি হ'ল হ'ল। ল'ৰা-ছোৱালীকিটাৰ মগজত সেইটো নিচা লগাই দি আগলৈ তাহাঁতক অসুখী কৰিব নালাগে।

খঙত একো নাই হৈ ৰাধাই লাটুক টানি লৈ গ'ল। ৰবীনে কামত মনোযোগ দিলে।

এসময়ত গ্ৰামফোনটো ভাল হ'ল। ৰবীনৰ চকুৰে-মুখে সন্তুষ্টিৰ চিন। দূৰৈত গংগাক দেখি সি ৰিং মাৰিলে। : ঐ গংগা, আহ, আহ। তোৰ গানকল ঠিক হৈ গ'ল। সি সোমাই আহিল। ৰেকৰ্ডত বাজিল নাগিনৰ গান—যাদুগৰ ছায়া.........গান শুনি লাটু ওলাই আহিব খোজাত ৰাধাই তাক ধমক দি সজোৰে দুৱাৰখন বন্ধ কৰি দিলে। ৰবীনহঁত নিৰ্বিকাৰ। ৰাষ্টাত বৰবাবুৰ গলহেঁকাৰী শুনি ৰবীনে গংগাক বেঞ্চৰপৰা উঠিবলৈ ইংগিত দিলে।...এইদালে আকৌ গংগাৰ লগত একেলগে বহিথকা দেখিলে কিবা এটা কবহে। বৰবাবু





কিন্তু গেটৰ মুখৰপৰাই ঘূৰিল; হয়তো গংগাক তেনেদৰে বহিথকা দেখিয়েই।

কেইমাহমানৰ ভিতৰতে নতুন বৰবাবুৰ লুটুৰা স্বভাবৰ কথা সকলোৱে জানিলে। চাৰিটা সন্তানৰ মাক, চেকেণ্ড ক্লাৰ্কৰ পৰিবাৰক আবেলি ঘৰত অকলে পায় বোলে অশুভ ইংগিত দিছিল। কথা বুলিলেই বতাহ। বতৰাটো গোটেই বাগিচাৰ মহিলা মহলত ৰাষ্ট্ৰ হৈ পৰিল। ফলস্বৰূপে বুঢ়া কাৰোবাৰ ঘৰলৈ ফুৰিবলৈ গলেও কোনো নোলায়। কেৱল ৰাধাহে এই বিষয়ত ব্যতিক্ৰম ৰবীন ঘৰত নাথাকিলেও ৰাধাই বৰবাবুৰ আগত ওলাই চাহ তামোল দিয়ে; কথা-বতৰা হয়। ৰাধাৰ বংশ পৰিয়ালৰ পৰিচয় আৰু ৰবনীৰ কামৰ দক্ষতাই বৰবাবুৰ তেওঁলোকৰ প্ৰতি থকা মনোভাৱ সলালে। আজি কালি তাহাঁতক তেওঁ 'আপোনা-আপুনি' কৰে। বৰবাবুৰ চৰিত্ৰ সম্পৰ্কে বজাৰত চলা গুজব ৰাধাইঁতে শুনিছে; কিন্তু আজিলৈকে তাৰ প্ৰাত্যক্ষ প্ৰমাণ পোৱা নাই। তেওঁলোকৰ মতে নিজে ভালে থাকিলে কোনেও কাকো পংকিলতালৈ টানি নিব নোৱাৰে।

অন্য এদিন। ৰাধাৰ বান্ধবী এজনীৰ ল'ৰাৰ অন্নপ্ৰাসনলৈ দুয়ো যোৱাৰ ঠিক হ'ল। নিজৰ পছন্দমতে ৰাধাই প্ৰেজেণ্ট কিনি ঠিক-ঠাক কৰি থৈছে। মুনুৰ গেৰেজৰ গাড়ী এখন লৈ যোৱাৰ কথা। মুনুৰ লগত ৰবীনৰ খেচ বন্ধুত্ব।

গাড়ী সময়মতেই আহিল। হঠাতে ছোৱালীজনীৰ জ্বৰ উঠাৰ বাবে ৰাধা নগল। উপহাৰটো লৈ ৰবীন অকলে ওলাল। ৰবীন নিজে গৈ ৰাধাৰ অসুবিধাৰ কথা কলে তাই বিশ্বাস কৰিব। নহ'লে এই যিহে ছোৱালী—ইচ্ছা কৰি নাহিল বুলি ধৰিবলৈ ওফোন্দ পাতি বহি থাকিব।

মুনুক মাত দি যাবলৈ এনেয়ে সি গেৰেজত সোমাল।

: কি খবৰ খাঁ চাহাব, কি কৰিছা ?

: নকবা ভাই, আজি তিনিদিন যুঁজিও ইঞ্জিনটো ষ্টাৰ্ট দিব পৰা নাই। 'অভাৰ অইল' ত ক'ত যে ডিফেক্ট ৰ'ল ধৰিবই পৰা নাই।

: বনেটখন দাঙাচোন, মই চাওঁ।

বচ, কথা নাই। হাৱাই ছাৰ্টটো চকীখনলৈ দলিয়াই ৰবীন কামত লাগি গ'ল।



OKDISCD

কেই ঘণ্টামানৰ নেৰা-নেপেৰা যত্নত বিকট শব্দ এটা কৰি ইঞ্জিনটো ষ্টাৰ্ট হ'ল। সকলোৰে মুখত হাঁহি বিৰিঙিল। পুৰা ধোবাৰ ঘৰৰপৰা আনি পিন্ধা ৰবীনৰ লংপেণ্টত তেল মবিলৰ অসংখ্য দাগ। অন্নপ্ৰাসনলৈ এইটো লংপেণ্টেৰে কেনেকৈ যাব? সময়ো যথেষ্ট হ'ল। সি গেৰেজৰ ড্ৰাইভাৰ এটাৰ হাতত প্ৰেজেণ্টটো পঠাই দিলে।

ৰাতি ঘৰ সোমাওঁতে পেণ্টৰ গতি দেখি ৰাধাই সুধিলে: বাটত গাড়ীয়ে আমনি কৰিলে নেকি? অন্নপ্ৰাসনত চাগৈ মানুহ ধেৰ হৈছিল, তোমাক এইটো ৰূপত দেখি কি যে ভাবিছে!

: অন্নপ্ৰাসনলৈ মোৰ যোৱা নহ'ল। প্ৰেজেণ্টটো পঠাই দিলো। সিহঁতে বেলে আজি তিনিদিনে ডিফেক্টটোকে ধৰিব পৰা নাই। ইফালে পাছ কৰি অহা মটৰ মেকানিক। মই হাত দিয়েই ধৰি পেলালো।

: তুমি এইবোৰ কি বলকিছা?

: মুস্থহঁতৰ গেৰেজৰ ইঞ্জিনটোৰ কথা কৈছো।

ৰাধাৰ মূখটো গৰম হৈ গ'ল। এই মানুহটোক লৈ কি কৰা যায়। খঙতে তাই সেইদিনা ৰবীনক নামাতিলেলে।

* * * *

ৰৰবাবুৱে ৰবীনহঁতৰ ঘৰখনৰ বাহিৰে কাৰো তাত ভাল ব্যৱহাৰ নোপোৱাৰ বাবে তেওঁ সদাই ইয়াতে বহি থকা হ'ল। ৰবীন প্ৰায়েই ঘৰত নাথাকে। এই কথাটোৱে বাগিচাৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিলে; বিশেষকৈ মহিলা মহলৰ। প্ৰচাৰক সকলে এই কথাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা গ'ল। ৰাধাৰ চৰিত্ৰ সম্পৰ্কে নানান মুখৰোচক গল্প ওচৰৰ আন আন বাগিচা পৰ্য্যন্ত বিয়পি পৰিল। ৰাধাৰ অনুপস্থিতিত মহিলাসকল মুখৰ হয়— "আমাৰ ৰাধাদেৱীৰ কথা শুনিছানে নাই?" "শুনিবলৈ কিটো আছে—আমি আগতেই জানো। নহলেনো ইমান ধনী মানুহৰ ঘৰৰ ছোৱালী বাগিচাৰ মিস্ত্ৰীলৈ বিয়া দিব লগা হয়নে? ইমান বছৰে বেচ শান্ত-শিষ্টজনী হৈ আছিল। এতিয়া আচল সংগী পাই মন উথলি উঠিছে।" কোনোবা এজনীয়ে আনজনীৰ কাষ চাপি গৈ কাণে কাণে কলে। "শুনিছেনে, আমাৰ তেথেতে দুয়োটাকে বেয়া অৱস্থাত বহি থকা নিজ চকুৰে দেখি আহিছে," ইত্যাদি ইত্যাদি।





এবাৰ ডাঙৰ ভিনীহেক ফুৰিবলৈ আহিল। ৰাধাৰ অনুৰোধতে তেওঁ তাত কেইদিনমান থাকিল। তেনেকৈ তাত ফুৰা-চকা কৰিবলৈ ঠাই নথকাৰ বাবে ওচৰৰে আনখন বাগিচাৰ পৰিচিত বৰকেৰাণীৰ তালৈ ফুৰিবলৈ গ'ল। তাতে তেওঁ ৰাধাৰ বিষয়ে বহুত কিবা কিবি শুনিলে। কথাবিলাক শুনি তেওঁ পতিয়ন নগল যদিও খুলশালীয়েকজনীৰ বিষয়ে তেনে কটু মন্তব্য শুনি মনে মনে ক্ষুন্ন হ'ল। ঘৰলৈ ঘূৰি আহি তেওঁ কথাবোৰৰ কিবা সত্যতা আছে নেকি বুজাৰ চেষ্টা কৰি বিফল হ'ল। ৰবীনেও নিশ্চয় কথাবোৰ শুনিছে; ই ৰবীন আৰু ৰাধাৰ সম্পৰ্কত ঘূণে ধৰোৱা নাইতো? তেওঁ মনে মনে কিছু শংকিত হ'ল।

সেইদিনা ৰাতিও কিবা কামত ৰবীন কলঘৰলৈ যাব লগা হ'ল। ৰাধাৰ সৈতে কথাপাতি তেওঁ প'ৰ্টিকতে বহিল। ল'ৰা-ছোৱালীকেইটা ইতিমধ্যে শুই পৰিছে। কথা প্ৰসংগত ৰাধাই কলে: বৰ কিবা অশান্তি লগা হৈছে আৰু ভিনদেউ। আপুনিতো এওঁৰ কামৰ কষ্ট দেখিছেই। আগতে অলপ-অচৰপ টকাকে পাইছিল। আজি কালি সেয়াও নাই।

: এৰা, মানুহটোৰ বৰ কষ্ট হৈছে।

: আৰু এটা কথা শুনি এওঁ বৰ অশান্তি পাইছে।

ভিনীহেকে মনতে ভাবিলে—ৰাধাই এতিয়া নিজৰ কথাকে কৈ বেজাৰ কৰিব। তেওঁ ভয় ভয়কৈ সুধিলে: কি কথা?

: বাগিচাখন হেনো কোনোবা মাৰোৱাৰীয়ে কিনিছে। মাৰোৱাৰী মহাজনে কেৱল লাভ বঢ়োৱাৰ কথাহে ভাবে। তেওঁ কৈছে—তেতিয়া চাকৰি কৰাই টান হব। অন্য কৰাবলৈ যাবলৈও এইবয়সত চাকৰি পাব ক'ত?

: মই এটা কথা ভাবিছিলো—তহঁতে, বিশেষকৈ ৰবীনে বেয়া পায় বুলিহে কোৱা নাই। ৰবীন দেখোন আমাৰ মোমাইদেউহঁতৰ বাগিচাতে সোমাব পাৰে। তেখেতে মোক সকলো কামতে পাৰ্গত মানুহ এজন চাই দিবলৈ কৈছে। এওঁ সকলো কাম পাৰে যেতিয়া বৰ ভাল পাব। তাত এইদৰে গা-খাটনিও কৰিব নালাগে। দিহা পৰামৰ্শ দি আনৰ দ্বাৰা কৰালেই হ'ব। কামজনা মানুহ পালে দৰ্মহাও ভাল দিব। এইখন বাগিচাও আজি বাজে কালিলৈ মাৰোৱাৰীয়ে কিনিলে একে হৈ পাৰিব।

তেওঁলোক বহি থাকোতেই ৰবীনো পালেহি।

ঃ ভিনদেউ, শোৱা নাই নেকি ?

ঃ গৰমত এনেই বহি থাকিয়েই ভাল লাগিছে।

শুবৰ সময়ত ৰাধাই ৰবীনক ভিনিহেকৰ লগত কৰা আলচৰ বিষয়ে জনালে। ৰবীনে বেয়া পোৱা নাই। মেনেজাৰ আৰু আন আন কেইজনমান মানুহৰ কামে তাক অতীষ্ঠ কৰি তুলিছে—ইয়াৰপৰা আঁতৰিব পাৰিলেই যেন সি বাচে।

পাছদিনা ভিনীহেক যাবলৈ ওলাল—ৰাধাই গিৰিয়েকৰ চাকৰিৰ বিষয়ে সকলো ঠিক কৰি সোনকালে লিখিবলৈ সোঁৱৰাই দিলে।

গৈ পায়েই ভিনীহেকে মোমায়েকৰ লগত কথা হৈ ৰবীনক মাতি পঠালে। সি এদিনৰ ছুটী লৈ প্ৰোপাইটৰক দেখা কৰি আহিলগৈ। অলপ দিনৰ পাছতে নিযুক্তিপত্ৰ আহিল। দৰ্মহা আৰম্ভণিতে পাঁচশকৈ দিব। তাৰোপৰি থকা-মেলাকে আদি কৰি অন্যান্য যাবতীয় সা সুবিধা আছেই। সি ইয়াৰ চাকৰি ইস্তফা দিলে। যাবগৈ বুলি গম পাই বাগিচাৰ বেংকাৰ আৰু মটৰ পাৰ্টচৰ ব্যৱসায়ী আহি ওলালহি। নতুন চাকৰি পোৱা বুলি জানি সকলোৱে সন্তোষ প্ৰকাশ কৰিলে।

বস্তু-বাহানিবোৰ নিয়াৰ বাবে সুবিধা বিচাৰি সি বাগিচাৰ মেনেজাৰক কৈছিল। তেওঁ চাকৰি ইস্তফা দি যোৱা মানুহক কোনো সুবিধা দিব নোৱাৰে বুলি স্পষ্টকৈ কৈ দিলে। সি বাগিচাৰ বেংকাৰজনকে ট্ৰাকখনৰ বাবে অনুৰোধ কৰিলে। ট্ৰাক দিবলৈ মান্তি হোৱাৰ লগে লগে বেংকাৰে লেনদেনৰ হিচাপৰ কথা উলিয়ালে। হিচাপ কৰিলত দেখা গ'ল যে সি বেংকাৰক প্ৰায় দুহেজাৰ টকা দিবলগীয়া আছে। প্ৰভিডেণ্ট ফাণ্ড, বোনাচ আদি সকলো ধৰি সি প্ৰায় চাৰিহাজাৰমান টকা পালে। তাৰে দুহেজাৰ বেংকাৰক দিলে। বেংকাৰে এদিনৰ বাবে ট্ৰাকখন কেৱল পেট্ৰল, মবিল দিলেই দিবলৈ মান্তি হ'ল।

মটৰ পাৰ্টচৰ দোকানৰ কাৰখনো সি কম ভাৰাতেই বন্দবস্ত কৰিলে। মানুহ যাবলৈ এইখন লাগিব। সেইখন দোকানতো তাৰ প্ৰায় ডেৰহেজাৰমান টকা দিবলগীয়া ওলাল ; সেয়াও সি লগে লগে দি দিলে। বাকী খুচুৰা-খুচুৰি





দোকানৰ ধাৰমৰা, বকৃচিচ আদি দিওঁতেও কিছু টকা গ'ল। তাৰ হাতত মাত্ৰ দৰমহাৰ টকা কেইটাহে থাকিল। এদিন আগতীয়াকৈ গৈ চাকৰিত যোগ দি. পাছদিনা ছুটী লৈ সকলোকে লৈ গ'লহি।

## দহ

( প্ৰথম ডোখৰত ) নতুন চাকৰি তাৰ ভালেই লাগিল। বুঢ়া প্ৰোপাইটৰে তাক নিজৰ সন্তানৰ দৰেই মৰম-চেনেহ কৰিলে। প্ৰতিদানত সি আন্তৰিকতাৰে সকলো কাম-কাজত চকু দিলে। লেভিক চাহাবৰ তলত বহুবছৰ চাকৰি কৰি সি এজন আদৰ্শ চাহ খেতিয়কে জানিব লগা সকলোখিনি কাম আয়ত্ব কৰিব পাৰিছিল। এতিয়া বুঢ়া মালিকৰ মৰমৰ ছত্ৰছায়াত তাৰ অভিজ্ঞতা সম্পূৰ্ণৰূপে কামত লগোৱাৰ সুযোগ পাইছে। সৰু চাহবাগিচাখন উৎকৃষ্ট গুণসম্পন্ন চাহ উৎপাদনৰ বাবে পৃথিবী বিখ্যাত হৈ পৰাত কৃতকাৰ্য্যতাৰ আনন্দত সিও আনন্দিত। এই ক্ষেত্ৰত অলপ হলেও তাৰ অবদান আছে। আৰ্থিক সমস্যাৰ সমাধান অৱশ্যে তাৰ হোৱা নাছিল। নতুন চাকৰিত টকা সামান্য বেচি পালেও জীৱন-ধাৰণৰ মান উন্নীত হোৱাত কোনোৰকমহে চলিব পাৰিছিল। তথাপিতো স্বাধীনভাৱে কাম কৰাৰ সুযোগ পাই সি সুখী হৈছিল।

দুবছৰমানৰ পাছত বুঢ়া প্ৰোপাইটৰ অসুখত ভুগি ঘৰলৈ গ'লগৈ। বুঢ়াৰ এম, এছ, ছি, পাছ ডেকাপুতেক বাগিচাৰ মেনেজিং ডিৰেক্টৰ হৈ আহিল। এওঁ কিন্তু কৰ্ম্মচাৰীসকলক স্বাধীন হিচাপে ঘৰুৱা পৰিৱেশত কাম কৰিবলৈ দিবলৈ ৰাজী নহয়। 'মেনেজমেণ্টত' থকাসকলে কায়িক পৰিশ্ৰমত লিপ্ত হোৱাটো তেওঁৰ মতে অসন্মানজনক কথা। Factory-in-charge. ৰবীনকো আগৰদৰে হাতে-কামে কামত লগাটো বন্ধ কৰালে। ৰবীনে এতিয়া তেওঁৰ তলতীয়া কৰ্ম্মচাৰীসকলক কেৱল কামৰ দিহা-হুকুমহে দিব লাগে। ৰবীনৰ মনৰ মতনকৈ কাম নহলেও সি নিজে কৰিব নোৱাৰে। তলৰ ষ্টাফৰ ঘৰলৈ আহ-যাহ কৰাতো ডিৰেক্টৰে হকা বাধা কৰে ; এই ক্ষেত্ৰতো তেওঁ সন্মানৰ প্ৰশ্নকে তুলিলে। নতুন ডিৰেক্টৰ সকলো কথাতে অত্যন্ত "ফৰমেল।" ফলত কামৰ গতি কিছু লেহেম হ'ল। তালৈ তেওঁৰ ভ্ৰূক্ষেপ নাই। ওপৰৱালা দুজনক এতিয়া হাত-ভৰি বান্ধি একেবাৰে কোঙা কৰি পেলোৱা হ'ল। ডেকা প্ৰোপাইটৰজন শিক্ষিত



OKDISCD

হলে কি হ'ব? ব্যৱহাৰ পাতি মাৰ্জিত নহয়। প্ৰতিটো কথাতে এটা মালিকী মালিকী ভাৱ।

ৰবীনহঁতে চাকৰি কৰি বেয়া পালেও নিৰুপায়। যাব কলৈ? এতিয়া বয়সো বাঢ়িছে—সংসাৰো বহল। সহি সামৰি চলি থকাই বুদ্ধিমানৰ কাম।

কিন্তু এদিন এটা অঘটন ঘটিল। কোনোবা এটা শনিবাৰ। ডিৰেক্টৰ আবেলিতে কেনিবা ওলাই গৈছে। ৰবীন কেনিও নগৈ বঙলাৰ পৰ্টিকতে বহি লাইটটো জ্বলাই কাকত পঢ়ি আছিল। মানুহ কেইজনমান উধাতু খাই বঙলালৈ সোমাই আহিল। আগত অহাজনক সি চিনি পালে। তাহঁাতৰ কলঘৰৰ মিস্ত্ৰীৰ ভায়েক। সি মূৰ তোলোতেই ল'ৰাজনে কলে: ছাৰ আমাৰ নবৌৱে গাত কেৰাচিন ঢালি 'চুইচাইড' কৰিলে।

ঃ কি! 'চুইচাইড' কৰিলে?

ঃ নহয় মানে, কৰিব খুজিছিল—গোটেই গা জ্বলিছে। অৱশ্যে এতিয়ালৈকে মৰা নাই। কলঘৰত কামকৰা বনুৱা হীৰামণে কলে: হয় ছাৰ, এতিয়া সোনকালে মেডিকেললৈ নিলে জান বাচিবও পাৰে।

সকলোৰে মনত আতংক আৰু উত্তেজনা। আন এজনে কলে—

ঃ ছাৰ, গাড়ীএখনৰ ব্যৱস্থা যেনে তেনে কৰক। মালিকো নাই।

ঃ আমাৰ কম্পাউণ্ডাৰ বাবুক মাতিছানে নাই?

ঃ তেখেত আহিছে। কোনোমতে মেডিকেল পোৱাবগৈ পাৰিলেই হয়। তাত আমাৰ বৰবাবুৰ শালা এটাই ডাগ্দৰী পঢ়িছে।

সময়ৰ অপচয় নকৰি যেনে আছিল তেনেই সি তাহঁাতৰ লগতে প্ৰোপ্ৰাইটৰৰ বঙলালৈ ওলাল। ভেনেটখন গেৰেজতে আছে—এতুৱা ড্ৰাইভাৰে চলায়। আগতে এইখন গাড়ী ৰবীনহঁতে ইচ্ছামতে বজাৰ-সমাৰ কৰিবলৈও নিছিল। আজিকালি মালিকৰ অনুমতিৰ প্ৰয়োজন। এতুৱা ড্ৰাইভৰ লগতে আছিল। ৰবীনে চকীদাৰক তলা খুলিবলৈ কোৱাত সি ঠেক-গেৰুকৈ তলাটো খুলিলে। এতুৱাই গাড়ীখন উলিয়াই নি হস্পিতালৰ বিছনা এখন ভৰাই সকলোৰে ধৰা-ধৰিকৈ মানুহজনী তাত তুলিলে। মানুহজনীলৈ চাব নোৱাৰা অৱস্থা। পোৰণিত চেঙালতি পাৰি গেঙেনিয়াই আছে। কেচামঙহ পোৰা গোন্ধটো ভালে দূৰলৈকে বিয়পি পৰিছে।





মেডিকেল কলেজলৈ নিওঁতে বাটতে মানুহজনী ঢুকাল। ৰাতি বাৰমান বজাত মৃতদেহ ঘূৰাই আনি শেষকৃত্য সমাপন কৰা হ'ল। ৰবীনৰ মনটো বৰ কিবা কিবি লাগিল। ছোৱালীজনী সুন্দৰী আৰু কম-বয়সীয়া। শুনামতে তাহঁাতহালৰ প্ৰেম-বিবাহ! বিয়াৰ মাত্ৰ তিনিবছৰহে হৈছে। ল'ৰা-ছোৱালী এহাল। সৰ্ব্বসাধাৰণৰ থকা আৰ্থিক অনাটনৰ বাহিৰে আন দুঃখ নাই যেন অনুমান হয়। তথাপি কিয় এনেকৈ মৰিলে বাৰু?

সোমবাৰৰ দিনা অফিচলৈ আহিয়ে ডিৰেক্টৰে তাক মাতি পঠালে। সি গৈ পোৱাৰ লগে লগে তেওঁ প্ৰশ্ন কৰিলে: কাৰ হুকুমত শনিবাৰে ৰাতি দুপৰলৈকে আপুনি গাড়ী দৌৰাইছিল?

ঃ ছাৰ, গাড়ীতো মই নিজা কামত নিয়া নাই......

ঃ আহঁে মাতিবলৈ নাহিব। নিজা কামত নিয়া নাই, মোৰ কামত নিছিল নেকি? লাই দি দি আপোনালোকক দেউতাই একেবাৰে মূৰত তুলি গৈছে। মোৰ নিৰ্দ্দেশ মানি চলিব নোৱাৰে যদি চাকৰি ৰিজাইন দিব পাৰে। আপোনাৰ দৰে ভদ্ৰতা নজনা এজনক এনে সম্মানিত চাকৰিত ৰখাৰ কোনো প্ৰয়োজন নাছিল। আপোনাক দিয়া দৰমহাৰে এজন প্ৰথম শ্ৰেণীৰ ভাল ডিগ্ৰী থকা ইঞ্জিনীয়াৰ ৰাখিব পৰা যাব।

বয়স হ'লেও ৰবীন নিৰ্জীৱ নহয়। তাৰ তেজ উতলি উঠিল। অফিচত সোমায়েই ইস্তফা পত্ৰৰ ড্ৰাফ এটা শীঘ্ৰে টাইপ কৰি দিয়াৰ নিৰ্দ্দেশ দি টাইপিষ্টলৈ পঠাই দিলে। টাইপ হৈ অহাৰ লগে লগে চহী কৰি ডিৰেক্টৰলৈ পঠালে। ডিৰেক্টৰে হিচাপ পত্ৰ চাই শীঘ্ৰে তাক 'ৰিলীজ' কৰি দিবলৈ মেনেজাৰলৈ নিৰ্দ্দেশ নোট লিখিলে। কাগজখন হাতত লৈ মেনেজাৰ সোমাই আহিল: আপুনি হঠাতে এয়া কি কৰিলে?

ঃ হঠাতে নহয়, ডেকা ডিৰেক্টৰ আহোঁতেই এইটো কৰিব লাগিছিল। ডিৰেক্টৰ এজন এম, এছ, ছি, হে—এতিয়াও এজন মানুহ হোৱাগৈ নাই। মই কলিলৈকে যামগৈ—আপুনি কামখিনি আজিয়েই কৰি দিয়ক।

ঃ আপুনি ঘৰলৈ গৈ কথাটো নিৰলে আকৌ এবাৰ ভাবি চাওকগৈ চোন। প্ৰয়োজন হ'লে ডিৰেক্টৰক মই কম।

ঃ ভাবি চাব লগীয়া একো নাই। ডিৰেক্টৰে মোৰদৰে চাকৰিয়ালৰ প্ৰয়ো-

জন নাই বোলাৰ পাছতো তেওঁৰ দয়া পৰবশ হৈ আপুনি চাকৰিত থাকিবলৈ কব খোজে নেকি ?

ঃ এতিয়া পাছে কি কৰিব ?

ঃ একো ভবা নাই। হাতৰ বিদ্যা এটা আছে যেতিয়া কিবা এটা কৰি খাব পাৰিম।

ঘৰলৈ আহি সি পাতনি নেমেলাকৈ ৰাধাৰ আগত চাকৰি এৰি দিঅহাৰ খবৰ কলেহি। ৰবীনৰ অহাৰ গতি দেখিয়েই ৰাধাই কিবা এটা অঘটন ঘটা বুলি অনুমান কৰিলেও এনে পৰ্য্যায় পাইছেগৈ বুলি ভবা নাছিল।

এতিয়া সমস্যা হ'ল সিহঁত যাব কলৈ ? ৰবীনে সদ্যহতে তাৰ নিজৰ ঘৰলৈকে যোৱাৰ কথা কলে। ৰাধা কিন্তু মান্তি নহয়। গাৱঁলৈ গলে ল'ৰা-ছোৱালীৰ পঢ়া-শুনা সকলো মাটি হ'ব। তাৰোপৰি সিখন ঘৰৰ লগত মাজে সময়ে আলহিৰদৰে পাক মৰাৰ বাহিৰে সিহঁতৰ আন সম্পৰ্ক নোহোৱাহৈ গৈছে সেইখন ঘৰলৈ সদায় থাকিবলৈ যাব কেনেকৈ ? এনে সমস্যাৰ সন্মুখীন হব লগাৰ বাবে তাই পেটে পেটে ৰবীনকে জগৰীয়া কৰি কলে।

ঃ মই তোমাক সদায় চহৰত মাটি এটুকুৰা কিনি ঘৰ বনোৱাৰ কথা কৈয়েই আছিলো, তুমিহে অকণো কাণ-মন নিদিলা।

ঃ টকাপইচা নহলে ঘৰ মাটি কিহেৰে কিনিবা ?

ঃ লেভিক চাহাবৰ লগত চাকৰি কৰা দিন কেইটাত তুমি মন কৰা হলে ঘৰ-মাটি লব পাৰিলাহেঁতেন। ইমান সুবিধা পায়ো তেতিয়া একো নকৰিলা। এতিয়া কি হব? মই এনেয়ে কওঁ নে ?

ঃ হৈ যোৱাটোৰ বিষয়ে আলচ কৰি লাভ নাই। এতিয়া কলৈ যাওঁ বুলিছা, তাকে কোৱাঁ।

ঃ মই ভাবিছো প্ৰথমতে মাৰ তালৈকে যাওঁ। তাৰ পাছত তুমি চাকৰি এটা ঠিক কৰি আমাক লৈ আহিবা।

ঃ ঠিক আছে বাৰু তালৈকে যাওঁ।





## এঘাৰ

বস্তুবাহানিলৈ সিহঁত মাকৰ ঘৰতে উঠিলহি। তাৰ পৰাই ইফালে-সিফালে ঘূৰি ৰবীনে চাকৰি বিচাৰিলে। বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নথকাৰ বাবে হাতৰ বিদ্যা জানিলেও চাকৰিৰ বাবে সি উপযুক্ত নহ'ল। কাম নোপোৱাকৈ কাম এৰি অহাৰ বাবে মিতিৰ কুটুম সকলোৱে তাকেই দূষিলে। ইফালে চাকৰি বিচাৰোঁতে হাতত থকা টকা পইচাও শেষ হৈ আহিল। প্ৰত্যেকবাৰ ঘূৰি আহি চাকৰি নোপোৱাৰ বাতৰি দিয়াৰ লগে লগে ৰাধাই এসোঁতা কান্দে। সম্পৰ্কীয় সকলো মানুহৰ ওচৰলৈকে সি একো একোবাৰ গ'ল। মৌখিক সহানুভূতি জনালেও কোনেও তাক প্ৰকৃত সাহায্য কৰিবলৈ প্ৰস্তুত নহয়। সি বুজি পালে যে তাৰ আগমনে প্ৰত্যোকৰ মনতে আতংকৰ হে সৃষ্টি কৰে। সি নিৰুপায় হৈ ককায়েকহঁতৰ ওচৰ ওলালগৈ। ককায়েকহঁতে তাৰ দুৰৱস্থাৰ কথা জানি আন্তৰিকতাপূৰ্ণ ব্যৱহাৰ কৰিলেও তাহাঁতৰেই পানীত হাঁহ নচৰা অৱস্থা দেখি সি গলগ্ৰহ হবলৈ ভাল নাপালে। ইমান কষ্টৰ সন্মুখীন হব পৰাকৈ ৰাধাৰো হয়তো মনোবল নাই। তাৰোপৰি সি ইমান দিনে যি সহায় সাৰথি কৰিলে। সেয়া শহুৰৰ ফালৰ মিতিৰ-কুতুমকহে—সুদিনত সি নিজৰ ককাইই-ভাইৰ খবৰ লবলৈ অৱকাশেই নাপালে।

বিমৰ্ষ হৈ পুনৰ সি ৰাধাহঁতৰ ঘৰ ওলালহি। চাহ খাই উঠোঁতেই জীয়েকে কলেহি : দেউতা তুমি আমাক ইয়াৰপৰা লৈ নোযোৱা কিয় ? সদাই ইয়াত থাকি আমি বোলে বুঢ়াবয়সত আইতাক অশান্তি দিছোঁ। সিদিনা ডাঙৰ মামাৰ ছোৱালী মা-মণি বাইদেৱে মোক বহুত কিবা কিবি কৈছে। এইবাৰ কিন্তু তোমাক অকলে যাবলৈ নিদিওঁ আমিও লগতে যাম। জানা, মায়ে আজি কালি সদাই কান্দি থাকে।

ৰবীনৰ মনটো অতিপাত বেয়া লাগি গ'ল। সি আথে-বেথে জীয়েকক কাষলৈ চপাই কলে : বাৰু, মাজনী, এইবাৰ মই তোমালোকক নিনিয়াকৈ নাযাওঁ।

চাকৰিৰ সন্ধানত সি পাছদিনা পুৱাই পুৰণি বাগিচাখন পালেহি। তেতিয়া তাত তাৰ চিনাকি মানুহ কেৱল মেলেৰীয়া বাবুজনহে আছে। তেওঁৰ তাতে



OKDISCD

ভাত পানী খাই খা-খবৰ ললে। তেতিয়া ভাত একো চাকৰি খালি নাই। সি কিন্তু এইবাৰ কিবা এটা নকৰাকৈ ঘূৰি নাযাবলৈ দৃঢ় সংকল্প।

মেলেৰীয়া বাবুৰ পৰা সি জানিলে, কাষৰে বস্তিখনত চাকৰি এৰি যোৱা কিছুমান বনুৱাই খেতি-বাতি কৰি বসবাস কৰিছে। আগতে বেংকাৰৰ তাত গোমোষ্টা কৰা এজন দেছুৱালী মানুহেও তাত গেলামালৰ দোকান খুলিছে। মাংৰা, গংগা, মহাবীৰহঁতো তাতে জুপুৰি সাজি বাস কৰে।

সি আবেলি বস্তিৰ ফালে ওলাই গ'ল। তাতে সি কলঘৰত একেলগে কামকৰা গংগাক লগ পালে। সি এতিয়া প্ৰায় অথৰ্ব। চেহেৰা দেখিলেই অভাবৰ প্ৰকটতা ধৰিব পাৰি। ল'ৰা দুটা আৰু ঘৈণীয়েকে বাগিচাত 'ফাল্টু' হিচাপে মাজে সময়ে কাম কৰে। পুত্ৰ পৰিবাৰৰ অনুগ্ৰহত সি কোনোমতে নমৰি জীয়াই আছে। তাক দেখি সি আনন্দত উল্লাসিত হৈ উঠিল—

ঃ আৰে, ৰবীন হাকিম দেখোন—কৰপৰা ওলালাহি ?

পৰম আত্মীয়ৰ আগত কোৱাৰ দৰে ৰবীনে তাৰ দুখৰ কাহিনী তাৰ আগত বিবৰি কলে আৰু সমস্যাৰ সমাধান বিচাৰিলে। সমস্যাৰ সমাধান দি সি সহজেই কলে: কোনো চিন্তা নকৰিবি বাবু, তই আমাৰ ইয়াত আহি যা। হাতৰ কাম শিকিছ যেতিয়া এটা মেকানিক দোকান খোল। বাগানীয়া ছোকৰাসৱে চাইকেল, ৰেডিঅ' কিনিছে মেৰামতি কাম ভাল চলিব। আমি চবেই সহায় কৰিম।

ঃ কিন্তু দোকান খুলিবলৈ যে মোৰ হাতত টকা নাই।

ঃ বেচি টকা নালাগে নহয়। খালি খেৰ বাঁহ কিনি দিবি আমি চবেই লগহৈ ঘৰ বনাই দিম। তোৰতো নিজা হাতিয়াৰ বহুত আছে। পইচা আহিলে গাৱঁৰ ফালে অলপ মাটি ৰাখি খেতিও কৰিব পাৰিবি।

কথাটো ৰবীনৰ মনত লাগিল। টুল বক্সটোত তাৰ যাবতীয় সকলো হাতিয়াৰেই আছে। চাহাবে দি যোৱা ফাৰ্ণিচাৰ বোৰো সি এতিয়ালৈকে বেচা নাই। এতিয়া সেইবোৰ বস্তুৰ বহুত দাম হব, বিক্ৰী কৰিলে অন্ততঃ এহেজাৰ টকা পাব।

গংগাই তাক মাটি এডোখৰো দেখুৱালে। এবিঘাৰ এটা প্লট। কোনোবা মজদুৰ এজনে ৰাখিছিল। এতিয়া পুতেকে কোনোবা এখন বাগিচাত





ট্ৰেক্টৰৰ ড্ৰাইভাৰৰ কাম পালত বেচিব খুজিছে। সেইদিনাই সি চাৰিশ টকাত মাটি বিঘা বন্দবস্ত কৰি পেলালে।

পাছদিনা গৈ ঘৰ সোমায়েই সি স্তব্ধ হৈ যাব লগা হ'ল। কোনোবা এগৰাকীয়ে উত্তপ্ত সুৰত কৈছে: ৰাধা তই আজিকালি একেবাৰে নিলাজ হৈ গলি দেই। ল'ৰা-ছোৱালীকেটাক বেচ শিক্ষা দিছ। তাহাঁতৰ প্ৰতাপত মানুহে ঘৰলৈ বস্তু এটা আনিব নোৱাৰে। তোৰ মানুহজনো ভাল দে, মামায়ো ভাল জনকে বিচাৰি বিয়া দিলেগৈ।

ঃ চোঁৱা চোন মা, ৰাণী বাইদেৱে মোক কেনেকৈ কথা শুনাইছে। অকনমাণ ল'ৰাটোৱে মিঠাই এটা খালেই যেনিবা—তাতেনো কি মহাভাৰতখন অশুদ্ধ হ'ল।

ঃ তহঁত খাবলৈ নাথাকিলেও গাহৰিৰ দৰে এপাল ল'ৰা ছোৱালী তোলাবোৰৰ বাবে একো কথা নহব পাৰে আমাৰ বাবে সেয়ে ডাঙৰ। সিতো এতিয়া আৰু কেচুৱা নহয়। শিষ্টাচাৰ, ভদ্ৰতা সি শিকিবৰ হ'ল। বাপেকীটো যেনে ল'ৰা-ছোৱালীও তেনেহে হব।

ঃ ৰাণীবাইদেউ, মনে মনে থাকা, নহলে কথা ভাল নহব একা। ভাগিনীয়েৰে আৰু ভনী জোঁৱায়েৰৰ কথা তেনেকৈ কবলৈ তোমাৰ বেয়া লগা নাই ?

ঃ এঃ এনে বৰ এইৰ লাকটৰ পৈয়েকটো। নিজৰ ল'ৰা তিৰোতাক খুৱাব পিন্ধাব নোৱাৰি এনেকৈ আনৰ ঘৰত থৈ যোৱা মানুহ আমি ক'তো দেখা নাই।

ঃ ৰাণী বাইদেউ, তুমিও মোক এনেকৈ কব পাৰিলা ?……মা……তুমি… তুমি একো নামাতা কিয় ?

ঃ ৰাণীয়ে একো ভুল কোৱা নাই, ৰাধা।

ৰাধা আৰু স্থিৰেৰে থাকিব নোৱাৰিলে। হুৱাওৱাৰে কান্দি বাহিৰলৈ ওলাই আহিল। বাহিৰত ৰবীন শিলৰ মূৰ্ত্তিৰ দৰে নিস্তব্ধ হৈ ৰৈ আছে। ৰাধাই আউলি বাউলি হৈ কান্দি কান্দি কলেহি: মোক ইয়াৰপৰা লৈ ব'লা, মই আৰু আৰু নোৱাৰো……

ঃ নিম, ৰাধা, মই তোমালোকক লৈ যাবলৈকে আহিছোঁ।

মাক জীয়েকৰ সম্বন্ধতো যে অৰ্থৰ অদৃষ্ট হাতৰ পৰশ থাকিব পাৰে সেই



OKDISCD

কথা ৰাধাই হাড়ে-হিমজুৰে বুজিব পাৰিলে। গিৰিয়েকে চাকৰি কৰি থকা সময়ত ঘৰখনত তাইৰ স্থান বেলেগ আছিল। ৰাণীহঁতৰো তাহাঁতলৈ বেলেগ হেপাহ আছিল। কিন্তু এতিয়া……

মাটিডোখৰ কিনি বস্তিৰ বন্ধুৱাসকলৰ সহযোগত সি কম খৰছতে তাত খেৰী ঘৰ এটা সাজিলে। ‘ৰাধা চাইকেল মাৰ্ট’ নামৰ দোকানখন আৰম্ভ কৰি সি সপৰিয়ালে তাত সোমালহি। কষ্ট হৈছিল যদিও নিজাকৈ কিবা এটা কৰিবলৈ পাই পৰিয়ালৰ সকলোৰেই মুক্তি পোৱা যেন অনুমান কৰিলে, মনৰ উদ্যমতে সিহঁতে সকলো দুঃখ সহি যাবলৈ সমৰ্থ হ’ল।

ঠাইডোখৰৰ গৰীব মানুহখিনিৰ ব্যৱহাৰ পাতি অলপ ৰূঢ় হলেও আন্তৰিকতাৰ অভাৱ নাই। ৰবীন মিস্ত্ৰীক তাহাঁতে অতি আপোন এজনৰ দৰেই গ্ৰহণ কৰিলে। মানুহখিনিৰ বেয়া স্বভাৱৰ ভিতৰত হাতত টকা পৰিলেই মদ খোৱাটো অন্যতম। এই লৈ ৰাধাহঁতে প্ৰথম ডোখৰত অলপ অশান্তি ভোগ কৰিলেও লাহে লাহে সহিব পৰা হৈ আহিল।

ৰবীনহঁতে মদৰ অপকাৰিতা সম্পৰ্কে মানুহবোৰক বুজালতো তাহাঁতে পুৰণি অভ্যাস সহজে এৰিব পৰা নাছিল। পুৰণি চিনাকি কিজনে অৱশ্যে ৰবীন মদখাই থকাত ওলালেহি লাজ পায়। কিন্তু নিচা লাগিলে সিহঁতে সকলো ভদ্ৰতা পাহৰি পেলায়। কেতিয়াবা কেতিয়াবা মদ খাই আহি ৰবীনক ঘৰতে যা-তা কথা শুনাইহি। এদিন মাংৰাই মদ খাই ৰবীনক কলেহি ঃ তুহনি ‘বাবু’সৰৰ কি বিশ্বাস আছে। এখন গৰীব হৈছ বলি হাম্নিৰ সাথী হৈছ, ৰূপেয়া জড়কৰি ললে সব ভুলি যাবি।

ৰবীনে কলে ঃ তোৰ এতিয়া নিচা হৈছে—ঘৰলৈ যা। ফজীৰত আহিবি। মাংৰাৰ খং উঠি গ’ল ঃ অলপ নিচা খালো বলি আমি বাতভি কহিব নাপাৰো নেকি?……জান, ঐ ছোট সময়ছে মদ খাইছো, লেকিন কোনোদিন মাতলামি কৰা নাই। এনেতে গংগা আহি তাক ঘৰলৈ লৈ গ’ল।

এই মানুহবোৰক কেনেকৈ সজ পথলৈ অনা যায়, সেই কথাকে সি ৰাধাৰ লগত আলচ কৰিলে। ৰাধাই কৈ গ’ল—

ঃ তাহাঁতক ইমান আপোন ভাৱত ললতো তাহাঁতে আমাক নুবুজিলে। কিযে হব, মই ভাবিৱেই নোৱাৰোঁ।





ঃ লাহে লাহে সব ঠিক হৈ যাব ৰাধা, চিন্তা নকৰিবা। এয়া তাহাঁতৰ দোষ নহয়। আমি ‘বাবু’বোৰে আজি অন্তকালে তাহাঁতক ঠগিয়েই আহিছো। তাহাঁতে সহজতে আমাক বিশ্বাস কৰিবলৈ টান পোৱাটো স্বাভাৱিক। আমি কামৰ মাজেদি তাহাঁতৰ মনলৈ বিশ্বাস ঘূৰাই আনিব লাগিব।

পাছদিনা পুৱাই গংগাৰ লগত আহি মাংৰাই ৰবীনৰ ওচৰত মাফ খুজিলে। ঘটনাটো দেখি ৰাধাও অলপ আশ্বস্ত হ’ল।

ওচৰৰ বাগিচাখনৰ বৰকেৰাণীয়ে তাৰ বিষয়ে জানিব পাৰি নতুনকৈ কিনা গাড়ীখন তাকে চাই-চিতি দিবলৈ দিলে। সি অতি যত্ন সহকাৰে প্ৰায় পোন্ধৰ দিনমান খাটি কামখিনি কৰি দিয়াত বৰকেৰাণী সন্তুষ্ট হৈ পাৰিশ্ৰমিক হিচাপে তাক টকা তিনিশ দিলে। তেওঁৰো বেচ লাভ হ’ল। অইন কৰবাত ভাল গেৰেজত কৰোৱা হলে হেজাৰ টকাৰ কম নপৰিলহেঁতেন। তাৰোপৰি লাগ বুলিলেই ৰবীনক মাতি নি খটুৱাব পাৰিব। সেই তিনিশৰ পঞ্চাশ টকা সি গংগাক দিলে। গংগাই প্ৰথমে লবলৈ মান্তি নহৈছিল; কিন্তু তাৰোতো অভাৱৰ সীমা নাই! টকা আঢৈশৰে ৰবীনে গাৱঁৰ মানুহৰপৰা ধান কিনি থলে। অন্ততঃ ভাতমুঠিৰ যোগাৰ থাকিলে তেল-নিমখকণ চলাবপৰা যায়। ৰাধায়ো আজিকালি স্কুলৰ চাকৰিত অনিয়মীয়াকৈ হলেও কিছু টকা পায়।

তাহাঁতৰ যত্নতে তাত এখন স্কুল প্ৰতিষ্ঠা হৈছে। গাৱঁৰ ল’ৰা-ছোৱালীৰ উপৰিও বাগানৰ ল’ৰা-ছোৱালী কিছুমানেও তাত পঢ়ে। সেই অজুহাততে কোনোবা এজন গুণী মেনেজাৰে স্কুলঘৰটো কোম্পানীৰ খৰছত বনাই দিয়াইছে। অৱশ্যে ইয়াৰ বাবে তেওঁ কলিকতাৰ হেড্ অফিচত কৈফিয়ৎ দিবলগা হৈছিল।

ৰাধাহঁত স্কুলৰপৰা আহি দুৱাৰত টুকুৰিওৱাৰ লগে লগে ৰবীনে দুৱাৰ খুলি দিলে। এচাটি শীতল বতাহে তাৰ শৰীৰ শাঁত পেলাই গ’ল। ৰাধাই কলে ঃ তুমি হবলা আজি দিনটো শুই শুয়েই কটালা? ……চোঁৱাচোন, এয়া কাক লৈ আহিছোঁ।

ঃ আৰে, এয়া দেখোন ভাইজান! কৰপৰা ওলালাহি?

আবেদালিৰ দাঢ়ি-চুলিও ৰূপালি বৰণ পৰিলেও চকুৰ দৃষ্টি একেই।



OKDISCD

ৰবীনে ঠিকেই চিনিব পাৰিলে। লগত এজনী তিৰোতা মানুহ। আন্ধাৰত বৈ থকা বাবে ৰবীনে মুখখন দেখা নাই। হয়তো তাৰ পৰিবাৰ।

ঃ ৰবীন বাবু, তোমাৰ চকুৰ চোক কিন্তু সেই তাহানিৰ দৰেই আছে দেই।

ঃ ৰবীন বাবু নহয়—'ভাইজান।' মোক ভাইজান বুলি কবা। ......লগত এয়া তোমাৰ বিবি নেকি?

ঃ ভাইজান, তুমি মোৰ বিবিক নিচিনা জানো? সেই তাহানি আমাক যে ঝুমুৰ শুনাইছিল ৰমণী, ৰমণীক পাহৰি গলা নেকি?

ঃ ৰমণীক, ৰমণীক তুমি নিকাহ কৰিলা?

বিস্ময়ত ৰবীণ হতবাক হৈ গ'ল। এনেতে কাপোৰ সলাই আহি ৰাধাই কলেঃ ৰমণী, ভিতৰলৈ আহ, কি আলহিৰ দৰে বাহিৰত আছ। হেৰা, কি কৰিছা, ভাইজানকো ভিতৰতে বহোওৱাঁগৈ। চাহ হলে মাতিম।

বহুতদিনৰ মূৰত যেনিবা কোনোবা বুকুৰ কুটুমহে লগ পালে—তাহাঁত সকলোটি আনন্দত বিভোৰ হৈ পৰিল।

আবেদালিক পুলিচে পাকিস্থানৰ অনুপ্ৰৱেশকাৰী বুলি ধৰি নিয়া শুনি ৰবীনৰ হাঁহিও উঠিল, বেজাৰো লাগিল, আচৰিতো হ'ল—

ঃ শিৱসাগৰ জিলাখন কাহানিৰপৰা পাকিস্থানত সোমালহে?

তোমালোকৰ পৰিয়ালটো দেখোন ইয়াতে আমি দেখা দিন ধৰি আছাহঁক, তোমাৰ জন্ম দেখোন ইয়াতেই। তুমি কোৱা নাছিলা জানো টিয়কৰ ৰহিম শইকীয়া তোমাৰ নিজৰ মোমায়েৰা বুলি? পাকিস্থান তুমি জানো দেখিছা কেতিয়াবা? নকলা কিয় হাকিমক সকলো বুজাই?

ঃ হাকিম, বিচাৰ আদালতত ক'ত দেখিবা? কোনো কাৰণ নেদেখুৱাকৈ বিনা বিচাৰে গ্ৰেপ্তাৰ আৰু আটক কৰিলে। সোধপোচ নোহোৱাকৈ জেলত থোৱাৰ কিবা নতুন আইন ওলাইছে হেনো—

শুনি ৰবীনৰ সেই গল্পটো মনত পৰিল। সিও তাহানি লৰালি কালত পঢ়িছিল। এতিয়া তাৰ সৰু ল'ৰাটোৱে চিঞৰি চিঞৰি পঢ়ে—

"বাঘটোৰ কথা শুনি ছাগলী পোৱালিটোৱে কলে—মই ভাটীপিনে পানী খাইছো—তোমাৰ খোৱাপানী ঘোলা কৰিম কেনেকৈ?"

"তেনেহলে আজি নকৰিলেও যোৱাবছৰ কৰিছিলি"—বাঘে কলে।





"মোৰ জন্মহোৱাৰ ছমাহেই হোৱা নাই—যোৱাবছৰ কেনেকৈ কৰিম?—ছাগলী পোৱালিটিয়ে ক'লে।

কুকুৰনেচিয়া বাঘটোৰ কথা শুনাৰ সময় নাই। পেটে ভোকত কল্মলাইছে। লোভত জিভাৰ পানী পৰিছে।

অধৈৰ্য্য হৈ "তই নহলেও তোৰ মাৰে কৰিছিল" বুলি কৈ উত্তৰলৈ বাট নাচাই ছাগলী পোৱালিটিৰ ওপৰত জঁপিয়াই পৰিল।

সৰুফুলি বাগিচাৰ সেই ধৰ্ম্মঘটটোৰ লগত আবেদালি জড়িত বুলি এটা জনৰৱ ওলইছিল। দালাল ইউনিয়নৰ নেতাজনৰ ওপৰত বনুৱাসকলে মাৰধৰ চলোৱা কথা লৈ ৰবীনহঁতৰ এইপিনেও বহুতো কথা ওলাইছিল।

আবেদালি আৰু ৰমণী এইপিনেই আহি আছিল। ৰাধাই বাটতে লগ পাই লৈ আহিল।

আবেদালিক ধৰি নিয়াৰ বছৰ, ৰমণীৰ ওপৰত ভীষণ অত্যাচাৰ চলিল। এনেয়ে তাই আবেদালিৰ লগত বিয়া হোৱা দেখি বাগানৰ বাবুবোৰে দেখিব নোৱাৰা হ'ল। হিন্দু মানুহহৈ মুছলমানত বিয়া সোমাই বোলে ধৰ্মৰ নামত কলংক সানিছে। মাহেকে পযেকে পুলিচ তাইৰ ঘৰলৈ আহি জুলুম কৰি থাকে। পচিশ বছৰ ধৰি যি শিকা নাছিল, এবছৰতেই তাই তাতকৈ বহুতো বেচি কথা শিকিলে।

আবেদালি আৰু ৰমণী আহিছে নিজৰ মানুহ বিচাৰি।

## বাৰ

ৰাধাহঁতৰ স্কুলটো ভেন্চাৰ স্কুল। ৰাধাৰ যত্নতেই ৰমণী চৌকিদাৰণীৰ কামত সোমাল।

হাতত একো কাম নাই। 'ৰাধা চাইকেল মাৰ্ট'ৰ জপনাখন দাঙি ৰবীন এনেয়ে বহি আছে। কালি গধূলী আবেদালিও কিবা কাম থকা বুলি চহৰলৈ গ'ল। আজি দুদিন মানৰপৰা মানুহটোক বৰ চিন্তিত যেন দেখা গৈছে। টকা-পইচাৰ বাবেই হয়তো তাৰ মন মৰা। ৰমণীৰো আজিকালি আগৰদৰে ৰাংচালি স্বভাৱ নাই। টকা-পইচাৰ অভাৱত দেখাত অতি কঠিন যেন লগা মানুহো সি ভাগি পৰা দেখিছে।



OKDISCD

আজি কালি কিন্তু তাক এইবোৰ ভাৱনাই টলাব নোৱাৰে। ৰাধাও আজি কালি তাৰ দৰেই বে-পাৰোৱা। সি বিড়িটো জ্বলাওঁতেই গংগা আৰু মাংৰা সোমাই আহিল। গংগাই বাটৰ পৰাই কৈ আহিল—

: ৰবীন বাবু, ৰিজাৰ্ভৰ খবৰ শুনিছনে নাই ?

: কি হৈছে ?

: মিলিটাৰীয়ে কালি মানুহৰ ঘৰ-দুৱাৰ ভাঙি দিছে, আজি চব মানুহ লগ হৈ জিলাৰ বৰ চাহাবক ঘেৰাও কৰিব। আমাৰ গগৈ বাবুও যাব বোলে।

মাংৰাই কলে : আমাৰ ওপৰতো এইবাৰ পুলিচ লগাব। ঐদিন বৰ-কেৰাণী বাবু নাই বলিলে জানো। সব্ মাটি বাগানৰ মালিক বিক্ৰী কৰি দিছে।

ৰবীনে কলে : আমাকতো নটিচ দিয়েই থৈছে। মন গলেই মালিকে পুলিচ লগাই দিব। কিন্তু আমি যাম ক'ত ? আমাৰতো আন ঠাইত জমি-জমা নাই।

কান্ধত ৰঙা মোনা এখন লৈ সেইফালেই গগৈ মাষ্টৰ পাৰ হৈ যাব খুজিছিল। গংগাই ৰিং মাৰিলে : গগৈ বাবু, কোনফালে ওলালা ?

ৰবীন : গগৈদেউ, আহকচোন, বা-বতৰা কওকহি।

: খবৰ ভালেই বুলিব লাগিব। সকলো ফালেই মানুহৰ মাজত সজাগতা আহিছে। সমাজ ব্যৱস্থাৰ বৈপ্লৱিক পৰিবৰ্ত্তন নাসাধিলে যে দেশৰ কোনো সমস্যাৰে সমাধান হব নোৱাৰে, সেইকথা গৰীৱ জনসাধাৰণে বুজিব পাৰিছে। জনসাধাৰণৰ সজাগতাৰ লগে লগে সিহঁতৰ নিষ্পেষণো বাঢ়ি গৈছে।

: কথাটো অলপ বুজাই কওকচোন, ৰবীনে কলে।

: বুজাবলৈ কিটো আছে ? সৌ সিদিনা দ্ৰব্যমূল্য বৃদ্ধিৰ প্ৰতিবাদত সমবেত হোৱা জনতাৰ ওপৰত প্ৰথমতে লাঠী চাৰ্জ শেষত গুলী চলোৱাৰ খবৰ আপোনালোকে জানেই। যোৱা কালি ৰাঙলি ৰিজাৰ্ভৰ বাসিন্দাসকলৰো ঘৰ-দুৱাৰ ভাঙি শস্য নষ্ট কৰিলে। ইফালে চৰকাৰে কাগজে-কলমে সদায় মাটি হীনক মাটি দিয়েই আছে। অধিক শস্য উৎপাদন কৰিয়েই আছে। এইবিলাক চব ভুৱা। ধনীক শ্ৰেণীৰ এই চৰকাৰে কোনো সমস্যাৰে স্থায়ী সমাধান কৰিব নোৱাৰে। গৰীৱ জনসাধাৰণে জীয়াই থাকিবলৈ হলে সংগ্ৰামৰ পথ লবই লাগিব।





গংগাই কলে : আমালোককো মালিকে এইবাৰ বোলে ভাগাই দিব। আমি ইমানদিন খুন গিৰাই এনেই জমিন ভাঙিলো। শুনিছো মালিকে আমাৰ মাটি চব কোনোবা এজন ডাঙৰ মানুহক বিক্ৰী কৰিছে। ই বোলে কিবা ডাঙৰ কোম্পানী খুলিব। চৰকাৰ ভি ইয়াত মদত কৰিব।

: অঁ' কথাটো শুনিছো। আমি দখল এৰিব নালাগে। আমি একেলগে লড়াই কৰিলেহে বাচি থাকিব পাৰিম। কৃষক সভাৰ সভ্য বঢ়াব লাগে। দেখা নাই, কুমটাই বাগানৰ প্ৰান্তত আমাৰ মানুহে একলগ হৈ খেতি কৰিছে। মালিকে তাঁহাতক হাইৰাণ কৰিলেও খেদি পঠাব পৰা নাই। খেদিলেনো যাব ক'ত বাৰু ? যাবলৈতো জাগা লাগিব। এনেতে ৰাধা ওলাই আহি কলে—

: আমাৰ বীৰেনৰ কিবা খবৰ পায়নে ? লগ পালে মই মতা বুলি কবচোন।

: অ' তেখেতে আজি অহাৰ কথা আছে। আপোনাৰ কথা মই কম বাৰু। মাটিৰ বিষয়ে আমি পাছত কথা হম। দলৰ লগতো আলচ কৰিব লাগিব। মই এতিয়া যাওঁ। ৰবীন দাদা, আহিলো—নবৌ, যাওঁ দেই।

সেইদিনাই আবেলি আবেদালি আহি ওলালহি। চাহ-তাহ খাই উঠি আবেদালিয়ে কলে : বলা ভাইজান, অলপ ফুৰি আহোঁ, বঢ়িয়া জোনাক হৈছে।

ৰবীনে মন কৰিলে—আবেদ্দ আলিৰ মনটো আজি অলপ প্ৰফুল্ল। নিজ নিজ ভাৱনাত তন্ময় হৈ দুয়ো শিৰীষ গছৰ তলৰ লুংলুঙীয়া বাটেৰে খোজ চলালে। কলঘৰৰ ওচৰ পায়েই ৰবীন ৰৈ গ'ল। এক সাংগীতিক লয়ত কলঘৰটো চলি আছে। নতুন পাতমৰাৰ গোন্ধ এটা দুয়োৰে নাকত লাগিল। বাটৰ কাষৰ শিৰীষ গছ এজোপাত উঠি বনুৱা ডেকা এহালে বাঁহীত এক মায়াময় সুৰৰ সৃষ্টি কৰিছে। এই জীৱন, এই সুৰ, এই গোন্ধ তাঁহাতৰ এদিন কিমান চিনাকি, কিমান আপোন আছিল, কিন্তু আজি ?

অলপ সময় সেই উতলা সুৰ আৰু গোন্ধত বিভোৰ হৈ থাকি তাঁহাত ঘৰলৈ ঘূৰিল। বাটত কোনেও এষাৰো কথা নাপাতিলে।

'ৰাধা চাইকেল মাৰ্ট'ত ৰবীনক লগ পাবলৈ আহি গগৈয়ে আবেদালিক দেখি স্তম্ভিত হৈ গ'ল।



OKDISCD

: আৰে, কমৰেড আলি দেখোন? আপুনি ইয়াত কেনেকৈ? জেলৰ-পৰা মুক্তি পোৱা খবৰটো কমৰেড্ বীৰেণ বৰুৱাৰ মুখত অৱশ্যে শুনিছিলো।

: মুক্তি দিলে কি হব কমৰেড্। এই চৰকাৰে মানুহক ক'ত মুক্তি দিব? কাক কোন দিনা ধৰে কি ঠিক? জুঠা ইনজামত ইমানদিন ৰাখিলে যেতিয়া সিহঁতৰ মতলব বুজিছেই।

ৰবীনৰ ফালে চাই তেওঁ কলে: ভাইজান, আমাৰ কথা শুনি তুমি আচৰিত হৈছা নহয়? তোমাৰ আগত মোৰ আচল কথা কোৱাই হোৱা নাই। অৱশ্যে তুমি জানিবও বিচৰা নাই। এতিয়া কিজানি তুমি মোক বাহিৰ কৰি দিবা।

: ভাইজান, তেনে কথা মুখলৈ নানিবা। ৰবীন মিষ্ট্ৰীয়ে কাৰোবাক এবাৰ দিল দি ধোকা দিব নাজানে। তোমাৰ কথা নিৰ্ভয়ে কব পাৰা।

সবৰ আলচ শুনি ৰাধা আৰু ৰমণীও ওলাই আহিল।

: আচলতে কি জানা—চৰকাৰে মোক খালাচ দিছে যদিও নামতহে। কিবা এটা চেলু উলিয়াই আকৌ ধৰেহে লাগে। তোমালোকৰ বীৰেনৰ সৈতে আমাৰ ৰাষ্টা একে। মোক কেতিয়া ধৰে একো ঠিক নাই। মোৰ ইচ্ছা ৰমণীক তোমালোকৰ ইয়াত ৰাখি যোৱাটো। মই নাথাকিলে তাইৰ বৰ কষ্ট হয়। এতিয়া তুমি থাকিব দিয়া নে নাই?

: কি যে কৈছা ভাইজান, ৰমণী, তুমি সদাই আমাৰ লগতে থাকিবা। মানুহে আমাক ৰাখিছে। মোৰ যেতিয়া দুৰ্দিন, তেতিয়া এই গংগা; মাংৰাইঁতেই মাতি আনি ইয়াত আশ্ৰয় দিছে। নিজৰ মানুহৰ দৰে সুখ-দুখৰ ভাগী হৈছে।—থোকা-থুকি মাতেৰে ৰবীনে কৈ গ'ল—আৰু ৰমনী! এই ৰমণীয়ে মোক নিজৰ আইৰ দৰে গু-মুত ধুই বেমাৰত প্ৰতিপাল কৰি বচাইছে। তাই নাথাকিলে মই সেই যাত্ৰাত নাবাছিলোহেতেন কিজানি! তুমি নাথাকিলে মই এতিয়ালৈ ভাত ৰান্ধনি লগুৱা হৈ ডাঙৰ মানুহৰ ঘৰে ঘৰে বাগৰি ফুৰিব লাগিলহেতেন। সেই টাইফয়দত তুমি নথকাহলে জানো মই বাছিলোহেতেন?

ৰবীন কম কথাৰ মানুহ। পুৰণি নতুন কথাবোৰে মনৰ মাজত তোলপাৰ





লগালেহি। মনৰ দুখতে আপোনা আপুনি কথাবোৰ ওলায় গ'ল—সি নিজকে চম্ভালিব নোৱাৰিলে।

ৰাধাৰো লাজ লাগিল। ৰমণীৰ লগত ৰবীনৰ এসময়ত বেয়া সম্বন্ধ থকা বুলি তাই সন্দেহ কৰা কথাটো মনলৈ আহিল।

ছি: এসময়ত তাই কিমান সৰু মনৰ আছিল! লাজতে তাইৰ মৰি যাম যেন লাগিল।

সমুখত ইমান দায়িত্ব। ৰাইজখনৰ ইমান কাম। হেজাৰজন এফালে বাগিচাৰ মালিক আৰু চৰকাৰ আনফালে। ৰাইজৰ লগত ৰবীন আবেদালি আৰু গগৈয়ে বেলেগে বেলেগে আলচ কৰিছে। ৰাইজ প্ৰস্তুত। তাইৰ কথাটো ইমান সময় আলচ হোৱাৰ বাবে ৰমণী ক্ষুণ্ণ হ'ল—

: খালি হামাৰ কথা তুহ্নি ইমান বৰ কৰিছ কাহে? ইমান মানুহ আছে, মুই কি জংঘলত আছো?

ৰাধাই পৰিস্থিতিটো উজু কৰি দিলে। তায়ো ৰমণীৰ সতে একমত।

: ৰমণীৰ কথা ৰমণী আৰু মই ভাবিম। আমাৰ ল'ৰা-ছোৱালী আছে; ৰাইজৰ ল'ৰা ছোৱালী আছে—মই জানো অকলে চাব পাৰিম! ৰমণী ইয়াতেই মোৰ লগত থাকিব। আমি দুয়ো একে লগে কাম কৰিম।

ৰমণীয়ে প্ৰায় দবিওৱাৰ দৰে কলে—

: তুমৰা চব মৰদ মানুষ, আপনা অপনা কাম কৰ। এত্না ডাঙৰ কাম। খালি নিজৰ বাচ্ছা-আউৰতৰ কথা চুচি কমজোৰ হলে কি ৰকম চলিব?

আবেদালিয়ে কিবা কব খুজিছিল—ৰাধাই তাৰ ফালে চাই কলে—

: হৈছে ভাইজান, হৈছে, এই লৈ আৰু কথা নুতুলিব।...কাম কৰিবলৈ হলে মানুহৰ ওপৰত বিশ্বাস ৰাখিবই লাগিব।

: অঁ' তোন

: এৰা, ঠিকেই।

—×—



OKDISCD

# ভিয়েটনামৰ মুক্তি যুদ্ধ

**খগেন শৰ্ম্মা ৰাজখোৱা**

**আগকথা :**—মানব জাতিৰ প্ৰধান শত্ৰু সাম্ৰাজ্যবাদে সিহঁতৰ শোষণ আৰু আধিপত্য বজাই ৰাখিবৰ বাবে পৃথিবীৰ দেশে দেশে জুই জ্বলাইছে; কিন্তু সময়ৰ কি উপহাস যে সেই জুইত সিহঁত নিজেই পুৰি ছাই হোৱাৰ উপক্ৰম হৈছে। মাৰ্কিন সাম্ৰাজ্যবাদে সিহঁতৰ শোষণ বজাই ৰাখিবলৈ গৈ ইন্দোচীনত বিশেষকৈ ভিয়েটনামৰ মুক্তিকামী ৰাইজৰ হাতত যি দৰে মাৰ খাইছে তাৰ দ্বাৰাই প্ৰমাণিত হৈছে পৰাক্ৰমশালী আধুনিকতম আনবিক শক্তিৰ অধিকাৰী মাৰ্কিন সাম্ৰাজ্যবাদ "কাগজৰ বাঘ"ৰ বাহিৰে একো নহয়। মাৰ্কিন বোমাৰু বিমান বিলাকে নিৰ্বিচাৰে উত্তৰ আৰু দক্ষিণ ভিয়েটনামৰ ওপৰত বোমাবৰ্ষণ কৰিও ভিয়েটনামৰ মুক্তি যুদ্ধৰ অগ্ৰগতিক ৰোধ কৰিব পৰা নাই, আৰু ইয়েই প্ৰমাণ কৰিছে মাৰ্ক্সবাদ—লেনিনবাদৰ তত্ত্ব অপৰাজেয়। মাৰ্কিন সাম্ৰাজ্যবাদৰ সকলো দৰ্প চূৰ্ণ কৰি ভিয়েটনামৰ মুক্তি বাহিনীয়ে এখনৰ পিছত আন এখন চহৰ দখল কৰিছে আৰু এই ঘটনাই সিহঁতৰ চকুত আঙুলি দি দেখুৱাই দিছে যে ভিয়েটনামৰ মাটিত সিহঁতৰ পৰাজয় অনিবাৰ্য্য। কিন্তু নিক্সন চৰকাৰে আৱশ্যম্ভাবী পৰাজয়ৰ গ্লানিৰপৰা হাত সাৰিবৰ বাবে ভিয়েটনামৰ সামৰিক ঘাটি বিলাকৰ ওপৰত বোমাবৰ্ষণ কৰাৰ উপৰিও প্ৰধান প্ৰধান অসামৰিক চহৰ বিলাকৰ ওপৰত নিৰ্বিচাৰে বোমাবৰ্ষণ কৰি হাজাৰে হাজাৰে নিৰীহ ভিয়েটনামী ৰাইজক হত্যা কৰিছে আৰু বহিঃবিশ্বৰ পৰা বিচ্ছিন্ন কৰিবৰ হেতুকে উত্তৰ ভিয়েটনামৰ প্ৰধান বন্দৰ বিলাকত 'মাইন' পুতিবলৈ স্পৰ্দ্ধা কৰিছে। এইবিলাক ঘৃণনীয় কাৰ্য্যই সিহঁতক পৰাজয়ৰ গ্লানিৰপৰা হাত সৰোৱাব পৰা নাই। সিহঁতে যে ভিয়েটনামত আৰু বেছি দিন শোষণ চলাব নোৱাৰে সেই কথা বুজি উঠিছে। মাৰ্কিন সাম্ৰাজ্যবাদে আজি যে কেবল ভিয়েটনামৰ মাটিতেই পৰাজয়ৰ সন্মুখীন হব লগাত পৰিছে এনে নহয়, ভিয়েটনাম যুদ্ধক কেন্দ্ৰ কৰি গোটেই বিশ্বতে আনকি মাৰ্কিন মুলুকতো লাখ লাখ মানুহে মাৰ্কিন সাম্ৰাজ্যবাদৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন





কৰিছে। ভিয়েটনামৰ ৰণত শোচনীয় অৱস্থাই আৰু মাৰ্কিন সাম্ৰাজ্যবাদ বিৰোধী বিশ্বৰ জনমতে এই সিদ্ধান্তকে দিয়ে যে আজিৰ যুগ জাতীয় মুক্তিৰ বিজয় আৰু পুঁজিবাদ সাম্ৰাজ্যবাদৰ পতনৰ যুগ। সেয়েহে ভিয়েটনাম আজি নিষ্পেষিত পদদলিত মানবৰ মুক্তি সংগ্ৰামৰ অনুপ্ৰেৰণাৰ কেন্দ্ৰস্থল হৈ পৰিছে।

**ভিয়েটনামৰ মুক্তি আন্দোলনৰ পূৰ্ব ইতিহাস :**

বৰ্ত্তমান কালৰ মানব জাতি, গণতন্ত্ৰ আৰু স্বাধীনতাৰ প্ৰধান শত্ৰু সাম্ৰাজ্যবাদৰ সকলো আক্ৰমণ প্ৰতিহত কৰি চূড়ান্ত বিজয়ৰ বাটত আগবাঢ়ি যোৱা ভিয়েটনামৰ জাতীয় মুক্তি যুদ্ধৰ ইতিহাস এশ বছৰীয়া দুশ বছৰীয়া নহয় হাজাৰ বছৰীয়া। ভিয়েটনাম তথা ইন্দোচীনত চীনৰ সামন্ততান্ত্ৰিক সম্ৰাট সকলে হাজাৰ বছৰ ধৰি ৰাজত্ব কৰি গৈছে। ঊনবিংশ শতিকাত চীন সাম্ৰাজ্য দুৰ্ব্বল হৈ অহাৰ সুযোগত ইন্দোচীনত ফৰাচীইতে ঔপনিবেশিক শাসন প্ৰতিষ্ঠা কৰে। ১৮৮৪ চনৰ পৰা ১৯৫৪ চনলৈ এই চোৰা কাল হ'ল ভিয়েটনামবাসীয়ে ঔপনিবেশিত শাসনৰ বিৰুদ্ধে কৰা স্বাধীনতা সংগ্ৰামৰ ইতিহাস। ফৰাচী সাম্ৰাজ্যবাদৰ শেষ কাল চোৱাত জাপ সাম্ৰাজ্যবাদে ভিয়েটনাম আক্ৰমণ কৰে। ১৯৪০ চনৰ পৰা ১৯৪৫ চনলৈকে ভিয়েটনামত ফৰাচী ঔপনিবেশিক শাসন চলে। কিন্তু স্বাধীনতা প্ৰিয় ভিয়েটনামবাসীয়ে তেওঁলোকৰ সাম্ৰাজ্যবাদ বিৰোধী প্ৰতিৰোধ সংগ্ৰাম চলায়ে থাকিল। এই সংগ্ৰাম দিনক দিনে ইমান শক্তিশালী হ'ল যে ইয়াৰ চৰম পৰিণতি হ'ল ১৯৫৪ চনৰ জেনেভা চুক্তি। এই চুক্তি অনুযায়ী উত্তৰ ভিয়েটনামৰ স্বাধীনতাক স্বীকৃতি দিয়া হ'ল।

**দ্বিতীয় মহাযুদ্ধৰ উত্তৰ কালত :**—দ্বিতীয় মহাযুদ্ধৰ পিচত বৃটিছ আৰু মাৰ্কিন সাম্ৰাজ্যবাদৰ সহযোগিতাত ফৰাচী সাম্ৰাজ্যবাদে জাপ সাম্ৰাজ্যবাদৰ পৰা তেওঁলোকৰ হেৰুৱা উপনিবেশ ঘূৰাই পালেও ভিয়েটনামত তেওঁলোকৰ শাসন পূৰ্বৰ দৰে কটকটীয়া নহ'ল। হো চি মিনৰ নেতৃত্বত সেই সময়ত গঠিত হোৱা ভিয়েটনামৰ স্বাধীনতা লীগে মৰণ-পণ সংগ্ৰামৰ মাজেদি যি দুৰ্বাৰ শক্তি আহৰণ কৰিলে তাক দমাই ৰখা কোনো সাম্ৰাজ্যবাদৰ পক্ষে সম্ভৱ নাছিল। ১৯৪৫ চনৰ ২ চেপ্তেম্বৰত হো চি মিনে ভিয়েটনামৰ স্বাধীনতা ঘোষণা কৰিলে। ভিয়েটনামত হোৰ নেতৃত্বত গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ জন্ম হ'ল। ভিটয়েনামৰ বিপ্লবী

OKDISCD

সকলৰ এই গৌৰবময় সফল সংগ্ৰামে আগষ্ট বিপ্লব নামে ইতিহাসত উজ্জ্বল স্থান অধিকাৰ কৰিছে। আগষ্ট বিপ্লবৰ সফলতাৰ ৰাজনৈতিক তাৎপৰ্য্য বিশ্লেষণ কৰিবলৈ গৈ জেনেৰেল গিয়াপে কৈছিল—"বিশ্বৰ সকলো ঠাইতে জাতীয় মুক্তি সংগ্ৰামৰ যি ঢৌ উঠিছে, যি দ্বিতীয় বিশ্ব যুদ্ধোত্তৰ কালত বিশ্ব জোৰা উপ-নিবেশবাদৰ ধ্বংস ঘোষণা কৰি গণ জাগৰণৰ জোৱাৰ আনি দিছে তাৰ মূল প্ৰেৰণা হিচাপে আগষ্ট অভ্যুত্থানৰ অবদান অপৰিসীম।"

ফৰাচী সাম্ৰাজ্যবাদে ভিয়েটনামত নিজৰ শাসন বাহাল ৰখাৰ বাবে ১৯৪৬ চনৰ ৬ মাৰ্চত হো চি মিনৰ লগত এটা চুক্তিত আৱদ্ধ হয়। এই চুক্তিৰ চৰ্তমতে ফৰাচী সাম্ৰাজ্যবাদৰ কাঠামোৰ মাজতেই ভিয়েটনামে স্বাধীনতা উপভোগ কৰিব। কিন্তু বিশ্বাস ঘাটক ফৰাচীহঁতে সিহঁতৰ শাসনৰ পৰিধি বৃদ্ধি কৰিবৰ বাবে মাৰ্চৰ চুক্তিক ভৰিৰে মোহাৰি ভিয়েটনামৰ মুক্তি বাহিনীৰ ঘাটি আক্ৰমণ কৰি হাইফং চহৰৰ ওপৰত বোমাবৰ্ষণ কৰিলে। হো চি মিনে নৱজাত প্ৰজাতন্ত্ৰক ৰক্ষা কৰিবৰ বাবে জনগণক হাতত অস্ত্ৰ তুলিবলৈ আহ্বান জনালে। আৰম্ভ হ'ল গেৰিলা যুদ্ধ। ১৯৪৫ চনৰ পৰা ১৯৫৪ চনলৈ এই কাল চোৱা হ'ল ফৰাচী সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সশস্ত্ৰ স্বাধীনতা সংগ্ৰাম।

**পুতলা চৰকাৰ** :—দ্বিতীয় মহাযুদ্ধত পৰাজয়ৰ আগ মুহূৰ্ত্তত জাপ সাম্ৰাজ্য-বাদে ভিয়েটনামৰ ঘৃণিত অভিজাত সন্তান বাও দাইক ভিয়েটনামৰ সম্ৰাট হিচাপে অভিষিক্ত কৰে। ১৯৪৫ চনত জাপান সাম্ৰাজ্যবাদ মিত্ৰ শক্তিৰ হাতত পৰাজয় হোৱাৰ পিছত হো চি মিনৰ নেতৃত্বত ভিয়েটনামৰ জনগণে স্বাধীনতা ঘোষণা কৰে আৰু সম্ৰাট বাও দায়ে উপায়ন্তৰ হৈ পদত্যাগ কৰে। ফৰাচী সাম্ৰাজ্য-বাদে মিত্ৰ-শক্তিৰ সহায়ত ভিয়েটনামক পুনৰ ঘূৰাই পোৱাত ভিয়েটনামৰ মাটিত নিজৰ শাসন নিষ্কণ্টক কৰিবৰ অৰ্থে বাও দাইকে ১৯৫০ চনত ভিয়েটনামৰ প্ৰেচিডেন্টৰ গাদীত বহুৱালে। সাম্ৰাজ্যবাদী শক্তিবোৰে বিশ্বৰ গণতান্ত্ৰিক আৰু শান্তি প্ৰয়াসী মানুহক প্ৰতাৰণা কৰিবৰ বাবে বিভিন্ন দেশত এই দৰে পুতলা চৰকাৰ পাতে, যি দৰে আমেৰিকান সাম্ৰাজ্যবাদে লাউচ, কাম্বোডিয়া আৰু দক্ষিণ ভিয়েটনামত আজি পুতলা চৰকাৰ ৰাখিছে।

**মাৰ্কিন সাম্ৰাজ্যবাদ আৰু ভিয়েটনাম** :—১৯৪৯ চনত চীনৰ বিপ্লৱ সফল





হয়। ভিয়েটনামৰ প্ৰতিবেশী চীনৰ নৱজন্মই মাৰ্কিন সাম্ৰাজ্যবাদক আতঙ্কিত কৰিলে। সমাজতন্ত্ৰী চীনৰ গাতে লগাকৈ ভিয়েটনামৰ মাটিত সমৰ ঘাটি পাতি দক্ষিণ পূৰ্ব্ব এচিয়াত মাৰ্কিন সাম্ৰাজ্যবাদী স্বাৰ্থ নিৰাপদ কৰাৰ প্ৰয়াস কৰিলে। সিহঁতৰ পৰামৰ্শতেই ১৯৫০ চনত ফৰাচী সাম্ৰাজ্যবাদে বাও দাইক ভিয়েটনামৰ প্ৰেচিডেন্ট নিযুক্ত কৰিছিল। কিয়নো তথাকথিত স্বাধীন বাও দাই চৰকাৰক সহায় কৰাৰ নামত ফৰাচী সাম্ৰাজ্যবাদক পোন-পটীয়া ভাবে সামৰিক আৰু অৰ্থ সাহায্য দিয়াৰ সুবিধা লোৱাটোৱেই মাৰ্কিন সাম্ৰাজ্যবাদৰ উদ্দেশ্য আছিল। এই কথা মনত ৰাখিব লাগিব যে ভিয়েটনামৰ মাটিত ফৰাচী সাম্ৰাজ্যবাদ জীয়াই ৰখাটো আমেৰিকাৰ উদ্দেশ্য নহয়, সিহঁতৰ উদ্দেশ্য আছিল ধীৰে ধীৰে ভিয়েটনামৰ মাটিত আমেৰিকান সাম্ৰাজ্যবাদৰ নয়া-উপনিবেশ কায়েম কৰা। এই ৰাজনৈতিক উদ্দেশ্যৰ লগতে সিহঁতক ঠিক সেইদৰে ইন্দোচীনৰ প্ৰচুৰ খনিজ ভাণ্ডাৰে তীক্ষ্ণ ভাবে প্ৰলুব্ধ কৰিছিল। ইন্দোচীনত টিন, দস্তা, ম্যংগানিজ আদিৰ খনি আছে। সেয়ে বাও দাই চৰকাৰক আগত ৰাখি ইন্দোচীনৰ ৰংগমঞ্চত ভৰি দিবলৈ আমেৰিকান সাম্ৰাজ্যবাদ উত্ৰাৱল হৈ উঠিল। কিন্তু বাও দাইয়ে মাৰ্কিন সাম্ৰাজ্যবাদৰ অভিলাসতো বাদেই স্বয়ং ফৰাচী সাম্ৰাজ্যবাদৰ স্বাৰ্থ পূৰণ কৰিবলৈ ব্যৰ্থ হ'ল।

**দিয়েন বিয়েন ফু** :—দিয়েন বিয়েন ফু লাওচ সীমান্তত অৱস্থিত এটা পাৰ্ব্বত্য সমভূমি। ৰণ কৌশলৰ ফালৰপৰা এই অঞ্চলৰ গুৰুত্ব খুব বেচি। আমেৰিকাৰ আধুনিকতম অস্ত্ৰেৰে সুসজ্জিত ফৰাচী সাম্ৰাজ্যবাদৰ ১৭ টা বেটেলিয়ান আৰু ১০ টা কোম্পানী সৈন্য এই দিয়েন বিয়েন ফুত মতায়েন আছিল। জাতীয় মুক্তি বাহিনী আৰু ভিয়েটনামৰ সাধাৰণ মানুহৰ এই ধাৰণা আছিল যে মুক্তিবাহিনীয়ে দিয়েন বিয়েন ফু দুৰ্গ দখল কৰিব পাৰিলে ভিয়েটনামৰ বুকুত ফৰাচী সাম্ৰাজ্যবাদ আৰু অনুপ্ৰবেশকাৰী আমেৰিকাৰ কবৰ ৰচনা কৰিব পাৰিব। ১৯৫৪ চনৰ ১৩ মাৰ্চত জেনেৰেল গিয়াপৰ নেতৃত্বত মুক্তি-বাহিনীয়ে দিয়েন বিয়েন ফু দুৰ্গ অৱৰোধ কৰি আঁঠ সপ্তাহ প্ৰচণ্ডভাবে যুঁজি ফৰাচী সৈন্যক চূড়ান্ত ভাবে পৰাজিত কৰে।

এই পৰাজয়ৰ ফলত ১৯৪৫ চনৰ চেপ্তেম্বৰ মাহত হো চি মিনে ঘোষণা



OKDISCD

কৰা ভিয়েটনামৰ স্বাধীনতা পূৰ্ণ পৰ্য্যায়ত উপনীত হ'ল। দিয়েন বিয়েন ফু বিজয়ৰ পিছত হো চি মিনে ভিয়েটনামৰ জনগণৰ প্ৰতি কৈছিল "দিয়েন বিয়েন ফুৰ বিজয়ৰ দ্বাৰা আমাৰ মুক্তি বাহিনী আৰু জনগণে আক্ৰমণকাৰী ফৰাচী উপনিবেশবাদ আৰু অনুপ্ৰবেশকাৰী আমেৰিকান সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যি দীৰ্ঘস্থায়ী, কষ্টসাধ্য আৰু বীৰত্বপূৰ্ণ সংগ্ৰাম চলাইছিল, তাৰ গৌৰবজনক পৰিসমাপ্তি হ'ল। ই কেবল মাত্ৰ আমাৰ জনসাধাৰনৰ জয় নহয়, সমগ্ৰ বিশ্বৰ নিপীড়িত মানুহৰ সাধাৰণ জয়। দিয়েন বিয়েন ফুৰ বিজয়ে বৰ্ত্তমান কালত মাৰ্ক্সবাদ আৰু লেনিনবাদৰ এই সত্যটি প্ৰতিষ্ঠিত কৰিছে—সাম্ৰাজ্যবাদীয়ে জাপি দিয়া সকলো আগ্ৰাসী যুদ্ধই পৰাজয়ত পৰিণত হব আৰু জনগণৰ দ্বাৰা পৰিচালিত সকলো মুক্তি বিপ্লৱেই বিজয়ৰ মাজেদি সুপৰিসমাপ্ত হব।"

**জেনেভা সন্মিলন** :—সাম্ৰাজ্যবাদৰ নেতা মাৰ্কিন সাম্ৰাজ্যবাদৰ সকলো সহায় সত্বেও ফৰাচী সাম্ৰাজ্যবাদে দিয়েন বিয়েন ফুৰ পতনৰ পিছত আৰু যুদ্ধ চলাই যোৱা সম্ভৱ নাছিল। সেয়ে মাৰ্কিন সাম্ৰাজ্যবাদৰ সকলো ধৰণৰ উচতনি উপেক্ষা কৰি ফৰাচী সাম্ৰাজ্যবাদে ইন্দোচীনত সংগ্ৰামৰত সকলো ৰাজনৈতিক দল আৰু শক্তিৰ লগত আলোচনাত বহিবলৈ উৎসুক হৈ উঠে। অৱশেষত ফ্ৰান্স, বৃটেন, গণপ্ৰজাতান্ত্ৰিক চীন, চোভিয়েট ইউনিয়ন, আমেৰিকা যুক্তৰাষ্ট্ৰ, কম্বোদিয়া, লাওচ, বাওদাইৰ পুতলা চৰকাৰ, গণপ্ৰজাতান্ত্ৰিক ভিয়েটনাম প্ৰভৃতি ১৪ খন ৰাষ্ট্ৰৰ প্ৰতিনিধি ১৯৫৪ চনত জেনেভাত মিলিত হ'ল। সুদীৰ্ঘ তিনিমাহ ব্যাপি চলা আলোচনাৰ অন্তত জেনেভা সন্মিলনত অংশ গ্ৰহণকাৰী দেশসমূহে কিছুমান সিদ্ধান্তৰ ভিত্তিত এখন চুক্তিত স্বাক্ষৰ কৰে। উল্লেখযোগ্য যে মাৰ্কিন যুক্তৰাষ্ট্ৰই এই চুক্তিত স্বাক্ষৰ কৰাৰপৰা বিৰত থাকিল যদিও মত প্ৰকাশ কৰিলে যে জেনেভা চুক্তিক তেওঁলোকে মৰ্য্যাদা দিব। এই চুক্তি অনুযায়ী ইন্দোচীনৰ লাওচ, কম্বোডিয়া আৰু ভিয়েটনাম এই তিনিখন দেশ স্বাধীন সাৰ্ব-ভৌম ৰাষ্ট্ৰত পৰিণত হয়; ফৰাচী শাসকে উত্তৰ ভিয়েটনাম ত্যাগ কৰি দক্ষিণ ভিয়েটনামলৈ গুচি আহিব। ১৭ অক্ষাংশ ৰেখাত অস্থায়ীভাবে ভিয়েটনামখন দুখণ্ডত বিভক্ত হব; ১৯৫৬ চনৰ জুলাই মাহৰ ভিতৰতেই সাধাৰণ নিৰ্বাচনৰ যোগেদি উভয় অংশ ঐক্যবদ্ধ হব। এই ব্যৱস্থাবোৰ কাৰ্য্যকৰী কৰিবৰ বাবে





ভাৰতবৰ্ষক চেয়াৰমেন, পোলেণ্ড আৰু কানাডাক সদস্য কৰি এখন নিৰপেক্ষ আন্তৰ্জাতিক তদন্ত কমিচন নিযুক্ত কৰা হব।

**মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পোনপটীয়া হস্তক্ষেপ** :—আঁৰকাপোৰৰ আঁৰত থাকি সমগ্ৰ ইন্দোচীনত ডলাৰ সাম্ৰাজ্যবাদ স্থাপন কৰাৰ বাবে মাৰ্কিন সাম্ৰাজ্যবাদৰ দুৰভিসন্ধি জেনেভা চুক্তিৰ ফলত ব্যাহত হ'ল। সেয়ে সিহঁতে পোনপটীয়াভাবে ইন্দোচীনত হস্তক্ষেপ কৰিবলৈ আগবাঢ়ি আহিল। তথাকথিত 'স্বাধীন' বাওদাই চৰকাৰৰ হঁতুৱাই মাৰ্কিন চৰকাৰে সেইসময়ত জাপানত বসবাসকাৰী ভিয়েটনামী লোক নোদিম দিয়েমক প্ৰধানমন্ত্ৰী নিযুক্ত কৰালে। জেনেভা চুক্তি সম্পাদনা হোৱাৰ তিনি সপ্তাহৰ পিচতেই বাওদাইয়ে পদত্যাগ কৰিলে। আমেৰিকাৰ কৃপাত দিয়েম নিজেই প্ৰেচিডেণ্ট, প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰী হ'ল। মাৰ্কিন-সাম্ৰাজ্যবাদে দিয়েম চৰকাৰক সাহায্য দিয়াৰ নামত দক্ষিণ ভিয়েটনামৰ সামৰিক অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক বিভাগক নিজৰ নিয়ন্ত্ৰণলৈ আনি গোটেই দক্ষিণ ভিয়েটনামত সিহঁতৰ নয়া উপনিবেশবাদ স্থাপন কৰিলে।

আমেৰিকাৰ নয়া-উপনিবেশবাদৰ বিৰুদ্ধে ভিয়েটনামত প্ৰতিবাদ আন্দোলন গঢ়ি উঠিল। দিয়েম-মাৰ্কিন চৰকাৰে দক্ষিণ ভিয়েটনামবাসীৰ সকলো গণতান্ত্ৰিক আন্দোলনক নিষ্ঠুৰভাবে দমন কৰি স্বেচ্ছাচাৰী শাসন প্ৰতিষ্ঠা কৰিলে। এই স্বেচ্ছাচাৰী শাসন চক্ৰই হেজাৰ হেজাৰ শান্তিকামী দেশপ্ৰেমিক মানুহক গুলিয়াই হত্যা কৰিলে। অগণন মানুহক কাৰাগাৰত বন্দী কৰি থলে। এইদৰে দক্ষিণ ভিয়েটনামৰ সৰ্বসাধাৰণ ৰাইজৰ ওপৰত মাৰ্কিন দিয়েম চৰকাৰে অত্যাচাৰৰ ষ্টিম ৰ'লাৰ চলাই দিলে। স্কুল, কলেজ, চাৰ্চ, প্যাগোডা সকলো বিলাকেই কাৰাগাৰলৈ ৰূপান্তৰিত হ'ল। এই শাসক চক্ৰৰ নৃশংসতা এনে পৰ্য্যায়লৈ গ'ল যে কিছু আমেৰিকাৰ সমৰ্থক লোকৰ নেতৃত্বতেই ১৯৬০ চনৰ ১১ চেপ্তেম্বৰত এটা সামৰিক অভ্যুত্থান ঘটে। দিয়েমে এই অভ্যুত্থানক নিষ্ঠুৰ ভাবে দমন কৰে।

ওপৰত উল্লেখ কৰা ঘটনাৰপৰা বিশ্বৰ সচেতন মানুহে বুজিলে যে কিয় মাৰ্কিন যুক্তৰাষ্ট্ৰই জেনেভা সন্মিলনত উপস্থিত থাকিও চুক্তিত স্বাক্ষৰ নকৰিলে। ইয়াৰ পৰবৰ্ত্তী কালত মাৰ্কিন যুক্তৰাষ্ট্ৰই এটাৰ পিচত এটাকৈ জেনেভা চুক্তিৰ



OKDISCD

সকলোবিলাক চৰ্ত্ত মোহাৰি পেলালে, আৰু গোটেই দক্ষিণ ভিয়েটনামক সেই দেশৰ জাতীয় মুক্তিকামী জনগণ, উত্তৰ ভিয়েটনাম আৰু চীনৰ কমিউনিষ্ট শক্তিৰ বিৰুদ্ধে এটা শক্তিশালী সামৰিক ঘাটিত পৰিণত কৰিলে।

দক্ষিণ ভিয়েটনাৰ স্বাধীনতা আৰু গণতন্ত্ৰ প্ৰেমী লোকসকলে মাৰ্কিন-দিয়েম চৰকাৰৰ অত্যাচাৰ, নিষ্ঠুৰতা, শোষণৰ নিৰব দৰ্শক হৈ বহি নাথাকিল। শান্তিৰ বাবে, স্বাধীনতা ৰক্ষাৰ হকে, পিতৃভূমি উদ্ধাৰাৰ্থে দক্ষিণ ভিয়েটনামৰ সাহসী মুক্তিকামী লোকসকলে ১৯৬০ চনৰ ডিচেম্বৰ মাহত "দক্ষিণ ভিয়েটনামৰ জাতীয় মুক্তি ফ্ৰন্ট" গঠন কৰিলে। পৰবৰ্ত্তী কালত এই মুক্তি ফ্ৰন্টৰ নেতৃত্বতেই মুক্তি ফৌজ গঠিত হয়। জাতীয় মুক্তি ফ্ৰন্ট আৰু মুক্তি ফৌজৰ নেতৃত্বত মুক্তি আন্দোলন ইমানদূৰ আগুৱাই গ'ল যে কম্প্ৰাডো বুৰ্জুৱা জমিদাৰ আদি প্ৰতিক্ৰিয়াশীল শক্তিবোৰৰ বাদে দক্ষিণ ভিয়েটনামৰ সকলো লোকেই এই মুক্তি আলোলনৰ অংশীদাৰ হ'ল। ইয়াৰেই চূড়ান্ত পৰিণতি ৰূপে ১৯৭০ চনত দক্ষিণ ভিয়েটনাম প্ৰজাতন্ত্ৰৰ অস্থায়ী বিপ্লৱী চৰকাৰ প্ৰতিষ্ঠিত হ'ল।

মাৰ্কিন যুক্তৰাষ্ট্ৰই ইন্দোচীনত সিহঁতৰ নয়া উপনিবেশবাদক বচাই ৰাখিবৰ বাবে ১৯৬১ চনৰপৰাই ভিয়েটনামত নতুন আক্ৰমণ আৰম্ভ কৰিছিল। প্ৰেচিডেণ্ট জনছনে ভিয়েটনামৰ মুক্তি যুদ্ধক দমাই ৰাখিবৰ বাবে 'ষ্ট্ৰাটিজিক হ্যামলেট্' বা ৰণনৈতিক গাওঁ নামেৰে এটা নতুন কৌশল উদ্ভাৱন কৰিলে। এই কৌশল বাস্তবত কাৰ্য্যকৰী কৰিবৰ বাবে গাৱঁৰ পিচত গাওঁবোৰ কাটাতাঁৰেৰে আগুৰি গোটেই দক্ষিণ ভিয়েটনামক এটা কাৰাগাৰত পৰিণত কৰিলে। মুঠতে গোটেই দক্ষিণ ভিয়েটনাম আমেৰিকান সাম্ৰাজ্যবাদৰ এটা শক্তিশালী সমৰঘাটিত পৰিণত হ'ল।

মাকিন নয়া উপনিবেশবাদৰ ফলত দক্ষিণ ভিয়েটনামৰ গোটেই অৰ্থনীতি ভাগি পৰিল। ১৯৬২ চনৰ চৰকাৰী হিচাপমতে দক্ষিণ ভিয়েটনামৰ কৰ্মক্ষম ব্যক্তিৰ অধিকাংশই নিবনুৱা। দক্ষিণ ভিয়েটনামৰ সৰ্বসাধাৰণ জনসাধাৰণে যেতিয়া খাদ্য-বস্ত্ৰ বাসস্থানৰ অভাৱত হাঁহাকাৰ কৰিলে তেতিয়া দক্ষিণ ভিয়েট-নামৰ স্বেচ্ছাচাৰী চৰকাৰে মুষ্টিমেয় মানুহৰ ভোগ-বিলাসৰ বাবে কৌটি কৌটি টকা খৰচ কৰি ক্লাবঘৰ সজালে। ১৯৫৭ চনৰপৰা ১৯৬০ চনলৈ এই কালচোৱাৰ ভিতৰত যেতিয়া মাথোন ৭,৬৫৬ বৰ্গগজ হাস্পতাল নিৰ্মিত হৈছিল তেতিয়া





৫৬০০০ বৰ্গগজ নিৰ্মিত হৈছিল ক্লাবঘৰ। এয়েই হ'ল সাম্ৰাজ্যবাদী আমেৰিকাৰ 'মুক্ত সাহায্য'ৰ নমুনা।

মাৰ্কিন-দিয়েম চৰকাৰৰ জনগণ বিৰোধী এই নীতিবোৰৰ বিৰুদ্ধে দক্ষিণ ভিয়েটনামৰ মাটিত প্ৰবল আন্দোলন গঢ়ি উঠিল। পৃথিৱীৰ অন্য ঠাইত শাসক শ্ৰেণীয়ে জনগণৰ ন্যায্য দাবীৰ ভিত্তিত গঢ়ি উঠা আন্দোলনক বন্দুক-বাৰুদেৰে দমাই ৰাখিবলৈ বিফল চেষ্টা কৰে। মাৰ্কিন-দিয়েম চৰকাৰে দেৱালৰ লিখনক পাহৰি এই ঘৃণনীয় পন্থাকেই অবলম্বন কৰিলে। চৰকাৰৰ আক্ৰমণ যিমানেই নৃশংস হবলৈ ধৰিলে তিমানেই দক্ষিণ ভিয়েটনামৰ মাটিত জনগণৰ প্ৰতিৰোধ সংগ্ৰাম শক্তিশালী হবলৈ ধৰিলে। মুক্তিৰ পৱিত্ৰ শপথ লৈ দৃঢ়প্ৰতিজ্ঞ লক্ষ লক্ষ ভিয়েটনামবাসী সংগ্ৰামত জঁপিয়াই পৰিল। গাৱঁে গাৱঁে, নগৰে চহৰে গণ-সংগ্ৰামৰ জোৱাৰ উঠিল। মাৰ্কিন সাম্ৰাজ্যবাদে বুজি উঠিলে যে দিয়েমৰ যোগেদি তেওঁলোকৰ স্বাৰ্থ আৰু ৰক্ষা নহয়। ঠিক এনে সময়তে এক অভ্যুত্থানৰ মাজেদি দিয়েমক হত্যা কৰালে। কি পৰিহাস যে অতদিনে আমেৰিকাৰ স্বাৰ্থৰ হৈ দালালি কৰা দিয়েমৰ হত্যাত স্বয়ং আমেৰিকাৰেই অদৃশ্য হাত আছিল।

দিয়েমৰ মৃত্যুৰ পিচত দক্ষিণ ভিয়েটনামত মাৰ্কিন সমৰ্থক সকলৰ মাজত অন্তৰ্দ্বন্দ্ব ইমান প্ৰবল হ'ল যে কাৰো পক্ষেই নিষ্কণ্টকভাবে শাসন ক্ষমতা চলোৱা সম্ভব নহ'ল। ১৯৬৩ চনৰপৰা ১৯৬৫ চনলৈ এই দুবছৰৰ ভিতৰত প্ৰায় ১৩ বাৰ চৰকাৰৰ হাত অদল-বদল কৰা হয়।

মাৰ্কিন সাম্ৰাজ্যবাদে ভিয়েটনামৰ মুক্তি সংগ্ৰামক দমাই ৰাখিবৰ বাবে যি বীভৎস আক্ৰমণ চলাইছিল, বিশেষকৈ ১৯৬৪ চনৰ পৰা আজিলৈ তাৰ তুলনা ইতিহাসত নাই। তথাকথিত গণতন্ত্ৰৰ ধ্বজাধাৰী সাম্ৰাজ্যবাদৰ চৰ্দ্দাৰ আমেৰিকাৰ দক্ষিণ ভিয়েটনামৰ স্বাধীনতা, গণতন্ত্ৰৰ ৰক্ষাৰ নামতেই ভিয়েটনামৰ মাটিত চলোৱা হত্যা কাণ্ডই, হিটলাৰৰ নাৎসী বাহিনীয়ে জাৰ্মেনীৰ বাহিৰে ভিতৰে চলোৱা হত্যাকাণ্ডকো চেৰ পেলালে। অকল ভিয়েটনামতেই নহয়, সাম্ৰাজ্য-বাদীহঁতে সিহঁতৰ শোষণ চলাই যাবৰ বাবে লাওচ, কম্বোডিয়া, লেটিন আমেৰিকা, এচিয়া আৰু আফ্ৰিকাৰ দেশে দেশে এই দৰে নৃশংস হত্যাকাণ্ড চলাইছে।

ভিয়েটনামৰ প্ৰধান প্ৰধান নগৰ, উদ্যোগ, গাওঁ, খেতি পথাৰ বোমা বাৰুদেৰে ধ্বংস কৰিও আমেৰিকান সাম্ৰাজ্যবাদে বাৰে বাৰে ভিয়েটনামবাসীৰ হাতত



OKDISCD

মাৰ খোৱাত হে মাৰ্কিন সাম্ৰাজ্যবাদৰ প্ৰতি পুতৌ জন্মিছে। এইমাৰৰ কোবত নিক্সনৰ স্বঘোষিত তথাকথিত "ভিয়েটনামীকৰণ" নীতি জুলীয়া গুৰৰ দৰে লেলৌ পেলৌ হৈ পৰিছে। মাৰ্কিন সাম্ৰাজ্যবাদে বাৰে বাৰে মুক্তি বাহিনীৰ হাতত পৰাজয় বৰণ কৰি নিজৰে বিবেক বুদ্ধি হেৰুৱাই বাৰে বাৰে পেৰিচ শান্তি আলোচনা ত্যাগ কৰাৰ হুমকি দিছে, আকৌ কেতিয়াবা মুক্তি বাহিনীৰ মাৰৰ কোবত উপায়ন্তৰ হৈ শান্তি আলোচনাত বহিবলৈ পগলা ঘোঁৰাৰ দৰে দৌৰি আহিছে।

ভিয়েটনাম যুদ্ধ যে শেষ পৰ্য্যায়ত উপনীত হৈছে সেই কথা বিশ্বৰ মানুহে বুজি উঠিছে। নিক্সন চৰকাৰেও বুজি উঠিছে যে শক্তি প্ৰদৰ্শনৰ যোগেদি ভিয়েটনামী মুক্তি বাহিনীক সৈমান কৰিব পৰা নহয়। সেয়েহে সন্তৱ্ৰ পিঁহিতে নিজৰ নাক ৰক্ষা কৰিবৰ বাবে কেতিয়াবা চীনৰ ভৰিত আৰু কেতিয়াবা ৰাচিয়াৰ ভৰিত দীঘল দি পৰিছে।

## মাৰ্কিন যুক্তৰাষ্ট্ৰৰ আভ্যন্তৰীণ অৱস্থা

যুদ্ধবাজ মাৰ্কিন চৰকাৰে ভিয়েটনামত চলোৱা নৃশংস হত্যা কাণ্ডৰ বিৰুদ্ধে স্বয়ং আমেৰিকাতে ছাত্ৰ যুৱ, শ্ৰমিক, বুদ্ধিজীৱী মানুহে বিক্ষোভ প্ৰদৰ্শন কৰিছে পেণ্টাগন ঘেৰাও কৰি সাম্ৰাজ্যবাদী চৰকাৰৰ যুদ্ধনীতিৰ বিৰুদ্ধাচৰণ কৰিছে। আমেৰিকাৰ গণতান্ত্ৰিক মানুহে বুজি উঠিছে যে ভিয়েটনাম যুদ্ধত কেৱল ভিয়েটনামবাসীয়েই ক্ষতিগ্ৰস্ত হোৱা নাই, মাৰ্কিন দেশো ধনে জনে ভীষণ ভাবে ক্ষতিগ্ৰস্ত হৈছে। ভিয়েটনাম যুদ্ধ পৰিচালনাৰ বাবে ব্যয় হোৱা বিপুল অৰ্থ ই আমেৰিকাৰ অৰ্থনীতিক এটা শোচনীয় সংকটলৈ ঠেলি দিছে। এই ভিয়েটনাম যুদ্ধৰ ফলত আমেৰিকাৰ প্ৰত্যেকটি পৰিয়ালৰ কমপক্ষেও এজনকৈ লোক নিহত হৈছে। কেৱল সেয়েই নহয়, আমেৰিকাৰ মধ্যবিত্ত, শ্ৰমিক, কৃষক, বুদ্ধিজীৱী মানুহে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মুষ্টিমেয় পুঁজিপতিৰ স্বাৰ্থত পৰিচালিত নয়া উপনিবেশবাদ নীতিৰ ফলত কৰৰ দুৰ্বহ বোজা বহন কৰিবলৈ বাধ্য হৈছে। আমেৰিকাযুক্ত ৰাষ্ট্ৰই পৃথিৱীৰ মুঠ সম্পদৰ দুই তৃতীয়াংশ ভোগ কৰিছে। পৃথিৱীৰ খনিজ তেল, টিন, লোহা, ৰবৰ প্ৰভৃতিৰ ওপৰত একচেটীয়া প্ৰভাব ৰাখিছে। সাম্ৰাজ্যবাদী শোষণৰ মাধ্যমেৰে বিশ্বৰ কৌটি কৌটি মানুহক অনাহাৰে মৃত্যুৰ মুখলৈ





ঠেলি দি আমেৰিকাৰ পুঁজিপতি গোষ্ঠীয়ে সম্পদৰ দোল বান্ধিছে। তৎসত্ত্বেও মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সাত কোটি মানুহে দাৰিদ্ৰ আৰু অনাহাৰে মৃত্যু বৰণ কৰিব লগা হৈছে। সাম্ৰাজ্যবাদী চৰকাৰৰ যুদ্ধ নীতিয়েই, বিশেষকৈ ভিয়েটনাম যুদ্ধ নীতিয়েই এই সংকট ঘনীভূত কৰাৰ মূল কাৰণ। সেয়েহে মাৰ্কিন যুক্ত ৰাষ্ট্ৰৰ সচেতন নাগৰিকে অসহনীয় অৱস্থা মানি লবলৈ প্ৰস্তুত নহয়। ছাত্ৰ, যুৱ, শ্ৰমজীৱী, বুদ্ধিজীৱী মানুহৰ যুদ্ধ বিৰোধী বিক্ষোভে সাম্ৰাজ্যবাদী চৰকাৰক আজি বিচলিত কৰি পেলাইছে। আমেৰিকাৰ মানুহে আজি আৰু কমিউনিজমৰ ভয়ত আতঙ্কিত হবলৈ প্ৰস্তুত নহয়। সেয়ে আমেৰিকাত যুদ্ধ বিৰোধী বিক্ষোভ ইমান পৰ্য্যায়লৈ গৈছে যে সেই বিক্ষোভ দমন কৰিবলৈ গৈ মাৰ্কিন প্ৰশাসনে বন্দুক বেয়নেটৰ আশ্ৰয় লব লগা হৈছে। আমেৰিকাৰ জনগণৰ এই যুদ্ধ বিৰোধী বিক্ষোভ ইমান পৰ্য্যায়লৈ গৈছে যে ইয়েই নিক্সনৰ নিৰ্বাচনী জয়কে অনিশ্চিত কৰি তুলিছে।

পৃথিৱীৰ বিভিন্ন দেশৰ এই ধৰণৰ সংগ্ৰামী গণতান্ত্ৰিক মানুহৰ ওচৰত যুদ্ধবাজ মাৰ্কিন চৰকাৰে নিজৰ চেহেৰা ঢাকি ৰাখিবলৈ গৈ পেৰিচ শান্তি আলোচনাত বহিছে আৰু নিজকে ভিয়েটনাম যুদ্ধৰ পৰা আঁতৰত দেখুৱাবলৈ গৈ "ভিয়েটনামীকৰণ" নীতি ঘোষণা কৰিছে। কিন্তু কালৰ কি নিষ্ঠুৰ পৰিহাস যে ভিয়েটনামৰ ৰণাঙ্গনত বাৰে বাৰে পৰাজিত হৈ মাৰ্কিন সাম্ৰাজ্যবাদী চৰকাৰে আপোন চেহেৰা বিশ্বৰ আগত নগ্ন ভাবে দেখুৱাবলৈ বাধ্য হৈছে। বিশ্বৰ মানুহে বুজি উঠিছে মাৰ্কিন সাম্ৰাজ্যবাদী চৰকাৰৰ শান্তিৰ অৰ্থ কি, ভিয়েটনামীকৰণ নীতিৰ অৰ্থ কি।

ইন্দোচীনত বিশেষকৈ ভিয়েটনাম যুদ্ধত চোভিয়েত ৰাচিয়া আৰু সমাজতান্ত্ৰিক চীনৰ সাহায্যদানৰ বিষয়টো লৈ ভাৰতত বুৰ্জুৱাৰ বাতৰি কাকত বিলাকে এনে ধৰণৰ হৈচৈ লগাইছে যেনিবা ভাৰতৰ বুৰ্জুৱা চৰকাৰে ভিয়েটনামত মুক্তি যোদ্ধাৰ কান্ধত কান্ধ মিলাই মাৰ্কিন সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজহে দিছে। চোভিয়েত ৰাচিয়া আৰু সমাজতান্ত্ৰিক দেশ চীনে নিজৰ নানা বিভিন্নতা আৰু সম্ভাব্যপৰ বিচ্যুতি সত্বেও ভিয়েটনামৰ মুক্তি যোদ্ধাক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজাত যথাসাধ্য সহায় কৰিছে। দুয়ো শক্তিয়ে দঢ়াই দঢ়াই মাৰ্কিন সাম্ৰাজ্য বাদ ভিয়েটনামৰ মাটিত থকালৈকে ভিয়েটনামৰ মুক্তি বাহিনীক সহায় দিম বুলি প্ৰতিশ্ৰুতি দিছে। কিন্তু এইটো ঠিক যে আন্তৰ্জাতিক কমিউনিষ্ট



OKDISCD

আন্দোলনত থকা মতানৈক্য আৰু চীন আৰু চোভিয়েত ৰাচিয়াৰ মাজত থকা বিৰোধৰ ফলত সমাজতান্ত্রিক শিবিৰে ইন্দোচীনৰ মুক্তি যুদ্ধত ঐক্যবদ্ধভাবে এটা সুনির্দিষ্ট পৰিকল্পনাৰ ভিত্তিত সাহায্য আগ বঢ়াব পৰা নাই। অৱশ্যে সমাজতান্ত্রিক শিবিৰত থকা এই মতানৈক্যৰ বাবে মার্কিন যুক্তৰাষ্ট্রই চোভিয়েত ৰাচিয়া বা চীনৰ পৰা অনেক কৌশল আৰু চেষ্টা কৰিও এতিয়ালৈ একো সুবিধা আদায় কৰি লব পৰা নাই। তথাপিতো ভাৰতৰ পুঁজিপতিহঁতৰ স্বার্থ বহনকাৰী বাতৰি কাকতবোৰে এই অপপ্রচাৰ চলাইছে যে সমাজতান্ত্রিক শিবিৰে ইন্দোচীনৰ মুক্তি যুদ্ধক যথাসাধ্য সহায় কৰা নাই। এই বাতৰি কাকতবোৰে চীনৰ বিৰুদ্ধে এনেধৰণৰ অপপ্রচাৰ চলাইছে যে চীন দেশে ইন্দোচীনৰ মুক্তি যুদ্ধক সাহায্য কৰাতো দূৰৰ কথা নিজ দেশৰ মাজেদি ইন্দোচীনৰ মুক্তি যোদ্ধালৈ সাহায্য পঠাবলৈকো দিয়া নাই। এই বাতৰি কাকতবোৰত সঘনে এই কথাও প্রকাশ হৈছে যে চীন চৰকাৰে নিক্সন চৰকাৰৰ লগত গোপন ষড়যন্ত্রত লিপ্ত হৈছে যাতে ইন্দোচীন যুদ্ধত মার্কিন চৰকাৰে জয় লাভ কৰে। দৰাচলতে এই ধৰণৰ অপপ্রচাৰৰ অর্থ হ'ল ভাৰতীয় লোকৰ আগত সমাজতান্ত্রিক দেশ সমূহক বিশেষকৈ চীনক হেয় কৰাৰ চক্রান্ত। ইন্দোচীনৰ মুক্তি যোদ্ধাসকলে নিঃস্বার্থ সাহায্যদানৰ বাবে চীন আৰু চোভিয়েত ৰাষ্ট্রক অকৃত্রিম ধন্যবাদ দিয়া কার্য্যই এই কথাকে প্রমাণ কৰিছে যে এই ধৰণৰ বাতৰি হ'ল ভাৰতৰ পুঁজিপতি গোষ্ঠীয়ে পৰিকল্পিত ভাৱে সমাজতান্ত্রিক দেশ সমূহৰ বিৰুদ্ধে বিশেষকৈ চীনৰ বিৰুদ্ধে চলাই যোৱা প্রচাৰ কার্য্যৰ এটা অংশ। তথ্য হিচাপে উত্তৰ ভিয়েটনামৰ মন্ত্রী লে থ্যাঙে দিয়া বিবৃতি মতে ১৯৫৫—৬৬ চনৰ সময় ছোৱাত ৰুচ সাহায্যৰ পৰিমাণ আছিল ২৭৩ কৌটি টকা আৰু চীনা সাহায্যৰ পৰিমাণ ৪৯৬ কৌটি টকা, (বার্নাড ফল "দি টু ভিয়েটনামস")। ১৯৬৬ চনত হো চি মিনে দিয়া তথ্য অনুযায়ী চীনা সাহায্যৰ পৰিমাণ আছিল মুঠ বিদেশী সাহায্যৰ শতকৰা ৭০ ভাগ (পিটাৰ লিওন" ওৱাৰ এন্দ পিচ ইন চাউথ ইষ্ট এচিয়া) ১৯৬৫-৭১ৰ ভিতৰত ৰুচ সাহায্যৰ পৰিমাণ ১২৪৫ কৌটি টকা আৰু চীনা সাহায্যৰ পৰিমাণ ১৮০০ কৌটি টকা (১৯৭১ চনৰ ৯ মে তাৰিখৰ দি ষ্টেটছমেন)





উত্তৰ ভিয়েটনামৰ প্রতিৰক্ষা মন্ত্রী গিয়াপে ১৯৬৬ চনৰ ১ আগষ্ট তাৰিখে ঘোষণা কৰে যে "বিৰাট সাহায্য আৰু সমর্থন যোগান ধৰি আৰু চোভিয়েট ইউনিয়ন আদি দেশৰপৰা পঠোৱা সহায় যথা সময়ত পৌছাই দিয়াৰ ব্যৱস্থা কৰি দি চীনে মার্কিন আক্রমণকাৰীবোৰক পৰাজিত কৰাৰ প্রতিশোধ যুদ্ধত গুৰুত্বপূর্ণ অৱদান দি আহিছে।"

১৯৬৭ চনৰ ২৮ ফেব্রুৱাৰীত ভিয়েটনাম নিউজ এজেন্সিয়ে আকৌ দঢ়াই কয় যে চীনৰ বিৰুদ্ধে প্রচাৰিত এই সকলোবোৰ কুৎসা "অসৎ উদ্দেশ্য প্রাণোদিত মিছা কথা। ভিয়েটনাম গণতান্ত্রিক প্রজাতান্ত্রিক চৰকাৰে বাৰে বাৰে দৃঢ়ভাৱে জনাইছে যে, চীনে চোভিয়েট ইউনিয়ন আৰু আন আন দেশৰ সাহায্য যথা যথ ভাবে আৰু নির্দ্ধাৰিত কর্ম্মসূচী মতে ভিয়েটনামত পৌছাই দি সর্বাত্মক সহায় কৰি আহিছে।"

তথাপিও আমি কব লাগিব যে এনেদৰে অকল সহায় দিয়াতেই চীন আৰু ৰাচিয়াৰ কর্ত্তব্যৰ ওৰ নপৰে।

ভিয়েটনামত মার্কিন আক্রমণকাৰীয়ে যি ধ্বংসলীলা আৰু হত্যাকাণ্ড চলাইছে আজি সমাজতান্ত্রিক শিবিৰ ঐক্যবদ্ধ হোৱা হলে, ইতিমধ্যেই ভিয়েটনামৰ মাটিত আমেৰিকান সাম্রাজ্যবাদৰ কবৰ ৰচিত হলহেঁতেন।

**ভাৰত চৰকাৰৰ ভূমিকা** ঃ—মার্কিন চৰকাৰে অর্থনৈতিক সঙ্কটৰ তাড়নাত ভাৰতলৈ দিয়া আর্থিক সাহায্যৰ পৰিমাণ কিছু কমাই দিয়াৰ ফলত আৰু বিশ্বৰ বর্ত্তমান ৰাজনৈতিক পৰিস্থিতিৰ হেঁচাত ভাৰতৰ পুঁজিপতি জমিদাৰ চৰকাৰে ভিয়েটনামৰ ওপৰত মার্কিন আক্রমণৰ বিৰুদ্ধে ছেগাচোৰোকাকৈ কলেও ভাৰতৰ সচেতন ৰাইজে এই কথা বুজ লব পাৰিছে যে ভাৰতৰ সদাজাগ্রত গণতান্ত্রিক মানুহক প্রতাৰিত কৰিবৰ বাবে আৰু সমাজতান্ত্রিক দেশ সমূহৰপৰা অধিক সাহায্য আদায় কৰিবৰ উদ্দেশ্যেহে এনে ধৰণৰ উক্তি কৰিছে। জেনেভা চুক্তিৰ ব্যৱস্থাবোৰক কার্য্যকৰী কৰিবৰ বাবে ১৯৫৬ চনত নিয়োগ কৰা নিৰপেক্ষ আন্তর্জাতিক তদন্ত কমিচনৰ সভাপতি হৈয়ো ভাৰত চৰকাৰে এই ব্যৱস্থাবোৰক নিৰপেক্ষভাৱে কার্য্যকৰী কৰিবলৈ আজি পর্য্যন্ত চেষ্টা নচলালে সাম্রাজ্যবাদীহঁতৰ ভয়ত, আৰু সমাজতান্ত্রিক বিপ্লৱী শক্তিৰ প্রতি বিৰূপ মনোভাবৰ বাবে। মার্কিন সাম্রাজ্যবাদে জেনেভা চুক্তিৰ সকলো



OKDISCD

ব্যৱস্থাক ভৰিবে মোহাৰি ভিয়েটনামত যি নৰমেধ যজ্ঞ চলাইছে তাৰ বিৰুদ্ধে ভাৰতে আজিলৈকে কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে আৰু ইয়েই দেখুৱায় যে মাৰ্কিন সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভাৰত চৰকাৰ কিমান দূৰ যাবলৈ প্ৰস্তুত। ভাৰতৰ সংশোধনবাদী সকলে এই ভাৰত চৰকাৰকেই সাম্ৰাজ্যবাদ বিৰোধী এটা ডাঙৰ শক্তি হিচাপে চিনাক্ত কৰিছে।

ভাৰতৰ পৰৰাষ্ট্ৰনীতিৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ যি প্ৰভাৱ আৰু এই সম্পৰ্কে যাৰ জ্ঞান আছে তেওঁলোলোকে কি ধাৰণা কৰিব পাৰে যে ভাৰত চৰকাৰে অন্তঃকৰণৰ সৈতে ভিয়েটনামৰ মুক্তি যোদ্ধাক সমৰ্থন দিছে? ভাৰত চৰকাৰে দেখদেখকৈ এনে কিছুমান কাৰ্য্য কৰিছে যিবোৰে প্ৰমাণ কৰি দেখুৱায় যে ভাৰত চৰকাৰে ভিয়েটনামত আক্ৰমণকাৰী আমেৰিকাকহে কাৰ্য্যৰে সমৰ্থন দিছে। মুক্তি যোদ্ধাৰ বিৰুদ্ধে ব্যৱহাৰৰ বাবে ভাৰত চৰকাৰে ট্ৰাক, ইস্পাত আৰু বিভিন্ন দ্ৰব্য ছায়গনলৈ পঠিয়াইছে। সেয়ে কেৱল নহয়, ভাৰত চৰকাৰে উত্তৰ ভিয়েটনামৰ লগত ব্যৱসায় সম্পৰ্ক বন্ধ কৰিছে আৰু আন হাতেদি দক্ষিণ ভিয়েটনামৰ পুতলা চৰকাৰৰ লগত ব্যৱসায় সম্পৰ্ক স্থাপন কৰিছে। এই বিলাক কাৰ্য্যই ভিয়েটনামৰ যুদ্ধত ভাৰত চৰকাৰৰ নিৰপেক্ষতা প্ৰমাণ কৰেনে? "We must not only condemn aggerssion but help those fighting for independce"—( New Times No 21 )—প্ৰধান মন্ত্ৰীৰ এই বিলাক উক্তিৰ অৰ্থ থাকিল কি? ভাৰতৰ সচেতন নাগৰিকে ভাৰত চৰকাৰৰ চতুৰালি বুজি উঠিছে। সেয়ে এই নাগৰিক সকলে দাবী কৰিছে যে ভাৰত চৰকাৰে অতি শীঘ্ৰে দক্ষিণ ভিয়েটনামৰ পুতলা চৰকাৰৰ লগত ব্যৱসায় সম্পৰ্ক বন্ধ কৰক, উত্তৰ ভিয়েটনামৰ লগত বাণিজ্যিক আৰু কুটনৈতিক সম্বন্ধ স্থাপন কৰক, দক্ষিণ ভিয়েটনামৰ অস্থায়ী বিপ্লৱী চৰকাৰক স্বীকৃতি দিয়ক।

## ভিয়েটনামে আমাক কি শিকালে

সাম্ৰাজ্যবাদে শোষণৰ স্বাৰ্থত যুদ্ধ লগাবৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা অনবৰত চলাই গৈ আছে আৰু যাবও। সিহঁতৰ হিংস্ৰ চৰিত্ৰৰ কোনো পৰিবৰ্তন হোৱা নাই। যেতিয়ালৈকে সাম্ৰাজ্যবাদ আছে তেতিয়ালৈকে বিশ্বৰ বুকুৰপৰা





ৰণৰ ভয় আঁতৰ নহয়। কিন্তু জনগণৰ ঐক্যবদ্ধ মুক্তি যুদ্ধৰ পৰাক্ৰমৰ সন্মুখত সাম্ৰাজ্যবাদৰ পতন অনিবাৰ্য্য।

ভিয়েটনামে আকৌ এবাৰ প্ৰমাণ কৰিলে যে বিপ্লৱ এখন দেশৰপৰা ৰপ্তানি কৰিব নোৱাৰি। কোনো দেশৰ জনগণৰ শক্তিয়েহে সেই দেশৰ বিপ্লৱ সফল কৰিব পাৰে—বাহিৰৰ আনদেশৰ পৰা বিপ্লৱী মানুহ আমদানী কৰি নহয়।

সাম্ৰাজ্যবাদ কি? নতুন উপনিবেশবাদ কি? আৰু ইয়াৰ বিৰুদ্ধে প্ৰকৃত মুক্তি সংগ্ৰামৰ চৰিত্ৰ কি? তাৰ প্ৰমাণ ভিয়েটনাম। এনে সংগ্ৰামত সমাজৰ বিভিন্ন শ্ৰেণী সমূহৰ ভূমিকা কি? তাৰো জ্বলন্ত উদাহৰণ ভিয়েটনামৰ মুক্তি যুজঁৰ ইতিহাসৰ পাতত পোৱা যাব। ভিয়েটনামে আমাক চকুত আঙুলি দি দেখুৱাই দিছে—শোষণকাৰী সাম্ৰাজ্যবাদী হত কিমান ভণ্ড হব পাৰে, কিমান অমানুষিক, নৃশংস আৰু নিৰ্লজ্জ হব পাৰে। আৰু লগতে ইয়াকো দেখুৱাই দিছে যে যি সকলে নিৰপেক্ষতা বিশ্ব শান্তি আদিৰ নামত সাম্ৰাজ্য বাদৰ বিৰোধিতা কৰিব নোখোজে তেওঁলোকে দৰাচলতে সাম্ৰাজ্যবাদৰে বহতীয়া।

বৰপেটাৰ পৰা প্ৰকাশিত
তিনিমহীয়া প্ৰগতিশীল আলোচনী
'সূৰ্য্যমুখী' পঢ়ক

যোগাযোগৰ ঠিকনা ঃ
সাৰঙ্গপানি বায়ন
ইস্ক্ৰোপ্টল, কলেজৰ'ড
বৰপেটা



OKDISCD

# ফেচিবাদ

অনিল ৰায় চৌধুৰী

ফেচিবাদ হ'ল একনায়কত্ববাদ। ফেচিবাদী পদ্ধতিত এখন দেশত এটা দল আৰু এজনৰ নেতৃত্বত শাসন চলে। তাত কোনো দল থাকিবলৈ দিয়া নহয়। শাসন আৰু ৰাষ্ট্ৰ পদ্ধতিৰ ক্ষেত্ৰত সংসদী গণতন্ত্ৰৰ লগত ফেচিবাদৰ মিল নোহোৱা যেন দেখি। সংসদীয়-গণতন্ত্ৰৰ পদ্ধতিত যি কোনো দলেই দেশৰ শাসনৰ গাদীত বহাৰ বাবে ভোট বিচাৰিব পাৰে। সংসদত যিটো দলৰ সদস্য সংখ্যা গৰিষ্ঠ হয়—সেইটো দলৰ নেতাই শাসনৰ মুৰব্বী হয়। সংসদত দলীয় অৱস্থাৰ সাল সলনি হলে চৰকাৰো সলনি হয়। এই দলবোৰ—ধৰ্ম্মৰ ভিত্তিত (যেনে মুচলীম লীগ), আঞ্চলিকতাৰ ভিত্তিত (যেনে দ্ৰাবিড় মুন্নেত্ৰা কাজাগাম), আন ৰাজনৈতিক মতাদৰ্শৰ ভিত্তিত—(যেনে কংগ্ৰেছ, ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি, চোচিয়েলিষ্ট পাৰ্টি, ভাৰতৰ কমিউনিষ্ট পাৰ্টি আদি)—গঠন হয়।

ফেচিবাদ আৰু সংসদী গণতন্ত্ৰৰ চেহেৰাৰ অমিল খিনি দেখুৱাই, ফেচিবাদী একনায়কত্ববাদ আৰু সাম্যবাদী আদৰ্শৰ—সৰ্বহাৰাৰ একনায়কত্বৰ সতে চেহেৰাৰ মিল থকা বুলি কৈ কিছুমানে ফেচিবাদ আৰু সাম্যবাদ—দুয়োটাই টোটেলিটাৰিয়াণ—অৰ্থাৎ একে, আৰু দুয়ো সংসদী গণতন্ত্ৰৰ বিপৰীত বা বিৰোধী বুলি পতিয়ণ নিয়াব খোজে। কমিউনিষ্ট দেশবোৰত কমিউনিষ্ট পাৰ্টিৰ বাহিৰে আন ৰাজনৈতিক দল নথকাটো অৱশ্যে সঁচা।

চেহেৰা বা ৰূপ একে হলে বস্তু দুটা একে নহয়। পানী আৰু পেট্ৰল দুয়োটা জুলীয়া—,কিন্তু দুয়োটা জানো গুণৰ পিনৰ পৰা একে? বৰফ গোটা আৰু পানী জুলীয়া, সেই কাৰণে জানো আমি কম যে দুয়োটাৰ উপাদানৰ মূল চৰিত্ৰ একে নহয়? গতিকে ফেচিবাদী একনায়কত্ব বা সৰ্বহাৰাৰ একনায়কত্বত দেশত মথোন একেটা দল থকা আৰু বিভিন্ন দল নথকা হেতুকে দুয়োকে একে বুলি কোৱা—নতুবা সংসদী গণতন্ত্ৰ আৰু ফেচিবাদ সম্পূৰ্ণ বেলেগ বুলি কোৱা কথা ভ্ৰান্তিজনক। ফেচিবাদৰ গুণগত চৰিত্ৰ আৰু সংসদী গণতন্ত্ৰৰ চৰিত্ৰ তথা বিকাশৰ ইতিবৃত্ত বিচাৰ কৰিলে আমি দেখা পাম যে





জনগণ আৰু শোষিত সকলৰ তথা শ্ৰমিক সৰ্বহাৰা শ্ৰেণীৰ স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত ফেচিবাদ আৰু সংসদী গণতন্ত্ৰ, মাত্ৰা আৰু কৌশল ভেদে সমশ্ৰেণী চৰিত্ৰৰ, অৰ্থাৎ শ্ৰমিক সৰ্বহাৰা তথা শোষিত জনগণৰ বিৰোধী পুঁজিবাদী স্বাৰ্থই দুয়োৰো ভিত্তি।

### সংসদীয় গণতন্ত্ৰৰ জন্ম

সংসদীয় গণতন্ত্ৰৰ আঁতিগুৰি বিচাৰিবলৈ হ'লে আমি ইংলণ্ডৰ বুৰঞ্জীৰ পাত লুটিয়াব লাগিব। কাৰণ সংসদীয় গণতন্ত্ৰৰ উদ্ভৱ পোনতে তাতেই হয়।

ইংলণ্ডত আগতে ৰজাক পৰামৰ্শ দিবলৈ গ্ৰেটকাউন্সিল বুলি এখন সভা আছিল। ইয়াৰ নাম পিচত পাৰ্লিয়ামেণ্ট হয়। এই কাউন্সিলখন আছিল ভূসামন্তপ্ৰভু আৰু ধৰ্মযাজক সকলৰ দ্বাৰা গঠিত। তেতিয়া ৰাষ্ট্ৰ চলিছিল সামন্তবাদী শ্ৰেণীস্বাৰ্থত। ইতিমধ্যে ইংলণ্ডত কুটিৰ শিল্প আদিক অবলম্বন কৰি বেহাবেপাৰ, বহিঁবাণিজ্য আদি বাঢ়ে আৰু তেনে অৰ্থব্যৱস্থাৰ ভিত্তিত নগৰী, উপনগৰী আদিৰ পত্তন হয়।

ৰাষ্ট্ৰৰ ক্ষমতা আৰু সংগঠন দৃঢ় হয়। ১২৬৫ খৃঃ অঃ ত তৃতীয় হেনৰীৰ ৰাজত্ব কালত চাইমন দি মণ্টফোৰ্টে পাৰ্লিয়ামেণ্ট আহ্বান কৰি তালৈ পোন প্ৰথম বাৰৰ বাবে জমিদাৰ আৰু যাজকৰ উপৰিও নাইট বা ৰণনেতা আৰু নগৰী আৰু উপনগৰীৰ সম্ভ্ৰান্ত নাগৰিক সকলৰ প্ৰতিনিধিকো মাতিছিল। ঊনৈশ শতিকাৰ শেষ ভাগতহে সম্পত্তি নথকা নাগৰিকে সংসদলৈ প্ৰতিনিধি নিৰ্বাচন কৰাৰ অধিকাৰ পায়। পাৰ্লিয়ামেণ্টৰ চেহেৰাৰ এই পৰিবৰ্তনৰ কাৰণ হ'ল দেশৰ উৎপাদন পদ্ধতি, উৎপাদন সম্পৰ্কৰ পৰিবৰ্ত্তনৰ ফলত অৰ্থব্যৱস্থাৰ চৰিত্ৰৰ পৰিবৰ্ত্তন; এইবোৰ পৰিবৰ্ত্তনৰ ওপৰত ভিত্তি কৰি সমাজৰ শ্ৰেণী সমূহৰ পৰিমাণ আৰু গুণগত পৰিবৰ্ত্তন। পৰিবৰ্ত্তিত পৰিস্থিতিয়ে সাধাৰণ নাগৰিকক সংসদৰ প্ৰতিনিধি নিৰ্বাচনৰ অধিকাৰ বা সংসদলৈ নিৰ্বাচিত হোৱাৰ অধিকাৰ দিয়াবলৈ বাধ্য কৰায়।

পৰিস্থিতিৰ বিকাশ সম্বন্ধে বুজাত তলৰ ঐতিহাসিক তথ্যই সহায় কৰিব। যথা:—

১৩৮১ চনত কৃষক বিদ্ৰোহ হয় আৰু ইয়াৰ ৫০ বছৰ পিচত ভূমিদাস



OKDISCD

# ফেচিবাদ

অনিল ৰায় চৌধুৰী

ফেচিবাদ হ'ল একনায়কত্ববাদ। ফেচিবাদী পদ্ধতিত এখন দেশত এটা দল আৰু এজনৰ নেতৃত্বত শাসন চলে। তাত কোনো দল থাকিবলৈ দিয়া নহয়। শাসন আৰু ৰাষ্ট্ৰ পদ্ধতিৰ ক্ষেত্ৰত সংসদী গণতন্ত্ৰৰ লগত ফেচিবাদৰ মিল নোহোৱা যেন দেখি। সংসদীয়-গণতন্ত্ৰৰ পদ্ধতিত যি কোনো দলেই দেশৰ শাসনৰ গাদীত বহাৰ বাবে ভোট বিচাৰিব পাৰে। সংসদত যিটো দলৰ সদস্য সংখ্যা গৰিষ্ঠ হয়—সেইটো দলৰ নেতাই শাসনৰ মূৰব্বী হয়। সংসদত দলীয় অৱস্থাৰ সাল সলনি হলে চৰকাৰো সলনি হয়। এই দলবোৰ—ধৰ্ম্মৰ ভিত্তিত (যেনে মুচলীম লীগ), আঞ্চলিকতাৰ ভিত্তিত ( যেনে দ্ৰাবিড় মুন্নেত্ৰা কাজাগাম ), আন ৰাজনৈতিক মতাদৰ্শৰ ভিত্তিত—(যেনে কংগ্ৰেছ, ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি, চোচিয়েলিষ্ট পাৰ্টি, ভাৰতৰ কমিউনিষ্ট পাৰ্টি আদি )—গঠন হয়।

ফেচিবাদ আৰু সংসদী গণতন্ত্ৰৰ চেহেৰাৰ অমিল থিনি দেখুৱাই, ফেচিবাদী একনায়কত্ববাদ আৰু সাম্যবাদী আদৰ্শৰ—সৰ্বহাৰাৰ একনায়কত্বৰ সতে চেহেৰাৰ মিল থকা বুলি কৈ কিছুমানে ফেচিবাদ আৰু সাম্যবাদ—দুয়োটাই টোটেলিটাৰিয়াণ—অৰ্থাৎ একে, আৰু দুয়ো সংসদী গণতন্ত্ৰৰ বিপৰীত বা বিৰোধী বুলি পতিয়ণ নিয়াব খোজে। কমিউনিষ্ট দেশবোৰত কমিউনিষ্ট পাৰ্টিৰ বাহিৰে আন ৰাজনৈতিক দল নথকাটো অৱশ্যে সঁচা।

চেহেৰা বা ৰূপ একে হলে বস্তু দুটা একে নহয়। পানী আৰু পেট্ৰ'ল দুয়োটা জুলীয়া—,কিন্তু দুয়োটা জানো গুণৰ পিনৰ পৰা একে ? বৰফ গোটা আৰু পানী জুলীয়া, সেই কাৰণে জানো আমি কম যে দুয়োটাৰ উপাদানৰ মূল চৰিত্ৰ একে নহয় ? গতিকে ফেচিবাদী একনায়কত্ব বা সৰ্বহাৰাৰ একনায়কত্বত দেশত মথোন একেটা দল থকা আৰু বিভিন্ন দল নথকা হেতুকে দুয়োকে একে বুলি কোৱা—নতুবা সংসদী গণতন্ত্ৰ আৰু ফেচিবাদ সম্পূৰ্ণ বেলেগ বুলি কোৱা কথা ভ্ৰান্তিজনক। ফেচিবাদৰ গুণগত চৰিত্ৰ আৰু সংসদী গণতন্ত্ৰৰ চৰিত্ৰ তথা বিকাশৰ ইতিবৃত্ত বিচাৰ কৰিলে আমি দেখা পাম যে





জনগণ আৰু শোষিত সকলৰ তথা শ্ৰমিক সৰ্বহাৰা শ্ৰেণীৰ স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত ফেচিবাদ আৰু সংসদী গণতন্ত্ৰ, মাত্ৰা আৰু কৌশল ভেদে সমশ্ৰেণী চৰিত্ৰৰ, অৰ্থাৎ শ্ৰমিক সৰ্বহাৰা তথা শোষিত জনগণৰ বিৰোধী পুঁজিবাদী স্বাৰ্থই দুয়োৰো ভিত্তি।

### সংসদীয় গণতন্ত্ৰৰ জন্ম

সংসদীয় গণতন্ত্ৰৰ আঁতিগুৰি বিচাৰিবলৈ হ'লে আমি ইংলণ্ডৰ বুৰঞ্জীৰ পাত লুটিয়াব লাগিব। কাৰণ সংসদীয় গণতন্ত্ৰৰ উদ্ভৱ পোনতে তাতেই হয়।

ইংলণ্ডত আগতে ৰজাক পৰামৰ্শ দিবলৈ গ্ৰেটকাউন্সিল বুলি এখন সভা আছিল। ইয়াৰ নাম পিচত পাৰ্লিয়ামেণ্ট হয়। এই কাউন্সিলখন আছিল ভূসামন্তপ্ৰভু আৰু ধৰ্মযাজক সকলৰ দ্বাৰা গঠিত। তেতিয়া ৰাষ্ট্ৰ চলিছিল সামন্তবাদী শ্ৰেণীস্বাৰ্থত। ইতিমধ্যে ইংলণ্ডত কুটিৰ শিল্প আদিক অৱলম্বন কৰি বেহাবেপাৰ, বহিঁবাণিজ্য আদি বাঢ়ে আৰু তেনে অৰ্থব্যৱস্থাৰ ভিত্তিত নগৰী, উপনগৰী আদিৰ পট্টন হয়।

ৰাষ্ট্ৰৰ ক্ষমতা আৰু সংগঠন দৃঢ় হয়। ১২৬৫ খৃঃ অঃ ত তৃতীয় হেনৰীৰ ৰাজত্ব কালত চাইমন দি মণ্টফোৰ্টে পাৰ্লিয়ামেণ্ট আহ্বান কৰি তালৈ পোন প্ৰথম বাৰৰ বাবে জমিদাৰ আৰু যাজকৰ উপৰিও নাইট বা ৰণনেতা আৰু নগৰী আৰু উপনগৰীৰ সম্ভ্ৰান্ত নাগৰিক সকলৰ প্ৰতিনিধিকো মাতিছিল। ঊনৈশ শতিকাৰ শেষ ভাগতহে সম্পত্তি নথকা নাগৰিকে সংসদলৈ প্ৰতিনিধি নিৰ্বাচন কৰাৰ অধিকাৰ পায়। পাৰ্লিয়ামেণ্টৰ চেহেৰাৰ এই পৰিবৰ্তনৰ কাৰণ হ'ল দেশৰ উৎপাদন পদ্ধতি, উৎপাদন সম্পৰ্কৰ পৰিবৰ্ত্তনৰ ফলত অৰ্থব্যৱস্থাৰ চৰিত্ৰৰ পৰিবৰ্ত্তন ; এইবোৰ পৰিবৰ্ত্তনৰ ওপৰত ভিত্তি কৰি সমাজৰ শ্ৰেণী সমূহৰ পৰিমাণ আৰু গুণগত পৰিবৰ্ত্তন। পৰিবৰ্ত্তিত পৰিস্থিতিয়ে সাধাৰণ নাগৰিকক সংসদৰ প্ৰতিনিধি নিৰ্বাচনৰ অধিকাৰ বা সংসদলৈ নিৰ্বাচিত হোৱাৰ অধিকাৰ দিয়াবলৈ বাধ্য কৰায়।

পৰিস্থিতিৰ বিকাশ সম্বন্ধে তলৰ ঐতিহাসিক তথ্যই সহায় কৰিব। যথা :—

১৩৮১ চনত কৃষক বিদ্ৰোহ হয় আৰু ইয়াৰ ৫০ বছৰ পিচত ভূমিদাস



OKDISCD

# ফেচিবাদ

অনিল ৰায় চৌধুৰী

ফেচিবাদ হ'ল একনায়কত্ববাদ। ফেচিবাদী পদ্ধতিত এখন দেশত এটা দল আৰু এজনৰ নেতৃত্বত শাসন চলে। তাত কোনো দল থাকিবলৈ দিয়া নহয়। শাসন আৰু ৰাষ্ট্ৰ পদ্ধতিৰ ক্ষেত্ৰত সংসদী গণতন্ত্ৰৰ লগত ফেচিবাদৰ মিল নোহোৱা যেন দেখি। সংসদীয়-গণতন্ত্ৰৰ পদ্ধতিত যি কোনো দলেই দেশৰ শাসনৰ গাদীত বহাৰ বাবে ভোট বিচাৰিব পাৰে। সংসদত যিটো দলৰ সদস্য সংখ্যা গৰিষ্ঠ হয়—সেইটো দলৰ নেতাই শাসনৰ মুৰব্বী হয়। সংসদত দলীয় অৱস্থাৰ সাল সলনি হলে চৰকাৰো সলনি হয়। এই দলবোৰ—ধৰ্ম্মৰ ভিত্তিত (যেনে মুচলীম লীগ), আঞ্চলিকতাৰ ভিত্তিত (যেনে দ্ৰাবিড় মুন্নেত্ৰা কাজাগাম), আন ৰাজনৈতিক মতাদৰ্শৰ ভিত্তিত—(যেনে কংগ্ৰেছ, ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি, চোচিয়েলিষ্ট পাৰ্টি, ভাৰতৰ কমিউনিষ্ট পাৰ্টি আদি)—গঠন হয়।

ফেচিবাদ আৰু সংসদী গণতন্ত্ৰৰ চেহেৰাৰ অমিল খিনি দেখুৱাই, ফেচিবাদী একনায়কত্ববাদ আৰু সাম্যবাদী আদৰ্শৰ—সৰ্বহাৰাৰ একনায়কত্বৰ সতে চেহেৰাৰ মিল থকা বুলি কৈ কিছুমানে ফেচিবাদ আৰু সাম্যবাদ—দুয়োটাই টোটেলিটাৰিয়াণ—অৰ্থাৎ একে, আৰু দুয়ো সংসদী গণতন্ত্ৰৰ বিপৰীত বা বিৰোধী বুলি পতিয়ণ নিয়াব খোজে। কমিউনিষ্ট দেশবোৰত কমিউনিষ্ট পাৰ্টিৰ বাহিৰে আন ৰাজনৈতিক দল নথকাটো অৱশ্যে সঁচা।

চেহেৰা বা ৰূপ একে হলে বস্তু দুটা একে নহয়। পানী আৰু পেট্ৰ'ল দুয়োটা জুলীয়া—,কিন্তু দুয়োটা জানো গুণৰ পিনৰ পৰা একে? বৰফ গোটা আৰু পানী জুলীয়া, সেই কাৰণে জানো আমি কম যে দুয়োটাৰ উপাদানৰ মূল চৰিত্ৰ একে নহয়? গতিকে ফেচিবাদী একনায়কত্ব বা সৰ্বহাৰাৰ একনায়কত্বত দেশত মথোন একেটা দল থকা আৰু বিভিন্ন দল নথকা হেতুকে দুয়োকে একে বুলি কোৱা—নতুবা সংসদী গণতন্ত্ৰ আৰু ফেচিবাদ সম্পূৰ্ণ বেলেগ বুলি কোৱা কথা ভ্ৰান্তিজনক। ফেচিবাদৰ গুণগত চৰিত্ৰ আৰু সংসদী গণতন্ত্ৰৰ চৰিত্ৰ তথা বিকাশৰ ইতিবৃত্ত বিচাৰ কৰিলে আমি দেখা পাম যে





জনগণ আৰু শোষিত সকলৰ তথা শ্ৰমিক সৰ্বহাৰা শ্ৰেণীৰ স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত ফেচিবাদ আৰু সংসদী গণতন্ত্ৰ, মাত্ৰা আৰু কৌশল ভেদে সমশ্ৰেণী চৰিত্ৰৰ, অৰ্থাৎ শ্ৰমিক সৰ্বহাৰা তথা শোষিত জনগণৰ বিৰোধী পুঁজিবাদী স্বাৰ্থই দুয়োৰো ভিত্তি।

## সংসদীয় গণতন্ত্ৰৰ জন্ম

সংসদীয় গণতন্ত্ৰৰ আঁতিগুৰি বিচাৰিবলৈ হ'লে আমি ইংলণ্ডৰ বুৰঞ্জীৰ পাত লুটিয়াব লাগিব। কাৰণ সংসদীয় গণতন্ত্ৰৰ উদ্ভৱ পোনতে তাতেই হয়।

ইংলণ্ডত আগতে ৰজাক পৰামৰ্শ দিবলৈ গ্ৰেটকাউন্সিল বুলি এখন সভা আছিল। ইয়াৰ নাম পিচত পাৰ্লিয়ামেণ্ট হয়। এই কাউন্সিলখন আছিল ভূসামন্তপ্ৰভু আৰু ধৰ্মযাজক সকলৰ দ্বাৰা গঠিত। তেতিয়া ৰাষ্ট্ৰ চলিছিল সামন্তবাদী শ্ৰেণীস্বাৰ্থত। ইতিমধ্যে ইংলণ্ডত কুটিৰ শিল্প আদিক অবলম্বন কৰি বেহাবেপাৰ, বহিৰ্বাণিজ্য আদি বাঢ়ে আৰু তেনে অৰ্থব্যৱস্থাৰ ভিত্তিত নগৰী, উপনগৰী আদিৰ পত্তন হয়।

ৰাষ্ট্ৰৰ ক্ষমতা আৰু সংগঠন দৃঢ় হয়। ১২৬৫ খৃঃ অঃ ত তৃতীয় হেনৰীৰ ৰাজত্ব কালত চাইমন দি মণ্টফোৰ্টে পাৰ্লিয়ামেণ্ট আহ্বান কৰি তাঁলৈ পোন প্ৰথম বাৰৰ বাবে জমিদাৰ আৰু যাজকৰ উপৰিও নাইট বা ৰণনেতা আৰু নগৰী আৰু উপনগৰীৰ সম্ভ্ৰান্ত নাগৰিক সকলৰ প্ৰতিনিধিকো মাতিছিল। ঊনৈশ শতিকাৰ শেষ ভাগতহে সম্পত্তি নথকা নাগৰিকে সংসদলৈ প্ৰতিনিধি নিৰ্বাচন কৰাৰ অধিকাৰ পায়। পাৰ্লিয়ামেণ্টৰ চেহেৰাৰ এই পৰিবৰ্তনৰ কাৰণ হ'ল দেশৰ উৎপাদন পদ্ধতি, উৎপাদন সম্পৰ্কৰ পৰিবৰ্ত্তনৰ ফলত অৰ্থব্যৱস্থাৰ চৰিত্ৰৰ পৰিবৰ্ত্তন; এইবোৰ পৰিবৰ্ত্তনৰ ওপৰত ভিত্তি কৰি সমাজৰ শ্ৰেণী সমূহৰ পৰিমাণ আৰু গুণগত পৰিবৰ্ত্তন। পৰিবৰ্ত্তিত পৰিস্থিতিয়ে সাধাৰন নাগৰিকক সংসদৰ প্ৰতিনিধি নিৰ্বাচনৰ অধিকাৰ বা সংসদলৈ নিৰ্বাচিত হোৱাৰ অধিকাৰ দিয়াবলৈ বাধ্য কৰায়।

পৰিস্থিতিৰ বিকাশ সম্বন্ধে বুজাত তলৰ ঐতিহাসিক তথ্যই সহায় কৰিব। যথা:—

১৩৮১ চনত কৃষক বিদ্ৰোহ হয় আৰু ইয়াৰ ৫০ বছৰ পিচত ভূমিদাস



OKDISCD

(Serf dom) প্ৰথা উঠি যায়। তাৰ পিচৰ পৰাই শিল্প বিপ্লৱৰ কাল আৰম্ভ হয়। য়ুৰোপৰ মানুহে বিদেশত গৈ বণিজ কৰে আৰু উপনিবেশ পাতিবলৈ আৰম্ভ কৰে। ১৪৯২ চনত কলম্বচে (স্পেইনৰ) আমেৰিকা আবিষ্কাৰ কৰে, ১৪৯৮ চনত পৰ্তুগীজ ভাস্কো দি গামা ভাৰতলৈ আহে, ইংলণ্ডৰ ৰজাই ১৫৯৯ খৃ: অঃৰ ৩০ ডিচেম্বৰ তাৰিখে ইষ্ট ইণ্ডিয়া কোম্পানীক পূৰ্ব-ভাৰতীয় দ্বীপ-পুঞ্জত বেহা বেপাৰ কৰিবলৈ অনুমতি দিয়ে।

কুটিৰ শিল্পৰ উৎপাদনৰ উন্নতি, বেহা বেপাৰ বৃদ্ধিৰ লগে লগে বণিক পুঁজিপতি শ্ৰেণীটোৰ প্ৰতিপত্তি আৰু প্ৰভাৱ বাঢ়ে। বহুতো পুৰণি ভূ-সামন্তবাদী শ্ৰেণীৰ লোক বেহা বেপাৰ শিল্প আদিৰ পিনে আহে। ফলত পুঁজিপতি শ্ৰেণীটোৰ প্ৰভাৱ আৰু প্ৰাধান্য সংসদৰ আৰু ৰাষ্ট্ৰব্যৱস্থাৰ ওপৰত আৰু বেচিকৈ পৰে। এই শ্ৰেণীটোৰ নেতৃত্বত হোৱা আন্দোলনৰ ফলত ১৬৮৯ খৃঃ অঃ ত বিল-অব-ৰাইটচৰ দ্বাৰা কৰ লগোৱা আৰু সেনাবাহিনী নিয়োগ কৰা আদি কথাত সংসদৰ নিয়ন্ত্ৰণ বৃদ্ধি হয়।

১৬৯৪ খৃঃ অঃত বেংক অব ইংলণ্ড স্থাপিত হয়। বেহাবেপাৰ, উপনিবেশ আদি বঢ়াত আৰু কুটিৰ শিল্পৰ উন্নতি হোৱাত সামন্তবাদৰ মাজতো পুঁজিবাদে বিকাশ লাভ কৰে। এই পুঁজিবাদ ক্ৰমশঃ শক্তিশালী হয়। পুঁজিবাদৰ স্বাৰ্থতে সামন্তবাদৰ থলুৱা চৰিত্ৰ লোপ পাবলৈ ধৰে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত ১৭০৮ চনত স্কটলেণ্ড আৰু ইংলণ্ডক এক্টঅবইউনিয়নৰ দ্বাৰা একেটা ৰাষ্ট্ৰ-ব্যৱস্থাৰ অধীনলৈ আনে।

১৭২১ চনত পাৰ্লিয়ামেণ্টত পাৰ্টি চৰকাৰ ( সংখ্যা গৰিষ্ঠতা থকা দলৰ চৰকাৰ ) পদ্ধতিৰ প্ৰচলন হয়।

এই সময়ছোৱাৰ ভিতৰত বিজ্ঞানৰ প্ৰভূত উন্নতি হয়। আইজাক নিউটনৰ আবিষ্কাৰ, ৰয়েল চায়েন্স চোচাইটি স্থাপন আদি ঘটনা ঘটে।

১৭৬০ খৃঃ অঃৰ পৰা ১৭৮১ চনৰ সময় ছোৱাত ইংৰাজ উপনিবেশ আমেৰিকাত ইংৰাজ শাসকৰ বিৰুদ্ধে স্বাধীনতাৰ যুঁজ হয়। তাত ইংৰাজ পক্ষ হাৰে।

১৭৮৯ খৃঃ অঃৰ পৰা ১৭৯২ খৃ: অঃলৈ ফৰাচী ৰাজতন্ত্ৰৰ বিৰুদ্ধে ফৰাচী দেশত বিপ্লৱ হয়। এই বিপ্লৱ আছিল বুৰ্জুৱা শ্ৰেণীৰ নেতৃত্বত জনসাধাৰণে





ৰাজতন্ত্ৰ তথা সামন্তবাদৰ বিৰুদ্ধে কৰা বিপ্লৱ। ওপৰোক্ত ৰাজনৈতিক পদ্ধতি তথা ঘটনাৱলী আৰু অৰ্থব্যৱস্থাত নিয়ন্ত্ৰণৰত শ্ৰেণীৰ পৰিবৰ্ত্তনৰ (সামন্তবাদৰ সলনি পুঁজিবাদ) লগতে আমি উৎপাদন পদ্ধতিৰ বিকাশ আৰু উৎপাদন সম্পৰ্কৰ সলনি হোৱা নতুন পৰিস্থিতিৰ আৰু ১৮ শ শতিকাৰ ভিতৰত সামগ্ৰীপ্ৰস্তুত উদ্যোগৰ বিকাশৰ কথা কব লাগিব। হাৰগ্ৰীভচ, ক্ৰম্পটন, কাৰ্টৰাইট, ওৱাট, ষ্টিফেনচন আদিয়ে নতুন যন্ত্ৰপাতি আৰু উৎপাদন কৌশল আবিষ্কাৰ কৰে। এই বোৰৰ প্ৰয়োগৰ ফলত নৌ-শিল্প, যানবাহন, যন্ত্ৰ শিল্প, বয়ণ শিল্প আদিৰ দ্ৰুত পৰিবৰ্তন আৰু উন্নতি হয়। য়ুৰোপ আৰু আমেৰিকাৰ বিভিন্ন ঠাইতো এনে ধৰণৰ ঘটনা ঘটে। লগে লগে পুঁজিবাদৰ প্ৰভূত বিকাশ ঘটে। লগ্নীপুঁজি ব্যৱস্থাই অৰ্থ ব্যৱস্থাত গভীৰ প্ৰভাব পেলায়।

নকৈ বিস্তাৰিতভাবে ইয়াক ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই ; কাৰণ সাধাৰণতে সকলোৱে এইবোৰ কথা জানেই।

পুঁজিবাদৰ পূৰ্ণ বিকাশৰ আগখণ্ডত আগৰ ভূ-সামন্ত শ্ৰেণীৰ ক্ষমতা কমিবলৈ ধৰে—সৰু সৰু সামন্তবাদী এলেকাবোৰ একোটা বৃহৎ ৰাষ্ট্ৰৰ এলেকাত সোমাই পৰে ; ভূ-সামন্তবাদী উৎপাদন পদ্ধতিৰ জুমুঠিৰ ওপৰত একছত্ৰী ৰাজতন্ত্ৰৰ একাধিপত্যৰ ৰাষ্ট্ৰত পৰিণত হয়। সামন্তবাদী একছত্ৰী ৰাজত্বৰ এনে একাধিপত্যই পোনতে পুঁজিবাদৰ বিকাশৰ সহায়ক হয়। নবগঠিত বুৰ্জোৱা শ্ৰেণীটোৰ সতে আগৰ ভূ-সামন্তশ্ৰেণীৰ সংঘাত লাগে। তেতিয়া কিন্তু অৰ্থব্যৱস্থাৰ ঘাই সুঁতিটো পুঁজিবাদৰ মাজেদি আগবাঢ়িবলৈ লয়। বেহা-বেপাৰ, বহিঃবাণিজ্য, উন্নততৰ কৌশল আৰু আহিলাপাতিৰ প্ৰয়োগৰ ফলত হোৱা অধিক উৎপাদন, সামগ্ৰী প্ৰস্তুতকাৰী উদ্যোগৰ বিকাশ' উন্নত আৰু ক্ষিপ্ৰতৰ যাতায়াত, যানবাহন যোগাযোগ ব্যৱস্থাৰ প্ৰচলনে যি এখন নতুন পুঁজিবাদী সমাজ পদ্ধতিৰ সৃষ্টি কৰিলে, তাক ভূ-সামন্তবাদৰ পুৰণি খোলা-টোৱে ধৰি ৰাখিব নোৱাৰা হ'ল। পুঁজিবাদী শ্ৰেণীটোৰ সামাজিক প্ৰভাৱ আৰু প্ৰতিপত্তি বাঢ়িল। এই শ্ৰেণীটোৰ নেতৃত্বত জনগণৰ সতে ৰাষ্ট্ৰৰ সামন্তবাদী একছত্ৰী একাধিপত্যৰ—অৰ্থাৎ ৰাজতন্ত্ৰৰ সংঘাত হ'ল। সংঘাতত বুৰ্জোৱা শ্ৰেণীৰ বিজয় হ'ল ; তেওঁলোকৰ প্ৰভাবান্বিত সংসদৰ হাতলৈ ৰাষ্ট্ৰৰ ক্ষমতা আহিল। ( যথা :—১৬৪১-১৬৫৩ খৃঃ অঃ—দেশদ্ৰোহ অপৰাধত ৰজাৰ শিৰশ্চেদ ;



OKDISCD

আইন প্ৰণয়ন, কৰ লগোৱা, যধেমধে যুদ্ধ লগোৱা, পুঁজি, পণ্য আৰু শ্ৰমিক চলাচল, বহিৰ্বাণিজ্য আদিৰ নিয়ন্ত্ৰণৰ ক্ষমতা সংসদৰ হাতলৈ আহিল।) উল্লেখ কৰা প্ৰয়োজন যে তেতিয়ালৈ এই সংসদলৈ নিৰ্বাচন কৰা বা নিৰ্বাচিত হোৱাৰ অধিকাৰ সাৰ্বজনীন নাছিল; সম্পত্তিহীন সৰ্বহাৰা শ্ৰমিককে ধৰি গাৱঁৰ গৰীব সকললৈ এই অধিকাৰ বহুত পিচতহে আহে।

এনেবোৰ পৰিবৰ্তনৰ গতি বা প্ৰকৃতিৰ ওপৰত—ক্ৰমে বাঢ়ি অহা কল-কাৰখানাবোৰৰ তথা পুঁজিবাদী পদ্ধতিৰ ফলত উদ্ভৱ হোৱা বিপুল সংখ্যক (ক্ৰমবৰ্দ্ধমান) শ্ৰমিক শ্ৰেণীৰ কোনো প্ৰভাৱ নাথাকিলেও এওঁলোকে এনে সংগ্ৰামত সমৰ্থন দিছিল কাৰণ এওঁলোকে আগতকৈ কিছু সকাহ পাইছিল—(যথা:—ভূমিদাসসকলে জমিদাৰী কৰ্তৃত্বৰপৰা ওলাই দেশৰ ভিতৰত যলৈ মন যায় তলৈ গৈ মজুৰ হিচাপে কাৰখানাত কাম লোৱাৰ সুবিধা)। এনে সংঘাতত ৰজাৰ বিৰুদ্ধে ভূস্বামী সম্ভ্ৰান্তসকলৰ এটা অংশ আৰু মধ্যবিত্ত শ্ৰেণী কৃষক আদিয়েও বুৰ্জুৱা নেতৃত্বত এই সংগ্ৰামত যোগ দিছিল।

ইংলণ্ডৰ উপনিবেশ বিস্তাৰ আৰু বাহ্যবাণিজ্যৰ উন্নতিৰ সতে পুঁজিবাদী বিকাশ ওতঃপ্ৰোত ভাৱে জড়িত। ইয়াৰ ফলত শিল্পপতি বাণিজ্যপতি সকলে এই বিকাশৰ ফলত শক্তিশালী হব পাৰিছিল সঁচা; লগতে কিন্তু উচ্চ আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীটোৱেও সুবিধা পাইছিল। নিচেই কম পৰিমাণে হলেও শ্ৰমিক শ্ৰেণীটোৱো তেতিয়া অলপ সুবিধা হৈছিল। ইংলণ্ড আছিল সেই সময়ত সমগ্ৰ বিশ্বৰে সামগ্ৰী প্ৰস্তুত কৰা কাৰখানা সদৃশ। উপনিবেশ, পদানত দেশবোৰ আৰু বহিৰ্বাণিজ্য আদিৰপৰা কৰি অনা শোষণৰ ফলত তলৰ শ্ৰমিক শ্ৰেণী আদিক কৰা শোষণৰ চৰিত্ৰ আৰু মাত্ৰা আনৰ তুলনাত কম আছিল। ফলত দেশৰ আভ্যন্তৰীণ শ্ৰেণী বিৰোধৰ তীব্ৰতাও অপেক্ষাকৃতভাবে কম আছিল। শ্ৰমিক শ্ৰেণীৰ ওপৰত মধ্যবিত্ত শ্ৰেণী আৰু বুৰ্জোৱা শ্ৰেণীৰ আধিপত্য বাহাল থকাৰ কাৰণ ইয়ো হব পাৰে। ইংলণ্ডৰ ৰজা আছিল বৃটিছ সাম্ৰাজ্যৰ প্ৰতীক। এই সাম্ৰাজ্যৰ স্বাৰ্থক বৃটিছ জাতীয়তাবাদৰ ঢাকনিৰে ঢাকি ৰাখিছিল। দেশত থকা শ্ৰমিক শ্ৰেণীৰ মানসক পেটিবুৰ্জুৱা আৰু বুৰ্জুৱা জাতীয়তাবাদেৰে আচ্ছন্ন কৰি ৰাখি শ্ৰমিক শ্ৰেণীৰ শ্ৰেণীসংগ্ৰামৰ তীব্ৰতা কমাই ৰাখিব পাৰিছিল, আৰু ইয়ো বৰ সঁচা কথা যে উপনিবেশ, পদানত দেশ আদি





নথকা হলে বৃটিছসকলৰ জাতীয়তাবাদী উদাৰতা নিজৰ দেশতে ৰখা কঠিন হ'লহেঁতেন।

ইংৰাজ শাসনৰ বিৰুদ্ধে আমেৰিকাৰ মুক্তিযুদ্ধ (১৭৬০-৮১), প্ৰতিযোগী দেশ যথা ফ্ৰান্স, স্পেইন হলান্দ জাৰশাসিত ৰাচিয়া, ডেনমাৰ্ক, চুইদেন আদিৰ অসহযোগীতা (অকল সামৰিক ক্ষেত্ৰতে নহয়) আদিয়ে আৰু ফৰাচী বিপ্লৱৰ অভিজ্ঞতাই ইংলণ্ডৰ বুৰ্জোৱা আৰু সামন্তশ্ৰেণীক সকিয়ণি দিছিল। আগৰ ভূ-স্বামী শ্ৰেণীটোৱে লাহে লাহে উদ্যোগ আৰু কাৰবাৰ, লগ্নীপুঁজিৰ কাৰবাৰৰ পিনে ঢাল লৈছিল। গতিকে প্ৰথমতে যদিও সামন্তশ্ৰেণী আৰু বুৰ্জোৱা শ্ৰেণীৰ বিৰোধ লাহে লাহে তীব্ৰ হৈছিল লাহে লাহে পিচত কম হব ধৰে। পুঁজিবাদী অৰ্থব্যৱস্থা আৰু ৰাজনীতিৰ ভিতৰতে সামন্তবাদী আকৃতিৰ (হাউচ অব লৰ্ডচ, ৰজা ইত্যাদি) কিবাকিবি ৰৈ যায়।

১৮৩২ চনত চাৰ্টিষ্ট আন্দোলন হয়। এই আন্দোলনৰ দাবী আছিল সাৰ্বজনীন সাবালক ভোটাধিকাৰ আৰু গোপন ভোটৰ বাবে। ইয়াৰ নেতৃত্বত আছিল বুৰ্জোৱাৰ একাংশ। আন্দোলনৰ অংশীদাৰ আছিল—শ্ৰমিক, নিম্ন মধ্যবিত্ত শ্ৰেণী। বুৰ্জোৱা শ্ৰেণীৰ মাজত অন্তৰ্বিৰোধ আৰু শ্ৰমিকৰ শ্ৰেণী চেতনাযুক্ত আন্দোলন দুয়োটাৰে ফলত এই আন্দোলন হয় বুলি ভাবিব পাৰি। নাইবা এনেও হব পাৰে যে সংসদী গণতন্ত্ৰৰ সীমাৰ ভিতৰত শ্ৰমিক শ্ৰেণী বা গৰীব কৃষক শ্ৰেণীক ধৰি নাৰাখিলে ঘটনা অন্য পিনে যাব পাৰে এনে শংকা বুৰ্জোৱাৰ একাংশই কৰিছিল। শেহত য়ুৰোপৰ ভিন ভিন ঠাইত মাৰ্কসবাদৰ ভিত্তিত গঢ়লৈ উঠা চিন্তাধাৰা, আন্দোলন আৰু নানান ঘটনাই বাকী অংশ বুৰ্জোৱাৰো চকু মোকলায়। ফলত ১৮৬৭ চনত প্ৰাপ্ত বয়স্কৰ ভিত্তিত শ্ৰমিকক সাৰ্বজনীন ভোটাধিকাৰ দিয়া হ'ল; ১৮৭২ চনত গোপন ভোটৰ ব্যৱস্থা হ'ল। ১৮৮৪ চনত গাৱঁৰ গৰীব কৃষককো ভোটাধিকাৰ দিয়া হ'ল।

য়ুৰোপৰ ঘটনা সমূহৰ ভিতৰত পেৰী চহৰত শ্ৰমিক সৰ্বহাৰাৰ নেতৃত্বত 'পেৰী কমিউন' স্থাপিত হয়। শ্ৰমিক সৰ্বহাৰাৰ নেতৃত্বত পেৰী চহৰৰ জনগণে চহৰ দখল কৰি দুমাহকাল তাৰ শাসন নিজৰ হাতত ৰাখে। শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত শাসন ক্ষমতা অধিকাৰৰ এয়েই প্ৰথম উল্লেখযোগ্য উদাহৰণ।



OKDISCD

পেৰী কমিউনৰ পতন হলেও সৰ্বহাৰাৰ বিপ্লবৰ ধাৰণা এই ঘটনাৰ ফলত ব্যাপক হব ধৰিলে।

শ্ৰেণী সংগ্ৰামৰ তীব্ৰতাৰ উপশম কৰোৱাৰ উদ্দেশ্য নহলে বুৰ্জোৱা শ্ৰেণীয়ে বা মেনুফাকচাৰিং কেপিটেলিষ্ট সকলে চাৰ্টিষ্ট আন্দোলনৰ নেতৃত্ব নিদিলেহেতেন বা নিজেই উদ্যোগী হৈ ট্ৰেড ইউনিয়ন অধিকাৰ নিদিলেহেতেন। আনহাতে উৎপাদন সংকটৰ হাত এৰাবলৈ মালিকে নিজে উদ্যোগী হৈ বনুৱা ধৰ্মঘট কৰোৱাৰ উদাহৰনো ইংলণ্ডত আমি পাওঁ। আৰু এটা লক্ষ্য আছিল; সেই লক্ষ্য হ'ল অৰ্থনীতিক দাবী দাওৱাৰ ভিতৰতে বা সীমিত ৰাজনৈতিক দাবীৰ ভিতৰত বনুৱা আন্দোলন সীমাবদ্ধ ৰখাটো।

আমাৰ কিছুমান পণ্ডিত, বুদ্ধিজীবী আৰু জননেতাই ইংলণ্ডৰ সংসদী গণতান্ত্ৰিক চেতনাৰ ভূয়সী প্ৰশংসা কৰে। আমি কব পাৰো যে বৃটিছ সাম্ৰাজ্যৰ অৰ্থব্যৱস্থাই হ'ল এই 'গণতান্ত্ৰিক ঐতিহ্য'ৰ ভিত্তি। বৃটিছ সাম্ৰাজ্যৰ প্ৰকৃত অবসান, ইয়াৰ উপনিবেশ বিলাকৰ প্ৰকৃত মুক্তি হোৱাৰ পিছত ইংলণ্ডৰ আভ্যন্তৰত শ্ৰেণীশোষণ আৰু শ্ৰেণীবিৰোধ আৰু তীব্ৰ হৈ উঠিব। শ্ৰেণী চেতনালব্ধ শোষিত সৰ্বহাৰাৰ সঠিক শ্ৰেণী সংগ্ৰামৰ ফলত এই "গণতান্ত্ৰিক ঐতিহ্য"ৰ আবৰণ সুলকি পৰিব; বুৰ্জোৱা একনায়কত্বৰ উলংগ ৰূপটো ওলাই পৰিবই নিশ্চয়।

তথাকথিত "গণতান্ত্ৰিক চেতনা" যদি ইমানেই গভীৰ তেনেহলে বৃটিছ পাৰ্লিয়ামেণ্টৰ কৰ্ত্তৃত্বাধীন চৰকাৰে কিয় উপনিবেশ বা পদানত দেশ সমূহত নিজৰ দেশৰ দৰে গণতান্ত্ৰিক পদ্ধতি তথা জনগণক গণতান্ত্ৰিক অধিকাৰ প্ৰদান নকৰে? কিয় সেই দেশ সমূহৰ জনগণৰ গণতান্ত্ৰিক আন্দোলন আৰু অধিকাৰক নৃশংসভাবে দমন কৰি আহিছে?

## ২। সংসদীয় গণতন্ত্ৰৰ চেহেৰা

বৃটিছ পাৰ্লিয়ামেণ্টৰী পদ্ধতিকে প্ৰকৃত গণতন্ত্ৰৰ আৰ্হি হিচাপে তুলি ধৰি কিছুমান পণ্ডিত আৰু নেতাই কব খোজে যে সংসদীয় ব্যৱস্থাত দুটা দলতকৈ সৰহ দলৰ প্ৰয়োজন নাই। এই দুটা দলৰ মাজৰ বিৰোধিতা সংসদীয় কাৰ্য্য-





কলাপ অথবা সংসদৰ মাজমজিয়াতে আবদ্ধ থকা উচিত। ফুটবল খেলৰ দৰ্শকে গেলাৰীত বহি যিদৰে দুয়ো দলৰ খেল চায়, নিজে সমৰ্থন কৰা দলৰ বিজয়ত আনন্দিত হয়; পৰাজয়ত দুখ পায়, তেনেকৈয়ে পাচ বছৰ বা নিৰ্বাচনৰ সময়লৈকে—সংসদত নিৰ্বাচিত প্ৰতিনিধি সকলৰ সংসদীয় কাৰ্য্যকলাপ চোৱাটোহে, অৰ্থাৎ জনসাধাৰণ সংসদ বহিৰ্ভূত ৰাজনৈতিক কাৰ্য্যকলাপত নথকাটোহে উচিত, সেই দুয়োটা দলৰ মাজত বিৰোধিতা যিমানে থাওক সংকট কালত "দেশৰ" বা "জাতীয় স্বাৰ্থ"ত সেই বিৰোধিতা পৰিহাৰ কৰি একে লগ হব লাগে বুলি কব খোজে। এওলোকে দেশৰ বা ৰাষ্ট্ৰৰ ক্ষমতাত অধিষ্ঠিত শ্ৰেণীটোৰ স্বাৰ্থকেই সাধাৰণতঃ 'দেশৰ স্বাৰ্থ' বা "জাতীয় স্বাৰ্থ" বুলি ব্যাখ্যা কৰে। যথাঃ—বেহাবেপাৰ বা আন অৰ্থনৈতিক কাৰণত দুখন দেশৰ মাজত খৰিয়াল আৰু বিৰোধ লাগে; সেই বিৰোধ কেতিয়াবা যুদ্ধত পৰিণত হয়, এনে ধৰণৰ বিৰোধৰ লগত সাধাৰণতঃ শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থৰ একেবাৰে সংগতি নাথাকে। এনে এখন ওচৰ চুবুৰীয়া বা দূৰৈৰ দেশৰ লগত হোৱা বিৰোধ আৰু ৰণক "দেশৰ স্বাৰ্থ" জড়িত "জাতিৰ স্বাৰ্থ" জড়িত বুলি ঘোষণা কৰা হয়। এনে "দেশৰ বা জাতিৰ স্বাৰ্থৰ" নামত জনসাধাৰণক সৰ্ব্বোচ্চ ত্যাগ কৰিবলৈ কোৱা হয়। জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰো এনে সময়ত চৰকাৰে কাঢ়ি লয়, শ্ৰমিক শ্ৰেণীক কম মজুৰী বা একে মজুৰীতে সৰহ কাম কৰিবলৈ বাধ্য কৰা হয়, কিন্তু বুৰ্জোৱা পুঁজিপতি সকলৰ চৰা লাভ অৰ্জ্জণৰ বাট সেই সময়তো সদায় খোলা ৰাখে। সেয়ে এনে সময়ত 'Anti national' বা 'জাতিৰ বিৰোধী' কামৰ সংজ্ঞা আৰু ব্যাপক হয়। তাৰ নামত শ্ৰমিক শ্ৰেণীৰ ওপৰত দমন নীতি চলে। অৰ্থাৎ দেশৰ বৃহত্তৰ অংশটোৰে বাধ্যবাধকতা মানি লব লগা হয়—ক্ষুদ্ৰ অথচ শাসনত অধিষ্ঠিত শ্ৰেণীটোৰ স্বাৰ্থক 'জাতীয় স্বাৰ্থ' বুলি ঘোষনা কৰা বাবে। পুঁজিবাদী ব্যৱস্থাত জাতীয় স্বাৰ্থৰ এই ৰূপৰ লগতে 'জাতীয়তা বাদ'ৰ ৰূপো একেদৰে ৰজিতা খায়। এনে ক্ষেত্ৰত বুৰ্জোৱা দলবিলাকৰ মাজৰ বিৰোধিতা নোহোৱা হয়—সাময়িক ভাবে হলেও। কাৰণ ইহঁতৰ লেবেল যিয়েই নাথাকক মৌলিক চৰিত্ৰ আৰু কামত সকলো একে। কৌশলৰ ভিন্নতা থাকিলেও।

সেয়ে "শ্ৰমিক" (!) দলৰ চৰকাৰেও শ্ৰমিক দলন কৰা আৰু কনজাৰভেটিভ দলেও শ্ৰমিকৰ সুবিধা দিয়াৰ ঘটনা দেখা যায়। অৰ্থাৎ এই দলৰ



OKDISCD

দ্বন্দ্ব বা বিৰোধ শ্ৰেণীস্বাৰ্থৰ পৰা উদ্ভব নহয়। শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থৰ বিৰুদ্ধে এই দুয়োটা দলে কাম কৰে। শ্ৰমিক শ্ৰেণীক অৰ্থনৈতিক আন্দোলনতে নিজক আবদ্ধ ৰখাটো এই দুয়োটা দলেই কামনা কৰে। 'সৰ্বহাৰাৰ আন্তৰ্জাতিকতা' বা 'সৰ্বহাৰৰ একনায়কত্ব' এনে ধৰণৰ চেতনাৰ বিৰুদ্ধে মোহান্ধ কৰি শ্ৰমিকশ্ৰেণীক ৰখাটোৰেই এই সংসদী গণতন্ত্ৰৰ উদ্দেশ্য।

আমি ইংলণ্ডৰ সংসদী গণতন্ত্ৰ সম্বন্ধে বিচাৰ কৰিলে পাম যে ই ইংৰাজ পুঁজিবাদৰ সৃষ্টি। ৰাষ্ট্ৰৰ আদব কায়দা বা পদ্ধতি সকলোবোৰ পুঁজিপতি শ্ৰেণীৰ প্ৰাধান্য আৰু স্বাৰ্থ ৰক্ষাৰ্থে ব্যৱহৃত। সেই পদ্ধতি আৰু তাৰ জাতীয়তাবাদী আদৰ্শৰ বুনিয়াদ হ'ল—সাম্ৰাজ্যবাদী পুঁজিবাদী পদ্ধতি।

বুৰ্জোৱাৰ ৰাজনৈতিক শাসন পোনপটীয়া সন্ত্ৰাসমূলক বা দমনৰ প্ৰচ্ছন্ন পদ্ধতিৰ দ্বাৰা প্ৰচলিত। সংসদী গণতন্ত্ৰ, আমোলা-শাসন সন্ত্ৰাসমূলক সামৰিক চৰকাৰ বা ফেচিবাদী চৰকাৰ আটাইকেইটা ৰূপৰ আকৃতিগত প্ৰভেদ থাকিলেও তাৰ সাৰবস্তু একেটাই—সি হ'ল শোষকশ্ৰেণী চৰিত্ৰ। যথাঃ বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্ব বজাই ৰখা, বুৰ্জোৱা অৰ্থব্যৱস্থাৰ বিকাশৰ প্ৰতি চকুৰখা, তাক সংৰক্ষণ কৰা, শ্ৰমিক-শ্ৰেণীৰ সংগঠিত শক্তিক ৰাজনীতিৰ শক্তি হিচাপে শ্ৰমিকশ্ৰেণীৰ নেতৃত্বত গঢ় লবলৈ নিদিয়া, এনে সংগঠিত শক্তিৰ প্ৰতি দমন দলন নিপীড়নমূলক ব্যৱস্থা লোৱা, শোষণ অব্যাহত ৰখা, আৰু শোষিত জনগণৰ শ্ৰেণী সংগ্ৰাম বিভ্ৰান্ত কৰা আদি ব্যৱস্থা পুঁজিবাদী পদ্ধতিৰ আৰু যি কোনো আকৃতিৰ বুৰ্জোৱা ৰাষ্ট্ৰ পদ্ধতিতেই থাকে।

কিন্তু এটা আকৃতিৰ পৰা আনটোলৈ পৰিবৰ্তনকে মৌলিক পৰিবৰ্তন বুলি ধূৰ্ত্ত পণ্ডিত সকলে কোৱাৰ অৰ্থ পুঁজিবাদী একনায়কত্বৰ শ্ৰেণীচৰিত্ৰ আৰু শ্ৰমিকশ্ৰেণী বিৰোধী চৰিত্ৰ লুকুৱাই থোৱাটোৰে নহয় জানো?

শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থৰ পিনৰপৰা চাবলৈ গলে ইংৰাজ শাসিত ভাৰত, স্বাধীনতা পোৱাৰ পিচত স্বাধীন ভাৰত আৰু পাকিস্থান (অবিভক্ত পৰাধীন ভাৰতৰ আন উত্তৰাধিকাৰ) হ'ল। কিন্তু তিনিও খন চৰকাৰে, (বৃটিছ-ভাৰত গণতান্ত্ৰিক-ভাৰত আৰু স্বাধীন পাকিস্থান) লোৱা শ্ৰমনীতিৰ মূল প্ৰভেদ একো নাই, একো নহল; প্ৰশাসন যন্ত্ৰৰ গঠন আৰু কাম একেদৰেই থাকিল। বিদেশী মূলধনকে ধৰি অৰ্থব্যৱস্থাৰ মাজত সাধাৰণ মানুহক কৰা শোষণ পদ্ধতি





অব্যাহত থাকিল। ধনী আৰু ধনী, দুখীয়া আৰু দুখীয়া হৈ পৰিল। অৰ্থনৈতিক দাবী দাওৱাৰ অলপ কিছু শ্ৰমিক শ্ৰেণীয়ে আদায় কৰলেও ৰাজনৈতিক শক্তি হিচাপে শাসকশ্ৰেণীয়ে স্বীকৃতি নিদিবৰ চেষ্টা চলায়ে থাকিল। মালিক পক্ষৰ হৈ চৰকাৰে সমানে বনুৱাৰ ওপৰত আইন আৰু শাসন যন্ত্ৰৰে দমন দলন চলায়ে থাকিল। মালিক পক্ষই কাৰখানা বন্ধ বা শ্ৰমিক চাটাই কৰিলে তাক 'জাতীয় স্বাৰ্থৰ বিৰোধী' বুলি গণ্য কৰা নহয় অথচ ধৰ্মঘটৰ ওপৰত 'জাতীয় স্বাৰ্থৰ' নামত প্ৰতিবন্ধক লগোৱা হল।

বুৰ্জোৱা একনায়কত্ব; অৰ্থাৎ শোষিত শ্ৰমিক শ্ৰেণী সৰ্বহাৰা জন সাধাৰণৰ ওপৰত চৰকাৰ বা ৰাষ্ট্ৰযন্ত্ৰৰ মাজেদি শোষক শ্ৰেণীৰ কৰ্তৃত্বশীলতাৰ ইয়াকো আন এটা উদাহৰণ হিচাপে লব পাৰি। সংসদী গণতন্ত্ৰও বুৰ্জোৱা একনায়কত্বৰ এটা পদ্ধতি।

## বুৰ্জোৱা একনায়কত্ব

সংসদীয় গণতন্ত্ৰত প্ৰাপ্তবয়স্ক নাগৰিক সকলে ভোট দি সংসদ বা পাৰ্লিয়ামেণ্টলৈ সদস্য নিৰ্বাচিত কৰে। এই সদস্য সকলৰ সংখ্যা গৰিষ্ঠ দলটোৰ নেতাৰ নেতৃত্বত চৰকাৰ গঠন হয়, ৰাষ্ট্ৰ যন্ত্ৰ পৰিচালিত হয়। এই চৰকাৰৰ নেতা জনেই আইন প্ৰণয়নকাৰী (অৰ্থাৎ নীতি নিৰ্ধাৰণকাৰী) সংসদৰ নেতা, সেই একেজনেই তেনেকৈ সেই নীতি আৰু আইন কাৰ্য্যত প্ৰয়োগ কৰা প্ৰশাসন যন্ত্ৰৰো গুৰিয়াল। অৰ্থাৎ সংখ্যা গৰিষ্ঠ দলটোৰ হাততে দুয়োপিনৰ (আইন সভা আৰু কাৰ্য্যবাহী প্ৰশাসন যন্ত্ৰৰ) কৰ্তৃত্ব থাকে। এই সংখ্যা গৰিষ্ঠ দলটোৰ নেতাৰ হাতত কাৰ্য্যতঃ দুয়োটা ক্ষমতাই থুপ খায়।

দেখাত ই এটা ভাল ব্যৱস্থা। সংসদীয় গণতন্ত্ৰৰ সৰ্বময় ক্ষমতা শোষিত শ্ৰমিক সৰ্বহাৰা শ্ৰেণীৰ হাতলৈ আহিলে অৰ্থাৎ সংসদীয় গণতন্ত্ৰৰ মাজেদি ৰাষ্ট্ৰৰ ক্ষমতা শ্ৰমিক সৰ্বহাৰা শ্ৰেণীৰ হাতলৈ আহিলে অতি আনন্দৰ কথা হ'লহেঁতেন; কিন্তু কাৰ্য্য ক্ষেত্ৰত সি সম্ভৱ নহয়। কাৰণ শোষক আৰু শোষিত শ্ৰেণীৰ স্বাৰ্থ পৰস্পৰ বিৰোধী। শোষণ নোহোৱা কৰিলে শোষক শ্ৰেণীৰ অস্তিত্বই নাথাকিব, গতিকে শোষক শ্ৰেণীয়ে তাক হব নিদিয়ে।

আমি আগতেই দেখুৱাই আহিছো যে সমাজ অৰ্থব্যৱস্থাৰ এটা ঐতিহাসিক



OKDISCD

পৰিণতি হিচাপে সামন্তবাদৰ ভগ্নস্তূপৰ ওপৰত বুৰ্জোৱা সংসদী গণতন্ত্ৰৰ জন্ম। এই দুয়ো স্তৰতে; (অৰ্থাৎ সামন্তবাদ আৰু পুঁজিবাদ) শ্ৰমিক বা শ্ৰমজীৱী কৃষককে ধৰি সকলো সৰ্বহাৰাই শোষিত হৈয়েই আহিছে। যেতিয়ালৈকে সামাজিক অৰ্থব্যবস্থাৰ সৰ্বময় নিয়ন্ত্ৰণ, উৎপাদনৰ আহিলা পাতিৰ মালিকানা সমাজৰ সংখ্যা গৰিষ্ঠ শ্ৰমিক সৰ্বহাৰাৰ হাতলৈ নাহিব তেতিয়ালৈকে এনে শোষণ অবধাৰিত ভাবেই (নিজৰ শ্ৰেণী স্বাৰ্থ আৰু অস্তিত্ব বাহাল ৰখাৰ বাবেও) ৰাষ্ট্ৰযন্ত্ৰৰ বাঘ-জৰী স্বেচ্ছাৰে শোষক শ্ৰেণীয়ে শোষিত সকলৰ হাতত তুলি দি নিজৰ শ্ৰেণীৰ মৰণ মাতি নানে।

সেই কাৰণেই বুৰ্জোৱা গণতন্ত্ৰৰ কিটিপটো এনে ধৰণে ৰখা আছে, যাতে ইয়াৰ মাজেদি ৰাষ্ট্ৰৰ অধিকাৰ কেতিয়াও শোষিত শ্ৰেণীৰ হাতলৈ যাব নোৱাৰে। অথচ শোষিত শ্ৰেণীয়ে যাতে দেশৰ শাসনত ভাগ লোৱা বুলি পতিয়নো যায়। যাতে শ্ৰেণী স্বাৰ্থত শ্ৰেণী হিচাপে সংগঠিত হৈ শোষক শ্ৰেণীৰ হাতৰপৰা বৰ্ত্তমানলৈ চলি অহা সুবিধাবোৰ ঝাঢ়ি অনাৰ বাবে শ্ৰমিক শ্ৰেণীয়ে মানসিকভাবে আৰু সাংগঠনিক-ভাৱে প্ৰস্তুত হব নোৱাৰে সেই সম্বন্ধে সকলোবোৰ আদব কায়দা এই সংসদীয় গণতন্ত্ৰ ব্যৱস্থাতেই ৰখা আছে। আনহাতে বুৰ্জোৱা শ্ৰেণী সদায় সতৰ্ক যাতে শ্ৰমিক শ্ৰেণীৰ আকাংক্ষ্যাই অৰ্থনৈতিক দাবী দাওৱাৰ সীমাৰ বাহিৰ হৈ ৰাজনৈতিক আশা আকাংক্ষ্যালৈ নাযায়—তাৰ প্ৰতিযেধক হিচাপে সমগ্ৰ ৰাষ্ট্ৰযন্ত্ৰ সৰ্বদাই প্ৰস্তুত থাকে। এই ৰাষ্ট্ৰযন্ত্ৰ (সামৰিক বহিনীকে ধৰি) ৰ আমোলাতন্ত্ৰৰ গঠন, বিকাশ আৰু ব্যৱহাৰৰ পিনে মন কৰিলে ওলাই পৰে যে ইয়াৰ সকলো খিনিয়েই আগৰে পৰা গুৰিলৈ শোষক সকলৰ স্বাৰ্থবাহী। শ্ৰেণী নিৰপেক্ষ নহয়, হব নোৱাৰে। নিৰ্বাচনকেই বোলক, সংসদৰ আইন কামত প্ৰয়োগ কৰাৰ বেলিকাই বোলক, ৰাষ্ট্ৰ পৰিচালনাৰ ক্ষেত্ৰতেই বোলক, ইয়াৰ ভূমিকা শ্ৰেণী নিৰপেক্ষ নহয়, হব নোৱাৰে। যিমানেই শ্ৰেণী নিৰপেক্ষ বুলি ভাও নোজোৰক কিয়, সামগ্ৰীকভাবে আৰু চূড়ান্তভাবে ই শোষক শ্ৰেণীৰ হাতিয়াৰহে মাথোন।

অবশ্যে যেতিয়ালৈকে বুৰ্জোৱা গণতন্ত্ৰৰ মাজেদি বুৰ্জোৱা শ্ৰেণীয়ে নিজৰ স্বাৰ্থ বিপন্ন হোৱাৰ শংকা নেদেখে তেতিয়ালৈকে ই উদাৰ। বুৰ্জোৱা শ্ৰেণীৰ





অন্তৰ্দ্বন্দ্বৰ সময়ত শ্ৰমিক শ্ৰেণীৰ সমৰ্থন পোৱাৰ বাবে এই উদাৰতা (!) প্ৰদৰ্শন কৰে, অৰ্থাৎ এনে গণতন্ত্ৰৰ ঘোষিত নীতি আৰু কামৰ প্ৰয়োগৰ ক্ষেত্ৰত কিছু পৰিমাণে সততা ৰক্ষা কৰে।

কিন্তু য'ত তেনে আশংকা থাকে, তাত নিৰ্বাচন প্ৰহসনৰ দৰে হয়। ভোটাৰ হবৰ যোগ্য হেজাৰ হেজাৰ সাধাৰণ নাগৰিকৰ নামে ভোটাৰ তালিকাত স্থান নাপায়। বাসস্থানগত অৰ্হতা আৰোপ কৰি বহুতক বাদ দিয়া হয়। সমগ্ৰ নিৰ্বাচনী কাৰ্য্যকলাপ (প্ৰাৰ্থীৰ আবেদন ফীজকে ধৰি) অতিশয় ব্যয় বাহুল আৰু জটিল কৰা হয়। চৰকাৰী অৰ্থ আৰু ক্ষমতাক শাসনত অধিষ্ঠিত দলৰ স্বাৰ্থত ব্যৱহাৰ কৰি ভোটাৰ সকলৰ ওপৰত প্ৰভাব পেলোৱাৰ চেষ্টা চলায়। ভোটাৰক ভেটি দিয়া; ভোট কিনা (পোনে পোনে বা আওপকীয়া ভাবে): পুলিচ মিলিটাৰীৰ সমৰ্থনত বিৰোধী শ্ৰমিক শ্ৰেণীৰ কৰ্মীক আৰু ভোটাৰক ভীতি প্ৰদৰ্শন কৰা বা নানা অজুহাতত এনে কৰ্মীক দমন দলন কৰা আদি কাম অবাধ ভাবে চলি 'মুক্ত আৰু ন্যায়সংগত অবাধ' নিৰ্বাচনী প্ৰক্ৰিয়াক প্ৰহসনত পৰিণত কৰে।

ইংলণ্ড আদি দেশত সৰ্বহাৰা শ্ৰেণীৰপৰা হোৱা শংকা এতিয়ালৈ প্ৰবল হোৱা নাই। তেনে সময় অহালৈকে বৰ্তমানৰ 'গণতান্ত্ৰিক ঐতিহ্য'ৰ উদাৰ নীতি চলাব পাৰে। তাৰ অৰ্থ এনে নহয় যে কোনো দিনেই ই সলনি নহব।

তথাপিও তেনেবোৰ দেশত কেতবোৰ কথা চলি আছেঃ—যথাঃ বাতৰি কাকত, ৰেডিও, টেলিভিচন, চিনেমা আদি প্ৰচাৰ মাধ্যম বুৰ্জোৱা শ্ৰেণীৰ হাতত। শোষক শ্ৰেণীৰ পক্ষে প্ৰতিনিয়ত এইবোৰৰ মাজেদি প্ৰচাৰ আৰু সংগঠিত শ্ৰমিক শ্ৰেণীৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাই শোষিত শ্ৰেণীৰ মাজত হয় শোষকসকলৰ প্ৰতি মোহ সৃষ্টি কৰাৰ, নহয় এই শ্ৰেণীক বিভ্ৰান্ত কৰাৰ প্ৰচেষ্টা চলাই আহিছে। মেল মিটিঙৰ বাবে থকা ঠাই আদিও বুৰ্জোৱা শ্ৰেণীটোৱে নিয়ন্ত্ৰণ কৰে। যিহেতু বুৰ্জোৱা সকলৰ প্ৰভাব আৰু প্ৰতিপত্তি ব্যাপক সেই কাৰণে সকলো ক্ষেত্ৰতে নিয়ন্ত্ৰন কৰাৰ ক্ষমতা এই শ্ৰেণীটোৰ হাতত আছে। সেয়ে শোষণৰত শ্ৰেণীসমূহে চৰকাৰৰ জনবিৰোধী চৰিত্ৰ লুকাই ৰাখিবৰ ক্ষমতা ৰাখি আছে।



OKDISCD

নীতি আৰু আদৰ্শৰ ক্ষেত্ৰত, দৈনন্দিন জীৱনৰ ক্ষেত্ৰত শ্ৰমিক সৰ্বহাৰা সাধাৰণ মানুহক পুঁজিবাদী ধাৰণা আৰু পুঁজিবাদী পদ্ধতিয়ে অক্টোপাচৰ দৰে বান্ধি ৰাখে। বুৰ্জোৱা শ্ৰেণীয়ে মাথোন নিৰ্বাচনৰ সময়তেই নহয়, প্ৰতিমুহূৰ্ত্ততে শ্ৰমিক শ্ৰেণীৰ সংগঠিত ৰাজনৈতিক শ্ৰেণী চেতনাৰ বিকাশত বাধা দি থাকে। কেতিয়াবা শ্ৰমিক শ্ৰেণীৰ মাজত খেলিমেলি লগায়, দালাল বাহিৰ কৰে। শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থ-সহযোগী বুলি পৰিচয় দিয়া অতি বিপ্লৱী বা সংস্কাৰবাদী সকলৰ ইতুৰাই এই খেলিমেলি বিভ্ৰান্তি বঢ়ায়। নিৰ্বাচিত শ্ৰমিক শ্ৰেণীৰ সদস্যসকলক প্ৰলুব্ধ কৰি শোষণৰ অংশীদাৰ কৰি লোৱাৰ চেষ্টা চলায়। মুঠকথা—সংসদী গণতন্ত্ৰ হ'ল পুঁজিবাদী ব্যৱস্থা ৰক্ষণ আৰু বিকাশৰ বাবে কৰা এটা পদ্ধতি, যাৰ একমাত্ৰ উদ্দেশ্য হ'ল শোষণ অব্যাহত ৰখা।

মাৰ্ক্সীয় তত্ত্ববিদসকলে আগতে ঘটা ঘটনা, তথ্য আদিৰ ভিত্তিত দঢ়াই দঢ়াই কৈ গৈছে যে ধনতান্ত্ৰিক সমাজব্যৱস্থাত পুঁজিবাদী আদৰ্শ আৰু পুঁজিপতি শ্ৰেণীৰ প্ৰাধান্য ৰাখিবই। তেওঁলোকে পতা সংসদীয় গণতন্ত্ৰৰ মাজেদি পুঁজিবাদী সমাজব্যৱস্থাক সমাজবাদী ব্যৱস্থালৈ ৰূপান্তৰণ অসম্ভৱ। এনে পৰিবৰ্তনৰ বাবে শ্ৰেণীসংগ্ৰামৰ মাজেদি সমাজ বিপ্লৱ অপৰিহাৰ্য্য। বুৰ্জোৱা গণতন্ত্ৰত গণতন্ত্ৰৰ কথা বৰকৈ কোৱা হলেও হেজাৰ হেজাৰ নাগৰিকে নিৰ্বাচন কৰা শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থৰ প্ৰবক্তা বিধানসভাৰ সদস্যক, কিম্বা লাখ লাখ নাগৰিকে নিৰ্বাচন কৰা তেনে পাৰ্লিয়ামেণ্টৰ সদস্যক বিনা বিচাৰে, আটক কৰি জেলত সুমুৱাই থোৱাৰ উদাহৰণ বিচাৰি আন দেশলৈ যাবই নালাগে।

বৰালি মাছে সৰু মাছ খাই বৰ্ত্তে। একেটা পুখুৰীত বৰালি মাছ আৰু সৰু মাছৰ সহবস্থানৰ মাজেদি সৰু মাছৰ বৃদ্ধি আৰু বিকাশৰ কামনা এটা ভুৱা কথা। তেনেকৈ বুৰ্জোৱা সমাজ ব্যৱস্থাত থকা গণতন্ত্ৰৰ মাজেৰে অৰ্থাৎ সংসদীয় গণতান্ত্ৰিক পদ্ধতিৰ মাজেদি পুঁজিবাদ উৎখাত কৰি সমাজবাদ স্থাপনৰ কথাও তেনে অলীক আৰু ভ্ৰান্তিপূৰ্ণ কথা।

পুঁজিবাদী ৰাষ্ট্ৰৰপৰা সমাজবাদী ৰাষ্ট্ৰপদ্ধতিলৈ ৰূপান্তৰ হবলৈ এটা আমূল সমাজ বিপ্লৱৰ প্ৰয়োজন। পুঁজিবাদী ৰাষ্ট্ৰ ব্যৱস্থা পুঁজিবাদী অৰ্থব্যৱস্থাৰ ভেটিত গঠিত উপৰিসৌধ। পুঁজিবাদী ৰাষ্ট্ৰযন্ত্ৰই সমগ্ৰ পুঁজিবাদী অৰ্থব্যৱস্থা পৰিবৰ্তন কৰি সমাজতন্ত্ৰ অৰ্থাৎ উৎপাদনৰ সকলো উপাদান আহিলাৰ বা ব্যৱস্থাৰ





মালিকানা সমাজৰ নিয়ন্ত্ৰণলৈ আনিব নোৱাৰে, আৰু নানেও। ইয়াতেই বুৰ্জোৱা একনায়কত্বৰ আচল স্বৰূপটো লুকাই আছে।

## ফেচিবাদৰ উৎপত্তি আৰু বিকাশ

যিসকলে বৈজ্ঞানিক বিশ্লেষণেৰে সমাজ বিকাশৰ গতি অধ্যয়ন কৰিছে—তেওঁলোকক বহুলাই কোৱাৰ প্ৰয়োজন নাই যে পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ মাজতেই তাৰ ধ্বংসৰ বীজ লুকাই আছে।

উৎপাদনী কৌশলে নতুন নতুন যন্ত্ৰপাতিৰে আধুনিক উৎকৰ্ষতা লাভ কৰাৰ লগতে পুঁজিবাদী উৎপাদন ব্যৱস্থা আৰু উৎপাদন সম্পৰ্কৰ ওপৰত থকা পুঁজিবাদী অৰ্থব্যৱস্থাই সমাজৰ ওপৰৰপৰা তললৈ প্ৰভাব বিস্তাৰ কৰে। সমগ্ৰ সমাজৰ শ্ৰমজীবী জনসাধাৰণে, এই পুঁজিবাদী অৰ্থব্যৱস্থাৰ নিয়ন্ত্ৰণত থকাসকলৰ ওচৰত আত্ম সমৰ্পণ কৰিবলগীয়া হয়। কুটিৰ শিল্পজীবী, স্বাধীন শ্ৰমোপজীবী, সৰু সৰু কাৰখানাৰ মালিক, সৰু বেপাৰী, কৃষক, অলপীয়া পুঁজিৰ মালিক, চাকৰিয়াল মধ্যবিত্ত শ্ৰেণীৰো নিজৰ স্বাধীন সত্বা নোহোৱা হৈ যায়। বৃহৎ উদ্যোগসমূহৰ ফলত বিপুল শ্ৰমিক বাহিনীৰ সৃষ্টি হয়। তেনেদৰে বৃহৎ উদ্যোগপতিবোৰৰ নিয়ন্ত্ৰণত থকা পুঁজিবাদী ব্যৱস্থাই দ্ৰুতগতিত বিকাশ লাভ কৰে।

এনে প্ৰক্ৰিয়াত কেইটামান মাথোন একচেটিয়া বৃহৎ পুঁজিপতিৰ হাতত দেশৰ অৰ্থব্যৱস্থাক সামগ্ৰিকভাবে নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা থুপ খায়; উৎপাদনৰ আহিলাপাতি পদ্ধতি কৌশল, বেপাৰ বণিজ সকলোবোৰকে একচেটিয়া পুঁজিয়ে গভীৰভাবে নিয়ন্ত্ৰণ কৰে।

যেতিয়া দেশ আৰ্থিক সংকটত পৰে—আৰু পুঁজিবাদী উৎপাদনৰ বজাৰ নোহোৱা হয়; তেতিয়া এই সংকটৰ বোজাটো পোনতে সৰ্বহাৰা শ্ৰমিক শ্ৰেণীৰ ওপৰত জাপি পুৰণি ব্যৱস্থা ৰক্ষা কৰিব বিচাৰে আৰু বজাৰ বিস্তাৰৰ বাবে দেশৰ বাহিৰত বজাৰ বিচাৰে (বলপ্ৰয়োগ কৰি হলেও)। ১ম মহাযুদ্ধ আছিল পুঁজিবাদী ৰাষ্ট্ৰসমূহৰ বজাৰক লৈ, উপনিবেশ লৈ সাম্ৰাজ্যবাদী খোৱা-কামোৰা।

সংগঠিত শ্ৰমিক শ্ৰেণীয়ে ওপৰৰপৰা জাপি দিয়া এই চাপ প্ৰতিৰোধ কৰাৰ চেষ্টা কৰে। তথাপিও দেখা যায় যে এটা স্বাধীন শ্ৰমজীবী শ্ৰেণী যথা:



OKDISCD

কুটিৰ শিল্পজীৱী, স্বাধীন শ্ৰমোপজীৱী, অলপীয়া মাটিৰ গৰাকী কৃষক, মাটিহীন অসংগঠিত কৃষক আৰু মধ্যবিত্ত শ্ৰেণী তথা সৰু কাৰখানাৰ মালিক, সৰু বেপাৰী, অলপীয়া পুঁজিৰ মালিক, চাকৰিয়াল, স্বাধীন ব্যৱসায়ৰ মধ্যবিত্ত আদিয়েও এই চাপ বা হেঁচা গভীৰভাৱে সহ্য কৰিবলগীয়া হয়। এওঁলোকেও শ্ৰমৰ বজাৰত বিক্ৰেতা হৈ থিয় দিয়ে।

লাভ নোহোৱা কাৰণত ( সংকটৰ বাবে ) কলকাৰখানাৰ উৎপাদন ক্ষমতা আৰু নিয়োগ ক্ষমতা সংকুচিত কৰি দিয়ে। ফলত শ্ৰমৰ বজাৰ আৰু সংকুচিত হয়। কাজেই নিবনুৱাৰ সংখ্যা বাঢ়ে।

আনহাতে পুঁজিবাদী ৰাষ্ট্ৰ ব্যৱস্থাৰ শিক্ষাপদ্ধতিৰ ফলত ইঞ্জিনিয়াৰিং কলেজ বিশ্ববিদ্যালয়, টেকনিকেল স্কুল বা কলেজ, আন কলেজ বা স্কুল আদিৰপৰা লাখে লাখে নতুন মানুহে শ্ৰম বিক্ৰেতা হিচাপে শ্ৰমৰ বজাৰত ভীৰ কৰে। শ্ৰমৰ দাম অৰ্থাৎ মজুৰী কমে আৰু শিক্ষিত নিবনুৱাৰ সংখ্যা বিপুলভাৱে বাঢ়ে।

সাধাৰণ শ্ৰমিক শ্ৰেণীৰ বাবে এই দুৰ্ভাগ্য একো নতুন নহয়, আৰু তেওঁলোকৰ বাবে উপযুক্ত পথ হ'ল দৃঢ়ভাৱে সংগঠিত হৈ ৰাষ্ট্ৰব্যৱস্থা দখল কৰি এই পুঁজিবাদী ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তনৰ বাবে সমাজ বিপ্লৱ কৰাটো। ( এই কথাটো জানিয়েই আগেভাগে বৃহৎ একচেটিয়া পুঁজিপতি তথা বৃহৎ বুৰ্জুৱা সকলে শ্ৰমিক শ্ৰেণীৰ মাজত খেলিমেলি লগোৱাৰ চেষ্টা চলায়। )

মধ্যবিত্ত শিক্ষিত নিবনুৱা, বা দুৰ্বল হৈ যোৱা মধ্যবিত্তই এটা গভীৰ দুৰ্য্যোগত পৰে। যি পুঁজিবাদী ব্যৱস্থাত তেওঁলোকে শ্ৰেণী হিচাপে শোষণৰ সুবিধা ভোগ কৰি আহিছিল সেই পুঁজিবাদী ব্যৱস্থাৰেই শ'ল ঠেকত পৰি উদ্ধাৰৰ পথ নোপোৱা হয়। আগৰ স্থিতাবস্থা বা সুবিধাজনক পৰিস্থিতি ঘূৰাই অনাৰ বাবে চিন্তাও কৰে, আনহাতে বৰ্ত্তমান পুঁজিবাদী ব্যৱস্থা ভাঙি কিবা নতুন ব্যৱস্থা ( য'ত তেওঁলোকৰ নিৰাপত্তা আছে ) কৰাৰ কথাও ভাৱে। এফালে প্ৰতিক্ৰিয়া আনফালে প্ৰগতিৰ মাজত ইফাল-সিফালকৈ অনাই-বনাই বিভ্ৰান্ত আৰু হতাশ-জনিত অস্থিৰতাত ভোগে।

মধ্যবিত্ত শ্ৰেণীৰ বৃহৎপুঁজিৰ বিৰুদ্ধে বিক্ষোভ থাকিলেও, তাৰ বিৰুদ্ধে যুঁজিবলৈ এই শ্ৰেণীয়ে নিজৰ শ্ৰেণীজনিত দুৰ্বলতা অৰ্থাৎ পুজিবাদী সমাজব্যৱস্থাৰ প্ৰতি থকা





মোহ এৰিবলৈ টান পায়। সৰ্বহাৰা শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত পুঁজিবাদী সমাজ ব্যৱস্থা ধ্বংস কৰি সমাজ সমাজতান্ত্ৰিক বিপ্লৱৰ পিনে আগবাঢ়িবলৈ দোধোৰ মোধোৰ অৱস্থাত পৰি ৰৈ থাকে। কিন্তু তেওঁলোকে সৰ্বহাৰা হবও নোখোজে, নহৈও নোৱাৰে। আনহাতে শ্ৰমিক শ্ৰেণীৰ মাজত যিমান দ্বন্দ্ব থাকিব পাৰে তাতোকৈ বহুতো দ্বন্দ্ব এই মধ্যবিত্ত শ্ৰেণীটোৰ মাজত থাকে। বুৰ্জুৱা ৰাষ্ট্ৰব্যৱস্থাৰ আশ্ৰয়ত পুঁজিবাদী একনায়কত্ব স্থাপিত হয়। এই একনায়কত্বই অকল মাথোন আৰ্থিক দিশতেই নহয়—সাংস্কৃতিক, ৰাজনৈতিক সকলো দিশতে শোষণধৰ্মী উদ্দেশ্যেৰে ব্যাপক আৰু গভীৰ ভাৱে প্ৰভাৱ বিস্তাৰ কৰে। আৰ্থিক ক্ষেত্ৰত ইয়াৰ চূড়ান্ত প্ৰতিফলন হয় একচেটিয়া লগ্নী পুঁজি, (finance capital) ৰাজনৈতিক ক্ষেত্ৰত কেন্দ্ৰীকৰণ, সাংস্কৃতিক দিশত উগ্ৰ জাতিয়তাবোধৰূপে।

সচৰাচৰ শ্ৰমিক শ্ৰেণীৰ নিজা শ্ৰেণীসংগঠনৰ সীমাবদ্ধতা দেখা যায়। শ্ৰমিকশ্ৰেণীৰ চেতনা সম্পন্ন সাংস্কৃতিক তথা ৰাজনৈতিক চিন্তা ধাৰাৰ দ্বাৰা সুপ্ৰণালীৰে জন মানস গঠন কৰিব নোৱাৰিলে বুৰ্জুৱা সকলৰ নানা বিধ প্ৰচাৰ, কৌশল, চলনাৰে শ্ৰমিক শ্ৰেণীৰ মাজত ধৰ্ম-জাতি আদিৰ ভিত্তিত কৰা বিভাজন, অতিবাম কিম্বা সংশোধনবাদী বিচ্যুতিৰ বিপদৰ ভয় থাকে। শ্ৰমিকশ্ৰেণীৰ লগে লগে থকা পেটি বুৰ্জুৱা যথা নিয়মীয়া দৰমহাৰ চাকৰিয়াল, কেৰাণী, বাবু, মেনেজাৰ আদি 'বগা কামিজ পিন্ধা বনুৱা' ( যাৰ মানসত পেটি বুৰ্জুৱা সুলভ দোদুল্যমানতাৰ বিপদ উল্লেখযোগ্য )। তাৰোপৰি শ্ৰেণী সংগ্ৰাম যিমানে সামাজিক, আৰ্থিক, ৰাজনৈতিক, সাংস্কৃতিক ক্ষেত্ৰত আগবাঢ়ে তিমানেই বুৰ্জুৱা একনায়কত্বৰ পিনৰ পৰা তীব্ৰ বিৰোধিতা আহে। এই বিৰোধিতাৰ প্ৰতিফলন পৰে ৰাজনৈতিক ক্ষেত্ৰত শ্ৰমিকশ্ৰেণীৰ আন্দোলনৰ নেতা আৰু কৰ্ম্মী সকলক দেশদ্ৰোহী জাতিদ্ৰোহী, বিদেশীৰ চৰ আদি বদনাম দিয়াৰ মাজেৰে; ভুৱা-সমাজবাদৰ প্ৰচাৰ আৰু এদল গণতান্ত্ৰিক সমাজতন্ত্ৰৰ মুখা পিন্ধা-বুৰ্জুৱাৰ বহতীয়া ভুৱা-সমাজবাদী সৃষ্টিৰ মাজেদি ; বিদেশী ওচৰ চুবুৰীয়াৰ লগত সম্পৰ্ক নষ্ট কৰি যুদ্ধ-উন্মাদনা সৃষ্টি কৰাৰ মাজেদি ; প্ৰশাসনিক ক্ষেত্ৰত শ্ৰমিক শ্ৰেণীৰ নেতা কৰ্ম্মীসকলক কাৰাদণ্ড, কায়িক শাস্তি, হত্যা বা আন ধৰণৰ নিগ্ৰহ কৰাৰ মাজেদি ; সাংস্কৃতিক ক্ষেত্ৰত জাতি-বিদ্বেষ ধৰ্ম্ম-বিদ্বেষ আদিৰ প্ৰচাৰৰ মাজেদি ; আৰ্থিক ক্ষেত্ৰত প্ৰকাশ পায়—শ্ৰমিক আন্দোলনক মাথোন অৰ্থ নৈতিক



OKDISCD

লক্ষ্যতে আবদ্ধ কৰি ৰখাৰ চেষ্টাৰ মাজেদি। পুঁজিবাদী একনায়কত্বই আপ্রান চেষ্টা কৰে যাতে শ্রমিক সৰ্বহাৰাৰ আন্দোলন আৰু চেতনাই মধ্যবিত্ত পেটিবুর্জুৰা সকলৰ মাজত প্রভাৱ বিস্তাৰ কৰিব নোৱাৰে।

ওপৰত কৈ অহা লক্ষণবোৰ কিন্তু বুর্জুৰা সংসদী গণতন্ত্রৰ মাজতে নিহিত হৈ থাকে। লক্ষণীয় এই যে বুর্জুৰা শ্রেণীয়ে সদায় "গণতন্ত্রৰ" আবৰণৰ মাজত থাকি এই বিৰোধিতা চলাব বিচাৰে। দিগলে ফ্রান্সত সংসদী গণ-তন্ত্রৰ নির্বাচন আৰু ৰূপ সলোৱাদি, পাকিস্থানত সীমাবদ্ধ গণতন্ত্রৰ দৰে কিবা এটা কৰাৰ চেষ্টা কৰাদি; ইন্দোনেচিয়াত দেশৰ সর্ববৃহৎ ৰাজনৈতিক দল কমিউনিষ্ট পার্টিক বেআইনী বুলি ঘোষণা কৰি নির্বাচন পতা দি অগণতান্ত্রিক কাম কৰিও পৰিস্থিতি সাপেক্ষে বেলেগ বেলেগ ৰূপে গণতন্ত্রৰ মুখা ৰাখিব বিচাৰে।

ইমানবোৰ বাগিবুগা দিও যদি তিস্তিব নোৱাৰো বুলি ভাৱে আৰু সচাঁসঁচি সমাজতান্ত্রিক বিপ্লবৰ পৰিস্থিতিৰ উদ্ভৱ হোৱা বুলি প্রত্যয় যায় তেতিয়া বুর্জুৰা একনায়কত্বই গণতন্ত্রৰ খোলাটো দলিয়াই দি হয় সামৰিক শাসন নহয় ফেচিবাদী একনায়কত্ব শাসন জনগণৰ ওপৰত জাপি দিয়াৰ চেষ্টা চলায়।

বুর্জুৰা একনায়কত্বৰ এনে উলঙ্গ আক্রমনৰ মাত্রা আৰু ৰূপ, পদ্ধতি আৰু প্রক্রিয়া কেনে হব সি নির্ভৰ কৰে সংগঠিত শ্রমিক শ্রেণীৰ নেতৃত্বত থকা জনগণৰ শ্রেণী সংগ্রামৰ দৃঢ়তা বা দুর্বলতাৰ; কৌশল, নিপুণতা বা অপৰি-পক্কতাৰ ওপৰত। কাৰণ সংগঠিত শ্রমিকশ্রেণীৰ ঐক্য, দৃঢ়তা, নিপুণ কৌশল, আৰু আন জনসাধাৰণৰ ওপৰত থকা প্রভাৱ, লগতে শ্রেণী সংগ্রামৰ তীব্রতাই বুর্জুৰা একনায়কত্বৰ এনে আক্রমণৰ পথ ৰোধ কৰিব পাৰে, যেনেকৈ এতিয়া কৰিছে ভিয়েটনামত, কিছুদিন আগতে কৰিছিল কিউবাত।

কৰো বুলি যি খুচী তাকে কৰিব পাৰিলে বিশ্বৰ পুঁজিবাদে আজিৰ দৰে পৰাজয়মুখী গতি নলৈ তিঘিল ঘিলাই ফুৰিলেহেতেন। আৰু প্রায়বোৰ পুঁজিবাদী ৰাষ্ট্রই হয় বিশ্বযুদ্ধৰ আগৰ জার্মান ইটালী বা ইদানিং কালৰ ইন্দোনেচিয়াৰ দৰে ফেচীবাদী ৰাষ্ট্রত পৰিণত হ'ল হেতেন।





## জার্মানী আৰু ইটালীৰ ফেচিবাদ

প্রথম মহাসমৰ হৈছিল য়ুৰোপৰ সাম্রাজ্যবাদী ৰাষ্ট্রসমূহৰ মাজত উপনিবেশ আৰু বজাৰ লৈ খোৱা কামোৰাৰ ফলত। পুঁজিবাদৰ সর্বোচ্চ ৰূপ হ'ল সাম্রাজ্যবাদ। ইয়াৰ আগলৈকে বিশ্বত সর্বহাৰাৰ একনায়কত্বৰ ধাৰণাটো কোনো সফল বিপ্লৱৰ দ্বাৰা বাস্তৱত ৰূপায়িত হোৱা নাছিল। কিন্তু য়ুৰোপত, বিশেষকৈ ৰাচিয়া, জার্মানী, ফ্রান্স আদিত সমাজতন্ত্র আৰু সাম্রাজ্যবাদৰ লক্ষ্যত শ্রমিক শ্রেণীৰ মাজত নতুন চেতনা সংগঠিত হব ধৰিলে।

২য় মহাসমৰৰ পৰা ২য় বিশ্বযুদ্ধলৈ, এই কালছোৱাত য়ুৰোপত দুটা উল্লেখ-যোগ্য গুৰুত্বপূর্ণ ঘটনা ঘটে। এটা হ'ল ৰাচিয়াত সর্বহাৰাৰ একনায়কত্বত সফল সমাজতান্ত্রিক বিপ্লৱ আনহাতে ইটালী আৰু জার্মানীত বুর্জোৱা এক-নায়কত্বৰ উলংগ বিকাশ ফেচিবাদ।

শ্রমিকশ্রেণীৰ সংগঠিত শক্তিয়ে সমাজতান্ত্রিক আন্দোলনৰ বাবে ৰাচিয়াৰ কৃষক নিম্নমধ্যবিত্ত, মধ্যবিত্ত শ্রেণীৰ নেতৃত্ব দিব পাৰিছিল, সকলোবোৰকে এক কৰি দেশৰ সাম্রাজ্যবাদী, পুঁজিবাদী সামন্তবাদী প্রতিক্রিয়াৰ বিৰুদ্ধে সংগ্রামৰ মাজেদি সফল সমাজতান্ত্রিক বিপ্লৱ সংঘটিত কৰিব পাৰিছিল। আনহাতে জার্মানী আৰু ইটালীৰ শ্রমিক শ্রেণীৰ মাজত পুঁজিবাদী একনায়কত্বৰ স্বার্থত বিভাজন আছিল, প্রতিক্রিয়াই শ্রমিকশ্রেণীৰ একাংশ আৰু মধ্যবিত্ত সকলক নিজৰ আওঁতালৈ আনিলে। ফলত প্রতিক্রিয়াৰ চূড়ান্ত সংগঠিত ৰূপ ফেচিবাদী একনায়কত্বই টিঘিল ঘিলালে। এই ঘটনাই নীতিগত ভাবে প্রমাণ কৰি দিলে যে সংশোধনবাদৰ চূড়ান্ত পৰিণতি কি হব পাৰে?

জার্মানী আৰু ইটালীত যি হ'ল সি আছিল উলংগ ফেচিবাদ। বুর্জুৰা একনায়কত্বৰ আন আন প্রক্রিয়াতকৈ ই হ'ল হস্রম্যাদী। ফেচিবাদ দীর্ঘদিনৰ কাৰণে বর্তিব নোৱাৰে। কিন্তু তাৰ ধ্বংসকাৰী ক্ষমতা অতি মাৰাত্মক। বুর্জুৰা একনায়কত্বৰ আন আন প্রক্রিয়াৰ শ্রমিকশ্রেণী বা জনগণৰ বিৰোধী কার্য্যকলাপ কৌশলবোৰ অলপ দকৈ বা ব্যাপকভাবে চিন্তা নকৰিলে চকুত নপৰিব পাৰে—কিন্তু ফেচিবাদৰ কৌশলত কোনো লুকঢাক নাথাকে। ফেচিবাদে আশ্রয় লোৱা কার্য্য-পদ্ধতিসমূহ হ'ল যথা—

১। একচেটিয়া পুঁজিৰ পৃষ্ঠপোষকতাত বেআইনী (বা আইনে ধৰিব নোৱাৰে



OKDISCD

বা তত্ত্বমতে বেআইনী হলেও ৰাষ্ট্ৰই প্ৰশ্ৰয় দিয়া) গুপ্ত বা আধা গোপনীয় বা প্ৰকাশ্য (অৱস্থাৰ পৰিপ্ৰেক্ষিতত) সন্ত্ৰাসবাদী সংগঠন। বিক্ষুব্ধ পেটিবুৰ্জোৱা, শিক্ষিত নিবনুৱা বা ভবঘুৰে সৰ্বহাৰাবোৰক লৈ এনে বাহিনী গঠন কৰা হয়। (ইয়াৰ কৰ্মীসকলক নিয়মীয়া দৰমহাও দিয়া হয়।) এনে বাহিনী সশস্ত্ৰও হব পাৰে। এই সংগঠনৰ সতে ৰাষ্ট্ৰৰ অফিচাৰ আদিও জড়িত থাকে।

২। নিজে সংসদীয় ৰাজনীতিৰপৰা সুবিধা লব বিচৰা অথচ আন দলবোৰক যিকোনো উপায় অবলম্বন কৰি নিৰ্মূল কৰিব বিচৰা।

৩। অত্যধিক উগ্ৰ জাত্যাভিমান বা ধৰ্মাভিমানৰ ভিত্তিত জাতীয় আত্মম্ভৰিতাৰ বাতাবৰণ গঢ়ি তোলা শ্ৰেণীচেতনা শ্ৰেণীদ্বন্দ্ব পাহৰাই দিয়া।

৪। আন মতাবলম্বীৰ প্ৰতি অতিশয় অসহনশীলতা।

৫। শ্ৰেণী চেতনাৰে উদ্বুদ্ধ সংগঠিত শ্ৰমিক শ্ৰেণীৰ ওপৰত নিপীড়ণ আৰু হিংসাত্মক আক্ৰমণ।

৬। কোনো যুক্তিৰে নহয়—গাৰ বলেৰে নিজৰ মত আনৰ ওপৰত জাপি দিয়া।

৭। গুপ্তহত্যা, লুটপাত, দাংগাহাংগামা ইত্যাদি।

এনে শক্তিবোৰক বুৰ্জোৱা বাতৰি-কাকত আৰু চৰকাৰে প্ৰথমৰ পৰাই গুৰুত্ব দি প্ৰচাৰ চলায়। এনে নেতাবোৰৰ বক্তৃতা, ইহঁতৰ কাৰ্য্যকলাপ সম্পৰ্কে ৰোমাঞ্চকৰ বাতৰি পৰিবেশন কৰে, নেতাবোৰৰ অতি মানবীয় শক্তি আদিৰ অলৌকিক ঘটনাৰ প্ৰচাৰৰ দ্বাৰা সৰ্বসাধাৰণ মানুহৰ মাজত এনে এটা ধাৰণাৰ সৃষ্টি কৰায় যে, এই শক্তিটো এটা স্বকীয়া শক্তি; তাৰ নিজস্ব আদৰ্শ আৰু লক্ষ্য আছে আৰু ইয়েই জনসাধাৰণৰ দুখ মোচন কৰাকৈ সমাজ পৰিবৰ্তন কৰিব পাৰিব। অৰ্থাৎ, এনে যেন দেখুৱা হয় যে দেশত দুটা শক্তি—এটাই স্থিতাবস্থা বাহাল ৰাখিব খোজে (বুৰ্জোৱা সংসদৰ মাজেদি) আৰু যেন আনটোৱে তাক পৰিবৰ্তন কৰিব ওলাইছে। (সংগঠিত শ্ৰমিক শ্ৰেণীৰ কাৰ্য্যকলাপ বা শক্তিযেন নায়েই বা এনে সংগঠিত শ্ৰেণীৰ কোনো নীতিগত বা কাৰ্য্যকৰী সাৰবত্তা নায়েই—তেনে ধৰণে ধাৰণা দি, তাৰ সম্বন্ধে সকলো কথাক ধামাচাপা দিয়ে)। মধ্যবিত্ত সুলভ





ৰোমাণ্টিচিজম বা ভাব-বিলাস জনিত ধাৰণা, অধৈৰ্য্য অৱস্থা আৰু দকৈ ভাবি নোচোৱা বিক্ষোভ আদিক ফেচিবাদীসকলে তেনেধৰণে ব্যৱহাৰ কৰিব ওলায়।

ইটালী বা জাৰ্মানী আদিৰ অভিজ্ঞতাৰপৰা ই স্পষ্টহৈ ওলায় যে চোচিয়েল ডেমক্ৰেটে সংশোধনবাদী আদৰ্শ আৰু লক্ষ্যৰ বাবে অকল যে সংগঠিত শ্ৰমিক শ্ৰেণীৰ মাজত বিভাজন আৰু বিভ্ৰান্তিয়েই আনিলে তেনে নহয়—বুৰ্জুৱা একনায়কত্বই ফেচিবাদী ৰূপ ধৰাত সহায় কৰিলে। সংগঠিত শ্ৰমিক শ্ৰেণীৰ ওপৰতেই যে ফেচিবাদৰ আক্ৰমণ চলিল এনে নহয়, শেষলৈ চচিয়েল ডেমক্ৰেট সকলৰো ওপৰতো মাধমাৰ পৰিল।

চচিয়েল ডেমোক্ৰেটসকলে পৰৱৰ্তী কালত শ্ৰমিক শ্ৰেণীৰ সংগঠিত শক্তিক দোষাৰোপ কৰিব খোজা দেখা যায় যে "শ্ৰমিক শ্ৰেণীৰ সংগঠিত শক্তিৰ সংকীৰ্ণতাৰ" বাবেই হেনো এইবোৰ দেশত ফেচিবাদী বিৰোধী ঐক্য সংগঠিত নহ'ল। কিন্তু সিহঁতক কোৱা দৰকাৰ যে শ্ৰেণী চেতনা বৰ্জন কৰি সৰ্বহাৰাৰ একনায়কত্বত সমাজবাদৰ চূড়ান্ত লক্ষ্য মনৰ মাজৰপৰা বিসৰ্জন দি, শ্ৰেণীসংগঠন বোৰক আনৰ হাতত তুলি দি বুৰ্জোৱা, পেটিবুৰ্জোৱা শ্ৰেণীৰ শক্তিসমূহৰ সতে মিতিৰালি কৰাটো হ'ল শ্ৰমিক শ্ৰেণীৰ আত্মহত্যাৰ চামিল। এই কথা ঘটনাই বাৰে বাৰে প্ৰমাণ কৰি দিছে।

আমি সাধাৰণভাৱে এটা কথাত পতিয়ন যাব পাৰো। (অন্ততঃ ইটালী আৰু জাৰ্মানীৰ অভিজ্ঞতাই আমাৰ দৃষ্টি মোকলাইছে) সেইটো হ'ল সৰ্বহাৰাৰ এক নায়কত্বৰ আদৰ্শত উদ্ভূত শ্ৰমিক শ্ৰেণীৰ সংগঠিত আন্দোলনে যদি সতৰ্ক নাথাকে, শোধনবাদী বা অতিবাম বিচ্যুতিৰ বিপদবোৰ আগতীয়াকৈ এৰাই নচলে—তেতিয়া ফেচিবাদৰ বাবে বাট সুচল হয়।

অৰ্থাৎ ফেচিবাদৰ উদ্ভৱৰ সময়ত শ্ৰেণী আদৰ্শৰপৰা বিচ্যুত কৰিবলৈকে শোধনবাদী বা অতিবামপন্থী সকলৰ পিনৰপৰা সংগঠিত শ্ৰমিক শ্ৰেণীৰ ওপৰত আনধৰণৰ আক্ৰমণ আছে। এই আক্ৰমণৰ লক্ষ্য শ্ৰমিক শ্ৰেণীৰ সংহতি আৰু শক্তিক বিভাজন আৰু বিভ্ৰান্ত কৰা।

প্ৰথম মহাসমৰত পৰাজিত জাৰ্মানীৰ অৱস্থা অতি শোচনীয় হৈ পৰিছিল। বাহিৰত থকা উপনিবেশবোৰ হাতৰপৰা গুচি গৈছিল নিজৰ সাম্ৰাজ্যৰ এটা এলেকা (ৰূঢ় Ruhr) ফ্ৰান্সৰ দখললৈ গৈছে। মুদ্ৰামূল্যৰ সাংঘাতিক অৱনতি



OKDISCD

ঘটিছে, মুদ্ৰাস্ফীতি হৈছে। মানুহৰ ক্ৰয় ক্ষমতা ভীষণভাবে কমিছে; মজুৰী আৰু বেতন আগৰ তুলনাত শূন্যৰ পৰ্য্যায় পাইছে। মধ্যবিত্তৰ জীৱনজোৰা কালছোৱাত সঞ্চয় কিবা থাকিলেও সেই ধনেৰে এসাজ আহাৰ কিনিবলৈ নোজোৰা হ'ল। জাৰ্মান সমাজৰ অৰ্থব্যৱস্থা-পদ্ধতিৰ ওপৰত মানুহৰ একেবাৰে আস্থা নোহোৱা হ'ল। মধ্যবিত্ত বা সৰু বুৰ্জোৱা সকলৰ আশা আকাংক্ষ্যা থানবান হৈ গ'ল; এওঁলোকে ঠগ খালে। আনহাতে কিন্তু মুদ্ৰামূল্য হ্ৰাস পোৱাৰ বাবে একচেটীয়া পুঁজিৰ, (লগ্নী পুঁজিৰ), সেনাবাহিনী আৰু একচেটীয়া পুঁজিৰ স্বাৰ্থত কাম কৰা ৰাষ্ট্ৰৰ লাভ হ'ল—অৰ্থাৎ অৰ্থব্যৱস্থাৰ সংকটটো বাকীবোৰৰ ওপৰত জাপি দিলে। শ্ৰমিকসকলৰ অৱস্থা শোচনীয় হ'ল সৰু সৰু কল-কাৰখানাৰ তলা বন্ধ হ'ল। একচেটীয়া লগ্নীপুঁজিৰ দৌৰাত্ম বাঢ়িল। যধেমধে কাকতৰ টকা ছপোৱা হল। আৰ্থিক ক্ষেত্ৰত চূড়ান্ত কেন্দ্ৰীকৰণ হ'ল। নিবনুৱা, শিক্ষিত নিবনুৱা, অৰ্দ্ধ নিবনুৱাৰ সংখ্যা বাঢ়িল; বাঢ়িয়েই থাকিল।

ওচৰ চুবুৰীয়া দেশ ৰাছিয়াৰ দৃষ্টান্তৰ (শ্ৰেণীসংগ্ৰামৰ মাজেদি শ্ৰমিক শ্ৰেণীয়ে সৰ্বহাৰাৰ একনায়কত্বৰ আদৰ্শত কৰা ৰুচ সমাজতান্ত্ৰিক বিপ্লবৰ সফলতাৰ) পিনে জাৰ্মানীৰ জনগণৰ দৃষ্টি আকৰ্ষিত হ'ল।

সমাজতন্ত্ৰৰ কথা পোনতে নাজী দলেও কৈছিল। লগতে কিন্তু উগ্ৰ জাতীয়তাবাদৰ আৱাজ দিলে—"জাৰ্মানীৰ হৃত গৌৰব উদ্ধাৰ কৰিব লাগিব;" "হেৰুৱা সাম্ৰাজ্য অধিকাৰ কৰিব লাগিব", "ইহুদীসকলে দেশৰ সৰ্বনাশ কৰিলে" "বিশ্বৰ শ্ৰেষ্ঠতম জাতি হ'ল জাৰ্মাণ—ই বিশ্বৰ সকলোতকৈ উচ্চক্ষমতা সম্পন্ন হব লাগিব"—ইত্যাদি ইত্যাদি। পেটি বুৰ্জোৱা মধ্যবিত্তৰ মন আকৃষ্ট কৰাৰ বাবে আৰু ভিন ভিন পথ ললে। লগে লগে চলিল—কমিউনিজম বা শ্ৰমিক শ্ৰেণীৰ শ্ৰেণীসংগ্ৰামী আদৰ্শত প্ৰতিস্থিত শ্ৰমিক শ্ৰেণীৰ বিৰুদ্ধে আক্ৰমণ।

চোচিয়েল ডেমোক্ৰেটে কিন্তু সংসদীয় গণতন্ত্ৰৰ মাজেদি ক্ষমতাত অধিষ্ঠিত হোৱাৰ বাসনাত শ্ৰেণী সহযোগিতাৰ প্ৰবৃত্তিৰে শ্ৰেণী সংগ্ৰামৰ আদৰ্শ পৰিহৰি চূড়ান্ত সুবিধাবাদৰ বশবৰ্ত্তী হৈ এফালে কমিউনিজমৰ বিৰোধিতা কৰি আনফালে শাসকদল বুৰ্জোৱা একনায়কত্বৰ এটা অংশ আৰু ফেচিবাদী নাজী সকলৰ মাজত এবাৰ ইটো আনবাৰ সিটোৰ লগত দহৰম মহৰম লগালে। উগ্ৰ জাৰ্মান জাতীয়-





তাবাদক সমৰ্থন জনালে। চোচিয়েল ডেমক্ৰেট ট্ৰেড ইউনিয়নৰ মাজেৰে শ্ৰমিক সকলক মাথোন আৰ্থিক দাবিদাওৱাৰ মাজতে আবদ্ধ ৰাখিব বিচাৰিলে। আনহাতে কমিউনিষ্ট পাৰ্টিৰ নেতৃত্ব আছিল অপৰিপক্ক; বিভ্ৰান্তিকাৰী সংশোধনবাদীহঁতৰ প্ৰবঞ্চনাৰ পিচত গা টঙাই লব পৰা নাছিল।

বিপ্লৱৰ পৰিস্থিতি থাকিলেই বিপ্লৱ নহয়; তাৰ বাবে লাগিব শুদ্ধ বৈপ্লৱিক নীতি আৰু সবল বৈপ্লৱিক পাৰ্টি। জাৰ্মানীৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য। তাত বিপ্লৱৰ পৰিস্থিতি আছিল। কিন্তু সবল বিপ্লৱী পাৰ্টি নাছিল। কিন্তু সৱল বিপ্লৱী পাৰ্টি নাছিল। পুঁজিবাদী একনায়কত্বই নতুন কৌশল ললে। প্ৰতি-বিপ্লৱী শক্তিৰ প্ৰতিনিধি নাজীদলৰ নেতা হেৰ হিটলাৰৰ হাতত ১৯৩০ চনৰ ৩০ জানুৱাৰীৰ দিনা জাৰ্মান ৰিপাব্লিকৰ প্ৰেচিদেণ্ট হিন্দেনবাৰ্গে দেশৰ প্ৰধানমন্ত্ৰীৰ (চেঞ্চেলৰ) পদ গটাই দিলে। হিটলাৰ জাৰ্মাণ ৰাষ্ট্ৰযন্ত্ৰৰ কৰ্ণধাৰ হ'ল, সংসদী গণতন্ত্ৰৰ বেশ সলাই জাৰ্মানীত বুৰ্জুৱা একনায়কত্বই ফেচিবাদী ৰূপ ললে। ক্ষমতালৈ অহাৰ আগতে নিজৰ পৰিচয় দিছিল নেচনেল চচিয়েলিষ্ট (জাতীয় সমাজবাদী) বুলি। শ্ৰমিকৰ শ্ৰেণীৰ আন্দোলনৰ মাতো মাতিছিল। একচেটিয়া পুঁজিৰ শোষণ বন্ধ কৰা; জনসাধাৰণৰ উন্নতি, সাধাৰণ মানুহৰ শ্ৰমিক শ্ৰেণীৰ আৰ্থিক দাবী সম্পৰ্কে আৱাজ তুলিছিল। কিন্তু ক্ষমতাত অধিস্থিত হৈ কথাৰ সুৰ সলালে; যোৱা মহাসমৰত পৰাজিত জাৰ্মান জাতিৰ জাতীয় আত্মম্ভৰিতা আৰু ক্ষোভক নাজী ৰাজনীতিৰ মুল বিষয়বস্তু কৰি ললে; অকল জাৰ্মানীৰে নহয় আন বুৰ্জুৱা দেশৰো বাতৰি কাকতবোৰেও আৰু বুৰ্জুৱা বুদ্ধিজীবিৰ একাংশই হিটলাৰৰ ভাৱমূৰ্ত্তি গঠনত লাগি গ'ল।

কেবাটাও দল নহয়, এটা দল; অৰ্থাৎ নাজী দল, বহু নেতাই নহয় এজনেহে অৰ্থাৎ হিটলাৰেহে জাৰ্মানীৰ হৃত সন্মান উদ্ধাৰ কৰিব পাৰিব আৰু জনসাধাৰণৰ কষ্ট গুচাব পাৰিব, এনে এটা বাতাবৰণ সৃষ্টি কৰিলে। অকল প্ৰচাৰেদি বা ৰাজনৈতিক ভাবেই নহয়, নাজী দলৰ বাহিনী S T বা ধুমুহা বাহিনীয়ে আৰু গুপ্ত সংস্থাই সশস্ত্ৰ বেআইনী আক্ৰমণেৰে আন দলবোৰ ওপৰত সময় সময়ে অত্যাচাৰ চলালে। হিটলাৰে প্ৰতিশ্ৰুতি দিছিল, ক্ষমতা পালে তেও আৰু তেওৰ দলে দুৰ্নীতিমুক্ত প্ৰশাসন চলাব, ধনীদুখীয়াৰ ব্যৱধান কমাব,



OKDISCD

নিবনুৱাক কাম দিব, শিল্পদ্যোগ বেংক আদি ৰাষ্ট্ৰায়ত্ত কৰিব আৰু জাৰ্মানীৰ হেৰুৱা ৰাজ্য উদ্ধাৰ কৰিব ইত্যাদি ইত্যাদি।

আনহাতে শোধনবাদী চচিয়েল ডেমক্ৰেট নেতাসকলৰ সহযোগিতাত শ্ৰমিক শ্ৰেণীৰ বিপ্লবী শ্ৰেণী—সংগঠন বোৰক বিদেশীৰ দালাল (ৰুচিয়াৰ) বুলি আখ্যা দি বেআইনী, অমানুষিক আৰু চক্ৰান্তপূৰ্ণ হিংস আক্ৰমণ চলালে। শেহত এই সহযোগী চোচিয়েল ডেমক্ৰেট সকলৰ ওপৰত “বালীলৈ যিপাত সুগ্ৰীবলৈও সিপাত শৰেই”ৰ দৰে আক্ৰমণ চলিল। সংশোধনবাদী নেতা সকলে আত্ম বিক্ৰয় কৰিলে। সিহঁতৰ দলৰ অনুবৰ্ত্তী শ্ৰমিক সকলৰ ওপৰত ফেচিবাদৰ মাধমাৰ চলিল।

নিজকে জাতীয় সমাজবাদী বুলি পৰিচয় দিলেও ক্ষমতালৈ আহি হিটলাৰে যিবোৰ ব্যবস্থা ললে তাতেই তেওঁ আৰু তেওঁৰ দলৰ সমাজবাদ বিৰোধী আছল ৰূপটো ওলাই পৰিল।

দেশৰ আৰ্থিক সংকট গুচাবলৈ আৰু পুনৰনিৰ্মাণ কৰিবলৈ এখন প্ৰভিজনেল চুপ্ৰীম ইকনমিক কাউন্সিল পাতি দিলে। তাৰ সদস্যবোৰ আছিল বৃহৎ আৰু একচেটিয়া লগ্নী পুঁজীৰ প্ৰতিনিধি সকলেই। যথা ১। অস্ত্ৰসস্ত্ৰ সজা উদ্যোগৰ হেৰ ক্ৰুপ ভন বোহেন, ২। তীথা উদ্যোগৰ হেৰ ফ্ৰীস্ ঠাইচেন, ৩। বিজুলী যন্ত্ৰপাতি উদ্যোগৰ হেৰ এফ ছি ভন সীমেন্চ ৪। ৰং প্ৰস্তুত উদ্যোগৰ প্ৰফঃ কাৰ্ল বচ (Bosch) ৫। তীথা উদ্যোগৰ আন দুজন ডাঃ এ ভগলাৰ আৰু ডঃ হেৰ বাচিংগাৰ ৬। খাৰবাৰুদ উদ্যোগৰ হেৰ এ ভিয়েহন ৭। বেংক সমূহৰ হেৰ এফ ভন শ্ৰোৰেদৰ, হেৰ এ ভন ফ্লিংক, হেৰ এফ ৰেইনহাৰ্ট, আদি। “জাতীয়তাবাদী” মুখা পিন্ধা বাবেই একচেটিয়া পুঁজিপতিক এনেদৰে কৰ্তৃত্ব দিয়া সহজ হ’ল।

১৯৩৪ চনত একচেটিয়া লগ্নীপুঁজিৰ অন্যতম ক্ৰুপৰ (Krupp) নেতৃত্বত একচেটিয়া লগ্নীপুঁজিৰ হাতত জাৰ্মানীৰ সকলো আৰ্থিক বিষয়ৰ দায়ীত্ব আইন প্ৰণয়ণ কৰি গতাই দিলে। এপিনে চলিলে দেশ পুণৰগঠণৰ নামত পূৰ্ণ-পয়োভৰেৰে সমৰসজ্জা আৰু একচেটিয়া পুঁজিৰ ক্ষমতা কেন্দ্ৰীভূত আৰু দৃঢ় কৰাৰ কাম, আনহাতে চলিল শ্ৰমিক শ্ৰেণীৰ ওপৰত দমন দলন আৰু শোষণ।





শ্ৰমিকে শোষকৰ বিৰুদ্ধে একো কৰিব নোৱাৰা হ’ল। জাতীয় স্বাৰ্থ, জাতীয় ঐক্য, Organic Unity ইত্যাদিৰ নামত বাধ্যতামূলক নিস্পত্তি কমিটি (Compulsory Concilliation Committee-s, Joint Industrial Council of Labour & Capital) আদি হ’ল। জাতীয় আয় আৰু উৎপাদনৰ মতেহে মজুৰী নিৰ্দ্ধাৰণ কৰা হ’ল অৰ্থাৎ কমোৱা হ’ল। মালিকৰ লগত দৰ ভাও কৰি সুবিধা আদায় কৰাৰ থল নাজী চৰকাৰে আইন কৰি বন্ধ কৰি দিলে। ধৰ্মঘট নিষিদ্ধ কৰা হ’ল। শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ বাবে চকু দিবলৈ যি লেবাৰ ট্ৰাষ্ট পাতিলে, তাৰ মুৰব্বী পৰিচালকজন হ’ল এজন একচেটিয়া লগ্নীপুঁজি আৰু শিল্পপতিৰ প্ৰতিনিধি! দেশৰ শিল্পদ্যোগ সমূহ ৰাষ্ট্ৰায়ত্ব (State Capital) কৰাৰ ফলত শ্ৰমিকৰ মজুৰী কমিল, নিজৰ শ্ৰমিক অধিকাৰ হেৰুৱালে আৰু একচেটিয়া পুঁজিৰ দোপতদোপে উন্নতি হ’ল।

## ইটালী

ইটালীত ফেচিজিম জাৰ্মানীৰ আগতেই প্ৰবৰ্ত্তিত হয়। মহাসমৰৰ পিচত ইটালীৰ আৰ্থিক সংকট অতিশয় ঘনীভূত হ’ল। ইটালীত শিল্পদ্যোগ কম আৰু কৃষিঅৰ্থনীতিৰ প্ৰভাবেই আছিল বেচি। কি কৃষি কি শিল্প সকলো-বোৰেই এই আৰ্থিক সংকটৰ গৰাহত পৰাত জনসাধাৰণৰ অৱস্থা অতি শোচনীয় হৈছিল। ইটালিয়ান চোচিয়েলিষ্ট পাৰ্টিৰ (কমিউনিষ্ট পাৰ্টি) প্ৰভাব ব্যাপক হৈছিল। আৰু সেই সময়ৰ বুৰ্জুৱা গণতান্ত্ৰিক চৰকাৰ বোৰ (ক্ৰমে নীটি, জিওলটি, বনোমী আৰু ফেক্টাৰ নেতৃত্বত হোৱা) এটাৰ পিচত আনটোৰ পতন হৈছিল। তাৰ বুৰ্জুৱা চৰকাৰে পোনতে শ্ৰমিক শ্ৰেণীৰ বাবে উদাৰ নীতি (liberalism) আৰু ৰেহাইৰ নীতি (Concession) লৈছিল।

এনে নীতিয়ে মোহ সৃষ্টি কৰিছিল যে ইটালীত শান্তিপূৰ্ণ সংসদীয় গণতান্ত্ৰিক পদ্ধতিৰ মাজেৰেই সমাজতন্ত্ৰ আৰু সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠিত হব।

এনে উদাৰনীতি আৰু ৰেহাইবোৰকে দেখুৱাই সংশোধন আৰু সংস্কাৰবাদী নেতা সকলে শ্ৰমিক শ্ৰেণীক আৰু সৰ্বহাৰা কৃষক শ্ৰেণীক সংগ্ৰাম বিমুখতাৰ



OKDISCD

আৰু বিভ্ৰান্তিৰ পথেৰে পৰিচালিত কৰিছিল। বুৰ্জোৱা সংসদীয় গণতন্ত্ৰৰ মোহ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰবেশ কৰিছিল। শ্ৰেণী সংগ্ৰাম, শ্ৰেণী চেতনা আদি কথাবোৰ কেৱল ভাষাৰ অলংকাৰ হিচাপেহে ব্যৱহৃত হৈছিল। কাৰ্য্যত শ্ৰমিক সৰ্বহাৰা শ্ৰেণীক আন্দোলনক অৰাজনৈতিক অৰ্থনীতি বাদৰ (Non political economism) মাজতে ৰখা হৈছিল। সংশোধনবাদী সংস্কাৰবাদীইঁতে বুৰ্জোৱাৰ লগত কাৰ্য্যতঃ শ্ৰেণী সহযোগিতাৰ নীতি লৈ শ্ৰেণী সংগ্ৰামৰপৰা সৰ্বহাৰা শ্ৰেণীক আতৰাই ৰাখিছিল। বিশ্বাসঘাটকতাও কৰিছিল। আৰু শ্ৰমিক শ্ৰেণীৰ পাৰ্টিয়ে সংশোধবাদীইঁতৰ বিৰোধী হৈয়ো সেই একেটি ভুলকে কৰিছিল।

১৯২০ চনৰ অক্টোবৰত বহা কমিউনিষ্ট ইণ্টাৰনেচনেলৰ কাৰ্য্যকৰী কমিটিয়ে ইটালীৰ চোচিয়েলিষ্ট পাৰ্টীৰ (ইণ্টাৰনেছনেলৰ সদস্য) কাম কাজ সম্পৰ্কে কৈছিল ঃ—

"ইটালীৰ চোচিয়েলিষ্ট পাৰ্টিয়ে অতিশয় হেহু-নেহু ভাবেৰে কাম কৰিছে। এই পাৰ্টিয়ে জন সাধাৰণক নেতৃত্ব দিয়া নাই, পাৰ্টিক জনসাধাৰনেহে পিচৰ পিনৰপৰা ঠেলি দিছে। ইটালীত এটা বিজয়ী-বিপ্লৱৰ বাবে যিবোৰ পৰিস্থিতি লাগে সেই সকলোবোৰেই বিদ্যমান, মাথো এটাৰহে অভাব। সেইটো হ'ল এটা ভাল শ্ৰমিক শ্ৰেণীৰ সংগঠন।"

পিচত এটা সময়ত ইটালীৰ পাৰ্টিয়ে ভুলটো বুজিছিল। কমিউনিষ্ট ইণ্টাৰনেচনেললৈ পুনৰ স্বীকৃতিৰ আবেদন কৰি ইটালীৰ কমিউনিষ্ট নেতা চাৰিটিয়ে কৈছিল—

"আমি নিজকে ঘটনাৰ বাবে আগতীয়াকৈ যথোপযোগীভাবে প্ৰস্তুত নাথাকিলো সেইটো আমাৰ মাৰাত্মক ভুল হ'ল। কাৰণ ঘটনাই আমাক ওফৰাই পেলালে আজি আমি উপলব্ধি কৰিছো যে 'সংসদী গণতন্ত্ৰ'ৰ মোহ পৰিহাৰ কৰাটো অতিশয় প্ৰয়োজনীয় কথা। তেনেদৰেহে আমি সংগ্ৰামত থিয় দিব পৰা কাৰ্য্যক্ষম দেখনিয়াৰ পাৰ্টি গঢ়ি তুলিব লাগিব।" কিন্তু তেতিয়া বহুত পলম হৈ গ'ল। তাৰে চাৰি সপ্তাহ আগতে ইটালীৰ ৰজাই ফেচিষ্ট নেতা মুচোলিনীক ক্ষমতাত প্ৰতিস্থিত কৰিলেই। মুচোলীনিৰ আবিৰ্ভাব আকস্মিক নহয়। আগৰ 'সংসদী-গণতন্ত্ৰ'ৰ চৰকাৰে লোৱা নীতিৰ সতে তেওঁৰ মুল নীতিৰ





প্ৰকৃত বিৰোধ নাছিল। মুছোলীনি যিদৰে বুৰ্জোৱা এক নায়কত্বৰ পালিত সন্তান, তেওঁৰ নীতিবোৰো বুৰ্জোৱা চৰকাৰৰ নীতিৰে একাংশ। বিক্ষুব্ধ জনসাধাৰণ, দেশৰ পুজিবাদী সংকট আৰু উদ্ভৱ হোৱা বৈপ্লৱিক পৰিস্থিতিত তেওঁ নতুন বেশেৰে ক্ষমতা লবলৈ আগ বাঢ়িলে। নিজকে সমাজবাদী, তেওঁৰ দল আৰু নীতি একচেটিয়া পুঁজিৰ বিৰোধী বুলি ঘোষনা কৰি শোষিত জনসাধাৰণৰ ফলীয়া হিচাবে ভাও লৈছিলে। কৰ্মসুচী ঘোষনা কৰিছিল—১। ৰাজতন্ত্ৰ উচ্ছেদ, ৰাজন্যবৰ্গৰ সা-সুবিধা বাজেয়াপ্তকৰণ ২। যুদ্ধৰ সময়ত কৰা লাভ বাজেয়াপ্ত কৰণ ৩। কলাবজাৰীক শাস্তিদান ৪। আন্তৰ্জাতিক নিৰস্ত্ৰীকৰণ ৫। ষ্টক একচেঞ্জত বা শেয়াৰ বজাৰ উঠাই দিয়া ৬। খেতিয়কৰ বাবে মাটি ৭। নিবনুৱাৰ বাবে কাম ৮। শ্ৰমিকৰ দ্বাৰা শিল্পদ্যোগ নিয়ন্ত্ৰনকৰণ ইত্যাদি ইত্যাদি। ক্ষমতালৈ অহাৰ আগতে ধৰ্মঘট, খাদ্যহাঙ্গামা, বলেৰে খেতিয়কে মাটি দখল কৰা, কাৰখানা শ্ৰমিকে দখল কৰাৰ, কলাবজাৰৰ বিৰুদ্ধে হোৱা আন্দোলনত তেওঁৰ পাৰ্টিয়ে পোণতে ভাগো লৈছিল। তেওঁ ঘোষনা কৰিছিল 'ৰাষ্ট্ৰ জনগণৰ শত্ৰু' (down with the state in all it's form)

ক্ষমতাত অধিস্থিত হোৱাৰ আগতে এনেবোৰ কৌশলেৰে দেশৰ বিক্ষুব্ধ মধ্যবিত্ত পেটিবুৰ্জোৱাৰ কথাই নকওঁ, শ্ৰমিক কৃষক শ্ৰেণীৰ পৰাও মুছোলীনিয়ে সমৰ্থন আদায় কৰিছিল। মুছোলীনিৰ আগৰ বুৰ্জোৱা সংসদী গণতান্ত্ৰিক চৰকাৰবোৰৰ 'উদাৰতা' আৰু 'ৰেহাই" নীতি লোৱাৰ কৌশলৰ লক্ষ্য আছিল যথা ঃ—

১। শ্ৰেণী সংগ্ৰামৰ পথৰপৰা শ্ৰেণী সহযোগীতাৰ পথলৈ আনি, বুৰ্জোৱা সংসদীয় গণতন্ত্ৰৰ মোহেৰে যাতে সংশোধন বাদী সংস্কাৰবাদীইঁতে শ্ৰমিক শ্ৰেণী আৰু আন্দোলনক বিপ্লৱ বিমুখী কৰি বিভ্ৰান্ত কৰিব পাৰে তাৰে ক্ষেত্ৰ প্ৰস্তুত কৰা আৰু সুবিধা দিয়া।

২। ইতিমধ্যে সংগঠিত শ্ৰমিক শ্ৰেণীৰ ওপৰত মাধমাৰ দিয়াৰ বাবে তলে তলে প্ৰস্তুতি চলোৱা।

৩। প্ৰতিবিপ্লৱী শক্তি সমুহক সংগঠিত হোৱাৰ সুযোগ দিয়া।



OKDISCD

বাহিৰৰ পৰা দেখাত এই চৰকাৰবোৰ আছিল দুৰ্বল, যেনিবা জনগণৰ আন্দোলনৰ চাপত আত্মসমৰ্পণ কৰিব ধৰিছেই, এনে ভাও দেখুওৱা ধৰণৰ।

বুৰ্জোৱা একনায়কত্বৰ এনে 'ঠাণ্ডা আৰু গৰম' নীতিৰ চক্ৰান্তৰ বিৰুদ্ধে শ্ৰমিকশ্ৰেণীৰ সংগঠন সমূহ সতৰ্ক নাছিল। সংসদীয় গণতন্ত্ৰৰ মোহত তেওলোক আছন্ন আছিল। মুছোলিনীয়ে পোণতে দেখুৱা "প্ৰগতিশীল" কথাবতৰা কাৰ্য্যকলাপ উদ্দেশ্যও আছিল একেই। শাসনত অধিস্থিত হৈ মুছোলিনীৰ আচল ৰূপটো ওলাই পৰিল। শ্ৰমিক সকলৰ ট্ৰেড ইউনিয়ন অধিকাৰ খৰ্ব কৰা হ'ল

আইন হ'ল :—'মালিকক চাকৰিৰ স্বৰ্ত্ত সলনি কৰিবলৈ বাধ্য কৰাৰ উদ্দেশ্যেৰে তিনিজন বা ততোধিক বনুৱাই কাম বন্ধ কৰিলে বা কাম বন্ধ কৰাৰ ভাবুকি দিলে নাইবা আন ধৰণে বাধাৰ সৃষ্টি কৰিলে—তেনে কৰ্মচাৰী বা বনুৱাক এশৰপৰা এহেজাৰ লিৰা (ইটালীৰ মুদ্ৰা) পৰ্য্যন্ত জৰিমনা কৰা হ'ব। এনে অপৰাধৰ উদ্যোক্তা নেতা বা সংগঠকক উক্ত জৰিমনাৰ উপৰিও সৰ্বনিম্ন এবছৰৰপৰা দুবছৰলৈ কাৰাদণ্ড দিয়া হ'ব।'

(১৮ দফা ইটালিয়ান ল অব চিন্দিকেট ৩।৪।২৬ তাং)

আৰু ইটালিতেই বোলে অতি সহজে বনুৱাৰ মজুৰী হ্ৰাস কৰিবলৈকে আটাইতকৈ উজু আছিল।

ফেচিষ্টবিলাকে শ্ৰেণী সংগ্ৰামত বিশ্বাস কৰিছিল। কিন্তু এই সংগ্ৰাম শ্ৰমিক শ্ৰেণীৰ হকে নহয়। এজন ফেচিষ্ট বনুৱা নেতাই কৈছিল—

"It was an illusion to presume that existance of class war had been finally abolished. It has been abolished......for the workers. On the other side, class war was being continued."

## উপসংহাৰ

ফেচিবাদ ইতিহাসৰ বস্তু—বৰ্ত্তমান বা ভবিষ্যতৰ বিশ্বত ই অচল; কিম্বা আমাৰ দেশত ই হব নোৱাৰে বুলি কিছুমানে ভ্ৰান্ত ধাৰণা জন্মাব বিচাৰে। কিন্তু যিমান দিনলৈ পুঁজিবাদ থাকিব; বুৰ্জোৱা একনায়কত্ব থাকিব (সফল





সমাজ বিপ্লবে তাক ওফৰাই নিদিয়া পৰ্য্যন্ত) তিমান দিনলৈ ফেচিবাদ কেতিয়াবা উলংগভাবে, কেতিয়াবা ছদ্মবেশে, কেতিয়াবা প্ৰবল আৰু কেতিয়াবা মৃদুভাবে থাকিব। তাক প্ৰতিৰোধ কৰিব পাৰিব মাথোন সৰ্বহাৰাৰ একনায়কত্বৰ আদৰ্শত উদ্বুদ্ধ সংগঠিত শ্ৰমিক শ্ৰেণী আৰু আন আন শ্ৰেণীৰ যুক্তফ্ৰণ্টেহে; তেওঁলোকৰ সদা সতৰ্ক, সচেতন, দৃঢ় সংগ্ৰামৰ দ্বাৰাহে।

বিশ্বব্যাপী পুঁজিবাদী দুনিয়াত আৰ্থিক সংকট আৰম্ভ হৈছে; সমাজতান্ত্ৰিক দুনিয়াৰ শক্তিবৃদ্ধি, উপনিবেশ অৰ্দ্ধ উপনিবেশ আদিত চলা মুক্তিযুদ্ধ আৰু পুঁজিবাদৰ অন্তৰ্নিহিত বিৰোধসমূহ ব্যাপক হৈ অহাটো ইয়াৰ কাৰণ।

সদায় যে ইটালী, জাৰ্মানী বা স্পেইনৰ দৰে ফেচিবাদ হব তাৰো কোনো মানে নাই। সংসদী গণতন্ত্ৰ, সীমিত গণতন্ত্ৰ, আমেৰিকাৰ দৰে গণতন্ত্ৰ, সীমিত ৰাজতন্ত্ৰ বা সামৰিক শাসন আদি যিকোনো ৰূপৰ পৰাই যিকোনো দেশতে যিকোনো ভেশত পুঁজিবাদী একনায়কত্বই ফেচিবাদী পদ্ধতি লব পাৰে। কাৰণ এনে তথাকথিত "গণতান্ত্ৰিক" চৰিত্ৰৰ আৰালতেই ফেচিবাদৰ লক্ষণসমূহ লুকাই থাকে; ই লুকাই থাকে সমগ্ৰ পুঁজিবাদী সমাজ ব্যৱস্থা আৰু আৰ্থিক ব্যৱস্থাৰ আঁহে আঁহে।

কিন্তু এই কথাও ঠিক আৰু ইয়াকে ইতিহাসৰ ঘটনাই প্ৰমাণ কৰি দেখুৱাইছে যে, আগতে কোৱা বিপদসমূহৰ প্ৰতি সতৰ্ক হৈ শ্ৰমিক শ্ৰেণীয়ে সৰ্বহাৰাৰ একনায়কত্বৰ আদৰ্শত নেতৃত্ব দি জনগণক দৃঢ় আৰু সঠিকভাবে সমাজতান্ত্ৰিক বিপ্লবৰ পিনে ঢাপে ঢাপে লৈ যাব পাৰিলে আৰু ফেচিবাদী কোনো লক্ষণ চকুতপৰা মাত্ৰকেই তাৰ বিৰুদ্ধে নিৰলস সংগ্ৰাম চলালে ফেচিবাদ ইতিহাসৰ বস্তু হৈ পৰিবলৈ আৰু সৰহকাল নাই।

—×—

তলত দিয়া পুথিবোৰৰ সহায় লোৱা হৈছে:—

(1) United front of the working class against fascism : Georgy Dimitrov.
(2) Fascism and Social Revolution : R. P. Dutt.
(3) Report of the 17th party Congress—J. V. Stalin (Collected works Volume-13)
(4) Marx and Engels : Collected works Vol I
(5) Rise and Fall of the third Reich : William L Shire.

# সংকল্প

হৰেকৃষ্ণ দাস

দৃষ্টি বিভ্ৰান্ত কৰা ৰংবিৰঙৰ পোহৰবোৰ লাহে লাহে পাতলিছে। মটৰ, ৰিক্সা, ঘোঁৰাগাড়ী, কলকব্জাৰ হোঁ-হোঁৱনি খদমদম্‌বোৰ ক্ৰমে ক্ৰমে ক্ষীণ আৰু অস্পষ্ট হৈ আহিল। আৰু ফুটপাথৰ অবিচ্ছিন্ন মানুহৰ সোঁত নগৰৰ উপকণ্ঠত পাতল হৈ অৱশেষত কোনোবা পদূলিমুখত হেৰাই গ'ল। জপং জপংকৈ খোজ দি মহিম গৈ থাকিল। খুব অশান্তি লাগিছিল তাৰ, ভাগৰো। চাকৰি এটা পাম বুলি মনতে আশা বান্ধি আহি কোনো অফিচাৰক সাক্ষাৎ কৰি বিফল হোৱাত আশাভঙ্গৰ যি দুখ আৰু হতাশা—সেই দুখ হতাশা অনুভৱ কৰিবলৈ কাহানিবাই পাহৰি গৈছে মহিম। গতিকে নিৰ্ম্মল বাবুৰ পৰা খাটাং নাকচ মন্তব্য শুনি সি হতাশাত ভাগি পৰাৰ নিশ্চয় যুক্তি নাই। সি জানিছিলো নিৰ্ম্মলবাবুৰে তেনে কিবা এটাই দোহাৰিব আৰু সেয়ে বৰ ভৰসা কৰি সি নিৰ্ম্মলবাবুৰ ওচৰ চপাও নাছিল। তেন্তে কিয় এই বিষণ্ণতা, কিয় এই বেয়ালগা। শাৰীৰিক অসুখ-বিসুখতো একো নাই। অৱশ্যে যোৱানিশা ভাল টোপনি হোৱা নাছিল। "ভাল টোপনি ?" সেয়া দেখো বহুতদিন আগৰ পৰাই নহা হৈছে। টোপনিৰ নামত মাথোন বিছনাত ইকাটি সিকাটি কৰি থকাহে হয়। যোৱা নিশাৰ সেই হুলস্থূলটোৰ কাৰণে সি বিছনাত অলপ দেৰীকৈ পৰিছিল—এয়েতো। ৰামলালৰ মাইকীজনী ৰাতি ঘূৰি অহাত দেৰী হৈছিল। দেৰী প্ৰায়েই হয়। পিচে কালি ৰাতি লাউপানী অলপ সৰহকৈ পী লৈ ৰামলাল ৰজা হৈ আছিল। ঘৈণীয়েক আহি পোৱাৰ লগে লগে লগাই দিলে হাঁহাকাৰখন, তাই কিয় ইমান দেৰী কৰিব ? ইমান ৰাতিলৈ বাবুৰ তাত তাইৰ কি প্ৰয়োজন ? বেটী বজ্জাত (অৱশ্যে ৰূপ নোহোৱা নহয় ৰামলালৰ ঘৈণী-য়েকৰ)! বস্তিৰ সকলোবোৰ উঠি আহিছিল, মহিমো। ৰামলালক বুজাই-বঢ়াই শান্ত কৰোতে বা তাৰ মদৰ ৰাগী ভাগোতে ৰাতি বহুখিনি হৈছিল। বিছনাত পৰি পৰি ৰাতি মহিমে ভাবিছিল নিচা কৰিলেহে আত্মসন্মানৰ চেতনা মনলৈ আহে। তাইতো সদায় ৰাতি দেৰীকৈ আহে। তাক ৰামলালে নিজেও জানে।





জানিওতো তাইক কোনোদিন বাধা দিয়া নাই। কি ভাবি ? ৰাতিৰ সাজ তাই কেতিয়াবা (যেতিয়া বেছি দেৰীকৈ আহে) বাবুৰ ঘৰতেই খাই আহে। কেতিয়াবা ৰোৱা ভাত দাইল টিনৰ থালত ভৰাই ঘৰলৈও লৈ আহে আৰু কেতিয়াবা কেতিয়াবা বাবুৰে তাইক বক্‌চিচ্ দিয়ে। কামৰ কাৰণেই নে ? কেতিয়াবা ৰামলালৰ সন্দেহ হলেও বৰ লাভজনক নহব ভাবি তাক জোৰকৈ ঠেলি পঠিয়ায়। এই কথা মহিমে জানে আৰু জানে বস্তিৰ সমস্ত মতা-তিৰোতাই। তথাপি কোনেও কাকো এই বিষয়ে মুখ খুলি একো নকয়। ভয়ত ? কাৰ ভয়ত ? ……… তাৰ এই বেয়া লগা অহৈতুক নেকি ? ইয়ে ভৱিষ্যত কিবা অমঙ্গল সূচাইছে নেকি ? অমঙ্গল ? ভাৱি তাৰ নিজৰে হাঁহি উঠি গ'ল। সেই হাঁহি আত্ম-উপলুওৱাৰ হাঁহি, আত্ম-ভ্ৰুকুটিৰ হাঁহি। কিয় জানো নিজকে যাতনা দি মহিমে আজিকালি কিবা এক আমোদ পোৱা হৈছে। "অমঙ্গল হবলৈ তোৰ মঙ্গলময় ভৱিষ্যত এটা জানো আছে ?" পিচ মুহূৰ্ত্ততে মনটো জোৰকৈ অলপ সংযত কৰিবলৈ চেষ্টা কৰিলে মহিমে। ইমান অস্থিৰ হব নাপায়, পুৰুষৰ ধৈৰ্য্যগুণ থকা দৰ্কাৰ। আত্ম-যাতনা নৈতিক পাপ। নিজকে উপদেশ শুনালে মহিমে। ………মনৰ এনেকুৱা অৱস্থাত মহিমৰ মনলৈ আহে এটা পুৰণি স্মৃতি। তেতিয়া সি গাঁৱৰ স্কুলতে পঢ়ি আছিল। বহুমাহ ধৰি বন্ধহৈ থকা উৰঁলি যাব ধৰা পুথিভঁৰালটোৰ দুৱাৰদলিত পৰি কেকাই গেঠাই থকা দুৰাৰোগ্য ৰোগত ভুগা (দুৰাৰোগ্যনে ? মহিমে এতিয়া নিজকে প্ৰশ্ন কৰে) নিসঃহায়া এজনী মগনীয়া তিৰোতাক এদিন আবেলি সি দেখিছিল। সিদিনা সম্ভৱতঃ দেৱালী উৎসৱ আছিল। পদূলিয়ে পদূলিয়ে পোহৰৰ শোভা। ওচৰৰ বজাৰখনৰ দোকানিবোৰে তীব্ৰ পোহৰৰ বাজী বাৰুদবোৰ উৰুৱাইছিল—ফুটাইছিল। তাৰ চমকনি কেকাই থকা মানুহজনীৰ গাৰেও তীব্ৰগতিত পিচলি গৈছিল। মহিমে দেখিছিল। যীশুখ্ৰীষ্টৰ কাহিনী সি কৰবাত পঢ়িছিল। তাত পাইছিল যীশুৱে কেনেকৈ কুষ্ঠৰোগীবোৰক নিজহাতে শুশ্ৰূষা কৰি আৰোগ্য কৰিছিল। বৰ মানৱ প্ৰেম আছিল তেওঁৰ। যীশুৰ অন্তৰৰ কিঞ্চিৎ সহানুভূতি কিজানি তাৰো অন্তৰত সিদিনা উদয় হৈছিল সেইজনী নিঃসহায়া মৰণ যাত্ৰীক দেখি। কিন্তু যীশুৰ অন্তৰৰ সাহস তাৰ অন্তৰত নাছিল। এনেকি সি তাইৰ কাষ চাপিবকে নোৱাৰিলে। পিচদিনা ৰাতিপুৱা মানুহজনী মৰি আছিল।



OKDISCD

# সংকল্প

হৰেকৃষ্ণ দাস

দৃষ্টি বিভ্ৰান্ত কৰা ৰংবিৰঙৰ পোহৰবোৰ লাহে লাহে পাতলিছে। মটৰ, ৰিক্সা, ঘোঁৰাগাড়ী, কলকজাৰ হোঁ-হোঁৰনি খদমদম্‌বোৰ ক্ৰমে ক্ৰমে ক্ষীণ আৰু অস্পষ্ট হৈ আহিল। আৰু ফুটপাথৰ অবিচ্ছিন্ন মানুহৰ সোঁত নগৰৰ উপকণ্ঠত পাতল হৈ অৱশেষত কোনোবা পদূলিমুখত হেৰাই গ'ল। জপং জপংকৈ খোজ দি মহিম গৈ থাকিল। খুব অশান্তি লাগিছিল তাৰ, ভাগৰো। চাকৰি এটা পাম বুলি মনতে আশা বান্ধি আহি কোনো অফিচাৰক সাক্ষাৎ কৰি বিফল হোৱাত আশাভঙ্গৰ যি দুখ আৰু হতাশা—সেই দুখ হতাশা অনুভৱ কৰিবলৈ কাহানিবাই পাহৰি গৈছে মহিম। গতিকে নিৰ্ম্মল বাবুৰ পৰা খাটাং নাকচ মন্তব্য শুনি সি হতাশাগ্ৰস্ত ভাগি পৰাৰ নিশ্চয় যুক্তি নাই। সি জানিছিলো নিৰ্ম্মলবাবুৰে তেনে কিবা এটাই দোহাৰিব আৰু সেয়ে বৰ ভৰসা কৰি সি নিৰ্ম্মলবাবুৰ ওচৰ চপাও নাছিল। তেন্তে কিয় এই বিষণ্ণতা, কিয় এই বেয়ালগা। শাৰীৰিক অসুখ-বিসুখতো একো নাই। অৱশ্যে যোৱানিশা ভাল টোপনি হোৱা নাছিল। "ভাল টোপনি ?" সেয়া দেখো বহুতদিন আগৰ পৰাই নহা হৈছে। টোপনিৰ নামত মাথোন বিছনাত ইকাটি সিকাটি কৰি থকাহে হয়। যোৱা নিশাৰ সেই হুলস্থুলটোৰ কাৰণে সি বিছনাত অলপ দেৰীকৈ পৰিছিল—এয়েতো। ৰামলালৰ মাইকীজনী ৰাতি ঘূৰি অহাত দেৰী হৈছিল। দেৰী প্ৰায়েই হয়। পিচে কালি ৰাতি লাউপানী অলপ সৰহকৈ পী লৈ ৰামলাল ৰজা হৈ আছিল। ঘৈণীয়েক আহি পোৱাৰ লগে লগে লগাই দিলে হাঁহাকাৰখন, তাই কিয় ইমান দেৰী কৰিব ? ইমান ৰাতিলৈ বাবুৰ তাত তাইৰ কি প্ৰয়োজন ? বেটী বজ্জাত ( অৱশ্যে ৰূপ নোহোৱা নহয় ৰামলালৰ ঘৈণী-য়েকৰ ) ! বস্তিৰ সকলোবোৰ উঠি আহিছিল, মহিমো। ৰামলালক বুজাই-বঢ়াই শান্ত কৰোতে বা তাৰ মদৰ ৰাগী ভাগোতে ৰাতি বহুখিনি হৈছিল। বিছনাত পৰি পৰি ৰাতি মহিমে ভাবিছিল নিচা কৰিলেহে আত্মসন্মানৰ চেতনা মনলৈ আহে। তাইতো সদায় ৰাতি দেৰীকৈ আহে। তাক ৰামলালে নিজেও জানে।





জানিওতো তাইক কোনোদিন বাধা দিয়া নাই। কি ভাবি ? ৰাতিৰ সাজ তাই কেতিয়াবা ( যেতিয়া বেছি দেৰীকৈ আহে ) বাবুৰ ঘৰতেই খাই আহে। কেতিয়াবা ৰোৱা ভাত দাইল টিনৰ থালত ভৰাই ঘৰলৈও লৈ আহে আৰু কেতিয়াবা কেতিয়াবা বাবুৰে তাইক বক্‌চিচ্‌ দিয়ে। কামৰ কাৰণেই নে ? কেতিয়াবা ৰামলালৰ সন্দেহ হলেও বৰ লাভজনক নহব ভাবি তাক জোৰকৈ ঠেলি পঠিয়ায়। এই কথা মহিমে জানে আৰু জানে বস্তিৰ সমস্ত মতা-তিৰোতাই। তথাপি কোনেও কাকো এই বিষয়ে মুখ খুলি একো নকয়। ভয়ত ? কাৰ ভয়ত ? ......... তাৰ এই বেয়া লগা অহৈতুক নেকি ? ইয়ে ভৱিষ্যত কিবা অমঙ্গল সূচাইছে নেকি ? অমঙ্গল ? ভাৱি তাৰ নিজৰে হাঁহি উঠি গ'ল। সেই হাঁহি আত্ম-উপুলঙাৰ হাঁহি, আত্ম-ভ্ৰুকুটিৰ হাঁহি। কিয় জানো নিজকে যাতনা দি মহিমে আজিকালি কিবা এক আমোদ পোৱা হৈছে। "অমঙ্গল হবলৈ তোৰ মঙ্গলময় ভৱিষ্যত এটা জানো আছে ?" পিচ মুহূৰ্ত্ততে মনটো জোৰকৈ অলপ সংযত কৰিবলৈ চেষ্টা কৰিলে মহিমে। ইমান অস্থিৰ হব নাপায়, পুৰুষৰ ধৈৰ্য্যগুণ থকা দৰ্কাৰ। আত্ম-যাতনা নৈতিক পাপ। নিজকে উপদেশ শুনালে মহিমে। .........মনৰ এনেকুৱা অৱস্থাত মহিমৰ মনলৈ আহে এটা পুৰণি স্মৃতি। তেতিয়া সি গাৱঁৰ স্কুলতে পঢ়ি আছিল। বহুমাহ ধৰি বন্ধহৈ থকা উৰঁলি যাব ধৰা পুথিভঁড়ালটোৰ দুৱাৰদলিত পৰি কেকাই গেঠাই থকা দুৰাৰোগ্য ৰোগত ভুগা ( দুৰাৰোগ্যনে ? মহিমে এতিয়া নিজকে প্ৰশ্ন কৰে ) নিসঃহায়া এজনী মগনীয়া তিৰোতাক এদিন আবেলি সি দেখিছিল। সিদিনা সম্ভৱতঃ দেৱালী উৎসৱ আছিল। পদূলিয়ে পদূলিয়ে পোহৰৰ শোভা। ওচৰৰ বজাৰখনৰ দোকানিবোৰে তীব্ৰ পোহৰৰ বাজী বাৰুদবোৰ উৰুৱাইছিল—ফুটাইছিল। তাৰ চমকনি কেকাই থকা মানুহজনীৰ গাৰেও তীব্ৰগতিত পিচলি গৈছিল। মহিমে দেখিছিল। যীশুখ্ৰীষ্টৰ কাহিনী সি কৰবাত পঢ়িছিল। তাত পাইছিল যীশুৱে কেনেকৈ কুষ্ঠৰোগীবোৰক নিজহাতে শুশ্ৰূষা কৰি আৰোগ্য কৰিছিল। বৰ মানৰ প্ৰেম আছিল তেওঁৰ। যীশুৰ অন্তৰৰ কিঞ্চিৎ সহানুভূতি কিজানি তাৰো অন্তৰত সিদিনা উদয় হৈছিল সেইজনী নিঃসহায়া মৰণ যাত্ৰীক দেখি। কিন্তু যীশুৰ অন্তৰৰ সাহস তাৰ অন্তৰত নাছিল। এনেকি সি তাইৰ কাষ চাপিবকে নোৱাৰিলে। পিচদিনা ৰাতিপুৱা মানুহজনী মৰি আছিল।



OKDISCD

স্কুললৈ যাওঁতে মহিমে নিজ চকুৰে দেখিছিল মৰাশটো আৰু দেখিছিল ( দূৰৰ পৰাই ) তাইৰ দেহৰ কেবা ঠাইতো কোনো জন্তুৰ নখৰ আঁচোৰ আৰু দাঁতৰ কামোৰ। হয়তো দুদিন আগতে দেখা দি গাৱঁত সন্ত্ৰাসৰ সৃষ্টি কৰা পগলা বা জক দিয়া শিয়ালটোৱেও কামুৰিব পাৰে। কিজানি কামুৰি আঁচুৰিয়েই মাৰি পেলালে জীয়া মানুহজনীক। বজাৰৰ মানুহখিনিয়ে ৰাতিপুৱা যেটৰ এটা মতাই আনি শটো দূৰত পোতাইছিল। বজাৰৰ নিচেই ওচৰ বুলি ঠাইখিনিতো ফেনাল মিহলোৱা পানী চতিয়ালে। কিয় জানো মহিমৰ মনটো কেইদিনমানলৈ বেয়া লাগি আছিল। তাৰ পিছত কেবা বছৰো পাৰহৈ গৈছে। তথাপি মহিমৰ হঠাতে কেতিয়াবা মনত পৰি যায় সেই ঘটনাটো। চকুৰ আগতে ভাঁহি উঠে সেই বিভৎস দৃশ্যটো। সি ভাৱে কিমান নিঃসঙ্গ, নিঃসহায় আছিল সেই জীৱন। অথচ কিমান জনপূৰ্ণ, কিমান ধৰ্মপ্ৰাণ লোকেৰে পূৰ্ণ এই পৃথিৱী। নগৰলৈ আহি মহিমে জীৱনৰ নতুন নতুন ৰূপ বহুত দেখিছে। লাইট পোষ্টৰ তলৰ পৰিয়াল, ওভাৰব্ৰিজৰ তলৰ জীৱন, ফুটপাথ, দোকানৰ বাৰান্দা, নলা-নৰ্দ্দমা, বস্তিৰ জীৱন সি দেখিছে। বেছ কিছুদিনলৈ সেইবোৰ জীৱনৰ প্ৰতি মহিমৰ দয়া সহানুভূতি হৈছিল। অন্ধ, খোৰা, খোজনীয়া, মগনীয়াক পকেটত পইচা থাকিলে দুপইচাটো দি সি এক বিমল আনন্দ পাইছিল, যেন বৰ কিবা মহৎ কাম এটাহে কৰিছিল সি। কিন্তু লাহে লাহে সেই সহানুভূতি অনুকম্পাই বেলেগ ৰূপ ললে। পইচা সিকিটো পকেটত থাকিলেও ওলাই নহা হ'ল। হাতমেলি 'বাবু, মা-বাপ' বুলি কাতৰি চিঞৰিলেও মহিমৰ অন্তৰত কোনো প্ৰতিক্ৰিয়া নকৰা হ'ল, সি ঘূৰিকে নোচোৱা হ'ল। কাৰণ মহিমে লক্ষ্য কৰিলে খুব কম দিনৰ ভিতৰতেই দাৰিদ্ৰ্যই অভাৱে ইহঁতৰ অন্তৰকো দৰিদ্ৰ কুৎসিং কৰি পেলাইছে। সিহঁতৰ কিছুমানে চোৰ কৰে, জেপ লুৰুকে, মাগি অনা পইচাৰেই জুৱা খেলে আৰু বহু কিবাকিবি বেয়া কাম কৰে। সঁচা কথা তাক সিহঁতে বাধ্য হৈ কৰে যেনেকৈ বাধ্য হৈ সিহঁতে ভিক্ষাৰ জোলোঙা লৈ নিৰ্লজভাৱে দুৱাৰে দুৱাৰে মাগি ফুৰে কাৰোবাৰপৰা এটা পইচা, দুটা চাউল পোৱাৰ আশাৰে আৰু কাৰোবাৰ পৰা তাকে নাপাই দুটা কৰ্কশ মাত "ভাগ-হাতো দগাবাজ সমাজৰ আবৰ্জনা" পাবলৈ। কিন্তু সিহঁতে নিজৰ দাৰিদ্ৰ্যৰ উৎসৰ বিষয়ে কোনো দিনে ভাবি চোৱা নাই। সেই দাৰিদ্ৰ্য উপসমৰ কাৰণে





মহৎ কিবা অৱলম্বন আছে নে নাই সিহঁতে কাহানিও বিচাৰ কৰি চোৱা নাই। বোজা কঢ়িওৱা গাড়ীৰ নিৰ্বাক গাধৰ দৰে বোজা কঢ়িয়াই কঢ়িয়াই জীৱনৰ সমষ্ট শক্তি নিঃশেষ কৰিলে। কোনোদিনে প্ৰতিবাদ নকৰিলে, বিক্ষোভ নকৰিলে। এতিয়া বোজা কঢ়িয়াবলৈ নোহোৱা হোৱাত, অন্ধ-পঙ্গু হোৱাত মালিকে এৰি দিছে, মুক্তি দিছে যি মুক্তিত মাথো মৃত্যুৰ স্বাধীনতাহে আছে। কিন্তু মৃত্যু জানো কোনোবাই বিচাৰে, বোজা কঢ়িওৱা গাধইও নিবিচাৰে। সেয়ে জীয়াই থাকিবলৈ ভিন ভিন, হীন পন্থা লবলৈ সিহঁত বাধ্য হৈছে। সমাজৰ আৱৰ্জনা সিহঁত নিশ্চয় হয়, কিন্তু সমাজেই সৃষ্টি কৰিছে সেই আৱৰ্জনা। বুজন সংখ্যক যিবোৰ গাধই এতিয়াও বব নোৱাৰা বোজা নিৰ্বিবাদে কঢ়িয়াই আছে সিহঁতে কিয় বাৰু এবাৰো মূৰসোলোকা দিব খোজা নাই, শাসনৰ বাঘজৰি চিঙি এবাৰো মালিকৰ গালৈ জঁপিয়াই উঠা নাই। মালিকৰ মিছা মৰমত কি এনে সম্মোহিনী আছে যে মালিকে সিহঁতৰ গলধনত হাত বুলাই দিলেই মালিকৰ মহানুভৱতাত সিহঁত অভিভুত হয় আৰু অধিক বোজা কঢ়িয়াবলৈও কুণ্ঠাবোধ নকৰে। আৰু মহিমে বুজিলে সিহঁতক দুই-এটা পইচা দি থাকিলেই সিহঁতৰ দৰিদ্ৰ আতৰি নাযায়। সেইটো কৰিলে সিহঁতে কোনোদিনেই চিন্তা কৰিবলৈ নিশিকিব। তাকে কৰিলে সিহঁতৰ প্ৰতি অন্যায় কৰা হব। সিহঁতৰ চকু মেল খাওক। সিহঁতে নিজ চকুৰে দেখক, দেখি প্ৰতিকাৰৰ ব্যৱস্থা লওক। মহিমে বৰ বেছি কৰিলে সিহঁতক চকু মেল খোৱাত সহায় কৰিব পাৰে, কোনফালৰ পৰা চাব লাগে তাকে দেখুৱাই দিব পাৰে। অৱশ্যে সেইটো মহিমে আজিও কৰিবলৈ লোৱা নাই। কিয়? মহিমে ভাবে কেতিয়াবা সিও এটা গাধই নেকি? বোজা কঢ়িওৱা অৱস্থাতে গতিবন্ধ হোৱা গাধৰ পোৱালি অৱশ্যে হয়। তেন্তে কিয় এই নিষ্ক্ৰিয়তা। সি কাপুৰুষ, ভীৰু নেকি?

ৰং বিৰঙৰ আয়নাৰ তলত লুকাই থকা আৰু এক কুৎসিৎ কদাকাৰ জীৱনৰ ৰূপ সি দেখিছে। তাৰ অভ্যন্তৰত হয়তো মহিমে এতিয়াও প্ৰৱেশ কৰিব পৰা নাই। কিন্তু যিখিনি দেখিছে তাতেই তাৰ অন্তৰ কেতিয়াবা জ্বলি উঠে। মানুহৰ দৰে অঙ্গ প্ৰত্যঙ্গ থাকিলেই যদি সকলো মানুহ হয় তেন্তে মানৱতা বোলা শব্দটোৰ গুণগত কিবা অৰ্থ থাকিব পাৰে নে? সি ভাৱে। এনেবোৰ সময়ত মহিমৰ মনত পৰে বুঢ়া চাৰৰ কেইটামান কথালৈ যিবোৰ



OKDISCD

মহিমে প্ৰথমে বুজাত টান পাইছিল আৰু গ্ৰহণ কৰিবলৈ আজিও অনিচ্ছুক। চাৰে কৈছিল "কেতিয়াবা কেতিয়াবা এইবোৰ মানুহৰ কাৰণে মোৰ বৰ পুতৌ হয় এই ভাবি নহয় যে মৃত্যুৰ পিচত নৰক বুলি কোনো কুখ্যাত গহবৰত ইহঁতে ইহঁতৰ কৃতকৰ্ম্মৰ ফলস্বৰূপে যাতনাৰ জীৱন নিয়াব লাগিব, যি যাতনা অনন্ত, যি জীৱনৰ শেষ নাই। মই এতিয়া বিশ্বাস কৰিবলৈ এৰি দিছো সৰগ নৰকৰ এই উৎকট কল্পনাবোৰত। কোনো সুবিধাবাদী শ্ৰেণীৰ শোষণৰ আহিলা এইবোৰ। মোৰ পুতৌ হয় এইবোৰ মানুহে যে সভ্যতাৰ উচ্চ চুৰাত উপনিত হোৱা বুলি, প্ৰাণী—শ্ৰেষ্ঠ, ব্ৰহ্মাণ্ডৰ শিৰৰ ভূষণ বুলি মিছা-গৰ্ব্বত ফাটি পৰিলেও ইহঁতে যে সভ্যতাৰ আদিম স্তৰটোকে পাৰ হব পৰা নাই, ইতৰ প্ৰাণীৰ প্ৰবৃত্তিবোৰকেই বশ কৰিব পৰা নাই আৰু তাকে কৰিবৰ চেষ্টাও কৰা নাই এইটো ভাবিহে।" মহিমে এদিন প্ৰশ্ন কৰিছিল, "মানুহ যেতিয়া পশু হয়, তাৰ পশুত্ব সিংহ বাঘতকৈও হিংস্ৰ, পগলা শিয়াল কুকুৰতকৈও মাৰাত্মক হয়। তেনেস্থলত সিহঁতক মৰিয়াই শেষ নকৰি পুতৌ কৰাৰ জানো কিবা ফল হব।" চাৰে ৰহস্যময়ী হাঁহি এটা মাৰি উত্তৰ দিছিল "তীক্ষ্ণ তেওঁলোকৰ তীক্ষ্ণ ধাৰাল দাঁত, জোঙা জোঙা নখবোৰনো এনেয়ে ৰাখিছেনে? আৰু তেওঁলোকক সংখ্যাত তুমি উলাই কৰিব নোৱাৰ। বিশেষকৈ অওহী বওহীৰে।" "তেন্তে সিহঁতৰ বিৰুদ্ধে আমাৰ কৰিব লগা একো নাই নেকি?" বিবুধিত পৰি সুধিছিল মহিমে। "আছে, প্ৰথমে কিছুমান মোহাচ্ছন্ন মিতিৰৰ মোহ ভাঙিব লাগিব। সকলোৱে যদি এটা সুশৃংখল সংগঠনৰ অধীনলৈ আহে তেওঁলোকৰ উমৈহতীয়া শক্তিৰে সিহঁতক পৰাভূত কৰিব নিশ্চয় পাৰিব। কিন্তু গাইগুটীয়া ভাৱে কৰিবলৈ গলে সি কোনো দিনেই নহয়। এজন মানুহ দেখিলে সামান্য বান্দৰ এটায়ো তাক আক্ৰমণ কৰে আৰু পাচজন দেখিলে হিংস্ৰ বাঘো পলাই লৰ মাৰে।" ...জীৱনৰ এই পৰস্পৰ বিৰোধী ভিন্ন ভিন্ন ৰূপবোৰ দিনৰ পিচত দিন, মাহৰ পিচত মাহ, বছৰ ধৰি মহিমে দেখি, আহিছে। দেখি দেখি অভ্যস্ত হৈছে। এতিয়া জীৱনৰ কোনো ৰূপেই তাৰ ওপৰত বিশেষ ক্ৰিয়া কৰিব নোৱাৰা হৈছে। সি এতিয়া গৰ্জি উঠিবলৈ এৰি দিছে, যেনিবা সঘনে আহি থকা অতিথিক দেখি গৃহস্থৰ পোহনীয়া কুকুৰটোৱে এদিন ভুকিবলৈ এৰি দিলে। মহিমে জানে সি গৰ্জি উঠা উচিত বেছিকৈ গৰ্জি





উঠাৰহে দৰ্কাৰ। কিন্তু সি তাক কৰিব পৰা নাই। ...নে এই নিষ্ক্ৰিয়তাত, ভাৱ আৰু কামৰ বিসংগতিতেই তাৰ মনৰ এই অশান্তিৰ উৎস হব পাৰে—মহিমে ভাবিলে। কেবা বছৰ আগৰ সেই বেয়া লগাত নিষ্ক্ৰিয়তাজনিত অশান্তিয়ে আছিল।

বহুত দিনৰ মূৰত আজি আকৌ চাৰক সাক্ষাত কৰাৰ প্ৰবল ইচ্ছা জাগিল মহিমৰ। ঠিক কৰিলে চাৰৰ তাত সোমাব। পিচে আনমনা হৈ ভাবি ভাবি আহোতে চাৰৰ পদূলি কেতিয়াবাই যে এৰি আহিছিল সি মনেই কৰা নাছিল। ঘূৰিল মহিম।

"অশান্তি" বুলি চাৰে এটা চেপা হাঁহি মাৰিলে। ক্ষন্তেকতে হাঁহিটো আঁতৰিল। এটা দাৰুণ কাৰুণ্যই চাৰৰ গোটেই মুখমণ্ডলত এটা প্ৰলেপ সানি দিলে। "এই কীটটোৱে জানো তোমাকেই অকল খুলি খুলি খাইছে? অগণন ডেকা-গাভৰু, মতা-তিৰোতাৰ মুখৰ হাঁহিই কাঢ়ি নিছে। মুষ্টিমেয় কেইজনমান ধন্য ব্যক্তিৰ বাহিৰে গোটেই মানব জাতীৰ সমুখতে আজি সেই একেটা সমস্যাই। কিন্তু তাৰ পৰা নিষ্কৃতি পাবলৈ প্ৰত্যেকে ভিন্ন ভিন্ন আৰু ভুল পথ লৈছে। অফিচৰ সৰু কেৰাণীয়ে ভৱিষ্যতে বৰ কেৰাণী হোৱাৰ স্বপ্নত তেওঁৰ সমস্যাৰ সমাধান বিচাৰি পাইছে। স্কুলৰ বুঢ়া শিক্ষকে এই সমস্যাৰপৰা হাত সাৰিবলৈ বুলি নিজে নেখাই নলৈও পুতেকক ইঞ্জিনিয়াৰিং ডাক্তৰী পঢ়িবলৈ পঠাইছে। গাৱঁৰ দুখীয়া খেতিয়কে এই সমস্যাৰ সমাধান বিচাৰি ছ মাহ মাচুল দিব নোৱাৰাত স্কুলৰ হাজিৰা বহীৰপৰা নাম কটা গৈ ঘৰতে বহি থকা চৈধ্য বছৰীয়া পুতেকক কোনো চাহ দোকানত কাপ পিয়লা আখলা কামত থৈছে, ন বছৰীয়া জীয়েকক কোনোবা অফিচাৰৰ লৰা-ছোৱালী ৰখীয়াকৈ থৈছে। আৰু কাৰখনাৰ বনুৱাই তাৰ পোনপটীয়া সমাধান লাভ কৰিছে পাছ দহ বছৰৰ মূৰে মূৰে—একোবাৰ ধৰ্ম্মঘত কৰি পোৱা বৰ্দ্ধিত পাঁচ দহ টকা দৰমহাত। চুৰি, ডকাইটি, গুণ্ডামী, বেশ্যাবৃত্তি (চাৰে আজি এনোকুৱা শব্দও মহিমৰ আগত উচ্চাৰণ কৰিলে)—ইত্যাদি ভিন ভিন পন্থা লৈছে।" উত্তেজিত সুৰত চাৰে এইবাৰ আৰম্ভ কৰিলে "কিন্তু মানুহৰ বুদ্ধি ইমান ভোটা হৈ গ'ল, মানুহ ইমান মূৰ্খ হৈ গ'ল যে তেওঁলোকে ইমান দিনেও বুজিব নোৱাৰিলে তেওঁলোকৰ ব্যক্তিগত সকলো প্ৰচেষ্টা নিষ্ফল, পানীত মৰা দাৰ

ঘাপৰ দৰেই চিন মোকামহীন। তেওঁলোকে কিয় বাৰু বুজিবৰ চেষ্টা কৰা নাই যে ডাল পাত কাটি দিলেই এইডাল লতাৰ বিনাশ নহয়। যাই শিপা-ডাল উঘালি পেলাব নোৱাৰিলে ইয়ে কটা ডালৰ গুৰিয়ে গুৰিয়ে পোখা মেলি আকৌ সবকে মেৰিয়াই ধৰিব এই কথা তেওঁলোকৰ মগজুত খেলোৱা নাই।" মহিমে কথা কোৱাৰ সুযোগেই নাপালে। অনৰ্গল বকি গ'ল চাৰে। কম কথা কোৱা মানুহ চাৰ। কিন্তু আজি যেন তেওঁৰ মুখ বুঢ়া বিচুবিয়াচৰ সক্ৰিয় জ্বালামুখী। পাপৰ নগৰ পম্পিয়াক কবৰ দিবলৈ সেই জ্বালামুখীৰে অবিৰাম নিৰ্গত হৈছে উত্তপ্ত গলিত লাভা, জুইৰ পোৰা ছাই ভস্ম। প্ৰতিটো কথাই মহিমৰ অন্তৰত ঠহৰ ঠহৰকৈ বিন্ধিবলৈ ধৰিলে যেন তাক উদ্দেশ্য কৰিহে সববোৰ কৈ গৈছে। শোষিত শ্ৰেণীৰ নিষ্ক্ৰিয়তাক ঘৃণাৰ গৰিহনা দি, চাৰে আৰম্ভ কৰিলে শোষক শ্ৰেণীৰ চল চাতুৰী সন্মোহিনী আৰু তাৰ পিচত বৰ্ত্তমান সমাজ ব্যৱস্থা, উৎপাদন পদ্ধতি, অসমতামূলক বিতৰণ পদ্ধতি, যিবোৰৰপৰা শোষক শ্ৰেণীৰ চল চাতুৰীয়ে পুষ্টি লাভ কৰিছে। সৰ্বশেষত চাৰৰ বিষোদগাৰ পৰিল শোষক শ্ৰেণীৰ স্বাৰ্থ ৰক্ষক দালাল ভণ্ড দেশনেতা আৰু চৰকাৰৰ বৰমূৰীয়া কিছুমানৰ ওপৰত। "সিহঁত সব ভেজপিয়াৰ দল।" চাৰে সামৰণি মাৰিছিল।

চাৰৰ পৰা বিদায় লৈ চাৰে কোৱা কথাবোৰকে জুকিয়াই জুকিয়াই মহিম তাৰ বাহাৰ পিনে আগবাঢ়িল। অলপ দূৰ যোৱাৰ মূৰত সি লগ পালে ঢোল খোল লৈ আনন্দত মচগুল এজাক মানুহ। মহিমে লক্ষ্য কৰিলে সিহঁতৰ প্ৰায়বোৰেই মুচি, মেটৰ, ৰিক্সাৱালা, ঘোৰাগাড়ীৱালা আৰু কাৰখানাত কাম কৰা বনুৱা। তাৰে দুইচাৰিজনৰ লগত মহিমৰ ভাল চিনাকীও আছে। বাকী বোৰো তাৰ বাহাৰ আশে পাশেই থাকে। মহিমক দেখিয়েই নেকি দুজনমানে লগাই দিলে "চাৰা-ৰা-ৰা ইত্যাদি" আৰু গোটেই বাটটো আগচি ভৰি মূৰ জোকাৰি নাচিবলৈ ধৰিলে। চাৰে কোৱা কথাবোৰ তেতিয়াও তাত্‌কা হৈয়েই আছিল মহিমৰ মনত। টিঙিচকৈ উঠি গ'ল খঙটো। হলি যোৱাৰ দুদিন পিচতো ৰাতি এই দহবজালৈ বহুৰালী সাজি টেটুফালি চিঞৰিবলৈ মানসিক প্ৰস্তুতি ইহঁতে ক'ত পালে? জীৱনৰ পঙ্কিল, কদৰ্য্য ৰূপত ইহঁত ইমানেই মুগ্ধ, সন্তুষ্ট নে?—ভাবিলে মহিমে। নহয় মুগ্ধ, সন্তুষ্ট হব নোৱাৰে, হোৱাৰ যুক্তি নাই। ফাঁকি দিছে। ইহঁতে ফাঁকি দিছে নিজৰ ল'ৰা তিৰোতাক, নিজৰ অন্তৰক। হয়তো দাৰিদ্ৰ্যৰ বিভীষিকাময়





ৰূপটোৰ পৰা ক্ষন্তেক আঁতৰি থাকিবলৈকে পলায়নবাদী ইহঁতে এগিলাচ লাউ-পানীৰে আদৰি আনিছে এই উন্মাদনা। ধৰ্ম্ম পৰম্পৰাই তাত ইন্ধন যোগাইছে। এয়া সুখৰ আনন্দৰ উৎসব হব নোৱাৰে। দুখ ঢাকি ৰাখিবলৈ এক অভাৱনীয় আবিষ্কাৰ। আৰু মহিমে ভাবিলে ই এক ধৃষ্টতা। মহিমৰ আগে আগে দলটোৱে জঁপিয়াই জঁপিয়াই টেটুফালি চিঞৰি চিঞৰি আগবাঢ়িল। দলটো লাইট পোষ্ট এটাৰ তল পোৱাত মহিমে লক্ষ্য কৰিলে সিহঁতৰ দুজনমানে গালে মুখে পাউদাৰ সেন্দুৰ ঘঁহি কপালত ডাঙৰ ৰঙা ফোট আঁকি শাৰী পিন্ধি মাইকী সাজিছে। "তহঁত মাইকী হৈ গলি।" মহিম এইবাৰ জ্বলি উঠিল। তাৰ মন গ'ল যেন ইহঁত আটাইকে এফালৰ পৰা চমতাৰে কোবাই চিঞৰি চিঞৰি কৈ দিব—মূৰ্খহত! উঠ জাগ। চকু মেলি দেখ তহঁতৰ শেষ টুপি ৰক্তও তেজ পিয়াই চুহি নিলে। পিচ মুহূৰ্ত্ততে মহিমে ভাবিলে, ভাবি জামৰি গ'ল—আৰু অনুতপ্ত হ'ল। "ছিঃ ছিঃ ছিঃ মই কি ভাবিছো।" ইহঁতক এনেদৰে গালি পৰাৰ তাৰ জানো নৈতিক অধিকাৰ আছে। ধৰ্ম্ম, পৰম্পৰা, অদৃষ্টবাদ আৰু শোষকৰ সন্মোহিনীয়ে ইহঁতৰ চকু জাপ খুৱাই থৈছে। সিহঁতে দেখা নাই। কিন্তু সিতো দেখিছে, বুজিছে। কিন্তু দেখি বুজিওতো সি প্ৰতিকাৰৰ কাৰণে একো কৰা নাই। সি নিজেই জানো সিহঁততকৈ কম অপৰাধী। "ভাববিলাসী কাপুৰুষ। আনক গালি পাৰিছ কিয়?" লগে লগে মহিমে মনতে প্ৰতিজ্ঞা কৰিলে চাৰে কোৱা মতেই সি কাম কৰি যাব। চাৰে কৈছে এতিয়া প্ৰয়োজন উপযুক্ত প্ৰচাৰৰ। মানুহৰ চকু মুকলি কৰাব লাগিব। তাৰ কাৰণে শক্তিশালী লিখনীৰ প্ৰয়োজন। জধেমধে বুজি নোপোৱাকৈ কিবা এটা কৰিবলৈ গলে একো ফল নহব। বুজি কাম কৰিব লাগিব, বুজাই কাম কৰাব লাগিব। ঠিক কৰিলে মহিমে সি আৰম্ভ কৰিব। তাৰ চাৰিওফালে সি যিখিনি দেখিছে তাৰ অভিজ্ঞতাৰেই এটা বিপ্লবৰ জন্ম দিব পৰা যথেষ্ট লিখনিৰ সম্বল হব। মনৰ অশান্তি মহিমৰ আঁতৰি গ'ল। মনটো পাতল লাগিল। বেগাই খোজ দিলে সি।

টেবুলৰ ওচৰত বহি কাগজ কলম গোটাই ললে মহিমে। ভাবিলে, ঠিক কৰিলে এটা গল্প লিখিব যি অলৌকিক প্লেটনিক প্ৰেমৰ ওপৰত নহয়, মৰি মৰি জীয়াই থকা মানুহৰ প্ৰকৃতাৰ্থত জীয়াই থাকিবৰ দাবীৰে কৰা সংগ্ৰামৰ



OKDISCD

ওপৰত, যি সংগ্ৰামৰ মূলমন্ত্ৰ হব “আমাৰ কলিজাৰ ৰঙা তেজ ঢালি আমিয়েই সভ্যতাক জীপ দিছো। সভ্যতাৰ ফল ভোগ কৰাৰ আমাৰেই অগ্ৰাধিকাৰ আছে।”

বাহিৰৰ আকাশখন তাৰ পজাৰ মুকলি মুধচেৰে সুন্দৰকৈ দেখা হৈ আছিল। বিছনাত পৰি আকাশলৈ চাই চাই মহিমে মনতে ৰচনা কৰিছিল তাৰ গল্পৰ কাহিনীটো। হঠাৎ দেখিলে নীলা আকাশখন লাহে লাহে গোমাহৈ উঠিল। তাৰ পিঁছত অন্ধকাৰ। আকাশৰ স্বকীয় নীলা ৰংবোৰ গ্ৰাস কৰি পেলালে কলা মেঘৰ দৈত্যকায়া চপৰাবোৰে। তাৰ পিচত ক’লা মেঘৰ চপৰাৰ জোৰাই জোৰাই বিজুলীৰ তীব্ৰ চকমকনি। সমগ্ৰ আকাশ আৰু পৃথিৱীক সঘনে চমকাব ধৰিলে সেই তিৰবিৰনিয়ে, লগে লগে কাণ তাল মৰা মেঘৰ গৰ্জন। ক’লা মেঘবোৰ দৌৰি দশোদিশে পলাবলৈ ধৰিলে। কিন্তু এজাক ধুমুহা আহি ঠান বান কৰি পেলালে সেই প্ৰকাণ্ড চপৰাবোৰ। আকাশৰ পৰা সেই ধুমুহা নামি আহিল পৃথিৱীৰ বুকুলৈ। পৃথিৱীৰ বুকুত তাণ্ডৱ। আকাশলঙ্ঘা বৃহৎ বৃহৎ অট্টালিকাবোৰ পাহাৰৰ উচ্চ চুৰাবোৰ সশব্দে চুড়মাৰ হৈ হিৰ্-হিৰাই খহি পৰিল খালে বিলে নৈয়ে সাগৰে। উৎফুল্লিত হৈ অগণন অঘৰীয়ে হাত তালি বজাই নাচিব লাগিছে তাণ্ডৱৰ তালে তালে। এটা সময়ত বিজুলী ঢেৰেকনি বন্ধ হ’ল, ধুমুহা শাম কাটিল। জাকে জাকে মানুহবোৰ ওলাই আহিল। চকুমুখত সিহতৰ এক গভীৰ প্ৰশান্তি, এক সীমাহীন সৌম্য। নতুন শিশুৰ বিস্ময়ানন্দেৰে সিহঁতে চাই থাকিল ধুমুহাই উচ্চ-নীচ একাকাৰ কৰি থৈ যোৱা পৃথিৱীৰ নতুন ৰূপ নতুন পৃথিৱী। চাই থাকিল নিৰ্মেঘ আকাশৰ স্বাভাৱিক শান্ত নিৰ্ম্মল নীলা মেঘৰ সীমাহীন বিস্তৃতি।......মহিম বিচনাৰ পৰা উঠি বহিল। সি যি দেখিলে তাক সপোন বুলি উৰুৱাই দিব নোৱাৰিলে। বাহিৰ ওলাই মহিমে দেখিলে পুৱাকাশত তেতিয়া ফেঁহুজালি দিছে।



# মাৰ্ক্সবাদ আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গী সম্পৰ্কে এটা মত

শিৱনাথ বৰ্ম্মণ

সাম্প্ৰতিক কালত দেশৰ উঠি অহা যুৱ-সমাজৰ বৈপ্লৱিক চেতনাক বাধা দিবৰ নিমিত্তে আমাৰ দেশৰ ৰাজনৈতিক ক্ষমতাধিষ্ঠিত নেতাসকলে প্ৰগতিবাদৰ এখন মুখা পিন্ধিবলৈ আৰম্ভ কৰা দেখা গৈছে। যিবিলাক সুন্দৰ সুন্দৰ ‘আৱাজেৰে’ তেওঁলোকে দেশ ধ্বনিত কৰি তুলিছে, তাৰ ভিতৰত দুটা প্ৰধান আৱাজ হ’ল সমাজবাদ আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গী। গৃহস্থৰ আনন্দত ভৃত্যও আনন্দিত হোৱাৰ দৰে তেওঁলোকৰ লগতে সুৰ মিলাই দেশৰ বুদ্ধিজীৱী চামটোৰ এটা দলেও সমাজবাদ, বৈজ্ঞানিক দৃষ্টিভঙ্গী আদি শব্দবিলাক তেওঁলোকৰ লিখনিৰ এটা ফেশ্যন কৰি তোলা দেখা গৈছে। সমাজবাদ কি এই দলটোৱে ভালদৰে বুজি পায়, কাৰণ তেওঁলোকৰ মতে জগতত এবিধেই সমাজবাদ আছে আৰু সি হৈছে গান্ধীৰ সমাজবাদ—বিজ্ঞান বিদ্বেষেই হ’ল ইয়াৰ ভেটি। বৈজ্ঞানিক দৃষ্টিভঙ্গীও এওঁলোকৰ মতে ভাৰতৰ প্ৰাচীন ভাববাদী দৰ্শন বিলাকৰ মাজতে প্ৰকৃত বিজ্ঞান লুকাই আছে। পশ্চিমৰ ‘যান্ত্ৰিক’ বস্তুবাদী বিজ্ঞানক আমাৰ দেশলৈ ধাৰ কৰি অনাৰ কোনো প্ৰয়োজন নাই। এওঁলোকৰ মতে পশ্চিমীয়া বিজ্ঞান নীৰস আৰু ইয়াৰ গতি বেছি পৰিমানে বাস্তৱমুখী, ইয়াত আধ্যাত্মিকতাৰ সুবাস নাই, ই পশ্চিমৰ এখন হৃদয়হীন উষৰ মৰুভূমিত পৰিণত কৰি তুলিছে আৰু পশ্চিমে ইয়াৰ পৰা ৰক্ষা পাব পাৰে তেওঁলোকে তেওঁলোকৰ অৰ্ব্বাচীন যান্ত্ৰিক বিজ্ঞান ত্যাগ কৰি আমাৰ দেশৰ আধ্যাত্মিকতা-পূৰ্ণ বিজ্ঞান গ্ৰহণ কৰিলেহে! সেইদৰে তেওঁলোকৰ মতে পশ্চিমৰ সমাজবাদী তত্ত্বও হেনো ভাৰতত প্ৰযোজ্য নহয়, ভাৰতৰ মাটিৰ বাবে হেনো আটাইতকৈ উপযুক্ত সমাজবাদৰ ভাৰতীয় সংস্কৰণ গান্ধীৰ সমাজবাদহে! ভাৰতীয় বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু গান্ধীৰ সমাজবাদ—এই দুয়োটাৰে সংমিশ্ৰণ কৰি তেওঁলোকে এনে এবিধ খিচিৰী তৈয়াৰ কৰি উলিয়াইছে। কিন্তু জাতীয়তা



OKDISCD

বিদ্বেষী বুলি বদনাম পোৱাৰ ভয় কৰি হলেও আমি কব লাগিব যে বৈজ্ঞানিক দৃষ্টিভঙ্গী ভাৰতীয় দৰ্শনত বিৰল—ই ঘাইকৈ পশ্চিমৰহে অৱদান। ভাৰতবৰ্ষ আৰু চীনদেশত বিজ্ঞানে এসময়ত ভূমুকি মাৰিছিল যদিও আয়োনীয়া আৰু গ্ৰীচতহে প্ৰকৃত বিজ্ঞানৰ জন্ম হৈছিল বুলি কব পাৰি। কিন্তু মধ্যযুগত ধৰ্ম্মতান্ত্ৰিক চিন্তাৰ প্ৰভাৱে বিজ্ঞানক বিলুপ্ত প্ৰায় কৰি তুলিছিল। প্ৰকৃত বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ সূচনা হয় যোল্ল শতিকাত গেলিলিওৰ দিনৰ পৰাহে। সেইদৰে সমাজবাদো এটা ভাৰতীয় ধাৰণা নহয়। ভক্তই সকলোৰে ভগবানক দেখা পোৱাৰ দৰে আমাৰ দেশৰ তথাকথিত দেশপ্ৰেমিক সকলেও ভাৰতৰ প্ৰাচীন ঋষি মুনি সকলৰ লিখনীত সমাজবাদী চিন্তা হয়তো দেখা পাব পাৰে, যদিও আচলতে ই এটা অতি আধুনিক ধাৰণা। 'শৃন্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ, 'বসুধৈব কুটুম্বকম্' জাতীয় দুই এটা তত্ত্বও অকল ভাৰততে নহয় পৃথিৱীৰ সকলো দেশতে বিচাৰিলে পোৱা যাব। কিন্তু চেগাচোৰোকা দুই এটা উক্তিয়ে সমাজবাদ নুসূচায়। মানৱীয় চিন্তাৰ এটা নিৰ্দ্দিষ্ট পদ্ধতি হিচাপে ই দেখা দিয়ে সেই সিদিনাহে—ফৰাচী বিপ্লৱৰ পিচৰ ইউৰোপত, বিশেষকৈ ফ্ৰান্সত ফুৰিয়াৰ, চিচ্‌মণ্ডি, চেইন্ট চাইমন, আগষ্ট কম্‌টে আদিৰ নেতৃত্বত আধুনিক সমাজবাদী চিন্তাই ইউৰোপত গা কৰি উঠে আৰু মাৰ্ক্স আৰু এঙ্গেলচৰ লিখনীত ই পূৰ্ণতা লাভ কৰে। মাৰ্ক্সবাদ এটা বৈজ্ঞানিক তত্ত্ব। পদাৰ্থ বিজ্ঞানৰ ক্ষেত্ৰত ডাৰউইনৰ তত্ত্বৰ যি স্থান, সমাজ বিজ্ঞানত মাৰ্ক্সৰ তত্ত্বৰ স্থান, সম-পৰ্য্যায়ৰ। মাৰ্ক্সবাদত ভাববাদ আৰু বিজ্ঞানৰ জোৰা তাপলি নাই, অতি মানৱীয় বা অতি প্ৰাকৃতিক দৰ্শনৰ জটিল সূত্ৰৰো ইয়াত অভাৱ, মানুহৰ লগত সম্পৰ্ক নথকা আকাশমুখী আধ্যাত্মিক চিন্তা মাৰ্ক্সবাদত অচহুৱা বস্তু। মাৰ্ক্সবাদ সম্পূৰ্ণৰূপে এবিধ মানৱকেন্দ্ৰিক দৰ্শন; এটা সামাজিক প্ৰাণী হিচাপে মানুহে কেনেকৈ সুখ আৰু শান্তিত দিন কটাব পাৰে কেৱল এই চিন্তাক লৈয়েই এই দৰ্শন গঢ়ি উঠিছে। মাৰ্ক্সবাদ এবিধ মানৱতাবাদ। কিন্তু ই অকল মানৱতাবাদেই নহয়, ই হৈছে মানবতাবাদ যোগ বৈজ্ঞানিক দৃষ্টিভঙ্গী।

এতিয়া, বৈজ্ঞানিক দৃষ্টিভঙ্গীনো কি? একে আষাৰতে এই প্ৰশ্নৰ উত্তৰ দিয়া সহজ নহয়, বোধকৰো সম্ভৱো নহয়। জ্ঞান আহৰণৰ এটা পদ্ধতি





হিচাপে বিজ্ঞানৰ কেইটামান সাধাৰণ লক্ষণ আছে। এই লক্ষণ কেইটা যে কেৱল বিজ্ঞানতেই প্ৰযোজ্য এনে নহয়, মানৱীয় জ্ঞানৰ অন্যান্য ক্ষেত্ৰতো আমি ইয়াক প্ৰয়োগ কৰিব পাৰো আৰু এই লক্ষণ কেইটা আয়ত্ব কৰিব পৰা মানুহকে আমি বৈজ্ঞানিক দৃষ্টিভঙ্গী সম্পন্ন লোক বুলি কওঁ। এই লক্ষণ কেইটা আয়ত্ব কৰিবৰ বাবে বিজ্ঞানৰ কাৰিকৰী জ্ঞান অত্যাৱশ্যকীয় নহয়, ঘপৰাই মুখস্থ কৰিব পৰা কিছুমান দাৰ্শনিক সূত্ৰও নহয়। বৈজ্ঞানিক দৃষ্টিভঙ্গী হৈছে এটা মানসিক প্ৰশিক্ষণ আৰু ইয়াক আয়ত্ব কৰিবৰ বাবে এজন বৈজ্ঞানিক বা এজন দাৰ্শনিক হোৱাৰ প্ৰয়োজন নাই। এজন কবিও বৈজ্ঞানিক দৃষ্টিভঙ্গী বুজি পোৱা আৰু তাৰ প্ৰতি সহানুভূতিশীল হব পাৰে (যেনে শ্বেলী-গ্যেটে) আনহাতে তথাকথিত এজন বিজ্ঞানীৰো (বিজ্ঞানী টিলিকা?) বৈজ্ঞানিক দৃষ্টি-ভঙ্গী নথকা একো অসম্ভৱ নহয়।

( ২ )

বিজ্ঞানৰ লক্ষণ কেইটাৰ বিষয়ে আমি এতিয়া কিছু আলোচনা কৰিম। বিজ্ঞানৰ এটা প্ৰধান—বোধকৰো ইয়াৰ প্ৰধানতম—গঠনটো হ'ল ইয়াত থকা বস্তুধৰ্ম্মিতা (Objectivity)। স্ৰষ্টাৰ নিজস্ব আশা-আকাঙ্ক্ষা, তেওঁৰ প্ৰেম আৰু বিদ্বেষ, চমুকৈ কবলৈ গলে তেওঁৰ ব্যক্তিগত আনুভূতিক জীৱনটো তেওঁৰ সৃষ্টিত প্ৰতিফলিত নোহোৱাটোৱেই হৈছে বৈজ্ঞানিক মনোভাৱৰ লক্ষণ। প্ৰকৃত বিজ্ঞানীয়ে সত্যানুসন্ধানৰ অভিযানত সকলো প্ৰকাৰৰ মনোধৰ্ম্মিতা ত্যাগ কৰে। ব্যক্তি হিচাবে জীৱনৰ বিভিন্ন বিষয়ত প্ৰতিজন বিজ্ঞানীৰে স্বকীয়া স্বকীয়া মতবাদ থাকিব পাৰে আৰু থকাটোৱেই স্বাভাৱিক। কিন্তু এটা অনু-সন্ধান বৈজ্ঞানিক বুলি পৰিগণিত হবলৈ হলে সেই অনুসন্ধানত তেওঁলোকৰ মতদ্বৈধতাবোৰে কোনো ধৰণৰ প্ৰতিক্ৰিয়া কৰিব নালাগিব। বিজ্ঞান হৈছে মূলতঃ অভিজ্ঞতাৰ প্ৰসাৰ। পৰ্য্যবেক্ষণ আৰু পৰীক্ষাৰ পৰা পোৱা চিনাকী অভিজ্ঞতা কিছুমান হাতত লৈ ই ক্ৰমান্বয়ে আগবাঢ়ে। অৱশেষত ই কি সিদ্ধান্তত উপনীত হবগৈ, ই তাক আগতীয়াকৈ ধৰি নলয়। ধৰ্ম্মতত্ত্ব (Theology) আৰু অধিবিজ্ঞানৰ (Metaphysics) লগত বিজ্ঞানৰ ই এটা ডাঙৰ পাৰ্থক্য। ধৰ্ম্মতত্ত্ব আৰু অধিবিজ্ঞানৰ পথ সম্পূৰ্ণ ওলোটা। ইহঁতে আনুভূতিকভাবে প্ৰিয় সিদ্ধান্ত



OKDISCD

কিছুমান সঁচা বুলি আগতীয়াকৈ ধৰি লয় আৰু তাৰ পিচতহে সেইবিলাক ন্যায়শাস্ত্ৰৰ সহায়েৰে যুক্তিপূৰ্ণ বুলি প্ৰমাণ কৰি দেখুৱাবলৈ চেষ্টা কৰে। গতিকে নিৰপেক্ষ বস্তুধৰ্ম্মী বিচাৰ এওঁলোকৰ দ্বাৰা অসম্ভৱ। পূৰ্ব্ব নিৰ্দ্ধাৰিত কোনো সত্য মনত নৰখাকৈ শিশুৰ দৰে সংস্কাৰশূন্য মন এটা লৈ আগবাঢ়িলেহে যে প্ৰকৃত সত্য উন্মোচন কৰা সম্ভৱ, বিজ্ঞানে আমাক এই শিক্ষা দিয়ে। দেখাত এই গুণটো অনায়াস লব্ধ যেন লাগিব পাৰে, কিন্তু কাৰ্য্যক্ষেত্ৰত ই তেনেই সহজ নহয়, কাৰণ খোৱা, পিন্ধা, ফুৰা আদি দৈনন্দিন ক্ৰিয়া কলাপৰ মাজেদি আমি নিজে গম নোপোৱাকৈয়ে আমাৰ মনত কিছুমান ভ্ৰান্ত ধাৰণাই শিপা মেলে যিবিলাক পিচলৈ ত্যাগ কৰা প্ৰায় অসম্ভৱ হৈ পৰে। পূৰ্ব্ব নিৰ্দ্দিষ্ট এই ধ্যান-ধাৰণাবিলাকে তাৰ উপৰিও অতীত প্ৰেম, স্বদেশপ্ৰেম, স্বজাতি প্ৰেম আদি আধুনিক কুসংস্কাৰবিলাকে আমাক কণা কৰি ৰাখে যাৰ ফলত নাকৰ পোনে পোনে থকা কিছুমান বস্তুও আমি নেদেখা হওঁ। আনুভূতিক-ভাবে প্ৰিয় সিদ্ধান্তবিলাক সঁচা বুলি আগতীয়াকৈ ধৰি লোৱা অভ্যাসে জ্ঞান লাভত সহায়ক হওক চাৰি বাধাহে জন্মায়। বিজ্ঞানৰ পৰা আমি শিকিবলগীয়া ই এটা ডাঙৰ গুণ।

আগতীয়াকৈ কোনো কথা শুদ্ধ বা ভুল বুলি ধৰি নোলোৱাকৈ সত্যৰ অনুসন্ধান কৰা—এই মানসিক প্ৰশিক্ষণটো বিজ্ঞানত অপৰিহাৰ্য্য যদিও মানবীয় জ্ঞানৰ অন্যান্য ক্ষেত্ৰবিলাকতো ই সমানে প্ৰয়োজনীয়। বাৰ্ট্ৰাণ্ড ৰাছেলে তেখেতৰ Mysticism and Logic নামৰ গ্ৰন্থখনৰ এঠাইত দৰ্শনত এই গুণটোৰ প্ৰয়োজনীয়তাৰ উল্লেখ কৰিছে। তেখেতৰ মতে দৰ্শন ক্ৰমান্বয়ে বিজ্ঞানমুখী হৈ আহিছে যদিও ই এতিয়াও আত্ম নিমজ্জনৰ ( Self absorption ) ভাব সম্পূৰ্ণৰূপে ত্যাগ কৰিব পৰা নাই, আৰু ইয়াক ত্যাগ কৰিব নোৱাৰা পৰ্য্যন্ত প্ৰকৃত দাৰ্শনিক জ্ঞান আহৰণ কৰা অসম্ভৱ। কিন্তু অকল বিজ্ঞান আৰু দৰ্শনতে নহয়, আনকি সাহিত্য আৰু কলাতো বিজ্ঞানৰ এই গুণটোৰ প্ৰয়োজনীয়তা কম নহয়। আনহাতে হৃদয়ৰ ভাব অনুভূতিৰ প্ৰকাশেই সাহিত্য আৰু কলাৰ প্ৰধান উদ্দেশ্য যদিও মহৎ সাহিত্য স্ৰষ্টাৰ নিজস্ব অনুভূতি কেতিয়াও পোণপটীয়াকৈ প্ৰতিফলিত হোৱা উচিত নহয়। এলিয়টে কোৱাৰ দৰে কলা সদায় নৈৰ্ব্যক্তিক ( impersonal )। সৃষ্টিৰ আগতে সকলো মহৎ স্ৰষ্টাই তেওঁ ৰূপায়িত কৰিব





খোজা গোটেই পৰিস্থিতিটো নিজৰপৰা বিচ্ছিন্ন কৰি চায় আৰু ইয়াতেই তেওঁৰ সৃষ্টিৰ মহত্ব লুকাই থাকে। মহৎ দৰ্শনত যেনেকৈ মানবীয় আত্ম নিমজ্জন থকা অনুচিত, সেইদৰে এটা কলাৰ কৰ্ম মহৎ হবলৈ হলে তাত ব্যক্তিগত আত্ম-নিমজ্জনৰ ভাব অনুপস্থিত থাকিব লাগিব। আকণ্ঠ প্ৰেমত ডুবগৈ থাকি বস্তু ধৰ্ম্মিতা হেৰুৱাই পেলোৱা কবিয়ে মহৎ প্ৰেমৰ কবিতা ৰচিব নোৱাৰে। ডেকা গ্যেটেই নিজৰ প্ৰেম বস্তুধৰ্ম্মীভাবে দূৰৈৰপৰা চাব জানিছিল আৰু সেইবাবেই Sufferings of Wurther ৰ দৰে গ্ৰন্থৰ ৰচক হিচাপে তেওঁ আমাৰ নমস্য। বীথোফেন আৰু মাইকেলেঞ্জেলোৱে জীৱনৰ কৰুণ পৰিস্থিতবিলাক নিজৰ জীৱনৰ কৰুণ পৰিস্থিতিৰ লগত সাঙুৰি নলৈ আঁতৰৰ পৰা চাব পৰা ক্ষমতা আয়ত্ব কৰিব পাৰিছিল আৰু সেইবাবেই সঙ্গীত আৰু কলাৰ জগতত তেওঁলোক আজিও ভোটাতৰা হিচাবে জিলিকি আছে। প্ৰকৃততে জীৱনক বস্তুধৰ্ম্মীভাবে চাবলৈ শিকাটোৱেই হৈছে প্ৰতিভাৰ লক্ষণ। শ্বপেনহাৱাৰে এঠাইত প্ৰতিভাক Competent Objectivity আখ্যা দিছে। সংজ্ঞাটো ভুল নহয়।

এতিয়া মাৰ্ক্সবাদত বিজ্ঞানৰ এই গুণটো আছেনে নাই? মাৰ্ক্সৰ বস্তুবাদ অনুসৰি ধৰ্ম্ম, দৰ্শন আৰু ৰাজনীতিৰ, সাহিত্য আৰু কলাৰ—চমুকৈ কবলৈ গলে মানুহৰ সমস্ত বৌদ্ধিক আৰু আনুভূতিক জীৱনটোৰ বুনিয়াদ হ'ল জীৱনৰ ব্যৱহাৰিক পৰিস্থিতিবিলাক। আমি কি ভাবো, সি নিৰ্ভৰ কৰে আমি কেনেকৈ বাস কৰো, তাৰ ওপৰত; গতিকে জীৱনৰ ব্যৱহাৰিক ভিত্তিটোৰ পৰিবৰ্ত্তনৰ লগে লগে আমাৰ চিন্তাধাৰাৰো পৰিবৰ্ত্তন ঘটে। মাৰ্ক্সে কৈছিল যে মানবীয় অস্তিত্বই হ'ল মানবীয় ইতিহাস ৰচনাৰ প্ৰথম আৰু প্ৰধানতম স্বৰ্ত্ত। মানুহেই সাহিত্য, দৰ্শন আৰু ৰাজনীতি কৰে সঁচা, কিন্তু সাহিত্য চৰ্চ্চা কৰাৰ আগতে মানুহ প্ৰথম জীয়াই থাকিব লাগিব আৰু জীয়াই থাকিবলৈ হলে মানুহক অন্ন, বস্ত্ৰ আৰু আশ্ৰয় প্ৰকৃতিয়ে মানুহৰ বাবে আগতীয়াকৈ প্ৰস্তুত কৰি নাৰাখে। এই সামগ্ৰীবিলাক মানুহে প্ৰকৃতিৰপৰা উৎপাদন আৰু সংগ্ৰহ কৰিবই লাগিব আৰু এই কামবিলাকৰ মাজেদিয়েই মানুহৰ লগত মানুহৰ কিছুমান সামাজিক সম্পৰ্ক গঢ়ি উঠে ( অৰ্থাৎ মানুহে তাৰ সামাজিক সত্বা লাভ কৰে )। মাৰ্ক্সৰ মতে জীয়াই থকাৰ সামগ্ৰীবোৰৰ উৎপাদন, বিতৰণ আৰু বিনিয়োগে সমাজখন কেৱল ধৰিয়েই

নাৰাখে, ইয়ুতে আমাৰ মনোজগতখনো পৰিচালনা কৰে। গতিকে মানুহৰ ধ্যান-ধাৰণা, প্ৰেম-বিদ্বেষ এই সকলোবোৰৰ উৎস আমি বিচৰা উচিত, মানুহৰ মগজুত নহয়, মানুহে বাস কৰা পাৰিপাৰ্শ্বিকতাৰ মাজতহে। চমুকৈ কবলৈ গলে মানুহৰ ভাব জগতৰ উৎস দৰ্শন নহয়, অৰ্থনীতিহে। মাৰ্ক্সৰ মতে মানুহৰ ভাব জগতৰ এই অৰ্থনৈতিক ভেটিটো বিজ্ঞানৰ নিচিনাকৈ নিখুঁত ভাবে অধ্যয়ন কৰিব পাৰি (Can be determined with the accuracy of natural science,[১]) আৰু Critique of Political Economy আৰু পিচলৈ Capital গ্ৰন্থত তেওঁ তাকেই কৰা দেখা পাওঁ। পদাৰ্থবিদে প্ৰাকৃতিক প্ৰপঞ্চবিলাক ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে বুলি Capital গ্ৰন্থৰ প্ৰথমখণ্ডটোৰ পাতনিত তেওঁ নিজেই স্বীকাৰ কৰিছে। মাৰ্ক্সে Capital গ্ৰন্থ লিখাৰ উদ্দেশ্য আছিল—তেওঁৰ নিজৰ ভাষাতেই 'to lay bare the economic laws of motion in modern society.'[২] সমাজৰ অৰ্থ নৈতিক ভেটিটো কেনেকৈ বিজ্ঞানৰ দৰে বস্তুধৰ্মী ভাবে অধ্যয়ন কৰিব পাৰি, Capital গ্ৰন্থ তাৰ এটা সুন্দৰ উদাহৰণ। এই গ্ৰন্থত পুঁজি সঞ্চয়ৰ অপৰাধত মাৰ্ক্সে পুঁজিবাদী সকলক গালি পৰা নাছিল বা শ্ৰমিক বনুৱাক তেওঁলোকৰ বিৰুদ্ধে যুঁজিবলৈ উচটায়ো দিয়া নাছিল। পুঁজিবাদী আৰু শ্ৰমিকক তেওঁ মাথোন সমাজৰ বিবৰ্ত্তনত ভূমিকা লোৱা অধ্যয়নৰ কিছুমান বিষয় হিচাবে লৈছিল। তেওঁ দেখুৱাবলৈ যত্ন কৰিছিল যে ঐতিহাসিক বিবৰ্ত্তনৰ এই বিশেষ স্তৰটোত পুঁজিবাদী সকলে নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে পুঁজি সঞ্চয় কৰি যাবলৈ বাধ্য আৰু তাৰ ফলত শ্ৰমিকৰ নিষ্পেষণো বৃদ্ধি হবলৈ বাধ্য আৰু এসময়ত পুঁজিবাদৰ ধ্বংসস্তূপৰ মাজতেই সমাজবাদে ভুমুকি মৰাটোও এটা ঐতিহাসিক প্ৰয়োজনীয়তা। 'হৃতাধিকাৰীসকল অধিকাৰ প্ৰাপ্ত হয়। (Expropriators are expropriated)[৩] প্ৰতিক্ৰিয়াশীল পণ্ডিতসকলে ভবাৰ দৰে পুঁজিবাদৰ প্ৰতি বিদ্বেষে বা সৰ্ব্বহাৰাৰ প্ৰতি থকা অনুৰাগে মাৰ্ক্সক এই উক্তি কৰিবলৈ উদগোৱা নাছিল। এজন বিজ্ঞানীৰ দৰে তেওঁ মাত্ৰ দেখুৱাইছিল যে সমাজত ক্ৰিয়া কৰা বস্তুধৰ্মী

(১) A Contribution to the critique of political Economy. P. 21.
(২) Capital vol. 1. Moscow P- 10.
(৩) ilid P. 763





সূত্ৰবিলাকৰ পাৰস্পৰিক সংঘাটৰ ফলত এসময়ত এনে ঘটনা ঘটিবলৈ বাধ্য। এজন সমাজ সচেতন ব্যক্তি হিচাবে সমাজবাদৰ প্ৰতি মাৰ্ক্সৰ আসক্তি আছিল সঁচা, কিন্তু এজন বিজ্ঞানী হিচাবে তেওঁ জানিছিল যে মানুহে ইচ্ছা কৰিলেই আৰব্যোপন্যাসৰ দৈত্যটোৰ দৰে সমাজবাদে লগে লগে আহি মানব সমাজত দেখা নিদিয়ে। উৎপাদিকা শক্তি বিলাকৰ উপযুক্ত বিকাশ নোহোৱা পৰ্য্যন্ত সেই সমাজখন ধ্বংস নহয়; প্ৰাচীন সমাজৰ গৰ্ভতে আহিব ধৰা নতুন সমাজৰ উচ্চতৰ উৎপাদন সম্পৰ্ক বিলাক লুকাই থাকে আৰু সিহঁতে সমাজত দেখা দিয়ে প্ৰাচীন সমাজৰ মাজতে সিহতৰ প্ৰকাশৰ অৱস্থা পৰিণত হোৱাৰ পিচতহে।[৪] এটা সম্পূৰ্ণৰূপে বস্তুধৰ্মী সূত্ৰ হোৱা বাবেই ঐতিহাসিক বস্তুবাদক বহুতে এটা দৈববাদী তত্ত্ব (fatalistic theory) বুলি ভুল কৰে,—যদিও আচলতে সকলো বৈজ্ঞানিক তত্ত্বৰ দৰে ইও এটা নিশ্চয়তাবাদী তত্ত্বহে (deterministic theory)। মাৰ্ক্সে কৈছিল যে মানুহে ইচ্ছা কৰিলে নতুন সমাজৰ জন্ম বেদনা মাথোন কিছু পৰিমাণে হ্ৰাস বা বৃদ্ধি কৰিব পাৰে, কিন্তু তাক জন্ম দিয়া মানুহৰ বাবে অসম্ভৱ। মাৰ্ক্সৰ অৰ্থনৈতিক আৰু সমাজবৈজ্ঞানিক অধ্যয়ন বিলাক সম্পুৰ্ণৰূপে বস্তুধৰ্মী অধ্যয়ন, এই অধ্যয়নত প্ৰেম-প্ৰীতিৰ যেনেকৈ স্থান নাই, তেনেকৈ হিংসা আৰু বিদ্বেষৰো স্থান নাই। মাৰ্ক্স বিৰোধী স্বয়ং ৰাছেলে এই কথা স্বীকাৰ কৰিছে।

He does not blame the capitalists for the cruelties of which he shows them to be guilty, he merely points out that they are under inherent necessity to behave cruelly as long as private ownership of land and capital continues[৫]

সন্দেহবাদী কোনো কোনো পাঠকে এইখিনিতে প্ৰশ্ন কৰিব পাৰে: 'সমাজ বিজ্ঞানী যিহেতু সমাজৰে এটা অংশ, গতিকে পদাৰ্থ কিম্বা ৰসায়ণ বিজ্ঞানৰ দৰে

(৪) No social order is ever destroyed before all the productive forces for which it is sufficient, have developed, and new superior relations of production never replace older ones before the material conditions for their existence have matured within the framework of the old society'—A contribution to the critique of Political Economy. P. 21.
(৫) Roads to Freedom—Allen & Unwin, P. 29.



OKDISCD

নিখুত বস্তুধৰ্ম্মী অধ্যয়ন ইয়াত সঁচাকৈয়ে সম্ভৱ জানো? প্ৰুধো-প্ৰমুখ্যে পণ্ডিত সকলৰ লগত হোৱা তেওঁৰ বাদানুবাদবোৰে জানো বৈজ্ঞানিক সমাজবাদৰ প্ৰতি মাৰ্ক্সৰ আবেগিক আতিশয্যকে নুসূচায়? প্ৰশ্নটো অমূলক নহয়, কাৰণ এই প্ৰশ্নই কাৰ্ল মানহেইমৰ Sociology of knowledge নামৰ বিখ্যাত সমাজ বৈজ্ঞানিক তত্ত্বটোৰ ভেটি। ব্যক্তিমানসৰ ওপৰত পাৰিপাৰ্শ্বিকতাৰ অসীম প্ৰভাৱ লক্ষ্য কৰি মানহেইমে কৈছিল যে সমাজৰ প্ৰতিজন ব্যক্তিৰে চিন্তা তেওঁ বাস কৰা পাৰিপাৰ্শ্বিকতাৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱাৰ ফলত মানুহৰ মনত অজ্ঞাতসাৰে কিছুমান দৰ্শন গঢ়ি উঠে। সাধাৰণ মানুহৰ চিন্তা সেই বিশেষ দৰ্শনবোৰৰ মাজতে আবৰ্ত্তিত হৈ থাকে আৰু সেই আৱৰ্ত্তৰ বাহিৰ ওলাই গৈ তেওঁলোকে মুকলিমূৰীয়াকৈ বস্তুধৰ্ম্মীভাবে জগতখন চাবলৈ সক্ষম নহয়। মানহেইমৰ মতে সমাজৰ কেৱল বুদ্ধিজীৱী চামটোৱেহে (intelligentsia) সেই আৱৰ্ত্ত ভেদ কৰি সামাজিক সমস্যাবিলাক বস্তুধৰ্ম্মী ভাবে চাব পাৰে আৰু সেইবাবেই তেওঁ ভাবিছিল যে সামাজিক বিবৰ্ত্তনত মুখ্য ভূমিকা লব পৰা চামটো হ'ল বুদ্ধিজীৱীসকল, মাৰ্ক্সে ভবাৰ দৰে সাধাৰণ জনগণ নহয়।

জনগণৰ পৰা আঁতৰত থাকি নিৰাসক্তভাবে দূৰৈৰ পৰা সমাজখন পৰ্য্যবেক্ষণ কৰাটোকেই বস্তুধৰ্ম্মীতা বুলি মানহেইমে ভাবিছিল। কিন্তু নিৰাসক্তি বস্তুধৰ্ম্মীতা নহয়। দাৰ্শনিকসকলে এসময়ত মানহেইমৰ নিচিনাকৈয়ে বস্তুধৰ্ম্মীতাৰ সংজ্ঞা দিছিল যদিও প্ৰমাণিত হৈছে যে সমাজ বিজ্ঞানহে নালাগে, আনকি পদাৰ্থবিজ্ঞানতো পৰ্য্যবেক্ষক পৰ্য্যবেক্ষিত বস্তুৰ পৰা আঁতৰত থকা সম্ভৱ নহয়; কোৱান্টাম তত্ত্ব আপেক্ষিকতাবাদ আদি পদাৰ্থবিজ্ঞানৰ আধুনিক তত্ত্ববিলাকে সম্প্ৰতি দেখুৱাইছে যে পুৰণি পদাৰ্থবিদ সকলে ভবাৰ দৰে আন এটা গ্ৰহৰ পৰা পৃথিবীখন চোৱাৰ দৰে প্ৰকৃতিৰ পৰা বাহিৰলৈ ওলাই গৈ আমি প্ৰকৃতিক পৰ্য্যবেক্ষণ কৰিব নোৱাৰো; প্ৰকৃতিৰ ৰহস্য উদ্ঘাটন কৰিব খুজিলে আমি প্ৰকৃতি ৰাজ্যৰ ভিতৰত বাস কৰিব লাগিব, যাৰ ফলত প্ৰকৃতিৰ কিছু পৰিবৰ্ত্তনো ঘটিব। কুৰি শতিকাৰ প্ৰতিজন দাৰ্শনিক বিজ্ঞানীয়ে আধুনিক বিজ্ঞানৰ এই সিদ্ধান্ত স্বীকাৰ কৰি লৈছে। কোৱান্টাম তত্ত্বত থকা বিখ্যাত অনিশ্চয়তা সূত্ৰৰ (uucertainty principle) বিষয়ে আলোচনা কৰি জীন্সে কৈছে,

'The nineteenth century science was trying to explore nature as the explorer explores the desert from the airoplane. The uncertainty principle makes it clear that nature cannot be explored in this detached way; we can only explore it by tramping over it and disturbing it, and our vision of nature includes the clouds of dust ourselves kicked up.[৬]





আপেক্ষিকতাবাদৰ বিষয়ে ঠিক একে কথাই কব পাৰি[৭]

ব্যক্তিগতভাৱে এজন বা দুজন বিজ্ঞানীৰ নৈৰ্ব্যক্তিকতাই বিজ্ঞানত বস্তুধৰ্মীতা নুবুজায়। প্ৰকৃতিক জানিব লাগিলে আমি প্ৰকৃতিৰ মাজত থাকিব লাগিব আৰু তাৰ ওপৰত ক্ৰিয়া কৰিব লাগিব। এয়েই হৈছে আধুনিক বিজ্ঞানৰ সিদ্ধান্ত। এই অৰ্থত প্ৰতিজন বিজ্ঞানীৰ কৰ্ম্মত মনোধৰ্ম্মিত ছাপ থাকে; ইয়াক আতৰাব পাৰি বিজ্ঞানীসকলৰ মাজৰ পাৰস্পৰিক সহযোগিতাৰ দ্বাৰা, ব্যক্তিগত ভাবে এজন বা দুজন বিজ্ঞানীৰ নৈৰ্ব্যক্তিকতাৰে নহয়। বৈজ্ঞানিক পদ্ধতিৰ সামাজিক দিশটোৰ লগত নৈৰ্ব্যক্তিকতাৰ সম্পৰ্ক আছে বুলি আমেৰিকাৰ প্ৰসিদ্ধ বুৰ্জুৱা দাৰ্শনিক বিজ্ঞানী কাৰ্ল পপাৰেও মত প্ৰকাশ কৰিছে:

......'Objectivity is closely bound up with the social aspect of scientific method, with the fact that science and scientific objectivity do not (and cannot) result from attempts of an individual scientists to be 'objective' but from the co-operation of many scientists. Scientific objectivity can be described as the inter-subjectivity of scientific method'.[৮]

---

(৬) James Jeasus : The New Background of science

(৭) Our experiences do not merely link us with the out side world; they are us and they are the world for us, they make us part of this world. We get a false picture of the world if we regard it as a set of events that have their own absolute sequence that we merely watch...... Albert Einstein demonstrated just this in the theory of relativity.' Jacob Bronwsky, The Machinery of Nature, Encounter, 1965.

(৮) Open society and its Enemies. Voll II. Routlege & kegan paul, p. 212. Logic of Scientific Discovery, p. 46



OKDISCD

সমাজ বিজ্ঞান যিহেতু এবিধ বিজ্ঞান, গতিকে ভৌতিক বিজ্ঞানত বস্তু ধৰ্ম্মিতাৰ যি সংজ্ঞা, সমাজ বিজ্ঞানতো সেই একেই সংজ্ঞা প্ৰযোজ্য। বৈজ্ঞানিক মনোভাবসম্পন্ন হোৱাৰ অজুহাত লৈ মানহেইমৰ বুদ্ধি জীৱীজনৰ নিচিনাকৈ আমি সমাজ বৈজ্ঞানিক সমস্যাবিলাকৰ প্ৰতি নিৰাসক্ত হৈ থাকিব নোৱাৰো। এই কথা সচা যে সমাজ বৈজ্ঞানিক তত্ত্ববিলাকত ব্যক্তিগত ভাৱ অনুভূতিবিলাক প্ৰতিফলিত হোৱা উচিত নহয়; আনহাতে আমাৰ সামাজিক জীৱনৰ জ্বলন্ত সমস্যাবোৰ নিৰুদ্বেগভাৱে বৰ্ণনা কৰি থোৱাটোও সামন্তযুগীয় পণ্ডিতমন্যতাৰ বাহিৰে আন একো নহয়। **সমাজৰপৰা আঁতৰি থাকি সমাজখন অধ্যয়ন কৰিব নোৱাৰি; সমাজ বিজ্ঞান অধ্যয়ন কৰাৰ মানেই হ'ল সমাজৰ মাজত বাস কৰা আৰু তাক পৰিবৰ্তন কৰা।** The philosophers have only interpreted the world in various ways; the point, however, is to change it. [৯]

বিজ্ঞানৰ আন এটা প্ৰধান লক্ষ্য হ'ল ই সত্য সন্ধানৰ এটা অভিযান হলেও সত্যৰ চৰমসীমাত উপনীত হৈছো বুলি কাহানিও দাবী নকৰে। বৈজ্ঞানিক তত্ত্ববিলাকৰ কোনোটোৱে পৰমভাৱে সত্য নহয়, ই কেৱল পৰম সত্যৰ অভিমুখীহে—এইবুলি বিজ্ঞানীসকলে বিনয়তাৰে স্বীকাৰ কৰে। ধৰ্ম্ম আৰু অধিবিজ্ঞানৰ লগত বিজ্ঞানৰ ই আন এটা ডাঙৰ পাৰ্থক্য। ধৰ্ম্মৰ হোতাসকলে সত্যক এটা

৯। The Eleventh thesis of Feuerbach, K. Marx.

মাৰ্ক্সীয় জনতত্ত্বৰ এই দিশটো অতি সুন্দৰকৈ বৰ্ণনা কৰিছে মাওঁ চে টুঙে, 'If you want to know a certain thing or a certain class of things directly, you must personally participate in practical struggle to change reality, to change that thing or class of things, for only thus you come into contact with them as phenomena; only through personal participation in the practical 'struggle to change reality can you uncover the essence of that thing or class of things and comprehend them. This is the path of knowledge, which every man actually travels'.

—Selected Writings, Calcutta ED.P. 647.

জীন্সা আৰু ব্ৰনৌস্কিৰ উক্তিৰ লগত এই উক্তিৰ সাদৃশ্য লক্ষ্য কৰক।





প্ৰাপ্ত বস্তু বুলি ধৰি লয়। তেওঁলোকে ভাবে যে ধৰ্ম্মশাস্ত্ৰ আৰু দেৱদূতবিলাকৰ জৰিয়তে ভগৱানে তেওঁলোকক স্বকীয়াকৈ পৰম সত্যটো উচ্চাৰণ কৰি থৈ গৈছে; এতিয়া কেৱল সেই সত্য মানি চলি আৰু বিধৰ্মীসকলৰ মাজত তাক প্ৰচাৰ কৰি সিহঁতক স্বৰ্গৰ বাট দেখুৱাই দিয়াই হৈছে তেওঁলোকৰ কাম। বিজ্ঞানত এনে ধৰণৰ কোনো গোড়ামি নাই। বিজ্ঞানে পৰম সত্যক পাইছো বুলি আগতীয়াকৈ ধৰি নলয়। ইয়াৰ সত্যবিলাকৰ প্ৰত্যেকটোৱেই আংশিক আৰু সেই বাবেই আপেক্ষিক। এচাম বিজ্ঞানীয়ে উলিওৱা আংশিক সত্যবিলাকৰ ওপৰত নিৰ্ভৰ কৰি পৰৱৰ্তী কালৰ আন এচাম বিজ্ঞানীয়ে প্ৰকৃতি ৰাজ্যৰ গভীৰতৰ প্ৰদেশলৈ সোমাই যায় আৰু তাৰ পৰা তেওঁলোকেও কিছুমান সত্য উদ্ধাৰ কৰি আনে; এই সত্যবিলাকো আংশিক, কিন্তু আগৰচাম বিজ্ঞানীয়ে উদ্ধাৰ কৰা সত্যবিলাকতকৈ এই সত্যবিলাক অধিক গভীৰ। বিজ্ঞানে এইদৰে প্ৰগতিৰ পথেদি ক্ৰমাৎ আগবাঢ়ি যায়। ই দিনে দিনে ৰহস্য ৰাজ্যৰ গভীৰতৰ প্ৰদেশলৈ সোমাই গৈ আছে, কিন্তু ৰহস্যক সম্পূৰ্ণৰূপে উদ্ধাৰ কৰিব পাৰিছো বুলি কাহানিও দাবী কৰিব পৰা নাই। বৃটিছ দাৰ্শনিক ডেভিদ ৰিচিয়ে বিজ্ঞানক পৰাবৃত্তৰ অসীম স্পৰ্শীডালৰ (asymplate of the parabola) লগত তুলনা কৰিছে। অসীম স্পৰ্শীডালে যেনেকৈ পৰাবৃত্তৰ কাষ চাপি যায়, কিন্তু কেতিয়াও লগ নালাগে, সেইদৰে বিজ্ঞানেও ক্ৰমান্বয়ে পৰম সত্যৰ ওচৰ চাপি আহিছে যদিও ই পৰম সত্যক আজিও লাভ কৰিব পৰা গৈ নাই। বিজ্ঞানৰ সত্য সম্পৰ্কে ৰাছেলে লিখিছে,

No man who has a scientific temper asserts that what is now believed in science is exctly right, he asserts that it is in a stage on the road to exact truth. [১০]

এতিয়া মাৰ্ক্সবাদত সত্যৰ ধাৰণা কেনে? দৰ্শনৰ বেছিভাগ পৰিভাষাৰ দৰে সত্যও এটা দ্ব্যৰ্থহীন একাৰ্থবোধক ধাৰণা নহয়; গতিকে বিভিন্ন মনৰ মানুহৰ বাবে ই বিভিন্ন অৰ্থ বহন কৰে। সৰল বস্তুবাদী সকলৰ মতে বাহ্যিক জগতখন আমি ঠিক যেনেভাৱে দেখা পাওঁ সিয়েই সত্য। আনহাতে প্ৰোটাগোৰাচ প্ৰমুখ্যে প্ৰাচীন গ্ৰীচৰ চফিষ্টসকল আৰু ডিডাৰো

(10) Bertrand Russel: Scientific outlook.



OKDISCD

বাৰ্কলি প্ৰমুখ্যে পিচৰ যুগৰ বিষয়ী আশ্ৰিত ভাববাদী ( subjective idealists ) সকলৰ মতে সত্যক নিৰিখ হ'ল sensation বা সংবেদনা। প্লেটো, শংকৰাচাৰ্য্য, হেগেল প্ৰভৃতি বিষয়ী আশ্ৰিত ভাববাদী (objective idealist) সকলে আকৌ কয় যে সত্যৰ মাপকাঠি হৈছে যুক্তি, কিন্তু এওঁলোকৰ যুক্তি ন্যায়শাস্ত্ৰৰ ডাঠ প্ৰাচীৰেৰে আবৃত আকাঙ্ক্ষাহে মাথোন। আধুনিক যুগতো সত্য সম্পৰ্কে নানা মতবাদৰ সৃষ্টি হৈছে। উইলিয়াম জেমছ প্ৰমুখ্যে ক্ৰিয়াবাদী সকলৰ ( pragmatists ) মতে যিটো বস্তু যেতিয়াই কামত আহে সিয়েই সত্য; তেওঁলোকৰ লগতে সুৰ মিলাই জন ডিউৱিয়েও সত্যক ব্যৱহাৰিক কামত খটুৱাব পৰা এটা সজুলি বা instrument বুলি বিবেচনা কৰে। নৈয়ায়িক প্ৰত্যক্ষবাদী (logical positivists) সকলৰ মতে সত্যৰ প্ৰকৃত তুলাচনী হৈছে Verifiability বা পৰীক্ষাসিদ্ধি। আনহাতে মাৰ্ক্সবাদত সত্যৰ ধাৰণা বৈজ্ঞানিক সত্যৰ সন্ধানৰ কোনো প্ৰচেষ্টাই নাই বুলি কোনো কোনো প্ৰতিক্ৰিয়াশীল ভাববাদী দাৰ্শনিকৰ ধাৰণা। উদাহৰণ স্বৰূপে, ৰাধাকৃষ্ণণে তেখেতৰ স্বভাৱজনিত বিশ্ৰম্ভালাপী সুৰত লিখিছে 'In communism there is little of the persuit of truth.'[১১] ৰাধাকৃষ্ণণৰ দৰে ভাববাদী দাৰ্শনিকসকলে সত্যৰ এটা স্বৰ্গীয় নিৰিখ আছে বুলি ভাবে; তেওঁলোকৰ মতে সত্য হৈছে ভগবানৰ সমতুল্য আৰু ভগবান যিহেতু শাশ্বত, গতিকে সত্যও শাশ্বত আৰু চিৰকালৰবাবে অপৰিবৰ্ত্তনীয়। গতিকে ধৰ্ম্মশাস্ত্ৰৰ অধ্যয়নৰ দ্বাৰা তেওঁলোকে যি সত্য তেওঁলোকৰ জ্ঞান ভাণ্ডাৰত জমা কৰিছে তাৰ বাবে কোনো হেৰফেৰ নাই আৰু তেওঁলোকে জমা কৰা সত্যৰ বাহিৰে জগতত আৰু কোনো সত্য থকা অসম্ভৱ !! মাৰ্ক্সবাদত এনে আত্মম্ভৰিতা নাই। বিজ্ঞানৰ নিচিনা মাৰ্ক্সবাদেও কয় যে জগতত এক পৰম বস্তুধৰ্ম্মী সত্য হয়তো কৰবাত থাকিব পাৰে, কিন্তু মানুহে তাক নিজৰ সীমিত জ্ঞানবুদ্ধিৰে আয়ত্ব কৰা অসম্ভৱ; মানুহে এতিয়ালৈকে আবিষ্কাৰ কৰা সকলো সত্যই আপেক্ষিক আৰু সেইবাবেই সিহতৰ পৰিবৰ্দ্ধন সম্ভৱ। যিমানেই শাশ্বত বুলি ভবা নহওক কিয়, সকলো সত্যই আচলতে একোটা ঐতিহাসিক উৎপাদন আৰু ইতিহাস বিৱৰ্তনৰ লগে লগে সিহঁতৰ পৰিবৰ্ত্তন ঘটে। [১২]

(১১) The Recovery of Faith. New Delhi P. 67.

(১২) মাৰ্ক্সবাদত সত্যৰ ধাৰণা সম্পৰ্কে, Anti Duhring. pp, 106-112 চাওক।





বিজ্ঞানৰ সত্যবিলাকৰ পৰিবৰ্দ্ধন আৰু কোনো কোনো সময়ত পৰিবৰ্ত্তন ঘটাৰ কাৰণ হ'ল, বিজ্ঞানিক তত্ত্ববিলাক জীৱনৰ বাস্তৱ ভেটিৰ ওপৰত প্ৰতিস্থিত। বিজ্ঞানৰ ভেটি জীৱনৰ লগত সম্পৰ্ক বিৰ্গহিত 'বিশুদ্ধ' চিন্তা নহয়; ইয়াত তত্ত্ব আৰু পৰীক্ষাৰ মাজত এটা নিবিড় সম্পৰ্ক আছে। পৰীক্ষাৰ বাছনিত উত্তীৰ্ণ হোৱাৰ পিচতহে বৈজ্ঞানিক তত্ত্ববিলাক বিজ্ঞান সমাজত গৃহীত হয় ( পৰীক্ষামূলক ভাবে তৎক্ষণাত প্ৰমাণিত নোহোৱা বাবেই আপেক্ষিকতা তত্ত্ব উদ্ভাৱন কৰাৰ যোল্ল বছৰৰ পিচতহে আইনষ্টাইনৰ দৰে বিজ্ঞানীকো নোবেল বঁটা যচা হৈছিল ) বিজ্ঞানত সত্যৰ বাছনি সদায় ব্যৱহাৰিক। বাস্তৱ জগতত তাৰ অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰা পৰ্য্যন্ত বিজ্ঞানত কোনো তত্ত্বকেই সত্য বুলি ধৰি লোৱা নহয়। মাৰ্ক্সবাদৰ বিষয়েও ঠিক একে কথাই কব পাৰি। বিজ্ঞানৰ দৰে মাৰ্ক্সবাদতো সত্য সদায় এটা concrete ধাৰণা; বাস্তৱ জীৱনৰ লগত সম্পৰ্ক নথকা পাৰলৌকিক বিমূৰ্ত্ত সত্য মাৰ্ক্সবাদত অচিনাকী বস্তু। মাৰ্ক্সে নিজেই কৈছে,

'The question whether objective truth can be attributed to human thinking is not a question of theory, but a practical question. In practice man must prove the truth, that is, reality and power, the this-sidedness of thinking. The dispute over the reality or non reality of thinking which is isolated from practice is purely a scholastic question.[১৩]

বিজ্ঞানৰ আন এটা ডাঙৰ বৈশিষ্ট্য হ'ল ইয়াত থকা প্ৰগতিৰ ধাৰণা আৰু আশাবাদ। কোনো বিজ্ঞানীয়ে এই মনোভাব সাধাৰণতে স্পষ্টকৈ প্ৰকাশ নকৰে, কিন্তু তেওঁলোকৰ কাৰ্য্যাৱলীত ই নিহিত হৈ থাকে। স্বয়ং বিজ্ঞানতে এটা আশাবাদী সুৰ আছে যি জীৱনৰ অন্যান্য কাম বিলাকতো মানুহক উদ্যম যোগায়। যেনে, প্ৰকৃতিৰ স্বৰূপ এতিয়ালৈকে সম্পূৰ্ণ কৈ জনা হোৱা নাই বুলি বিজ্ঞানে বিনয়ভাৱে স্বীকাৰ কৰে, কিন্তু প্ৰকৃতিৰ ভিতৰলৈ আমি সোমাই যাব নোৱাৰিম বুলি ই কেতিয়াও নকয়। বিজ্ঞানত থাকে প্ৰকৃতিক বুজিব পাৰিম

(১৩) Second thesis of Feuerbach



OKDISCD

বুলি থকা এটা গভীৰ আস্থা আৰু তাক তাক কাৰ্য্যত পৰিনত কৰাৰ এক সবল প্ৰচেষ্টা। 'The most incomprehensible thing in the world in that it is comprehensible. — আইনষ্টাইনে বিজ্ঞানৰ আৰ্শীবাদ এইদৰে প্ৰকাশ কৰিছে। বিজ্ঞানৰ প্ৰতিটো বিভাগতেই প্ৰকৃতিক জানিব খোজাৰ সবল প্ৰচেষ্টা দেখা যায়, আৰু আপেক্ষিকভাবে অতি কম সময়ৰ ভিতৰতে বিজ্ঞানে আকাশ লঙ্ঘী উন্নতি কৰা ই এটা প্ৰধান কাৰণ। ফৰাচী বিপ্লৱ আৰু শিল্প বিপ্লৱৰ ঠিক পিচতে সৃষ্টি হোৱা মাৰ্ক্সবাদতো একেই উদ্যম আৰু আশাবাদ পৰিলক্ষিত হয়। মাৰ্ক্সবাদত কোনো ধাৰণাই অতীতমুখী বা স্থবিৰ নহয়; অতীতটো এখন সুখৰ প্ৰমোদ কানন আছিল বুলি ভাবি অতীতৰ 'সোণোৱালী যুগ'লৈ উভটি যাবলৈ হামৰাও নাকাঢ়ে বা স্পেংলাৰ আদি প্ৰতিক্ৰিয়াশীল পণ্ডিত সকলৰ নিচিনাকৈ বৰ্ত্তমানটো যেনেদৰে আছে ঠিক তেনেদৰে থকাটোও ই বাঞ্চা নকৰে।

অৱশ্যে সমাজৰ প্ৰগতি বিজ্ঞানৰ প্ৰগতিৰ নিচিনাকৈ পোণ নহয়, ই অকোৱা পকোৱা। নানান উত্থান আৰু পতনৰ মাজেদিহে সমাজখন বিকাশৰ ফালে আগবাঢ়ে। সমাজত ক্ৰিয়া কৰা বিভিন্ন শক্তি বিলাকৰ সংঘৰ্ষৰ ফলত সমাজৰ কেতিয়াবা উত্থান হয় আৰু কেতিয়াবা পতন হয়, কিন্তু এই পতন আপেক্ষিক অৰ্থতহে; মহাকালৰ এটা বিশেষ স্তৰত হোৱা সমাজৰ পতন সাধাৰণতে তাৰ পূৰ্ব্বৱৰ্ত্তী স্তৰৰ উত্থানতকৈও ওপৰতহে থাকে। গতিকে দেখাত পতন যেন লাগিলেও দৰাচলতে ই সামাজিক প্ৰগতি সৰলৰৈখিক (Linear) নহয়, ই কুণ্ডল সদৃশ (spiral like)। মাৰ্ক্সৰ মতে প্ৰতিটো সামাজিক প্ৰপঞ্চৰে দুটা পৰস্পৰ বিৰোধী দিশ থাকে আৰু সিহতৰ সংঘৰ্ষই সামাজিক প্ৰগতিৰ ৰথ চলাই লৈ যায়; বিৰোধ অবিহনে বিকাশ অসম্ভৱ। ১৪

মাৰ্ক্সবাদৰ প্ৰতিটো ধাৰণা গতিশীল আৰু যৌৱন সুলভ উদ্দমেৰে উদ্দীপ্ত। প্ৰতিক্ৰিয়াশীল পণ্ডিতে যিয়েই নকওক কিয়, মানুহৰ শক্তিৰ ওপৰত যি গভীৰ

(১৪) 'No antagonism, no progress, this is the law that Civililation has followed up to our days'—MARX—poverty of philosophy—MOSCOW Edn,





আস্থা আৰু মানবীয় জীৱনটো সুখৰ কৰি তুলিব খোজাৰ যি বলিষ্ঠ প্ৰচেষ্টা মাৰ্ক্সবাদত দেখা যায়, সি পৃথিবীৰ আন কোনো দৰ্শনতে পাবলৈ নাই।

"বুৰঞ্জীয়ে একো নকৰে, ই "প্ৰভুত সম্পদৰ অধিকাৰী নহয়" ইয়ে "কোনো যুদ্ধ নলগায়।" মানুহে, প্ৰকৃত জীৱন্ত মানুহহে, সিহে যুদ্ধ বা অধিকাৰ এই সকলোবোৰকে কৰে। "বুৰঞ্জী" বেলেগ ব্যক্তি নহয়। ই তাৰ বিশেষ লক্ষ্যত মানুহক ব্যৱহাৰ নকৰে। বুৰঞ্জী হ'ল আপোন লক্ষ্য অনুসৰি কৰা মানুহৰ কৰ্ম্মহে। তাত বাহিৰে বুৰঞ্জী আন আৰু একো নহয়" ১৫ মানুহক কিছুমান নিস্প্ৰাণ পুতলাত পৰিণত কৰি তুলিছে বুলি যি সকলে ভাৱে তেওঁলোকে মাৰ্ক্সৰ এই উক্তি এবাৰ দোহাৰি চোৱা উচিত।

এতিয়া বিজ্ঞানৰ আৰু এটা লক্ষণৰ বিষয়ে আমি আলোচনা কৰিম আৰু আমাৰ আলোচনাৰ এইটোৱেই সৰ্ব্বশেষ লক্ষণ।

বিজ্ঞান যুক্তি আৰু পৰীক্ষাৰ ওপৰত প্ৰতিষ্ঠিত আৰু সেইবাবেই ইয়াত কৰ্ত্তৃত্ববাদ বুলি কোনো কথা নাই। এজন বিখ্যাত লোকে কৈছে বুলিয়েই তেওঁ তেওঁ কোৱা সকলোবিলাক সত্য অভ্ৰান্ত বুলি ই অন্ধভাৱে মানি নলয়। যুক্তিযুক্ত বুলি প্ৰমাণিত নহলে, অভিজ্ঞতাৰ বিৰুদ্ধে কোনো বিজ্ঞানত কোনো কথাই গৃহীত নহয়। তেনেলৈ সি লাগে পৃথিৱীৰ গভীৰতম চিন্তাবিদজনৰ কথাই হওক। ইয়াৰ এটা উদাহৰণ দিয়া যাওক। প্ৰাচীন কালৰ পৰা মধ্যযুগলৈ এৰিষ্টটোল ইউৰোপৰ গভীৰতম চিন্তাবিদসকলৰ এজন বুলি জনাজাত আছিল; গতিকে সকলো মানুহে তেওঁৰ প্ৰতিটো কথা শিলৰ ৰেখা বুলি মানি লৈছিল কিন্তু ষোল্ল শতিকাত গেলিলিওৱে বিচাৰ কৰিলে যে এৰিষ্টটোলৰ সকলোবোৰ উক্তি সত্য বুলি আমি মানি লোৱা

(১৫) "History does nothing, it possesses no immense wealth, it wages no battles. It is man, real living man that does posses everything and fights, history is not a person apart, using man as a mean for its own particular aims ; history is nothing but activity of man pursuing his aims" THE HOLY FAMILY : Karl Marx and Engels—MOSCOW Edn. P. 125.



OKDISCD

অনুচিত, কাৰণ তেওঁৰ বহুতো উক্তি বৈজ্ঞানিক পৰীক্ষা বিৰুদ্ধ। বৈজ্ঞানিক পৰ্য্যবেক্ষণ আৰু পৰীক্ষাৰ সহায় লৈ গেলিলিওৱে দেখুৱালে যে এৰিষ্টটোলে কোৱাৰ দৰে দুটা বস্তু ওপৰৰ পৰা এৰি দিলে গধুৰ বস্তুটো পাতল বস্তুটোতকৈ সোনকালে তললৈ নপৰে, দুয়োটা সমান বেগেৰেই আহি মাটিত পৰেহি; সূৰ্য্য পৃথিৱীৰ চাৰিওফালে নহয়, পৃথিৱীহে সূৰ্য্যৰ চাৰিওফালে ঘূৰে; সূৰ্য্য কলঙ্ক বিহীন নহয়, ইত্যাদি।

এৰিষ্টটোল অতি বিখ্যাত লোক আছিল বুলিয়েই গেলিলিওৱে তেওঁৰ কথা মানি লোৱা নাছিল। তেওঁৰ আস্থা আছিল যুক্তি আৰু পৰীক্ষাৰ ওপৰতহে, কোনো বিখ্যাত লোকৰ উক্তিৰ ওপৰত নহয় আৰু সেইবাবেই আধুনিক বিজ্ঞানৰ জনক বুলি আজিও তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। বিজ্ঞান কোনো ধৰণৰ কৰ্তৃত্বৰ দান নহয়। পৰ্য্যবেক্ষণ আৰু পৰীক্ষাৰপৰা পোৱা কিছুমান তথ্যক পাথেয় হিচাবে লৈ ই এক মুকলি মনেৰে আগবাঢ়ে। এই তথ্যবিলাকৰ লগত কল্পনাৰ সংমিশ্ৰণ ঘটাই ই প্ৰথমে কিছুমান প্ৰকল্পৰ ( hypothesis ) সৃষ্টি কৰে; এই প্ৰকল্পবোৰৰ ওপৰত ভিত্তি কৰি এটা বৈজ্ঞানিক তত্ত্ব গঢ়ি উঠে। পিচলৈ এই তত্ত্বটোৰপৰা এনে কিছুমান সিদ্ধান্ত নিগমিত ( deduce ) কৰা হয় যিবিলাকৰ দ্বাৰা এতিয়ালৈকে অপৰ্য্যবেক্ষিত হৈ থকা কিছুমান নতুন তথ্য সম্পৰ্কে ভবিষ্যতবাণী কৰিব পাৰি। এই ভবিষ্যৎ বাণীবিলাক সত্য বুলি পৰীক্ষামূলকভাবে প্ৰমাণিত হলে তত্ত্বটো বিজ্ঞান সমাজত গৃহীত হয়; সেয়ে নহলে, যিমান কষ্টেৰে উদ্ভাৱকে ইয়াক গঢ়ি নোতোলক কিয়, অতি সোনকালে তত্ত্বটো বিজ্ঞান ৰাজ্যৰপৰা আঁতৰাই পেলোৱা হয়। আইনষ্টাইনৰ আপেক্ষিকতাবাদ বিজ্ঞানত এটা তত্ত্বৰ জন্ম কাহিনীৰ এটা সুন্দৰ উদাহৰণ। আপেক্ষিকতাবাদ উদ্ভৱ হৈছিল দুটা প্ৰকল্পৰ ওপৰত নিৰ্ভৰ কৰি; সেই কেইটা হ'ল, গেলিলিওৰ আপেক্ষিকতা (Galilean relativity principle) আৰু পোহৰৰ বেগৰ ধ্ৰুৱকত্ব ( Constancy of the velocity of light )। এই প্ৰকল্প দুটাক ভেটি হিচাবে লৈ আইনষ্টাইনে আপেক্ষিকতা তত্ত্বৰ সৃষ্টি কৰিছিল; এই তত্ত্বৰ দ্বাৰা তেওঁ পদাৰ্থ বিজ্ঞানৰ পুৰণি ধাৰণাবিলাকৰ ব্যাখ্যা দিবলৈ সমৰ্থতো হলেই, আনকি তেওঁ ইয়াৰপৰা কিছুমান ভবিষ্যৎবাণীও কৰিলে; যেনে, কোনো প্ৰকাণ্ড নক্ষত্ৰৰ কাষেদি গলে পোহৰৰ গতিপথ হেলনীয়া হৈ



OKDISCD



যায় বুলি তেওঁ প্ৰচাৰ কৰিলে। এই ভবিষ্যৎ বাণীবিলাক পিচলৈ সঁচা বুলি পৰীক্ষামূলকভাবে প্ৰমাণিত হ'ল আৰু তেতিয়াহে বিজ্ঞান সমাজে এই তত্ত্ব সাদৰেৰে গ্ৰহণ কৰিলে। বৈজ্ঞানিক তত্ত্ববিলাক গৃহীত হোৱাৰ দৰে নোহোৱাৰ উদাহৰণো বিজ্ঞানৰ ইতিহাসত আছে। সোতৰ শতিকাত "ফ্লজিষ্টন" তত্ত্ব ( phlogiston theory ) নামে এটা ৰাসায়নিক তত্ত্বৰ সৃষ্টি হৈছিল আৰু এই তত্ত্বৰ দ্বাৰা কেভেণ্ডিচ্-প্ৰিষ্ট্লি আদি বহুতো বিজ্ঞানী প্ৰভাবিতো হৈছিল। কিন্তু ফৰাচী ৰসায়নবিদ লেভয়চিয়াৰে এই তত্ত্ব ভুল বুলি পৰীক্ষামূলকভাবে দেখুৱাই দিয়াত বিজ্ঞান সমাজৰপৰা ই নিকৰুণভাবে বহিষ্কৃত হবলগীয়া হৈছিল। সেইদৰে ঠিক একে কাৰণতে টোলেমিৰ বিশ্বতত্ত্ব আৰু মধ্যযুগৰ ৰসবিদ্যাৰো একে দশাই ঘটিছিল।

মাৰ্ক্সৰ লিখনিত বিজ্ঞানৰ এই গুণটো প্ৰতিভাত হোৱা আমি দেখা পাওঁ। মাৰ্ক্সে তেওঁৰ তত্ত্ব শূণ্যতাৰপৰা বা কেৱল আপোন মগজুৰপৰা সৃষ্টি কৰা নাছিল। হেগেল, ফিউৰেৰবাখ, চিচমণ্ডি, ৰিকাৰ্ডো আদি তেওঁৰ পূৰ্ব্বসুৰী অসংখ্য পণ্ডিতৰ লিখনিৰপৰা মাৰ্ক্সে তেওঁৰ চিন্তাৰ কিছুমান সমল গোটাইছিল। তেওঁলোকৰ এজনৰো কৰ্তৃত্ব তেওঁ অন্ধভাবে মানি লোৱা নাছিল। তেওঁলোকৰ প্ৰতিটো তত্ত্বকে তেওঁ বিজ্ঞানসন্মতভাবে বাস্তব ঘটনা আদিৰ পৰিপ্ৰেক্ষিত চালিজাৰি চাইছিল আৰু অৱশেষত কিছুমান নতুন সিদ্ধান্তত উপনীত হৈছিলগৈ।

কোনো ডাঙৰ মানুহে কৈ গৈছে বুলিয়েই বিনা পৰীক্ষাৰে তেনে উক্তি সঁচা বুলি মানি নোলোৱা বিজ্ঞানৰপৰা আমি শিকিবলগীয়া ই আন এটা ডাঙৰ গুণ। প্ৰতিক্ৰিয়াশীল দলবিলাকক মাৰ্ক্সবাদ এটা ধৰ্ম্ম বুলি প্ৰচাৰ কৰিবলৈ সুবিধা দিয়া তথাকথিত 'বিশুদ্ধ' মাৰ্ক্সবাদীসকলৰ ( চলিত ভাষাত এওঁলোক Vulgar Marxist নামেৰে জনাজাত ) বাবে বিজ্ঞানৰ ই এটা অতি প্ৰয়োজনীয় শিক্ষা। মাৰ্ক্সবাদ আকোঁৰগজালি মত নহয়; ই বাস্তবৰ অনুশীলনৰ পৰা আহৰণ কৰা জ্ঞান: কামৰ পথ প্ৰদৰ্শক ইয়াক। নামানিলে মাৰ্ক্সবাদৰেই বিৰোধিতা কৰা হব। মাৰ্ক্সৰ জ্ঞানতত্ত্ব অনুসৰি দ্বন্দ্বৰ ( contradiction ) অবিহনে বিকাশ অসম্ভৱ; গতিকে মাৰ্ক্সৰ তত্ত্বৰ উপৰিও পৃথিৱীত থকা অন্যান্য তত্ত্ববিলাক অধ্যয়ন নকৰিলে জ্ঞান জঠৰ হৈ পৰাৰ সম্ভাৱনা থাকে। মাৰ্ক্সবাদ গ্ৰহণ কৰিও আমি

আমাৰ মগজুৰ মণিকোঠাটো সকলো প্ৰকাৰৰ বা-বতাহৰ বাবে মুকলি কৰি ৰাখিব লাগিব।

We donot want anything to be accepted with the eyes shut, to be an article of faith. Everyone should keep in head-light over his own shoulders and think out and verity every-thing for himself.

এয়াই হ'ল বৈজ্ঞানিক দৃষ্টিভঙ্গী, আৰু মাৰ্ক্সবাদ কিছুমান নীৰস তাত্ত্বিক সূত্ৰৰ সমষ্টি হৈ নপৰা কৰি ৰাখিব খুজিলে লেনিনৰ এই অমূল্য উক্তি আগত ৰাখি আমি মাৰ্ক্সবাদ অধ্যয়ন কৰা উচিত।

—×—


স্কুলীয়া ল'ৰা-ছোৱালীৰ বাবে—

অসম বিজ্ঞান সমিতিৰ

এই বছৰৰ নৱতম অৱদান

অধ্যাপক ক্ষীৰধৰ বৰুৱাৰ—

"আকাশীযানৰ কথা"

আৰু

শ্ৰীশান্তনু তামুলীৰ—

"সৰিসৃপ"

কাৰ্য্যালয়, অসম বিজ্ঞান সমিতি

পানবজাৰ, গুৱাহাটী-১




# সেক্সপীয়েৰ আৰু তেওঁৰ সমাজ

শ্ৰীযামিনী ফুকন

(যোৱা সংখ্যাৰ পিছৰ পৰা)

হেমচন্দ্ৰ বৰুৱাৰ "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি" নামৰ কিতাপখনৰ কিছুমান বৰ্ণনা পঢ়ি আমি এতিয়াও আমোদ পাওঁ। এজন আমোলা কাছাৰীৰ পৰা ঘৰলৈ উভতি আহিছে। ডাঙৰীয়াক তোষামোদ কৰিবলৈ তেওঁৰ ঘৰত পাৰিষদসকলে কৈছে ডাঙৰীয়াৰ সুখৰ শৰীৰ, অলপ বিশ্ৰাম ললে ভাল। তেতিয়া ডাঙৰীয়াই "কিলিং নৈৰ বালিত বৰ ঘৰিয়াল পৰাদি পৰি" নাক বজাবলৈ ধৰিলে। তেনেকৈ ধৰ্ম ব্যৱসায়ী গোবৰ্দ্ধন বাপু যি 'শঙ্খ চক্ৰ গদা পদ্ম কৰত তোমাৰ'—এই কথাষাৰৰ অৰ্থ বুজাবলৈ কোৱাত কৈছিলে—ভগবানৰ যিহেতু ৪ খন হাত, কৰতখন নিশ্চয় কাযলতিৰ তলত লৈছিল। আৰু অৰ্বাচীন অথচ নিজকে সৰ্ববিজ্ঞান বুলি বিবেচনা কৰা Eat well চাহাবৰ বৰ্ণনা : এই বৰ্ণনাবোৰ উপভোগ কৰোঁতে এই বৰ্ণনাবোৰৰ অন্তৰালত থকা এখন সমাজৰ ছবিও দেখা পাওঁ। বৃটিছ আমোল প্ৰতিষ্ঠিত হোৱাৰ পিছত অসমীয়া সমাজত দেখা পোৱা কিছুমান শ্ৰেণী আৰু কিছুমান পৰিচিত typical চৰিত্ৰ আমাৰ চকুত যেন ভাঁহি উঠে! এনেকৈ বেজবৰুৱাৰ ফয়চলা নবিচ, ভেম পুৰীয়া মৌজাদাৰ, গাৱঁলীয়া বোৱাৰী ভদৰী ইত্যাদি চৰিত্ৰবোৰ তেতিয়াৰ সমাজ জীৱনৰ প্ৰতিচ্ছবি। এই কথা সকলো দেশৰ সকলো সময়ৰ লিখকৰ গাত প্ৰযোজ্য যে সমাজ জীৱনৰ ঘটনা প্ৰৱাহৰ প্ৰতিফলন তেওঁলোকৰ লিখনীত পৰিস্ফুট হয়। নাট্যকাৰ শ্বেক্সপীয়েৰ ইয়াৰ ব্যতিক্ৰম নহয়। নাটক সমূহত তেওঁ যিমানেই অপাৰ্থিব ব্যঞ্জনা সৃষ্টি নকৰক লাগে তাৰ অপৰিহাৰ্য্য ভিত্তি আছিল সমসাময়িক সমাজৰ লগত শ্বেক্সপীয়েৰৰ ঘনিষ্ঠ পৰিচয়। সেয়েহে শ্বেক্স-পীয়েৰৰ সমসাময়িক সমাজখনৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে ভালদৰে জনাৰ প্ৰয়োজন। এলিজাবেথীয় যুগৰ পূৰ্বমূহূৰ্ত্তত ইংলণ্ডৰ সমাজখন কেনে আছিল আৰু ক্ৰমশঃ সেই সমাজৰ কেনেকৈ পৰিবৰ্ত্তন আৰম্ভ হ'ল সেই বিষয়ে যথেষ্ট গৱেষণা পণ্ডিতসকলে কৰিছে। আমি তাৰে চমু আভাস মাত্ৰ দিম।



OKDISCD

আমাৰ মগজুৰ মণিকোঠাটো সকলো প্ৰকাৰৰ বা-বতাহৰ বাবে মুকলি কৰি ৰাখিব লাগিব।

We donot want anything to be accepted with the eyes shut, to be an article of faith. Everyone should keep in head-light over his own shoulders and think out and verity every-thing for himself.

এয়াই হ'ল বৈজ্ঞানিক দৃষ্টিভঙ্গী, আৰু মাৰ্ক্সবাদ কিছুমান নীৰস তাত্ত্বিক সূত্ৰৰ সমষ্টি হৈ নপৰা কৰি ৰাখিব খুজিলে লেনিনৰ এই অমূল্য উক্তি আগত ৰাখি আমি মাৰ্ক্সবাদ অধ্যয়ন কৰা উচিত।

—×—

স্কুলীয়া ল'ৰা-ছোৱালীৰ বাবে—
অসম বিজ্ঞান সমিতিৰ
এই বছৰৰ নৱতম অৱদান
অধ্যাপক ক্ষীৰধৰ বৰুৱাৰ—
"আকাশীযানৰ কথা"
আৰু
শ্ৰীশান্তনু তামুলীৰ—
"সৰিস্তৃপ"
কাৰ্য্যালয়, অসম বিজ্ঞান সমিতি
পানবজাৰ, গুৱাহাটী-১



# সেক্সপীয়েৰ আৰু তেওঁৰ সমাজ

**শ্ৰীযামিনী ফুকন**

(যোৱা সংখ্যাৰ পিছৰ পৰা)

হেমচন্দ্ৰ বৰুৱাৰ "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি" নামৰ কিতাপখনৰ কিছুমান বৰ্ণনা পঢ়ি আমি এতিয়াও আমোদ পাওঁ। এজন আমোলা কাছাৰীৰ পৰা ঘৰলৈ উভতি আহিছে। ডাঙৰীয়াক তোষামোদ কৰিবলৈ তেওঁৰ ঘৰত পাৰিষদসকলে কৈছে ডাঙৰীয়াৰ সুখৰ শৰীৰ, অলপ বিশ্ৰাম ললে ভাল। তেতিয়া ডাঙৰীয়াই "কিলিং নৈৰ বালিত বৰ ঘৰিয়াল পৰাদি পৰি" নাক বজাবলৈ ধৰিলে। তেনেকৈ ধৰ্ম ব্যৱসায়ী গোবৰ্দ্ধন বাপু যি 'শঙ্খ চক্ৰ গদা পদ্ম কৰত তোমাৰ'—এই কথাষাৰৰ অৰ্থ বুজাবলৈ কোৱাত কৈছিলে—ভগবানৰ যিহেতু ৪ খন হাত, কৰতখন নিশ্চয় কাযলতিৰ ভঙ্গত লৈছিল। আৰু অৰ্বাচীন অথচ নিজকে সৰবজ্ঞান বুলি বিবেচনা কৰা Eat well চাহাবৰ বৰ্ণনা ঃ এই বৰ্ণনাবোৰ উপভোগ কৰোঁতে এই বৰ্ণনাবোৰৰ অন্তৰালত থকা এখন সমাজৰ ছবিও দেখা পাওঁ। বৃটিছ আমোল প্ৰতিষ্ঠিত হোৱাৰ পিছত অসমীয়া সমাজত দেখা পোৱা কিছুমান শ্ৰেণী আৰু কিছুমান পৰিচিত typical চৰিত্ৰ আমাৰ চকুত যেন ভাঁহি উঠে! এনেকৈ বেজবৰুৱাৰ ফয়চলা নবিচ, ভেম পুৰীয়া মৌজাদাৰ, গাৱঁলীয়া বোৱাৰী ভদৰী ইত্যাদি চৰিত্ৰবোৰ তেতিয়াৰ সমাজ জীৱনৰ প্ৰতিচ্ছবি। এই কথা সকলো দেশৰ সকলো সময়ৰ লিখকৰ গাত প্ৰযোজ্য যে সমাজ জীৱনৰ ঘটনা প্ৰৱাহৰ প্ৰতিফলন তেওঁলোকৰ লিখনীত পৰিস্ফুট হয়। নাট্যকাৰ শেক্সপীয়েৰ ইয়াৰ ব্যতিক্ৰম নহয়। নাটক সমূহত তেওঁ যিমানেই অপাৰ্থিব ব্যঞ্জনা সৃষ্টি নকৰক লাগে তাৰ অপৰিহাৰ্য্য ভিত্তি আছিল সমসাময়িক সমাজৰ লগত শেক্সপীয়েৰৰ ঘনিষ্ঠ পৰিচয়। সেয়েহে শেক্সপীয়েৰৰ সমসাময়িক সমাজখনৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে ভালদৰে জনাৰ প্ৰয়োজন। এলিজাবেথীয় যুগৰ পূৰ্বমূহূৰ্ত্তত ইংলণ্ডৰ সমাজখন কেনে আছিল আৰু ক্ৰমশঃ সেই সমাজৰ কেনেকৈ পৰিবৰ্তন আৰম্ভ হ'ল সেই বিষয়ে যথেষ্ট গৱেষণা পণ্ডিতসকলে কৰিছে। আমি তাৰে চমু আভাস মাত্ৰ দিম।



OKDISCD

**শেষ মধ্যযুগৰ অভিজাত শ্ৰেণী** :—সাধাৰণতে সকলো দেশতে দেশখনৰ ভূ-সম্পত্তিৰ স্বত্ব ৰজাৰ হাতত থাকে। টিউডৰ যুগতো ইংলেণ্ডৰ সমস্ত ভূ-সম্পত্তিৰ অধিকাৰী আছিল ৰজা। সেই যুগত ৰাস্তা পদূলিৰ অৱস্থা ভাল নাছিল আৰু নাছিল দ্ৰুত যান বাহন ব্যৱস্থা, গতিকে টিউডৰ ৰজাসকলেও তেওঁলোকৰ সমস্ত ভূ-সম্পত্তি নিজে চম্ভালিব নোৱাৰি ( ৰজাৰ ) অনুগত ডা-ডাঙৰীয়াসকলক ৰজাৰহে এই ভূ-সম্পত্তি চলোৱাৰ দায়িত্ব দিয়ে। ভূস্বামী ডা-ডাঙৰীয়াসকলে (nobility) যেনে সা-সুবিধা ভোগ কৰিছিল আৰু ভূ-স্বামীসকলৰ ভৃত্যবোৰে (villein) সা সুবিধাৰ পৰা যেনেদৰে বঞ্চিত হৈছিল তাক তুলনা কৰিলে সেই যুগৰ ইংলণ্ডৰ সমাজ ব্যৱস্থাত থকা প্ৰকট শ্ৰেণী বৈষম্যৰ কথা সহজে অনুভৱ কৰিব পাৰি। পঞ্চদশ শতাব্দীত এই পৰাক্ৰমী ডা-ডাঙৰীয়াসকল বাস্তবিকতেই অতি পৰাক্ৰমী হৈ উঠিছিল। সামন্তবাদৰ নীতি অনুসৰি ৰজাৰ সৈন্য বাহিনীৰ পৰিচালনাৰ দায়িত্ব তেওঁলোকৰ হাতত আছিল ; সময় আৰু সুবিধা অনুযায়ী এই পৰাক্ৰমী সামন্তসকলে এই সৈন্য বাহিনী স্বয়ং ৰজাৰ বিৰুদ্ধেই ব্যৱহাৰ কৰিবলৈ উদ্যত হৈছিল।

ডা-ডাঙৰীয়াসকলৰ বিদ্ৰোহত ব্যতিব্যস্ত ৰজা ৪ৰ্থ হেনৰীয়ে তেওঁৰ পুতেকক কৈছে—

"God knows, my son, By what by-paths and indirect crook'd ways I met this crown ; and I myself know well how troublesome it sat upon my head : To thee it shall descend with better quiet" (King Henry the fourth : part Two, Act 5, Scene 1, lines 184-189) ১৪৮৫ চনৰ ২২ আগষ্টৰ বচৱৰ্থৰ যুদ্ধত (Battle of Bosworth) ৩য় ৰিচাৰ্ডক হত্যা কৰি ৭ম হেনৰীয়ে সেই বছৰৰে ৩০ অক্টোবৰত ৰাজপাট দখল কৰি ইংলণ্ডত টিউডৰ বংশৰ ৰাজত্ব প্ৰতিষ্ঠা কৰে ; ৰাজপাট লাভ কৰি টিউডৰসকলে ক্ৰমে অসামান্য হৈ পৰা এই পৰাক্ৰমী সামন্ত আৰু ডা-ডাঙৰীয়াসকলক বশীভূত কৰিবলৈ যত্নপৰ হৈছিল আৰু এই ক্ষেত্ৰত কিছুদূৰ কৃতকাৰ্য্যও হৈছিল। এই কৃতকাৰ্য্যতাই সুদূৰপ্ৰসাৰী সুফলৰ বৃক্ষৰোপণ কৰিছিল। ইংলণ্ডৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে তেওঁলোকে বহুতো ব্যৱস্থা হাতত লৈছিল আৰু সেই ব্যৱস্থা সমূহৰ ভিতৰত, 'মই বৰ ভাৰ'ত বিভোৰ হৈ থকা উৎপতীয়া সামন্তসকলক





বশীভূত কৰাটোৰেই তেওঁলোকৰ কাৰণে আটাইতকৈ ডাঙৰ কৃতকাৰ্য্যতা আছিল। মহাৰাণী এলিজাবেথৰ দিনত, ১৬০১ চনত, ২য় আৰ্ল অৱ এচেক্সৰ বিদ্ৰোহ আৰু পৰাজয়েই আছিল এই শ্ৰেণীৰ সৰ্বশেষ প্ৰতিবাদ।

শেক্সপীয়েৰৰ King Henry the fourth (প্ৰথম খণ্ড) নাটকত প্ৰতি-ভাতহোৱা Hotspur হ'ল এই ক্ষমতাবান সামন্তসকলৰ প্ৰতিভূস্বৰূপ। উৎসাহী আৰু কীৰ্তিমান যোদ্ধা এই Hotspur হ'ল সামন্তযুগৰ বীৰত্বৰ উৎকৃষ্ট নিদৰ্শন। তেওঁৰ কথাবতৰাত যৌৱনৰ উদ্দাম গতিৰ আভাস আৰু উদ্ধত আত্মবিশ্বাসৰ থলকনি এনেদৰে প্ৰকাশ পাইছে।

"I am on fire
To hear thus rich reprisal is so nigh
And yet not ours come let me taste my horse,
Who is to bear me like a thunder bolt
Against the bosom of the Prince of Wales,
Harry to Harry shall, hot horse to horse,
Meet, and ne'er part till one drop down a corse."
(King Henry the fourth ; part one ; Act 4, Scene 1, lines 117 to 123)

কিন্তু সেই প্ৰসিদ্ধ যোদ্ধাই অৱশেষত ধীৰ, হিচাবী আৰু কূটকৌশলী Prince of wales (পিছলৈ ৫ম হেনৰী)ৰ হাতত, (Shrewsbury ৰ যুদ্ধত) মৃত্যু বৰণ কৰিছে। ৫ম হেনৰীয়ে নিজেই তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰি কৈছে—

"Fare thee well, great heart !
Ill weaved ambition, how much art thou shunk !
When that this body did contain a spirit,
A kingdom for it was too small a bound ;
But now two pace of the vilest earth
Is room enough. This earth that bears thee dead
Bears alive so stout a gentleman.
Adieu, and take thy praise with thee to heaven !
Thy ignominy sleep with in the grave
But not remembred in thy epitaph"
(King Henry the fourth part One Act 5, Scene 4, lines 86-101)



OKDISCD

Henry the Fourth (১ম খণ্ড) নাটকত দাম্ভিক কিন্তু বীৰ Hotspurক পঞ্চম হেনৰীয়ে হত্যা কৰা কাহিনীয়ে আমাক সোঁৱৰাই দিয়ে সামন্ত শ্ৰেণীৰ করুণ অৱশেষৰ কথা। টিউডৰসকলে যে ছলে বলে কৌশলে সামন্তসকলক বশীভূত কৰিবলৈ যত্ন কৰিছিল সেই কথা এই নাটকে প্ৰতীয়মান কৰে।

কিন্তু এইখিনিতে উল্লেখনীয় যে টিউডৰসকলে ডা-ডাঙৰীয়াসকলক একেবাৰে ধ্বংস কৰাৰ পৰিবৰ্তে বশীভূত কৰি লৈ তেওঁলোকক বৰং শাসন ব্যৱস্থাৰ অখণ্ড আৰু প্ৰয়োজনীয় অংশ বিশেষ হিচাপে পৰিগণিত কৰিলে। ৰাজকীয় ব্যৱস্থাৰ ফলত ৰাজনৈতিক প্ৰতিপত্তি আৰু ক্ষমতাৰপৰা বঞ্চিত হলেও টিউডৰ যুগৰ অভিজাত শ্ৰেণীটোৰেই সমাজৰ আটাইতকৈ সুবিধাভোগী শ্ৰেণী হৈ থাকিল। ভূমি সম্পত্তিৰ মালিকানাই যি ক্ষেত্ৰত সমাজত প্ৰতিপত্তি লাভৰ উপায় স্বৰূপ, সেই ক্ষেত্ৰত এই কথা স্বতঃসিদ্ধ আছিল যে শ্ৰেণী হিচাপে অভিজাত সম্প্ৰদায়ৰ হাতত যথেষ্ট ভূ-সম্পত্তি থাকিব। 'অভিজাত' বুলি বিবেচিত হবলৈ যিমানখিনি ভূ-সম্পত্তি থকা দৰকাৰ, সিমানখিনি নথকা কাৰণে এই শ্ৰেণীৰ প্ৰাপ্য সা-সুবিধাৰ-পৰা বহুতো লোক বঞ্চিত হৈছিল। নিৰ্দিষ্ট পৰিমাণৰ ভূ-সম্পত্তি নথকা কাৰণে বহুতো ডিউকক পদমৰ্য্যাদাচ্যুত কৰা হৈছিল। আকৌ নিজৰ প্ৰিয়পাত্ৰসকলক ৰজাই যেতিয়াই নতুনকৈ "অভিজাত" সম্প্ৰদায়ভুক্ত কৰিছিল তেতিয়াই ৰজাই তেওঁলোকক প্ৰয়োজনীয় ভূ-সম্পত্তি দিছিল যাতে তেওঁলোকে নিজৰ মৰ্য্যাদা অনুসৰি মান-সম্ভ্ৰম ৰাখি চলিব পাৰে।

ভূ-স্বামী অভিজাতসকলে আকৌ গোটেইখিনি মাটি অকল নিজৰ ব্যৱহাৰৰ কাৰণে নাৰাখি অন্য কিছুমান মানুহৰ মাজত বিলাই দিছিল। সম্পত্তি এইদৰে নিজৰ হাতত নাৰাখিলেও অৱশ্যে ডিউক আৰ্ল বা মাৰ্কুইচসকল নিজৰ নিজৰ এলাকাত অতি ক্ষমতাশালী ব্যক্তি আছিল। ভূ-স্বামী হিচাবে সৰ্বনিম্ন স্থান অধিকাৰ কৰা বেৰণসকল (Baron) সেইদৰেই সম্পত্তি আৰু মৰ্য্যাদাৰ ফালৰপৰা ডিউক, আৰ্ল, মাৰ্কুইছ ইত্যাদিৰ পিছত আসন পাইছিল।

এইসকল ব্যক্তিয়েই আছিল প্ৰত্যেকটো প্ৰশাসনীয় বিভাগৰ (County) সামাজিক আৰু ৰাজনৈতিক পিৰামিডৰ শীৰ্ষবিন্দু। মধ্যযুগত এইসকল ব্যক্তিয়ে মহা আড়ম্বৰপূৰ্ণ জীৱন-যাপন কৰিছিল। তেওঁলোকৰ অট্টালিকাসমূহ আছিল ৰাজঅট্টালিকাৰ ক্ষুদ্ৰ সংস্কৰণ বিশেষ। এই ক্ষমতাবান পুৰুষসকলৰ ভিতৰত





আকৌ যিসকল অধিক ক্ষমতাবান, তেওঁলোকে ডাঙৰ দুৰ্গ নিৰ্মাণ কৰি ৰজাৰ দৰে পালি-পহৰীয়া ৰাখি তাৰ ভিতৰত বাস কৰিছিল। দুৰ্গৰ আকাৰ আৰু ৰেহৰূপে দুৰ্গৰ অধিকাৰীৰ শক্তি, ক্ষমতা আৰু প্ৰভাৱৰ কথা দুপৰীয়াৰ ৰ'দৰ দৰে প্ৰকাশ্যে ঘোষণা কৰিছিল। কোনো কোনো দুৰ্গৰ ভিতৰত নিতৌ ১৫০।২০০ মানুহে একেলগে ভোজন কৰাৰ কথা আমি জানিবলৈ পাওঁ। ভ্ৰমণ কালত ৰজাৰ দৰেই তেওঁলোক সদায় যথেষ্ট সংখ্যক অনুচৰৰ দ্বাৰা পৰিবেষ্টিত হৈছিল।

অৱশ্যে ৰাণী এলিজাবেথৰ আমোলত এনে ক্ষমতাশালী সামন্তসকল ৰাণীৰ ৰাজসভাৰ পাৰিষদত পৰিণত হ'ল। তেওঁলোকৰ নিজস্ব মৰ্য্যাদা নাথাকিল।

**মধ্যযুগৰ ভূমিদাস শ্ৰেণী ঃ** অতীত কালৰ দাস (Slave) আৰু বৰ্তমান যুগৰ স্বাধীন বনুৱা (Free labourer) মধ্যযুগৰ ভূমিদাস (Villein) সকলৰ সামাজিক মৰ্য্যাদা এই দুই শ্ৰেণীৰ মাজত আছিল। কোনোমতে পেটেভাতে খাই থাকিবৰ কাৰণে অতীতৰ দাসসকলে সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব লাগিছিল তেওঁলোকৰ প্ৰভুসকলৰ ওপৰত। তেওঁলোকৰ নাছিল বিন্দুমাত্ৰও স্বাধীনতা। প্ৰভু বা গিৰিহঁতৰ নানা অত্যাচাৰ তেওঁলোকে নীৰৱে সহ্য কৰিব লগা হৈছিল আৰু প্ৰভুৰ ইচ্ছা অনুসৰি কাম কৰিবলৈ তেওঁলোক বাধ্য আছিল। কিন্তু শেষ মধ্যযুগৰ ভূমিদাসসকল তেলপেৰা ঘানিৰ গৰুৰ দৰে নাছিল। তেওঁলোকে সামান্যভাৱে হলেও স্বাধীনতা আৰু সা-সুবিধা ভোগ কৰিছিল। তেওঁলোকৰ ভূ-স্বামীসকলে এটুকুৰা মাটি দিছিল। তাতে খেতিবাতি কৰি তেওঁলোকে নিজ নিজ পৰিয়ালৰ ভৰণ-পোষণ কৰিছিল। তেওঁলোকে পোৱা মাটিটুকুৰাৰ বিনিময়ত ভূ-স্বামীৰ মাটিত গা-খাটনি খাটি দিব লাগিছিল।

ভূ-স্বামীসকলে যাতে ভূমিদাসসকলৰপৰা গা-খাটনি আদায় কৰাত নিশ্চিন্ত হৈ থাকিব পাৰে সেই উদ্দেশ্যে ভূমিদাসসকলক কোনো ধৰণৰ ব্যক্তিগত অধিকাৰ নিদিছিল। তেওঁলোকৰ জীৱন আৰু মাটিৰ মাজত এটা এৰিব নোৱাৰা সম্পৰ্ক আছিল। সকলো অমানৱীয় অত্যাচাৰৰপৰা মুক্তি বিচাৰি তেওঁলোকে এটা অঞ্চল এৰি অন্য অঞ্চললৈ যাবলৈ বিচাৰিলেও প্ৰভুৰ বিনা অনুমতিত তেওঁ বা তেওঁৰ পৰিয়ালৰ কোনোৱেই 'প্ৰভুৰ এলাকা' এৰি যাব নোৱাৰিছিল নাইবা



OKDISCD

নিজৰ যৎ-সামান্য সম্পত্তিও বিক্ৰি কৰিব নোৱাৰিছিল। শেক্সপীয়েৰৰ এটা চৰিত্ৰই কৈছে—

"O my good lord !
I have been your tenant and your father's tenant,
These fourscore years."

ত্ৰয়োদশ শতাব্দীত এনে পৰনিৰ্ভৰশীল ভূমিদাসৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছিল। অৱশ্যে এই শতাব্দীৰ মাজ ভাগৰপৰাই ভূমিদাসসকলে খাজনা আৰু গা-খাটনিৰ (labour) বৃদ্ধিৰ প্ৰতিবাদত কোনো কোনো অঞ্চলত বিদ্ৰোহ আৰম্ভ কৰে। ১৩৮১ চনত সংঘটিত হোৱা কৃষক বিদ্ৰোহৰ উদ্দেশ্য আছিল খাজানাৰ নিৰিখ হ্ৰাস কৰা, সামাজিক মৰ্য্যাদা লাভ, নিজৰ সম্পত্তি কিনা-বেচা কৰাৰ অধিকাৰ ইত্যাদি। এইদৰে ১৪৮৫ চনৰ বহু আগৰেপৰাই ভূমিদাস প্ৰথাৰ অৱক্ষয় আৰম্ভ হয় আৰু ভূমিদাসসকলৰ সংখ্যা ক্ৰমে কমি আহিবলৈ ধৰে। অন্যহাতে নতুন নিয়মৰ প্ৰবৰ্তনৰ ফল স্বৰূপে "নিজাকৈ মাটি থকা" ভূমিদাসসকলৰ সংখ্যা ক্ৰমে বৃদ্ধি পাবলৈ ধৰিলে। ১৪৮৫ চনত এইটো প্ৰায় সকলোৱে গ্ৰহণ কৰা নিয়ম হৈ পৰিল যে 'কোনো স্বাধীন মানুহকে পুনৰ ভূমিদাস কৰিব পৰা নাযাব।' দৃষ্টিভঙ্গীৰ এই পৰিবৰ্তনৰ ফলত টিউডৰসকলৰ ৰাজত্বকালত ভূমিদাস প্ৰথাই অৱক্ষয়ৰ প্ৰায় শেষ সীমাত উপনীত হৈছিলহি। হাজাৰ হাজাৰ পৰিয়ালে বহন কৰিব লগা এই দাসত্বৰ কলঙ্ক আঁতৰাবৰ কাৰণে টিউডৰসকলে অৱশ্যে আইন সম্পৰ্কীয় কোনো ব্যৱস্থা লোৱা নাছিল। সময়ৰ অগ্ৰগতিতে এটা কলঙ্কজনক ব্যৱস্থা শেষ হৈ আহিছিল। ৰাজকোষ টনকিয়াল কৰিবৰ উদ্দেশ্যে ৮ম হেনৰীয়ে যেতিয়া মঠবোৰ (monastery) ভঙ্গ কৰি দিলে তেতিয়া এই প্ৰথাৰ অন্তিম অৱস্থা উপনীত হ'ল কিয়নো মঠবিলাকৰ মাটি চহাবৰ কাৰণে ৰখা বহুত ভূমিদাসে তেতিয়া মুক্তি পালে।

**Gentry শ্ৰেণী** ঃ—সুবিধাভোগী আৰু সকলো সুবিধাৰপৰা বঞ্চিত তেতিয়াৰ ইংলণ্ডৰ সমাজ ব্যৱস্থাত এই দুই শ্ৰেণীৰ মানুহৰ সৃষ্টি হৈছিল। এনে অৱস্থাত ইংৰাজসকলৰ অধিকাংশই ব্যক্তিগতভাৱে বিশেষ পৌৰ সা-সুবিধা আৰু অধিকাৰ ভোগ কৰিবলৈ নাপাইছিল। শ্ৰেণী বৈষম্য প্ৰকট হৈ থকা





এনে সমাজত ব্যক্তিসকলৰ সামাজিক স্থান আৰু মৰ্য্যাদা নিশ্চিতভাৱে নিৰ্ণীত হৈছিল তেওঁলোকৰ বিষয় সম্পত্তিৰ দ্বাৰা।

মুঠ জনসংখ্যাৰ ন-দশমাংশ গাৱঁত বাস কৰিছিল আৰু গাৱঁত বাস কৰা মানুহবোৰক আকৌ দুটা শ্ৰেণীত ভগাব পাৰি (১) যিবোৰে শ্ৰম কৰি মাটি চহাই জীৱিকা নিৰ্বাহ কৰিছিল আৰু (২) যিবোৰ নিজে শ্ৰম নকৰাকৈয়ে মাটিৰ মালিকী স্বত্ব থকা কাৰণে মাটিৰপৰা উপাৰ্জন কৰিছিল। শ্ৰমৰ লগত সম্পৰ্ক থকা কৃষক শ্ৰেণীৰ অধিকাংশই আছিল উল্লেখিত প্ৰথম শ্ৰেণীৰ আৰু দ্বিতীয় শ্ৰেণীটো আছিল জমিদাৰ শ্ৰেণী। কৃষক সকলে আগবঢ়োৱা খাজানা বা শাৰীৰিক পৰিশ্ৰমৰ ওপৰত জমিদাৰ শ্ৰেণীটো নিৰ্ভৰশীল আছিল আৰু অৱশ্যেই জমিদাৰ শ্ৰেণীটো সংখ্যা লঘু আছিল। এক জমিদাৰী ব্যৱস্থাৰ দ্বাৰা (manor system) সংখ্যা গৰিষ্ঠ কৃষক শ্ৰেণীয়ে কপালৰ ঘাম মাটিত পেলাই কষ্ট কৰা আৰু সংখ্যালঘু জমিদাৰ শ্ৰেণীয়ে তেনে কষ্টৰে আৰ্জ্জিত ফল ভোগ কৰাৰ নিয়ম হৈছিল। এই জমিদাৰী ব্যৱস্থা অনুসৰি ৰায়তী স্বত্বত সামন্তই ৰজাৰ পৰা আৰু সামন্তৰপৰা চৰ্তসাপেক্ষে প্ৰকৃত খেতিয়কে খেতিৰ কাৰণে মাটি লৈছিল। এনে জমিদাৰীৰ দায়িত্বত থকা শ্ৰেণীটোক জনা গৈছিল 'ভদ্ৰ সম্প্ৰদায়' (Gentry) নামেৰে। মৰ্য্যাদাৰ দৃষ্টিকোণৰ পৰা এওঁলোকৰ স্থান আছিল অভিজাত সম্প্ৰদায়ৰ পিচত। শ্ৰেণী হিচাপে অভিজাত সম্প্ৰদায়ৰ অস্তিত্ব আইনগতভাৱে স্বীকৃত হোৱাৰ দৰে 'ভদ্ৰ সম্প্ৰদায়'ৰ কোনো আইন-স্বীকৃত অস্তিত্ব নাছিল। ৰজাই এই সম্প্ৰদায়ৰ কাৰোবাক কাৰোবাক কেতিয়াবা বিশেষ সা-সুবিধা দিছিল। সেই সা-সুবিধাবোৰ আছিল নিতান্ত ব্যক্তিগত ভাবে লাভ কৰা সা-সুবিধা, সেইবোৰ শ্ৰেণীগত সা-সুবিধা নাছিল। সামাজিক মৰ্য্যাদা বজাই ৰাখিবৰ কাৰণে এওঁলোকে নিজাকৈ কিছু সৈন্য ৰাখিছিল আৰু প্ৰয়োজন অনুসৰি ৰজাক সহায় কৰিছিল।

ইংলণ্ডৰ ইতিহাসত এই কথা লক্ষ্যণীয় যে দক্ষ আৰু প্ৰতিভাবান মানুহে অতি সামান্য অৱস্থাৰ পৰা মৰ্য্যাদাপূৰ্ণ স্থান অধিকাৰ কৰিছে আৰু অক্ষমতা আৰু নিৰ্বোধিতাৰ কাৰণে বহুত মানুহ পদমৰ্য্যাদাচ্যুত বা সুচল অৱস্থাৰ পৰা ভীষণ দাৰিদ্ৰ্যৰ সম্মুখীন হবলগীয়া হৈছে। ক্ৰমে হ্ৰাসপ্ৰাপ্ত হোৱা 'ভদ্ৰ সম্প্ৰদায়'ৰ সংখ্যা অষ্টম হেনৰীৰ দিনত পুনৰ বৃদ্ধি পাবলৈ ধৰিলে। বহুতো 'নিম্ন শ্ৰেণী'ৰ



OKDISCD

নিজৰ যৎ-সামান্য সম্পত্তিও বিক্ৰি কৰিব নোৱাৰিছিল। শেক্সপীয়ৰৰ এটা চৰিত্ৰই কৈছে—

"O my good lord !
I have been your tenant and your father's tenant,
These fourscore years."

ত্ৰয়োদশ শতাব্দীত এনে পৰনিৰ্ভৰশীল ভূমিদাসৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছিল। অৱশ্যে এই শতাব্দীৰ মাজ ভাগৰপৰাই ভূমিদাসসকলে খাজনা আৰু গা-খাটনিৰ (labour) বৃদ্ধিৰ প্ৰতিবাদত কোনো কোনো অঞ্চলত বিদ্ৰোহ আৰম্ভ কৰে। ১৩৮১ চনত সংঘটিত হোৱা কৃষক বিদ্ৰোহৰ উদ্দেশ্য আছিল খাজানাৰ নিৰিখ হ্ৰাস কৰা, সামাজিক মৰ্য্যাদা লাভ, নিজৰ সম্পত্তি কিনা-বেচা কৰাৰ অধিকাৰ ইত্যাদি। এইদৰে ১৪৮৫ চনৰ বহু আগৰেপৰাই ভূমিদাস প্ৰথাৰ অৱক্ষয় আৰম্ভ হয় আৰু ভূমিদাসসকলৰ সংখ্যা ক্ৰমে কমি আহিবলৈ ধৰে। অন্যহাতে নতুন নিয়মৰ প্ৰৱৰ্তনৰ ফল স্বৰূপে "নিজাকৈ মাটি থকা" ভূমিদাসসকলৰ সংখ্যা ক্ৰমে বৃদ্ধি পাবলৈ ধৰিলে। ১৪৮৫ চনত এইটো প্ৰায় সকলোৱে গ্ৰহণ কৰা নিয়ম হৈ পৰিল যে 'কোনো স্বাধীন মানুহকে পুনৰ ভূমিদাস কৰিব পৰা নাযাব।' দৃষ্টিভঙ্গীৰ এই পৰিবৰ্তনৰ ফলত টিউডৰসকলৰ ৰাজত্বকালত ভূমিদাস প্ৰথাই অৱক্ষয়ৰ প্ৰায় শেষ সীমাত উপনীত হৈছিলহি। হাজাৰ হাজাৰ পৰিয়ালে বহন কৰিব লগা এই দাসত্বৰ কলঙ্ক আঁতৰাবৰ কাৰণে টিউডৰসকলে অৱশ্যে আইন সম্পৰ্কীয় কোনো ব্যৱস্থা লোৱা নাছিল। সময়ৰ অগ্ৰগতিতে এটা কলঙ্কজনক ব্যৱস্থা শেষ হৈ আহিছিল। ৰাজকোষ টনকিয়াল কৰিবৰ উদ্দেশ্যে ৮ম হেনৰীয়ে যেতিয়া মঠবোৰ (monastery) ভঙ্গ কৰি দিলে তেতিয়া এই প্ৰথাৰ অন্তিম অৱস্থা উপনীত হ'ল কিয়নো মঠবিলাকৰ মাটি চহাবৰ কাৰণে ৰখা বহুত ভূমিদাসে তেতিয়া মুক্তি পালে।

**Gentry শ্ৰেণী** ঃ—সুবিধাভোগী আৰু সকলো সুবিধাৰপৰা বঞ্চিত তেতিয়াৰ ইংলণ্ডৰ সমাজ ব্যৱস্থাত এই দুই শ্ৰেণীৰ মানুহৰ সৃষ্টি হৈছিল। এনে অৱস্থাত ইংৰাজসকলৰ অধিকাংশই ব্যক্তিগতভাৱে বিশেষ পৌৰ সা-সুবিধা আৰু অধিকাৰ ভোগ কৰিবলৈ নাপাইছিল। শ্ৰেণী বৈষম্য প্ৰকট হৈ থকা





এনে সমাজত ব্যক্তিসকলৰ সামাজিক স্থান আৰু মৰ্য্যাদা নিশ্চিতভাৱে নিৰ্ণীত হৈছিল তেওঁলোকৰ বিষয় সম্পত্তিৰ দ্বাৰা।

মুঠ জনসংখ্যাৰ ন-দশমাংশ গাৱঁত বাস কৰিছিল আৰু গাৱঁত বাস কৰা মানুহবোৰক আকৌ দুটা শ্ৰেণীত ভগাব পাৰি (১) যিবোৰে শ্ৰম কৰি মাটি চহাই জীৱিকা নিৰ্বাহ কৰিছিল আৰু (২) যিবোৰ নিজে শ্ৰম নকৰাকৈয়ে মাটিৰ মালিকী স্বত্ব থকা কাৰণে মাটিৰপৰা উপাৰ্জন কৰিছিল। শ্ৰমৰ লগত সম্পৰ্ক থকা কৃষক শ্ৰেণীৰ অধিকাংশই আছিল উল্লেখিত প্ৰথম শ্ৰেণীৰ আৰু দ্বিতীয় শ্ৰেণীটো আছিল জমিদাৰ শ্ৰেণী। কৃষক সকলে আগবঢ়োৱা খাজানা বা শাৰীৰিক পৰিশ্ৰমৰ ওপৰত জমিদাৰ শ্ৰেণীটো নিৰ্ভৰশীল আছিল আৰু অৱশ্যেই জমিদাৰ শ্ৰেণীটো সংখ্যা লঘু আছিল। এক জমিদাৰী ব্যৱস্থাৰ দ্বাৰা (manor system) সংখ্যা গৰিষ্ঠ কৃষক শ্ৰেণীয়ে কপালৰ ঘাম মাটিত পেলাই কষ্ট কৰা আৰু সংখ্যালঘু জমিদাৰ শ্ৰেণীয়ে তেনে কষ্টৰে আৰ্জ্জিত ফল ভোগ কৰাৰ নিয়ম হৈছিল। এই জমিদাৰী ব্যৱস্থা অনুসৰি ৰায়তী স্বত্বত সামন্তই ৰজাৰ পৰা আৰু সামন্তৰপৰা চৰ্তসাপেক্ষে প্ৰকৃত খেতিয়কে খেতিৰ কাৰণে মাটি লৈছিল। এনে জমিদাৰীৰ দায়িত্বত থকা শ্ৰেণীটোক জনা গৈছিল 'ভদ্ৰ সম্প্ৰদায়' (Gentry) নামেৰে। মৰ্য্যাদাৰ দৃষ্টিকোণৰ পৰা এওঁলোকৰ স্থান আছিল অভিজাত সম্প্ৰদায়ৰ পিচত। শ্ৰেণী হিচাপে অভিজাত সম্প্ৰদায়ৰ অস্তিত্ব আইনগতভাৱে স্বীকৃত হোৱাৰ দৰে 'ভদ্ৰ সম্প্ৰদায়'ৰ কোনো আইন-স্বীকৃত অস্তিত্ব নাছিল। ৰজাই এই সম্প্ৰদায়ৰ কাৰোবাক কাৰোবাক কেতিয়াবা বিশেষ সা-সুবিধা দিছিল। সেই সা-সুবিধাবোৰ আছিল নিতান্ত ব্যক্তিগত ভাবে লাভ কৰা সা-সুবিধা, সেইবোৰ শ্ৰেণীগত সা-সুবিধা নাছিল। সামাজিক মৰ্য্যাদা বজাই ৰাখিবৰ কাৰণে এওঁলোকে নিজাকৈ কিছু সৈন্য ৰাখিছিল আৰু প্ৰয়োজন অনুসৰি ৰজাক সহায় কৰিছিল।

ইংলণ্ডৰ ইতিহাসত এই কথা লক্ষ্যণীয় যে দক্ষ আৰু প্ৰতিভাবান মানুহে অতি সামান্য অৱস্থাৰ পৰা মৰ্য্যাদাপূৰ্ণ স্থান অধিকাৰ কৰিছে আৰু অক্ষমতা আৰু নিৰ্বোধিতাৰ কাৰণে বহুত মানুহ পদমৰ্য্যাদাচ্যুত বা সুচল অৱস্থাৰ পৰা জীৰ্ণ দাৰিদ্ৰ্যৰ সন্মুখীন হবলগীয়া হৈছে। ক্ৰমে হ্ৰাসপ্ৰাপ্ত হোৱা 'ভদ্ৰ সম্প্ৰদায়'ৰ সংখ্যা অষ্টম হেনৰীৰ দিনত পুনৰ বৃদ্ধি পাবলৈ ধৰিলে। বহুতো 'নিম্ন শ্ৰেণী'ৰ



OKDISCD

মানুহক 'ভদ্ৰ সম্প্ৰদায়'লৈ উত্তীৰ্ণ কৰা কাৰণেই এই বৃদ্ধি সম্ভৱপৰ হৈছিল। নিজৰ যোগ্যতাৰ দ্বাৰা নতুনকৈ সম্প্ৰদায় ভুক্ত হোৱা এই ভদ্ৰলোকসকল আহিছিল সমাজৰ বিভিন্ন বৃত্তিৰ পৰা। প্ৰয়োজনৰ সময়ত ৰজাক নানা ভাবে সহায় কৰাৰ বাবদ আৰু পুৰস্কাৰ হিচাপে ৰজাই বহুতকে ভূমি দান কৰিছিল। অভিজাত সম্প্ৰদায়ৰ লোকক সেৱা কৰাৰ বাবদ হিচাপেও বহুতে ভূ-সম্পত্তি লাভ কৰিছিল। ব্যৱসায় বাণিজ্যৰ যোগেদি উপাৰ্জন কৰি সেই উপাৰ্জনৰ ধনেৰে মাটি কিনিও বহুতে 'ভদ্ৰ সম্প্ৰদায়' ভুক্ত হৈছিল। এই ক্ষেত্ৰত উকীল সকলে বিশেষ সুবিধা কৰিব পাৰিছিল। ব্যৱসায়ী, সদাগৰ আৰু উদ্যোগপতিসকলে চতুৰ্দ্দশ শতাব্দীৰ পৰাই বৈষয়িক উন্নতিৰ জখলাৰে বগাই গৈ সামাজিক মান মৰ্য্যাদা অধিকাৰ কৰিব পাৰিছিল। ষষ্ঠদশ শতাব্দীৰ আৰম্ভণীৰ পৰাই নগৰৰ পৰা গাৱঁলৈ 'মূল-ধন'ৰ ( capital ) সোঁত ববলৈ ধৰিলে। নগৰত বিভিন্ন বৃত্তিত নিয়োজিত থাকি ধন ঘটি গাৱঁলৈ আহি বহুত মাটি কিনি লৈ এই বৃত্তিধাৰী ব্যক্তিসকলে সহজেই 'ভদ্ৰ সম্প্ৰদায়' ভুক্ত হৈ সম্প্ৰদায়ৰ অন্যান্য লোকৰ লগত মিলি গ'ল। আকৌ ইংলণ্ডত জ্যেষ্ঠজনেহে ( Primogeniture ) সম্পত্তিৰ একমাত্ৰ উত্তৰাধিকাৰ হোৱাৰ নিয়ম আছিল। গতিকে এজন ভূ-স্বামীৰ মৃত্যুত উত্তৰাধিকাৰ সূত্ৰে তেওঁৰ জেষ্ঠ পুত্ৰজন ভূ-স্বামী হিচাপে পৰিগণিত হৈছিল আৰু অন্যান্য পুত্ৰসকলে ব্যৱসায় বা অন্য কোনো বৃত্তিত যোগ দি জীৱিকা অৰ্জন কৰিবলৈ বাধ্য হৈছিল। এনে নিয়মৰ ফলত জমিদাৰৰ পুত্ৰ কেতিয়াবা হৈছিল ব্যৱসায়ী বা উকীল আৰু যথেষ্ট অৰ্থ সম্পদ উপাৰ্জন কৰি আকৌ গাৱঁলৈ আহি মাটি কিনি লৈ ব্যৱসায়ী বা উকীল হৈছিলহি জমিদাৰ। Hamlet নাটকত নতুনকৈ মাটিবাৰী কিনি 'ভদ্ৰ' হোৱা এজন মানুহৰ প্ৰতি হেমলেটৰ কটাক্ষ মন কৰিবলগীয়া

Hamlet : ( Aside to Horatio ) Dost know this water-fly ?
Horatio : ( Aside to Hamlet ) No, my good lord.
Hamlet : (Aside to Horatio) Thy state is the more gracious ; for 'tis a vice to know him. He hath much land, and fertile. Let a beast be lord of beasts, and his crib shall stand at the king's mess. 'Tis a chough ; but, as I say, spacious in the possession of dirt

( Hamlet, Act 5, scene 2, lines 83—90 )





**ফ্ৰি হ'ল্ডাৰ কৃষক :** সামগ্ৰিক ভাৱে বিচাৰ কৰিলে এই কথা স্পষ্ট হৈ পৰে যে পঞ্চদশ শতিকাটো ইংলণ্ডৰ কৃষক শ্ৰেণীৰ উন্নতিৰ কাৰণে অতি অনুকূল আছিল। এই শতিকাৰ বহুতো কৃষক পৰিয়ালৰ কথা ইতিহাসে কয় যাৰ নিজা ভূ-সম্পত্তি আৰু ভেড়াৰ দল আছিল আৰু যাৰ জীৱন ধাৰণৰ মান উন্নত আছিল। কিন্তু অনুকূল পৰিবেশৰ এই চুটি সময় ছোৱাতে সিচা হৈছিল ভবিষ্যৎ অশান্তি আৰু অনৈক্যৰ বীজ। এইটো নিতান্তই স্বাভাৱিক কথা যে সেই দেশৰ সকলো কৃষকৰ সমান পৰিমাণৰ ভূ-সম্পত্তি নাছিল। ব্যক্তিগত উদ্যম আৰু প্ৰচেষ্টা অনুসৰিহে কৃষকে ভূমি সংগ্ৰহ কৰিব পাৰিছিল ; গতিকে এই কথা স্পষ্ট হৈ পৰে যে গোটেই শ্ৰেণীটোৰ সামূহিক স্বাৰ্থতকৈ ব্যক্তিগত স্বাৰ্থৰ প্ৰতিহে কৃষক সকল অধিক মনোযোগী আছিল। ব্যক্তিগত স্বাৰ্থক অগ্ৰাধিকাৰ নিদি গোটেই কৃষক শ্ৰেণীটোৰ উন্নতিৰ কথা ভবা হলে ভৱিষ্যতৰ অগ্নি-পৰীক্ষাত কৃষক সম্প্ৰদায়ে নিঃসন্দেহে উত্তীৰ্ণ হ'লহেঁতেন! কিন্তু কৃষকসকলে নিজৰ মাজতে বহুধা বিভক্ত হৈহে ভৱিষ্যতৰ সংগ্ৰামবোৰ কৰিছিল।

সময়ৰ অগ্ৰগতিত ইংলেণ্ডৰ কৃষক শ্ৰেণীৰ মাজত দেখা দিছিল এক ঐতিহাসিক বিভাজনে। তেওঁলোকৰ মাজত এতিয়া দুটা শ্ৰেণী হৈছিল—স্বাধীন বা নিষ্কৰ ভূমিৰ অধিকাৰী কৃষক আৰু (২) আগৰ প্ৰথাৰ ভূমিদাসসকল। ব্যক্তিগত প্ৰচেষ্টাৰ দ্বাৰা লাভ কৰা অৰ্থ নৈতিক যোগ্যতাই এই বিভাজনক দ্ৰুততৰ আৰু শক্তিশালী কৰিছিল। টিউডৰসকলৰ ৰাজত্ব কালত কৃষি এক প্ৰতিযোগিতামূলক ব্যৱসায়ত পৰিণত হৈছিল আৰু এনে অৱস্থাত নিৰ্দ্ধাৰিত ধনৰ বিনিময়ত ভূ-স্বামীৰপৰা মাটি লৈ নিৰ্দিষ্ট সময়ৰ কাৰণে খেতি কৰা মুক্ত কৃষক সকলহে টিকি থাকিব পাৰিছিল। ধনৰ বিনিময়ত এইদৰে মাটি ভোগকৰা কালছোৱাত ৰায়তে সামন্তৰ উৎপীড়নৰ পৰা নিষ্কৃতি পাইছিল ; কিয়নো সেই সময়ত ৰজাৰ নিয়ম কানুনে তেওঁলোকক নিৰাপত্তা দিছিল। আকৌ সেই যুগটোত বেহাবেপাৰ বৃদ্ধি হোৱাত বয়বস্তুৰ দাম স্বাভাৱিকতে উৰ্দ্ধমুখী হোৱাত কৃষকসকলে দিবলগা খাজানাৰ প্ৰকৃত মূল্যৰ মানো কমি আহিছিল। অৰ্থাৎ কৃষিজাত সামগ্ৰী বিক্ৰি কৰি ( বয়বস্তুৰ দাম প্ৰায়ে বৃদ্ধি পাইছিল ) কৃষকে পাইছিল অধিক ধন, কিন্তু এবাৰ নিৰ্দ্ধাৰিত হোৱা খাজনাৰ নিৰিখ সঘনে বৃদ্ধি নহৈছিল। আকৌ বহুত ক্ষেত্ৰত এনে হৈছিল যে এই খাজানাৰ কথা দুয়ো পক্ষই পাহৰিয়েই গৈছিল আৰু



OKDISCD

ৰায়তৰপৰাই বহুতে আধুনিক অৰ্থত ব্যৱহৃত হোৱা নিষ্কৰ ভূমিৰ অধিকাৰী ব্যক্তিলৈ ( free holders ) উত্তীৰ্ণ হৈছিল। অৱশ্যে টিউডৰ যুগৰ ইংলণ্ডত নিষ্কৰ ভূমিৰ অধিকাৰী কৃষকসকল এটা সংখ্যালঘু সম্প্ৰদায়হে আছিল; ইংলণ্ডৰ প্ৰতি পাচজনৰ ভিতৰত এজনহে মাথো তেওঁলোকৰ শ্ৰেণীভুক্ত আছিল।

তেওঁলোকৰ অৰ্থ নৈতিক অৱস্থা উন্নত হোৱাৰ লগে লগে তেওঁলোকৰ সামাজিক মৰ্য্যাদাও ক্ৰমশঃ বৃদ্ধি পালে। এইখিনিতে উল্লেখযোগ্য যে অকল তেওঁলোকৰ নিচিনা কৃষকেহে পাৰ্লামেণ্টৰ সদস্য নিৰ্বাচনৰ কাৰণে ভোটদান কৰিব পাৰিছিল। তেওঁলোক আছিল এক বিশেষ ধৰণৰ 'ৰায়ত অভিজাত' শ্ৰেণী; ৰাজনৈতিক অধিকাৰ বিহীন ৰায়ত—কৃষক শ্ৰেণীতকৈ নিজকে ওপৰত বুলি বিবেচনা কৰি তেওঁলোকে সেই শ্ৰেণীৰ স্বাৰ্থৰ কথা বিবেচনা নকৰিছিল।

**Yeoman শ্ৰেণীৰ কৃষক :** মৰ্য্যাদাৰ ফালৰপৰা এওঁলোকে সমাজত মধ্যৱৰ্তী স্থান দখল কৰিছিল—'নাইট' ( knight ) আৰু 'ভদ্ৰ সম্প্ৰদায়'ৰ ( Gentry ) তলত আৰু সাধাৰণ খেতিয়কৰ ওপৰত। এই 'মধ্যবিত্ত' ( yeoman ) শব্দ টোৱে অন্ততঃ ৩ শ্ৰেণীৰ অৱস্থাপন্ন কৃষকৰ কথা বুজাইছিল—(১) নিজৰ মাটি থকা কৃষক ( free holders ), (খ) সামন্তৰ ইচ্ছাধীন প্ৰজা' ( Tenant at-will ) হিচাপে থকা ধনী কৃষক আৰু (গ) ধনৰ বিনিময়ত সামন্তৰ পৰা মাটি লৈ খেতি কৰা ধনী কৃষক। কৃষিৰ উপৰিও নানা ব্যৱসায় কৰি এওঁলোকে যথেষ্ট সম্পত্তি গোটাইছিল।

জীৱিকা নিৰ্বাহৰ পথ এতিয়া বহুত বৃদ্ধি হৈছিল আৰু এই বৃদ্ধিয়ে yeoman শ্ৰেণীৰ বিকাশত যথেষ্ট সহায় কৰিছিল। আকৌ এই শ্ৰেণীৰ বিকাশে সমাজত পুনৰ বহুত ধৰণৰ পৰিবৰ্তন সংঘটিত কৰিছিল। এওঁলোকৰ সতি-সন্ততিয়ে স্কুল কলেজলৈ গৈ শিক্ষালাভ কৰিছিল আৰু পিচত দেশৰ প্ৰশাসনীয় সেৱা, সৈন্য-বাহিনী আৰু অন্যান্য বৃত্তিত যোগদান কৰিছিল। পিচলৈ ইংৰাজ জাতিয়ে যি বিশ্বজোৰা খ্যাতি অৰ্জন কৰিছিল, সেই খ্যাতিৰ মূলতে আছিল এই শ্ৰেণীৰ সেৱাৰ মনোভাৱ আৰু কৰ্ম কুশলতা। ( আগলৈ )



# আমাৰ শিক্ষা ব্যৱস্থাঃ বাস্তৱ আৰু আদৰ্শ

**ৰঞ্জিত নাৰায়ন ডেকা**

মানুহজন শিক্ষিত—এই কথাযাৰৰ মূল্য নাথাকে যদি তেওঁ পোৱা শিক্ষাই সমাজৰ বিকাশত তেওঁক অৰিহনা দিবলৈ নিশিকায়। কোনো প্ৰগতিশীল সমাজতে শিক্ষা লাভ এটা বিলাস হব নোৱাৰে। শিক্ষা লাভৰ ধাৰণা বিলাস বা ব্যক্তিৰ স্বাৰ্থ পূৰণৰ সুৱলৈ ৰূপান্তৰিত হলে, সেই সমাজৰ ক্ষয় নিশ্চিত। বৰ্ত্তমান আমাৰ সমাজত প্ৰচলিত শিক্ষা নীতিয়ে শিক্ষাক এক প্ৰকাৰৰ বিলাসিতাত পৰিণত কৰি শিক্ষিতজনক সমাজত বিকাশ আৰু প্ৰগতিৰ প্ৰতি পিঠি দিবলৈহে শিকাইছে। আমাৰ ইয়াত শিক্ষা লোৱা হয় এটা মৰ্য্যাদা পোৱাৰ বাবে আৰু ইয়াৰ পিচত যত্ন কৰা হয় কেনেকৈ এই মৰ্য্যাদা নিজৰ উপযোগীকৈ ব্যৱহাৰ কৰি সমাজত প্ৰভুত্ব কৰিব পাৰি। কিন্তু শিক্ষিত জনৰ প্ৰভুত্ব বিস্তাৰ শিক্ষাৰ উদ্দেশ্য নহয়; শিক্ষিতজনে শিক্ষাৰ পৰা পোৱা যোগ্যতাৰে সমাজৰ সেৱা কৰাটোহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য। শিক্ষানীতিক সমাজৰ প্ৰগতি আৰু বিকাশৰ হাতিয়াৰ কৰিবই লাগিব আৰু এনে কৰিবলৈ যি লোকে দায়িত্ব লয় আৰু সঙ্কল্প কৰে, তেওঁহে প্ৰকৃত শিক্ষিত। নহলে মুষ্টিমেয় শিক্ষা বিলাসীয়ে সমাজৰ ওপৰত আধিপত্য বিস্তাৰ কৰি অগণন দুখীয়া ৰাইজক শোষণৰ দণ্ডেৰে জুকলা কৰি থাকিব। এই শোষণ ওফৰাবলৈ বৰ্ত্তমানে স্বতন্ত্ৰ মূল্যৰ বেহুত আবদ্ধ শিক্ষা নীতিক মুক্ত কৰা সমাজমুখী শিক্ষা পদ্ধতিৰ প্ৰচলন কৰিব লাগিব।

যিখন দেশৰ লক্ষ্য সমাজবাদ সেইখন দেশত শিক্ষাৰ আলঙ্কাৰিক মূল্য থাকিব নোৱাৰে। এনে সমাজত সামুহিক বিকাশৰ আৰু উন্নতিৰ বাবেহে শিক্ষাৰ আৱশ্যক হয়। এই বিকাশ আৰু উন্নতিৰ অন্তৰায় হৈ চলি অহা কুসংস্কাৰ আৰু শোষণ যি শিক্ষাৰ ফলত আঁতৰি যোৱাৰ ব্যৱস্থা হয়, সেই শিক্ষাকে আমি যৌক্তিক মনোভাৱৰ (attitudes) ওপৰত নিৰ্ভৰশীল বুলি কম।



OKDISCD

এতিয়ালৈকে শিক্ষাই মনোভাবৰ ভ্ৰান্তি—কুসংস্কাৰ, অন্ধ বিশ্বাস, স্বাৰ্থপৰতা আদি—আঁতৰাব পৰা নাই আৰু এইবোৰ আঁতৰাবলৈ আমাৰ শিক্ষা ব্যৱস্থাত আঁচনিমূলক সঙ্কল্পও নাই। আমাৰ মাজত চলি থকা জাতিভেদ, হিন্দু-মুছলমান বিৰোধ আৰু নানান গোষ্ঠীবাদী চিন্তাধাৰা নিশ্চয় যৌক্তিক মনোভাবৰ পৰিচায়ক নহয়। এই পৰ্য্যন্ত আমাৰ শিক্ষা বিকাৰ গ্ৰস্ত আৰু ই কেতিয়াও প্ৰগতিশীল সমাজৰ পৰিপূৰক হব নোৱাৰে।

## শিক্ষাৰ লক্ষ্য

শিক্ষা সমাজবাদী সমাজৰ পৰিপূৰক হবলৈ ইয়াৰ লক্ষ্য হব লাগিব—(১) নিৰক্ষৰতা দূৰীকৰণ, (২) মাধ্যমিক স্তৰলৈ শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়া কৰা, (৩) আধা-অধ্যয়ন—আধা কৰ্ম, (৪) কু-শিক্ষাৰ দূৰীকৰণ, (৫) শিক্ষাৰ অপপ্ৰয়োগৰ ফলত শিক্ষা সম্পদৰ ব্যাপক অপচয় বন্ধ কৰা, (৬) কাকতী-বৃত্তিধাৰী শ্ৰেণীৰ আমোলাতন্ত্ৰ আঁতৰ কৰা। কেৱল বিদ্যালয়ৰ—স্কুল বা কলেজ হওক—সংখ্যা বঢ়োৱাটোৱেই শিক্ষা সম্প্ৰসাৰণ বা শিক্ষা নীতিৰ উদ্দেশ্য নহয়। সমাজৰ বিকাশ আৰু উন্নতিৰ অন্তৰায় বোৰ দূৰ কৰাহে শিক্ষাৰ মাই উদ্দেশ্য। শিক্ষাৰ সা-সুবিধা আজিকালি আগতকৈ বাঢ়িল বুলি কৈ আত্মপ্ৰত্যয় হলেই শিক্ষাৰ উদ্দেশ্য সফল নহয়; চাব লাগিব শিক্ষাৰ সম্প্ৰসাৰণৰ ফলত মানুহৰ মনৰ পৰা কুসংস্কাৰ আৰু শোষণৰ মনোভাব আঁতৰি গৈছে নে নাই। এই লক্ষ্যত উপনীত হবলৈ নিৰক্ষৰতা আঁতৰ হবই লাগিব আৰু নিৰক্ষৰতা দূৰ কৰিব পাৰে প্ৰাইমেৰি আৰু মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰণে। ইয়াৰ সম্প্ৰসাৰণে চীন দেশত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল—"But it is the rapid extension of primary and secondary education that really heralds the end of illiteracy in China. Extensive school building and teacher training raised enrolment in primary schools—51 million in 1952—to 90 million in 1959, and expected to mount to 110 million by the end of 1960. The number of students in all types of secondary schools—just over 3 million in 1952—that reached 13 million by 1959 and may





surpass 14 million by the end of 1960." (**China and her shadow**—Tibor Mende, পৃঃ ২৩৮) ইয়াৰ ফলত ১৯৬৫ চনত ৪০ বছৰৰ তলত চীনত কোনো অনাখৰী নাছিল (**China in the year of 2001**—Han Suyin, পৃঃ ১৮৪)।

## মধ্যবিত্ত আৰু শিক্ষাৰ মৰ্ম

আমাৰ উচ্চ মাধ্যমিক স্তৰৰ শিক্ষাত ল'ৰা ছোৱালী কাৰিকৰি শিক্ষা পোৱাৰ আৰু উৎপাদনৰ বাবে শ্ৰম কৰাৰ সুবিধা নাই। (আমাৰ দেশত কাৰিকৰি শিক্ষাও একধৰণৰ উচ্চ পদৰ বাবে দুৱাৰ স্বৰূপ।) ফলত প্ৰায়-বোৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বাবে চাপলি মেলিবলগীয়া হয়। এই ব্যৱস্থা থকা বাবে আটাইতকৈ লাভবান হৈছে মধ্যবিত্ত শ্ৰেণীটো। কাৰণ উচ্চ স্তৰৰ **শিক্ষাৰ ব্যয় বহন কৰাৰ ক্ষমতা আছে এই মধ্যবিত্ত শ্ৰেণীটোৰ।** সেয়ে কলেজৰ তলৰ স্তৰত কাৰিকৰি শিক্ষা পোৱা শিক্ষা নীতি মধ্যবিত্ত শাসক গোষ্ঠীয়ে নলয় আৰু তেতিয়াহে মধ্যবিত্তৰ শোষণ চলি থাকিব পাৰিব। কিন্তু নতুন সমাজ গঠন কৰিবলৈ হলে শিক্ষা লাভৰ লগতে ফলপ্ৰসূঃ শ্ৰমৰ ব্যৱস্থা থাকিব লাগিব। কাৰিকৰি বিদ্যাও তেতিয়া পুথিগত হৈ নাথাকে। এই শিক্ষা ব্যৱস্থা চীন দেশত প্ৰচলিত কৰি তেওঁলোকে অভুতপূৰ্ব সাফল্য লাভ কৰিছেঃ

"In full-time schools, the common practice is known as the 1-3-8 system: one month vacation, three months productive labour, and eight months study ......Thus in higher institutions of technology with a course lasting five years, in a total of 260 weeks, 52 weeks are set aside for productive labour, evenly distributed among the first four school years, with an average of 13 weeks per year; the fifth year students being exempted from labour obligations." (**The Chinese Model**-Edited by Werner Klatt, পৃঃ ৪১)

আমাৰ শিক্ষা নীতিয়ে প্ৰাইমেৰি আৰু মাধ্যমিক স্তৰৰ শিক্ষাত কোনো গুৰুত্ব দিয়া নাই। আনহাতে বিজ্ঞান শিক্ষাৰ আৱশ্যকতা সম্বন্ধে খুব ঢোল বজোৱা হৈছে। কিন্তু বিজ্ঞান শিক্ষাৰ ভাল আৰু উপযুক্ত সা-সুবিধা মাধ্যমিক স্তৰৰ শিক্ষাত নাই; আছে কলেজৰ স্তৰতহে। মাধ্যমিক স্তৰত বিজ্ঞান আৰু কাৰিকৰি শিক্ষা দিয়াৰ ব্যৱস্থা থকাহেঁতেন বহুতে বিজ্ঞান আৰু কাৰিকৰি শিক্ষা লৈ উৎপাদনৰ কামত লাগিব পাৰিলেহেঁতেন। এই ব্যৱস্থা চীনত এনেদৰে হৈ উঠিছে ঃ

"A new development in secondary education since 1958 has been the experimental amalgamation of factories and schools. Students in these schools work in the factories for a varying number of hours each day to learn technical skills, while workers are sent to study in the schools to improve their education. In some cases, the managers of the factories act as vice-principals of the schools and the school principals become assistant managers of the factories. In the rural areas, secondary education is oriented strongly toward the training of farm workers who will be able to apply the newest scientific technique to agriculture and manage the manifold activities of a commune.

"In general, secondary education in New China is designed to provide the state with a vast pool of skilled workers and technicians to keep up with the accelerating tempo of its industrialisation program." (**China : Chang-tu Hu** and others, পৃঃ ৪২৪)

## বুৰ্জুৱাৰ বহতীয়া হিচাবে মধ্যবিত্তৰ চক্ৰান্ত

এই লক্ষ্য আমাৰ শিক্ষা নীতিত নথকাৰ প্ৰধান কাৰণ হ'ল যে আমাৰ উৎপাদন ব্যৱস্থা নিয়ন্ত্ৰণ কৰিছে মুষ্টিমেয় পুঁজিপতি বা বুৰ্জুৱা শ্ৰেণীয়ে। আমাৰ শিক্ষা নীতিটো মধ্যবিত্তই নিয়ন্ত্ৰণ কৰিলেও ইহঁতে পুঁজিপতি বা বুৰ্জুৱা





শ্ৰেণীটোৰ স্বাৰ্থহে যাইকৈ ৰক্ষা কৰিছে। কাৰণ উৎপাদন ব্যৱস্থা পুঁজিপতি সকলৰ হাতত থকা বাবে তেওঁলোকহে কামকাজ দিয়াৰ আৰু জাতীয় আয় পৰিবেশনৰ মালিক। গতিকে শিক্ষা নীতিটোও এই পুঁজিপতি সকলৰ চাহিদা পূৰণ কৰা বিধৰ হোৱাটো স্বাভাৱিক। মাধ্যমিক স্তৰৰ শিক্ষা কিছু বিস্তৃত আৰু ইয়াত কাৰিকৰি শিক্ষাৰ ব্যৱস্থা কৰিলে বহু লোক অৰ্হতাপ্ৰাপ্ত হব। কিন্তু পাৰ্য্যমানে মুনাফাৰ থঁক থকা পুঁজিপতিসকলক ইমান অৰ্হতাপ্ৰাপ্ত লোকৰ দৰ্কাৰ নাই। সেয়ে কাৰিকৰি শিক্ষাৰ সুবিধা মাধ্যমিক স্তৰৰ ওপৰ থাপত কৰা বাবে গাওঁ-ভূঁইৰ আৰু শ্ৰমিক-খেতিয়কৰ ল'ৰা-ছোৱালী এনে শিক্ষালাভৰ পৰা বঞ্চিত হয়, তেওঁলোকৰ অভিভাৱকৰ খৰচ বহনৰ অক্ষমতাৰ কাৰণে। **ফলত এই সুবিধা গ্ৰহণ কৰে সুবিধাভোগী মধ্যবিত্ত শ্ৰেণীৰ লোকে।** এই মধ্যবিত্ত শ্ৰেণীটো পুঁজিপতি শ্ৰেণীৰ বহতীয়া। আমাৰ বৰ্ত্তমান সমাজ ব্যৱস্থাত ৰাজনৈতিক ক্ষমতা আৰু শাসনৰ প্ৰধান চকৰি বুৰ্জুৱাই ঘূৰায়। ফেক্টৰি আদি পুঁজিপতি বা বুৰ্জুৱা শ্ৰেণীটোৰ হাতত থকা বাবে ইহঁতে মাধ্যমিক স্তৰৰ সকলো ছাত্ৰ-ছাত্ৰীক ফেক্টৰিত কাম কৰায় কৌশল শিকোৱাৰ কাৰণ নেদেখে। এই শ্ৰেণীৰ যাই লক্ষ্য মুনাফা আৰু ৰাষ্ট্ৰৰ শাসন নিয়ন্ত্ৰণ। ওপৰৰ উদ্ধৃতিত দেখাৰ দৰে চীনত স্কুলীয়া আৰু কাৰিকৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ফেক্টৰিত কাম কৰি কৌশল শিকিব পাৰিছে সকলো সম্পদ আৰু উৎপাদনৰ আহিলা ৰাষ্ট্ৰৰ হাতত থকা বাবে। গতিকে শিক্ষা নীতিৰ পৰিবৰ্ত্তন সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন বিনে সম্ভৱ নহয়।

## প্ৰাইমেৰি-মাধ্যমিক স্তৰত কিয় জোৰ দিব লাগে?

আমাৰ দৃঢ় বিশ্বাস যে প্ৰাইমেৰি আৰু মাধ্যমিক স্তৰত ছাত্ৰ-ছাত্ৰীয়ে কঠোৰ শিক্ষা পদ্ধতিৰ যোগেদি মানসিক শৃঙ্খলা আহৰণ নকৰিলে, কলেজত আহৰণ কৰাৰ সম্ভাৱনা প্ৰায় নায়েই। কলেজৰ টিউট'ৰিয়েল শ্ৰেণীত ইংৰাজী ব্যাকৰণ শিকাই ছাত্ৰ-ছাত্ৰীক ইংৰাজী শিকোৱাৰ প্ৰয়াস এটা ডাঙৰ ভুৱা। এনে ধৰণৰ ভুৱাৰ ওপৰত বক্তৃতা দিয়া অধ্যক্ষ আৰু অধ্যাপকসকলক আমি ভণ্ড বুলি ভাবোঁ। আমাৰ ধাৰণাত শিক্ষা প্ৰসাৰৰ বাট বন্ধ হৈছে ৰাষ্ট্ৰই সংখ্যাতীত দুখীয়া লৰা-ছোৱালীক অৱহেলা কৰা বাবে। কিন্তু বৰ্ত্তমান পদ্ধতিৰ



OKDISCD

ব্যৰ্থতাৰ বাবে টকা পইচাৰ নাটনিতকৈও জগৰীয়া হ'ল এই ভণ্ড শিক্ষাবিদ সকল। ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক আৰু সমাজৰ যি কোনো বিবেকবান ব্যক্তিয়ে **এই ভণ্ডসকলৰ প্ৰকৃত স্বৰূপটো ৰাইজক উদঙাই দেখুৱাব লাগে** আৰু লগতে সিহঁতে পাই থকা সুযোগ-সুবিধাৰ পৰাও আঁতৰোৱাৰ ব্যৱস্থা কৰিব লাগে; নহলে আমাৰ শিক্ষা কুঁজা হৈ থাকিব।

কুমলীয়া বয়সতে ল'ৰা-ছোৱালী প্ৰাইমেৰী স্কুললৈ যায় আৰু এই বয়সত পঢ়াৰ প্ৰতি ধাউতি নিৰ্ভৰ কৰে শিক্ষাদানৰ মাধ্যমৰ ওপৰত। কুমলীয়া বয়সত পাঠৰ প্ৰতি হেপাহৰ উদ্ৰেক কৰাটো শিক্ষাদানৰ প্ৰধান লক্ষ্য। পাঠ পঢ়াওঁতে যাতে কেতিয়াও কোনো ধৰণৰ তিতা-কেঁহাৰ ভাব ছাত্ৰ-ছাত্ৰীৰ মনলৈ নাহে। প্ৰতিটো বিষয়ৰ প্ৰতি এটা নিৰ্মল ধাউতি সৃষ্টি কৰাটোৱেই শিক্ষকৰ প্ৰধান কৰ্ত্তব্য। এনে পৰিৱেশ সৃষ্টি কৰা সম্পৰ্কে কোনো দ্বিমত থাকিব নোৱাৰে। প্ৰাইমেৰি আৰু মাধ্যমিক স্তৰৰ শিক্ষাত এনে পৰিবেশ সৃষ্টি কৰিব পৰা শিক্ষা নীতি অচিৰে গ্ৰহণ নকৰিলে শিক্ষাৰ মান আৰু নিম্নগামী হোৱাটো স্বাভাৱিক। এই লক্ষ্যত মনোযোগ নিদি কলেজীয়া শিক্ষাত পইচা খৰছ কৰি থাকিলে একো লাভ নাই।

নিতৌ দহ বজাৰ পৰা তিনি বজালৈ পঢ়াশালীত থকাটোৱেই শিক্ষা নহয়। পঢ়াশালী আৰু ঘৰত থকা সময়খিনিৰ এটা সম্বন্ধ থাকিব লাগে। প্ৰতিদিনে পঢ়াশালীত কি পাঠ লোৱা হব আৰু ঘৰত কি পাঠ সাজু কৰি পঢ়াশালীলৈ আনিব লাগিব—এই দুটাৰ মাজত পাৰস্পৰিক সংযোগ ৰক্ষা কৰিব পৰা শিক্ষা নীতি এটা দৃঢ়তাৰে পালন নকৰিলে, শিক্ষাৰ উদ্দেশ্য বিফলে যোৱাটো স্বাভাৱিক। এইবোৰ নতুন কথা নিশ্চয় নহয়, কিন্তু বৰ্ত্তমান পৰিস্থিতিত দোহাৰিবৰ আৱশ্যক অপৰিহাৰ্য্য হৈ পৰিছে।

প্ৰাইমেৰি স্কুলত ছাত্ৰ-ছাত্ৰীয়ে হাতৰ আখৰ লিখাত গুৰুত্ব দিব লাগে। এই নিয়ম শিথিল কৰি দিয়াটো শিক্ষক-শিক্ষয়িত্ৰী সকলৰ পক্ষে এটা ডাঙৰ অপৰাধ। এই বয়সত হাতৰ আখৰ লিখা অভ্যাসে কণ-কণ ল'ৰা-ছোৱালীৰ মনলৈ সিহতৰ অগোচৰে আনে মনোযোগিতা। আমাৰ বোধেৰে মনোযোগিতাই দায়িত্ববোধৰ সোপান প্ৰথমে ৰচনা কৰে। বৰ্ত্তমানৰ শিক্ষাৰ কোনো স্তৰতে দায়িত্ববোধ জন্মাব পৰা মনোযোগিতা সৃষ্টি কৰাৰ একো ব্যৱস্থা নাই আৰু





**প্ৰচলিত শিক্ষা নীতিৰ এইটো চৰম ব্যৰ্থতা।** বৰ্ত্তমানৰ শিক্ষা নীতি যিহেতু ব্যক্তিৰ (বিশেষৰ) বিকাশতহে অধিক মনোযোগী, সেয়ে শ্ৰেণীৰ সামুহিক বিকাশত ই অমনোযোগী হোৱাটো স্বাভাৱিক। কাৰণ শিক্ষা নীতি নিৰ্দ্ধাৰণ কৰা **শ্ৰেণীটোৱে নিজৰ ল'ৰা ছোৱালীয়ে শ্ৰেণীত নিশিকিলেও, ঘৰত সিহঁতক বেলেগে শিকোৱাৰ ব্যৱস্থা কৰিব পাৰে।** গতিকে খেতিয়ক আৰু শ্ৰমিক শ্ৰেণীৰ পৰা অহা শিক্ষক সকলে শাসক শ্ৰেণীটোৰ এই চক্ৰান্ত বুজি প্ৰচলিত শিক্ষা নীতিৰ বিৰুদ্ধে সজাগ হব লাগিব আৰু **তাৰ বিৰুদ্ধে গণ আন্দোলনত যোগ দিব লাগিব।**

আমাৰ শিক্ষা নীতি শ্ৰমমুখী নহয়। শ্ৰমৰ প্ৰতি হাউচ সৃষ্টি কৰাটো শিক্ষা নীতিৰ এটা প্ৰধান লক্ষ্য হোৱা দৰ্কাৰ। কোমল বয়সতেই ল'ৰা ছোৱালীক সিহতৰ সাধ্যানুযায়ী নিয়মীয়া আৰু একনিষ্ঠতাৰে শ্ৰম কৰিব শিকাব লাগে। স্কুলৰ পাঠ সাজু কৰাৰ লগে লগে ঘৰৰ ইটো-সিটো কামো ল'ৰা-ছোৱালীৰ হতুৱাই কৰাব লাগে। এই বয়সত অধ্যাৱসায়ৰ অভ্যাস নকৰিলে, পিচত হোৱাৰ সম্ভাৱনা নাথাকে। শ্ৰম বিমুখ শিক্ষা নীতিত গঢ় লোৱা ল'ৰা-ছোৱালী ডেকা আৰু প্ৰাপ্ত বয়স্ক হৈ উঠিলে উচ্চ উদ্দেশ্যমুখী শিক্ষা আৰু কোনো ফলপ্ৰসূঃ কামৰ বাবে অযোগ্য বা অপাত্ৰ হৈ পৰে। গতিকে শ্ৰম আৰু অধ্যাৱসায় প্ৰয়োগ কৰিব পৰা শিক্ষা নীতি দৰ্কাৰ।

বৰ্ত্তমান শিক্ষা নীতিত পাঠ এটা পঢ়াৰহে আৱশ্যকতা অনুভৱ কৰা হয়, পাঠটোৰ ভিতৰত মনোনিৱেশ কৰাৰ আৱশ্যকতা একেবাৰে অনুভৱ কৰা নহয়। পাঠ এটা পঢ়ি যোৱাটোৱেই পঢ়াৰ উদ্দেশ্য হব নোৱাৰে, পাঠটোৰ ভিতৰত মনোনিৱেশ কৰিব পৰাটোৱেহে শিক্ষাৰ ঘাই লক্ষ্য। বেয়াকৈ পঢ়া পাঠে মনত একো সাঁচ বহুৱাব নোৱাৰে আৰু সেয়ে তাক পাহৰি যোৱা হয়। কুমলীয়া বয়সত আমাৰ সৰহ ভাগ ছাত্ৰ-ছাত্ৰীৰ এনে অভিজ্ঞতা হোৱা বাবে, ছাত্ৰ-ছাত্ৰীবোৰৰ পঢ়াৰ প্ৰতি ধাউতি কমি অহাৰ ফলত শিক্ষাৰ মানদণ্ড নিম্নগামী হৈছে, ছাত্ৰ-ছাত্ৰীৰ মানসিক শৃঙ্খলা নাইকিয়া হৈছে, ছাত্ৰসকল আলিবাটত ঘূৰি ফুৰিছে। এনেবোৰ কাৰণতে সকতে খুব বুদ্ধিমান লৰাকো পিচত অকৃতকাৰ্য্য হোৱা দেখা যায়। কেৱল স্মৃতিৰ কছুৰৎ বুদ্ধিৰ লক্ষণ হব নোৱাৰে।



OKDISCD

বুদ্ধিতকৈয়ো অধিক গুৰুত্ব দিব লাগে অধ্যাৱসায় আৰু কঠোৰ শ্ৰমৰ ওপৰত। এই দুটা বস্তু গঢ়ি উঠাত পঢ়াশালী আৰু ঘৰে সমানে চকু দিব লাগিব। পঢ়াশালীৰ শিক্ষক সকলে ইয়াৰ বাবে স্বীকাৰ কৰিব লাগিব সহিষ্ণুতা আৰু অভিভাৱক সকলে দিব লাগিব সহযোগিতা। অধ্যাৱসায় আৰু কঠোৰ শ্ৰম অবিহনে প্ৰকৃত শিক্ষাৰ প্ৰসাৰ হব নোৱাৰে। কিন্তু এনে দৃষ্টিভঙ্গীৰে তৈয়াৰী শিক্ষা নীতি মধ্যবিত্ত শাসক বা বুৰ্জুৱা শাসক সকলৰ পৰা আশা কৰিব নোৱাৰি। **এই শ্ৰেণীয়ে সামুহিক ভাবে সকলো ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ কথা নেভাবে, কাৰণ তেতিয়া এই শ্ৰেণীৰ প্ৰতিপত্তি আৰু শোষণ নচলিব।**

## পঢ়া-শুনা প্ৰদৰ্শনী নহয়

তাৰোপৰি আন এটা চকু দিবলগীয়া কথা হ'ল—ল'ৰা-ছোৱালীৰ মনত যাতে কাহিনিও নোসোমায় যে পঢ়া-শুনা এক ধৰণৰ প্ৰদৰ্শনী। এই কথা উল্লেখ কৰাৰ এটা বিশেষ কাৰণ আছে। আজিকালি উঠি অহা সৰু-বৰ মধ্যবিত্তৰ ঘৰত এটা নতুন ঢং চলিছে। এনে পৰিয়ালৰ ঘৰত ল'ৰা-ছোৱালীৰ দ্বাৰা ফুৰিবলৈ অহা মানুহক ইংৰাজী কবিতা আৰু ইংৰাজী গান আদি শুনোৱা হয়। এনেবোৰ ঢঙে ক্ৰমে ব্যপকতা লাভ কৰিছে। ইয়াৰ প্ৰচলন সমাজৰ বাবে স্বাস্থ্যকৰ নহয়। স্মৃতি শক্তিৰ কচৰৎ যদিও বেয়া নহয়, ল'ৰা-ছোৱালীৰ মনত প্ৰদৰ্শনীৰ ভাব সুমুৱাই দিয়াটো অত্যন্ত ক্ষতিকৰ; কাৰণ ই সিহতৰ মনৰ পৰা গভীৰতাৰ ভাব আঁতৰাই সিহতক লোকৰ দৃষ্টি আকৰ্ষণ কৰাত ব্যস্ত ৰাখিবলৈ শিকোৱাৰ ফলত সিহতৰ পাঠৰ প্ৰতি হব লগীয়া আনুগত্য আৰু নিষ্ঠা কমি আহে আৰু শিক্ষা লাভ এটা বিলাস বা অলঙ্কাৰ বুলি ভাব হয়।

## বৰ্ত্তমান শিক্ষা ব্যৱস্থাই উপকৃত কৰিছে ধনী শ্ৰেণীক

প্ৰাইমেৰি আৰু মাধ্যমিক স্তৰৰ শিক্ষা সজ্ঞানে আওকান কৰা হৈছে; নহলে স্বাধীনতাৰ পিচত আজি ২৫ বছৰেও এই স্তৰৰ শিক্ষাত মনোযোগ দিয়া নহল কিয়? কাৰণ তেতিয়াহে সুবিধা ভোগী মধ্যবিত্ত শ্ৰেণীয়ে (চহৰৰ





আৰু গাওঁৰ) পুঁজিপতিৰ মন জুৰোৱা শিক্ষা নীতি প্ৰয়োগ কৰি নিজৰ স্বাৰ্থ পূৰণ কৰি যাব পাৰিব। বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ সকলো সুবিধাৰ ভোগী হৈছে টকা পইচা থকা ধনী শ্ৰেণী। ১৯৬০ চনতে এই কথা মহলানবিচে লক্ষ্য কৰিছিল ঃ

"By and large, it is rich people who have the opportunity of giving their children the type of education required for posts of influence and responsibility in the country. "(Next steps in Planning," **P. C. Mahalanobis, Sankhya,** vol 22, Parts 1 & 2, January 1960, পৃ. ১৩৩) শিক্ষা আয়োগৰ সভ্য আৰু সচিব নায়কেও লিখিছে ঃ…"the largest beneficiaries of our system of …education are boys, the people of the urban areas, and the middle and the upper classes". (**Educational Planning in India**-J. P. Naik, পৃ: ১০৮) শিক্ষা আয়োগৰ প্ৰতিবেদনতো আমি পাওঁ: "Instead of trying to provide good education to all children, or at least to all the able children from every stratum of society, it is available to a small minority…The identification and development of the total national pool of ability is greatly hampered. The position is thus undemocratic and inconsistent with the ideal of an egalitarian society. The children of the masses are compelled to receive sub-standard education… while the economically privileged parents are able to "**buy**" good education for their children." (পৃ : ১০)

## বৰ্ত্তমান শিক্ষা ব্যৱস্থাত শিক্ষকৰ স্থান নাই

বৰ্ত্তমান শিক্ষা নীতিত শিক্ষকৰ দায়িত্বৰ ওপৰত কোনো গুৰুত্ব দিয়া নহয়। ছাত্ৰ-ছাত্ৰীৰ বিষয়ে আটাইতকৈ ভালকৈ জানে এই শিক্ষক শিক্ষয়িত্ৰী সকলে, কিন্তু তথাপি শিক্ষাৰ নীতি তৈয়াৰ কৰাত এই সকল লোকৰ অভিজ্ঞতাক



OKDISCD

কোনো ধৰণৰে মূল্য দিয়া নহয়। শিক্ষাৰ ক্ষেত্ৰত শিক্ষকৰ দায়িত্ব যথেষ্ট আৰু শিক্ষক একোজনৰ জাতীয় শিক্ষাত প্ৰভাৱ কিমান সুদূৰ প্ৰসাৰী হব পাৰে তাক প্ৰকাশ কৰিবলৈ টান। আমাৰ এনে শিক্ষকৰ সংখ্যা বৰ্ত্তমান চৰকাৰৰ শিক্ষা নীতিৰ কেৰোণ আৰু শিক্ষাৰ মুৰব্বী সকলৰ মইমতালী আৰু আমোলাতান্ত্ৰিক মনোভাবৰ কাৰণে দিনক দিনে কমি আহিছে। এই বিষয়া সকলৰ কৰ্ত্তব্যৰ দায়িত্ববোধতকৈ পদবী প্ৰিয়তা বেছি হোৱা কাৰণে তেওঁলোকে শিক্ষাই কেনেকৈ নতুন সমাজৰ ভেটি ৰচনা কৰিব পাৰে—সেই বিষয়ে চিন্তা নকৰে। কাৰণ এই মধ্যবিত্ত শ্ৰেণীৰ সুবিধাভোগী বিষয়া সকলৰ বৰ্ত্তমান শিক্ষা নীতি সলনি কৰি জনগণৰ হকে নতুন শিক্ষা নীতি গ্ৰহণ কৰাত কোনো আগ্ৰহ বা ক্ষমতা নাই। তাৰোপৰি বৰ্ত্তমান শিক্ষা ব্যৱস্থাত শিক্ষাৰ বিভিন্ন মুৰব্বীৰ বাবটো এটা চাকৰিহে, দায়িত্ব নহয়। এনে ধৰণে হাজিৰা কৰা মুৰব্বীয়ে কেতিয়াও কোনো শিক্ষকক প্ৰেৰণা দিব নোৱাৰে। আমাৰ মুৰব্বী সকল প্ৰধানকৈ ব্যস্ত থাকে বদলি কৰা, কমিটি কৰা, নানা প্ৰকাৰৰ দান-অনুদান বিলনি কৰা, বিলত চহী কৰা, কামৰ আদেশ দিয়া, প্ৰকাশকৰ লগত হলিগলি কৰা আদি কাৰ্য্যত। এনে কাম কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ অধ্যাপক পদৰ যোগ্য ব্যক্তি মকৰল হোৱাটোৱে আমাৰ সামাজিক বুদ্ধিৰ স্তৰ অতি নিম্নখাপৰ হোৱাটোকে সুস্থচায়নে? তাৰোপৰি চহৰৰ কটন কলেজ বা তেনে চৰকাৰী কলেজৰ শিক্ষকহে শিক্ষা বিভাগৰ বিষয়াৰ কামৰ বাবে যোগ্য নেকি? গাৱেঁ-ভুঞে সিঁচৰিত অসংখ্য হাইস্কুলৰ বহু অভিজ্ঞ আৰু ছাত্ৰ-ছাত্ৰীৰ নানান সমস্যাৰ লগত জড়িত শিক্ষক সকলৰ মাজত এই যোগ্যতা নাই নেকি?

এনেদৰে আমাৰ শিক্ষাৰ গোটেই পৰিস্থিতিটোৱেই বিষময় হৈ উঠিছে। কাৰণ ইয়াত শিক্ষাৰ লগত কোনোৰে ওতঃপ্ৰোতভাৱে জড়িত নহলেও চলি যায়! আৰাম প্ৰিয় মধ্যবিত্ত শ্ৰেণীৰ বিষয়া সকলৰ বাবে বৰ্ত্তমান পৰিস্থিতিটো সদায় কাম্য। ইয়াত বাব আছে, আৰ্জ্জন আছে, কিন্তু দায়িত্ব নাই। এই কথা পৰিষ্কাৰ যে শিক্ষাৰ লগত নিবিড় সম্বন্ধ নথকা লোকে কেতিয়াও শিক্ষা ব্যৱস্থাৰ উন্নতি সাধিব নোৱাৰে। শিক্ষা বিভাগৰ শাসক গোষ্ঠীৰ ভিতৰত বৰ্ত্তমান বহুতো অধ্যক্ষ, অধ্যাপক আৰু তথাকথিত শিক্ষাবিদে মন্ত্ৰীক 'তেল' দি বা নানা ধৰণৰ





তোষামোদ কৰি সোমাই পৰিছে। ৰাইজে বুজক যে এই ভেনা মাখিৰ জাকটো আমাৰ শিক্ষা ব্যৱস্থাৰ এটা প্ৰধান শত্ৰু। সমাজৰ শত্ৰু এই ধুৰন্ধৰ শিক্ষাবিদ সকলে নিজৰ স্বাৰ্থত আঘাত হব বুলি বা পাই থকা সুবিধাৰ পৰা বঞ্চিত হব বুলি, শিক্ষা বিভাগৰ মুৰব্বী সকলে ভুল বা ৰাইজৰ অন্যায় কৰিলেও নামাতে (অৱশ্যে এওঁলোকৰ যোগ্যতাও সন্দেহজনক)। ফলত এই ধুৰন্ধৰ সকলৰ স্বাৰ্থ পূৰ্ণ হয়, কিন্তু ৰাইজৰ সামাজিক জীৱন এধাপ তললৈ নামে।

## শিক্ষা আৰু সৰ্ব্বাঙ্গীন বিকাশ

আমাৰ শিক্ষা নীতিৰ সামগ্ৰিক দৃষ্টিভঙ্গী নাই; অৰ্থাৎ শিক্ষিতজনৰ সৰ্ব্বাঙ্গীন বিকাশত বৰ্ত্তমান শিক্ষা নীতিৰ কোনো লক্ষ্য নাই। আমাৰ শিক্ষা নীতি ভ্ৰান্তিমূলক হোৱা কাৰণে আমাৰ শিক্ষিতলোক কেৰিয়াৰিষ্ট বা বাবলোভী হয়, তেওঁৰ মানবীয় মূল্যবোধৰ বিকাশ নহয়। মানবীয় মূল্যবোধৰ বিকাশ সাধন কৰিবলৈ হলে সামাজিক দৃষ্টিভঙ্গীৰ পৰা শিক্ষা নীতি গ্ৰহণ কৰিব লাগিব। শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীয়ে বুজিব লাগিব যে সমাজৰ আৱশ্যকতা বা সমাজৰ বিকাশৰ আৱশ্যকতাৰ কাৰণেহে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়া হৈছে। এই সন্দৰ্ভত আধুনিক ৰুছ শিক্ষাৰ গুৰু এ-এচ মাকাৰেঙ্কোৰ এটা মতামত প্ৰণিধানযোগ্য:

I take the concept of 'educational goal' to mean the programme of a personality, the programme of a character, and what is more I put into the concept "character" all that a personality holds, that is, the nature of his outward manifestations, his inner convictions, his political education and his knowledge—the picture of a human personality in its entirety. I maintain that we, pedagogues, should have such a programme of human personality towards which we must strive. (**Problems of Soviet Education : A. S. Makarenko**—পৃঃ ৩৭)



OKDISCD

শিক্ষাৰ আঁচনি কৰোঁতে এনে এটা লক্ষ্য নাথাকিলে, সেই শিক্ষাত শিক্ষিত ছাত্ৰ-ছাত্ৰীৰ মানসিক পৰিপক্কতা আহিব নোৱাৰে। শিক্ষাৰ প্ৰধান উদ্দেশ্য কেতিয়াও ব্যক্তি সচেতনতা শিকোৱা হব নোৱাৰে। কিন্তু বৰ্ত্তমান শিক্ষা ব্যক্তিক লৈয়েই ব্যস্ত।

এই ক্ষেত্ৰত চাব লাগিব চৰকাৰৰ বৰ্ত্তমান শিক্ষা যন্ত্ৰটোৰ কি চৰিত্ৰ? বৰ্ত্তমান শাসন যন্ত্ৰটো এক শ্ৰেণীৰ মানুহৰ হাতত আৰু আৰ্থিক ফালৰ পৰা এই শ্ৰেণীটোক মধ্যবিত্ত কোৱা হৈছে। এই শ্ৰেণীটোৱে মাত্ৰ শাসন যন্ত্ৰটো চলায় হে, কিন্তু ইয়াৰ গতি-বিধি নিৰ্দ্ধাৰণ কৰে পুঁজিপতি বা বুৰ্জুৱা শ্ৰেণী-টোৱে যিটোৰ হাতত আছে উৎপাদন ব্যৱস্থাৰ মালিকানা। শিক্ষা ব্যৱস্থাটোত এই সুবিধাভোগী মধ্যবিত্ত শ্ৰেণীটো যিমান গা কৰি উঠে সিমানে বুৰ্জুৱাৰো লাভ হয়। কাৰণ মধ্যবিত্তৰ যোগেদি বুৰ্জুৱাৰ শোষণৰ আয়ুস বাঢ়ে।

এই মধ্যবিত্ত শ্ৰেণীটোৱে সদায় নিজৰ শ্ৰেণীটোৰ কথাহে ভাবে। ই দুখীয়া খেতিয়ক, ফেক্তৰিৰ শ্ৰমিক, পিয়ন-মহৰী, ধোবা, মুচি, মাছমৰীয়া, দোকান-পোহাৰ আদিত কাম কৰা হাজাৰ হাজাৰ লোকৰ ল'ৰা-ছোৱালীৰ কথা নাভাবে। সেয়ে শিক্ষা সম্বন্ধীয় শাসনৰ ভাৰ এই শ্ৰেণীৰ হাতত থকা বাবে, সংখ্যাত তাকৰ হলেও এই শ্ৰেণীটোৱে নিজৰ উন্নতিৰ কথা ভাবিহে শিক্ষা নীতি ঠিক কৰে। এই শ্ৰেণীৰ লোক সকলো ব্যক্তি সচেতন শিক্ষা পদ্ধতিৰে শিক্ষিত। ইহঁতৰ প্ৰতিজনে সমাজত প্ৰতিষ্ঠা লাভ কৰাৰ পিচত, নিজৰ ল'ৰা-ছোৱালীক প্ৰতিষ্ঠা কৰোৱাৰ কথা ভাবে আৰু তাৰ পিচত ভাবে অঙহী-বঙহীৰ কথা।

"The class which has some money and influence in India is.........extremely small and possibly forms not more than one or two percent of the whole population. Facilities for education being both scarce and expensive, higher education is almost a monopoly of this privileged class at the top... By and large, those having such training are selected for posts of responsibility on the strength of their higher educational qualifications. In this way the power and privileges of a small group of people at the top tend to be not only





preserved but strengthened. ......This has created an influential group of people who naturally desire to maintain their privileged position and power." ( Sankhya, P. C. Mahalanobis, Vol 22, parts 1 & 2, January 1960, পৃঃ ১৫২—১৫৩) ইহঁতক বেলৰ ডবাৰ ভিতৰত থকা মানুহ কিছুমানৰ লগত বিজাব পাৰি। ডবাৰ ভিতৰৰ মানুহে বাহিৰৰপৰা নতুন মানুহ ডবাৰ ভিতৰত সোমোৱাটো নিবিচাৰে। তথাপি কিবাকৈ যদি দুই এজন সোমাই যায়, সেই সোমোৱাজনো ডবাৰ ভিতৰৰে এজন হৈ পৰে। কাৰণ ব্যক্তিৰ স্বাৰ্থ। গতিকে ডবাৰ ভিতৰৰ মানুহৰ লেখীয়া মধ্যবিত্ত শ্ৰেণীটোৱে আনৰ কথা নভবাটো স্বাভাৱিক। এই শ্ৰেণীটোৰ পদদলিত হৈ অহা খেতিয়ক শ্ৰমিকৰ কথা ভাবিবলৈ সময় নোহোৱা কথাটো একেবাৰে গোকাত মিছা। সহজ ভাষাত, ইহঁতে নাভাবে। ইহঁতৰ ভয়—খেতিয়ক শ্ৰমিকৰ কথা ভাবিলে কিজানি মধ্যবিত্তৰ ল'ৰা-ছোৱালীয়ে পাই থকা সুবিধাখিনি নোহোৱা হয়। গতিকে এই বুৰ্জুৱা—মধ্যবিত্ত শ্ৰেণীটোৱে ব্যক্তি সচেতন শিক্ষা পদ্ধতিৰ ঠাইত সমাজ-সচেতন পদ্ধতি প্ৰচলন কৰিব বুলি সুবিধাবাদীত বাহিৰে কোনেও বিশ্বাস নকৰে।

হোষ্টেলত থাকি কলেজত পঢ়া ছাত্ৰী এজনীৰ মনোভাব ইয়াত তুলি দিলোঁ। "হোষ্টেলত থাকি পঢ়োঁতে দেখিছোঁ হোষ্টেলৰ ছাত্ৰীবোৰ চৰকাৰী উচ্চ পদস্থ কৰ্মচাৰী আৰু গাৱঁৰ ধনী খেতিয়কৰ ছোৱালী। তাত শ্ৰমিক আৰু দুখীয়া খেতিয়কৰ ছোৱালী কত? আমৰ অৰ্থাৎ হোষ্টেলত থকা ছোৱালীৰ মাজত হোৱা কথা-বতৰাত সমাজৰ কথা বা সমস্যা আলোচনা হোৱা দেখা নাই। এইবোৰ কথা দুই এজনীয়ে ভাবিলেও, তেওঁ তাক কোৱাৰ সাহস নকৰে। কাৰণ তেনে কথা হোষ্টেলত আলোচনা কৰাৰ পৰিবেশ নাই। আমাৰ ঘাই কাম হ'ল সাজি-কাচি গধূলী হোষ্টেলৰ সমুখত তহল দিয়া আৰু মাজে মাজে চিনেমা চোৱা। অধ্যয়ন আমি কেতিয়াও একান্তভাবে লোৱা নাই। কাৰণ পঢ়িবলৈ আহিছো নিজৰ কেৰিয়াৰ বনাবলৈ বা নিজকে প্ৰতিষ্ঠা কৰিবলৈ।" এনে অধ্যয়ন শেষ কৰাৰ পিচত ছাত্ৰ-ছাত্ৰী স্বাভাৱিকতে মধ্যবিত্তৰ ব্যক্তিমুখী চৰিত্ৰৰে চৰিত্ৰবান হৈ উঠিব।



OKDISCD

## বৃত্তিৰ আঁচনি আৰু মধ্যবিত্তৰ চক্ৰান্ত

চৰকাৰৰ বৃত্তি নীতিটোৱে লক্ষ্য কৰিলেও সুবিধাভোগী মধ্যবিত্ত শ্ৰেণীৰ বিষয়াসকলৰ চক্ৰান্ত ধৰা পৰে। বৰ্ত্তমান বৃত্তি নীতিৰ ফলত কোন উপকৃত হৈছে ? সুবিধাভোগী মধ্যবৃত্ত শ্ৰেণীটো।

এজন ছাত্ৰ বা এজনী ছাত্ৰী হোষ্টেলত থাকি পঢ়িবলৈ হলে মাহে তেওঁক অতি কমেও ১২০ টকা লাগে। কিন্তু প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে কিমান টকাৰ বৃত্তি পায় ? প্ৰতিজন ছাত্ৰ বা প্ৰতিজনী ছাত্ৰীয়ে পোৱা বৃত্তিৰ পৰিমাণ খুব বেছি ৬০ টকা। গাৱঁৰ পৰা আহি চহৰৰ হোষ্টেলত থাকি পঢ়িবলৈ হলে এজন ছাত্ৰ-ছাত্ৰীক আৰু ৬০ টকাৰ প্ৰয়োজন। এনে পৰিস্থিতত কেনে পৰিয়ালৰ ল'ৰা-ছোৱালী হোষ্টেলত থাকি পঢ়িব পাৰিব ?

হোষ্টেলত থাকি পঢ়িব পাৰিব সেই পৰিয়ালৰ ল'ৰা-ছোৱালী যিটোৱে মাহে ৬০ টকাকৈ পঠোৱাৰ ক্ষমতা আছে আৰু যিবোৰ পৰিয়ালে ৬০ টকাকৈ পঠাব নোৱাৰে, তেওঁলোকৰ ল'ৰা-ছোৱালী চহৰৰ হোষ্টেলত থাকি শিক্ষা লাভ কৰিব নোৱাৰে। ইয়াৰ ফলত চহৰত থাকি শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত হয় আৰু বৰ্ত্তমান শিক্ষাৰ প্ৰায়বোৰ সা-সুবিধা চহৰবোৰতে গোট খাই আছে। গতিকে চহৰত থকা সা-সুবিধাবোৰ গাৱঁ আৰু চহৰৰ মধ্যবিত্ত শ্ৰেণীটোৱে অকলে লৈ থাকে।

গাৱঁৰ যি ঘৰে মাহে ৬০ টকাকৈ পঠাব পাৰে সেই ঘৰৰ আৰ্থিক অৱস্থা কেনে ধৰণৰ ? এনে পৰিয়ালৰ আৰ্থিক অৱস্থা টনকিয়াল। অৰ্থাৎ তেওঁলোক হ'ল ধনী খেতিয়ক। (এই চহকী খেতিয়ক সকলকো মধ্যবিত্ত শ্ৰেণীৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে।) এনে ব্যৱস্থাত অগণন দুখীয়া খেতিয়ক-শ্ৰমিকৰ সতি সন্ততিয়ে এই শোষক মধ্যবিত্ত শ্ৰেণীটোৰ আৰামৰ দোলা কঢ়িয়াই থাকিব লাগিব।

তাৰোপৰি আমাৰ বৃত্তিৰ গোটেই আঁচনিতো প্ৰাইমেৰি আৰু মাধ্যমিক স্তৰৰ উপযোগী একেবাৰে নহয়। এই স্তৰত যথেষ্ট সংখ্যক ল'ৰা ছোৱালীয়ে বৃত্তি পোৱাৰ ব্যৱস্থা নথকাৰ ফলত দুখীয়া মানুহৰ ল'ৰা ছোৱালী ওপৰলৈ উধাব নোৱাৰে। কিন্তু মধ্যবিত্তৰ ল'ৰা-ছোৱালীয়ে বৃত্তিৰ সুবিধা নাপালেও পঢ়িব পাৰে। গতিকে তেওঁলোকে উচ্চ শিক্ষাৰ ফালে আগবাঢ়ে আৰু মধ্যবিত্তৰ





ল'ৰা-ছোৱালীৰ এই স্তৰলৈ আহিব পাৰিলেই হ'ল। কাৰণ বৃত্তিৰ আঁচনিটো উচ্চ শিক্ষাৰ ক্ষেত্ৰত ভালকৈ সু-সংগঠিত। মধ্যবিত্ত শ্ৰেণীৰ শাসক বৰ্গই উচ্চ শিক্ষাৰ পৰা খেতিয়ক-শ্ৰমিকৰ ল'ৰা-ছোৱালীক বঞ্চিত কৰিবলৈ প্ৰাইমেৰি আৰু মাধ্যমিক স্তৰৰ বৃত্তিৰ আঁচনি সুসংগঠিত কৰা নাই। তলৰ স্তৰতে দুখীয়া খেতিয়ক-শ্ৰমিকৰ ল'ৰা-ছোৱালী ৰৈ গলে, উচ্চ শিক্ষাৰ স্তৰ সুবিধা ভোগী মধ্যবিত্ত শ্ৰেণীৰ প্ৰায় একচেতিয়া হৈ পৰে। বৃত্তিৰ আঁচনিৰ কেৰোণ গ্ৰস্ততা অৱশ্যে কোঠাৰি আয়োগেও স্বীকাৰ কৰি কৈছে যে—

"......At present there is a fairly well organised programme in higher education and vocational courses, although even here, much expansion is needed. But there is no adequate programme at the school stage, a good deal of talent is already eliminated by the time the threshold of university entrance is reached..." (**Report of the Education Commission**, পৃঃ ১১৪)

তাৰোপৰি বৃত্তি দিয়া হয় পৰীক্ষাৰ নম্বৰৰ ভিত্তিত। কিন্তু পৰীক্ষাত ভাল নম্বৰ নোপোৱাটো সেইবোৰ ছাত্ৰ-ছাত্ৰীৰ দোষ নহবও পাৰে। কাৰণ দুখীয়া খেতিয়ক-শ্ৰমিকৰ ল'ৰা ছোৱালীয়ে ভাল শিক্ষাৰ পৰা বঞ্চিত হয় ; তেওঁলোকৰ ঘৰত পঢ়াৰ সুযোগ সুবিধা কৰি দিয়াৰ ক্ষমতা সেই ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ নাই। কোঠাৰি আয়োগে এই অৱস্থা বৰ্ণনা কৰি কৈছে—

......At present, most scholarships are awarded on the basis of marks obtained in some public examination ; and as these tend to favour students from the well-to-do homes or good urban schools, scholarships do not really help potentially talented students whose preparation has remained inadequate for no fault of theirs..." (**Kothari Commission**, পৃঃ ১১৪) খেতিয়ক শ্ৰমিকৰ ল'ৰা-ছোৱালীৰ সুযোগ-সুবিধা বৃদ্ধি কৰাত মধ্যবিত্ত শ্ৰেণীৰ হাতত থকা শাসক গোষ্ঠীৰ কোনো আগ্ৰহ নাই আৰু বৰ্ত্তমান পাই থকা সুবিধাৰ ভাগী আন হোৱাটোও ইহঁতে নিবিচাৰে।

শিক্ষিত মধ্যবিত্তৰ স্বাৰ্থ পূৰণ কৰি থকা চৰকাৰী বৃত্তি আঁচনিৰ ঠাইত গৰীব জনগণৰ সহযোগী বৃত্তি নীতি এটা নতুন শিক্ষা নীতিৰ অন্তৰ্গত হব লাগিব। অৱশ্যে যেতিয়া মাধ্যমিক স্তৰলৈ বিনা মূলীয়া শিক্ষাদানৰ ব্যৱস্থা



OKDISCD

কৰা সমাজ ব্যৱস্থা আহিব, তেতিয়া অৱশ্যে গোটেই বৃত্তিৰ আঁচনিৰ প্ৰশ্নটোৱে অবান্তৰ হৈ পৰিব। বৰ্ত্তমানে মধ্যবিত্তৰ হাতধৰি লিগিৰী হোৱা পুৰণি বৃত্তি নীতিৰ ঠাইত মাটিহীন দুখীয়া খেতিয়ক, ফেক্তৰিৰ শ্ৰমিক, পিয়ন, মহৰি, ধোবা মুচি, মাছমৰীয়া, অনুসূচীত আৰু অনুন্নত জাতিৰ, আৰু দোকান পোহাৰ আদিত কাম কৰা হেজাৰ হেজাৰ দুখীয়া লোকৰ ল'ৰা-ছোৱালীয়ে পঢ়িব পৰা বৃত্তি নীতিৰ প্ৰবৰ্ত্তন হব লাগে।

এইদৰে দেখা গৈছে এতিয়ালৈকে হোৱা শিক্ষা সম্প্ৰসাৰণৰ সুবিধা গ্ৰহণ কৰিছে সুবিধাভোগী শ্ৰেণীয়ে। এনে এটা পৰিস্থিতিত ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিতৰ মাজত বৈষম্য বাঢ়ি যোৱাটোৱেই স্বাভাৱিক। শিক্ষা আয়োগৰ প্ৰতিবেদনত এই কথা স্পষ্টভাৱে স্বীকাৰ কৰা হৈছে—

"The benefits of expansion...... went largely to the privileged rather than to the under privileged classes." (পৃঃ ৯১) "The social distance between the rich and the poor, the educated and the uneducated, is large and is tending to widen." (পৃঃ ২) "......education itself is tending to increase social segregation and widen class distinctions......what is worse, this segregation is increasing and tending to widen the gulf between the classes and the masses." (পৃঃ ১০)

স্বাধীনতাৰ পিচত আজি ২৫ বছৰে শিক্ষাৰ এই অৱস্থা চলি আছে। মধ্যবিত্তৰ কবলত থকা শাসন পদ্ধতিয়ে এটা সামুহিক শিক্ষা নীতি গ্ৰহণ কৰাৰ আশা নাই। আনহাতে এটা সামুহিক শিক্ষা নীতিৰ অবিহনে সমাজবাদী সমাজ এখনো গঠন হব নোৱাৰে। ক্ষমতাত অধিষ্ঠিত মধ্যবিত্ত শ্ৰেণীটোৱে সমাজবাদৰ শ্লোগান দি থাকিব আৰু লগতে নিজৰ স্বাৰ্থও ৰক্ষা কৰি যাব। সমাজবাদৰ বাবে আৱশ্যকীয় এটা সামুহিক নীতিৰ অপৰিহাৰ্য্যতাত বিশ্বাস কৰা সকলে ক্ষমতাত অধিষ্ঠিত মধ্যবিত্ত শ্ৰেণীটোক ক্ষমতাচ্যুত কৰিবলৈ উচিত পন্থা হাতত লব লাগিব। উচিত পন্থা মানে কোনো নৈতিক আদৰ্শৰ ফোৱাৰা নহয়, সক্ৰিয় কাৰ্য্যপন্থাহে। এই সক্ৰিয় কাৰ্য্যপন্থাৰ নেতৃত্ব দিব পাৰিব লাগিব আমাৰ শিক্ষক সকলে।

(অহা সংখ্যাত দ্বিতীয় খণ্ড)



# পঞ্চম নিৰ্বাচন আৰু সংসদী গণতন্ত্ৰৰ ভৱিষ্যত

**ডঃ দেৱ প্ৰসাদ বৰুৱা**

যোৱা মাৰ্চ মাহত হৈ যোৱা সাধাৰণ নিৰ্বাচনৰ ফলত দেশত দুটা পৰস্পৰ বিৰোধী ঘটনা দেখা যায়। এহাতে শাসক কংগ্ৰেছে নিৰ্বাচন হোৱা প্ৰায় সকলোবোৰ ৰাজ্যতে নিৰঙ্কুশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছে, আনহাতে নিৰ্বাচনৰ নামত ভেকোভাওনা পাতি পশ্চিম বঙ্গত শাসক দলে সংসদী গণতন্ত্ৰৰ ওপৰত মাৰাত্মক আঘাত হানিছে যাক বহুতেই তথ্য প্ৰমাণ সহ গণতন্ত্ৰ হত্যাৰ পৰ্য্যায়ভুক্ত কৰিছে। গণতান্ত্ৰিক পদ্ধতিত নিৰ্বাচনৰ প্ৰাথমিক সৰ্ত হৈছে অবাধ, নিৰপেক্ষ আৰু শান্তিপূৰ্ণ নিৰ্বাচন। ইয়াৰ কাৰণে প্ৰয়োজন বাধাহীনভাৱে ভোট বিচৰাৰ অধিকাৰ, ভিন ভিন ৰাজনৈতিক দলে স্বকীয় প্ৰাৰ্থীৰ পক্ষে প্ৰচাৰ চলোৱাৰ অধিকাৰ, ভোটাৰে নিৰাপদে আৰু নিৰ্ভয়ে ভোটদান কৰাৰ অধিকাৰ। লগতে প্ৰয়োজন চৰকাৰী বা বে-চৰকাৰী কোনো পক্ষই যাতে প্ৰলোভন তথা ভীতি প্ৰদৰ্শনৰ কোনো ব্যৱস্থা নকৰে। সকলো তৰহৰ দুৰ্নীতি পৰিহাৰ কৰিহে সুষ্ঠ নিৰ্বাচন পাতিব পাৰি বা তাত অংশ গ্ৰহণৰ সুব্যৱস্থা কৰিব পাৰি। এই পিনৰপৰা চাবলৈ গ'লে সকলোৱেই স্বীকাৰ কৰিব লাগিব যে স্বাধীনতাৰ পিচত যিমান কেইটা সাধাৰণ নিৰ্বাচন হৈ গ'ল, সেই কেইটাৰ ভিতৰত আটাইতকৈ অসুস্থ পৰিবেশৰ নিৰ্বাচন হৈছে যোৱা সাধাৰণ নিৰ্বাচনটো। আগৰ নিৰ্বাচন কেইটাতো ভিন ভিন ধৰণৰ সৰু ডাঙৰ অভিযোগ উঠিছিল কিন্তু সিবিলাকৰ পৰিচালনাত গণতন্ত্ৰ ধ্বংস কৰিব পৰা বিধৰ মাৰাত্মক চৰিত্ৰ দেখা নগৈছিল বা তেনে অভিযোগ উঠা নাছিল। চতুৰ্থ সাধাৰণ নিৰ্বাচনৰ আগতে পশ্চিম বঙ্গত বিৰোধী দলসমূহে বহুতো আসনত হাৰিছিল, কিন্তু তেওঁলোকে বিধান সভাত বিৰোধী দলৰ দায়িত্ব পালন কৰিছিল, কাহানিও বিধান সভা বয়কট কৰা নাছিল। চলিত সংসদী গণতন্ত্ৰত বিৰোধী পক্ষৰ ডাঙৰ ভূমিকা আছে। কিন্তু আজি অৱস্থাই এনে পৰ্য্যায় পাইছেগৈ যে



OKDISCD

ভাৰতৰ এখন গুৰুত্বপূৰ্ণ ৰাজ্যৰ বিৰোধী দলসমূহে বিধান সভা বয়কট কৰিব লগা হৈছে। এই অভূতপূৰ্ব পৰিস্থিতি কেনেকৈ উদ্ভৱ হ'ল সেই বিষয়ে প্ৰতিজন গণতন্ত্ৰকামী মানুহে স্থিৰভাৱে বিচাৰ কৰি চোৱা প্ৰয়োজন। সংসদী গণতন্ত্ৰৰ স্বাৰ্থতে প্ৰয়োজন যাতে ইয়াৰ ওপৰত অহা সকলো আঘাত প্ৰতিহত কৰা হয় আৰু সুস্থিৰ বিকাশৰ পথ সুগম কৰা হয়।

১৯৭১ চনৰ মাৰ্চ মাহত অৱতৰীয়াভাবে লোক সভাৰ কাৰণে মধ্যৱৰ্তী নিৰ্বাচন হয়। কংগ্ৰেছ বিভক্ত হোৱাৰ পিচত বেঙ্ক জাতীয় কৰণ, ৰাজন্য বৰ্গৰ বিশেষ সুবিধা বিলোপ, গৰিবীহটাও, ইত্যাদিৰ নাম লৈ দুৰ্দশাগ্ৰস্ত মানুহৰ মনত মোহ সৃষ্টি কৰি শাসক কংগ্ৰেছে শ্ৰীমতী ইন্দিৰাগান্ধীৰ নেতৃত্বত নতুন সাজ পিন্ধে আৰু এইভাবে উক্ত নিৰ্বাচনত বিপুলভাবে বিজয়ী হয়। পশ্চিম বঙ্গ, ত্ৰিপুৰা আৰু বিৰোধীপক্ষৰ কাৰণে যথেষ্ট সংখ্যক ভোটদানৰ হিচাবত কেৰেলাৰ বাহিৰে সমগ্ৰ ভাৰতবৰ্ষ 'ইন্দিৰা তৰঙ্গত' প্লাৱিত হৈছিল। এবছৰৰ পিচত যোৱা সাধাৰণ নিৰ্বাচন হয় আৰু ইয়াতো হেনো 'ইন্দিৰা বতাহ' বলাৰ কাৰণে নিৰ্বাচনত শাসক কংগ্ৰেছৰ 'অভূতপূৰ্ব' সাফল্য হৈছিল। সন্দেহ নাই যে বাংলাদেশৰ মুক্তিক শাসক কংগ্ৰেছে পাৰ্টিগত স্বাৰ্থত ব্যৱহাৰ কৰিছিল আৰু সংখ্যাৰ পিনৰ পৰা আগতকৈ সৰহ আসন অধিকাৰ কৰিছিল। কিন্তু কংগ্ৰেছে নিজে প্ৰকাশ কৰা তথ্যৰ পৰাই প্ৰকাশ যে যোৱা নিৰ্বাচনত এই দলে সমগ্ৰ দেশত সংখ্যাধিক্য ভোটত জিকা নাছিল ঃ কংগ্ৰেছে মুঠ ভোটদাতাৰ ৪৮·০৫ শতাংশ ভোটহে পাইছিল ; এই সংখ্যা লোকসভাৰ মধ্যকালীন নিৰ্বাচনত পোৱা ৪৯·১৮ শতাংশ ভোটতকৈও কম ( কলিকতাৰ **'ষ্টেট্‌ছমেন**, ৭ এপ্ৰিল, ১৯৭২ )। গতিকে কংগ্ৰেছৰ নিজৰ স্বীকৃতি মতেই 'ইন্দিৰা তৰঙ্গ'ত কিছু ভাটা পৰিছিল। 'ইন্দিৰা হাৱা' কংগ্ৰেছৰ নিৰ্বাচনী সাফল্যৰ ঘাই কাৰণ হোৱা হলে কংগ্ৰেছৰ শক্তিশালী কেন্দ্ৰবিলাকত ইয়াৰ প্ৰভাৱ বেচিকৈ পৰিব লাগিছিল। কিন্তু তলৰ তথ্যখিনিয়ে দেখুৱায় যে মধ্যকালীন নিৰ্বাচনত আন দলক উটুৱাই নিয়া ৰাজ্য কেইখনতে কংগ্ৰেছে যোৱা নিৰ্বাচনত কম ভোট পাইছিল ঃ





| ৰাজ্য | শাসক কংগ্ৰেছৰ ভোট ( শতাংশ হিচাপত ) | |
|---|---|---|
| | ১৯৭১ চন | ১৯৭২ চন |
| অন্ধ্ৰ | ৫৫·০% | ৫২·০% |
| অসম | ৫৭·০% | ৫৩·২% |
| মহাৰাষ্ট্ৰ | ৬৩·৮% | ৫৬·৬২% |
| দিল্লী | ৬৪·৪% | ৪৮·০৬% |
| হৰিয়ানা | ৫৩·০% | ৪৬·০৯% |
| হিমাচল প্ৰদেশ | ৭৭·০% | ৫০·০৭% |
| পঞ্জাব | ৪৫·০% | ৪২·০৮% |
| মহীশূৰ | ৭১·০% | ৫৩·০৬% |

'ইন্দিৰা তৰঙ্গ'ৰ মাহাত্ম্যৰ আচল স্বৰূপ পশ্চিম বঙ্গৰ নিৰ্বাচনী ফলাফল আলোচনা কৰাৰ ক্ষেত্ৰত পৰিষ্কাৰভাবে প্ৰকাশ পাব। এইখিনিতে এইটো কব পাৰি যে শাসক দলে নীতিনিষ্ঠ নিৰ্বাচন খেলা নাছিল, নিৰ্বাচনত তেওঁ-লোকে নানা দুৰ্নীতিৰ আশ্ৰয় লৈছিল। বামপন্থী দলৰ কথাই নালাগে, কংগ্ৰেছ সহযোগী চি, পি, আই ( দক্ষিণ পন্থী কমিউনিষ্ট পাৰ্টি বুলি খ্যাত ) দলৰ লোকেও এনে দুৰ্নীতিৰ অভিযোগ আনিছে। অসমত কংগ্ৰেছে দেশী-বিদেশী একচেটিয়াপতিইঁতক আশ্বাস দিছিল যে তেওঁলোকৰ স্বাৰ্থৰ ওপৰত হাত দিয়া নহব ; সিবিলাকৰ শিল্প প্ৰতিষ্ঠানবোৰ জাতীয় কৰণ কৰা নহ'ব ; চৰকাৰী যন্ত্ৰ পাৰ্টিৰ নিৰ্বাচনী কামত ব্যৱহাৰ কৰা হৈছিল ; ব্যাপক আকাৰত কলা টকা গোটোৱা হৈছিল ; ভোটাৰ সকলক কংগ্ৰেছক ভোট নিদিলে প্ৰতিহিংসা লোৱাৰ ভয় দেখুৱা হৈছিল ; সংখ্যালঘু ভোটাৰসকলক নানা ভাবে ভয় দেখুৱা হৈছিল ; বেলটৰ কাউণ্টাৰফইলত চহী বা টিপচহী লোৱা নতুন প্ৰথাৰ গইনা লৈ কাক ভোট দিছে ধৰা পৰিব বুলি ভয় দেখুৱাৰ ফলত ন্যায় নিৰ্বাচনত বাধা পৰিছিল ( **শ্বিলং অব্‌জাৰ্ভাৰ**. ১ এপ্ৰিল ১৯৭২ )।

অসমত আন এক দুৰ্নীতিও চলিছিল, ভাৰতৰ অন্যান্য ঠাইৰ দৰে ইয়াতো হাজাৰ হাজাৰ নাগৰিকৰ নাম ভোটাৰ তালিকাৰপৰা বাদ দিয়া হৈছিল, আনকি ১৯৭১ চনত ভোট দিয়া বহুতো লোকৰ নাম ইচ্ছাকৃতভাবে ভোটাৰ



OKDISCD

তালিকাৰপৰা বাদ দিয়া হৈছিল ( প্ৰসঙ্গতঃ দ্ৰষ্টব্য, সম্পাদকলৈ চিঠি, '**অসম ট্ৰিবিউন**', ১৩ এপ্ৰিল, ১৯৭২ )। বেলট কাকতৰ কাৰসাজি কৰাৰ গভীৰ ষড়যন্ত্ৰৰ অভিযোগো ভোট গণনাৰ সময়ৰ কেইটামান ঘটনাৰ সম্পৰ্কত বাম-পন্থী দলসমূহে তুলিছিল ( **গণশক্তি,** ২১ মাৰ্চ, ১৯৭২ )।

আৰু এটা কথা মন কৰিবলগীয়া। অসমৰ নিৰ্বাচনৰ ক্ষেত্ৰত নিৰ্বাচনৰ আগতেই দিল্লীয়ে পতা মুখ্যমন্ত্ৰী আৰু এড্‌হক কংগ্ৰেছৰ সভাপতি শ্ৰীশৰৎ চন্দ্ৰ সিংহই নিৰ্বাচনী 'কায়দা'ৰ লগত ৰজিতা খুৱাই ভিন ভিন সময়ত কিমান সংখ্যক কংগ্ৰেছী জিকিব তাৰ তথ্য সৰবৰাহ কৰি আছিল: এবাৰ কৈছিল ৭০ খনমান আসনত কংগ্ৰেছ জিকিব, পিচলৈ ৯০ খন আশা কৰিছিল; ফলাফল ঘোষণাত দেখা গ'ল যে কংগ্ৰেছে পালে ৯৫ খন আসন। ১১৪ খন আসনৰ বিধানসভাত নিৰঙ্কুষ সংখ্যাগৰিষ্ঠতা সন্দেহ নাই, কিন্তু নিৰ্বাচনৰ আগ-মুহূৰ্ত পৰ্য্যন্ত ৰাজনীতিৰ বিশেষ নামগোন্ধ নথকা বহুতো প্ৰাৰ্থীও কেনেকৈ জিকি ইমান সংখ্যাধিক্য হ'ল সেইটো নিতান্তই সন্দেহজনক। কবলৈ গলে নিৰ্বাচনৰ আগতে অসম কংগ্ৰেছত বিদ্ৰোহ হৈছিল। সংসদী গণতন্ত্ৰৰ ৰীতি-নীতিৰ প্ৰতি বৃদ্ধাঙ্গুষ্ঠ দেখুৱাই যিধৰণে দিল্লীৰ পচন্দ নোহোৱা হৈ উঠা কাৰণে সেই সময়ৰ মুখ্যমন্ত্ৰীক অপসাৰণ কৰি নতুন মুখ্যমন্ত্ৰীৰ আমদানী কৰা হ'ল তাৰ বিৰুদ্ধে কংগ্ৰেছৰ ভিতৰে বাহিৰে আৰু সাধাৰণ ৰাইৰ মাজত ব্যাপক অসন্তোষে দেখা দিছিল; কেন্দ্ৰৰ বৈষম্যমূলক নীতি, চৰকাৰৰ বিফলতা, কাৰখানা বন্ধ, কৃষক উচ্ছেদ, তীব্ৰ নিবনুৱা সমস্যা, মূল্যবৃদ্ধি ইত্যাদিৰ বিৰুদ্ধে বামপন্থী-গণতান্ত্ৰিক শক্তিসমূহে বিৰাট জনসমাবেশ কৰিছিল। তত্ৰাচ কংগ্ৰেছে ইমান সংখ্যাগৰিষ্ঠতা লভিবলৈ কেনেকৈ সন্দেহজনকভাবে সমৰ্থ হ'ল তাৰ এটা ব্যাখ্যা নিৰ্বাচনৰ সময়ত নানা দুৰ্নীতিয়ে দিয়ে, বিতং তথ্য সমষ্টি অনুসৰি সমীক্ষা হলে প্ৰকাশ পাব।

পঁচিশবছৰীয়া প্ৰায় একচ্ছত্ৰী শাসন কালত কংগ্ৰেছ চৰকাৰে যে দুৰ্নীতিক এটা স্থায়ী ব্যৱস্থাত পৰিণত কৰিছে তাৰ হাজাৰবিজাৰ উদাহৰণ আছে। দুৰ্নীতিত সিদ্ধহস্ত হৈ শাসক দলত সোমালে সাতখুনো মাফ হয়। জমিদাৰ পুঁজিপতি শ্ৰেণীৰ প্ৰতিনিধি তথা ৰক্ষক শাসক কংগ্ৰেছে কলা টকাৰ প্ৰচলন নাইকিয়া কৰিবলৈ ১৯৭০ চনৰ ডিচেম্বৰ মাহত যি প্ৰতিবেদন দিছিল তাক কাৰ্য্যকৰী কৰা দূৰৰ কথা, 'ৰাইজৰ স্বাৰ্থ'ৰ অজুহাতত চৰকাৰে প্ৰকাশকে





নকৰিলে। লোকসভাৰ চি পি এম্ সদস্য শ্ৰীজ্যোতিৰ্ময় বসুৱে প্ৰতিবেদনৰ পম খেদি সিদিনা মাথোন ইয়াৰ বিশ্বাসযোগ্যতা সম্পৰ্কে দায়িত্ব লৈ লোকসভাত এটা নকল দাখিল কৰে আৰু প্ৰচাৰৰ ব্যৱস্থা কৰে ( **ষ্টেটছমেন,** ১১ আগষ্ট, ১৯৭২ )। কলাটকা বন্ধ কৰিবলৈ চৰকাৰ নাৰাজ, কাৰণ এনে কৰিলে যে নিৰ্বাচনী ফাণ্ডলৈ টকা নাহে!

ইন্দিৰা গান্ধীৰ 'ভাবমূৰ্ত্তি'ৰ যে প্ৰভাৱ আছে তাত সন্দেহ কৰিব লগা নাই। কিন্তু এই 'ভাবমূৰ্ত্তি'ৰ প্ৰচাৰত একচেটিয়াপতি বা কলাবজাৰীহঁতৰ উদ্যোগ যথেষ্ট আছে। জৱহৰলাল নেহৰুৱে এসময়ত কৈছিল যে কলাবজাৰী চোৰাং-বজাৰীক নিচেই ওচৰতে থকা লেম্পপষ্টত ওলোমাই ফাঁচি দিয়া উচিত। অথচ এই একচেটিয়া পতিহঁতৰ ধনেৰে, পাঁচলাখ টকাৰে কেন্দ্ৰীয় নিৰ্বাচনী পষ্টাৰ শাসক দলে ছপাইছিল। চৰকাৰে বিনা তথ্যেৰে ইয়াক অস্বীকাৰ কৰাৰ বাহিৰে একো উত্তৰ দিব নোৱাৰিছিল; চৰকাৰৰ এনে দুৰ্নীতিৰ প্ৰতিবাদত লোকসভাৰ সকলো বিৰোধী সদস্যই সদন ত্যাগ কৰিব লগা হৈছিল '(**ষ্টেটছমেন,** ১৯ মে, ১৯৭২ দ্ৰষ্টব্য )। ৰাইজৰ মনত আছে নিৰ্বাচনৰ সময়ত কিমান তৰহৰ ৰংবেৰঙৰ পষ্টাৰ শাসক দলে ছপাইছিল। নিৰ্বাচনৰ ঠিক আগে আগে আবেলি আকৌ এখন নতুন পষ্টাৰ ওলাইছিল—তাত আছিল যে 'জাতীয় নেত্ৰী'য়ে প্ৰতিজ্ঞা ৰক্ষা কৰিছে, গতিকে তেওঁক সহায় কৰিবলৈ তেওঁক ভোট দিব লাগে। শাসক কংগ্ৰেছে ২৫ বছৰ ধৰি কেনে ধৰণে প্ৰতিজ্ঞা পালন কৰিছে তাৰ এক বাস্তৱসন্মত আলোচনা **নতুন পৃথিৱী**ৰ দ্বিতীয় সংখ্যাৰ সম্পাদকীয় প্ৰবন্ধত পোৱা যাব। কংগ্ৰেছ চৰকাৰৰ ৰেকৰ্ড হৈছে প্ৰতিশ্ৰুতি ভঙ্গৰ অন্তহীন ৰেকৰ্ড।

শাসক দলৰ কল্যাণত সংসদীয় গণতন্ত্ৰই কি ৰূপ পৰিগ্ৰহ কৰিছে সেই সম্পৰ্কে অলপতে বেঙ্গালোৰৰ ওচৰত থকা থিপ্পগন্তনাহালী নামে ঠাইত হোৱা এখন কৰ্মীসভাত সৰ্বোদয় নেতা জয়প্ৰকাশ নাৰায়ণে আলোচনা কৰি সংসদীয় গণতন্ত্ৰৰ প্ৰতি অহা বিপদৰ প্ৰতি দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰিছে। **শ্ৰীজয়প্ৰকাশ নাৰায়ণৰ মতে ভাৰতত সংসদীয় গণতন্ত্ৰৰ খোলা বা চোকোৰাটোহে আছে, সাৰবস্তুটো নাই।** বিহাৰ আৰু উত্তৰ প্ৰদেশত ৰাজনৈতিক দলসমূহে যোৱা নিৰ্বাচনত "ভোটকেন্দ্ৰবিলাক দখলৰ" কি কায়দা গ্ৰহণ কৰিছিল তাৰ তেওঁ বৰ্ণনা দিয়ে। তেওঁ কয় যে প্ৰাৰ্থীসকলে নিৰ্বাচনী খৰছৰ জাল হিচাপ



OKDISCD

দিয়ে আৰু কিছু ব্যতিক্রম বাদে ৰাজনৈতিক নেতৃবৰ্গই চোৰাকাৰবাৰী আৰু কলা টকাৰ মালিকবোৰৰপৰা টকা গোটোৱাটো সহজ হৈ পৰিছে। শ্রীমতী গান্ধীক তেওঁৰ পিতৃতকৈ অধিক 'উদ্যমশীলা' বুলি স্বীকাৰ কৰি শ্রীনাৰায়ণে কয় যে কোনো কোনোৰ মতে ১৯৬৭ চনৰ পিচত এটা স্থায়ী চৰকাৰ হৈছে। কিন্তু সেই স্থায়িত্বই কি আনে সেইটো এতিয়াও চাবলৈ বাকী আছে। কেৰেলা আৰু পশ্চিমবঙ্গক বাদ দি ১৯৪৭ চনৰপৰা ১৯৬৭ চনৰ সময়টোতো স্থায়িত্ব আছিল আৰু সেই সময়টোৰ ভিতৰত জৱাহৰলাল নেহৰুৰ দৰে ব্যক্তি দেশৰ ভাগ্য নিয়ন্তা আছিল। ফলত কিবা হৈছিল জানো? স্থায়িত্বই আশানুৰূপ ফল দিয়া নাই। তাতকৈও বেছি কিছু বস্তুৰ দৰকাৰ আছিল। জয়প্রকাশ নাৰায়ণে আৰু কয় যে এটা মাত্র পার্টিৰ ভিতৰতে নহয়, প্রধানমন্ত্রীৰ দৰে একেজনা ব্যক্তিৰ হাততো ক্ষমতা কেন্দ্রীভূত কৰাৰ এটা প্রবণতা আছে। সেইহে অন্ততঃ তেওঁৰ মনত এই আশঙ্কাই দেখা দিছে যে মানুহৰ ব্যক্তি স্বাধীনতা, ন্যায়পালিকাৰ স্বাধীনতা আৰু প্রশাসনৰ নিৰপেক্ষতা বিপন্ন হৈ পৰিছে ( **টাইমছ অফ্ ইণ্ডিয়া**, ১৬ জুলাই ১৯৭২ )।

নির্দলীয় প্রবীণ নেতা জয়প্রকাশ নাৰায়ণৰ মন্তব্য আৰু সুচিন্তিত মতামত সকলো গণতন্ত্রকামী ব্যক্তিয়ে গুৰুত্বৰে সৈতে বিবেচনা কৰা উচিত। বিবেচনা কৰি কর্তব্য স্থিৰ কৰা এই কাৰণেই উচিত যে 'একদল, একমত, একনেত্রী'ৰ আৱাজ তুলি আজি শাসকচক্রই গোকাট এক নায়কত্ববাদৰ পথ লৈ প্রকৃত সংসদী গণতন্ত্র মষিমূৰ কৰিব বিচাৰিছে।

সন্দেহাতীতভাৱে প্রমাণী তথ্যৰ দ্বাৰা আজি এইটো পৰিষ্কাৰ হৈ উঠিছে যে পশ্চিমবঙ্গত এইবাৰ কোনো অবাধ নির্বাচন হোৱা নাই। শাসকদলে তাত নির্বাচনক এক পূর্ণাঙ্গ প্রহসনত পৰিণত কৰিলে। প্রায় ৫১ টা কেন্দ্রত ব্যাপকভাৱে সন্ত্রাস আৰু গুণ্ডামি চলায়, প্রায় ১৫০ টা কেন্দ্রত বেলটবাকছ ভাঙি আৰু ভোটপত্র হস্তান্তৰ কৰি আৰু ভোট গণনাৰ সময়তো ব্যাপকভাৱে জালিয়াতিৰ আশ্রয় লৈ ঘোষণা কৰা হ'ল যে ২৮০ খন আসনৰ ভিতৰত কংগ্রেছে ২১৬ খন আসন লাভ কৰি অভূতপূর্ব বিজয় লাভ কৰিছে আৰু চি পি এম প্রমুখ্যে আঠোটা বামপন্থী দলে মাত্র কুৰিখন আসন পাই অভূতপূর্বভাৱে ধূলিৰ লগত মিহলি হৈ গৈছে! মনত ৰাখিব লাগিব যে ১৯৬৭ চনৰেপৰা কংগ্রেছে





পশ্চিমবঙ্গৰ নির্বাচনসমূহত বামপন্থী গণতান্ত্রিক শক্তিৰ লগত মিলিত বা বিভক্ত প্রতিদ্বন্দ্বিতাত হাৰ মানি আহিবলগা হৈছে। ১৯৬৭ চনত বামপন্থী গণতান্ত্রিক শক্তিসমূহ বিভক্ত থকা সত্বেও কংগ্রেছে ২৮০ খন আসনৰ ভিতৰত ১২৭ খন আসনহে লাভ কৰিব পাৰিছিল। ১৯৬৯ চনৰ নির্বাচনৰ সময়ত বামপন্থী গণতান্ত্রিক শক্তিসমূহ ঐক্যবদ্ধ হৈ ২১৩ খন আসন পাইছিল, আৰু কংগ্রেছে পাইছিল মাত্র ৫৫ খন আসন। ১৯৭১ চনত বিধান সভা নির্ব্বাচনত যেতিয়া শাসক কংগ্রেছৰ বিৰোধী বামপন্থী দলসমূহ বিভক্ত আছিল, তেতিয়াও কংগ্রেছে ১০৫ খন আসনহে পাইছিল আৰু আনহাতে চিপিএমে ১১৩ খন আসন পাই একক সংখ্যা গৰিষ্ঠ পার্টিত পৰিণত হৈছিল। ১৯৭১ চনৰ ইন্দিৰা তৰঙ্গ পশ্চিম বঙ্গত কার্য্যকৰী হোৱা নাছিল। ফল স্বৰূপে পশ্চিমবঙ্গৰ ৪০ খন লোকসভা আসনৰ ২০ খন পাইছিল চিপিএমে, ১ খন আৰ এচ পিএ, আৰু কংগ্রেছে পাইছিল মাত্র ১৩ খন। ১৯৭২ চনৰ নির্ব্বাচনত পশ্চিমবঙ্গৰ আঠোটা বামপন্থী গণতান্ত্রিক দলে ঐক্যবদ্ধ ভাবে নির্ব্বাচনী সংগ্রামত নামিছিল। ১৯৭১ চনৰ অভিজ্ঞতাই দেখুৱাইছিল যে ভাৰতৰ বামপন্থী গণতান্ত্রিক আন্দোলনৰ দুর্গস্বৰূপ পশ্চিমবঙ্গত অন্ততঃ শাসক কংগ্রেছ পৰাস্ত হ'ব, শাসককংগ্রেছ বিৰোধী চৰকাৰ স্থাপিত হ'ব। কিন্তু নির্বাচনৰ ফলত দেখা গল যে শাসক কংগ্রেছে ২১৬ খন আসন লাভ কৰিছে, ইয়াৰ সগোত্র চি পি আইয়ে পাইছে ৩৫ খন আসন, আৰু বামপন্থী ফ্রণ্টে পালে মাত্র কুৰিখন আসন। ১৯৭১ চনত ১১৩ খন আসন পাই একক সংখ্যা গৰিষ্ঠতা লাভ কৰা চি পি এমে এবছৰৰ ভিতৰতে প্রায় এশ খন আসন হেৰুৱাৰ পৰিস্থিতি কি বাস্তৱভাৱে সম্ভৱ? ১৯৫২ চনৰে পৰা প্রতিটো নির্ব্বাচনতে জ্যোতিবসু বৰানগৰ সমষ্টিৰ পৰা জিকি আহিছে। অজয় মুখার্জিৰ লগত ১৯৭১ চনৰ নির্ব্বাচনত যেতিয়া জ্যোতি বসুৱে প্রতিদ্বন্দ্বিতা কৰিছিল সেই টোৱেই আছিল কঠিনতম প্রতিদ্বন্দ্বিতা, কাৰণ অজয় বাবুক শাসক কংগ্রেছ, সংগঠন কংগ্রেছ, চি পি আই আৰু জনসংঘই সমর্থন কৰিছিল। এনে কঠিনতম প্রতিদ্বন্দ্বিতাৰ অৱস্থাতো জ্যোতিবসুৱে ৪৩,৩৪০ টা ভোট পাই ১১০৫৭ টা ভোটৰ ব্যৱধানত অজয় মুখার্জিক পৰাস্ত কৰিছিল। এইটো কি বিশ্বাসযোগ্য যে সেই বৰানগৰতেই ১৯৭২ চনৰ নির্ব্বাচনত ৩৮৯৮৭ টা ভোটৰ ব্যৱধানত জ্যোতিবসুক হৰুৱাই দিয়াটো সম্ভৱ? চলিত অৱস্থাত ৰাইবেৰোলত প্রধানমন্ত্রী



OKDISCD

ইন্দিৰা গান্ধীক হৰুৱাটো যেনেকৈ অসম্ভৱ, স্বাভাৱিক পৰিস্থিতিত বৰানগৰত জোতিবসুক হৰুৱাটোও অনুৰূপভাবেই অসম্ভব। কিন্তু জালিয়াতিৰ বলত সন্ত্রাসৰ বলত প্রকৃত ভোটাৰক ভোট দিবলৈ নিদি বন্দুকৰ নলৰ সহায়ত বৰানগৰত অসম্ভৱকেই সম্ভৱ কৰি দেখুউৱা হ'ল! কালনা সমষ্টিত ১৯৭১ চনৰ নির্বাচনত চি পি এমে ৩১,৮৯৬ টা ভোট পাই বিজয়ী হৈছিল: যোৱা নির্ব্বাচনত চি পি এম প্রার্থীয়ে মাত্র ৯২৯ টা ভোটহে পালে! অতি নির্বোধেও কব লাগিব যে মাত্র এটা বছৰৰ ভিতৰতে ভোটৰ ইমান ব্যৱধান হব নোৱাৰে। জালিয়াতি আৰু ফন্দি-ফাকতিৰ যাদু নহলে এনে অবিশ্বাস্য আৰু অসম্ভৱ ফল কেতিয়াও হব নোৱাৰে। নিজৰ গুৰিশকত কেন্দ্রবিলাকতে যেতিয়া যোৱা নির্বাচনত দেশৰ কেইবাখনো ৰাজ্যত শাসক কংগ্রেছে শক্তি হ্রাসৰ পৰিচয় দিছিল, তেনে অৱস্থাত পশ্চিম বঙ্গৰ দৰে ৰাজ্যত চি পি এমৰ চিৰাচৰিত শক্তিশালী কেন্দ্রবোৰত কেনেকৈ এই পার্টিৰ প্রার্থীয়ে হাৰিব লগা হয়, তাতে ৩০।৪০ হাজাৰৰ পৰা ৭৬ হাজাৰ ভোটৰ ব্যৱধানত! এনে ভুৱা নির্ব্বাচন আৰু কেতিয়াও হোৱা নাছিল। ৫১ টা সমষ্টিত বামপন্থী ফ্রণ্টৰ পোলিং এজেণ্টসকলক ৰিভলভাৰ দেখুৱাই খেদাই পঠোৱাৰ পিচত আৰু প্রকৃত ভোটাৰক ভোট দিবলৈ নিদি শাসক কংগ্রেছ আৰু ইয়াৰ মিত্রদল চি পি আইৰ ভাৰাতীয়া বাহিনীয়ে ভোটপত্রত ছাপৰ পিচত ছাপ মাৰি বাণ্ডিলে বাণ্ডিলে ভোটপত্র গোটাইছিল। ইয়াক জানো নির্ব্বাচন বোলে? তলত এনে কেইটামান কেন্দ্রৰ ঘোষিত ফলাফলৰ হিচাপ দিয়া হৈছে। **মনত ৰাখিব লাগে যে এই কেন্দ্র সমূহৰ পৰা বাৰে বাৰে আৰু কেতিয়াবা ৫০ শতাংশৰো বেছি ভোট পাই চি পি এম প্রার্থীসকল ১৯৭২ চনৰ আগলৈকে নির্ব্বাচিত হৈ আছিল:—**

| সমষ্টি | | কংগ্রেছ | | চি পি এম | | ভোটৰ ব্যৱধান |
|---|---|---|---|---|---|---|
| কাল্না | — | ৬২,৩৩৬ | — | ৯২৯ | — | ৬১,৪০৭ |
| নাদনঘাট | — | ৬১,৬১৭ | — | ২,৬২১ | — | ৫৮,৯৯৬ |
| বৰ্দ্ধমান দক্ষিণ | — | ৪৭,০৯২ | — | ১৮,৫৪৪ | — | ২৮,৫৪৮ |
| বেলেঘাটা উত্তৰ | — | ৫৩,৮৭৫ | — | ১৪,৮৩৯ | — | ৩৯,০৩৬ |
| মেমাৰি | — | ৫৩,১১৯ | — | ১১,২২৯ | — | ৪২,৮৯০ |
| দমদম | — | ৯১,৪২৩ | — | ১৫,০২৩ | — | ৭৬,৪০০ |
| মণ্টেশ্বৰ | — | ৫৩,৭৬৮ | — | ৫,১৫৯ | — | ৪৮,৬০৯ |
| খড়দহ | — | ৬২,৪৬০ | — | ২১,৮১৩ | — | ৪০,৬৪৭ |
| পানিহাটি | — | ৭৪,৭৬৫ | — | ২৭,৫৪০ | — | ৪৭,২২৫ |
| বৰানগৰ | — | ৬৯,১৪৫ | — | ৩০,১৫৮ | — | ৩৮,৯৮৭ |





স্বাধীন আৰু সুস্থ নির্ব্বাচন হলে ইমান বিৰাট ব্যৱধানৰ ফলাফল কেতিয়াও সম্ভৱ নহয়, নিজৰ সমষ্টিত এনে অবিশ্বাস্য ফল কেতিয়াও হব নোৱাৰে। দেখাত ই এক আচৰিত ভেলকিবাজি। আচলতে নির্বাচনৰ নামত কি ঘটিছিল সেই বিষয়ে আৰু কিছু উল্লেখ কৰিলেই ইয়াৰ সত্যতা ওলাই পৰিব।

পশ্চিম বঙ্গৰ নির্বাচনত ব্যাপক সন্ত্রাস, জালিয়াতি তথা নানা তৰহৰ ফন্দি-ফাকটি প্রয়োগৰ বিষয়ে একমাত্র বামপন্থী দলসমূহেই অভিযোগ অনা নাই। বিভিন্ন সংবাদপত্র, নিৰপেক্ষ মহল আৰু আনকি শাসক দলৰ কেইজনমানেও এনে অভিযোগ আনিছে। **'ইকনমিক টাইমছ'**ৰ ১২ মার্চ ১৯৭২ৰ সংখ্যাত কাকতখনৰ নিজস্ব সংবাদদাতাই বৰানগৰ, সোণাৰপুৰ, টালিগঞ্জ, খড়দহ, দমদম আদি সমষ্টি ঘূৰি লিখিছিল যে "পশ্চিম বঙ্গৰ কুৰিটা সমষ্টিৰ ভোটাৰসকলৰ যোৱা শনিবাৰে এই নতুন অভিজ্ঞতা হ'ল যে তেওঁলোকৰ ভোটবিলাক সশস্ত্র গুণ্ডাবাহিনীয়ে আগতে দি গৈছে।" বাংলা কংগ্রেছে অনুৰূপ অভিযোগ তুলি কৈছিল যে নির্বাচনত "হিংসা, সন্ত্রাস, বিৰোধী দলসমূহৰ প্রার্থী আৰু কর্মী-সকলক আটক কৰা, ব্যাপক আকাৰত ভোট খুউওৱা, বেলট বাকছ ভাঙি ভোটপত্র হস্তান্তৰ কৰা আৰু ভুৱা ভোটদান চলিছিল" (**ষ্টেটছমেন**, ৩ এপ্রিল ১৯৭২)। বিহাৰৰ গোপালগঞ্জ লোকসভা কেন্দ্রৰ পৰা নির্বাচিত শাসক কংগ্রেছী সদস্য ডি, এন্ টেৱাৰীয়ে যোৱা ৯ মেৰ দিনা লোকসভাত কৈছিল যে "নির্বাচনৰ ধৰণ যদি লক্ষ্য কৰে তেনেহলে দেখিবলৈ পাব যে কিছুমান ৰাজ্যত মাত্র ভুৱা ভোটেই দিয়া হোৱা নাই, ব্যাপক হাৰত ভোটকেন্দ্রবিলাক পর্য্যন্ত দখল কৰা হৈছিল।" **টাইমছ অব ইণ্ডিয়া'**ৰ ২ মে'ৰ প্রকাশিত খবৰ মতে নিখিল ভাৰত কংগ্রেছ কমিটিৰ কেইজনমান সদস্যই এটা টোকাত কৈছিল যে পশ্চিম বঙ্গত অবাধ আৰু সুষ্ঠ নির্বাচনৰ জৰিয়তে ২৮০ জনীয়া বিধান সভালৈ ১৫০ ৰ পৰা ১৬০ জন সদস্য নির্বাচিত কৰাই ক্ষমতা লাভ কৰাটো কংগ্রেছৰ পক্ষে অধিকতৰ সন্মানজনক হ'লহেতেন; 'সজোৱা নির্বাচনৰ যোগেদি বিজয় লাভে পার্টিলৈ কোনো গৌৰৱ অনা নাই'। দিল্লীৰ কেইজনমান সাংবাদিক, অধ্যাপক, আৰু চিকিৎসকে তেওঁলোকৰ বিবৃতি এটাত কৈছিল যে পশ্চিম বঙ্গৰ নির্বাচনক এটা প্রহসনত পৰিণত কৰা হৈছে। প্রকৃত নিৰপেক্ষ তদন্তৰ ব্যৱস্থা কৰা হ'লে অকাট্য প্রমাণৰ দ্বাৰা এইটো প্রতিষ্ঠিত হ'লহেতেন



OKDISCD

যে পশ্চিমবঙ্গত যোৱা সাধাৰণ নিৰ্বাচনত সন্ত্ৰাস, জালিয়াতি আৰু কাৰসাজি ব্যাপকভাবে বিৰাজ কৰিছিল। শ্ৰীজয়প্ৰকাশ নাৰায়নে এনে এক তদন্তৰ যো-জা কৰিছিল, কংগ্ৰেছে প্ৰথমতে ইয়াৰ লগত সহযোগিতা কৰিব বুলিও কৈছিল। পিচত কিন্তু লুটিবাগৰ মাৰি সহযোগ নকৰিলে। এই সম্পৰ্কত ষ্টেটছমেন' কাকতৰ ১৯৭২ চনৰ ১৬, ১৮ আৰু ১৯ মে'ৰ সংবাদ দ্ৰষ্টব্য)। ইয়াৰ পৰা এইটো ধাৰণা কৰিব পাৰি যে জালিয়াতি ধৰা পৰাৰ ভয়ত অন্ত্ৰাহিত হৈ শাসকসকলে নিৰপেক্ষ তদন্ত গ্ৰহনত অংশ গ্ৰহণ কৰিবলৈ মান্তি নহ'ল। অৱস্থা এনে পাইছেগৈ বিধানসভাখনক পূৰ্ব পৰিকল্পিত গভীৰ ষড়যন্ত্ৰ অনুসৰি তৈয়াৰী কৰা 'সজোৱা বিধানসভা' বুলি অভিহিত কৰিলেও হয়তো অপৰাধবোধৰ ফলতেই শাসকদলে মানি ল'ব লগা হৈছে।

পশ্চিমবঙ্গত ব্যাপক হাৰত সন্ত্ৰাসৰ ৰাজত্ব এতিয়াও চলি আছে। সকলো বিৰোধিতা মষিমুৰ কৰাৰ উদ্দেশ্যে হাজাৰ হাজাৰ মানুহক (নিৰ্বাচনৰ আগৰ আৰু পিচৰ সংখ্যা ধৰি প্ৰায় ৪০ হাজাৰ) নিজৰ এলাকাৰ পৰা সশস্ত্ৰ বাহিনীয়ে খেদি পঠাইছে, বিৰোধী দলৰ নেতৃত্বত থকা শ শ ট্ৰেডইউনিয়ন দখল কৰিছে, আৰু বিৰোধী দমন অভিযানত উন্মত্ত হৈ 'যুব কংগ্ৰেছ' আৰু 'ছাত্ৰ পৰিষদ'ৰ নাম লৈ সমাজবিৰোধী বিলাকে নিজৰ ভিতৰতে মাৰামাৰি কৰিছে। অৱস্থাই এনে ৰূপ পাইছেগৈ যে যোৱা ১৫ জুলাইত স্বয়ং কংগ্ৰেছ নিয়ন্ত্ৰিত মিউনিচিপেলিটি এটাৰ অফিছলৈ গৈ যুবক কংগ্ৰেছৰ সদস্য কিছুমানে অফিছ লণ্ডভণ্ড কৰি দিছে (ষ্টেটছেমেন, ৮ আগষ্ট, ১৯৭২ ত প্ৰকাশিত সংবাদ)। অফিছ লণ্ডভণ্ড কৰাটো খুন-জখমৰ তুলনাত সামান্য কথা: নিৰ্বাচনৰ দিন ১১ মাৰ্চৰ পৰা ২৮ মাৰ্চৰ ভিতৰত ৩০ জন বামপন্থী কৰ্মী শহীদ হব লগা হৈছিল। নিৰ্বাচনৰ আগতেও প্ৰায় ৬০০ লোকক হত্যা কৰা হৈছিল। জুই লাগিলে জুয়ে বাচি বাচি নোপোৰে, সকলো ছাইত পৰিণত হয়। সেইকাৰণে পশ্চিম বঙ্গত যি ঘটিছে তাক বন্ধ কৰিব লাগিব, নহ'লে আন ঠাইতো এনে মৰ্মন্তুদ ঘটনা ঘটিব পাৰে।

শাসকদলে নিজৰ বাহিনীক সশস্ত্ৰ কৰি কিয় পশ্চিমবঙ্গত এনে পথ ললে? মনত ৰাখিব লাগে যে ১৯৬৭ আৰু ১৯৬৯ চনত দুটাকৈ যুক্তফ্ৰণ্ট চৰকাৰৰ সময়ছোৱাত মূল সমস্যাৰ মৌলিক সমাধান কল্লে পশ্চিমবঙ্গৰ শ্ৰমিক কৃষকশ্ৰেণী





তথা গণতন্ত্ৰকামী ৰাইজে বৰ্ত্তমান সংবিধানৰ সীমাৰ ভিতৰত থাকিয়ে সমাজ সংস্কাৰৰ পথত দৃঢ় পদক্ষেপে আগবাঢ়িছিল। নিজৰ শ্ৰেণী স্বাৰ্থৰ প্ৰতি বিপদ নহা পৰ্য্যন্তহে শাসকশ্ৰেনীয়ে সংসদী গণতন্ত্ৰ মানি থাকে। শ্ৰেনীসংগ্ৰামৰ অগ্ৰগতিৰ লগে শাসকশ্ৰেণীয়ে নীতি পৰিবৰ্ত্তন কৰে আৰু শ্ৰেণী স্বাৰ্থ ৰক্ষা কৰিবলৈকে পশ্চিম বঙ্গত লোৱা ধৰণে জালিয়াতি বা সন্ত্ৰাসৰ পথ লৈ প্ৰকৃত গণতন্ত্ৰৰ ওপৰত মাৰাত্মক আঘাট হানে। পশ্চিমবঙ্গত যি ঘটিছে সেইটো আন ৰাজ্যতো ঘটিব পাৰে। গতিকে সংসদী গণতন্ত্ৰ ৰক্ষা কৰিব বিচৰা সকলোৱেই দেশত একদলীয় শাসনৰ বিপদ সম্পৰ্কে সতৰ্ক থাকিব লাগিব। এনে পৰিস্থিতিৰ জৰুৰী প্ৰয়োজনীয়তা হৈছে একদলীয় শাসনৰ বিপদৰ বিৰুদ্ধে আৰু অবাধ নিৰ্বাচন সহ সংবিধানত স্বীকৃতি ব্যক্তি স্বাধীনতা আৰু অধিকাৰৰ কাৰণে সমূহ গণতান্ত্ৰিক শক্তিৰ সমবেত প্ৰচেষ্টা আৰু ঐক্যবদ্ধ সংগ্ৰাম।

নতুন ধৰণৰ মাহেকীয়া আলোচনী

**নতুন প্ৰবাহ**

পঢ়ক

সম্পাদক :- যতীন গোস্বামী
সহ : সম্পাদক :- নবীন বৰুৱা

যোগাযোগ কৰক :—
নতুন প্ৰবাহ কাৰ্য্যালয়
জয়াপ্ৰেছ : কন্যাচল
গুৱাহাটী—৩



OKDISCD

# সাময়িক আৰু সাংস্কৃতিক প্ৰসংগ

## ব্ৰজেন বৰুৱাৰ সোঁৱৰণত

অসমৰ কথাচিত্ৰৰ এগৰাকী সুদক্ষ কাৰিকৰ আৰু শিল্পী ব্ৰজেন বৰুৱাৰ অলপতে মৃত্যু হৈছে আৰু অসমবাসী সকলো ৰাইজৰ লগতে সেই সংবাদত আমিও মৰ্মাহত হৈছোঁ। আই-পি-টি-এ'ৰ দিনৰে পৰা ব্ৰজেন বৰুৱাই কলা-চৰ্চাত একাণপতীয়াকৈ লাগিছিল আৰু মৃত্যুৰ আগতে অসমৰ কথাছবিজগতত কেইবাখনো জনপ্ৰিয় কথাছবি সৃষ্টি কৰি ইতিহাস ৰচনা কৰিছিল। কম খৰচত ছবি কৰাৰ বহু কৌশল উদ্ভাৱন কৰি বোম্বাইৰ একচ্ছত্ৰী ৰাজত্বৰ পৰা মুকলি হোৱাৰ পথ দেখুৱাইছিল। হোৱাই নোহোৱাই বাহিৰা চিত্ৰ তাৰকা ব্যৱহাৰ কৰাৰ ব্যৱসায়ী অপবুদ্ধিও তেওঁৰ নাছিল। থলুৱা অভিনেতা সকলক উৎসাহ দিয়াত তেওঁৰ অৱদান স্মৰণীয়। অৱশ্যে বিষয়বস্তু কাহিনী আৰু আংগিকত কিছুমান বোম্বাই-মাৰ্কা কৌশল ব্যৱহাৰ গ্ৰহনযোগ্য নহয়; সেই সন্দৰ্ভত আমি সমালোচনাও কৰিছো। সি যি নহওক আমি আশা কৰিলোঁ নতুন চিত্ৰনিৰ্মাতা সকলে ব্ৰজেন বৰুৱাৰ সৃষ্টিৰ সৎ আৰু সুন্দৰ দিশবোৰ অনুসৰণ কৰি তেওঁৰ অৱদান স্থায়ী কৰিব।

* * *

## বানপানী আৰু কৃষক

বিভীষিকাময় বহুলোকৰ প্ৰাণহানি হোৱাৰ, গওঁৰ ৰাইজৰ ঘৰবাৰী, গৰুমহ ধান্‌বান্‌ হৈ যোৱাৰ, বহু এলেকাৰ শস্য সমূলঞ্চে ধ্বংস হোৱাৰ খবৰেৰে বাতৰি কাকত সমূহ ভৰি পৰিছে। এই প্ৰলয়ংকৰ বানপানী সম্পূৰ্ণ প্ৰাকৃতিক দুৰ্যোগ নহয়। বৰং অপৰিকল্পিত আঁচনি আৰু দুৰ্নীতিৰ ফলত প্ৰয়োজনতকৈ তাকৰীয়া বা বেয়া মালমছলাৰে সজা মথাউৰিয়েও এনে বানপানীৰ ধ্বংসাত্মক ক্ষমতা বঢ়াত সহায় কৰিছে। তাৰ উপৰিও চৰকাৰী ৰিলিফৰ স্বল্পতা আৰু তাৰ মাজত দুৰ্নীতিৰ প্ৰবেশে গওঁৰ মানুহৰ মাজত তিক্ততাৰ জন্ম দিছে।





বানপানীৰ প্ৰকোপে মানুহক কেৱল গৃহচ্যুত কৰিয়েই এৰা নাই। সি মানুহক সৰ্বস্বান্ত কৰিছে। আমাৰ গাঁৱৰ কৃষকশ্ৰেণীৰ সৰহভাগেই এনে দাৰিদ্ৰ্যৰ কৱলত পৰিছে যে এটা খৰাং বতৰ বা এটা বানপানীয়েই মানুহক সম্পূৰ্ণ নিঠৰুৱা কৰি তোলে। এনে সময়তে ওলাই পৰে যে বৰ্ত্তমান চৰকাৰৰ তথা সমাজৰ কৃষি নীতি (agrarian policy) কেনে দেউলীয়া। উল্লেখযোগ্য যে যোৰহাটৰ চৰকাৰী কৃষি গৱেষণা কেন্দ্ৰৰ মতেই ১৯৫০ ৰ পৰা ১৯৭১ চনলৈ ভূমিহীন বা দুই-তিনি একৰ বা তাতকৈ কম মাটিৰ দৰিদ্ৰ মালিকৰ হাৰ জনসংখ্যাৰ শতকৰা ৩৩ জনৰ পৰা শতকৰা ৭৭ জনলৈ বাঢ়িছে!

* * *

## চিত্ৰায়ন ঃ নলিনী বৰুৱা আৰু লম্বোদৰ হাজৰিকা

জুলাই মাহৰ ২৯ আৰু ৩০ তাৰিখে গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত নলিনী বৰুৱা আৰু লম্বোদৰ হাজৰিকাই চিত্ৰায়নৰ সৌজন্যত আলোক চিত্ৰ আৰু শিল্পৰ প্ৰদৰ্শনী এখন কৰে। 'উৎসাহী আৰু সমাজসচেতন' ছাত্ৰৰে গঠিত চিত্ৰায়ন সংগঠনটোৰ উদ্দেশ্য হৈছে—প্ৰতিভা সম্পন্ন শিল্পী, যাক অসমীয়া জাতিয়ে চিনিও চিনি নেপায়—, সেই সকলক জাতিৰ মঞ্চত তুলি সেই সকলৰ অৱদানেৰে এক সুস্থ নেতৃত্বৰ মাজেদি জাতিক গৌৰৱান্বিত কৰি তোলাৰ প্ৰচেষ্টা। দৰঙীয়া ডেকাহঁতৰ এই প্ৰচেষ্টাৰ ফলতে প্ৰদৰ্শনীখনত প্ৰায় ১৪৫ খন আলোক চিত্ৰ আৰু ১৫ খন ছবি নিতৌ ৫০০ দৰ্শকে চাই মুগ্ধ হয়। এই প্ৰদৰ্শনীলৈ কাগজ আৰু সংবাদ প্ৰতিস্থানৰ ৰিপোৰ্টাৰ নাহিল বুলি চিত্ৰায়নৰ কৰ্ম্মকৰ্ত্তা সকলে দুখ কৰিছে। আমাৰ সংবাদিক সকলৰ এই ঔদাসীন্যৰ কাৰণে বহুতো বস্তু জনসাধাৰণ দৃষ্টিৰ অগোচৰ হৈ থাকে, যদিও গুৱাহাটীৰ দুই এক শিল্পীৰ প্ৰতি আমাৰ কেইটামান সাংবাদিকে একপক্ষীয় সহানুভূতি প্ৰদৰ্শন কৰা দেখা যায়।

৩৭ বছৰীয়া নলিনী বৰুৱাই তেওঁৰ অলোকচিত্ৰ শিল্পত ইতিমধ্যে যথেষ্ট কৃতকাৰ্য্যতা লাভ কৰিছে। তেখেতৰ বিখ্যাত আলোকচিত্ৰ সমূহৰ ভিতৰত ১৯৬৬ চনত International Photo Year Book ত "Study" নামৰ আলোকচিত্ৰ খনিয়ে স্থান পায়। সেই চনতে পৃথিৱীৰ সৰ্ব্ববৃহৎ Colour



OKDISCD

Photography Agency. New york ত তেখেতৰ ৰঙীন আলোকচিত্ৰ কেইখনমানে স্থান পায়। অলপতে লণ্ডনত অনুষ্ঠিত আন্তৰ্জাতিক চিত্ৰ শিল্প প্ৰদৰ্শনীত তেখেতৰ "Democracy" নামৰ ছবি এখন প্ৰদৰ্শিত হয় আৰু প্ৰশংসা লাভ কৰে। এই ছবিখনৰ বিষয় বস্তুৰে—বেঞ্চত (স্টেচন) শুই থকা দুটা শিশু আৰু এটা কুকুৰ—ভাৰতীয় গণতন্ত্ৰৰ স্বৰূপটো মৰ্ম্মস্পৰ্শীভাবে ফুটাই তুলিছে। বৰুৱাৰ আলোকচিত্ৰত ছাঁ-পোহৰৰ খেলা আৰু কিছুমান নাটকীয় মুহূৰ্ত্ত ধৰি ৰখাৰ কৃতিত্ব বিশেষ লক্ষ্য কৰিবলগীয়া।

৩৬ বছৰীয়া লম্বোদৰ হাজৰিকাৰ প্ৰধান ছবি কেইখনৰ বিষয়বস্তু থলুৱা হোৱা বাবে দৰ্শকে বুজি পাইছে যদিও তাত কল্পনাৰ প্ৰভাৱ কম। অৱশ্যে "স্টিল" ছবি কেইখন ভাল হৈছে। লগতে প্ৰদৰ্শিত ভূনাচৰ ছবিৰ ৰঙৰ সংমিশ্ৰন মনকৰিবলগীয়া।

## সূৰুযমুখী সমাজৰ নতুন পদক্ষেপ

বৰপেটাত সূৰুযমুখী সমাজে প্ৰগতিশীল দৃষ্টিভংগী আগত ৰাখি কলা সাহিত্য আৰু নাট্যাভিনয়ত এক নতুন পদক্ষেপ দিছে। সাম্প্ৰতিক অসমত একাংকীয়া নাট, গীত, আদিৰ মাজত মধ্যবিত্ত সুলভ আবেগ প্ৰৱণতা আৰু সস্তীয়া ৰোমান্টিকতাৰ প্ৰাবল্যই জনসাধাৰণৰ মানসত এক ধৰণৰ সমাজ বিমুখতা আৰু পলায়নবাদী মনোভাবৰ জন্ম দিছে। শাসক আৰু শোষক সকলে এনেকুৱা সাহিত্য সংস্কৃতিৰ পোষকতা কৰে। সূৰুযমুখী সমাজে এনেকুৱা সাহিত্য কলাৰ মাধ্যমবিলাকত বৈপ্লবিক গণতান্ত্ৰিক আৰু শ্ৰেণী মানবতাবাদৰ মৰ্মবস্তু স্থাপন কৰি কলা সংস্কৃতিক জন-জীৱনৰ সৈতে সংযুক্ত কৰিব খুজিছে। যোৱা ২০ আৰু ২১ মে'ত এই উদ্দেশ্য আগত ৰাখি সুৰুযমুখী সমাজে সৰ্দো বৰপেটা ভিত্তিক এক অংকীয়া নাট প্ৰতিযোগিতা আহ্বান কৰে। এই প্ৰতিযোগিতা ১৪ খন এক অংকীয়া নাটৰ বিভিন্ন দলে অভিনয় কৰে। সহস্ৰ কান্দোন, প্ৰত্যাখ্যান, এটা নতুন সূৰ্য্য, ৰাম বনাম ৰাৱন, অক্টোপাচ, মই প্ৰেচিডেণ্ট হম, অস্ত আকাশ, কঙ্গোৰ কাৰাগাৰ, নতুন নায়ক, বিয়াৰ বজাৰ, নিষ্কৃতি, কালান্তৰৰ প্ৰস্তুতি, ৰোমন্থন আৰু নাট দুয়োদিনে দৰ্শকসকলে উপভোগ কৰে। প্ৰতিখন নাটতে





বৰ্তমান সমাজ ব্যৱস্থাৰ বিৰুদ্ধে যুবক শ্ৰেণীৰ বিক্ষোভ, শোষণৰ বিৰুদ্ধে বিপ্লৱী আহ্বান, পঞ্চায়তৰাজৰ ভণ্ডামি আৰু জমিদাৰী শোষণৰ স্বৰূপ এই নাটবোৰত মুকলি ভাবে প্ৰকাশ পায়। এই নাটবোৰত বলিষ্ঠ প্ৰতিশ্ৰুতি নিহিত আছে।

এই প্ৰতিযোগিতা শেষ হোৱাৰ এমাহ পিছত কলা শিল্পৰ এক বিশেষ সভাত কৃতকাৰ্য্য প্ৰতিযোগী সকলক পুৰস্কৃত কৰা হয়। এই সভাত সভাপতিত্ব কৰে নাট্যকাৰ শ্ৰীকিৰণ দাসে। মুখ্য অতিথিৰ আসনৰপৰা দিয়া ভাষনত ডঃ হীৰেন গোহাঁয়ে সূৰুযমুখীৰ প্ৰচেষ্টাক অভিনন্দন জনায়। ডঃ গোহাঁইয়ে বৰ্তমান অসমীয়া সাহিত্যত আত্মপ্ৰকাশ কৰা 'নিঃসঙ্গতাবোধ' 'বিষাদ' 'বিৰহ' আত্মকেন্দ্ৰিকতা আদি সমাজ বিমুখ ভাবাদৰ্শক সমালোচনা কৰে আৰু সাহিত্যিক সকলক গজদন্তমিনাৰৰ পৰা নামি আহিবলৈ আহ্বান জনায়। ভাষা সমস্যা যে অসমৰ প্ৰতিক্ৰিয়াশীল শ্ৰেণীৰহে এক চক্ৰান্ত তাক তেওঁ উদঙাই দিয়ে আৰু বঙালী বিদ্বেষ যে শোষক শ্ৰেণীৰ দালাল হঁতৰহে ভাবাদৰ্শ তাক ব্যাখ্যা কৰে। নিৰ্দিষ্ট বক্তা শ্ৰীমুকুট ভট্টাচাৰ্য্য, আৰু শ্ৰীঅনিল ৰায়চৌধুৰীয়ে শ্ৰেণী বিভক্ত সমাজত গণতান্ত্ৰিক আৰু শ্ৰমজীবী জনসাধাৰণৰ পক্ষভুক্ত সাহিত্য সংস্কৃতি কলা প্ৰচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত কেবাজনো গায়কে অংশ গ্ৰহণ কৰে আৰু জন জীৱনৰ চিত্ৰ সম্বলিত গীতে সন্ধিয়াৰ বৰ্ণমুখৰ মুৰ্তবোৰ মধুৰ কৰি তোলে আৰু জন সাধাৰণক অনুপ্ৰেৰণা যোগায়। তিনিখন এক অংকীয়া নাট অভিনয়েৰে সিদিনাৰ অনুষ্ঠান শেষ হয়।

( বিজনলাল চৌধুৰী )

## যৱনিকাৰ আৰত

২৭ জুলাইৰ দিনা কলিকতাৰ **Statesman** কাগজত উঠা এটা খবৰে পশ্চিম বংগত বৰ্ত্তমান আৰে আৰে চলি থকা দমন আৰু সন্ত্ৰাসৰ নীতি উদঙাই দিছে। All Bengal Teachers' Association ৰ এটা সমদলৰপৰা ৰাইজে খবৰ পায় যে পঃ বংগৰ বহু ঠাইত কিছুমান বামপন্থী দলৰ প্ৰতি সহানুভূতিশীল শিক্ষকক, স্কুলত সোমাই নিৰ্বিঘ্নে কৰ্ত্তব্য কৰাত, শাসক শ্ৰেণীৰ বহতীয়া গুণ্ডাই বাধা দিছে। শাসক গোষ্ঠিৰ প্ৰচাৰ সত্ত্বেও এনে ঘটনাই কৈ দিয়ে যে "বেচৰকাৰী" কায়দাৰে গণতন্ত্ৰ খতম কৰাৰ কায়দা পুৰামাত্ৰাই চলি আছে।



OKDISCD

## যুৱ অভিবৰ্ত্তন

যোৱা ২২ আৰু ২৩ জুলাইৰ দিনা নলবাৰী মহকুমাৰ গণতান্ত্ৰিক যুব ফেডাৰেশ্যনৰ অধিবেশন নলবাৰীত বহে। ওচৰ পাজৰৰ বহু ঠাইৰ পৰা প্ৰায় আঢ়ৈ কুৰি নিৰ্বাচিত প্ৰতিনিধি এই অধিবেশনত উপস্থিত আছিল। অধিবেশনৰ প্ৰতিনিধি সভাত দেশৰ আৰ্থিক অৱস্থা, সামাজিক আৰু ৰাজনৈতিক অৱস্থা সম্পৰ্কে বিস্তৃত আলোচনা চলে আৰু সেইবোৰ বিষয়ৰ ওপৰত কেইবাটাও প্ৰস্তাৱ গৃহীত হয়। স্থানীয় বান প্ৰপীড়িত ৰাইজৰ দুৰ্গতিৰপৰা দ্ৰব্যমূল্যবৃদ্ধি আৰু শাসকশ্ৰেণীৰ মাজত বাঢ়ি অহা একনায়কত্ববাদী মনোবৃত্তিলৈ এইবোৰ প্ৰস্তাৱে এই অঞ্চলৰ যুবক সকলৰ বৰ্দ্ধিষ্ণু গণতান্ত্ৰিক চেতনাৰ প্ৰমাণ দিয়ে।

## দুৰ্দ্দিনৰ কৰাল ছাঁয়া

এই কথা লুকুৱাবৰ আৰু উপায় নাই যে দেশৰ বৰ্ত্তমান আৰ্থিক সংকট অতি তীব্ৰ হৈছে আৰু ক্ৰমাগত শোচনীয় হৈ যাব ধৰিছে। মুদ্ৰা-মূল্য হ্ৰাস; যধে মধে নোট ছপাই ডেফিচিট ফাইনেন্সিং প্ৰথা প্ৰৱৰ্ত্তন; ক্ৰম বৰ্দ্ধমান কৰ-কাটল আদি চৰকাৰী আৰ্থিক ব্যৱস্থাই এপিনে জনসাধাৰণৰ ওপৰত এই সংকটৰ বোজা জাপি দিছে আৰু আনপিনে দেশৰ বৃহৎ পুঁজিপতি, একচেটীয়া পুঁজিপতি সকলক আৰু সিহঁতৰ লগত বিদেশী লগ্নী পুঁজিৰ জনসাধাৰণক শোষণৰ ব্যৱস্থা বাহাল ৰখাত আৰু বঢ়োৱাত সহায় কৰিছে।

অসমত এই সংকত জনিত পৰিস্থিতিৰ প্ৰকাশ কেনেদৰে ঘটিছে তাক তলৰ দুই এটা কথা চালেই বুজি পোৱা যায়।

(ক) নিত্য প্ৰয়োজনীয় বয়বস্তুৰ দামৰ অতিশয় বৃদ্ধি পাইছে। এই মূল্য বৃদ্ধি অপ্ৰতিহত গতিত চলিয়েই আছে—(কেইমাহমানৰ ভিতৰতে এই বৃদ্ধিৰ হাৰ শতকৰা ৩০ ৰ পৰা ৫০ ভাগ পাইছেগৈ)।

(খ) ফলত শ্ৰমজীৱী, চাকৰিয়াল, কৃষক মধ্যবিত্ত জন সাধাৰণৰ প্ৰকৃত ক্ৰয়-ক্ষমতা বা আৰ্জন দেখ্‌দেখকৈ কমিছে, কমি গৈয়ে আছে।

(গ) মজুৰী বা দৰ্মহা বঢ়াৰ কথা দুৰৈত থাওক কেবা হাজাৰো বনুৱা চাকৰিয়ালৰ চাকৰি গৈছে কাৰণ এতিয়ালৈকে অসমত দুশৰো অধিক কল-কাৰখানা বন্ধ হৈ গৈছে। চাহ বাগিচাৰ মালিক সকলে লাখৰ ওচৰাওচৰি চাহ বনুৱাক কামৰ পৰা খেদিছে। এই কাৰখানা বন্ধ বা চাহ বনুৱা চাটাইত চৰকাৰে একো হস্তক্ষেপ কৰা নাই বৰঞ্চ পৰোক্ষভাৱে সমৰ্থন হে কৰিছে। অকল সেয়েইনে; ব্যয় সংকোচনৰ নামত অসম চৰকাৰে প্ৰায় আধালাখ বনুৱা, কৰ্ম্মী, কৰ্ম্মচাৰীক কামৰ পৰা খেদিছে—খেদিবলৈ লৈছে। শিক্ষিত নিবনুৱা প্ৰায় ত্ৰিশ হাজাৰকে ধৰি, গাৱঁলীয়া নিবনুৱা আৰু কৰ্ম্মপ্ৰাৰ্থীৰ সংখ্যা কেবা লাখো হৈছে। দিনক দিনে এই এই সংখ্যা বাঢ়িয়ে গৈছে। গাৱঁৰ খেতিয়কৰ দুৰৱস্থাৰ পাৰ কূল নাই। অনাহাৰ অনাটন প্ৰায়-দুৰ্ভিক্ষ অৱস্থা সৰ্বব্যাপী। মাটিহীনৰ সংখ্যা শতকৰা ৬৩।৭০ ভাগ। এই অনুপাত ক্ৰমাৎ বাঢ়িছে। ভূমি-সংস্কাৰৰ বাগাড়াম্বৰ চলিলেও কামত মাটিহীনে মাটি পোৱা নাই। কৰবাত পতিত মাটি মোকলাই খেতি কৰিবলৈ ললেও—তাত অমানুষিক ভাবে কৃষক উচ্ছেদ চলিছে। উৎপাদন কমিছে। তাৰোপৰি চৰকাৰী দুৰ্নীতি, গৰহেমাহি আৰু দুৰ্বুদ্ধিৰ ফলত মথাউৰি ভাঙি কৃত্ৰিম বানপানী হৈ লাখ লাখ গাৱলীয়া জনসাধাৰণক পথৰ ভিখাৰী কৰিছে।

এই বছৰ ভাৰতৰ স্বাধীনতাৰ ৰূপালী জয়ন্তী। আজি পচিশ বছৰৰ মূৰত ৰাইজে হিচাব কৰি নিশ্চয় চাব আৰু চাইছে। প্ৰশ্ন কৰিবৰ মন যায়; ৰাইজে বিচাৰিছিল কি? পালে কি?

কিন্তু কতা! বৃহৎ পুঁজিপতি একচেটীয়া পুঁজিপতি গোষ্ঠীৰ আয় আৰু আৰ্থিক পৰাক্ৰম দেখোন কমা নাই, অভূতপূৰ্ব্ব ভাবে বাঢ়িহে গৈছে। মন্ত্ৰী বা শাসনযন্ত্ৰৰ ডা-ডাঙৰীয়া বা বিষয়াৰ সা-সুবিধা আয়, ভ্ৰমণ বানচ দেখোন বাঢ়িহে গৈছে। ধনী সকল ক্ৰমাগত ধনী হৈ আৰু সাধাৰণ মধ্যবিত্ত, শ্ৰমজীৱী, চাকৰিয়াল, কৃষক জনগণ দেখোন **ডাল-দৰিদ্ৰ হোৱাৰ পথলৈ নামি** আহিব ধৰিছে।

যোৱা সাধাৰণ নিৰ্বাচনৰ সময়ৰ পৰা নতুন আৱাজ বহুতো শুনি আহিছো। এই বোৰক লৈ শোষক শ্ৰেনীৰ পোহনীয়া বাতৰি কাকত, বুদ্ধিজীৱি (?) আৰু নেতাবোৰে কম হৈ চৈ লগোৱা নাই। 'গৰিবী হতাও', 'নিবনুৱাৰ কৰ্ম্ম সংস্থান' "সউজী বিপ্লৱ", "অধিক উৎপাদন", "ভূমি সংস্কাৰ", "মাটিহীনক মাটি", "ধনী







OKDISCD

ভুখীয়াৰ মাজৰ ব্যৱধান কমোৱা", একচেটীয়া পুঁজিৰ নিয়ন্ত্ৰণ"ৰ মাজেদি গণতান্ত্ৰিক সমাজবাদৰ হৈ চৈ দেখি আহিছে।

কিন্তু ই কি হ'ল? দেখিছো কি? বৰ্ত্তমানৰ পৰিস্থিতি জানো এনেবোৰ আৱাজৰে ৰূপায়ণ?

আনহাতে দেখিছো যে—এক দেশ, এক দল, এক নেতাৰ আৱাজত প্ৰকৃত বিৰোধী দল নিৰ্মূল কৰি দেশত একনায়কত্ববাদ স্থাপনৰ অভিসন্ধিও চলিছে। শোষিত ৰাইজৰ হকে মাত মতা দেশৰ গণতান্ত্ৰিক শক্তি সমূহৰ ওপৰত আক্ৰমণ, গনতান্ত্ৰিক অধিকাৰৰ ওপৰত আক্ৰমণ চলিছে।

অসমতো ইয়াৰ ব্যতিক্ৰম নহব।

অলপতে ২৯।৩০ জুলাইত গুৱাহাটীত বিভিন্ন বামপন্থী দল আৰু প্ৰগতিশীল গণতান্ত্ৰিক ব্যক্তিৰ সমূহীয়া উদ্যোগত বহা সদৌ অসম গণতান্ত্ৰিক অভিবৰ্ত্তনৰ প্ৰথম সফল বৈঠক হোৱা দেখি জানি আশাৰ ৰেঙণি দেখা পাইছো। প্ৰায় পাচশ সমাজ সচেতন প্ৰতিনিধিয়ে আলোচনাৰ মাজেদি কৰা সিদ্ধান্ত আৰু প্ৰকাশ কৰা বক্তব্য ইতিমধ্যে ৰাইজে জানিছেই।

আমি আশা ৰাখিছো যে অভিবৰ্ত্তনৰ ভৱিষ্যত কাৰ্য্যসূচী বাস্তৱত ৰূপায়ণৰ বাবে ৰাইজ আগ বাঢ়ি আহিব নহলে এই সংকটৰ পৰা পৰিত্ৰাণৰ বিকল্প পথ নাই। অভিবৰ্ত্তনৰ নেতৃত্বত অসমৰ জনসাধাৰণ সতৰ্ক, সচেতন আৰু কৰ্ম্মতৎপৰ হওক তাকেই আমি বাঞ্ছা কৰিছো।

অভিবৰ্ত্তনে লগতে ৰাইজক সকিয়াই দিছে যে শাষক আৰু শোষক শ্ৰেনীয়ে তাৰ আজ্ঞাবহ ভুৱা বিৰোধী কোনোবা কোনোৱাই, আৰু দালাল সকলে জন-সাধাৰণৰ মাজৰ একতা ধ্বংশ কৰিবলৈ চেষ্টা কৰিব পাৰে। জাতি, ধৰ্ম্ম, সম্প্ৰদায় ভাষা আদিৰ প্ৰাৰ্থক্যৰ সুযোগ লৈ জনগনৰ মাজত আত্মকলহ—হাই কাজিয়া লগাই—মুল কথাৰ পৰা বিভ্ৰান্ত কৰিব বিচাৰিব পাৰে। সেয়ে এনে সকলো ধৰণৰ বিভেদ নীতিক সতৰ্ক আৰু সচেতন হৈ ৰাইজে বাধা দিয়াৰ অতি প্ৰয়োজন।

**( প্ৰাণেশ্বৰ কলিতা )**





# স্বাধীনতাৰ ৰূপালী জয়ন্তী

আমাৰ দেশখন এই পচিশ বছৰ কালত কোন বাটেৰে কিমান দূৰ আগ বাঢ়িব পাৰিছে ইয়াৰ খতিয়ান আমি দিব খোজা নাই, আমি মাথোন আমাৰ দেশৰ লগত আমাতকৈ পিছত স্বাধীন হোৱা আন দেশ বোৰৰ (মহাচীন, উত্তৰ কোৰিয়া, কিউবা আদি) উন্নতি ৰিজালে এই বিষয়ে সকলোৱে নিজে নিজে উপলব্ধি কৰিব।

কিন্তু এই ৰূপালী জয়ন্তী উপলক্ষে যে শাসক দলে উলংগ ভাৱে নিজৰ আত্মপ্ৰচাৰ কৰিছে এই কথাটোৱে সকলোৰে চকুত পৰিছে। শাসক দলৰ পদলেহী কিছুমান বাৰ্তাৰ কাকতেও এই আত্মপ্ৰচাৰ আৰু অপপ্ৰচাৰ বাৰুকৈয়ে কৰিছে। স্বাধীনতা যুজৰ সৰ্ব্বস্ব ত্যাগ কৰা বহুত দেশপ্ৰেমিকৰ নাম তেওঁলোকে উল্লেখ নকৰে কাৰণ এই সকলে বৰ্ত্তমান শাসক শ্ৰেণী আৰু দলৰ বিৰোধিতা কৰে। আনহাতে কিছুমান পাবতগজা দেশপ্ৰেমিকৰ নামো এওঁলোকে প্ৰচাৰ কৰিছে। এই বিষয়ে বহু ঠাইত বিক্ষোভ হৈছে। শাসক দল আৰু শাসক শ্ৰেণীৰ এনে নিৰ্লজ আত্মপ্ৰচাৰ আৰু প্ৰবঞ্চনাত আচৰিত হবলৈ একো নাই। ইয়েই তেওঁলোকৰ শ্ৰেণী চৰিত্ৰ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমোদিত প্ৰাক্ বিশ্ববিদ্যালয়ৰ দুবছৰীয়া পাঠ্যক্ৰমৰ আমাৰ এজেন্সীভুক্ত কিতাপ সমূহ ঃ
১। ৰসায়ণ ১ম খণ্ড ২। ৰসায়ণ ২য় খণ্ড ৩। ৰসায়ন ৩য় খণ্ড
৪। ব্যাৱহাৰিক ৰসায়ণ ৫। পৰিসংখ্যা বিজ্ঞান
আৰু
৬। প্ৰাথমিক ৰাজনীতি বিজ্ঞান—অধ্যাপক ফনিধৰ কলিতা
প্ৰাপ্তি স্থান—
গ্ৰন্থ পীঠ
পানবজাৰ গুৱাহাটী-১



OKDISCD

## কবিতা প্ৰকাশনৰ নতুন কিতাপ

◎ **বৃত্তভঙা সময়**—ৰবীন্দ্ৰ সৰকাৰৰ নিৰ্বাচিত কবিতা সংকলন প্ৰকাশ হল। অৰিহণা এটকা।

● **চিৰন্তন**—তিনিমহীয়া কবিতা আলোচনীৰ দ্বিতীয় সংখ্যা নবীন প্ৰবীণ কবিৰ কবিতা, প্ৰবন্ধ আৰু পুথি সমালোচনাৰে সমৃদ্ধ হৈ চেপ্তেম্বৰ মাহত প্ৰকাশ পাব। মূল্য এটকা।

যোগাযোগ কৰক—
সম্পাদক, 'চিৰন্তন'
ৰিডাৰ্ছ বুক ষ্টল
উজানবজাৰ, গুৱাহাটী-১

আপোনাৰ পছন্দ অনুসৰি
আৰু নিৰ্ভৰযোগ্যভাৱে
ইলেকট্ৰিক লাইট লগাই
আপোনাৰ নতুনকৈ সজা ঘৰটো
যদি আপুনি
সু-সজ্জিত কৰি তুলিব খোজে,
তেন্তে—

যোগাযোগ কৰক :—

**মেছাৰ্চ গণেশ ইলেকট্ৰিক ষ্ট'ৰচ**

অনুমোদিত ফিলিপচ্ বিজুলী চাকি বেচোঁতা—
জি-এচ ৰোড॥ পাণবজাৰ॥ গুৱাহাটী-১
ফোন : ৩৫১৯




## ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱক সকলৰ প্ৰতি

"বজাৰৰ ন'টবুক" নামে অভিহিত এক শ্ৰেণী কিতাপেৰে শিক্ষা আৰু জ্ঞান উপাৰ্জনৰ ক্ষেত্ৰত বৰ অপকাৰ কৰিছে সেই কথা সকলো চিন্তাশীললোকে একমুখে স্বীকাৰ কৰে। তথাপি নানা কাৰণত এই কিতাপবোৰৰ প্ৰচলন বন্ধ হোৱা নাই। শিক্ষাৰ মাধ্যম হিচাপে ইংৰাজী ভাষাই সৃষ্টি কৰা জটিলতাৰ পৰা কিছুপৰিমাণে মুক্ত হোৱাৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীয়ে "ন'টবুক" কিনে, -- এনেধৰণৰ যুক্তিও কেতিয়াবা কোনোবাই দেখুৱাইছিল। কিন্তু এতিয়া য'ত শিক্ষাৰ মাধ্যম অসমীয়া হ'ল, অসমীয়া ভাষাত লিখা পাঠ্যপুথিসমূহ সহজলভ্য হ'ল, তাত ন'টবুকৰ সপক্ষে ভাষাৰ জটিলতাৰ যুক্তি কোনোমতে দেখুৱাব নোৱাৰি। বজাৰত এবাৰ "ন'টবুকৰ" প্ৰচলন হ'ল যেতিয়া তাক বন্ধ কৰা টান, এই কাৰণেও হয়তো সেই কিতাপবোৰ অবাধে প্ৰচলিত হৈ আছিল। কিন্তু অসমীয়া ভাষাত শিক্ষাদানৰ ব্যৱস্থা এই আৰম্ভ হৈছেহে মাথোঁ। অসমীয়া ভাষাত মূল পাঠ্যপুথিসমূহ প্ৰকাশিত হৈছেহে মাথোঁ। অসমীয়া "ন'টবুক" এতিয়াও ওলোৱা নাই। গতিকে, সঁচাকৈয়ে যদি "ন'টবুক" বোৰ অপকাৰী বুলি সকলোৱে বুজিছে, তেনেহলে এই মুহূৰ্তত প্ৰত্যেক শিক্ষক আৰু অভিভাবকৰ কৰ্তব্য - "ন'টবুক" যাতে ওলাবলৈকে নাপায়, তাৰ বাবে উপযুক্ত পৰিবেশ গঢ়ি তোলা, আৰু মূল পাঠ্যপুথিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰা। আৰু ছাত্ৰ-ছাত্ৰীসকলৰ এটা কৰ্তব্য হ'ল- "আজিকালিৰ ল'ৰা-ছোৱালীয়ে হাতত পইচা থাকিলেও টেক্সটবুক নিকিনে; পৰীক্ষাৰ আগে আগে ন'টবুকহে কিনে-" এই ধৰণৰ মন্তব্যৰ পাত্ৰ নোহোৱাকৈ থকা।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমোদিত অসমীয়া পাঠ্যপুথিসমূহৰ পৰিবেশক সকল হল, মানিমাণিক প্ৰকাশ' গ্ৰন্থপীঠ, লয়াৰ্ছ বুক ষ্টল (আটাইকেইখনৰ ঠিকনা পাণবজাৰ, গুৱাহাটী--১), দত্তবৰুৱা এণ্ড কোম্পানি, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী--১, ষ্টুডেন্টছ ফৰাম, শিলপুখুৰী, গুৱাহাটী--৩, ছাৰ্ভিছ বুক ছেলাৰছ এণ্ড ষ্টেশ্বনাৰ্ছ, গুৱাহাটী--১৪, আৰু বৰুৱা এজেন্সি, দীঘলীপুখুৰী পাৰ, গুৱাহাটী-১।

**গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ দ্বাৰা প্ৰচাৰিত**



OKDISCD

## প্ৰাক্-বিশ্ববিদ্যালয়ৰ দুবছৰীয়া পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী সহায়িকা পুথি

বৰ্ত্তমান শিক্ষা প্ৰণালীৰ দুৰ্বলতা আৰু পাঠ্য-পুথিৰ দুৰ্বোধ্যতাৰ পৰা হাত সাৰি পৰীক্ষাৰ দেওনা সহজে পাৰ হবলৈ **ন'ট বুক**ৰ প্ৰয়োজন আছে বুলি যদি ভাবে তেনেহলে উপযুক্ত সহায়িকা পুথিৰ বাবে আমাৰ ওচৰত খবৰ কৰক।

বৰুৱা এজেঞ্চি
গুৱাহাটী-১

---

নতুন পৃথিবীৰ পঢ়ুৱৈ ৰাইজলৈ
আন্তৰিক ওলগ জনালো।

## গুৱাহাটী ডায়েৰী স্থাপিত—১৯২৩

ফোন ঃ ৩৭২৯
পানবজাৰ ঃ গুৱাহাটী—

---

**KHELAGHAR** ● Dealers of High class sports goods
Kamarpatty ● Stockists : Land Masters Boots &
Gauhati—1 ● Balls, Symonds Distributor pvt. Ltd. &
NACO TENNIS BALL.

---

Contact :- M/S. **K. B. DUTTA AND SONS.**
LAKHTOKIA, GAUHATI-1
FOR
HALDA TYPEWRITEER FACIT
CALCULATNG MACHINE


## নতুন পৃথিৱীৰ প্ৰথম বছৰৰ

## বছৰেকীয়া সূচী


| প্ৰবন্ধৰ নাম আৰু প্ৰকাৰ বৰ্ণানুসৰি নাম | প্ৰকাৰ | লিখকৰ নাম | সংখ্যা | পৃষ্ঠা |
|---|---|---|---|---|
| অক্লান্ত প্ৰাণ (I will not rest' নামৰ গ্ৰন্থৰ অংশবিশেষৰ ভাঙনি) | প্ৰবন্ধ | ৰোমাঁ ৰোলা | ২য় | ১৬২—১৬৬ |
| অসমৰ কৃষি সংকটৰ পট ভূমি | ঐ | অনিল ৰায় চৌধুৰী | ১ম | ৭২—৮২ |
| অসমত বস্তুৰ দামৰ উৰ্দ্ধমুখী গতি আৰু ইয়াৰ কাৰণ | ঐ | অতুল গোস্বামী | ২য় | ১৩৭—১৫১ |
| অন্ধকাৰত আনত আমাৰ মুখ | কবিতা | হিতেন শৰ্ম্মা | ৪ৰ্থ | ৫৭ |
| অপৰাজেয় | কবিতা | আনন্দেশ্বৰ শৰ্ম্মা | ৩য় | ১৭—১৮ |
| আমাৰ সমস্যা সমাধানত মাৰ্ক্সবাদ আৰু লেনিন-বাদৰ প্ৰয়োগ | প্ৰবন্ধ | উমা শৰ্ম্মা | ১ম | ১০০—১২৩ |
| আমাৰ শিক্ষা ব্যৱস্থাঃ বাস্তৱ আৰু আদৰ্শ | প্ৰবন্ধ | ৰঞ্জিত নাৰায়ণ ডেকা | ৪ৰ্থ | ২৯৫—৩১০ |
| এটা নতুন সূৰ্য্য একাংকিকা | | ৰবীন্দ্ৰনাথ বৰঠাকুৰ | ২য় | ৬৭—৭৬ |
| এটা কবিতা | কবিতা | খগেন্দ্ৰ ভৰালী | ৪ৰ্থ | ৫০ |
| কবিতা | কবিতা | নীলমণি ফুকন | ২য় | ১৭ |
| ককাইদেউ আৰু আমি | গল্প | মুকুট ভট্টাচাৰ্য্য | ২য় | ৮৬—১০২ |
| গাৰো সমাজত বিবৰ্ত্তন | প্ৰবন্ধ | ডঃ ধীৰেন্দ্ৰ নাৰায়ণ মজুমদাৰ | ২য় | ৭৭—৮৫ |
| গান্ধী আৰু নৈতিকতা | প্ৰবন্ধ | শিৱনাথ বৰ্ম্মণ | ২য় | ৪৮—৭৫ |
| গাঁৱৰ পৰা | নক্সা | সঞ্জয় | ১ম | ১৬৩—১৬৪ |
| গ্ৰন্থ পৰিচিতি | সমালোচনা | | | ১৬৭—১৭০ |
| চীনত কি দেখিলো | ভ্ৰমণ টোকা অনুবাদ | জি জগন্নাথ | ৩য় | ১১১—১১৬ |
| চোভিয়েট ইউনিয়ত নিৰক্ষৰতা | (অনুবাদ) | অনুবাদ আৰু সংগ্ৰহ শ্ৰীমতীঅলকা গায়ন | ৩য় | ১৩৫—১৪৪ |


OKDISCD

প্রবন্ধৰ নাম আৰু প্রকাৰ


| বর্ণানুসৰি নাম | প্রকাৰ | লিখকৰ নাম | সংখ্যা | পৃষ্ঠা |
|---|---|---|---|---|
| চিঠিপত্র | | হেমেন দাস | ৩য় | ৯৪ |
| থুপি থুপি জুই | কবিতা | জ্ঞান পূজাৰী | ৩য় | ৩৬ |
| দেৱালৰ লেখা | কবিতা | ফণীন্দ্র নাথ গায়ণ | ৪র্থ | ৫১ |
| দক্ষিন গোৱালপাৰাৰ জনজাতিৰ সমস্যা | প্রবন্ধ | তৰুন খাগলাৰী | ২য় | ৩১—৪৭ |
| দ্বন্দ্বৰ বিষয়ে বিচাৰ on Contradiction ৰ অনুবাদ | প্রবন্ধ | মাও ছে টুং | ৪র্থ | ১—৪৬ |
| ডুধু মিঞা | গল্প | অনিল ৰায় চৌধুৰী | ৩য় | ৭৬—৯০ |
| ধর্ম্ম, নৈতিকতা আৰু আদর্শৰ সংকট | প্রবন্ধ | ধনী বৰা | ১ম | ১২৪—১৩৫ |
| ন মাটিৰ মাত | কবিতা | কেশৱ মহন্ত | ২য় | ৩০ |
| নবকান্ত বৰুৱাৰ কবিতাত স্থানু ধর্ম্মিতা | প্রবন্ধ | নগেন হাজৰিকা | ৩য় | ৪৯—৭০ |
| প্রহৰী | কবিতা | অৱনী চক্রবর্ত্তী | ৪র্থ | ৫৪—৫৫ |
| পঞ্চম সাধাৰণ নির্বাচন আৰু সংসদী গণতন্ত্রৰ ভৱিষ্যত | প্রবন্ধ | ডঃ দেৱ প্রসাদ বৰুৱা | ৪র্থ | ৩১১—৩২১ |
| পুঁজিবাদ, সমাজবাদ আৰু আর্থিক উন্নয়ন | | তাৰক চন্দ্র গোস্বামী | ৩য় | ১৯—৩০ |
| ফেচিবাদ | প্রবন্ধ | অনিল ৰায় চৌধুৰী | ৪র্থ | ২৩১—২৫৭ |
| বাটৰ বগৰী জেং | গল্প | ভুবন মোহন মহন্ত | ৩য় | ৪২—৪৮ |
| বিশ্ব প্রেম | কবিতা | ডাঃ হেৰম্ব শর্ম্মা | ৩য় | ৩১—৩৪ |
| বোৱঁতী সুঁতি | উপন্যাস | মুকুট ভট্টাচার্য্য | ৪র্থ | ১৪৮—২১৫ |
| ভাৰতৰ আর্থিক উন্নয়ণৰ পৰিকল্পনা আৰু সমাজবাদ | প্রবন্ধ | তাৰক চন্দ্র গোস্বামী | ১ম | ৩১—৪৫ |
| ভাবাদর্শৰ সংগ্রামৰ কিছুমান সমস্যা | প্রবন্ধ | অচিন্ত্য ভট্টাচার্য্য | ১ম | ৮৩—৯৯ |
| ভিয়েটনামৰ মুক্তি যুদ্ধ | প্রবন্ধ | খগেন শর্ম্মা ৰাজখোৱা | ৪র্থ | ২১৬—২২৯ |
| ভাৰতবর্ষত সাম্রাজ্যবাদ তথ্য আৰু অঙ্ক (সংগ্রহ) | অনুবাদ | আনন্দ বৰমুদৈ | ২য় | ১২৭—১৩৬ |




প্রবন্ধৰ নাম আৰু প্রকাৰ


| বর্ণানুসৰি নাম | প্রকাৰ | লিখকৰ নাম | সংখ্যা | পৃষ্ঠা |
|---|---|---|---|---|
| ভদ্রলোক | গল্প | গোবিন্দ প্রসাদ শর্ম্মা | ৩য় | ৯৬—১১০ |
| মার্ক্সবাদ আৰু ব্যাক্তি স্বাধীনতা | প্রবন্ধ | শিৱনাথ বর্ম্মণ | ১ম | ৪৬—৭১ |
| মার্ক্সবাদ আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গী সম্বন্ধে এটা মত | প্রবন্ধ | ঐ | ৪র্থ | ২৬৭—২৮৪ |
| মৌলিক অধিকাৰ | প্রবন্ধ | ডঃ দেৱ প্রসাদ বৰুৱা | ১ম | ১৪৭—১৫১ |
| মণিৰাম দেৱান আৰু অসমীয়া মধ্যবিত্ত সমাজৰ ইতি-হাস (১ম খণ্ড) | প্রবন্ধ | ডঃ হীৰেন গোহাঁই | ৪র্থ | ৯৮—১২২ |
| মার্ক্সীয় দৃষ্টি ভঙ্গিত বাংলা দেশৰ সংগ্রাম | প্রবন্ধ | উমা শর্ম্মা | ২য় | ১০৩—১২৬ |
| ৰূপা | প্রবন্ধ | ডঃ অন্নদা চৰণ ভাগৱতী | ১ম | ১৩৫—১৪৬ |
| ৰতুবাবুৰ গেৰেঞ্জ | গল্প | শীলভদ্র | ২য় | ১৮—২৯ |
| ৰাষ্ট্ৰৰ ম্লাপন আৰু অহিংস বিপ্লৱ (অনুবাদ) | প্রবন্ধ | ৰঞ্জিত নাৰায়ণ ডেকা | ৩য় | ৩৮—৪১ |
| ৰুছ বিপ্লৱৰ তাৎপর্য্য (অনুবাদ) | প্রবন্ধ | অনুবাদক ক্রিষ্টোফাৰ হিল | ৩য় | ৭৩—৭৫ |
| শত সূর্য্যৰ আকাশ | কবিতা | ৰবীন্দ্র সৰকাৰ | ৩য় | ৩৫ |
| শুকুলা | কবিতা | আনিছ উছ জামান | ৩য় | ৩৭ |
| শেক্সপীয়েৰ আৰু তেওঁৰ সমাজ—১ম খণ্ড | প্রবন্ধ | যামিনী ফুকন | ৩য় | ১১৭—১২৩ |
| ঐ—২য় খণ্ড | „ | ঐ | ৪র্থ | ২৮৫—২৯৪ |
| শ্ৰীমন্ত শংকৰ আৰু অসমৰ ইতিহাস | প্রবন্ধ | ডঃ হীৰেন গোহাঁই | ২য় | ১৬৭—১৯৪ |
| শ্ৰেণী সমাজ আৰু ৰাষ্ট্ৰ (অনুবাদ) | প্রবন্ধ | ৰঞ্জিত নাৰায়ণ ডেকা | ১ম | ১৫২—১৬৩ |
| শোভাযাত্রাত নিহত জনৰ কবিতা | কবিতা | অনুবাদক হীৰেন ভট্টাচার্য্য | ৪র্থ | ৪৭ |

প্ৰবন্ধৰ নাম আৰু প্ৰকাৰ


| বৰ্ণানুসৰি নাম | প্ৰকাৰ | লিখকৰ নাম | সংখ্যা | পৃষ্ঠা |
|---|---|---|---|---|
| শিক্ষানীতিৰ সংকট আৰু সমাধান | প্ৰবন্ধ | ডঃ হীৰেন গোহাঁই | ৩য় | ১২৪—১৩৪ |
| সৈনিক | উপন্যাস | শীলভদ্ৰ | ৪ৰ্থ | ৫৮—৯৭ |
| সমাজবাদ কিয় (অনুবাদ) | প্ৰবন্ধ | আলবাৰ্ট আইন ষ্টাইন | ১ম | ৫—১৪ |
| সামন্ত যুগীয় অসমৰ ভূমি-ব্যৱস্থা আৰু সামাজিক শ্ৰেণী | ঐ | ডঃ অমলেন্দু গুহ | ৪ৰ্থ | ১২৩—১৪৭ |
| স্বাধীনতা | গল্প | হীৰেন গোহাঁই | ১ম | ১৫—৩০ |
| স্বাগতম এটা নতুন সূৰ্য্যক | কবিতা | মধুসূদন দাস | ৪ৰ্থ | ৫২ |
| সংস্কৃতি সংবাদ | সমালোচনা | পৰ্য্যবেক্ষক | ২য় | ১৫২—১৬১ |
| সূৰ্য্যোদয়ত উপলব্ধি | কবিতা | পুতুল হাজৰিকা | ৪ৰ্থ | ৫৭ |
| সমাজ সত্যৰ উৎস সন্ধানত | প্ৰবন্ধ | অচিন্ত্য ভট্টাচাৰ্য্য | ৩য় | ৯—১৬ |
| সংকল্প | গল্প | হৰেকৃষ্ণ দাস | ৪ৰ্থ | ২৫৮—২৬৬ |
| সাময়িক প্ৰসঙ্গ | আলোচনা | | ৩য় | ১৪৫—১৫৫ |
| ভিয়েটনাম আৰু আমি | | | | |
| শিক্ষাৰ মাধ্যম, মেডিকেল কলেজ | | | | |
| সংস্কৃতি সংবাদ আৰু সাম-সাময়িক প্ৰসঙ্গ | ঐ | | | |
| সংস্কৃতি সংবাদ, কাৰাবাটা, বহুৰূপী, বালিপাৰাত বিহু, | আলোচনা | | ৩য় | ১৫৬—১৬০ |
| প্ৰগতি আৰু প্ৰতিক্ৰিয়াৰ খতিয়ান | সম্পাদকীয় | | ১ম | ১৫৫—১৬৬ |
| পৃথিবীত ফাগুন | কবিতা | বিজন লাল চৌধুৰী | ৪ৰ্থ | ৪৮ |
| সাধাৰণ নিৰ্বাচনৰ পটভূমি | সম্পাদকীয় | | ২য় | ১—১২ |
| সাহিত্যৰ পথ | ” | | ৪ৰ্থ | |
| সংগ্ৰামী মানুহৰ ঐক্য | ” | | ৪ৰ্থ | |
| গণতন্ত্ৰৰ বিপদ | সম্পাদকীয় | | ৩য় | ১—৮ |
| হুছৰি | কবিতা | জ্ঞান পূজাৰী | ৪ৰ্থ | ৪৯ |


দ্বিতীয় আৰু তৃতীয় সংখ্যাৰ কম সংখ্যক "নতুন পৃথিৱী" আমাৰ হাতত আছে। দৰ্কাৰ হলে আমালৈ লিখক।

# নতুন পৃথিৱী সম্পৰ্কে

দল নিৰপেক্ষ ভাবে মাৰ্ক্সবাদৰ সঠিক চৰ্চাই "নতুন পৃথিৱী"ৰ মুখ্য উদ্দেশ্য।

সাম্ৰাজ্যবাদী, সামন্তবাদী আৰু পুঁজিবাদী সমাজ ব্যৱস্থাৰ অবসানৰ বাবে শোষিত জনগণে চলোৱা সংগ্ৰামৰ লগত একাত্মবোধ থকা প্ৰতিজন প্ৰগতিশীল নিষ্ঠাবান লিখকৰ বাবেই 'নতুন পৃথিৱী'ৰ দুৱাৰ মুকলি।

প্ৰয়োজনীয় ডাক-টিকট লগত নপঠালে অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয়। কাগজৰ এপিঠিত পৰিষ্কাৰকৈ লিখি প্ৰবন্ধ-পাতি ডঃ হীৰেন গোহাঁই, নিজৰা পাৰ গুৱাহাটী-৩ এই ঠিকনাত পঠাব।

তিনিমহীয়া "নতুন পৃথিৱী" ইংৰাজী ফেব্ৰুৱাৰী, মে, আগষ্ট আৰু নবেম্বৰ মাহত প্ৰকাশ হয়।

এজেন্ট সকলে প্ৰতিটো এজেন্সিৰ বাবে দহ টকাকৈ আগধন জমা থব লাগিব আৰু সেই ধন এজেন্সি এৰাৰ পিচতহে ঘূৰাই দিয়া হব। দহ বা ততোধিক কপিৰ বাবে কমিচনৰ নিৰিখ শতকৰা পচিশ। গ্ৰাহকৰ বছৰেকীয়া বৰঙণি দহ টকা। এজেন্ট সকললৈ ভি পি যোগে আৰু গ্ৰাহক সকললৈ সাধাৰণ ভাবে under certificate of posting ত আলোচনী পঠোৱা হয়। ঠিকনা সলনি হলে আৰু কপি সৰহকৈ লাগিলে আগতীয়াকৈ জনাব।

টকা পইচা পঠোৱাৰ, এজেন্সি, বিজ্ঞাপন আদিৰ বাবে যোগাযোগ কৰাৰ ঠিকনা ঃ মুকুট ভট্টাচাৰ্য্য, অবৈতনিক কাৰ্য্যালয় সঞ্চালক, ১৬—বিশ্ববিদ্যালয় চৌহদ, গুৱাহাটী—১৪।

| উপদেষ্টা | সম্পাদনা সমিতি (অবৈতনিক) |
|---|---|
| ডঃ দেৱ প্ৰসাদ বৰুৱা | ডঃ হীৰেন গোহাঁই<br>( সম্পাদক ) |
| আনন্দেশ্বৰ শৰ্ম্মা | তাৰক চন্দ্ৰ গোস্বামী |
| | অনিল ৰায় চৌধুৰী |

OKDISCD